ওমৰ খায়াম

প্ৰদীপ শইকীয়া

সুদৰ্শন প্ৰকাশ
বাসুণীমদাম
গুৱাহাটী-২১

প্রথম প্রকাশ ঃ ডিচেম্বৰ ১৯৮৭

সুদশন প্রকাশৰ হৈ নাৰায়ণ চন্দ্ৰ বৰকটকীৰ দ্বাৰা
বামুণীমৈদাম গুৱাহাটী ২১ ৰ পৰা প্রকাশিত আৰু
সুদশন প্রেছ বামুণীমৈদাম গুৱাহাটী ২১ ত
মুদ্রিত

মূল্য ৫০ ০০

এই কিতাপ ৰচনা
কৰোঁতে সমালোচনা আৰু
উদগণিৰে মোক সকলো
সময়তে সহায় কৰিছিল
চাৰুৱে। গতিকে তেওঁৰ
হাতত মৰমেৰে এই কিতাপ
অপণ কৰিলোঁ।

ম্যয় হু উন বদ্‌বখ্‌ত তাবে াকে
টুকবে যিনকো আস্‌মাভি কয়েদ্‌
কব নহী বখ চকতা
মই হৈছোঁ সেই দুৰন্ত তৰাৰ এটুকুৰা
যাক আকাশেও বন্দী কৰি ৰাখিব নোৱাৰে

—মির্জা গালিব্‌



অসমৰ মৰমী কবি যতীন দুৱৰাৰ অনবদ্য সোণালী লিখনিৰ পৰা ওলোৱা ওমৰ তীথ নামৰ কবিতাৰ পুথি প্ৰকাশ হোৱাৰ পিচত পাৰস্যৰ কবি ওমৰ খায়াম অসমৰ সকলোৰে প্ৰিয়জন হৈ পৰিল। ১৯৫৪ চনৰ মাৰ্চমাহৰ কোনো এটা তাৰিখে স্বৰ্গীয় কবি দুৱৰাদেৱৰ লগত এবাৰ কথা হ বলৈ সুযোগ পাইছিলো গুৱাহাটীৰ চেনীকুঠিৰ তেখেতৰ কোনো আত্মীয়ৰ ঘৰত। আমি তেতিয়া কটন কলেজৰ ছাত্ৰ। ওমৰ তীথ আমাৰ তেতিয়া মখস্থ। শান্ত শ্ৰী কবিৰ নিজৰ মুখৰ পৰা মুগ্ধ হৈ শুনিছিলো তেখেতে ওমৰৰ ৰুবায়াত অনুবাদ কৰাৰ শুৰিকথা। কলিকতাত থকা সময়ত কবিৰ কোনো এজন বিহাৰী মুছলমান বন্ধুৱে হেনো প্ৰথমতে কবিক কৈছিল ওমৰৰ ৰুবায়াতৰ কথা—পঢ়িয়ে বহত উমদা চীজ হায়। পঢ়ি উঠি তেখেতৰ হেনো অসমীয়ালৈ ভাওনি কৰিবলৈ মন গৈছিল। দুবাৰমান অনুশীলন কৰাৰ পিচতে হেনো অা৷ৰ নলগাগৈ ওলাই আহিছিল সেই ৰূপোৱালী ছন্দ—যাৰ সঙ্গীতময় ধ্বনি যোৱা অৰ্দ্ধ শতাব্দী ধৰি অসমীয়াৰ প্ৰাণত গথা হৈ গৈছে। ওমৰ খায়াম এতিয়া আমাৰ অতি আপোন জন। স্বাভাবিকতে ওমৰৰ প্ৰতি মোৰ ধাউতিও ওমৰ তীথত অৱগাহন কৰাৰে ফল।

প্ৰাণ মন মতলীয়া কৰিব পৰা ওমৰৰ ৰুবায়াতৰ অপৰূপ বৰ্ণালিৰ মাজেদি যিজন ওমৰ খায়ামৰ ভাৱ মূৰ্ত্তিয়ে ছয়াময়াকৈ পাঠকৰ মানস পটত ধৰা দিয়ে ইতিহাসৰ ছাঁ জুইৰ গোহৰত সেই মূৰ্ত্তি আৰু কুহেলিকাময় হৈ উঠে। ওমৰৰ বিষয়ে সঠিককৈ এটা ধাৰণা কৰা সহজ কাম নহয়। তেওঁৰ জীৱন কালত ওমৰৰ পৰিচয় আছিল এজন সু প্ৰতিষ্ঠিত গণিতজ্ঞ আৰু জ্যোতিৰিদ হিচাবেহে কবি হিচাবে নহয়।

যিটো যুগৰ মানুহ আছিল ওমৰ খায়াম মধ্যযুগৰ সেই একাদশ দ্বাদশ শতিকাৰ ইৰাণ আৰু তুৰস্কত বুৰঞ্জী লিখাৰ কোনো প্ৰথা নাছিল। তাৰ কেবা শতাব্দী পিচত মঙ্গোলসকলে পাৰস্য অধিকাৰ কৰাৰ পিচৰ পৰাহে বুৰঞ্জীৰচনাৰ বিকাশ হ বলৈ ধৰিছিল। মঙ্গোল শাসনকৰ্ত্তাসকলৰ পৰিষদবৰ্গৰ মাজত বহুতো চীনা লিখাক আছিল।

সমসাময়িক সাহিত্যৰ পাতত প্ৰসঙ্গ ক্ৰমে উল্লিখিত কিছুমান কথাৰ পৰা আৰু বহুলাংশে জন শ্ৰুতিৰ পৰা ওমৰৰ জীৱনী আৰু চৰিত্ৰৰ বিষয়ে পযাপ্ত পৰিমাণে নহ লেও কিছুকথা জানিব পৰা যায়। ওমৰৰ জন্ম হৈছিল চেলজুক সাম্ৰাজ্যৰ অন্তগত সুযৰ দেশ বুলি খ্যাত খোৰাচান প্ৰদেশৰ নিচাপুৰ নগৰত। বাপেকৰ নাম আছিল ইব্ৰাহীম। পৈতৃক ব্যৱসায় আছিল তম্বু চিলাই কৰা। নিচাপুৰত ওমৰৰ নক্ষত্ৰ নিৰীক্ষণাগাৰ বা মাণ মন্দিৰ থকাটো এটা ঐতিহাসিক সত্য।

ওমৰৰ বিষয়ে পোনপটীয়া উল্লেখ আছে নিজাম ই-চমৰ কন্দি নামৰ এজন সমসাময়িক পাৰ্চী লিখকৰ চহাৰ মকৱলা বা চাৰিটা আলোচনা নামৰ গ্ৰন্থত। এই গ্ৰন্থত উক্ত নিজামে লিখিছে— আলহিজিৰা ৫০৬ বৰ্ষত খাজা ইমাম ওমৰ খায়াম আৰু খাজা ইস্ফজাৰী আহি বাল খ নগৰীত উপস্থিত হ লহি। নগৰৰ যি চোৱাত দাস দাসী ক্ৰয় বিক্ৰয় কৰা বজাৰ আছে সেই অঞ্চলৰ আমীৰ আবু জৈদৰ ঘৰত এখন ভোজমেলত তেখেতসকলৰ লগত মোৰ দেখা হয়। ভোজমেলৰ নানা-আলাপ-আলোচনাৰ মাজতে এবাৰ হুজ্জত উল হক (সত্যৰ প্ৰমাণ স্বৰূপ) খাজা ওমৰে কোৱা এষাৰ কথা মোৰ কাণত পৰিল। তেখেতে কৈছিল মোৰ সমাধি য ত হ ব তাত বছৰত দুবাৰকৈ গছে ফুল চতিয়াব।

এই কথাষাৰ মোৰ তেতিয়া সম্ভৱ যেন লগা নাছিল। যদিও মই জানিছিলো যে তেখেতৰ দৰে মানুহে কোনো কথা এনেয়ে নকয়।

তাৰ বহু বছৰৰ মূৰত আলহিজিৰা ৫৩০ বৰ্ষত মই নিচাপুৰলৈ আহিলো। তাৰ কিছু বছৰৰ আগতে সেই মহৎ পুৰুষে কবৰৰ বুকুত আশ্ৰয় লৈছিল। সেইদিনা আছিল জুম্মাবাৰ। বিয়লি বেলিকা মই তেখেতৰ কবৰ চাবলৈ গ লো। মই বাট দেখুৱাই দিবলৈ এজন মানুহ লগত লৈ গৈছিলোঁ। মই গৈছিলোঁ কাৰণ মোৰ ওপৰত তেখেতৰ মালিকানা স্বত্বও আছিল। মানুহজনে মোক হিৰা নামৰ এখন গোৰস্থান পোৱালেহি। বাওঁফালে ঘুৰি এখন প্ৰাচীৰৰ কামত মই খাজা ওমৰৰ কবৰ দেখিলো। দেৱালৰ সিপাৰৰ পৰা নাচপতি আৰু নৰাবণৰী গছৰ বহত দাল কবৰৰ ওপৰলৈকে বাঢ়ি আহিছে। ইমান ফুল পৰিছে সেই দালবোৰৰ পৰা যে কবৰ দেখাই নেযায়। সেই সময়ত মোৰ মনত পৰিল তেখেতে বহুবছৰৰ আগতে বাল খ নগৰত কোৱা

কথা। মোৰ চকুপানী ওলাবলৈ ধৰিলে। কাৰণ এই জগতত ভেখেতৰ দৰে মানুহ মই ক'তো লগ পোৱা নাছিলোঁ। ঈশ্বৰে তেখেতৰ ওপৰত কৰুণা বৰ্ষণ কৰক।

যদিও হজ্জত উল হকৰ এই ভবিষ্যদ্বাণী মই সফল হোৱা দেখিছিলোঁ তথাপি তেখেতৰ নিজৰ এনেকুৱা জ্যোতিষীয়া ভবিষ্যদ্বাণীৰ ওপৰত বিশেষ বিশ্বাস নাছিল বুলিয়েই মই জানিছিলোঁ। কোনো ডাঙৰ বিজ্ঞানীৰে তেনে ধৰণৰ বিশ্বাস নাছিল।

আলহিজিৰা ৫০৬ মানে ১১১২ ১১১৩ খৃষ্টাব্দ আৰু ৫৩০ মানে ১১৩৫ ১১৩৬ খৃষ্টাব্দ। তদুপৰি নিচাপুৰৰ তৰাৰ ঘৰ ওমৰক দিয়া হৈছিল ১০৭৩ খৃষ্টাব্দত। তৰাৰ ঘৰৰ দায়িত্ব ল'ৰৰ সময়ত ধৰি-লোৱা হওক ওমৰৰ বয়স কমকৈও কুৰি বছৰ হৈছিল। ওমৰৰ জীৱন কাল এই খিনি সময় সীমাৰ মাজতে হ'ব লাগিব। নিজামৰ ৰচনাৰ পৰা এই কথা অনুমান কৰিব পাৰি যে ওমৰৰ অনুগত লোক আছিল অনেক আৰু তেওঁৰ কৰৰ স্থান ৰাজহুৱাভাবে সমাদৃত স্থান নহ লেও জনাজাত আছিল।

বুৰঞ্জীভিত্তিক তথ্য অনুধাৱন কৰিলে আৰু জনা যায় যে ওমৰ সম্ৰাট মালিক শ্বাহৰ ৰাজজ্যোতিষী আছিল। তেওঁ এলজেব্ৰা এখন প্ৰণয়ন কৰিছিল আৰু ইউক্লিদৰ জ্যামিতিৰ ওপৰত নিজৰ ভাষ্য ৰচনা কৰিছিল। তাৰোপৰি গণিত আৰু জ্যোতিবিজ্ঞানৰ জটিল সমস্যাবোৰৰ ওপৰত প্ৰভূত গবেষণা কৰিছিল। এই বিলাক গাণিতিক বিষয়ত তেওঁ যে সমসাময়িক যিকোনো গণিতজ্ঞতকৈ বহুত আগবাঢ়ি গৈছিল তাৰ প্ৰমাণ পোৱা যায় তেওঁৰ এলজেব্ৰাৰ বিভিন্ন ঠাইত থকা তেওঁৰ মন্তব্যবিলাকৰ পৰা। তেওঁ জ্যামিতিক উপায়েৰে এলজেব্ৰাৰ ত্ৰৈমাত্ৰিক সমীকৰণ সমূহ কৰি উলিয়াইছিল। কৰিছিল ৰত্তাভাস ক্ষেত্ৰাংশৰ জ্যামিতিক ব্যৱহাৰ। সৰোপৰি তেওঁ এখন নতুন কেলেণ্ডাৰ প্ৰস্তুত কৰিছিল। ওমৰৰ এই কেলেণ্ডাৰৰ সময় গণনা ইমান সঠিক হৈছিল যে আধুনিক গবেষণাই ওমৰৰ কৃতিত্ব স্বীকাৰ কৰিছে। ওমৰৰ কেলেণ্ডাৰত এবছৰত ওপৰঞ্চি সময় ওলাইছিল ১৯ ৪৫ চেকেণ্ড। আনহাতে আমাৰ বৰ্ত্তমান কেলেণ্ডাৰত বছৰত ওপৰঞ্চি সময় ওলায় ২৬ চেকেণ্ড।

ওমৰে পৃথিবীয়ে সূযৰ চাৰিওফালে প্ৰদক্ষিণ কৰা আৰু নিজৰ স্থানত দৈনিক আৱৰ্ত্তন কৰা কথা আবিষ্কাৰ কৰিছিল বুলি যি বিষয়

এই উপন্যাসত অৱতাৰণা কৰা হৈছে তাৰ ঐতিহাসিক কোনো প্ৰমাণ নাই যদিও ওমৰৰ এটা কৰাইত সেই কথা স্পষ্টভাৱে উল্লিখিত হৈছে। সেই সময়ৰ ইছলাম জগতত বহ বিদ্যানীয়ে এই কথা বিশ্বাস কৰিছিল। কিন্তু ওমৰৰ পাচ শতাব্দীৰ পিচতো ইটালীত গেলিলিও (১৫৬৪—১৬৪২) যি সত্য প্ৰকাশ কৰি বিপদত পৰিছিল সেই সত্য ওমৰৰ যুগত বিশ্বাস কৰিলেও প্ৰকাশ কৰা নি চয় নিৰাপদ নাছিল।

এই বিলাকৰ উপৰিও ওমৰে লিখিছিল কবিতা। চাৰি শাৰীৰ এই কবিতা বিলাকক বুলিছিল কৰাই। এই বিলাকৰ প্ৰথম দ্বিতীয় আৰু চতুথ শাৰীৰ ছন্দৰ মিল থাকে। সামগ্ৰিকভাৱে গোটেই কৰাই বিলাকত এটা বিশেষ চিন্তাধাৰাৰ যোগসূত্ৰ আৰু বিকাশ পৰিলক্ষিত হ লেও গাইগুটীয়াভাৱে প্ৰত্যেক কৰাইতে এটা সম্পূণ আৰু নিটোলভাৱ প্ৰকাশিত হয়। এই কবিতাবিলাকে ওমৰৰ দিনতে গোড়া ধৰ্মীয় লোকৰ বাহিৰে অন্যৰ মাজত যথেষ্ট সমাদৰ লাভ কৰিছিল বুলি অনুমান কৰিব পাৰি। পিচৰ যুগত অৱশ্যে বহুতো অন্য কবিয়ে ৰচনা কৰা কৰ্ত্তাই ওমৰৰ নামত চলি গৈছিল। যেনে—

বোজে কি গুজিস্তা অস্ত আজো ইয়াদ মাকুন
ফৰদা কে নে আমদা অস্ত ফৰিয়াদ মাকুন
ও জে আমদা ও বৰ গুজিস্তা বুনিয়াদ মিনে
হালি খুশবাশ ও উমৰ বৰবাদ মাকুন

[পাৰ হৈ গ ল যিবোৰ দিন সেইবোৰৰ স্মৃতিভাৰ বহন কৰা বৃথা। বৃথা অনি চিত ভবিষ্যতৰ দিনৰ ওপৰত নিভৰ কৰাও। অতীত আৰু ভবিষ্যতৰ অলীক চিন্তা দূৰ কৰি মধুৰ বৰ্ত্তমানকেই গ্ৰহণ কৰা অন্তৰৰ পৰা।]—এই কৰাইটি হেনো প্ৰকৃততে ৰচনা কৰিছিল হাকিম তাবাতাবাই নামৰ অন্য এজন পাচী কবিয়েহে। তাৰোপৰি মানুহে তোমাক ক্ষমিছে দেৱতা মানুহকো দেৱ ক্ষমিবা তুমি। (ওমৰ তীথ) এই অথযুক্ত কৰাইটিও বোলে তেওঁৰ লিখা নহয়।

ইছলামৰ ৰক্ষণশীল ভাগৰ লগত ওমৰৰ সম্বন্ধ ভাল নাছিল বুলিয়েই নি সন্দেহে জানিব পাৰি। হাচান ইবন চাবাহ ওমৰৰ সমসাময়িক অন্য এজন প্ৰতিভাশালী চিন্তানায়ক। কিন্তু দুয়োৰে মাজত কিবা যোগাযোগ আছিল বুলি ঐতিহাসিক ভিত্তিত ঠাৱৰ কৰিব নোৱাৰি। হাচানৰ অনুগামী ধৰ্মদ্রোহী হাচিচীনবিলাকৰ লগত সম্বন্ধ আছিল বুলি

ওমৰৰ ওপৰত সন্দেহ কৰা হৈছিল। এই সন্দেহবো কিবা ভিত্তি আছিল বুলি ওমৰৰ ওপৰত সন্দেহ কৰা হৈছিল যদিও সঠিকভাবে একো জনাৰ উপায় নাই। হাচান নিজাম-উল মুল্ক আৰুওমৰ তিনিও-বাল্যকালত একেলগে পঢ়িছিল আৰু তেতিয়াই তেওঁলোকৰ মাজত যিজনে জীৱনত অধিক উন্নতি কৰিব তেওঁ বাকী দুজনক প্ৰতিষ্ঠা লাভত সহায় কৰিব বুলি তিনিও প্ৰতিশ্ৰুতিবদ্ধ হৈছিল বুলি এটি কিম্বদন্তী পাৰস্যত প্ৰচলিত আছে। কিন্তু তেওঁলোকৰ তিনিওৰে বয়ঃক্ৰম অনুসন্ধান কৰি চালে এই লোক বিশ্বাস সম্পূৰ্ণ অসম্ভৱ বুলি জনা যায়। ওমৰ খায়াম আৰু হলিউদৰ মাৰ্কিন কথাছবিৰ কাহিনীকাৰে প্ৰধানকৈ এই লোক বিশ্বাসকে অৱলম্বন কৰা দেখা যায়। এই হাচিচীন (হাচিচ মানে ভাং) শব্দৰ পৰাই ইংৰাজী ভাষাৰ এচাচীন বা হত্যাকাৰী শব্দৰ উৎপত্তি হৈছে।

ওমৰ আছিল মুক্ত চিন্তা কৰা মানুহ। তেওঁ গ্ৰীক পাণ্ডিত্যৰ মুকলি প্ৰশংসা কৰিছিল। জ্যোতিবিদ্যা আৰু গণিত বিষয়ত এডিচেন্নাৰ অনুগামী আছিল।

তেওঁৰ এলজেব্ৰাৰ ভূমিকাত তেওঁ লিখিছে যে— যেই কি নহওক মই এই কামত মোৰ মনোযোগ সুসংহত কৰিব পৰা নাই। কাৰণ মই পদে পদে দুস্তৰ বাধাৰ স মুখীন হ ব লগাত পৰিছো। সাম্প্ৰতিক কালত আমাৰ মাজত যথেষ্ট সংখ্যক বিজ্ঞানী মানুহ নাই। বিজ্ঞান চৰ্চ্চাৰ সমস্যাঘন কামৰ প্ৰয়োজন অনুপাতে অতি কম সংখ্যক কাযক্ষম লোকহে আমাৰ মাজত আছে। আমাৰ বিজ্ঞানী নামধাৰীবিলাক আচলতে অৰ্দ্ধবিজ্ঞানীহে। তেওঁলোকে সত্যৰ লগত অসত্যৰ মিশ্ৰন ঘটায়। প্ৰৱঞ্চনাৰ আশ্ৰয় লয় আৰু বিজ্ঞানৰ যি কণ জানে সেই ফেৰা বিদ্যাকো হীনমুল্য পাথিব উদ্দেশ্যতহে প্ৰয়োগ কৰে। কোনো প্ৰকৃত সত্যসন্ধানী লোকে যদি সততাৰ পথ লৈ কৃত্ৰিমতা আৰু অসত্যক সযতনে আতৰাই ৰাখে আৰু কোনো কথাতে ভণ্ডামি আৰু চতুৰালিৰ আশ্ৰয় নলয় তেন্তে তেনেজনক এই অৰ্দ্ধ বিজ্ঞানীহতে বিদ্বেষ আৰু উপহাস কৰে।

—ওমৰৰ এই উক্তিৰ পৰাই বুজিব পাৰি যে কেনে আপোচবিহীন সত্যসন্ধানী আছিল তেওঁ আৰু যি কোনো ভণ্ডামিৰ প্ৰতি কেনে কঠোৰ মনোভাব পোষণ কৰিছিল। ওমৰৰ স্বভাব আছিল পোনপটীয়া

ৰং আছিল বেছি। সাধাৰণতে কথা-বতৰা কম কৈছিল যদিও প্ৰয়োজন হ'লে ৰাজ বিদ্ৰুপেৰে প্ৰতিপক্ষক চুঙা চাই সোপা দিব পাৰিছিল। ওমৰৰ লগৰ পণ্ডিতসকলে তেওঁক সম্মানৰ চকুৰে চালেও এনেকুৱা মানুহক বেয়া পোৱা মানুহ থাকিবই। বিশেষকৈ ৰক্ষণশীলসকলে ওমৰক বেয়া পাইছিল। হয়তো সিচৰতি হৈ থকা ওমৰৰ কৰাই বিলাকো তাৰ বাবে কিছু জগৰীয়া আছিল। কাৰণ গাইগুটীয়াভাবে পঢ়িলে সেইবোৰৰ কোনোটোৱে মধ্যযুগৰ অতীব স্পৰ্শকাতৰ ধৰ্মীয় অনুভূতিত আঘাট হনাটো অসম্ভৱ নাছিল। গতিকে কেৱাবাৰো তেওঁৰ জীৱন নাশৰ উপক্ৰম হৈছিল।

ওমৰে সেই সময়ৰ ৰাষ্ট্ৰনীতিত বিশেষ ধৰণৰ আগ্ৰহ দেখুৱাইছিল বুলি জনা নেযায়। ওমৰে সংসাৰী জীৱন যাপন কৰিছিল বুলিও কোনো উল্লেখ নাই। কোনো সন্তান-সন্ততিৰো উল্লেখ নাই। কিন্তু ভ্ৰমণ কৰিছিল বিস্তীৰ্ণভাৱে। সেই যুগৰ মুছলিম বিদ্বান সকলে ভ্ৰমণক শিক্ষাৰ অবিচ্ছেদ্য অঙ্গ হিচাবে গণ্য কৰিছিল। সেইটো আছিল আলবিৰুনী নাচিৰ খুছ্ৰু আৰু ইবন জুবেইৰৰ যুগ।

কিন্তু যি ইৰাণত কবি হাফিজ জালালদ্দিন ৰুমী চিৰাজ আৰু ফ্ৰিদ্দৌচীৰ ইমান সমাদৰ সেই ইৰাণত কবি ওমৰ সিমান প্ৰিয় নাছিল। তেওঁৰ বিৰুদ্ধে সদায় সেই এটাই অভিযোগ—ধৰ্মদ্বেষী নহ'লেও ঠিক ধাৰ্মিক নহয়। গতিকে কবি ওমৰৰ প্ৰতিভা অনাদৃত হীৰকখণ্ডৰ দৰে প্ৰায় সাত বছৰ প্ৰোথিত হৈ থাকিল আৰৰ ইৰাণ-ৰ-তুৰাণৰ মৰুভূমিৰ বালিত। তাৰ তুলি লৈ নিজৰ অন্তৰৰ সম্পদেৰে ঘহি মাজি চকচকীয়া কৰি তুলিলে ইংলেণ্ডৰ গ্ৰামাঞ্চলত অৱসৰ জীৱন যাপন কৰি থকা এজন সংস্কৃতিবান অভিজাত ইংৰাজ ভদ্ৰলোকে। তেওঁৰ নাম এডোৱাৰ্ড ফিটজেৰাল্ড। ফিটজেৰাল্ডে ওমৰৰ ৰুবায়াত ইংৰাজীলৈ ভাঙনি কৰি প্ৰকাশ কৰাৰ লগ লগে ওমৰৰ প্ৰতিভাৰ দীপ্তি বিয়পি পৰিল সমগ্ৰ পৃথিবীতে। আদৰি ললে সমগ্ৰ পৃথিবীৰ গুণগ্ৰাহী কবিতামোদীয়ে। ওমৰৰ ৰুবায়াতৰ জনপ্ৰিয়তা এতিয়া দিনে দিনে বাঢ়িছে। তেওঁৰ কবিতাৰ পংক্তিয়ে প ক্তিয়ে ফুটি উঠা মানৱ মনৰ হাহি আৰু হতাশা জীৱনৰ অস্থায়িত্ব আৰু প্ৰেম আৰু শঙ্কাৰ অনুভূতিয়ে স্পৰ্শ কৰি যায় চিৰদিনৰ মানুহৰ শাশ্বত আত্মাক। এই ৰুবাইবোৰে প্ৰকা। কৰে অতি উচ্চমানৰ গণিত আৰু জ্যোতিৰ্বিদ্যাৰ

চর্চা কৰা এজন বোধিসত্ত্ব সাধকৰ পূৰ্ণ আত্মিক উপলব্ধিৰ কথা। অসীমৰ অন্তহীন বিস্ময়ৰ সেই বিন্দুৰ কথা—য'ৰ পৰা অবলোকন কৰিলে চেতনাত্ত বিবোধ আৰু নেথাকে। যি বিন্দুত থিয় হ'লে মহাকালৰ ওচৰত মানুহৰ অখণ্ডনীয় অদৃষ্টৰ ওচৰত আত্মসমৰ্পণ কৰাৰ বাহিৰে অন্য চিন্তা আৰু নাহে। ওমৰৰ আনন্দোচ্ছল ছন্দধ্বনিৰ মাজেদি মূৰ্ত্ত হৈ উঠে মানৱ মনৰ সেই বিষণ্ণ উপলব্ধি। সেই বিষণ্ণতাৰ অনুৰণন উঠি থাকে কাৰণেই বোধহয় ইমান সুন্দৰ লাগে ওমৰৰ সোণালী কৰায়াত।

ওমৰৰ এই ৰহস্যময় ব্যক্তিত্বৰ পূৰ্ণ প্ৰতিফলন ঘটিব ওমৰৰ নিজৰ যুগৰ মধ্যপ্ৰাচ্যৰ সামাজিক আৰু ঐতিহাসিক দৃশ্যপটতহে। তাৰোপৰি একাদশ দ্বাদশ শতিকাৰ মানৱ সভ্যতাৰ যি স্তৰ সেই স্তৰৰ মাপ কাঠিৰেহে ওমৰক বিচাৰ কৰি চাব লাগিব। সেই কথা অনস্বীকাৰ্য। গতিকে সময়ৰ চকা ঘৰাই নিব লাগিব। কল্পনাৰ সঞ্জয় দৃষ্টিৰে নিৰীক্ষণ কৰিব লাগিব সেই যুগ—সেই দেশ।

ওমৰ খায়ামৰ জীৱনৰ সূত্ৰ ধৰি আগুৱাইছো যদিও মই এই কিতাপত আধুনিক উপন্যাসৰ ৰীতি অৱলম্বন কৰিছোঁ। মূল ঘটনাৱলীৰ ক্ষেত্ৰত মই ইতিহাসৰ পদাঙ্ক বিশ্বস্তভাৱে অনুসৰণ কৰিবলৈ যত্ন কৰিছো। বিশেষকৈ এডোৱাদ জি ব্ৰাউনৰ পাৰ্চী সাহিত্যৰ বুৰঞ্জী পথ নিৰ্দ্দেশ মই গ্ৰহণ কৰিছোঁ। গাণিতিক আৰু জ্যোতিবিজ্ঞান সম্বন্ধীয় কথাবোৰৰ বাবে মাকিন পণ্ডিত হেৰল্ড লেম্বৰ ওমৰ খায়াম নামৰ তথ্য সমৃদ্ধ গ্ৰন্থ পাৱস্য আৰু তুৰস্কৰ কেবাখনো বুৰঞ্জী আৰু হিষ্ট্ৰীৰ আৰৱ বুৰঞ্জীৰ ওপৰত নিভৰ কৰিছো। এই কিতাপৰ মূল চৰিত্ৰবোৰ ইতিহাসৰ। ঘটনাই মোৰ সলাউঁতে আৰু দুটামান চৰিত্ৰ অঙ্কন কৰোঁতে লেম্বৰ গ্ৰন্থ অধ্যয়নৰ পৰা উদ্ভুত কিঞ্চিৎ মানসিক সংসূচন হৈছে। পবিত্ৰ ধৰ্মগ্ৰন্থ কোৰাণ শ্বৰীফ আৰু বাইবেল আৰু ইছলামিক পুৰাণৰ পৰা নানা উল্লেখ মই কৰিবলগীয়া হৈছে। এই কিতাপত যিবোৰ সৰু সৰু কাহিনীৰ উল্লেখ কৰা হৈছে সেইবোৰ মধ্যপ্ৰাচ্যৰ জন সমাজত প্ৰচলিত ইতিহাসত উক্ত নাইবা কবুচনামা শ্বাহানামা আদি প্ৰাচীন গ্ৰন্থৰ পৰা উদ্ধৃত। এই কিতাপত উদ্ধৃত পাৰ্চী কবিতাবোৰৰ কিছুমানৰ সময় ক্ৰম সঠিক নহ'বও পাৰে। পৰিবেশ সৃষ্টিৰ বাবে নিজকে প্ৰস্তুত কৰিবলৈ মই আইন ই-আকবৰীৰ অফুৰন্ত সংবাদ

ভাণ্ডাৰৰ আশ্রয় লৈছো। এঠাইত ওমৰ তীর্থৰ পৰা দুকাকি কবিতা উদ্ধত কবিছো।

এই উপন্যাসখন ১৯৮৩ চনৰ মে মাহৰ পৰা ১৯৮৫ চনৰ এপ্রিল মাহৰ ভিতৰত মাহেকীয়া আলোচনী প্রকাশত ছোৱা ছোৱাকৈ প্রকাশিত হৈছিল। এতিয়া সুদশন প্রেছৰ গৰাকী মোৰ মৰমৰ ছাত্র শ্রীমান নাৰায়ণ বৰকটকী আৰু তেওঁৰ সুযোগ্য ভ্রাতৃ শ্রীৰামচন্দ্র বৰকটকীয়ে আগ্রহ কবি কিতাপৰ আকাৰত প্রকাশ কবিবলৈ লোৱাত বাইজলৈ আগবঢ়াব পাবিছো। এই কিতাপ প্রকাশ কৰোতে নানা ভাৱে সহায় কৰা কাৰণে সোদৰোপম শ্রীমান দিলীপ দত্ত আৰু শ্রীমান বসন্ত চুতীয়াৰ মই শলাগ লৈছো। আনহাতে প্রচ্ছদপটৰ ছবিখন নিখুত ভাবে আকি দিয়াৰ বাবে প্রখ্যাত শিল্পী শ্রীযুত বেণু মিশ্র ডাঙৰীয়ালৈও মোৰ আন্তৰিক কৃতজ্ঞতা জনালো।

ন শ বছৰৰ আগৰ সুদূৰ পাৰস্য দেশত কল্পনাৰ সহায়ত বিচৰণ কবিবলৈ নিজকে যথাযোগ্যভাৱে প্রস্তুত কবিব পাবিছো বুলি মই নেভাবো। গতিকে কৃতকাৰ্য্যতাৰ দাবীও মোৰ সামান্য। সপোন কাহিনীৰ দৰে খায়ামৰ জীৱনৰ যাদুকৰী কথাই পাঠকৰ মনত যদি অকণমান আনন্দ জগাব পাৰে তেন্তে সেয়েই মোৰ বাবে সোণ কাপৰ চক বুলি মানিম।

নগাঁও মহাবিদ্যালয়—
১৯৮৭

প্রদীপ শইকীয়া

এক

সদায় সেই এ কটা অসুবিধা পৰভেজৰ। অলপতে আমনি লাগে। পুৱা যি উলাহেৰে খদমদম কৰি চিকাৰলৈ ওলাইছিল সেই উৎসাহ এতিয়া আৰু নাই।

হাবি সোমায়েই এটা শহাপহু দেখিলে। ৰঙা পিঠীয়া নোদোকা শহাপহুটো দেখি পিচে পিচে তীব্রবেগে ঘোৰা দৌৰাই অলপ পাচতে তাক মাৰিলেও। মৰা শহাটো এতিয়া ইয়াচিন নামৰ অনুচৰটোৰ ঘোঁৰাৰ জিনত ওলোমাই থোৱা আছে। তাৰ পিচৰ পৰা কিন্তু একেবাৰে একোৱেই চকুত নপৰিল। ঘণ্টাৰ পিচত ঘণ্টা কেৱল হাবি আৰু শিলনিৰ মাজে মাজে পিতপিতাই ঘূৰি ফুৰাই সাৰ হৈছে। ইয়াচিনৰ ৰাওহাতৰ ঠাৰিত বহি থকা পোহনীয়া চিকাৰী শেনজনী টোপনিয়াই আছে। মাজে মাজে তাই চকু মেলি সজাগ দৃষ্টিৰে কেউফালে চায়। কিন্তু অলপ পাচতে পাতলীয়া চকুৰ পতা পুনৰ জাপ খুৱাই কলমতিয়াবলৈ ধৰে।

পৰভেজৰ ঘোৰা কিছু সময় দুলকি চালত গৈ আছিল। তাৰ পিচত মন্থৰ খোজত যাবলৈ ধৰিলে। ৰদৰ তাপ প্রখৰ হৈ অহাৰ লগে লগে ডেকা পৰভেজৰ আমনি লগাও বেছি হৈ আহিছিল। নাই কতো একো নাই। ক ৰবাত কিবা জানোৱাৰ আছে যদিও এই ৰদত পাতলীয়া হাবিৰ মাজত যে একো পোৱা নেযাব সেইটো বুজা গৰু। পৰ্ব্বতৰ সিপাৰে ডাঠ ছায়াময় হাবিৰ মাজত নি চয় সকলো আশ্রয় লৈছেগৈ। আৰু বাঘ সিংহৰ দৰে ডাঙৰ জানোৱাৰ দিনৰ বেলা দেখাৰতো কথাই নুঠে। চাওঁত চাওঁতে পৰভেজহত আহি পৰতৰ নামনি পালেহি। শিলনি আৰম্ভ হ ল।

প্রকাণ্ড প্রকাণ্ড শিলৰ দাতিয়েদি অকাই পকাই গৈ এজোপা অকল শৰীয়া ডিমৰু গছৰ তলত পৰভেজে ঘোঁৰা ৰখালে। ইয়াচিনো আহি পাই তাতে নামিল আৰু নিজৰ ঘোৰাৰ গাদীৰ তলৰ পৰা চুটি এটুকুৰা গালিচা আনি গছজোপাৰ ছাঁত এটা শিলৰ দাতিত পাৰি দিলে। পৰভেজ ক্লান্তভাৱে নামি গালিচাৰ ওপৰত ডবিহাত মেজি দীঘল দি শুই পৰিল। তাৰ দুচকুত নীল উজ্জ্বল ৰদে ভৰা আকাশৰ প্রতিচ্ছবি পৰিল।

ইয়াচিনে এপিয়লা ৰঙা মদিৰা আওৰাই দিলে। কিলাকুটিৰ ওপৰত ভৰ দি মুখ তুলি এচোক এচোককৈ খুব আৰাম কৰি খাবলৈ ধৰিলে পৰভেজে।

এটা শিলৰ ওপৰত বহি শেনজনীয়ে ঠোঁট আৰু নখেৰে পাখি খুচৰি আছিল। তাই তেতিয়া সজাগ। কোমলকৈ সুহৰি এটা মাৰি পৰভেজে তাইক মাতিলে—লায়লা।

লায়লাই তাৰ ফালে চালে। কেচা লোহাৰ দৰে কজলা ৰঙৰ তীক্ষ্ণ এহাল চকু। লাহে লাহে খোজ দি তাই পৰভেজৰ ওচৰ পালেহি। পৰভেজে জিভাৰে চুক চুক শব্দ কৰি তাইৰ গাত হাত বুলাই মৰম কৰিলে।

ইয়াচিনে ঘোৰা দুটাৰ মস্ত লৈ আছিল। এবাৰ আহি পৰভেজক সুধিলেহি হুজুৰ কিবা খাবৰ যোগাৰ কৰিমনেকি?

পৰভেজে মুৰ জোকাৰিলে। নেলাগে। বেলি তেতিয়া ভৰ দুপৰ।

এনেতে পৰতীয়া ঈগল চৰাইৰ সুদীৰ্ঘ কৰ্কশ কণ্ঠ মাতত পৰতৰ গাত প্রতিধ্বনি উঠিল। মাইলৰ পিচত মাইল জোৰা শিলাময় পৰতৰ কুৰুণ্ডে কুৰুণ্ডে সেই প্রতিধ্বনিবোৰ সি চৰতি হ'ল বিস্তৃত হ'ল আৰু তাৰ পিচত মাৰ গলগৈ। লায়লা সতৰ্ক হৈ উঠি তীক্ষ্ণভাৱে কেউফালে চাবলৈ ধৰিলে। তাৰ পিচত পশ্চিম আকাশৰ এটা কোণত দৃষ্টি নিবদ্ধ কৰি তাই থৰ লাগি ৰ'ল।

মদৰ পিয়লাটো উবুৰিয়াই থৈ পুনৰ ওপৰলৈ মুখকৈ শুই পৰিল পৰভেজ। অলসভাৱে লায়লাৰ দৃষ্টিকে অনুসৰণ কৰি সি দেখিলে দৃষ্টিৰ শেষ সীমনাত বহুত ওপৰত আকাশৰ বুকুত দুটা চৰাই। ঘিমান ওপৰত দেখিছে আৰু ঘিমান দূৰত দেখিছে তাৰ পৰাই অনুমান কৰিব পাৰি যে ডাঙৰ ডাঙৰ দুটা চৰাই। নি সন্দেহে দুটা ঈগল।

পিচ মুহূৰ্ত্ততে পুনৰ ঈগলৰ মাতত পৰতৰ মাজত প্রতিধ্বনিৰ জোৱাৰ উঠিল। সেইটো মাৰ যাবলৈ নৌ পাওঁতেই আকৌ এটা। শেনজনীয়ে ভয়তে এটা কেকেৰীয়া শব্দ কৰি পুনৰ থৰ হৈ ৰ'ল। পৰভেজৰ কপাল কোঁচ খালে। লাহে লাহে সি উঠি বহিল।

আৰে! এইটো কেনে কথা! পৰভেজে স্বগতোক্তি কৰাৰ দৰে কৈ উঠিল। ইয়াচিনো কাম চাপি আহিল হুজুৰ!"

দেখ্ ইয়াচিন এই যে ঈগলৰ মাত শুনিছো এই মাত কিন্তু সৌ

দূৰত দেখা ঈগল দুটাৰ আৱাজ নহয়। কাৰণ সিমান দূৰৰ পৰা ইমান ডাঙৰ হৈ আৱাজ এইখিনি নেপায়হি। নিশ্চয় ওচৰত আৰু ঈগল আছে।'

ইয়াচিনে-মুৰ দুপিয়াজে 'নিশ্চয় আছে হুজুৰ। ওচৰৰ এই পৰ্বতৰ মাজতে ক'ৰবাত ঈগলৰ বাহ থাকিব পাৰে। এনেকুৱা ঠাইতেতো থাকে।

পৰভেজৰ চকুহাল উজ্জ্বল হৈ উঠিল। তাৰ মানে ঈগলৰ বাহ যদি আছে নিশ্চয় পোৱালীও থাকিব। নহলে ঈগলে বাৰে বাৰে বাহৰ পৰাই কেলেই চিঞৰিব। যদি দুটা ঈগলৰ পোৱালী পাই যাওঁ ইয়াচিন।

প্ৰত্যাশাত পৰভেজৰ মন উৎসাহিত হৈ উঠিল। লগে লগে সি বহাৰ পৰা গিৰিস কৰে উঠিলেই।

ইয়াচিন তই ইয়াতে থাক। মই এবাৰ চাই আহো।' এইবুলি পৰভেজে খোজ দিলেই।

ইয়াচিনৰ কিন্তু এই ভৰ দুপৰীয়া নিজান পাহাৰৰ দাতিত অকলশৰে থাকিবলৈ ভয় লাগিল। সি সেই কাৰণে লৰালৰিকৈ ক'লে হুজুৰ গোস্তাকি মাফ কৰিব। ময়ো হুজুৰৰ লগতে গ'লেহে ভাল হবনেকি। যদি পোৱালী পোৱা যায় ময়ো গলেহে সুবিধা হ'ব।

অলপ থমকি ৰৈ পৰভেজে কলে আচ্ছা আহ। ঘোৰা দুটা বান্ধি দে গহত।

ঘোৰা বান্ধি লায়লাক তুলি লৈ ইয়াচিনো পিচে পিচে লৰ দিলে।

পৰ্বতৰ শিলৰ ওপৰে ওপৰে জপিয়াই দুয়ো কিছুদূৰ উঠিছেহে এনেতে পুনৰ ঈগলৰ মাতত গিৰিদেশ খলক লাগিল। এইবাৰ কিন্তু দুৰণিৰ আকাশৰ পৰাও ঈগল দুটাই কৰ্কশ দীঘলীয়া শব্দ তুলি প্ৰত্যুত্তৰ দিলে।

পৰভেজে ক'লে শুনিছনে সেই দুটাই এতিয়াহে মাতিছে।

হয়তো এতিয়াহে মাতিছে। তাৰ মানে ওচৰত ঈগলৰ বাহ জৰুৰ আছে।

উৎসাহেৰে দুইটাই আকৌ পৰ্বত বগাৰলৈ ধৰিলে। মাজে মাজে এনেকুৱা একোচটা থিয় মিহি শিলে পথ ভেটি ধৰে যে দুয়ো বগুৱা বাই উঠিব লগা হয়। এনেকৈ কিছুদূৰ উঠাৰ পিচত দুয়ো এটা পাহাৰৰ শিখৰ পালেগৈ। দুয়োৰে ফোপনি উঠিছিল। দূৰৰ ঈগল হালো আহি ওচৰ চাপিলহি। মুৰৰ ওপৰত দুটা ঈগল। চৰাইহালৰ পেটৰ বগা

কোমল পাখিবোৰ সিহঁতৰ চকুত পৰিল। চাই থাকোতে থাকোতেই চৰাই হাল সেই পৰতটো পাৰ হৈ গৈ আকাশত চক্ৰাকাৰে ঘুৰিবলৈ ধৰিলে। সিহঁত এতিয়া নামিব। য'তে নামিব তাতে নিশ্চয় বাহ আছে। দুয়ো পুনৰ আগবাঢ়িল।

সেই ঠাইত পৰত এখন বিশাল শিলৰ প্ৰাচীৰৰ দৰে থিয় আছিল। দুয়ো কেউপিনে ঘুৰি পকি এবাৰ এচটা ফটা শিল পাই সেই পিনেই বহু কষ্ট কৰি কগাই ওপৰলৈ উঠিল। ডাঙৰ ডাঙৰ শিলৰ আঁৰত লকাই লকাই আগবাঢ়ি এঠাইত দুয়ো থমক খাই ৰ ল। এটা অতি বিস্ময়কৰ দশ্য দুয়োৰে চকুত পৰিল।

ইয়াচিনে মুখেৰে অস্ফুট-স্বৰে কৈ উঠিল হায়াই আল্লা!

লায়লাই কোৰকোৰাই উঠিল। কিন্তু উৰা মাৰিবলৈ অকণো চেষ্টা নকৰিলে।

উত্তৰফালৰ ৮খ পাহাৰৰ ডাঠ শীতল ছা পৰি থকাৰ কাৰণে সেই ঠাইখিনি জুৰ পৰি আছিল। পৰভেজহত থিয় দিয়া ঠাইৰ পৰা ষাঠি গাঁতৰহাত দৰত আৰু অলপ নামনিত এচটা আহল বহল শিলত ভৰি মেলি বহি আছে এটা সোতৰ ওঠৰ বছৰ বয়সীয়া ল ৰা। ল ৰাটোৰ মুৰত পাগুৰী। গাত এটা বগা নীলা জোৰা। ৰকালত কমৰবন্ধ।

ল ৰাটোৱে এটা চামৰাৰ মোনাৰ পৰা কেচা মাংসৰ টকুৰা কিছুমান উলিয়াই লৈ বাওঁহাতৰ ঠাৰিৰ ওপৰত সন্তপনে থয় আৰু দুটা প্ৰকাণ্ড ঈগলে ওচৰতে পৰি নিতা ত নিভ য়েৰে খুটিয়াই খুটিয়াই সেইবোৰ খায়। আকৌ এবাৰ হাতৰ ঠাৰিত ছয় সাত টকুৰাকৈ মাংস সজাই দি হাতখন মেলি দিয়ে আৰু চৰাই দুইটা ওচৰ চাপি আহি বন্ধৰ দান গ্ৰহণ কৰে। ল ৰাটোৰ মুখত সহজ পৰিচিতিৰ ভাব। যেন এটা অতি স্বাভাবিক কাম কৰি আছে। কোনো লৰালৰি নাই। তাৰ মাজতে দুবাৰ এবাৰ সুহুৰিয়াই উঠে। চৰাই দুটাই খোৱাৰ মাজতে তাৰ ফালে মুৰ তুলি চায় আৰু আকৌ মাংস সজাই দিবলৈ অপেক্ষা কৰে। ল ৰাটোৱে মিচিকিয়াই হাহি সোধে 'কি হ'ল? খা—খা- বঢ়িয়া গোস্ত আনিছো তহতলৈ।

পৰভেজ আৰু ইয়াচিনে শিলৰ ফাকেদি দুচকুত অপাৰ বিস্ময় সানি চায়েই থাকিল দশ্যটো। এবাৰ ইয়াচিনে কিবা এটা ক বলৈ

বিচারি মুখ মেলোতেই পরভেজে কৈ উঠিল—'চুপ!' উশাহ রুদ্ধ করি পরভেজে একেথরে চাই আছিল।

ইয়াচিনর সর্বশরীর যে যে শিয়রি উঠিছিল। তার মমত অকণো সন্দেহ নাছিল যে সেই লবাটো মানহ নহয়। জিন ভুত কিবা হ'ব পারে। জিন পরী মুল-কবাজী আদি অপদেবতার বাছিরে এনে কাম কোনে করিব পারে। সি পলায় পারিলেই বাচে।

ল বাটোরে মাজে মাজে মাংস খুরাই থাকোতেও চবাই দুটার গাত মরম করি হাত বুলাই আছিল। বুকুর তলর কোমল বগা পাখিরোবর মাজত তার আঙুলিরোর ডর গৈছিল।

এটা সময়ত মোনার মাংস শেষ হল। চবাই দুটাই মুখ তুলি তার ফালে চালে। লবাটোরে মোনাটো বহলকৈ মেলি দি সিহতক দেখুরালে। তার পিচত হাতর আঙুলি কেইটা মেলি দি দেখুরালে নিস্ত—নিস্ত! তারমানে আরু মাংস নাই।

পরভেজে অবাক হৈ চাই আছিল।

চবাই দুটাই শিলত ঘহি ঠোট পরিষ্কার করিলে আরু পাখি খুচরিবলৈ লাগিল।

এই আকাশ চোরা পরতর কলা কলা কঠিন শিলর মাজত দুটা কক্ষ। বনরীয়া ঈগল আরু এটা মানর সন্তানর এই সহজ বন্ধুত্ব দেখি পরভেজর সপোন যেন লাগিল। বনরীয়া ঈগলর লগত মানহর বিশ্বাসর সম্পর্কর কথা পরভেজে আজিলৈকে কাহানিও শুনা নাই। এক শুনিছিল বীর কুন্তমর বঙা ঈগলর কথা। কিন্তু সেয়াটো সাধুকথা!

মাইকী ঈগলজনীয়ে লবাটোর আঠুতে গা ঘঁহাই ডিঙি কোচ খুরাই শুই পরিছিল। মতা ঈগলটোরে কিন্তু দুহাতমান আতরত রৈ তীক্ষ্ণ সতক দৃষ্টিরে কেউফালে লক্ষ্য করিছিল। পরভেজে মন করিলে যে সি নখর পরা মুরলৈকে দুহাতর কম নহয়। ডরি দুটা তরোরালর মুঠির দরে চুটি কিন্তু শরত। নখলৈকে বঙা পাখিরে আওরা। আকোরা চোকা ঠোটটো যথেষ্ট ডাঙর। তার চকুর প্রচণ্ড দৃষ্টি আরু ডিঙি মুরাই ইফালে সিফালে চোরার বিপুল মযাদাদীপ্ত ভঙ্গী দেখিলে শ্রাহেনশ্রা ঝাদশ্রালৈ মনত পরি যায়।

সেই আচম্বিত ল'বাটোৱে এইবাৰ এটা সৰু টোপোলা উলিয়ালে। শিলচটাৰ ওপৰতে টোপোলা খুলি তাৰ পৰা কেইখনমান শুকান কটি আৰু কেইটামান খেজুৰ উলিয়ালে। বহল বহল কটি কেইখন আঠুৰ মুৰত মেলি তাৰ পৰা এটুকুৰা ছিঙি লৈ খেজুৰ মেৰাই চৰাই কেইটাক উদ্দেশ্য কৰি ক'লে খান—বেগম। এতিয়া মই খাম দেই। তহতেতো কটি নেখাৱাই।'

বেগমে মুৰ তুলিয়ে নেচালে। খানে তাৰ ফালে চাই থাকিল। ল'বাটোৰ খোৱা শেষ হ'ল। এটা সৰু চোৰাহীৰ থিলা গুচাই সি কেইচোকমান পানী খালে। তাৰ পিচত দীঘল হৈ শিলচটাৰ ওপৰত শুই পৰি হাত ভৰি মেলি দিলে। দুখোজমান ওচৰ চাপি আহি খান তাৰ ভৰিৰ ওচৰ পালেহি। সি এখন ভৰি কোচাই খানক ঠাই উলিয়াই দি মাতিলে— খান!

খানে তাৰ ফালে চালে।

তইতো বহুত ডাঙৰ হৈ গলি খান। এই বিশাল আস্মানৰ মালিক হৈ গলি।

ইয়াচিনে পৰভেজৰ কাণে কাণে ফুচফুচাই ক'লে হুজুৰ যদি সেই চৰাইটোৱেও কথা পাতে আমি পলোৱাই ভাল হ'ব।

হাতৰ পিঠিৰে অসহিষ্ণু ভাৱে তাৰ গাত চাপৰ মাৰি পৰভেজে কৈ উঠিল চুপ!

ল'বাটোৱে কৰুণে ধৰিলে "তহতে ৰাতিপুৱা মোক চিনি পাৱনে খান? মোৰ কিন্তু কাহানিও ভুল নহয়। পুৱাৰ গাখীৰবুলীয়া পোহৰৰ মাজেদি তহত দুইটা যেতিয়া উৰা মাৰি আকাশৰ বুকুলৈ উঠি যাব তেতিয়া তহতক মই সদায় দেখো। মোৰ মনটো তেতিয়া দিনটোলৈ খুচী হৈ যায়। ক'ত ক'ত ফুৰগৈ বাৰু তহতে? কিৰ ঘিজ কুদ্দিস্তান-বোখাৰা—আৰু বা কত দেশ—কত আকাশ!

ল'বাটোৰ উদাস গভীৰ দৃষ্টি পৰিধিহীন বিশাল নীল আকাশৰ বুকুত হেৰাই যায়।

এনেতে আচম্বিতভাৱে এটা বিকট আৱাজ কৰি উঠে খানে। লগে লগে এক পলকৰ ভিতৰতে চো মাৰি আকাশৰ বুকুলৈ উৰি যায় খান আৰু বেগম।

নাহৰফুটুকী বাঘৰ ক্ষিপ্রতাৰে ল'বাটোও শুই থকাৰে পৰা বাগৰ

মাৰি পৰি শিলচটাৰ কাষত অদৃশ্য হৈ ৰহি পৰিল। তাৰ চকুৰে মুখে তীব্ৰ সতৰ্কতা ফুটি উঠিল।

আৰু পলম নকৰি লুকাই থকাৰ পৰা শিলৰ ফাকেদি ওলাই আহিল পৰভেজ। হাত তুলি ল'ৰাটোক উদ্দেশ্য কৰি মাত দিলে "তুমি ক'ত আছা ওলাই আহা। কোনো ভয় নাই।

ল'ৰাটোৱে আঠুকাঢ়ি শিলৰ দাতিয়েদি জুমি পৰভেজৰ ফালে চালে। পৰভেজৰ হাতত ধনুশৰ আছে। কিন্তু ধনু কান্ধতে ওলমি আছে। কিছু সময় চাই থাকি ল'ৰাটোৱে নিশ্চিন্ত হৈ থিয় দিলে। এবাৰ ওপৰলৈ চাই দেখিলে বেগম বহু ওপৰলৈ উঠি গ'ল। ঘানে কিন্তু অলপ ওপৰতে উগ্ৰভাৱে চক্ৰাকাৰে ঘু�ৰিব লাগিছে। ল'ৰাটোৱে এটা চুটি কৰ্কশ শব্দ কৰিলে। সাইলাখ ঈগলৰ মাত। থমকি বৈ পৰভেজেও ওপৰলৈ চাই দেখিলে যে ঘুৰি থকা ঈগলটো ওপৰলৈ উঠি গৈ ইটোৰ লগ লাগিলগৈ। তাৰ পিচত দুয়ো লাহে লাহে পবতৰ আৰত অদৃশ্য হৈ গ'ল।

ল'ৰাটো পুনৰ শিলচটাত উঠি পৰি থকা চামৰাৰ মোনাটো তুলি লৈ কান্ধত ওলোমাই ললে। তাৰ পাচত তাতে বৈ আগন্তুক যুৱকৰ বাবে বাট চালে।

শিলৰ ওপৰে ওপৰে দেও দি পৰভেজ ল'ৰাটো থিয় হৈ থকা ঠাইলৈ নামি আহিল। সি লক্ষ্য কৰিলে যে পেটীত ওলোমাই লোৱা পাশখুৰ নামৰ বেকা অস্ত্ৰ এপাতৰ বাহিৰে ল'ৰাটোৰ হাতত অন্য কোনো অস্ত্ৰ নাই। ল'ৰাটো নিয়মীয়া ওখ। বিস্তীণ কপাল। চকুৰ চেলাউৰিযোৰ ক'লা ডাঠ আৰু বৈ পৰা। মুখখন সুশ্ৰী যদিও অলপ গোমোঠা যেন দেখি। আটিল সুঠাম শৰীৰ। নাকৰ গঢ় ৰোমান ধৰণৰ। দেখাতেই আৰৰ। পৰভেজৰ চকুৰ পৰা বিস্ময়ৰ জাল তেতিয়াও আতৰা নাছিল। ল'ৰাটোৰ পৰা কেইহাতমান দূৰত থিয় হৈ অলপ অনিশ্চিতভাৱে চকুৰে চকুৰে চাই সি সুধিলে তু কিস্তী? তুমি কোন?

ল'ৰাটোৱেও তীক্ষ্ণ দৃষ্টিৰে পৰভেজক লক্ষ্য কৰিছিল। পৰভেজ ওখই তাতৈক অলপ বেছি হ'ব। লাহি কিন্তু মজবুত শৰীৰ। গাত চিকাৰীৰ সাজ। সাজ-পোচাক দেখিলেই ক'ব পাৰি যে ডাঙৰ মানুহৰ ঘৰৰ ল'ৰা। ল'ৰাটোৱে ওলোটাই সুধিলে তু কিস্তী?

মোৰ নাম পৰভেজ। নিচাপুৰত মোৰ ঘৰ। তুমি কোন? ক'ত ঘৰ তোমাৰ?

"মই ওমৰ। ওমৰ বেন্ ইব্রাহীম। মোৰ ঘৰ সউ তাত।"

ওমৰে হাত মেলি আঙুলিয়াই দিয়া ফালে চাই পৰভেজে বিলিকি বিলিকি কিছুমান খেজুৰ গছ দেখিলে। বুজিলে যে এখন গাওঁ। হয়তোবা এটা বেচিচ।

'কি কৰা তুমি?

মই মাদ্রাছাত পঢ়ো।

তোমাৰ লগৰীয়াবিলাকতো অতি আচৰিত ধৰণৰ। তুমি কেনেকৈ বনৰীয়া ঈগলৰ লগত দোস্তি পাতিছা? তুমি কিবা যাদু জানানেকি?

পৰভেজ আৰু ওমৰে কথা পাতি থাকোতেই চচুক চামাক কৈ ইয়াচিন আহি ওচৰ পাইছিলহি। ওমৰে পৰভেজৰ লগত কথা পতা দেখি সি আৰু বেছি আচৰিত হৈছিল। ওমৰ যে মানুহ নহয় সেইটো ধাৰণা তাৰ দৃঢ়ভাৱে মনত সোমাইছিল। সি তপৰাই কৈ উঠিল।

জৰুৰ যাদু জানে হুজুৰ। আমাৰ ওচৰত যে আছে নাচুম ছেখৰ দৰে—

তই চুপ কৰ। বিৰক্ত হৈ পৰভেজে ধমকাই উঠিল। বেওকুফ ক ৰবাৰ। কিন্তু ইয়াচিনক ধমকালে যদিও পৰভেজৰ মনতো যাদুৰ বিষয়ে অবিশ্বাস নাছিল। সেইবাবে ওমৰৰ ফালে চাই সুধিলে কোৱা চোন কেনেকৈ ঈগল চৰাই তোমাৰ লগ হয়।

ওমৰে অন্যমনস্কভাৱে ইয়াচিনৰ হাতত পৰি থকা শেনজনীলৈ চাই আছিল। পৰভেজৰ প্রশ্নৰ উত্তৰত ক লে কোনো যাদু নাই। যাদুৰ কি দৰকাৰ। মই মাতিলেই সিহত আহে।

এতিয়া মাতিলে আহিবনে?

এতিয়া ক ত আহিব। সিহত দুটা গ লগৈয়ে। তোমালোকে ভয় খুৱাই দিলা। নহ লে বহুত সময় থাকিলহেতেন।

কি কৰিম। এই বুবকটো দেখিছা নহয়। ইয়াচিনৰ ফালে আঙুলিয়াই পৰভেজে ক লে ই অকণমান সময়ো কথা নোকোৱাকৈ থাকিব নোৱাৰে। ই কথা ক বলৈ আৰম্ভ কৰিলে আকৌ শিলৰ পৰা ভৰি পিচলি তলত পৰিল। শব্দ হৈ গ ল।

পৰভেজৰ মাতত আক্ষেপ।

ঈগলৰ ওচৰত ভালকৈ লকাব লাগে। খং উঠিলে জখম কৰিব পাৰে। ওমৰে ক লে।

এই পৰতত ঈগলৰ বাহ আছে নিশ্চয় ?"

'আগতে ইয়াতে তেৰ ঈগল আছিল। অন্ততঃ আঠ-দহ জোৰ ঈগল আছিল। আজি কালি এজোৰো নাই।

কেলেই এইহাল ? এইহাল ইয়াতে নেথাকে জানো ?"

আগতে ইয়াতে আছিল। আজিকালি ইয়াত নেথাকে। মই মাতিলেহে আহে।

বৰ আচৰিত কথা। তুমি বাৰু ঈগলৰ ভাষা ক ত শিকিলা ? পৰভেজে সৰলভাৱে সুধিলে মাদ্রাছাত জানো সেইবোৰ শিকায় ?

ওমৰৰ হাহি উঠি গ ল। পৰভেজৰ মুখত ঠাট্টা কৰাৰ কোনো চিন নাই। মাদ্রাছাৰ বদ্ধ মৌলানাচাহেবৰ মুখখন মনত পৰিল। মৌলানাই ঈগলৰ আৱাজ উলিয়াবলৈ চেষ্টা কৰিলে তেওঁৰ মুখখন কেনেকুৱা হ ব বাৰু দেখিবলৈ ! ওমৰে হাহিলত পৰভেজেও হাহিলে।

পৰভেজে লক্ষ্য কৰিলে যে হাহিলে বৰ ভাল দেখি ওমৰক। গোমোঠা মুখখন পোহৰ হৈ উঠে। পৰভেজৰ বৰ ভাল লাগিল।

তোমালোকনো ইয়ালৈ কিয় আহিছিলা ? ওমৰে সুধিলে।

আমি চিকাৰলৈ আহিছিলো। পুৱাৰ পৰা ঘুৰি ঘুৰি মাত্র এটা শহাপহু পালো। আজি কপাল একেবাৰে বেয়া। ঈগলৰ মাত শুনি বাহ বিচাৰি আহিছিলো।

মানে তুমি আজি পোৱা হ লে ইহতক কাড় মাৰি মাৰি পেলালাহেতেন। কিন্তু মাৰি কি হ ব ? মৰিলেতো চব খতম !

আচলতে আমি বাহ বিচাৰিছিলো পোৱালী পাওনেকি বুলিহে। তোমাৰ ইহতক মাৰিবলৈ অহা নাই। তলৰ পৰা ঈগলৰ মাত শুনি ভাবিছিলো ইয়াত বাহ আছে। পিচে তুমিহে যে অবিকল ঈগলৰ মাত মাতিছিলা সেইটো কেনেকৈ জানিম।

পৰভেজৰ মাতত সহজ আন্তৰিকতাৰ সুৰ।

মিছাই কষ্ট কৰিলা। ইয়াত কোনো ঈগল এতিয়া নেথাকে। আগতে আছিল। কিন্তু এবাৰ চিকাৰী আহি বহুত উৎপাত কৰিলেহি। তাৰ পিচত ঈগলবোৰ ইয়াৰ পৰা গ লগৈ স উ দূৰৰ পৰতলৈ । ওমৰে হাতেৰে দূৰ দিগন্তলৈ দেখুৱাই দিলে মই তালৈ যোৱা নাই। শুনিছো তাত বোলে পৰতে আস্মান চই আছে। কোনো চিকাৰী উঠিব নোৱাৰে। তোমাৰ কাঁড়েও চুকি নেপায়গৈ। খান আৰু বেগম তাতে থাকে।

কোন খান আৰু বেগম ?"

"এই যে ঈগল দুটা। সিহতৰ মতাটোৰ নাম মই খান দিছোঁ আৰু মাইকীজনীৰ নাম বেগম।

বাঃ ! একদম মানুহৰ দৰে। ভায়েক নাম দিছা।

পৰভেজৰ চকুত অমিশ্রিত প্রশংসা আৰু আনন্দ।

খানক দেখিলাতো ! একেবাৰে চুলতানী মেজাজ তাৰ। সিয়েইতো আকাশৰ ৰজা। খান-ই-আচমান।

চাবাচ ! বঢ়িয়া নাম। মই খুব খুচী ওমৰ।

দুই

পৰভেজ খুচী হলে বৰ খুচী হয়।

এই ঘটনাৰ কেইদিনমান পিচতে নিচাপুৰ বজাৰৰ এটা গলিৰ কাষত থকা ওমৰৰ আস্তানা বিচাৰি উলিয়াই ঠিক হাজিৰ হ লহি পৰভেজ। ওমৰে তেতিয়া চাচাজানৰ দোকানত দুজনমান গ্ৰাহকৰ লগত ব্যস্ত আছিল। হঠাৎ পৰিচিত কণ্ঠস্বৰ শুনি মুৰ তুলি চাই দেখিলে দুৱাৰ মুখত সেই পাহাৰৰ মাজত লগ পোৱা যুবকক।

এই যে বন্ধু কি খবৰ! দুইহাত মেলি পৰভেজ আগুৱাই আহি ওমৰক আলিঙ্গন কৰিলে। পৰভেজৰ গাত দামী সাজপাৰ। ককালত তৰোৱাল। দোকানৰ মানুহবোৰে অলপ বিস্ময়েৰে দুয়োৰে ফালে চাই আছিল। পৰভেজৰ দৰে শ্ৰৱীফ মানুহৰ চাচাজানৰ দোকানত বৰকৈ সমাগম নহয়। ওমৰে গাদীৰ ওপৰত বহি থকা চাচাজানৰ ফালে চাই পৰভেজৰ পৰিচয় দিলে। লগে লগে চাচাজানে কিবা কোৱাৰ আগতেই ৰণৱা ঘোৰাৰ দৰে তজবজীয়া পৰভেজে কৈ উঠিল আচ্ছালামু আলেইকুম জনাব।

আলেইকুম আচ্ছালাম! তোমাক দেখি বৰ ভাল পালো। ওমৰৰ লগত কেনেকৈ চিনাকি হ লা? ইতো কাৰো লগতেই চিনাকি হবলৈ যত্ন নকৰে। বৰ লাজকুৰীয়া ল ৰা। চাচাজানে ক লে।

দৰাজ গলাত হা হা কৈ হাহি পৰভেজে ক লে আপোনাৰ ল ৰাৰ মানুহৰ লগত চিনাকি হ বৰ কি দৰকাৰ জোনাব। এওঁতো আকা ৰ চৰাইৰ লগতো বন্ধুত্ব কৰিছে।

ওমৰে দুইহাতেৰে ধৰি পৰভেজক ভিতৰলৈ লৈ গ ল। দোকানৰ ভিতৰফালে দুটা সৰু সৰু কুঠৰি। এটাত থাকে বৃদ্ধ চাচাজান। আনটোত ওমৰ। ওমৰৰ কোঠাত বিশেষ একোৱেই নাই। এখন খাটিয়াৰ ওপৰত জাপি থোৱা কিছুমান কাগজ। ৰঙা কাপোৰেৰে মেৰিয়া পৰিত্ৰ কো�ৰাণ শ্ৰৱীফ। আৰু অন্যান্য দুখনমান কিতাপ। ভৰিৰ ফালে এটা বাকচ। এটা মমদানিৰ ওপৰত মৌসিতাৰ দুদাল আধাপোৱা মম। খাটিয়াৰ ওপৰত এখন অৰ্দ্ধ জীণ সতৰঞ্চি। এসময়ত সেইখনৰ ৰং নীলা আছিল।

কথা কৈ কৈ আহি পৰভেজ নিঃসঙ্কোচে ওমৰৰ বিচনাৰ ওপৰত বহিল। তাৰ পিচত চাৰিওফালে এবাৰ চাই কিতাপবোৰ দেখি কৈ উঠিল সেইবোৰ তুমিয়েই পঢ়ানে? আৰু সেই কাগজবোৰত ইমানকৈ বি লিখা?

ওমৰে মুৰ দুপিয়ালে। হয় সিয়ে পঢ়ে। লিখেও সিয়েই।

কিয় ঘৰত আকৌ কিয় পঢ়া? মোক্তাৰত পঢ়াবোৰে নহয়নে?

মোক্তাৰত কিমাননো পঢ়া হয়। ঘৰত অলপ নেচাজে কথাবোৰ বুজা নেযায়। বিশেষকৈ গণিত আৰু এলজেব্রা ঘৰত অভ্যাস নকৰিলে নহয়েই।

গণিত! এলজেব্রা! আৰে তুমি সেইবোৰো পঢ়াবোকি? পৰভেজৰ চকুত বিস্ময়। তোমাৰ সেই কাগজবোৰত কি লিখা আছে দেখুৱাবানে?

ওমৰে কাগজৰ টোপোলাটো টানি আনি মেলি দেখুৱালে পৰভেজক। পাতৰ পাচত পাত জুৰি ৰেখা কোণ আৰু বলয় সম্বলিত শ শ চিত্ৰাঙ্কণ। তাৰ তলে ওপৰে শাৰী শাৰী অঙ্ক। অলপ সময় লটিয়াই বগৰাই চায়েই তৌবা তৌবা কৰি পৰভেজে কৈ উঠিল চালাম ওমৰ ভাই। তোমাকে বোলে চহাৰ মগজ। যাক ৰোলে জুই-ছাই চোকা। তুমি যে কেতিয়াবা মাষ্ট্ৰাছাৰ ইমামসকলকো চেৰাই যাবাগৈ সেইটো বুজিলো। মই বেচেৰাৰ কিন্তু এনেম একেবাৰে কম দেই। পঢ়িব পাৰো আৰু অলপ অলপ লিখিব পাৰো। তাতকৈ মোৰ বিদ্যা বেছি নহয়।

চিপাহ চালাৰ হ বলৈ সেয়েই যথেষ্ট। যিখন হাতেৰে তৰোৱাল ধৰিব লাগিব তাৰে কলম ধৰাই ৰাখিলে কেনেকৈ হ ব। পৰভেজৰ ফালে নীৰৱ প্ৰশংসাৰ দৃষ্টিৰে চাই ওমৰে ক লে।

ওমৰ আৰু পৰভেজক তেতিয়াৰ পৰা একেলগে দেখা যায়। দুয়োৰে মাজত প্ৰগাঢ় বন্ধুত্ব গঢ়ি উঠিল। ওমৰ স্বল্পভাষী। মুখখন স্বভাৱতে গম্ভীৰ কাৰণে ওমৰক সময়ে সময়ে বিষণ্ণ দেখা যায়। পৰভেজ আনন্দ মুখৰ। ঠাট্টা পৰিহাস প্ৰিয়। চিকাৰ অস্ত্ৰচালনা গান আৰু মজলিচ। মাজে মাজে ওমৰো যায় চিকাৰলৈ। কিন্তু ওমৰৰ চিকাৰত চখ নাই। এনেয়ে ঘুৰি ফুৰিহে ভাল পায়। অস্ত্ৰচালনাত দুয়ো সমান পাগত। কিন্তু তৰোৱাল খেলাত ওমৰ সদায় হাৰে খেলাৰ শেষত। পৰভেজে সাৱটি ধৰে।

তোমাৰ চমশেৰ বিজুলীৰ দৰে বেগী পৰভেজ মই কোনোদিন

তোমাৰ সমান হ'ব নোৱাৰিম।

মোৰ চমশেৰ তোমাৰ বৰ্ম হৈ থাকিব ওমৰ।" পৰভেজ অভিজাত ইৰাণী পৰিয়ালৰ ল'ৰা। ব্যৱহাৰত কোনো খুত নাই।

কেতিয়াবা আকৌ মাদ্ৰাছা বা মচজিদৰ প্ৰাঙ্গণত মিলাদ হয় মেহফিল বহে। দুয়ো বন্ধু গৈ বহেগৈ। পৰভেজ লগত পৰি যাব লগা হয় কাৰণেহে যায়। কেতিয়াবা শুনে কেতিয়াবা নুশুনে। ওমৰে কিন্তু গভীৰ মনোযোগ দি মজলিচৰ কথাবোৰ শুনে। মাজে মাজে হঠাৎ উঠি তুমুল তৰ্ক আৰম্ভ কৰি দিয়ে। কো�ৰাণ-হদীশৰ চুৰা ফৰফৰকৈ আওঁৰায়। তেতিয়া বিদগ্ধ পণ্ডিতবিলাকো তম্মান খাই যায়। এবাৰ এজন মৌলবীৰতো খুব খং উঠি গ'ল। ওমৰৰ ফালে চাই ক'লে বাছা তুমিতো একেবাৰে ল'ৰা মানহ। গতিকে নালায়েক। কিছুমান সত্য তোমাৰ বোধগম্য নহয়। গছপুলি ৰুলেই ফল নধৰে। এটা নিৰ্দ্দিষ্ট পৰিমাণ বয়স হ'লেহে ফল ধৰে। গতিকে তোমাৰ লগত তৰ্ক কৰা বৃথা।

প্ৰচণ্ড বিদ্ৰুপৰ সুৰত দুবিনীত ওমৰে থিয় হৈ কৈ উঠিল হে অতিবৃদ্ধ জ্ঞান বৃক্ষ এইটোও সত্যযে নিৰ্দ্দিষ্ট পৰিমাণ বয়সৰ পিচতো বহুতো গছত সুস্বাদু ফল নধৰে। গতিকে আপোনাৰ লগতো তৰ্ক কৰা বৃথা। ওমৰৰ উক্তি শুনি ক্ষন্তেকৰ বাবে মজলিচ নিজম পৰিছিল।

কিন্তু কামতে বহি থকা পৰভেজে চিঞৰি তাৰিফ কৰিছিল চাবাচ ওমৰ! চহাৰ মণজ!" যি কোনো মেহফিলতে এই গোমোঠা মুখৰ আৰৰ ল'ৰাটো বয়সত নবীন হ'লেও এটা বিশিষ্ট শক্তি হিচাবে স্বীকৃত হৈছিল।

দুই বন্ধুৰ মাজত আকৰ্ষণ আছিল প্ৰবল।

চিকাৰ অস্ত্ৰচালনা লাল চিৰাজী নাচ-গান মজলিচ আছিল পৰভেজৰ জীৱন যাত্ৰাৰ ধৰণ। দিনটোৰ সৰহভাগ সময় এইবোৰৰ মাজতে অতিবাহিত কৰি কেতিয়াবা ৰাতি নিজৰ ঘৰতে বা কোনো বন্ধুৰ

ঘৰত নাচ গানৰ মজলিচত ৰহে। নগৰৰ ৰূপহী নাচনী ছোৱালী বহুতৰ লগতেই পৰভেজৰ চিনাজনা আছিল যদিও সাধাৰণভে ছোৱালীৰ প্ৰতি উদাসীন। অফুৰন্ত উৎসাহ আৰু উদ্দাম যৌৱনৰ খৰস্ৰোত জলধাৰাৰ দৰে দিন-ৰাতি একেকাৰ কৰি চলা পৰভেজৰ কলৰৱপূৰ্ণ জীৱন।

ওমৰ গভীৰ নিস্তৰঙ্গ নীৰৱ। বাহ্যিক বিস্তৃতিহীন ওমৰৰ মনৰ অতল তলি গভীৰতৰ হয় দিনে দিনে। চেতনাৰ মণিকোঠাত চিন্তা আৰু জ্ঞানৰ হীৰা-মাণিক জমা হয় ৰাশি ৰাশি। ওমৰৰ পেশীবহুল ঋজু শৰীৰ আৰু উজ্জ্বল অচঞ্চল চকুৰ দৃষ্টিত পৰতৰ গাৰ দৃঢ় প্ৰস্তৰখণ্ডৰ নীৰৱ শক্তিৰ সহাৰি।

এই দুই বিপৰীতমুখী চৰিত্ৰৰ মাজত পৰস্পৰৰ প্ৰতি এক গভীৰ সমাদৰৰ ভাব আছিল। খুব সঘনাই দুয়ো দুয়োকে লগ ধৰিছিল।

এদিন আবেলি ওমৰক বিচাৰি পৰভেজে সমুদায় নিচাপুৰ বজাৰ গিত গিতাই ফুৰিছিল। সাধাৰণতে যিবিলাক ঠাইত ওমৰক লগ পোৱা যায় সেইবিলাকৰ ক তো বিচাৰি নেপাই হতাশ হৈ অন্যপথ ধৰিব খুজিছে এনেতে দুৰৰ পৰা ওমৰক দেখা পালে।

বজাৰৰ তিনি আলিৰ কাষৰ জুমা মচজিদৰ মাৰলেৰে বন্ধোৱা প্ৰাথনা মণ্ডপৰ এটা বৃহৎ স্তম্ভৰ গাত আউজি কেইজনমান দৰৱেশৰ লগত কথা পাতি আছিল ওমৰে।

মৰুদেশৰ প্ৰখৰ সূয্য লাহে লাহে অস্তগামী হবলৈ ধৰিছিল। ওখ ওখ খেজুৰ গছৰ ছাঁয়াবোৰ বৰ দীঘল দীঘল হৈ জুমা মচজিদৰ বগা মাৰলৰ চোতালৰ ওপৰত পৰিছিল।

গাত জৰাজীৰ্ণ কাপোৰ আৰু মলিয়ন শতচ্ছিন্ন আলখাল্লা পিন্ধা বুঢ়া বুঢ়া দৰৱেশ কেইজনৰ লগত ওমৰে কথা পাতি থকা দেখি পৰভেজৰ আচৰিত লাগিল। ওমৰৰ কাম-কাজবোৰ অদ্ভ ত ধৰণৰ। সাধাৰণতে মনে মনে থকা ওমৰে কেতিয়াবা এনেকৈ যাৰে তাৰে লগত কথা পাতে। মৰুভূমিৰ বুকৰ পৰা সদাগৰী কাৰাভানবোৰ যেতিয়া আহে তেতিয়া ওমৰে উটচালক বিলাকৰ লগত কথা পাতে। বোখাৰা বা চমৰখন্দৰ পৰা কোনোবা সদাগৰে আহি ক ৰবাত দোকান তৰি বহিলে ওমৰ গৈ প্ৰশ্নৰ পিচত প্ৰশ্ন কৰি কথা পাঞ্জলি বহি থাকে। আজিও দৰৱেশহঁতৰ লগত ওমৰে কোনোবা দেশ দেশান্তৰৰ সম্ভেদ লৈ বহি আছে ছাগে পৰভেজে ভাবিলে।

ওমৰৰ ওচৰ চাপি মাত দিলত ওমৰ উঠি আহিল।

কি কথা পাতিছিলানো এই দৰৱেশকেইটাৰ লগত? পৰভেজে সুধিলে।

বহুত কথা পৰভেজ। ওমৰৰ মাতত আন্তৰিকতাৰ সুৰ জানা বন্ধু এই দৰৱেশবোৰ আজীৱন পৰিব্ৰাজক। মস্ত কলন্দৰ। ইহঁতে নুফুৰা দেশ নাই। নেদেখা কথা নাই। ৰৰ ভাল লাগে ইহঁতৰ লগত কথা পাতি।

আজিনো কি কথা পাতিলা? পৰভেজৰ প্ৰশ্নত কোনো আগ্ৰহ নাছিল। এনেয়ে সুধিছিল।

আমাৰ চুলতান আলপ আৰ্চ লানে এলেপ্পো অধিকাৰ কৰিছে আৰু পবিত্ৰ নগৰী মক্কা আৰু মদিনা উদ্ধাৰ কৰি সাম্ৰাজ্যৰ অন্তৰ্গত কৰিছে।

বাঃ—বাঃ। পৰভেজ সেইদিনে তথা লাগিল।

আমাৰ বৰ্ত্তমান চুলতান এতিয়া যথাৰ্থতে মালিকুল মশ্ৰিক-ৱল মগৰিব পূৱ আৰু পশ্চিমৰ ৰজা। এতিয়া মক্কা খৰীফ আৰু মদিনা দখললৈ আনি বহুত গৌৰৱ বৃদ্ধি কৰিছে। এই দৰৱেশহতে অল কুদ মক্কাত হোৱা বিজয় উৎসৱ নিজে দেখি আহিছে।

এই কথা ঠিক যে আমাৰ চুলতানে যুদ্ধ যাত্ৰা কৰিলে জয়লাভ কৰেই। ইয়াৰ আগতে ফ্ৰাৰ্চ জয় কৰিছে কিৰমান জয় কৰিছে। সিংহাসনত উঠাৰ পিচতে খেতলান আৰু হিৰাৰ্ট জয় কৰিলে। ৰোমানী বিলাকক পৰাজয় কৰিলে। ওমৰৰ কথা শুনি পৰভেজেও লগতে যোগ দিলে কথা খিনি। পৰভেজৰ মন উৰা মাৰিছিল। যি কোনো যুদ্ধৰ বতৰাই পৰভেজৰ মনত শিহৰণ তোলে।

যুদ্ধতো লাগিয়েই আছে। এতিয়া আকৌ বিৰাট যুদ্ধৰ আয়োজন চলি আছে বোলে। ওমৰে নিৰাসক্তভাৱে ক'লে। যুদ্ধ ওমৰে কাহানিও দেখা নাই। যুদ্ধৰ বিষয়ে ৰৰকৈ কৌতুহলো নাই।

যুদ্ধ আকৌ লাগিব? কত? পৰভেজে সুধিলে।

বাইজেন্টাইন সম্ৰাটৰ লগত। ইমান ডাঙৰ ৰণ হ ব এইখন যে ইয়াৰ তুলনাত আগৰ ৰণবোৰ লৰাৰ ধেমালি যেনহে লাগিব। সমগ্ৰ ইৰাণ আৰু তুৰাণ ৰণৰ আয়োজনত খলক লাগিছে। ওমৰে ক'লে।

এইখন যুদ্ধলৈ ময়ো যাম ওমৰ। পৰভেজে সিদ্ধান্ত কৰি পেলালে।

তেতিয়া হিজিৰা ৪৬২। খৃষ্টীয় ১০৭১ চন।

তিনি

চাচাজানৰ দোকানৰ পৰা মাদ্ৰাছালৈ অহাযোৱা কৰা বাটৰ কাষতে আছিল আবু তাহেৰৰ ঘৰ। একালত বৃদ্ধ আবু তাহেৰ মাদ্ৰাছাৰ ওস্তাদ আছিল। নিচাপুৰ নগৰৰ জনাজাত বিদ্বানসকলৰ এজন। বাৰ্ধক্য আৰু বেয়া স্বাস্থ্যৰ কাৰণে আজিকালি নিয়মীয়াকৈ মাদ্ৰাছালৈ যোৱায়। ঘৰতে নানা ধৰণৰ কিতাপ পত্ৰৰ মাজত ডৱ গৈ থাকে।

কেতিয়াবা কেতিয়াবা হাততে লাখুটি লৈ আবু তাহেৰে পুৱা গধূলি ঘৰৰ আগৰ আলিবাটত ফুৰে। তেনেকৈ ফুৰোতেই এদিন ওমৰৰ লগত দেখাদেখি হ'ল। বৃদ্ধ ওস্তাদক আদাবত জনাই ওমৰ একাষৰীয়া হৈ যাবলৈ ধৰিছিল। বচাই কিন্তু ৰখালে। আবু তাহেৰ ক্ষীণ স্বৰকায় মানহ। মুৰৰ ফেজ টুপীৰ কাষেদি ওলাই থকা পাতল চলিখিনি শুভ্ৰ। ওমৰৰ মুখলৈ চাওঁত তেওঁ প্ৰায় ওপৰলৈ মুখকৈ থিয় হ'ব লগা হৈছিল।

তুমি ওমৰ নহয়নে?

ময়েই ওমৰ হুজুৰ।

মোৰা বাৰ মাদ্ৰাছাৰ মজলিচত তোমাৰ কথা মই শুনিছোঁ। তুমি মোৰ ঘৰলৈ আহিবা।

ওমৰ তেতিয়াৰ পৰা যায়। বৃদ্ধ ওস্তাদৰ ঘৰত বহুত কিতাপ আছিল। সমগ্ৰ জীৱনকাল তেওঁ চেৰ কিতাপ পঢ়িলে আৰু কিতাপ গোটালে। কেবাবাৰো হজ কৰিলে। বহু ঠাই ফুৰিলে। কিন্তু কোনোকালে বিখ্যাত হব নোৱাৰিলে। সদায় লোকচক্ষুৰ অন্তৰালতে থাকি গ'ল। মাদ্ৰাছাৰ বহুতো ওস্তাদৰ এজন। নগৰৰ এলেমদাৰ মানুহবিলাকৰ এজন।

ওমৰৰ কিন্তু মহা আনন্দ মিলিল। একেলগে ইমানখিনাক কিতাপ পোৱাটো ৰব ভাগ্যৰ কথা। তেতিয়াৰ দিনৰ ৰেওৱাজ আছিল বেলেগ। পণ্ডিত লোকসকলৰ মাজত ইজনৰ কিতাপ সিজনে ধাৰলৈ নি পঢ়া শুনা কৰা কাশ্চিৎহে দেখা পোৱা গৈছিল। এজন ওস্তাদৰ

কিতাপ পঢ়াৰ অধিকাৰ থাকে তেওঁৰ ছাগৱেদ বা ছাত্রসকলৰ। মূল্যবান কিতাপসমূহ প্রত্যেকে যত্নতনে আৰু সংগোপনে ৰক্ষা কৰিছিল।

আবু তাহেৰ আছিল বেলেগ। ওমৰৰ লগত বিভিন্ন বিষয়ৰ ওপৰত আলোচনা কৰে। তৰ্ক কৰে। কথাই কথাই কেতিয়াবা উত্তেজিত হৈ পৰে। কিতাপৰ পিচত কিতাপৰ পাত লটিয়াই ওমৰক দেখুৱাই দিয়ে যে তেওঁৰ মত শুদ্ধ। ওমৰে সৰলভাবে নিজৰ ভুল স্বীকাৰ কৰিলে খুব খুচী হৈ হাহে।

সকলো বিষয়ৰ ওপৰতে আলোচনা হয়। ইতিহাস ভূগোল জ্যোতিৰিদ্যা দৰ্শন গণিত আৰু মাজে মাজে কবিতা। মুঠাৰ সংগৃহীত কিতাপৰ মাজত বহুত শাস্ত্রীয় পুথিও আছিল। মাজে মাজে ওমৰক পৰীক্ষা কৰে বুঢ়াই। অমুক কিতাপ পচিছানে? তুমি যি বিষয়ে কথা কৈছা তাৰ ওপৰত এভিচেন্নাই কি কৈছে জানানে? সকহভাগ ক্ষেত্রতে ওমৰে সেই কিতাপ বিলাকৰ পৰা সংশ্লিষ্ট অংশ গৰ গৰকৈ আওঁৰাই যায়। কাৰণ ওমৰৰ স্মৃতি-শক্তি আছিল অসীম।

বৃদ্ধ আবু তাহেৰৰ মুখ শিশুসলভ আনন্দত পোহৰ হৈ উঠে।

ওমৰে গভীৰভাবে শ্র ধা কৰিছিল এই বৃদ্ধ দাশনিকক। পুৱা মাদ্রাছালৈ যায়। জুমাবাৰৰ দিনা মাদ্রাছা বন্ধ থাকে। মাজে মাজে চাচাজানৰ দোকানত বেচাকিনাত সহায় কৰি দিয়ে।

কিন্তু যেতিয়াই পাৰে আহি আবু তাহেৰৰ কিতাপৰ দ মৰ মাজত সোমাই থাকে ওমৰ। এখন কিতাপ শেষ হ'লে অন্য এখন তুলি লয়। আবু তাহেৰৰ কিতাপৰ ভঁড়াল নহয় যেন আলিবাবাৰ গুহা।

ওমৰৰ এই ভূমাস্পৃহা দেখি আবু তাহেৰে হাহে পঢ়া ওমৰ পঢা।

আবু তাহেৰৰ তেৰ বছৰীয়া ছোৱালী চাকি কেতিয়াবা থাকে বাপেকৰ ওচৰত ফাই ফৰমাচ খাটি। এই অদ্ভুত ল'ৰাটোৰ কাণ্ড কাৰখানা দেখি তাহো হাহে।

চাকি কিন্তু পেটে পেটে ওমৰৰ ওপৰত সন্তুষ্ট নাছিল। ওমৰক তাইৰ অকণো ভাল নেলাগিছিল। ওমৰৰ মুখখন গোমোখা। ৰৰ কঠৰা যেন লাগে। বাটত খোঁজ কাঢ়োতে ওমৰে তলমুৰকৈ ইফালে সিফালে নোচোৱাকৈ ৰৰ খৰকৈ খোজ কাঢ়ে। ঘোঁৰাগাড়ী যোজাবাহী উট গাধা ঘচৰৰ লানি মানুহৰ ভিৰ এইবোৰৰ মাজেৰে যেনেদৰে আহে যেন এতিয়াই ক ৰবাত খুন্দা খাব। মুখত মাত নাই। আহিয়েই যদি আবু

ভাহেৰাক লগ পায় তেওঁ আদাৰত জনাব। মুখৰ কথা বহুবা নাই। কিবা সুধিলে ঠিক উত্তৰটোহে দিব। তাৰ পিচত চুক এটাত গালিচাৰ ওপৰত বহি এখন কিতাপ মেলিব। সেইখন খৈ কেতিয়াবা অন্য এখন মেলিব।

কেতিয়াবা তেনেকৈ থাকোঁতে নামাজৰ সময় হৈ যায়গৈ। তেতিয়া মুখৰ ভিতৰতে দেৰ কুনম দেৰ কুনম—পলম হ ল পলম হ ল বুলি কৈ কৈ জৰালবিকৈ ওচি যায়; ওচৰতে থিয় হৈ থাকিলেও চাকিৰ প্ৰতি কেৰাহিকৈও নেচায়।

চাকিয়ে বেয়া পায়। তাই বিবা সৰু ছোৱালী হৈ আছে নেকি যে তাইৰ ফালে নেচাবই। আৰু দেখিবলৈ তাই ভালেই। অন্দৰমহলৰ তিৰোতা মানুহবিলাকে নিজৰ মাজতে কোৱা-মেলা কৰা তাইৰ কাণত পৰিছিল—তাই যে বৰ ধুনীয়া ছোৱালী হবগৈ।

এদিন ফোৱাৰাৰ পৰা পানী আনিবলৈ যাওঁতে এটা ডেকাই তাইলৈ এথোপা ফুল আগবঢ়াই দিছিল। তাইহে ভয় খাই পলাইছিল। কাকো কথাযাৰ নকলেও। কিন্তু ঘৰলৈ আহি তাইৰ মনটো বৰ ভাল লাগিছিল। বাপেকেতো মৰমতে তাইকে কেতিয়াবা গুল ই ৰেহেস্ত—সৰগৰ ফুল বুলি মাতে।

অথচ এই খায়ামৰ ল ৰাই তাইৰ ফালে উভটিয়ে নেচায়। বৰ একেবাৰে কিতাপ পঢ়া জন ওলাইছে—ইঃ। তাইৰ মাজে মাজে মৰ খং উঠে।

ওমৰ নেথাকোঁতে তাই কেতিয়াবা ওমৰে পঢ়া কিতাপ একোখন টানি আনি লটিয়াই চায়। ক তো এখনো ছবি বা নক্সা নাই। কেৱল আখৰ আৰু আখৰ। কি পায় এইবোৰৰ মাজত এই ল ৰাটোৱে। তাই ভাবে। মাজে মাজে বাপেকে এই কিতাপবোৰ পঢ়া তাই শুনিছে। মাদ্ৰাছাৰ পৰা বাপেকৰ লগৰ ইলিম মানুহ আহে। কেতিয়াবা সিহতৰ ঘৰতে মজলিচ হোৱাদি হয়। মানুহবোৰে কিতাপ মেলি পঢ়ে। নিজৰ মাজতে তৰ্ক বিতৰ্ক কৰে। চাকিয়ে শুনি শুনি হামিয়াই থাকে। এইবোৰ বেফায়দা অৰ্থহীন কথাত তাইৰ আমনি লাগে।

বাপেকৰ মুখত তাই শুনিছে। খায়ামৰ ল ৰা দেখাতহে এনেকুৱা। মাদ্ৰাছাত বোলে মোল্লা মৌলবী সকলৰ লগতো খুব তৰ্ক-বিতৰ্ক কৰ্ বদল্ কৰে। তাইৰ শুনি ভয়েই লাগে। কিন্তু এইবোৰ জানি

কি লাভ। দর্শন-বিজ্ঞান যোগ-জ্যোতিষ এইবোৰ জানি কি হ'ব। তিৰোতা মানুহৰ সেইবোৰ জানি লাভ নাই। তাই শুনিছে তিৰোতা মানুহৰ বোলে আত্মাই নাই।

প্ৰথমতে আল্লাই আদমক সৃষ্টি কৰিছিল। আদমৰ অকলশৰে থাকি থাকি আমনি লাগিছিল। তামাম দুনীয়াত ইমান ধুনীয়া ধুনীয়া বস্তু আছে। দিনত পোহৰ দিবলৈ আফতাব বা সূর্য্য আছে। ৰাতি পোহৰ দিবলৈ মেহতাব বা জোন আছে। আদমৰ কিন্তু মনত শান্তি নাই। ঘৰত থাকিলে খেদ্‌মত কৰিবলৈ বা আৰামৈচান ধৰিবলৈ কোনো নাই। সুখ দুখৰ সঙ্গী নাই। কি কৰে এতিয়া। গতিকে আল্লাক খাটনি ধৰিলে। পশু পক্ষীয়েও লগ বিচাৰে। মোকো— এই বান্দাকো কৃপা কৰা প্ৰভু। প্ৰাথনাত বিচমিল্লাহিৰ ৰহমানিৰ ৰহম ক্ষমাশীল দয়াশীল আল্লাহৰ কৃপা হ'ল। আদমৰ বাওঁফালৰ কামিহাড়ৰ পৰা সৃষ্টি কৰিলে প্ৰথম নাৰী হাৱাক। নিঃসঙ্গ আদমৰ ঘৰলৈ খুচীৰ বোচনাই আহিল। চৰ নিঃসঙ্গ পুৰুষেইতো নিজৰ নিজৰ হাৱাক বিচাৰি লয়। এই খায়ামৰ লৰাকহে বেলেগ পাইছে তাই।

মুঠতে চাকিয়ে একেবাৰে বেয়া পায় ওমৰক। কেতিয়াবা ওমৰে নেদেখাকৈ তাক মুখ ভেঙচাই দিয়ে। বাপেকৰ আগত কেতিয়াবা আপত্তিও কৰে যে ওমৰ আহিলে তাই ভাল নেপায়। বাপেকে আচৰিত হৈ সোধে কেলেই কি হ'লনো? ওমৰ আহিতো চুপচাপ কিতাপ পঢ়ে। কাৰো আমনি নকৰে।

মই ভাল নেপাওঁ।

কিয়নো ভাল নেপায়? বুঢ়া আবু তাহেৰৰ এই জীয়েকজনীলৈ বৰ মৰম। ছোৱালীজনীকলৈ বুঢ়াৰ চিন্তাও। মাক নাইকীয়া ছোৱালী। কেইবছৰমান আগতে মাক চ'কাল।

কিয়নো বেয়া পাই চাকিয়ে নিজেও ক'ব নোৱাৰে ভালকৈ। অলপ চিন্তা কৰি চাই এনেয়ে ক'লে এই যে এজেমসকলৰ লগত তৰ্ক কৰে সেইটো জানো ভাল?

আবু তাহেৰৰ মুখত খোলা হাঁহি বিৰিঙিল। অ সেই কাৰণে। সেইটোনো কি কথা। জানে কাৰণে তৰ্ক কৰে। প্ৰমাণ নোহোৱাকৈ ওমৰে কোনো কথা মানি নলয়। মই ক'লেও নেমানে।"

মুখ ওফন্দাই চাকিয়ে ক'লে ইঃ নেমানিলেই হবনে?"

আবু তাহেৰৰ ওমৰলৈ মৰম সোমাইছিল। মাজে মাজে ওমৰাক কয় পঢ়া ওমৰ পঢ়া। আল্লাৰ মৰ্জি হলে তোমাৰ জানৰ সুলক্ষ বহুদূৰ বিয়পি পৰিব। মোৰতো দিন শেষ হৈ আহিল। কোনদিনা সেই দৰ্জীৰ দৰে কলহৰ ভিতৰত সোমাম কোনে জানে।

প্ৰায়ে কয় এই কথামাৰ। কৈ হাহে।

এদিন চাকিও থাকোতেই ওমৰে চকুৰ চেলাউৰি কোঁচ খুৱাই সুধিলে হজুৰ সদায় আপুনি কোনো এটা দৰ্জীৰ কথা কয়। একো বুজিব নোৱাৰো। আজি বুজাই কওক।

আবু তাহেৰে হা হাকৈ হাহি ৰ লে তাৰ মানে তুমি কবুচ নামা পঢ়া নাই?

ওমৰে মূৰ জোকাৰিলে।

তেনেহলে শুনা। শুন তয়ো চাকি। আবু তাহেৰে কাহিনী ক বলৈ আৰম্ভ কৰিলে।

এক নগৰত এজন দৰ্জী আছিল। মানুহৰ সাজ পোচাক চিলায়। তেওঁৰ দ্যোকান আছিল নগৰ প্ৰাচীৰৰ কাষত একেবাৰে সদৰ দুৱাৰৰ গুৰিতে। নিজৰ দোকানৰ দুৱাৰ মুখৰ খুটা এটাত গজাল এটা মাৰি তেওঁ এটা কলহ ওলোমাই লৈছিল। জীৱনজুৰি তেওঁ এটা মজাৰ খেলা খেলিছিল।

তাহেৰ অলপ ৰ ল। চাৰিয়ে লগে লগেই সুধিলে কি খেলা আব্বাজান।

সেই নগৰৰ পৰা যিমান মৰাশ প্ৰধান দুৱাৰেদি গোৰস্থানলৈ লৈ যায় তাৰ হিচাব ৰাখিছিল দৰ্জীয়ে। এটা মৰা শ পাৰহৈ গ লেই তেওঁ এটা শিলগুটি কলহটোত পেলাই থয়। এমাহ পাৰ হ লে কলহটো উৰবিয়াই লৈ লিগুটিবোৰ লিখে। তাৰ পিচত আকৌ আৰম্ভ কৰে। এইদৰে বহু বছৰ গ ল। এদিন দৰ্জী নিজেই মৰিল।

চাকিয়ে চুক চুক শব্দ কৰি দুখ প্ৰকাশ কৰিলে। বুঢ়াই কৈ গ ল।

দৰ্জী মৰাৰ পিচত এদিন তেওঁৰ পুৰণা গ্ৰাহক এজন আহিল। দৰ্জী মৰা খবৰ তেওঁ নেজানিছিল। দোকান বন্ধ দেখি ওচৰ চুবুৰীয়া এজন মানুহক সুধিলে ভাই কোৱাচোন। দৰ্জী ক লৈ গ ল—ইয়াত দেখোন নাই। চুবুৰীয়াজনে ক লে ভাই দৰ্জীকতো নেপাবা। তেওঁ যে সেই কলহটোত সোমাল।

বাপেকে কলহত সোমোৱাৰ কথা কিয় কয় চাকিয়ে বুজি পালে। তাই শিঞৰি উঠিল। তাই কান্দো কান্দো হৈ ক লে খুদা না কদা— ঈশ্বৰে নকৰক ঈশ্বৰে নকৰক। এইবোৰ কথা তুমি কিয় কোৱা আব্বাজান।

তাইৰ ভয় দেখি মুৰৰ ওপৰত চেনেহেৰে হাতখন থৈ তাহেৰে ক লে এইটোতো এটা সাধু অ পাগলী। কোনো ভয় নাই। খোদাৰ নিদেশ নহ লে কাৰো একো নহয়। সেই কাৰণেহে কৈছো ওমৰ পঢ়া খুব পঢ়া। মোৰ এই কিতাপবোৰ তোমাৰ কামত লগাত মোৰ ৰৰ আনন্দ হৈছে।

গৰ বি যুৱনী উ বি-পিৰিন্তি
পিৰ বি মুৰ দি উ মুৰন ঝিন্তি।

যৌৱন আৰু বাদ্ধক্যৰ মাজত এটাই সমাধান ওমৰ। যৌৱনে জীৱনক আহ ান কৰিব বাদ্ধক্যই আলিঙ্গন বিচাৰিব মৃত্যুৰ।

কথা শুনি অজান ভয়ত শিঞৰি উঠা চাকিয়ে বাপেৰৰ বুকুৰ মাজৰ পৰাই ওমৰলৈ চালে সা ত্বনাৰ আ াত। চাই থৰ লাগিল। ওমৰে মিচিকিয়াই হাহিছিল। হাহিলে ৰৰ সুন্দৰ দেখায় ওমৰক। ওমৰৰ কঠিন মুখমণ্ডল এক অপুৰ কোমলতাৰে আলোকিত হৈ পৰিছিল।

চাবি

সেইদিনাৰ পৰা চাকিৰ ওমৰৰ প্ৰতি এক কৌতুহল জাগিল। ওমৰ অহালৈ তাই উৎসুক হৈ বাট চাই থাকে।

লগৰ ল ৰাবোৰৰ লগত ওমৰ যেতিয়া বাটেদি যায় তেতিয়া ওমৰৰ মেদবৰ্জিত ঋজু বলিষ্ঠ দেহ তাইৰ চকুত পৰে। তাৰ নীৰৱ কঠিন মুখ গৰ্বিত পদক্ষেপ পকো পকো হোৱা আঙুৰৰ দৰে গাঢ় ৰঙৰ দুটি সুপুষ্ট ওঁঠ—সকলো তাইৰ ভাল লাগে। তাই নানা ধৰণে ওমৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ যত্ন কৰিলে।

তাই আটোমটোকাৰিকৈ মুখ আচোৰে। গালত ফুলৰ ৰেণু সানি চকুত কাজল লগায়। মুৰৰ দীঘল বেনীত দুপাহ এপাহ ফুল গিজে। কেতিয়াবা ওমৰৰ চকুৰে চকুৱে পৰিলে ওমৰে নীৰৱ হাঁহিৰে তাইক সম্ভাষণ জনায়। তাইৰ ভাল লাগে।

কিন্তু ওমৰে তাইৰ লগত একেবাৰেই কথা পাতিব নোখোজে। কেৱল কিতাপ আৰু কিতাপ।

তাৰ মাজতে দুই এদিনৰ কাৰণে ওমৰ নোহোৱা হয়। ওমৰ নাহিলে তাইৰ বেয়া লাগে। বাপেকক সুধিলে কয় আহিব আহিব —কিতাপ নপঢ়াকৈ ওমৰ থাকিব নোৱাৰে।

ওমৰ পুনৰ নহালৈকে তাইৰ মনত শান্তি নেথাকে। বাৰে বাৰ বাটলৈ চাই চাই চকু বিষাই যায়। কিন্তু ওমৰ অহা দেখিলেই তাই এক দৌৰ মাৰি ঘৰৰ ভিতৰ পায়গৈ। বাপেকে বিচাৰিলেও বহুত সময়লৈকে তাইৰ সাৰসুৰ নেপায়।

বিবিকাৰ ওমৰে চাকিৰ মনত উঠা এইবোৰ হেন্দোলনিৰ বিষয়ে একো ভু নেপায়। কেবাদিনৰ মুৰত আহিলেও সহজভাৱেই আবু তাহেৰক আদাব জনাই দুষাৰ গ্ৰষাৰ কথা বিনিময় কৰি পুনৰ নিজৰ কামত লাগি যায়। চঞ্চল খোজেৰে বাহিৰ ভিতৰ কৰি থকা ডৰিহালৰ গৰাকীৰ ততোধিক চঞ্চল এহালি চকুৰ চাৱনিলৈ ওমৰে লক্ষ্যই নকৰে।

কেতিয়াবা ওমৰক বিচাৰি পৰভেজ আহে। পৰভেজ থকা সময়খিনিত বৃদ্ধ আবু তাহেৰ চাকি সকলো ব্যস্ত হৈ পৰে।

পৰভেজ মানেই কোলাহল। আহিয়েই আবু তাহেৰ চাহাৰক অভিনন্দন কৰি সন্মিনয়ে জনায় হুজুৰ মোৰ বেয়াদবি মাফ কৰিব। মই আপোনাৰ নিতান্ত নালায়েক ছাত্ৰ। আপোনাৰ এই কিতাপৰ হাৰি দেখিলে মোৰ ডৰ ভয় লাগে। তাতকৈ এই বিশাল পৃথিবী চাই ফুৰিবলৈহে ভাল।"

মৰুভূমিৰ প্ৰখৰ তাহৰ লগত পাৰি দি তীব্ৰবেগত ধোৱা চলোৱাত পৰভেজৰ আনন্দ। কোহ কাৰ্মেলৰ শিলাময় পাৰত্য ভূমিত পিতপিতাই ফুৰি চিকাৰ সন্ধান কৰা পৰভেজৰ নিচা। দুৰ্জয় শত্ৰু বাহিনীৰ সম্মুখ হৈ যুদ্ধত বিক্ৰম প্ৰকাশ কৰা পৰভেজৰ উচ্চাকাঙ্ক্ষা।

আবু তাহেৰে হাহে। পৰভেজক তেওঁ মৰম কৰে। পৰভেজৰ পৰিয়ালৰ লগতো তেওঁৰ বহু দিনৰ চিনাকী। তোমাৰ কাৰণে আল্লাই পৃথিবীখনকে কিতাপ কৰি দিছে পৰভেজ। আচমানত সুকজৰ চিৰাগ জ্বলাই দিছে। তুমি তাকেই পঢ়িবা।

চকুৰ দেখা সকলো কথা সেইদৰে জানিব পাৰি। কাণেৰে শুনাবোৰ জানিব পাৰি। ইন্দ্ৰিয়বে অনুভৱ কৰাবোৰ জানিব পাৰি। কিন্তু যিবোৰ চকুৰ দেখা নেযায়? শুনা নেযায় সেইবোৰ? সেইবোৰ জানিবলৈ ওমৰৰ পথেই পথ।

কিন্তু পৰভেজৰ কথা স্পষ্ট। ইমানবোৰ জানি কি হব। ইয়াৰ আগতে কত মানুহ এনেকৈ কিতাপ পঢ়িছিল। জ্ঞানৰ সাগৰত সাতৰি ফুৰিছিল। আকাৰ জোন-বেলি তৰা কালেকো মুৰ তুলি নোচোৱাকৈ চাকি চাকি তেলপুৰি কিতাপৰ পাত লুটিয়াই জীৱন কটাইছিল। কি লাভ হল পিচে?

অলপ অলপ পঢ়া শুনা পিচে জানিব লাগে। বহুকথাত সৰিধা। যুদ্ধক্ষেত্ৰতো খুব কামত লাগে। সেইবুলি ওমৰৰ দৰে কিতাপ পঢ়া। অসম্ভৱ। অৱশ্যে ওমৰৰ দৰে মগজ থকা হলে কোনো কথা নাছিল। কিন্তু সিমান মগজ আল্লাহতাল্লাই তাক নিদিলেই যেতিয়া মিছামিছি হায়ৰাণ হবৰ কি দৰকাৰ।

আজিও ওমৰকে বিচাৰি আহিছিল পৰভেজ। কিন্তু আহি যেতিয়া শুনিলে যে ওমৰ আজি কেবাদিনো সেইমুৰা হোৱা নাই পৰভেজ অলপ চিন্তাত পৰিল। ই গল কলে? চাচাজানৰ দোকানত খবৰ কৰিলতো কোনেও ক'ব নোৱাৰিলে। তাতো বোলে আজি তিনি চাৰি দিন নাই। ওমৰৰ এনে অভ্যাসৰ কথা অৱশ্যে জানে পৰভেজে।

খোহিকৈ নুফুৰা বেছি কথা নোকোৱা ওমৰ হঠাৎ এইদৰে মাজে মাজে মোহোৱা হয়। কলে যায় ক'ত থাকে সেইবোৰ সহজে অনুমান কৰা টান। হয়তো কোহ কামেলৰ শিলাময় শিখৰত উঠি ঈগলৰ লগত কথা পাতিছেগৈ। নহলে তাৰ পৰা সেইযে ৰিণিকি ৰিণিকি দেখা যায় আওঁঘন —ডালৈ গ লগৈ। প্ৰথম লগ পোৱাৰ দিনা তাতে থাকে বুলি কৈছিল নহয়। এতিয়া কি কৰা যায়। ওমৰক লগ পাবই লাগে এবাৰ। আৰু তাহেৰ চাহাবক সুধি কোনো লাভ নাই। বুঢ়াই কোনো খবৰ নেৰাখে।

এনেতে চাকি ওলাই অহা দেখি পৰভেজে সুধিলে চাকি ওমৰে কিবা কৈছিলনে কলে যাব?

চাকি দপ দপাই উঠিল ইঃ মই কেনেকৈ জানো কোন কলে যায়? তোমাৰ বন্ধুৰে কিবা মানুহৰ লগত কথা পাতেনেকি।

ইয়া আল্লাহ! ইমান খং কৰিছ কেলেই। মইনো কেনেকৈ জানিম তোৰ লগতযে কথাই নেপাতে। পৰভেজে দুষ্টামিৰ হাহি মাৰি কলে মই হ লে তোৰ বাহিৰে অন্যৰ লগত কথাই নেপাতিলো হেতেন। বা কি ধুনীয়া হৈছ যে দেখিবলৈ।

চাকিয়ে যোৱা -জোকাবলৈ আহিছা। বুলি লাজ পাই অন্য ফালে চালে। পৰভেজে তাইৰ মুৰৰ পৰা ভৰিলৈকে এবাৰ চালে। চাকিক সি সৰুৰে পৰাই দেখিছে। তাইতো এতিয়া গাডৰু হ ল। পৰভেজৰ মুখত ৰহস্যময় হাহি ফুটি উঠিল।

চাকি মই কথা পাতিব খুজিলেও তই নেচাৰই।

চাকিয়ে কেৰাহিকৈ পৰভেজৰ ফালে চালে। পৰভেজে হাহাকাৰ কৰি উঠিল উস উস মৰি যাম চাকি। এনেকৈ নয়ন বান নিক্ষেপ নকৰিবি। মোৰ দিল বৰ কমজোৰ।

চাকিৰ হাহি উঠিল। তাই সহজ হৈ কলে তুমি বৰ ঠাট্টা কৰা পৰভেজ ভাই।

পৰভেজে কলে ঠাট্টা কৰা নাই। তোৰ নিচিনা সুন্দৰী ছোৱালীৰ বাবে ৰজাই ৰজাই যুদ্ধ হয়। মই ক লে বিশ্বাস নকৰিব পাৰ। ওমৰ ক লৈ গ ল?

চাকিৰ ভাল লাগিছিল। তাই ধুনীয়া বুলি তাই নিজেও জানে। চেক চেকাই হাহি ফুৰে গুণেহে তাই পৰভেজৰ ওচৰ নেচাপে। তাৰ কথাত গুৰুত্বও নিদিয়ে। পৰভেজ পিচে খুব ডাঙৰ মানুহৰ

ল'বা। পৰভেজৰ পৰিয়ালৰ মানুহ ক'ৰবালৈ গ'লে চাকৰে বাকৰে সৈন্যই সামন্তই শোভাযাত্রা হোৱাদি হয়। যিমান দিনৰে পৰা দেখিছে পৰভেজক তাই একেই দেখিছে। দুৰন্ত। লৰা ঢাপৰা খেল-ধেমালি আৰু দুষ্টামি। এতিয়া ডেকা হৈছে যদিও মুখত দুষ্টামি সদায় আছেই।

আজি পৰভেজৰ মুখতে চাকিয়ে প্ৰথম শুনিলে যে ওমৰৰ আম্মাজান আব্বাজান কোনো নাই। ওমৰ এতিম বা মাউৰা। ওমৰৰ বাপেক ইব্ৰাহীম মৰাৰ পিচত ওমৰ চাচাজানৰ লগত থাকে। দোকান চলায়। ওমৰৰ বৃদ্ধ চাচাজানৰ বাহিৰে অন্য কোনোবা আপোন মানুহ আছে বুলি পৰভেজে নেজানে।

চাকিৰ বেয়া লাগিল। তাইৰো আম্মা নাই। কিন্তু আব্বাজান আছে। অন্দেকগত মাহীমাক আছে। চাচা চাচী আছে। ওমৰৰতো কোনো নাই।

হঠাৎ মনত পৰাৰ দৰে পৰভেজে ক'লে অ মই পাহৰিছোঁ। ওমৰৰ আচৰিত দুটা বন্ধু আছে।

এটাতো তুমি নিজেই। ইটোৱা কোন!

ধেৎ মোৰ কথা কোৱা নাই। মইতো ইনচান। মই ওমৰৰ যি দুটা বন্ধুৰ কথা কৈছো সেইকেইটা ইনচান নহয়েই। পৰভেজে ক'লে।

তেনেহলে কিনো?

ইনচান নহয়। এটাৰ নাম খান এটাৰ নাম বেগম। এতিয়াও ওমৰে বোধহয় সেই দুটাৰে মেহমান হৈছেগৈ। খুব বুজকগী ওমৰৰ লগত।

জেনানা নেকি? চাকিৰ মাতত বিস্ময় আৰু ঈষা একেলগে প্ৰকাশ পালে। পৰভেজে হাহো হাহো কৰি আছিল।

মই কৈছো নহয় যে সেই দুটা ইনচান নহয়।

ইনচান নহয় যদি কি? ভাল্লকৈ নোকোৱা বিয়? জিন-পৰী নেকি?'

জিন পৰী হ'ব কিয়। ওমৰৰ দুই দোস্ত দুটা প্ৰকাণ্ড ঈগল চৰাই। বনৰীয়া ঈগল। দুইটা আকাশৰ ৰজা আৰু ৰাণী।

কি কৰে ওমৰে সেইকেইটাৰ লগত? চাকিয়ে যেন নিজৰ কাণকেই বিশ্বাস নকৰিব।

দুইটাই ওমৰক আহি তৰাৰ খবৰ দি যায়। পূব পশ্চিম উত্তৰ দক্ষিণৰ সকলো বাতৰি আহি ওমৰক দিয়ে।

পাঁচ

তাৰ তিনিদিনৰ মুৰত ওমৰৰ সতে দেখা হ'ল পৰডেজৰ। পশ্চিম ফালে মৰুসূয্য যেতিয়া লাহে লাহে অস্ত যাবলৈ আৰম্ভ কৰিছিল নিচাপুৰ নগৰীৰ টাকিন দৰৱাজা বা তোৰণৰ ওপৰৰ সুউচ্চ মিনাৰৰ ছাঁয়া শেহ সুকুমৰ হেলনীয়া পোহৰত বৰ দীঘল হৈ পৰিছিল তেতিয়া মৰলৈকে ধুলিৰে পোত খাই বেপাৰী কাৰাভানৰ লগত ওমৰ আহি নগৰীত প্ৰৱেশ কৰিছিলহি।

ক্লান্ত ওমৰ আহি এখন ৰুটীৰ দোকানৰ সম্মুখত এজোপা গছৰ তলত বহি পৰিছিল। বাতিপুৱা এটা বেচিচত কিছুমান খেজুৰ আৰু পানী খোৱাৰ বাহিৰে দিনটো তাৰ পেটত একো পৰা নাছিল। ওমৰক বহা দেখিয়েই দোকানৰ পৰা এটা লৰা ওলাই আহি সুধিলে হজুৰৰ নি চয় বৰ ভাগৰ লাগিছে। বৰ ভোকো লাগিছে। দোকানত এতিয়াই বনোৱা গৰম গৰম ৰুটী আছে। উৎকৃষ্ট বকৰিৰ মাংস আছে। হজুৰৰ ফৰমাচ পালে আনিব পাৰো।

সচাকৈয়ে ওমৰৰ ভোকে ানে ধৰিছিল। যা আন দুটা ৰুটী আৰু মাংস। ওমৰে কলে।

চৌকাৰ ওচৰত বহি থকা দোকানীয়ে ব্যগ্রভাৱে চাই আছিল। লগে লগে চিৎকাৰিলে মাত মাত ডেকা হজুৰক ইয়ালৈকে মাত। ইয়াত এই খিনিতে বহি খাব পাৰিব। মই গৰম গৰম ৰুটী দি থাকিব পাৰিম।

ওমৰ গৈ দোকানীৰ ওচৰতে একোচা খৰিৰ ওপৰতে বহিল। ডাঙৰ ডাঙৰ দুখন ৰুটী দোকা ীয়ে নুৰিয়াই ওমৰলৈ আগবঢ়াই দিলে। ওমৰে নুৰা খুলি ৰুটী দুখা আঠৰ ওপৰত মেলি ল লে। এখন থালত এহতা মাংস আৰু সৰু সৰুকৈ যুটিৰা নহৰু ওমৰৰ আগত ধৰিলত ওমৰে ৰুটীৰ টুকুৰা ছিণ্ডি মাংস আৰু নহৰুৰে মৰাই লৈ পৰম তৃপ্তিৰে খাবলৈ আৰম্ভ কৰিলে।

এনেতে পিন পিনাই ফুৰা ভিক্ষাৰীৰ জা ক আহি আঙুৰি ধৰিলেহি।

ইয়া হু ইয়া হক! আল্লাৰ নামত দান কৰক।

"ভোকাতুৰ দুখীয়াক দান দিয়ক।

ওমৰে মুখ তুলি চালে। দোকানী কদমমূর্ত্তি ধৰি নামি আহিল।

ওচ ওচ্। চোৰৰ পোৱালী চোৰহত। তহতৰ কাৰণে খৰীফ মানুহ ক'তো ৰ ৰ নোৱাৰা হ ল। দেখা নাই হজুৰালিৰ ভোক লাগিছে।

দোকানীয়ে কটী সেকা দীঘল লোহাৰ শলা এদাল লৈ চোচা মৰাৰ জগে লগে মগনীয়াৰ দল চিটিকি পলাল। দোকানীয়ে ওমৰৰ ফালে চাই ক'লে হজুৰ গোস্তাকি মাফ হয়। এই চোৰজাকৰ পৰা ক'তো শান্তি নাই।

ওমৰে হাহিছিল।

বাটৰ বাটকৰাৰ ভোক ওচাবলৈ আছা তুমি। কিন্তু সিহতো ভোকাতুৰ।

আল্লাই সিহতৰ ভোক ওচাব। মই মোচাফিৰ সকলৰ কাৰণেহে কটী বনাও। দোকানীয়ে অসন্তোষেৰে ক'লে।

ওমৰে একো নেমাতি নিমাতে খাবলৈ ধৰিলে। খোৱা হ লত পানী বিচাৰিলে। ওচৰৰে পানী বেচা ল'ৰা এটাই চোৱাহীৰ পৰা এটা পাত্ৰত পানী চালি ওমৰৰ আগত ধৰিলে। পানী খাই হাত মুচি ওমৰ থিৰ হ ল। ককালৰ খোচোনাৰ পৰা এটা ৰূপৰ মুদ্রা দোকানীলৈ আগবঢ়াই দিলত দোকানীয়ে আঙুলিৰ মুৰত বজাই চাই কাষৰ সৰু কাঠৰ বাকচ টোত ভৰাই থ লে। তাৰ পিচত পানী বেচা লৰাটোক তামৰ পইচা এটা দিলত দোকানীয়ে বিস্ত তপৰাই কৈ উঠিল কি যে দিন কাল হ ল। এজন মুছলমানক পিয়াহৰ পানীটোপা দিও পইচা লয়।

ওমৰে ক লে এজন মুছলমানৰ ভোকত কটী দি তুমিওতো পইচা ল লা। সেইটো কি হ ব?

সেইটো জানো একে কথা। মোৰ যদি বোনোৱাই এথেলা আটা জুই জ্বলাবলৈ কাঠখৰি আৰু এটা ভেড়া এনেয়ে দিলেহেতেন তেন্তে ময়ো পইচা নোলোৱাকৈ খাবলৈ দিব পাৰিলোহেতেন। কিন্তু পানীৰতো কোনো দাম নাই।

ওমৰে জোলোঙাটো কাঙ্কত ওলোমাই লৈ যাবলৈ ওলাল। মৰুভূমিৰ মাজত এই কেইদিন ঘুৰি ফুৰোতে এটা মহামূল্যবান বস্তুৰ সন্ধেদ ওমৰে পাইছিল।—পানী। দোকানীৰ ভুল হৈছে। ওমৰে একো নকলে। বহুত চুকৰিয়া। বুলি ওমৰে খোজ আগবঢ়ালে।

এনেতে অশ্বাৰোহী পৰভেজে দূৰৰ পৰাই মাত দি আহি ওমৰৰ ওচৰত ৰ লহি। জাপ মাৰি ঘোঁৰাৰ পৰা নামি ওমৰক সাৱটি ধৰিলে।

তোমাক মাজে মাজে কিবা জিন পৰীয়ে পাইনেকি দোস্ত। ক ত গৈছিলা ? মই আজি এক সপ্তাহ বিচাৰি হাঁয়ৰান। আৰে ক ত যোৱা যাবা অন্তত ঠিকনাটোতো থৈ যাবা। তোমাক বিচাৰি বিচাৰি কিমান পৰেচান হ'লো মই। লগতে বেচেৰী চাকি ! তাইৰ যি অৱস্থা হৈছে— তাইৰ মুখলৈ চাই গোলাপ ফুল ফুলিবলৈ পাহৰি গ ল। ইঃ ইঃ তুমি —

পৰভেজৰ কথা শেষ নোহোৱা দেখি ওমৰে তাৰ মুখত সো হাতৰ তলুৱাৰে সোপা মাৰি ধৰিলে। তাৰ পিচত দুইটাই হাহিবলৈ ধৰিলে।

একেটা ঘোৱাতে দুয়ো উঠিল।

দোকানীৰ চকু বিস্ময়ত ডাঙৰ ডাঙৰ হৈ উঠিছিল। ওমৰক ইমান ডাঙৰ মানুহ বুলি আগতে বুজা হ লে বহুত খাটিৰ কৰিব পৰা গ লহেতেন !

এটা মগনীয়াই নিৰাপদ দূৰত্বৰ পৰাই ধূর্ত চকুৰে দোকানীলৈ চাই আছিল। তাৰে পৰাই ক লে কি বছিৰ মিঞা। আমাকতো খুব খেদিলা গৰীব বুলি। ইমান ৰহিচ মানহ মেহমান আহিল ! বি তোৱাজ ৰবিলা দেখিলো নহয়।

চুপ ! চোৰৰ পুতেক চোৰ। তহতৰ কাৰণেই ভাল মানহক খাটিৰ যত্ন কৰিব নোৱাৰো মই ! গুচ ! দোকানীয়ে ক্রুদ্ধভাৱে ক লে।

আচলতে ওমৰ গৈছিল মৰুসাগৰৰ পথৰ দাতিত থকা বিখ্যাত গণিতজ্ঞ ওস্তাদ আলি চাহেবৰ ঘৰলৈ। আবু তাহেৰে ওমৰক চুপাৰিশ কৰি এখন চিঠি দিছিল। সেই চিঠি লৈ ওস্তাদ আলিৰ ঘৰলৈ গ লত আলি চাহেবে ওমৰক ইউক্লিদৰ ইলমি হেণ্ডেচা বা জ্যামিতি কিতাপখন দেখুৱালে। কিন্তু লগ ত ক লে 'তুমি যদি ইচ্ছা কৰা ইয়াতে থাকি কিতাপখন পঢ়িব পাৰা। প্রয়োজন হ লে টোকাও কৰি লৈ যাব পাৰা। কিন্তু কিতাপখন মই নিবলৈ নিদিওঁ।

আপোনাৰ বহুত মেহেৰবাণী হুজুৰ। মই পঢ়িবলৈ পালেই যথেষ্ট। ওমৰে কৈছিল।

তাৰ পিচত প্রায় পাচদিন দিনে ৰাতিয়ে পৰিশ্রম কৰি ওমৰে কিতাপখনৰ টোকা কৰিছিল। চিত্রাঙ্কনবিলাক অাকি লৈছিল আৰু ঠায়ে ঠায়ে কিতাপখন নকল কৰি পেলাইছিল। দিনে ৰাতিয়ে অবিৰতভাৱে

পৰিশ্ৰম কৰা দেখি সাধাৰণতে কঠিন স্বভাৱৰ ওস্তাদ আলিবো ল ৰাটোৰ প্ৰতি মৰম সোমাইছিল।

আবু তাহেৰ চাহেৰ মোৰ পুৰণা বন্ধু। এসময়ত আমি দুয়ো নিচাপুৰ মাদ্ৰাছাত পঢ়িছিলো। কিন্তু তুমি ইউক্লিদৰ জ্যামিতি লৈ ইমান কষ্ট কিয় কৰিছা? মই কথাটো বুজি পোৱা নাই। ওস্তাদ আলিয়ে ক'লে।

গণিত শাস্ত্ৰৰ লগত জ্যামিতিৰ গভীৰ সম্পৰ্ক আছে। ওমৰে ক'লে।

'আছে। কিন্তু সি বেছি গভীৰ নহয়। অন্তত যিমান গভীৰ হ'লে গাণিতিক সকলো সমস্যা সমাধান কৰিব পাৰি সিমান গভীৰ নহয়। জ্যামিতিৰ শেষবিন্দুৰ পৰা গণিত শাস্ত্ৰই সত্যানুসন্ধানৰ পথত নিজে নিজে আগুৱাব লগা হয়।

ওমৰৰ মনত বিভিন্ন প্ৰশ্নৰ উদয় হৈছিল। এইটো সি বুজিছিল যে সংখ্যাক আশ্ৰয় কৰি গণিত আৰু এলজেব্ৰাই অগ্ৰসৰ হয়। জ্যামিতিয়ে সেইবিলাকক কায়িক ৰূপ দিয়ে। কিন্তু অঙ্কশাস্ত্ৰৰ কাল্পনি কতাক বাস্তৱ ৰূপ দিয়াত জ্যামিতি কিমান সফল হব? ওমৰে জ্যামিতিৰ পথত ভৰি দিছেহে মাথোন। গতিক এ'কা নেমাতিলে। তাৰ ভাৱীৰ মুখখনত তেওঁৰ কথাষাৰ মানি লোৱাৰ কোনো চিহ্ন প্ৰকাশ নোপোৱাত ওস্তাদ আলিয়ে আৰু একো নকলে।

তোমাৰ যি ইচ্ছা। কিছুদিন অনুশীলন কৰিলে মোৰ কথাৰ যথাৰ্থতা নিজেই বুজিব পাৰিবা। আজি হেজাৰ বছৰ জুৰি জ্যামিতি একে শৈশৱ অৱস্থাতে আছে।"

ওস্তাদ আলিক চালাম জনাই ওমৰ গুছি আহিল। আবু তাহেৰৰ লগতো গণিতৰ কথা পাতি লাভ নাই। মাদ্ৰাছাত ইমাম মোৱাফাকৰ তলত দৰ্শন অধ্যয়ন কৰিব পাৰি। কিন্তু গণিতশাস্ত্ৰ যথাযথভাৱে অধ্যয়ন কৰিবলৈ ওমৰক এজন ওস্তাদ প্ৰয়োজন। কিন্তু সাধাৰণভাৱে আহি শিষ্যত্ব গ্ৰহণ কৰিলে প্ৰাথমিক স্তৰতে পঢ়ুৱাবলৈ আৰম্ভ কৰিব। তাতকৈ নিজে যিমান পাৰি অধ্যয়ন কৰি তাৰ পিচত ওস্তাদৰ সহায় বিচাৰিলে ভাল হব। তাৰ আগতে ইউক্লিদৰ আবিষ্কৃত এই বেখা বৃত্ত ক্ষেত্ৰতলৰ ভাষা ভালদৰে বুজি উঠা দৰকাৰ।

পৰভেজে সুধিলত ওমৰে চমুকৈ কৈ থলে কিয় ওস্তাদ আলিৰ

প্রবীজে গৈছিল। পৰভেজে মুখ বিকটালে।

সেইবোৰ তোমাৰ কথা তুমি বুজিবা ওমৰ ভাই। আল্লাহৰ ৰহম হলে তুমি এদিন বিখ্যাত হবা সেই বিষয়ে কোনো সন্দেহ নাই। কিন্তু তুমি আৰু তোমাৰ কিতাপৰ বাহিৰেও আল্লাই আৰু বহুত মানুহ দুনুহ ঘোৰা-উট চৰাই চিৰিকতি সৃষ্টি কৰিলে। কৰিলেনে নাই?"

আলবৎ কৰিছে। ওমৰে কলে।

গতিকে মাজে মাজে সেইবোৰৰ ফালেও অলপ নজৰ দিব লাগে। মোৰ কথা বাদেই দিয়া। কিন্তু চাকিৰ কথাতো এবাৰ ভাবিব লাগে। তোমাৰ দিল কি একদম পাথৰ?

কিয় কি হল চাকিৰ? ওমৰ আচৰিত হল।

তাই না খাব পাৰে না শুব পাৰে। তোমাৰ কাৰণে বাট চাওঁতে চাওঁতে একেবাৰে পৰেচান হৈ গল ছোৱালীজনী। তোমাক বিচাৰি তালৈ যাওঁতে মই দেখিলো জোনৰ দৰে তাইৰ মুখ মোলান পৰি গল। ইঃ কি আফচোচৰ কথা।

ওমৰে প্রথমে বুজিবই পৰা নাছিল। চাকিৰ আৰো কিয় হব তেনেকুৱা। কিন্তু পৰভেজে কি কৈছে কথাটো লাহে লাহে বুজি উঠাৰ লগে লগে সৰবে প্রতিবাদ কৰি উঠিল।

নাই নাই পৰভেজ তুমি এনেয়ে কৈছা সেইবোৰ। চাকিতো এজনী সৰ ছোৱালী। তদুপৰি তাই মোক দেখিবই নোৱাৰে। আজিলৈকে তাইৰ লগত মই কোনো কথাই পতা নাই। তাৰোপৰি আবু তাহেৰ চাহেবে মোক বৰ অনুগ্রহ কৰিছে। এতিয়া এইবোৰ কথা শুনিলে মোক কি ভাবিব। ওমৰ উৎকণ্ঠিত হৈ উঠিল।

আৰে বচ বচ। তুমি যে এনেকুৱা বেওকুফ কথা কবা সেইটো মই আগতেই জানিছিলো। তুমিতো কিতাপৰ আখৰৰ বাহিৰে অন্য একো নেদেখাই। আকাশত চন্দ্র দেখিছা? পূর্ণচন্দ্র যেনিবা নহলেই কেইদিনমান বাকী আছে। সেইবুলি পোহৰ নিদিয়েনে। ইঃ চাকি এজনী সৰু ছোৱালী। তাই তোমাক দেখিব পাৰেনো নোৱাৰে সেইটো মই জানিছো কব নেলাগে। কথা নপতা কথাটো অৱশ্যে মই বিশ্বাস কৰিছো। কাৰণ তোমাৰ দৰে আৰ্ম্মক আৰু কতো নাই।

কিন্তু তুমি বিশ্বাস কৰা ভাই—এইবোৰ একেবাৰে মিছা কথা। আৰু তাহেৰ চাহেবে মোক যে চয়তান বুলি ভাবিব।"

বাদ দিয়া—মৌলবী চাহেবৰ চাকিৰ কাৰণে কোনো নবাবজাদা বিচাৰি ফুৰা নাই। আৰু তুমিতো ভাই তেওঁৰ পিয়াৰৰ লোক।"

হতাশ হৈ ওমৰে প্ৰতিবাদ কৰিবলৈ এৰি দিলে। পৰভেজক কথাৰে বলে নোৱাৰি। তৰোৱালেৰে নোৱাৰি।

আচ্ছা সেইটোতো বুজিলো। তুমি মোৰ দোস্ত যেতিয়া মোৰ কিছুমান কথা জানিবাই। এতিয়া কোৱাচোন তুমিনো মোক ইমানৰ কিয় বিচাৰিছিলা। ওমৰে সুধিলে। চাকিৰ কথাই ওমৰৰ মনত বিশেষ একো শিহৰণ তুলিব পৰা নাছিল। পৰভেজে খুবচুৰত ছোৱালী দেখিলেই—এইটিৰ লগত তোমাৰ সুন্দৰ মিলিব ওমৰ ভাই—বুলি আগতে অনেক বাৰ কৈছে। এইটোও তেনেকুৱা এটা কথা।

ওমৰৰ কথা শুনি পৰভেজে কৈ উঠিল যে তাৰ আগন্তুক মহাযুদ্ধত যোগ দিয়াৰ কথা খাটাং। ইতিমধ্যে সকলো আয়োজন সি সম্পূৰ্ণ কৰিছে। নিচাপুৰৰ শাসনকৰ্ত্তা আমীৰ আজিজৰ সৈন্য বাহিনীয়ে এই চান্দ্রমাহৰ শেহৰ দিনা ইয়াৰ পৰা যুদ্ধ যাত্রা কৰিব। ইতিমধ্যে দিনে দিনে খোৰচান প্ৰদেশৰ বিভিন্ন অংশৰ পৰা শই শই যুজাৰু আহি নিচাপুৰত শিবিৰ পাতি আছেহি। চল্লিচজন চোৱাৰী অনুচৰ লৈ পৰভেজেও এই খোৰাচানী বাহিনীৰ লগত চুলতানৰ প্ৰধান সৈন্য বাহিনীৰ লগত যোগ দিবলৈ যুদ্ধ যাত্রা কৰিব।

এতিয়া ওমৰ ভাই তুমি মোৰ লগত যাব লাগে।" প্ৰস্তাৱ টা দি পৰভেজে আগ্রহেৰে ওমৰৰ ফালে চাই থাকিল।

আলবৎ যাম। ওমৰে একো ভবাকৈয়ে তৎক্ষণাৎ উত্তৰ দিলে। পৰভেজ ভাইৰ লগত যুদ্ধলৈ যোৱাটো কি কথা। জহন্নামলৈ যাবলৈও সাজু আছে ওমৰ খায়াম।

ছয়

পিচদিনা আবেলি মাদ্রাছাৰ পৰা ঘুৰি আহোতে ওমৰে আবু তাহেৰৰ ঘৰৰ স মুখৰ পৰাই দেখিলে চাকি থিয় হৈ আছে দুৱাৰ মুখত। পোন প্ৰথম বাৰৰ বাবে চাকিলৈ আজি লক্ষ্য কৰিলে ওমৰে। সচাকৈ চাকি ধুনীয়া। বৰ ধুনীয়া। বয়সতকৈ তাই বেছি বাঢ়িছে। ওমৰ সোমাই যোৱাৰ লগে লগেই চাকি আতৰিল। কিন্তু তাইৰ চকুৰেদি খেলি যোৱা এচমকা পোহৰ ওমৰৰ দৃষ্টিত ধৰা পৰিল। অবাক হৈ অলপ পৰ এনেয়ে থিয় দি থাকিল ওমৰ। তাৰ পিচত আৰামী চকীত হেলান দি বহি থকা আবু তাহেৰৰ কাষ চাপি সম্ভাষণ জনালে।

আচ্ছালামু আলেইকুম জোনাব।"

আলেইকুম আচ্ছালাম। তুমি কলৈ গৈছিলা ওমৰ।

জোনাব ওস্তাদ আলিৰ ঘৰলৈ। সেইযে আপনি চিঠি দিছিল—

ঠিক ঠিক মই চিঠি দিছিলো। তোমাৰ কাম হল? আলি চাহেৰৰ ভালতো।

তেখেতৰ ভাল। মোৰ কাম হল। কিন্তু মই ভাবিছো তেখেতৰ তলত কিছুদিন পঢ়া ভাল হব।

বৰ ভাল হব। অঙ্কশাস্ত্ৰত ইমান ডাঙৰ পণ্ডিত সুযাৰ দে। খোৱাচাত আৰু নাই। তেওঁৰ অনুগ্ৰহ পালে তোমাৰ বহু লাভ হব।

দুয়োৰে মাজত পুৰৰ দৰে কিছু আলোচনা বিলোচনা হোৱাৰ পিচত ওমৰে পুনৰ কিতাপ লৈ বহি গল। কাম বহুত আছে। যদি পৰভেজৰ কথামতে পৰিচমলৈ যাব লগা হয় তেন্তে হাতত মাত্ৰ আৰু দহ বাৰ দিন সময় আছে। ইয়াৰ ভিতৰতে তেওঁ বহুতো এলজেব্ৰা আৰু জ্যামিতিৰ সমস্যা সমাধান কৰি লব লাগিব। সেইবোৰৰ টোকা কৰিব লাগিব। ওমৰৰ হাতত সময় বৰ কম। আৰু কিবাকিবি চৰ আচনি ওমৰৰ কল্পনাত আছে। কিন্তু পোন প্ৰথম কৰিবলগীয়া হৈছে এই জ্যামিতিৰ ভাষা শিকাটো। যি কোনো গাণিতিক সমস্যা জ্যামিতিৰে উপস্থাপন কৰি জ্যামিতিৰে তাৰ সমাধান বিচাৰি উলিয়াবলৈ হলে জ্যামিতিৰ ভাষা সম্পূৰ্ণ আয়ত্বলৈ আনিব লাগিব। শ শ বছৰৰ

আগতে পৃথিবী এনি আছি মোৰা কাকেৰ ইউক্লিদৰ চিন্তাৰ ঋণ ধৰি সত্যৰ অনুসন্ধান কৰাটো দুৰূহ কাম। ওমৰ গাহে গাহে চিন্তাত নিমজ্জিত হৈ পৰিল।

মগৰিবৰ আজান দিয়াৰ কিছু আগে আগে ওমৰ আবু তাহেৰৰ ঘৰৰ পৰা ওলাই উঠিল। বাহিৰত আধা অন্ধকাৰ দুৱাৰ মুখত চাকি থিয় দি আছে। আবু তাহেৰ নামাজ পঢ়িবলৈ গ'ল।

চাকিৰ গাঁৰ কামেদি পাৰ হৈ যাৰ ধৰোতেই চাকিয়ে হঠাৎ মাত লগালে শুনাচোন।

ওমৰ ৰ'ল। তাৰ পিচত ওচৰ চাপি আহি তাইৰ মুখলৈ চাই সুধিলে কি হ'ল চাকি?"

ওমৰেও খপ জপকৈ সোধাৰ দৰে সুধিছিল। পৰভেজৰ দৰে বাকচাতুৰ্য্য তাৰ নাই। তাতে তিৰোতামানুহৰ লগত ওমৰৰ কথা পতা নহয়েই। গাৱলৈ গ'লে চাচীৰ লগত কথা পাতে। কিন্তু চাচীজানেও ওমৰক ৰৰ আদৰ সাদৰ নকৰে।

চাকিয়ে আচলতে এনেয়ে ৰখাইছিল ওমৰক। তাইৰ সুধিবলগীয়া একো কথা নাছিল। এতিয়া ওমৰ সচাঁকৈয়ে ৰৈ দিলত তাই কথা ক'বলৈ একো বিচাৰি নেপাই সুধিলে তুমিনো ইমান দিন ক'লৈ গৈছিলা?

মই গৈছিলো মিৰুৰ নামৰ এখন গাৱলৈ। তাত মোৰ কাম আছিল।

এনেকৈ নোকোৱা যেমেলাকৈ ওছি যোৱা জানো ভাল? মানুহ ক'ৰবালৈ গ'লে কৈ যাব লাগে। তাই গহীন ভাবে ক'লে।

কাক কৈ যাব লাগে? ওমৰ আচৰিত হ'ল। এইটো কেনে কথা। মোৰ দৰকাৰ মই গ'লো। আকৌ কিয় কৈ যাব লাগে। চাকিক কৈ যাব লাগে কিয়। ওমৰে ভাবি চাই তাৰ পিচতে কোমলস্বৰে আকৌ ক'লে কৈতো গৈছো। জোনাবক মই কৈ গৈছো। অৱশ্যে মই কেতিয়া যাম সেইটো কোৱা নাছিলো।

নাই বহুদিন নাহিলে চিন্তা হয়তো। চাকিয়ে বয়সিয়াল তিৰোতাৰ দৰে গহীনাই ক'লে অসুখ বিসুখ হ'ব পাৰে। বিপদ-

আপদ হ'ব পাৰে। আৰু মানুহে বিচাৰিও আছে।"

মানে পৰভেজে। ওমৰৰ মনলৈ এটা বুজিব নোৱাৰা নতুন ধৰণৰ অনুভূতি আহিল। ওমৰৰ জীৱন আজন্ম একান্ত আৰু নিজস্ব। মাকক তাৰ মনত নাই। চাচীজানৰ তত্ত্বাৱধানত ডাঙৰ হ'ল। কিন্তু চাচীৰ নিজৰো ল'ৰা ছোৱালী আছে। বাপেক ইব্ৰাহীমৰ ইন্তেকাল হোৱাৰ পিচৰ পৰাই ওমৰে ক'ৰবালৈ যাবৰ সময়ত কাকো কাহানিও কৈ যাব লগা হোৱা নাই। আজি এই চাকি নামৰ সৰু ছোৱালী এজনীয়ে কৈ নোযোৱা কাৰণে তাৰ দায় ধৰিছে। অলপ কুণ্ঠা অলপ পুলক আৰু অলপ কৌতুকৰ এটা মিশ্রিত অনুভূতিয়ে তাৰ মন ভৰাই পেলালে। কৌতুকপূর্ণ চকুৰেই চাকিৰ ফালে চাই ওমৰে ক'লে 'নাই নাই মোৰ কোনো অসখ হোৱা নাই। আৰু বিপদ মোৰ কি হ'ব পাৰে। কিন্তু এই কথা ঠিক যে তোমাক মই কৈ যাব লাগিছিল। এটা বেয়াদবি হৈ গ'ল।

চাকিয়ে মুৰ দুপিয়ালে।

বাৰু যাওঁ চাকি। ওমৰ আগবাঢ়িল।

চাকিৰ ওমৰক আৰু অলপ ৰখলৈ ক'বৰ মন আছিল। কিন্তু তাইনো আৰু কি কথা সুধিব ভাবিয়েই নেপালে।

সেইদিনা ৰাতি এন্ধাৰ হোৱাৰ লগে লগে ওমৰে সিহঁতৰ দোকান ঘৰৰ ওপৰমহলৰ চাঁদত উঠিলগৈ। চাঁদৰ মজিয়াত এখন সতৰঞ্চি পাৰি ল'লে। ৰাতি ওমৰে মনে মনে এই চাঁদৰ ওপৰত উঠি পঢ়া শুনা কৰে। ৰাতি হ'লে বাহিৰৰ কোনো হাই উৰুমি গৈ তাৰ কানত নপৰেগৈ। ওপৰলৈ চকু দিলেই নীলা আকাশৰ বুকুৰ লাখ লাখ তাৰকা তাৰ সহজে চকুত পৰে।

ওস্তাদ আলিৰ ঘৰৰ পৰা টুকি অনা জ্যামিতিৰ বহীখন ওমৰে পীৰা এখনৰ ওপৰত পাৰি ল'লে। মৌসিতাৰ দুদাল মমবাতি একেলগে জ্বলাই ল'লে। কিছুমান এপিঠিয়ে লিখা তুলাপাতৰ পৰা পুৰণি আখৰবোৰ মোহাৰি উঠাই দি পুনৰ ব্যৱহাৰ কৰিবলৈ সাজু কৰি ল'লে। আজি ৰাতি বতাহ বলা নাই কাৰণে মমবাতিৰ শিখা দুটাই স্থিৰ নিষ্কম্প ভাবে থাকি বগা পোহৰ যাচিছিল। তাৰ মনটো বৰ ভাল লাগিল। মাস্রাছালৈ

সেই আটোৰ সংগে মুখস্থ কৰাতকৈ এইদৰে অংকলে কাম কৰি তাৰ বৰ ভাল লাগে।

লাহে লাহে ঘণ বেকা চেলাউবিৰ তলত তাৰ চকুজোৰ তীব্ৰ হৈ আহিল। সি এখন তলাপাত উলিয়ালে। বেখাদণ্ড আৰু কম্পাচেৰে সেই তুলাপাতত এটা বৃত্ত আঁকি লগে লগে তাক বহু অংশত বিভক্ত কৰি গেলালে। তাৰ পিচত শাৰী শাৰীকৈ অঙ্ক লিখি গ'ল। চাওঁতে চাওঁতে কাগজৰ পিঠি অঙ্কৰে ভৰি পৰিল।

অঙ্ক কৰি থাকোঁতে থাকোঁতে চৌপাশৰ সকলো বস্তুৰ অস্তিত্ব ওমৰে পাহৰি পেলালে। জ্বলি থকা চাকি আনকি পৰি থকা কিতাপখনো ওমৰৰ মনৰ পৰা আঁতৰি গ'ল। মনৰ মাজত চলি থাকিল মাত্ৰ কিছুমান অঙ্ক। যোগ বিয়োগ হৰণ পূৰণ সমীকৰণৰ দ্ৰুত মানসিক প্ৰক্ৰিয়া। চিন্তাৰ নদীত খৰস্ৰোত কল্পনাৰ পৰ্দাত ত্ৰিভুজ বৰ্গক্ষেত্ৰ বৃত্ত বলয়।

এনেতে এটা পৰিচিত দীঘলীয়া সুৰ তাৰ কাণত পৰিল। এয়া আজানৰ ধ্বনি। হাই ইয়া আলাচ চালাহ হাই ইয়া আলাল ফালাহ —লা ইলাহা ইল্লাল্লাহ —এয়া প্ৰাথনালৈ আহা —প্ৰাৰ্থনাগৃহলৈ আহা —এক আল্লাৰ বাহিৰে কোনো শ্ৰেষ্ঠ নাই

ৰাতিৰ নামাজৰ সময় হ'ল।

ওমৰৰ মনটো উচপিচ কৰিবলৈ ধৰিলে। অলপ অলপ ভয়ো লাগিল। সচাকৈয়ে সি প্ৰাথনা কৰা বৰ দৰকাৰ। কাৰণ এইবোৰ কোনোবা এক বিধৰ্মী গ্ৰীকে লিখা কথা সি পঢ়ি আছে। অলপ পৰৰ পিচতে কিন্তু ওমৰ পুনৰ অঙ্কত নিমগ্ন হৈ পৰিল। মনৰ পৰা ক্ষন্তেকীয়া শঙ্কা আঁতৰি গ'ল।

মাজৰাতি আকৌ তাৰ তপস্যা ভঙ্গ হ'ল। তলৰ ৰাজপথত সি মানুহৰ দ্ৰুত পদশব্দ শুনিলে। কোনোবাই কৰ্কশ স্বৰে কিবা কৈছে। চাঁদৰ কাষলৈ গৈ তললৈ চুমি চাই ওমৰে দেখিলে যে মূৰত কৃষ্ণবৰ্ণ কাপোৰ মেৰিয়া হটাঁ মানুহ এটাক বেড়ি লৈ বহু মানুহ জমা হৈছে।

মানুহটোৱে কোবেৰে হাত জোকাৰি জোকাৰি কিবা কৈছিল। ওমৰে বুজিলে যে মানুহটো গোৰা ইচলামপন্থী। এই পন্থৰ মুছলমানৰ মতবাদ সদায় উগ্ৰ।

আই ইমানদাৰ! হে স্বধৰ্মীসকল। আৰামৰ দিন অতীত হ'ল।

আজি সোনকালেই তোমালোকে জেহাদ বা ধর্মযুদ্ধৰ আহ্বান শুনিবলৈ পাবা। কাফেৰহতৰ বিৰুদ্ধে তৰোৱাল ধৰিবৰ সময় আহিল। দেশৰ চৌদিশে ৰণৰ বাজনা বাজি উঠিছে। তোমালোকে কাণ পাতি শুনা। সুখ আৰু আৰামৰ বিচনা এৰি হাতে হাতে তৰোৱাল লৰ লাগিব। তাজী ঘোৰাৰ খুৰাৰ তলত ধুমুহাৰ সৃষ্টি কৰিব লাগিব। প্ৰচণ্ড চাইমুম ঝুৰ আগত চাহাৰাৰ বালকাৰাশি উৰি যোৱাৰ দৰে তোমালোকৰ আগতো কাফেৰহত ছিন্ন ভিন্ন হৈ পৰিব লাগিব। হুচিয়াৰ! খবন্দাৰ!!

বুকুত চপৰিয়াই চপৰিয়াই মানুহটোৱে কথাবোৰ কৈছিল। তাৰ বিকট চিঞৰত ৰাতিৰ বুকু থৰ থৰ কৈ কপি উঠিছিল। অবাক হৈ শুনি থকা মানুহবোৰে নিজৰ ভিতৰতে গুণ গুণকৈ কথা পাতিছিল। ওমৰৰ মনত প্ৰশংসা জাগিল। মানুহটোৰ বক্তব্যত ওজস্বিতা আছে।

চুলতানৰ নতুন যুদ্ধৰ আয়োজন যিমানে প্ৰবল হৈছে সিমানে জেহাদৰ এই আহবান সকলোপিনে প্ৰচাৰিত হৈছে। চেল্জুক সাম্ৰাজ্যৰ ভবিষ্যত নিভৰ কৰিছে এই যুধৰ ওপৰত। চুলতান যদি হাৰে ৰোমানী সম্ৰাট দ্বিতীয় আলেকজেণ্ডাৰ ৰূপে প্ৰমাণিত হ ব। যদি চুলতান আলপ আচলান জিকে তেনে ইছলামৰ কাচিজোন-চিহ্নিত পতাকা পশ্চিম সাগৰৰ তীৰলৈকে অগ্ৰসৰ হ ব।

মানুহটোৱে একে ধৰণে বক্তৃতা দি দি দুৰলৈ গ লগৈ। লাহে লাহে বক্তৃতাৰ ধ্বনি অস্পষ্ট হৈ আহিল।

ওমৰে এবাৰ তৰাবচা আকাশলৈ চালে। এবাৰ হামিয়ালে। তাৰ পিচত শিঞামুৰি ধৰা হাত দুখন এবাৰ জোকাৰ মাৰি মেলি দি ক্ষু মাৰি মম দুদাল নুমালে।

উটৰ নোমৰ খহটা কম্বলখন কান্ধলৈকে টানি লৈ বিচনাত পৰা মানুহকে তাৰ টোপনি আহিল। ওপৰৰ আকাশত অগণন তৰাই নীৰৱে তিৰবিৰাই থাকিল।

সাত

ওমৰযে পৰভেজৰ লগত যুদ্ধলৈ যাব এই বন্দবস্ত পকা হোৱাৰ পিচত পৰভেজৰ গাত তৰণি নোহোৱা হৈছিল। যাত্ৰাৰ দিনলৈ দহদিন থাকোতেই পৰভেজৰ আয়োজন শেষ। পুৱা নিচাপুৰৰ লস্কৰগাহ বা সেনা শিবিৰলৈ গৈ নানা জাতীয় যুজাকুবিলাকৰ বেহুগপ চোৱা চিগাহ-চালাৰ বিলাকৰ লগত বন্ধুত্ব কৰা আৰু ৰণক্ষেত্ৰৰ পৰা নতুন কিবা তাজা খবৰ আহিছেনেকি তাৰ খোজ খবৰ লোৱা এই হৈছে এতিয়া পৰভেজৰ দৈনন্দিন কাম। তাৰ মাজে মাজে সুবিধা পালেই সমকক্ষ যোদ্ধাৰ লগত তৰোৱাল যুদ্ধৰ আখৰা কৰাও এটা প্ৰধান। অদম্য উৎসাহী পৰভেজৰ বাবে মানৱ জীৱনৰ সাৰ্থকতা একমাত্ৰ যুদ্ধক্ষেত্ৰত।

ওমৰে নিৰুদ্বেগ চিত্তে নিজৰ কাম কৰিছিল। যুদ্ধ যাত্ৰাৰ কথা চিন্তাই কৰা নাছিল। কিন্তু ওমৰযে যুদ্ধ যাত্ৰা কৰিব এই কথাটো এদিন চাকিক কৈ পেলালে। বহুদিন নেথাকিলতো। চাকিক কোৱাৰ পিচতে কিন্তু ওমৰৰ নিজকে অকৰা অকৰা যেন লাগিল। আগতে কোনোদিন ওমৰে কাকো কোৱা নাই।

চাকি কিন্তু উচাপ খাই উঠাৰ দৰে উঠিল। যুদ্ধ! ওমৰৰ আকৌ যুদ্ধযাত্ৰাৰ কি দৰকাৰ। মাদ্ৰাছাৰ অসংখ্য ছাত্ৰৰ দৰে তাই ওমৰক কেৱল কিতাপ লৈ টনাটনি কৰা দেখিছ। ওমৰক তাই কাহানিও আচোৱাৰ হোৱা দেখা নাই। হাথিয়াৰ চলোৱা দেখা নাই। যুদ্ধৰ সাজত ওমৰক তাই কাহানিও কল্পনা কৰা নাই।

তাই যিমান আচৰিত হ'ল সিমান ভয়ো খালে।

যুধলৈ গৈ তুমি কি কৰিবা? তাই সুধিলে।

কব নোৱাৰো কি কৰিব লাগিব। মই কতো যুদ্ধ দেখা নাই। ওমৰে নিৰ্লিপ্তভাবে ক'লে।

শুনিছো যুদ্ধ বৰ ভয়ঙ্কৰ কথা। মানুহ জখম হয়। বহুত খুন খাৰাবি হয়। তাইৰ মাতত ভয়।

শুনিছো হয়। ওমৰে চমুকৈ ক'লে। ওমৰৰ মনত তেতিয়া যুদ্ধৰ

কোনো চিন্তাই নাছিল। সি তেতিয়া নীৰৱে চাকিক লক্ষ্য কৰি আছিল। অজানিতে চাকিৰ প্ৰতি এক নামহীন আকৰ্ষণ অনুভৱ কৰিছিল ওমৰে।

ওমৰৰ প্ৰতি জাগি উঠা এক অনিবচনীয় মমতাবোধেৰে কিশোৰী চাকিও অপূব কমনীয় হৈ উঠিছিল।

ওমৰ আৰু চাকিৰ সাক্ষাতৰ আৰু এদিন সুন্দৰ সুযোগ মিলিল। বাটৰ ভাজটোৰ কাষৰ ফোৱাৰাৰ পৰা এদিন ঘৰত তাইক একলহ পানী আনিবলৈ পঠালে। ডিমৰু গছজোপাৰ তলৰ ফোৱাৰাটোৰ পৰা অহৰহ ওলাই থকা সুতা এডাল যেন পানীধাৰৰ পৰা কলহটো ভৰিবলৈ বহু সময় লাগে। কলহটো ওৰি উঠাৰ পিচতো চাকিয়ে তাক মুৰৰ ওপৰত তুলি ল'বলৈ কোনো আয়োজন নকৰি ইফাল সিফাল কৰি সময় কটাবলৈ ধৰিলে।

ঠিক তেনে সময়তে ওমৰ আহি ওলালহি। ফোৱাৰাৰ তলত দুয়োহাতে কাজলি পাতি সি পানী খালে। তেতিয়া তাৰ হাতত কোনো কিতাপ নাছিল। চাকিক দেখি সি গম্ভীৰভাৱে সম্বন্ধনা জনালে। তাৰ পিচত মুখেৰে একো নমতাকৈ যাবলৈ খোজ আগবঢ়ালে।

চাকিয়ে মাত দিলে আই ওমৰ কুজা মি ৰাৱি? বি ইস্ত!

ওমৰ কলৈনো যোৱা। ৰ বাচোন।

ওমৰ ৰ ল কি কথা চাকি?

কি ক ৰ ল'ৰালৰিকৈ ঠিক কৰি চাবিয়ে ক লে আব্বাজানে কৈছে তোমাৰ আচলতে যু ধলৈ যাবৰ কোনো দৰকাৰ নাই।

ওমৰে হাহিলে ঠিকেই কৈছে চাকি। মোৰ যু ধলৈ যাবৰ কোনো দৰকাৰ নাই। কিন্তু পৰভেজ ভাই যাব। তেওঁৰ মোক প্ৰয়োজন হ ব। গতিকে মই যাবই লাগিব।

চাকিয়ে মুৰ দুপিয়ালে। ওমৰ পৰভেজৰ ইয়াৰ—দোস্ত। গতিকে পৰভেজৰ লগত ওমৰ যুদ্ধলৈ যাবই। এইটো স্বাভাবিক কথা। তদুপৰি পুৰুষৰ বাবে যুদ্ধলৈ যোৱা নিয়মৰ কথা।

চাকিৰ অতি কল্পনাপ্ৰৱন মনৰ চকুত মুহূত পাণ্ডুৰীৰে ৰাজহাহ যেন বগা ঘোৰাৰ ওপৰত চোৱাৰ হোৱা ওমৰ আৰু পৰভেজৰ বীৰোচিত ছবি ভাহি উঠিল। তাইৰ ভাল লাগিল।

ওমৰ আকৌ যাবলৈ ওলায় বুলি তাই লৰালৰিকৈ আকৌ কথা উলিয়ালে।

তুমি হেনো মানুহৰ লগত বহুত তৰ্ক বিতৰ্ক কৰা ঠাট্টা বিদ্রুপো কৰা। তোমাৰ জানো দোজখলৈ ভয় নাই ?

দোজখ মানে নৰক।

ওমৰে তাইলৈ চালে। তাই যেন এটা পোহনীয়া ভাটৌ। নতুনকৈ মাত লবলৈ পিকিছে।

তাই পুনৰ কলে মানুহৰ লগত ভালকৈ কথা কোৱাহে ভাল। বিদ্রুপ কৰা বেয়া। তোমাৰ বয়স কিমান হৈছে। মাদ্রাছাত নথকা সময়খিনি তুমি কি কৰা ? পৰভেজ ভাইৰ লগত কথা পাতি বহি থাকা ?

ওমৰে মিচিকিয়াই হাহিলে। চাকিয়ে ওমৰক বহিবলৈ নিজে বহি থকা পিৰিটোৰ ওপৰতে ঠাই উলিয়াই দিলে। ওমৰ বহিল।

মোৰ বয়স ওঠৰ। মোৰ আব্বাজান তম্বৰ দোকানদাৰ আছিল। এতিয়া ঢকাল। তেওঁ মৰাৰ পাচত দোকানখন মোৰ চাচাজানে চলায়। মাদ্রাছাত নথকা সময়ত মই মাজে মাজে দোকানলৈ যাব লাগে।

চাকিৰ আগ্রহ দহগুণ হ ল। তাই ওমৰৰ ফালে লাজকুৰীয়া ভাবে চালে। তাৰ পিচত আকৌ সুধিলে কোৱাচোন তোমাৰ বাৰু কি কৰিবৰ খুব ইচ্ছা ? তোমাৰ মনত বাৰু কি ভাবা ? তুমিতো ঘৰৰ কাম কৰিব নেলাগে। পানী আনিব নেলাগে। কাপোৰ ধুব নেলাগে।

কিন্তু হঠাতে তাইৰ ধাৰণা হ ল যে তাই মুৰ্খামি কৰিছে। ওমৰে মাদ্রাছাত মোল্লা মোল্লাহিদ সকলৰ লগত সমানে সমানে তৰ্ক কৰে। গোটেই বোৰাণ এবিফ তাৰ মুস্থ আছে। কোৰাণৰকৈ উধৰ পৰা মুধলৈকে আবৃত্তি কৰিব পাৰে। চাকিয়ে যিবোৰ সাধাৰণ কথা ভাবে সেইবোৰ নেভাবিলেও তাৰ চলি যায়। কিন্তু তাইৰ কথাবোৰ ভুল হলেও ওমৰ আতৰি গৈ তাইৰ কথাৰ উত্তৰ দিলে।

মোৰ খুব ইচ্ছা এটা নক্ষত্র নিৰীক্ষণাগাৰ নিজৰ কৰি পাবলৈ।

নক্ষত্র নিৰীক্ষণাগাৰ কি তাই নুবুজিলে যদিও আকৌ সেই বিষয় সুধি ভুল নকৰিলে। তাৰ সৰুনি সধিলে আৰু ?

আৰু নভোমণ্ডলৰ মানচিত্রৰে সৈতে এটা গোলক। টলেমীৰ এখন নক্ষত্র চক্র। আৰু কিবা কিবি চেৰ। এটা নক্ষত্র নিৰীক্ষণাগাৰ হ বলৈ বহুত কিবা কিবি লাগে।

চাকিৰ ধাৰণা হ'ল য়ে ওমৰক একেবাৰে অকলশৰীয়াকৈ থাকিৰলৈ সম্পূণ নিজাকৈ এটা প্ৰকাণ্ড অট্টালিকা লাগে। তাই সপোনত মাজে মাজে এটা ধুনীয়া ৰংমহল দেখে। তাৰ বেৰত শুধ বগা জাক জাক ৰাজহংসৰ ছবি। ওমৰে বিচৰা ঘৰটো হয়তো তেনেকুৱাই।

পৰম বিজ্ঞভাৱে মুৰ দুপিয়াই তাই ক লে অ অ তুমি নাচুম শ্বেখৰ দৰে যাদুকৰ হ ব খোজা। তেওঁৰ দৰে তৰা চাই মণ্ডল চাবলৈ শিকিবা নহয়? মই বুজিছো।

ঘৰত তাই বয়সিয়াল তিৰোতাবোৰে গণক নাচুম শ্বেখৰ কথা কোৱা শুনিছে। ওমৰৰ কিন্তু খং উঠিল। তাৰ চকুদুটা ক্ৰুদ্ধ হৈ উঠিল।

নাচুম শেখ। মস্ত হিলেবাজ বদমাচ—এটা গাধা। তাৰ কোষ্ঠী গণনা হিং ষ্ক্ৰিং ফট ফু ফুৎকাৰ চব ফাকি।

দেখা গ ল যে ওমৰে ভবিষ্যত বক্তাত বিশ্বাস নকৰে। চাকিয়ে আচলতে ওমৰৰনো কি ইচ্ছা বিশেষ একো বুজিব নোৱাৰিলে। ওমৰে এটা অট্টালিকাত বহি বহি সময় গণনা কৰিব। ইমান সময়ৰ হিচাব কৰি কি হবনো? চাকিৰ কাৰণে সময় আৰম্ভ হয় পুৱতী নিশাৰ আজান আৰু সযোদয়েৰে। শেষ হয় মগৰীবৰ আজান আৰু তৰাৰ পোহৰেৰে। অৱশ্যে চান্দ্রমাহ নিণয় কৰা হয় চন্দ্রৰে।

ওমৰ কিন্তু অকল চন্দ্রক লৈ সন্তুষ্ট নহয়। চন্দ্রই নিজৰ কক্ষপথত ঘুৰোতে বছৰি বহঘণ্টা সময় অপব্যয় কৰে। ইমানবোৰ সময় মানুহে হিচাব নৰখাকৈ এৰি দিয়াৰ কোনো যুক্তি নাই। দোষ চন্দ্রৰ গাত। কিন্তু মানুহে চান্দ্রমাহৰ বাহিৰে অন্য কোনো সময়ৰ হিচাব মানিব নোখোজে।

এইবোৰ কথা শুনি চাকিয়ে পুনৰ বিজ্ঞভাবে মুৰ দুপিয়ালে। কিন্তু তাই তেতিয়া অন্য কথা ভাবি আছিল। যদি ওমৰৰ এটা অট্টালিকা হয়—আৰু ওমৰে যদি তাইক অকনমান মৰম কৰে তাই তেতিয়া অট্টালিকাৰ ভিতৰখন সাৰিপুচি সদায় ঠিক কৰি ৰাখিব। তাৰ পাণ্ডুৰীৰ কাপোৰবোৰ ধুই দিব আৰু চম্পলবোৰত ফুল তুলিব। দুয়ো তেতিয়া সকলো সময়তে অট্টালিকাৰ ভিতৰতে থাকিব।

কাৰণ চাকিৰ আৰু ঘৰলৈ উলটি যাবৰ মন নাছিল। তাইৰ ওমৰ বন ইব্ৰাহীমৰ কথাবোৰ শুনি থাকিবলৈহে মন গৈছিল। তাৰ নিমজ ছালৰ তলত দৃঢ় মাংসপেশীবোৰৰ খেলা উজ্জ্বল চকুৰ দৃষ্টিত চিন্তাৰ ছাঁয়া আৰু পোহৰৰ চমকনি দেখি তাই আৰু অন্য কোনো কথাই ভাবিব নোৱাৰিছিল। ওমৰ অবিহনে তাই ৰিক্ত আৰু অস্তিত্ব বিহীন। অন্য একোৰেই তাইক আনন্দ দিব নোৱাৰিব। তাই তাৰ আৰু অলপ কাষ চাপি বহিল। তাইৰ হাতত চুলিত গুজি লবলৈ তোলা এপাহ গোলাপ ফুল।

এই ফুলপাহ লবানে? তাই প্ৰায় অস্ফুটস্বৰে সুধিলে। ওমৰে তেতিয়া চন্দ্ৰৰ খামখেয়ালী গতিৰ কথা কৈ অন্ত কৰিছিল।

কি! অ ফুল! ফুলপাহ ওমৰে হাতত লৈ সুঙি চালে তোমাৰ ফুল?

ফুলপাহ তুমি লোৱা। তোমাৰ লগত ৰাখিবা। তাইৰ মাতত আগ্ৰহ। প্ৰিয়জনক ফুল দিব লাগে। তাই আগতে শুনিছে। ওমৰ বেন ইব্ৰাহীমে ফলপাহ মাত্ৰ এবাৰ চালে। তাৰ মনটো কৰবাৰ জোনবাইৰ কক্ষপথত ঘুৰি ফুৰিছিল। চাকিয়ে পুনৰ তাক মাটিৰ পৃথিবীলৈ নমাই আনিলে।

তোমাৰ এটা নক্ষত্ৰ নিৰীক্ষণাগাৰ হলে মোৰ বৰ ভাল লাগিব। তাই কলে।

ওমৰে তাইৰ ফালে চাই থাকি কলে তোমাৰ বয়স কিমান হৈছে চাচি? সি মিচিকাই হাহিছিল।

তেৰ পাৰ হল। তাই শুনা নশুনাকৈ কলে।

তোমাৰ যেতিয়া চৈধ্য পূৰ্ণ হব মই তেতিয়া তোমালৈ বহুত গোলাপ ফুল পঠাম। কৈয়ে ওমৰ উঠিল। পিচ মুহূৰ্ত্তত তাৰ সম্বিত ঘুৰি আহিল। চাকিৰ চকুযুৰিত এটা আকুলতা আছে। কিন্তু তথাপিও তাই বৰ সৰু হৈয়ে আছে। তাইক সি তেনে কথা কব পাৰিলে কেনেকৈ!

চাকি কিন্তু একে ঠাইতে বহি থাকিল। আদত তাইৰ সৰশৰীৰ ৰোমাঞ্চিত হৈ উঠিল। ওৰত মানুহৰ হাই উৰুমি ঘোৰাৰ খুৰাৰ আৰু গাধৰ চিঞৰৰ শব্দবোৰ বহুত দৰৰ পৰাহে তাইৰ কাণলৈ ভাহি অহা যেন লাগিছিল।

বাটটো যেন অচিনাকি। মানুহবোৰ যেন তাইৰ বাবে সম্পূণ নতুন। এইবোৰ যেন কাহানিও তাইৰ বাবে আগৰ নিচিনা নহ'ব।

ঘৰলৈ ঘূৰি আহি পানীৰ কলহটো থৈ বাপেকৰ ওচৰ চাপিলহি তাই। বৃদ্ধ আবু তাহেৰে হেলনীয়া চকী এখনত বহি কিবা কিতাপ পঢ়ি আছিল। বাপেকৰ ভৰিৰ ওচৰত আঠকাড়ি বহি তাই তেওঁৰ কোলাত মুৰ গুজি মাতিলে আব্বাজান।

তাইৰ চলিত মৰমেৰে হাত বুলাই আবু তাহেৰে সুধিলে কি হল নাই?

মুৰ তুলি বাপেকৰ ফালে চাই তাই সুধিলে তোমাৰ খানা সজাও আব্বা?

আবু তাহেৰে দেখিলে চাকিৰ চকুহাশত চিকচিকীয়া জেউতি। যেন তৰাৰ গুৰিৰ অঞ্জন সানি আহিছে তাই! বহুবছৰৰ আগৰ এখনি কোমল মধুৰ মুখৰ ছবি ভাহি উঠিল বুঢ়াৰ মনৰ মাজত। সেই ছবি প্রণয় বিধুৰা এজনী নতুন কইনাৰ। মৃত্যুয়ে অকালতে খপিয়াই লৈ যোৱা চাকিৰ মাক আয়েষাৰ।

আঠ

সূয্যৰ দেশ খোৰাচানৰ ঘাই ধমনীৰ দৰে যিগছ ৰাজপথ নিচাপুৰ নগৰৰ পশ্চিমৰ টাকিন দৰৱাজা বা তোৰণৰ পৰা ওলাই দেশ-দেশান্তৰলৈ গুছি গৈছেগৈ তাৰ দাতিতে পাৰত্য অঞ্চলৰ এটা চৰাইখানা। নিচাপুৰৰ পৰা উটৰ খোজেৰে একৈশ দিনৰ বাট।

জুম পাতি পাতি লেথেৰি নিচিগাকৈ আহি থকা বিভিন্ন জাতীয় মুজাৰুৰ সমদল আৰু কিছুমান সদাগৰী কাৰাভান আহি সেই চৰাই খানাত সোমাইছিলহি ৰাতিটোৰ ৰাবে আশ্রয় বিচাৰি। চৰাইখানাৰ চৌপাশে শিল আৰু ইটাৰে গথা ওখ আৰু প্রশস্ত প্রাচীৰ। ঠিক সোমাজতে শিল আৰু ইটাৰেই নিমিত এটা মজলীয়া আকাৰৰ দালান। চাৰিও পিনৰ প্রাচীৰৰ গাত লগ লগাই সজা কিছুমান চালিঘৰ। সেই চালিবোৰৰ স মুখ ফাল খোলা। মাজে মাজে বেৰ দি এটা অংশ অন্য অংশৰ পৰা পৃথক কৰা।

মধ্য প্রাচ্যৰ এই চৰাইখানাবোৰ সাধাৰণতে বহুৰৰ পিচত বহুৰ ধৰি স্তূপীকৃত আবজনা আৰু দুর্গন্ধৰে ভৰা। গতিকে ওমৰ আৰু পৰভেজৰ পথশ্রান্ত ঘোৰা যেতিয়া চৰাইখানাৰ সিংহ দুৱাৰ গছকি ভিতৰ সোমাবলৈ উদ্যোগ কৰিছিল তেতিয়া সেই পুঞ্জীভূত দুর্গন্ধৰ নিৰন্ধ্র প্রাচীৰত খুন্দা খাই দুয়ো উফৰি পৰিব খুজিছিল। কিন্তু ইতিমধ্যে পাৰ হৈ দীঘলীয়া পথপ্রান্তৰ প্রত্যেক চৰাইখানাতে পাই অহা একে অভিজ্ঞতাৰ ফলত দুয়ো এই দুর্গন্ধ সহ্য কৰিব পৰা হৈছিল। যুগ যুগ ধৰি প্রত্যেক ৰাতি ইয়াত জমায়েত হোৱা উট ঘোৰা খচ্চৰ গাধাৰ মলমূত্র আৰু মানুহে গোটোৱা আবজনা জমা হৈ হৈ এই দুষিত অৱস্থাৰ সৃষ্টি কৰিছিল।

ৰাতিৰ প্রথম প্রহৰ কোনেও শুৰ পৰা নাছিল। চালিঘৰ বিলাকৰ সম্মুখ ফালে বহল চোতালৰ ঠায়ে ঠায়ে মৰুপথৰ দাতিত অপর্য্যা ত পৰিমাণে পোৱা কাঁইটীয়া গছৰ শুকান খৰি জাপি দি জুই ধৰি থোৱা হৈছিল। সেই জুইৰ পৰা ফুটফাট শব্দ হৈ আছিল। উটবোৰে সেহাই ক্ষোপাই আঠু কাঢ়ি পৰি আছিল। ঠায়ে ঠায়ে শিলেৰে বন্ধা চোতালত

খুৱাৰ শব্দ তুলি ঘোৱাবোৰে লৱচৰ কৰা শুনা গৈছিল। কেৱেচ কেৱেচ শব্দ কৰি কৰি সিহতে শুকান ঘাহ চোবাইছিল।

গায়ে মূৰ জধলা কাপোৰ আৰি মগনীয়াবোৰে ভিক্ষাৰ পাত্ৰ হাতত লৈ অহাযোৱা কৰি আছিল। সিহতৰ মুখত সেই অন্তহীন ইয়াহ ইয়া হক। আল্লাৰ নামত দান দিয়ক।

ঠায়ে ঠায়ে জুইৰ ওপৰত পতা কেৰাহীত কেউফালে বহি মানুহবোৰে আঙুলি চেলেকি চেলেকি শেহ খাদ্যকনো চচি খাইছিল। মাজে মাজে খোৱাৰ মাজতে থমকি বৈ সিহতে শুকান ফল এমুঠি বা তামৰ মুদ্ৰা একোটা ভিক্ষাৰীৰ বাতিলৈ দলিয়াই দিছিল। সকলোৰে মনত তেতিয়া দাতাকৰ্ণৰ দাক্ষিণ্য। কাৰণ সকলো একেই বিপদশঙ্কুল অভিযানৰ বাবে ওলাই আছিছে। যুদ্ধৰ আগতে দান দক্ষিণা দি পাৰিলে তাৰ পুণ্যবেই ভাগ্যক সন্তুষ্ট কৰাৰ চেষ্টা আছিল সকলোৰে।

বাতি প্ৰথম প্ৰহৰ যাওঁ যাওঁ হওঁত দালান ঘৰৰ ওপৰত উঠি চৰাইখানাৰ মালিকে চিঞৰিলে আই ইমানদাৰ —আই মোচাফিৰ— তাৰ পিচত সুৰ লগাই সদায় কোৱাৰ দৰে কৈ গ ল যে যদি কাৰবাৰ খোৱা পানী অন্ত হয় তেন্তে তাৰ বাবে তেওঁ দায়ী নহয়। কাৰণ তেওঁতো আৰু হজৰত মুছা নহয় যে আস্মানৰ পৰা পানী আনি দিব পাৰিব। অন্য এটা কথা হ ল এইযে কাৰো মাল আৰু জানৰ জিম্মেদাৰ তেওঁ নহয়। গতিকে প্ৰত্যেক মুচাফিৰে নিজৰ নিজৰ বয়বস্তু আৰু পৈতৃক প্ৰাণটোৰ ওপৰত যাতে চকু ৰাখে।

এই দুটাকৈ সুখৰৰ শুনাৰ পিচত চৰাইখানাৰ অভ্যন্তৰৰ সকলো অতিথিয়ে ৰাতিটোৰ বাবে শুবলৈ যোগাৰ কৰিবলৈ ধৰিলে।

খোৱাচানৰ বৰ আলিৰ কাষৰ চৰাইখানাবিলাকত সেই সময়ত মানুহৰ বৰ ভিৰ। এই ভৰ জাৰকালিও শ শ মানুহ দৈনিক আহিছে আৰু গৈছে। সকলোৰে উদ্দেশ্য একেটাই। প চিমত বিৰাট যুদ্ধ লাগিছে। সকলোৱে চলতানৰ সৈন্যবাহিনীত যোগ দিবগৈ।

চালি ঘৰ বিলাকৰ মজিয়াত ভেৰাৰ চাল পাৰি লৈ মানুহবোৰ শুই পৰিছিল। কিছুমানে দপদপীয়া অণ্ডঠাৰ জুইৰ ওচৰত ঘুম মাৰি বহি বহিয়েই টোপনিয়াইছিল। একো একোকুৰা জুইৰ চাৰিওফালে ঘুৰণীয়া হৈ বহা এশাৰী মানুহৰ দৰীয়া মুখ। খোৱাচানী পাৰচীয় আৰু আৰব সকলো জাতীয় মানুহ। সকলোৱে ডাঠ লেপৰ বা নোমৰ

কোটৰ তলত উষ লগাই বহি নানা ধৰণৰ কথা বতৰা পাতিছিল। সকলোৰে মুখত হাঁহি। দিনটো তীব্ৰ হাড় কপোৱা চেচা পবতীয়া বতাহ ঠেলি ঠেলি দুৰ্গম পথ অতিক্ৰম কৰাৰ পিচত এই জিৰণি পাই এতিয়া সকলো খুব খুচী।

ব্যতিক্ৰম মাত্ৰ তুৰীবিলাক। সৰু সৰু চকু আৰু তীক্ষ্ণভাবে বাহিৰলৈ ওলোৱা গালৰ হনুৰে তুৰীবিলাকৰ মুখবোৰ ভাৱলেশ হীন। মধ্য এচিয়াৰ ষ্টেপ চ তৃণভূমিৰ এই অতিশয় কষ্ট সহিষ্ণু অশ্বাৰোহী জাতিৰ বাবে জাৰ যুদ্ধ আৰু ভ্ৰমণ একো নতুন কথা নহয়। আৰু স্বভাৱতে সিহতে কথা কয় বৰ কম।

পৰভেজ ওমৰ আৰু সিহতৰ দুকুৰি অনুচৰো আছি সেই চৰাই খানাতে আশ্ৰয় লৈছিলহি। দিনটো সকলোৰে অতিশয় পথশ্ৰম হৈছে। সেইবাবে সোনকালে খোৱাবোৱা শেষ কৰি সকলোৱে শুবলৈ আয়োজন কৰিছিল। পৰভেজে সবশৰীৰ কোমল ক লা চামৰাৰে তৈয়াৰী এটা দীঘল কোটেৰে আবত কৰি বহি আছিল। সংমুখত কেৰাহী এটাত একুৰা জুই। এপিয়লা চিৰাজী শেষ কৰি উঠি তেওঁ ইফালে সিফালে চাই দেখিলে যে বন্ধু ওমৰ নাই। কোনোবা তলকত জুইৰ দাতিৰ পৰা উঠি গ ল। ওমৰৰ এই অ াই বনাই ফুৰা স্বভাৱটো নুওছিল আৰু। পৰভেজে ভাবিলে।

পৰভেজ পুৰণি পাৰচীয় ওমৰাহৰ বংশৰ মানুহ। পাৰ ্যৰ অভিজাত শ্ৰেণী গ্ৰীকসকলৰ দৰেই বা তাতোকৈ পুৰণি। পৰভেজৰ আচৰণ আৰু ব্যৱহাৰ নিখুট। কিন্তু মিঠা মদিৰাৰ প্ৰতি তেওঁৰ পক্ষপাতিতা আছে। পৰভেজৰ বন্ধু হোৱাৰ পিচতে ওমৰেও খাবলৈ ল লে। কিন্তু সিয়ে ওমৰৰ ক্ষেত্ৰত অভ্যাসত পৰিণত হোৱা নাছিল।

পৰভেজৰ সেই পুৰণি অসুবিধা সদায় আছেই। পাশা খেলাই হওক বা পলো খেলাই হওক ভালদৰে খেলিব পাৰে যদিও সহজে আমুৰায়।

এই যে সুদীৰ্ঘ পথ অতিক্ৰম কৰি আহিব লগা হৈছে এইটো ওমৰে যিদৰে সহজভাৱে আৰু আনন্দেৰে গ্ৰহণ কৰিব পাৰিছে পৰভেজে সেইদৰে পৰা নাই। সোনকালে গৈ যুদ্ধক্ষেত্ৰ পাবগৈ লাগে আৰু যুদ্ধত

যোগ দিব লাগে। পৰভেজে একেবাহে গৈ থাকিব পাৰিলেহে ভাল গাঁলে হেঁতেন। পৰভেজৰ কেতিয়াও ভাগৰ নালাগে। সঞ্জিয়া আহিলেই আৰু ৰাতিৰ কাষৰ এ নকুৱা নেতেৰা চৰাইখানাত সোমাইলগীয়া হ লেই পৰভেজৰ মেজাজ খাৰাপ হৈ যায়।

ওমৰে কয়—এইটো ভাল কথা নহয় পৰভেজ। তুমি সেনাপতি। তুমি তোমাৰ সৈন্যবাৰৰ ভোক-ভাগৰৰ কথা বুজিব লাগিব। তোমাক জিৰণি নালাগে। ঘোৰাৰ পিঠিতে তোফা নিদ্রা যাব পাৰা। কিন্তু তোমাৰ সৈন্যবোৰৰ তোমাৰ দৰেতো লোহাৰ শৰীৰ নহয়। অনিচ্ছা স্বত্বেও পৰভেজ চৰাইখানাত সোমাব লগীয়া হয়। তাহলে ওমৰে ক ব যে সি এটা ভাল সৈন্য কিন্তু বেয়া সেনাপতি।

ইয়া আল্লাহ! বৰ জাৰ পৰিছে। পৰভেজৰ এটা অনচৰে কৈ উঠিল।

পৰভেজে হামিয়ালে। বৰ জাৰ আৰু ধুলি। তদুপৰি পাত লোৱা স্বালখনৰ তলতো উৰহ সোমাল।

চৰাইখানাৰ মালিকজন তেতিয়া চুচক চামাবকৈ আহি পৰভেজৰ কাষ চাপিল। আভূমি কুণিশ কৰি নিম্নস্বৰে পৰভেজক ক লে বান্দাৰ গোস্তাকি মাফ হয়। খাজা ই কৰিম চৰাইখানাৰ পিচফালৰ ঘৰটোত জেনানা মুচাফিৰ আছে।

কিন্তু খাজা ই-কৰিমৰ অথাৎ বোপাদেউতাৰ কোনো অসন্তুষ্টি হোৱা দেখা নাগল। চৰাইখানাৰ পালক মহোদয় এইবাৰ আৰু ওচৰ চাপিল।

কেইজনীমান নাচনী ছোৱালী আহিছে। বহুত খুবচৰত দিলখুচ আৰু তালিমদাৰ। সি কলে। সুন্দৰী মনোহাৰিনী আৰু সুনিপুনা। পৰভেজে ইতস্ততঃ কৰি ইফালে সিফালে চাবলৈ ধৰিলে।

যদি জোৱান আমিৰে স্ফুৰ্ত্তি কৰিবলৈ বিচাৰে জেনানা মুচাফিৰৰ গল্পটো বাদ দি এইবাৰ সি আচল কথালৈ আহিল।

পৰভেজ অলপ উচপিচ কৰি থাকি থিৰ হ ল। তাৰ পিচত মানুহবোৰক হুকুম দিলে ওমৰ বিন ইব্রাহীম আহিলে কবি যে মই চিনাকি মানুহৰ লগত কথা পাতিবলৈ অলপ পৰৰ বাবে আহিছো।

জাৰত ঠেৰেঙা লাগি থকা এটা মানুহ ভোৰভোৱাই সম্মতি জনালে।

চাৰিওফালে বহি থকা পৰভেজৰ অস্ত্রধাৰী অনুচৰবোৰে ঈৰ্ষাৰে সি ষোৱা ফালে চালে। এইবোৰ চৰাইখানাত এতিয়া সাধাৰণ মানুহৰ বাবে তিৰোতা নাই। কিন্তু আল্লাই কৰিলে কাফেৰহতৰ লগত যু ধৰ পিচত সফলোৱে বজাৰত অনেক দাসী কিনিব পাৰিব। কেৰাহীৰ জুইত নিজৰ নিজৰ শৰীৰ উম লগাই পুনৰ সকলো টোপনিত পৰিল।

ইতিমধ্যে ওমৰ গৈ চৰাইখানাৰ বাহিৰে ভিতৰে পিতপিতাই ঘুৰি ফুৰিছিলগৈ। এই যুদ্ধযাত্রাৰ নতুনত্বখিনি ওমৰে শিৰাই শিৰাই অনুভৱ কৰিছিল। ওমৰ বেন ইব্রাহীমৰ বাবে যুদ্ধলৈ অহা এয়ে প্রথম। সেই বাবে ওমৰৰ কৌতুহল বৰ বেছি। অচিনাকি ধৰণৰ অস্ত্রাবোহী দেখিলেই আগবাঢ়ি গৈ নানা প্রশ্ন সোধে। বিশ্রামৰ সময়খিনি ওমৰৰ সেইদৰেই যায়। আনকি উটৰ পিঠিৰ পৰা নমোৱা সদাগৰী মালবোৰৰ বিষয়েও ওমৰৰ হাজাৰ প্রশ্ন। নদী এখন পাৰ হোৱা মানে ওমৰৰ বাবে এটা আনন্দৰ কথা। দুঃসাহসিক অভিজ্ঞতা লাভৰ এক উল্লাসবোধ। আনহাতে পৰভেজৰ বাবে নদী পাৰ হোৱা মানে এটা জলম। তিতি বুৰি সাং হ ব লাগে।

খোৰাচানী ৰাজপথৰ এই অভিজ্ঞতা জীৱনৰ সজীৱতা আৰু উত্তেজনাৰে ভৰপুৰ। ওমৰৰ জন্ম মৰুভূমিত। ওমৰৰ দেহত আৰবজাতিৰ দু ধৰ্ষ অঘৰী তেজ। সেইবাবে অন্তহীন মৰুভমিৰ পথে ওমৰৰ মনত সদায় শিহৰণ তোলে।

বহুসময় ঘৰি পকি ফুৰি ওমৰে পুনৰ থকা ঠাইলৈ উলটি আহিল। আহি দেখিলে পৰভেজ নাই। মানুহবোৰ নি পালি দি শুই আছে। ওমৰে কাকো নজগালে। বিচনাৰ ওপৰত বহি এখন বিচনীৰে বিচি বিচি কেৰাহীৰ অঙঠাবোৰ ৰঙা কৰি তুলিলে। খুব জাৰ পৰিছিল। জুইৰ ওচৰত বহাৰ পিচতহে ওমৰৰ ধাৰণা হ ল যে জাৰ বৰ বেছি। মাজে মাজে একোচাটি শীতল বতাহ বলি জাৰ দুগুণে বঢ়াই তোলে। শুই থকা মানুহবোৰে হাত ভৰি কোচাই কাপোৰৰ সৰু সৰু দ ম একোটাৰ দৰে পৰি আছিল।

কিছুপৰৰ পিচত পৰভেজ আহিল। কফনেৰে ঢকা মৰাশৰ দৰে পৰি থকা মানহবোৰৰ মাজেদি পাৰ হৈ আহি সি ওমৰৰ কাষত বহিলগৈ।

তুমিনো ক ত গৈছিলা পৰভেজ ভাই? ওমৰে সুধিলে।

এই বদমাচ চেৰাইৰালাটো দেখিছিলানে? ইয়াৰ তলুৱাৰ চামৰা চাবুক দি উঠাই দিলেহে মোৰ ভাল লাগিলহেতেন। সাত পুৰুষ দোজখত পৰক হাৰামজাদাৰ। মনৰ বিৰক্তিখিনি ওমৰৰ আগত উদ্গীৰণ কৰি পৰভেজৰ অলপ পাতল লাগিল। তাৰ পাচত ওমৰক সুধিলে তুমি ক'লৈ গৈছিলা

বন্ধুৰ বিতুল্টিৰ কাৰণটো অনুমান কৰি ওমৰে হাহিলে। তাৰ পিচত ক'লে এনেয়ে ঘুৰি ফুৰিছিলো। বিচিত্ৰ খবৰ শুনা পৰভেজ ভাই।

পৰভেজে ওমৰলৈ চাই সুধিলে কি?

সৌ তাত এটা প্ৰকাণ্ড সৈন্য শিবিৰ হৈছে। শিবিৰত নিচাপুৰৰ কালাতৰ সমান প্ৰকাণ্ড এটা তম্বু। গোটেই শিবিৰটো কেৱল তুৰ্কী সৈন্যৰে ভৰা। সিহতৰ শিৰস্ত্ৰানৰ ওপৰত সোণৰ চুড়া লগোৱা। মই সিহতৰ ভাষা অলপ অচৰপ বুজি পাওঁ। আজি তাত কোনোবা দেশৰ ৰাজকুমাৰ এজন আহি আছেহি। মই তেওঁক দেখিলো। আমাৰ দৰে তেওঁলাকো চুলতানৰ যুদ্ধলৈ যাব।

পৰভেজে দীঘলকৈ হুমুনিয়াহ পেলালে। ওমৰৰ সকলো কামেই এনেকুৱা। আন্তৰিকতাপূৰ্ণ আৰু গভীৰ দৃষ্টিযুক্ত। সকলো কথাৰে তলিলৈকে জুমি চোৱা ওমৰৰ অভ্যাস। তাকে কৰিবলৈ যাওঁতে নিজেও তেনে কামত লিপ্ত হৈ যায়।

পৰভেজে সুধিলে কোন দেশৰ ৰাজকুমাৰ?

নেজানিলো। শ্বাহাজাদা তম্বুৰ ভিতৰত জুহালৰ দাতিত এখন ৰঙা গালিচাত বহি আছিল। তেওঁ তেওঁৰ গৃহশিক্ষক পণ্ডিত কেইজন-মানৰ লগত নানা বিষয়ে আলোচনা কৰি আছিল। বয়সত আমাতকৈও অলপ সৰুহে হব যেন লাগে। এটা বগা কাফটান পিন্ধি আছিল। লোহাৰ মুদ্গৰৰ দৰে আছিল শৰীৰ। দেখিবলৈও বৰ সুন্দৰ।

তুমি কেনেকৈ দেখিলা? পৰভেজে আচৰিত হৈ সুধিলে ওচৰলৈ যাবলৈ দিলেনে?

মই সৈন্যবোৰৰ মাজতে সোমাই তম্বুৰ দুৱাৰমুখলৈকে গৈছিলো। কোনেওতো বাধা দিয়া নাছিল। তম্বুৰ দুৱাৰৰ পৰ্দা তোলাই আছিল। সেইকাৰণে মই সকলোকে দেখিছিলো। কথাবোৰো শুনিবলৈ পাইছিলো।

তাৰ পিচত?

পণ্ডিতহঁতে তেওঁৰ চকুত পৰা তৰা এটাৰে আঙুলিয়াই দেখুৱাই কৈছিল যে সেইটো চুহাইল নক্ষত্ৰ। মই জানো যে সেইটো চুহাইল নহয়। কাৰণ বহুবৰ এই সময়ত এই ঠাইৰ পৰা চুহাইল নক্ষত্ৰ কেতিয়াও চকুত নপৰে।

মই জানো। কিবা প্ৰবাদ এটাও আছে নহয়। পৰভেজে ক'লে।

ওঁ চুহাইল দেখিলে ভাগ্য ভাল হয় বুলি কয়। কিন্তু সেইটো চুহাইল নহয়। শাহাজাদাক ভালৰি বোলাবলৈ এনেয়ে সিহতে কথাটো কৈছিল যেন লাগিল। মই ক'লো কথাটো—

আচৰিত হৈ পৰভেজে ক'লে কৈ দিলা। তুৰ্কীহতৰ আগত কথাষাৰ ক'বলৈ ভয় নালাগিলনে তোমাৰ? কি ভাষাত ক'লা?

আৰবীত। শাহাজাদাই মোৰ লগে লগে উঠি গৈ মোক ৰাশিচক্ৰৰ তৰাবোৰ দেখুৱাই দিবলৈ ক'লে। মই দেখুৱাই দিলো। পণ্ডিতবোৰে একো নেজানে—এজাক মুৰ্খ।

ওঁহো—মুৰ্খামি তোমাৰহে হ'ল ওমৰ ভাই। যিবোৰে ইচ্ছা কৰিলেই ভৰিৰ চম্পল আনি মূৰত মাৰিব পাৰে সেইবিলাকৰ কথা নহয় বুলি ক'ব নেপায়। এই কথাটো তুমি কাহানিও নিশিকিবানে? পৰভেজৰ খঙো উঠিল ভয়ো লাগিল।

ওমৰৰ মুখত কিন্তু কোনো উদ্বেগ বা ভয় নাছিল।

তাৰ পিচত কি ক'লে শাহাজাদাই? পৰভেজে আকৌ সুধিলে।

তেওঁ মোক সুধিছিল তৰাবিলাকৰ পৰা যুদ্ধৰ ফলাফল কিবা জানিব পাৰিনে নোৱাৰি।

পাৰিনে নোৱাৰি বাৰু? পৰভেজে আগ্ৰহেৰে সুধিলে।

ওমৰ নীৰৱ হ'ল। জুহালৰ দাতিৰ মাটিত দালি খৰি এদালৰ পোৰা আগটোৰে নানা আঁক বাক কৰি সি লাহে লাহে উত্তৰ দিলে "যদি সেই কথা আমি জানিলোহেতেন পৰভেজ ভাই আমি নবী সকলতকৈও বেছি জ্ঞানী হলোহেতেন। মানুহৰ ভাগ্য জানো সেইদৰে জানিব পাৰি? কিন্তু ৰজাৰ লৰাক মই গ্ৰহ নক্ষত্ৰবোৰ আকাশৰ কোন কোন ঠাইত বহুবৰ কোন কোন সময়ত অৱস্থান কৰে সেইবোৰ দেখুৱালো।

"মোক সেইবোৰ দেখুৱাৰ নেলাগে। যুদ্ধৰ ফলাফল কি হ'ব

ভুলি ভাবা নাকি তুমি। পৰভেজে আশ্চৰ্যভাবে সুধিলে।

ওমৰে হাহি মুখ জোকাৰিলে। কিন্তু জলপ পিচতে শুকু গভীৰভাবে ক'লে শুনা পৰভেজ ভাই—ভবিষ্যত কথা। দুজন ৰজাৰ যুদ্ধযাত্ৰা হ'ব। নিয়তিৰ বিধানমতে পূৰৰ জন ৰজাৰ ভাগ্যচক্ৰ ওপৰলৈ উঠিব। পশ্চিমৰ জনৰ নামিব। কিন্তু মৃত্যুৰ কৰাল গ্ৰাসত দুয়োজনেই পৰিব।

কথাখিনি কৈ উঠাৰ পিচতে কৃত্ৰিম গাম্ভীৰ্য্য এৰি ওমৰে পুনৰ হাহিবলৈ ধৰিলে। পৰভেজে কিন্তু ইমান হাহিৰ কথা বুলি ভৰা নাছিল এইবোৰ কথা। ওমৰে সেইদেখি কৈ উঠিল এইবিলাক আচলতে চৰ ৰাজে কথা বুজিছা। কিন্তু ইয়াকে শুনি তুৰ্কীশিবিৰৰ বাচ্চা এ শ্বেৰ আগত ভুত দেখা মানহৰ দৰে মোৰ ফালে চাই থাকিল।

বাচ্চা এ শ্বেৰ! সিংহ শিশু! তুমি কোৱা কি? এইবাৰ পৰভেজ নিজেই ভুত দেখা মানুহৰ দৰে থৰ লাগিল।

সেই বগা কাফটান পিন্ধা চাহাজাদাৰ কথাই কৈছো। শিবিৰৰ মানুহবোৰে তেওঁক সেইদৰেই উল্লেখ কৰা মই শুনিছিলো।

আৰে—কি আচৰিত! সিংহ শিশু কেনে তুমি নেজানানে?

নেজানোতো।

আল্লাহ ৰহমানে তোমাক ৰক্ষা কৰক। সিংহ শিশু মুঠেই এক। তেওঁক ভুল হোৱাৰ কাৰণ নাই। তেওঁ আমাৰ চুলতান আলপ আৰ্চলানৰ জ্যেষ্ঠ পুত্ৰ। আ প আৰ্চলান মানে সাহসী সিংহ—শ্বেৰ-ই-দিলোৱাৰ। তুমি বাদশাজাদাৰ জয় হ'ব বুলি ভবিষ্যতবাণী কৰি আছিছা।

'মইতো তেওঁক চিনিয়েই নেপাওঁ। ওমৰে ক'লে।

কোনে বিশ্বাস কৰিব সেইবোৰ কথা। তাৰোপৰি তুমি বাদশাহৰ মৃত্যু হ'ব বুলিও কৈ আছিছা। তেনেহলে—

ক্ষিপ্ৰভাৱে পৰভেজে সকলো ধৰণৰ সম্ভাৱনাৰ বিষয়ে মনে মনে এটা হিচাব কৰি পেলালে। তাৰ পিচত এটা অদ্ভুত অবিশ্বাসৰ চাৱনিৰে ওমৰৰ ফালে কিছুপৰ চায়েই থাকিল।

ওমৰে চকুৰে চকুৰে পৰাত সুধিলে কি হ'ল পৰভেজ কি চাইছা। ইমানকৈ কি ভাবিবলগীয়া কথানো?

ওমৰ বেগ্না নেপাবা ভাই— মাজে মাজে কেতিয়াবা মোৰ ভাব

পেছৰ যেন তোমাৰ মাথাই অজান খাৰাপ। কাৰণ নিতান্ত পাগল নহলে কোনেও বাজহুন্নাতাত্তে এইদৰে ভবিষ্যতবাণী কৰি আহি তোমাৰ দৰে আৰাম কৰি বহি নেথাকেহি। তথাপি তুমিতো শাহাজাদাৰ সিংহাসন লাভ হ'ব বুলি কৈ আহিছা। তেওঁ আৰু কি সুধিলে?"

মোৰ নামটো সুধিলে। মই ক'লো। তাৰ পিচত সুধিলে মই কাৰ তলত কাম কৰো। মই ক'লো যে কাৰো তলত নকৰো। মই নিচাপুৰৰ মাদ্ৰাছাৰ এজন ছাত্ৰহে।

হ — এতিয়া কি হ'ব জানানে? যদি সচাকৈয়ে তুমি কোৱামতে বাদশাহৰ জয় হয় আৰু লগতে যুদ্ধত বাদশাহ মৰে তেন্তে শাহাজাদাই সিংহাসন লাভ কৰিব। তাৰ পিচত তোমাৰ ভাগ্য উদয় হ'ব। ইনাম দিবলৈ বিচাৰিলে বাজ সভাৰ প্ৰধান জ্যোতিষীৰ পদবী বিচাৰি ল'ব পাৰিবা। তেতিয়া তোমাৰ তলতে মোক এটা সৰহীয়া পদমহাৰ চাকৰি দিবা।"

পৰভেজৰ কল্পনাই তাজী ঘোৰাৰ দৰে মেলাচেকুৰ ধৰিছিল।

আচলতে তোমাৰ মগজ বন্ধ কৰ চোকা। জ্যোতিষত তোমাৰ সমান খোচনাম কাৰো নহ'ব।

এই বুলি পৰভেজে এপিয়লা চিৰাজী ওঁঠলৈ তুলিলে। এপিয়লা ওমৰলৈ আগবঢ়াই দিলে।

আচলতে মদ হাৰাম বা নিষিধ পানীয়। পৰভেজে মদিৰাত সোহা মাৰি ফুচফুচাই কোৱাৰ দৰে কলে যে ইমান ডাঙৰ পবিত্ৰ কাম এটাৰ বাবে ওলাইছো। এই জেহাদ বা ধৰ্মযুদ্ধত যুদ্ধ কৰিলে যিমান পুণ্য আজ্জন হ'ব তাৰ আগত চিৰাজী পিয়াৰ নিচিনা সৰু পাপ একোটাই কি তিষ্ঠিব।

ওমৰে সেইবোৰ কথাত কাহানিও গুৰুত্ব নিদিয়ে। তোমাৰ যদি খাই ভাল লাগে আলবৎ খাবা। এই হেজাৰ মুচিব্বতৰ দুনীয়াত মদে যদি দুদণ্ড আৰাম দিয়ে তাত আপত্তি কিহৰ। তাতে পৰভেজক ইমান ভাল পায় যে এইবোৰতো সামান্য কথা। মদ পিয়লা মুখলৈ তুলি ওমৰে কলে কিন্তু আমি যুদ্ধত হাৰিবওতো পাৰো।

কেতিয়াও নেহাৰো। আমাৰ তুৰ্কী চুলতান সাধাৰণ সৈনিকৰ পৰা বাজপাটলৈ উঠিছে সচা। কিন্তু তেওঁ সকলো যুদ্ধতে জয়লাভ কৰে। সেইটো অন্ততঃ ঠিক ভবিষ্যত বাণী হৈছে।

মদিৰাৰ বাগীয়ে পৰভেজৰ মন পুনৰ সজীৱ কৰি তুলিলে। সি দ্বিতীয় পিয়লা উঠলৈ তুলিলে। তাৰ ধাৰণা হ'ল যেন সি যুদ্ধক্ষেত্ৰত তাৰ প্ৰকাণ্ড কলা ঘোৰাত উঠি খোলা তৰোৱাল লৈ বিজুলী সঞ্চাৰে আগবাঢ়ি গৈছে। তাৰ পিচত কোনোবা লোহাৰ বৰ্মধাৰী খৃষ্টান নাইটৰ লগত দ্বৈৰথ যুদ্ধ লাগিছে। চাৰিও পিনৰ মুছলমান সৈন্যৰ চাবাচ চাবাচ ধ্বনিৰ মাজত তাৰ জয়লাভ হৈছে। বিজয় গৰ্ব্বে চুলতানৰ সম্মুখলৈ আহি কৈছে— জাহাপনা —মই পৰভেজ— জাহাপনাৰ জয়লাভ হ ব বুলি যি ভবিষ্যত বাণী কৰিছিল সেই ওমৰ বিন ইব্রাহীম অল খায়াম মোৰ জিগৰী দোস্ত—।

ওমৰ। শুনা—!

কিন্তু পৰভেজে মুখ ঘুৰাই দেখিলে যে দোস্ত ওমৰ তেতিয়া উটৰ নোমৰ ডাঠ আৰু খহটা কম্বলৰ তলত গভীৰ টোপনিত লালকাল। যেন দ্বন্দযুদ্ধ বিজয় গৌৰৱ বাজ অনুগ্রহ—সেই সকলো স্রেফ বাজে কথা।

ন

ক সপ্তাষ্টিনোপলৰ বাইজেন্টাইন সম্ৰাট ডায়োজিনেচ ৰোমানাচৰ অৱশেষত ধৈর্য্যচ্যুতি ঘটিছিল। আজি চাৰি শতাব্দী জুৰি আৰবৰ শুকান মৰুভূমিৰ মাজৰ পৰা হঠাৎ সিচৰিত হৈ পৰা এজাক অগ্নি স্ফুলিঙৰ দৰে ইচলামৰ অপৰাজেয় বাহিনীয়ে বিভিন্ন বাদস্বাহ চুলতানৰ পতাকাৰ তলত একত্রিত হৈ ৰাৱম্বাৰ বাইজেন্টাইন সাম্ৰাজ্যৰ ওপৰত আক্রমন চলাইছে। প্রত্যেক বাৰ সেই আক্রমণ তেওঁৰ পূৰপুৰুষ সকলে প্রতিহত কৰিছে। অকল সেয়েই নহয় তাৰ মাজে মাজে ইচলাম সাম্ৰাজ্যৰ বহুত ভিতৰলৈকে ঠেলি আনি নিজৰ অধিকাৰ সাব্যস্ত কৰিছে। তেওঁৰ জীৱন কালতে তেওঁ একাধিক বাৰ বাগ্দাদৰ আবাছিদ খলিফাৰ লগত এনে যুদ্ধত অৱতীণ হৈছে।

কিন্তু এই চেলজুক সম্ৰাটৰ লগত হোৱা যুদ্ধবিলাকৰ প্রকৃতি অন্যৰকম।

নহলে বাইজেন্টাইন সম্ৰাটৰ লৌহ বমধাৰী বিজয়ী সৈন্যবাহিনীয়ে বা দাদৰ খলিফাৰ সাম্ৰাজ্য টুকুৰা টুকুৰকৈ গ্রাস কৰি আনিবলৈ ধৰিছিল। খলিফা হাৰুণ অল ৰছিদৰ পৰাক্রম স্মতিত পৰিণত হৈছিল। হাৰুণ অল ৰছিদৰ দিনত যি মুছলিম সাম্ৰাজ্য আফ্-গানিস্থানৰ পৰা চিৰিয়া মেচোপটেমিয়া সমগ্র ইৰাণ আৰু তুৰ্কীস্থান সামৰি মিচৰ আৰু সদৰ স্পেইন পযন্ত বিস্তত হৈছিল—সি এতিয়া নানা ভাগত বিভক্ত হৈছিল। ক্ষুদ্র ক্ষুদ্র অসংখ্য ৰাজবংশই সেইবোৰ শাসন কৰিছিল। মিচৰত ইস্মাইলীয় ফাতিমাপন্থী খলিফাই ৰাজত্ব কৰিছিল।

এই ক্ষুদ্র ক্ষুদ্র ৰাজবংশবিলাকে নিজৰ ভিতৰতে আত্মধ্বংশী সংগ্রামত অহৰহ লিপ্ত হৈ থকা কাৰণে ইচলামৰ সংহতি বিনষ্ট হ বলৈ ধৰিছিল। কাৰণ কোনেও বাগ্দাদৰ ধম সাম্ৰাজ্যৰ দুবল অধিপতি তেতিয়াৰ আৰ্ব্বাছিদ খলিফালৈ সম্ভম ৰখা নাছিল।

ইচলামৰ এই দুদিনত পূৰ এচিয়াৰ এক অৰ্দ্ধসভ্য অঘৰী তুৰ্কী জাতিয়ে দাবানলৰ দৰে ক্ষুদ্র ক্ষুদ্র মুছলিম ৰাজ্যবোৰ গ্রাস কৰি আনি

নিজৰ ৰাজ্য বিস্তাৰ কৰিছিল। এই চেলজুক তুৰ্ক সকলেই ইচলাম ধৰ্ম গ্ৰহণ কৰি গোড়া মুছলমান হৈ পৰিছিল। চমৰখন্দ আৰু বোখাৰাৰ তৃণ ভূমিৰ এই কক্ষ অশ্বৰী জাতিয়ে প্ৰাণৰ সকলো সৰলতা আৰু বিশ্বাসেৰে হজৰত মহম্মদৰ পবিত্ৰ ধৰ্ম গ্ৰহণ কৰিছিল। তেওঁলোকে মৃতপ্ৰায় ধ্বংশমুখী মুছলিম সাম্ৰাজ্য পুনৰ সংগঠিত কৰিলে।

তেওঁলোকে তৰোৱালৰ আগত আত্মকন্দলন্ত লিপ্ত বিলাসী দুৰ্বল ৰাজৰ শৰোৰ নোহোৱা কৰিলে। পাৰস্য জয় কৰিলে। মেচোপটেমিয়া আৰু চিৰিয়া জয় কৰিলে। এচিয়া মাইনৰ অধিকাৰ কৰিলে। পুনৰ আফগানিস্থানৰ পৰা ভূমধ্য সাগৰলৈকে এখন চেলজুক পতাকাৰ তলত ইচলামৰ অস্ত্ৰশক্তি একত্ৰিত কৰিলে।

এই বিপুল অস্ত্ৰশক্তিৰ অগ্নি পৰীক্ষাৰ সময় আহিছে এতিয়া। খৃষ্টীয় ১০৭১ চন। হিজিৰা ৪৯২।

ইচলামৰ পৰম্পৰানুক্ৰমিক শত্ৰু এই বাইজেণ্টাইন সম্ৰাট। চুলতান আলপ আৰ্চলানৰ যুদ্ধৰ পদ্ধতি একেবাৰে উপজাতীয় যুদ্ধৰ নিচিনা। তেওঁ মাজে মাজে ধুমুহাৰ দৰে আহি ক সটাণ্টিনোপলৰ সাম্ৰাজ্যৰ এচিয়া মাইনৰ খণ্ডৰ একো একো অংশত আক্ৰমণ কৰে। ৰোমানাচৰ সৈন্যবাহিনী সতৰ্ক হোৱাৰ আগতেই লট পাত শেষ কৰি আতৰি যায়। আজি দুবছৰৰ ওপৰকাল এই ধৰণে চিলনীয়ে থপিয়াদি থপিয়াই থাকি তেওঁ বাইজেণ্টাইন সম্ৰাটক ব্যতিব্যস্ত কৰি ৰাখিছিল। কোনো পোনপটীয়া যুদ্ধত তেওঁ কেতিয়াও লিপ্ত নহৈছিল।

কিন্তু পিচলৈ চলতানৰ এনেকুৱা আকস্মিক আক্ৰমণৰ সংখ্যা ইমান বৃদ্ধি হ'বলৈ ধৰিলে যে ডায়োজিনেচ ৰোমানাচৰ সুনিদ্ৰা বাৰে বাৰে ভঙ্গ হ বলৈ ধৰিছিল। চেলজুক তুৰ্কহতৰ ববৰ আক্ৰমণত অস্থিৰ হৈ তেওঁ সিদ্ধান্ত কৰিলে যে চুলতান আলপ আৰ্চলানক তেওঁ এনে শিক্ষা দিব যে ভবিষ্যতে কোনোকালে তেওঁৰ সাম্ৰাজ্যৰ পশ্চিম সীমান্তত ভৰি দিবলৈ সাহস নকৰিব।

ডায়োজিনেচ ৰোমানাচ নিজেও বীৰপুৰুষ আৰু সুনিপুণ সেনানায়ক। মূৰত সোণালী কিৰীটি লগোৱা শিৰস্ত্ৰাণ আৰু অভেদ্য বৰ্ম্ম পৰিধান কৰি তেওঁ নিজেই ওলাই আহিল এইবাৰ চুলতানৰ সম্মুখ হ বলৈ।

তেওঁৰ বাহিনীত বহুজাতি বহুদেশী সৈন্য সম্মিলিত হ ল। সব শৰীৰত লোহাৰ বৰ্ম পিন্ধা অশ্বাৰোহী ৰুমানিয়ান সৈন্য। বিশাল

পদাতিক বাহিনীত আছিল কুলজেবিয়াৰ নিপুণ কাঁড়ী সৈন্য জঞ্জিয়াৰ তীৰণমূর্তি তৰোৱালধাৰী সৈন্য আৰু আৰ্মেনিয়াৰ মিশ্ৰ সেনাদল। চেনাচেক্সিৰ বিবিধ জাতি আৰু ভাষাৰ সৈন্যবাহিনীৰ দৰেই বিপুল আছিল ৰুমী সম্ৰাটৰ বাহিনী। সংখ্যাত সত্তৰ হেজাৰ। মুছলিম ঐতিহাসিক সকলৰ মতে এই সংখ্যা আছিল কমেও দুই লক্ষ। আনহাতে চুলতানৰ খাচ সৈন্য আছিল মাত্ৰ পোন্ধৰ হেজাৰ। তুৰ্কীস্থানৰ এচিয়াত পৰা অংশক তেতিয়া ৰুম বোলা হৈছিল।

১০৭১ চনৰ শেহ ভাগ। শীত প্ৰায় অন্ত পৰিছে। বসন্তকাল সমাগত।

আৰচান চাচ নদী আৰু নীলভান হ্ৰদৰ মধ্যৱৰ্ত্তী সমতল অঞ্চল। মালাচগাড চহৰৰ পৰা কিছু দূৰত পাৰত্য এই সৰু উপত্যকাৰ সম্মুখ ভাগত নিজৰ সৈন্য সামন্ত লৈ চুলতান আলপ আৰ্চলানে অপেক্ষা কৰিছিল। হাজাৰ হাজাৰ ৰুমানিয়ান অশ্বাৰোহী সৈন্যৰে পৃথিবী কপাই ক সটাণ্টি নাপলৰ সম্ৰাটে সাৱধানে বেহ ৰচনা কৰি আগবাঢ়ি আহিছিল। চুলতানৰ লগত শক্তি পৰীক্ষা কৰিবলৈ তেওঁ অধীৰ হৈ পৰিছিল।

ইমান দিনে লকা ভাকু খেলি থকাৰ পিচত মাত্ৰ পোন্ধৰ হেজাৰ সৈন্যৰেই এই বিপুল শত্ৰুবাহিনীৰ সম্মুখ হ বলৈ আদেশ দিয়াত চুলতানৰ সেনাপতি বিলাক আচৰিত হৈছিল। গোপনে গোপনে বিবিধত আলোচনা হৈছিল যে চুলতানৰ বাচকবনীয়া তুৰ্কী তাজী চোৱাৰী সৈন্যয়ো লোহাৰ চোলা পিন্ধা ৰুমানিয়ান কশাধাৰী সৈন্যৰ পূণহতীয়া আক্ৰমণ সহ্য কৰিব নোৱাৰিব। তাৰোপৰি শত্ৰুৰ সংখ্যা গৰিষ্ঠতাও ভাবিবলগীয়া কথা। ধুমুহাৰ দৰে অতৰ্কিত আক্ৰমণ কৰি শত্ৰুক ছিন্ন ভিন্ন কৰা বা বেগতিকা দেখিলে প্ৰাণপণ পলায়ন কৰা— তনেকুৱা যুদ্ধ মঞ্জুৰ। কিন্তু ঠেক উপত্যকাত ফান্দত পৰা এদুৰৰ দৰে সোমাই লৈ জান দিবলৈ কাৰ মন যাব!

কিন্তু খোদ খাহানখা চুলতান আল আৰ্চলানৰ মজ্জি। কাৰ সাধ্য সেই আদেশ লঙ্ঘন কৰে। অস্থিৰ অনিশ্চিত ভাবে সকলো নিজৰ নিজৰ ঠাইত ৰ ল। বাদশাহী লালমিচান সৈন্যবাহিনীৰ অগ্ৰৱৰ্ত্তী স্থানত সগৌৰৱে উলিয়ালে ধৰিলে।

ইচলামৰ সৰ্বশক্তি একত্রিত কৰি জেহাদৰ প্রেৰণা লৈ এচিয়াৰ দুৰ্দ্ধৰ্ষ সেনাদল আৰু ইউৰোপৰ নানাদেশৰ পৰা ক্রুচেদৰ পবিত্র প্রতিজ্ঞা লৈ অহা ৰুমী সম্রাটৰ বিপুল বাহিনী সম্মুখা-সম্মুখি হোৱাৰ পিচত ৰাতিৰ এন্ধাৰ নামি আহিল পশ্চিম তুৰ্কীৰ সেই উপত্যকালৈ।

চুলতানৰ মুখত হাহি নাই। বেলি ডবাৰ আগে আগে তেওঁ গোটেই সমভূমিত ঘুৰি ঘুৰি নিজৰ সৈন্য-সজ্জা পৰিদৰ্শন কৰি আহিল। চিকাৰী ঈগল চৰাইৰ দৰে তীক্ষ্ণ সন্ধাণী দৃষ্টিৰে চাৰিও ফালে চাই আহি তেওঁ শেষবাৰৰ বাবে নিজৰ সেনাধ্যক্ষবিলাকক আদেশ শুনাই লাহে লাহে ক'লে এই উপত্যকাৰ সিমুৰে আৰচানচাচ নদীৰ পাৰত ৰুমী সৈন্যবাহিনীয়ে শিবিৰ পাতিলেই। সিহতে আমাক লগ পাবলৈকে ইমান বেগেৰে আহিছে। আমিও ইয়াতে আছো। গতিকে যুদ্ধ হ'বই। আল্লাহতাল্লাৰ যি মজ্জি। নিয়তিৰ যি বিধান তাৰ অন্যথা নহয়।

মুক্ত আকাশৰ তলত মক্কা শ্বৰীফৰ ফালে মুখ কৰি এষাৰ নামাজ পঢ়িলে চুলতানে। তেওঁ সেইদিনা নুশুলে। উদ্যত সপৰ দৰে শঙ্কিত ক্রুদ্ধ আৰু সতর্ক হৈ থকা সমগ্র বাহিনীয়ে নিদ্রাহীন ৰাতি কটাই দিলে।

পিচদিনা পুৱা সূৰ্য্যোদয়ৰ লগে লগে দুয়ো পক্ষৰ তুমুল ৰণ লাগিল। কিছু সময় যুদ্ধ চলাৰ পাচতে এইকথা সকলোৰে বিশ্বাস হ'ল যে চুলতান আলপ আচলানে পৰতৰ মাজৰ সেই সংকীর্ণ ভূখণ্ডত যুদ্ধলৈ প্রতীক্ষা কৰি থাকি ভুল কৰা নাছিল। কাৰণ ৰুমী সম্রাটৰ সৈন্যবাহিনীয়ে সকলো ফালৰ পৰা একে সময়তে আক্রমণ কৰিবলৈ কোনো সুযোগ নেপালে।

খৃষ্টান বাহিনীৰ বাম আৰু দক্ষিণ উভয় পাৰ্শ্বৰ সৈন্যবল নিশ্চেষ্ট হৈ ৰৈ থকাৰ বাহিৰে অন্য উপায় নাছিল। কাৰণ দুয়োফালৰ পাহাৰ শীষত চলতানৰ পাৰ্শ্ব ৰক্ষী সৈন্যবোৰে আগৰে পৰা সুচল ঠাইত অৱস্থান কৰি তুমুল প্রতিৰোধ কৰিছিল। ৰুমী সৈন্যবাহিনীৰ সোমাজৰ প্রধান বাহিনীৰ লগতেহে প্রকৃততে যুদ্ধ হৈছিল। চুলতানৰ ষ্টেপচ অঞ্চলৰ পৰা অহা উপজাতীয় তুৰ্কীসেনাবোৰে অনবৰত কাড মাৰি শত্রুক বিপযস্ত কৰিছিল। সকলোতকৈ ডাঙৰ কথা এই যে চুলতানৰ সেনাই পাহাৰৰ শিল আৰু গছৰ আচ্ছাদনৰ আৰৰ পৰা যুদ্ধ কৰিব পাৰিছিল। ৰুমী

সৈন্যবাহিনীয়ে কিন্তু সম্পূর্ণ মুকলি সমতল ভূমিত থাকি যুদ্ধ কৰিব লগীয়া হৈছিল।

ৰণ বিশাৰদ হিচাবে আলপ আৰ্চলানে নিজৰ শ্ৰেষ্ঠত্ব আকৌ প্ৰমানিত কৰিলে। মুছলমান সেনাৰ উৎসাহ আৰু আত্মবিশ্বাস বাঢ়িল। চুলতানৰ খাচ সৈন্যবাহিনীয়েই যুদ্ধ কৰিছিল। পিচত সহায় কৰিবলৈ অহা জেহাদৰ পুণ্যপ্ৰাৰ্থী হেজাৰ-বিজাৰ যুজাৰু আহি সম্মুখৰ যুদ্ধৰত সেনাদলৰ পিচফালে অস্থিৰ উদ্বিগ্ন ভাবে অপেক্ষা কৰিবলৈ ধৰিলে।

এই পিচৰ দলতে আছিল খোৰাচানী পৰভেজ আৰু ওমৰ।

প্ৰকৃতপক্ষে য ত যুদ্ধ লাগিছিল তাৰ পৰা ওমৰহত্ত অপেক্ষা কৰি থকা ঠাই আছিল বহুখিনি পিচত। তাৰ পৰা একো ভালদৰে নেদেখি আৰু নুশুনিও। ওমৰহতৰ দুকুৰিজনীয়া খোৰাচানী দলটোৰ লগত অন্যান্য যুজাৰুও আছিল। সাধাৰণতে খাচ সেনাদলৰ প চাৎ ভাগ ৰক্ষা কৰিবলৈ বা অধিকৃত অঞ্চলত দখলি কায়েম কৰিবলৈহে এনে ধৰণৰ সৈন্য প্ৰয়োগ কৰা হয়।

দোকমোকালিৰ লগে লগে পৰভেজে সাৰ পালে। সমস্ত মন উত্তেজনাৰে ভৰা। কিন্তু জাৰত শৰীৰ কম্পমান। শুই উঠিয়েই লণ্ডৰা মচুদৰ হতুৱাই পুনৰ নিজৰ তৰোৱালখন ধৰাই ল লে। যদিও ইতিমধ্যে তাত বহুবাৰ ধাৰ দিয়া হৈ গৈছে। অন্যান্য অনুচৰবিলাকে তেওঁৰ ঘোৰাটোৰ যত্ন ল লে। এয়া নিচাপুৰৰ দাতিৰ হাবিত শহাপহু খেদি ফুৰা কথা নহয়। এয়া যুদ্ধ।

পৰভেজে আশা কৰিছিল যে পুৱাই তাক যুদ্ধলৈ আহ্বান কৰি লৈ যোৱা হ ব। নিজৰ ক লা ৰণুৱা ঘোৰাৰ ওপৰত উঠি ৰণোল্লাস ধ্বনি কৰি বিজুলী সঞ্চাৰে গৈ শত্ৰুৰ ওপৰত জপিয়াই পৰিবগৈ লাগিব। কিন্তু সেইবোৰ একো নহ ল। ঘণ্টাৰ পিচত ঘণ্টা কেৱল নিজৰ ঘোৰাৰ ওচৰত ইফাল সিফাল কৰি সময় কটাব লগা হ ল। তেওঁৰ লগৰীয়াবোৰৰ কেইজনমানে মাটিতে ধাল কাটি লৈ পাশা খেলিবলৈ বহিল। পৰভেজ অধৈর্য্য হৈ আহিবলৈ ধৰিলে। তাৰ ভোকো লাগিছিল ভাগৰো লাগিছিল। এনেতে ওমৰে কৈ উঠিল পৰভেজ যুদ্ধতো কেতিয়াবাই আৰম্ভ হ ল। ৰাওঁহাতৰ সৌ টিলাটোৰ ওপৰত উঠি যুদ্ধ চাই আহো ব লা।

দুয়ো ঘোৰাত উঠি বাওঁহাতে এটা চিলাৰ ওপৰ-পালেগৈ। ইতিমধ্যে সুকযৰ প্ৰখৰ কিৰণত পুৱাৰ শেহ কুৱলীখিনিও নোহোৱা হৈ ঘোৰাত বণভূমিখন পৰিষ্কাৰ ভাবে চকুত পৰিছিল। কিন্তু এতিয়াও বহুত দূৰ। স্পষ্ট ভাবে একো মনিব নোৱাৰি। মানুহ দুনুহ আৰু ঘোৰাচোৱাৰী সৈন্যবোৰ পুতলাৰ নিচিনাকৈহে দেখা গৈছিল। এজাক চোৱাৰীয়ে অন্য এজাক চোৱাৰীক খেদি গ ল। কিন্তু অলপ পিচত নিজেই খানবান হৈ চিটিকি পৰিল। আকৌ অন্য এজাক আগবাঢ়িল। গোটেই উপত্যকা-টোতে গুৰি পকৱাৰ দৰে লেখেৰি নিছিগা সৈন্যৰ জুম। ইফালে গৈছে সিফালে গৈছে। এবাৰ আগবাঢ়ে এবাৰ পিচ হোহকে। হাবিত জুই লাগিলে ক ক কৰে যেনেকুৱা এটা শব্দ হয় তেনেকুৱা ক কৰনি শব্দই প্ৰবল হৈ গুণ গুণনিত পৰিণত হয়। ওমৰৰ ভাব হ ল নিচাপুৰ মচজিদত ঈদগাহৰ দিনা সমূহীয়া নামাজৰ সময়ত জনতাৰ মাজৰ পৰাও তেনে শব্দ হয়। তাৰ মাজে মাজে অস্ত্ৰ-শস্ত্ৰৰ খট খটনিও অস্পষ্টভাবে কাণত পৰে।

মাজে মাজে একোটা সৈন্য গাৰ কাষেদি পাৰ হৈ যায়। পৰভেজে চিঞৰি যুদ্ধৰ খবৰ সোধে। এবাৰ এটা চোৱাৰী সৈন্য লাহে লাহে উভটি পাৰ হৈ যাওঁতে চিঞৰি সুধিলে। সৈন্যটোৱে এহাতেৰে লেকাম আৰু অন্যহাতে পাগুৰীৰ আগেৰে মুখৰ এ কাল চাকি আহিছিল। সি মুখ ঘৰাই এবাৰ চালে কিন্তু মুখেৰে একো নেমাতি আকৌ যাবলৈ ধৰিলে। বহু সময় ধৰি ধৈৰ্য্যৰ শেষ সীমাত থিয় দি থকা পৰভেজে এইবাৰ অধীৰ হৈ ঘোৰা মেলি একে চেকুৰে সেই তুৰ্কী সৈন্যৰ আগ ভেটি ধৰিলেগৈ।

তোমাক চিঞৰি চিঞৰি সোধাতো মোৰ প্ৰশ্নটো কাণত নোসোমালনে? যুদ্ধৰ পৰা ওভোটামুখ ইমান প্ৰাণপণে কলৈ পলাইছা? পৰভেজৰ মাতত খং।

তুৰ্কীসৈন্যটোৱে এহাতেৰে অলপ কষ্ট কৰি ঘোৰাটো ৰখালে। তাৰ পিচত তল্লমূৰ কৰি থকাৰ পৰা মূৰ তুলি পৰভেজৰ ফালে চা'ল। বাওঁহাতেৰে পাগুৰিৰ আগটোৰে সি বাওঁচকুটো হেচামাৰি ধৰি আহিছিল। তাৰ আঙুলিৰ মাজেৰে ধাৰাসাৰে তেজ বৈ আছিল। ইটো চকুও মুদখাই আছিল যদিও অতি কষ্টৰে চকু মেলি পৰভেজৰ ফালে এটা অনিশ্চিত ঘোলা দৃষ্টিৰে চালে। তাৰ মুখৰ পৰা ঘোঁট

মোঁটেকৈ দুটামান শব্দ ওলাইছিল। পৰভেজে দেখিলে যে মানুহটো আহত। তাৰ বোধহয় এটা চকু ওলাই গৈছে।

মাফ কৰিবা ভাই। মোৰ বহুত দোষ হৈ গ'ল। অনুতপ্ত সুৰত পৰভেজে কৈ তাক বাট এৰি দিলে। তুৰ্কী সৈন্যটোৱে আকৌ ঘোঁৰা আগলৈ চলালে। সি মোৱা ফালে কিছুপৰ চাই থাকি পৰভেজ আকৌ ওমৰৰ কাষ পালেহি।

এইবাৰ অকনো বিলম্ব নকৰি পৰভেজ আৰু ওমৰে নিজৰ সেনাপতি আমিৰ জনৰ ওচৰ পালেগৈ।

হুজুৰ আমাক আগবাঢ়ি যাবলৈ হুকুম দিব লাগে। নহ'লে যুদ্ধ আমি নেদেখিমেই।

দেখিবাহে দেখিবা যুদ্ধ এতিয়াই শেষ নহয়। খৃষ্টানহতে ইবলিচৰ বাচ্চা যেন লোহাৰ চোলা পিন্ধা ভূতৰ গোৱালী কিছুমান পঠাই দিছে আমাৰ লগত যুদ্ধ কৰিবলৈ। মাইলৰ পিচত "মাইল জুৰি কেবল খৃষ্টান সৈন্য। পৰতৰ মাজৰ ঠেক উপত্যকাৰ বহু ভিতৰলৈকে জজিয়ান আৰু ফ্ৰাংক সৈন্যবোৰ সোমাই আহি প্ৰচণ্ড আক্ৰমণ চলাইছে।'

পৰভেজৰ পিচফালে সদায় ছাঁৰ দৰে থকা ইয়াচিনে ফুচফুচাই কাষৰ সৈন্যটোক কৈ উঠিল ইবলিচৰ বাচ্চা হ'লে কাড় বা তৰোৱালেৰে যুদ্ধ কৰিলে কি হ'ব। দুজনমান মৌলবী চাহেব মাতি ফু ফুৎকাৰ—

পৰভেজৰ কা'ত কথাষাৰ পৰাত পিচলৈ উভটি চাই চেপা মাতেৰে ধমক দি উঠিল চুপ! বেওকুফ! ধমক খাই ইয়াচিনে মনে মনে থাকিল কিন্তু নিজৰ মনতে ঈশ্বৰৰ পবিত্ৰ নাম স্মৰণ কৰিবলৈ ধৰিলে।

আমিৰৰ ওচৰৰ পৰা উলটি আহি পুনৰ সেই টিলাৰ ওপৰলৈকে উঠিবলৈ ধৰোতে কোনোবা এটাই চিঞৰি উঠিল চা—চা সৌৱা আমাৰ চুলতান!

কাষৰ পৰত এটাৰ দাতিয়েদি জাহে জাহে ঘোৰা চেকুৰাই এদল অশ্বাৰোহী যাব ধৰিছে। দলৰ নায়কজন শকত আৰু বলিষ্ঠ পুৰুষ। মুৰত এটা সাধাৰণ পাগুৰী। হাতত এদাল হাতীদাতৰ ৰাজদণ্ড। মুখত একোচা প্ৰকাণ্ড গোফ। তেওঁৰ কপালত এটা কাঁড়ৰ টুন। তেওঁৰ ঘোৰাটো শুধ বগা।

পৰভেজে সুধিলে চুলতান কোনজনা?

আৰে সেয়া দেখোন প্ৰথমৰ জন!

পৰভেজে আশা কৰিছিল বেচমী ৰাজ আতৰণ ক্ষৰ ক্ষৰকৈ ৰতাহত উৰা তীব্ৰবেগে মুকলি শ্মশেৰ হাতত লৈ ঘোৰা চলোৱা এজন চলতান। মূৰত পাখি লগোৱা বহুমূল্য পাগুৰী উড়ন্ত নিচান আৰু নানান বাদ্য বাজনাৰ সমদল। তাৰ ঠাইত এই সাধাৰণ সাজপাৰ পিন্ধা মানুহজন দেখি অবাক হ ল। অশ্বাৰোহী দলটো সেইফালেই অহা দেখি ওমৰহত তৎক্ষনাৎ ঘোৰাৰ পৰা নামি লেকাম হাতত লৈ মূৰ তললৈ কৰি থিয় হ ল। ওমৰে লক্ষ্য কৰিলে চলতানৰ মুখ নিশঙ্ক আৰু নিৰুদ্বেগ। গম্ভীৰ মখত যেন এটা হাহিৰ সাচ তেতিয়াও আছিল। লাহে লাহে দলটো পাৰ হৈ গ ল।

যুদ্ধ আৰু কেবাঘণ্টাও জুৰি চলিল। তুৰ্কীবোৰে ঠাইতে পাচ হহকি আহি পুনৰ খৃষ্টান অশ্বাৰোহীদলক আক্ৰমণ কৰে। কাড়ী সৈন্যবোৰে অবিৰত ভাবে কাড় বষণ কৰিয়েই আছিল।

এনেতে সেনাপতি আমিৰ জনৰ ইঙ্গিত পোৱা হ ল অগ্রসৰ হ বলৈ। খোৰাচানী সৈন্যবোৰে আগবাঢ়িবলৈ ধৰিলে। সঙ্গীহতে হাত ৰাউল দি ওমৰহতকো মাতিলে। লগে লগে সকলোৱে তীব্ৰবেগেৰে আগবাঢ়িবলৈ ধৰিলে। পৰভেজ আকৌ মুহূৰ্ততে সজীৱ হৈ উঠিল।

প্রায় একক্রোশ পথ উদ্ধশ্বাসে ঘোৰা দৌৰোৱাৰ পিচতো কিন্তু আচল যুদ্ধক্ষেত্র নেপালেহি সিহতে। কাৰণ ইতিমধ্যে ৰুমী সম্রাটৰ সৈন্যবাহিনী বহু দূৰ হহকি গৈছিল। সেয়ে শৃংখলাবদ্ধভাৱে চলতানৰ বাহিনী আগবাঢ়িছিল সচা কিন্তু জয়লাভ চড়ান্ত হোৱা নাছিল।

এই আগবাঢি যোৱা সমগ্র পথ চোৱাত সিহতে শত্রুৰ মুখামুখি হ ব লগা হোৱা নাছিল। কিন্তু যেতিয়া আহি পুৰাৰ যুদ্ধক্ষেত্র পালেহি তেতিয়া কি ভীষণ যুদ্ধ হৈছিল সেইটো সহজেই অনুমান কৰিব পাৰিলে।

ঘোৰাৰ ভৰিৰ তলত তেজেৰে বোকা হোৱা মাটি—মৃতদেহ মৰা ঘোৰা আৰু ভগা ৰথ। এনি তেনি সিচৰিত হৈ পৰি থকা কাড় আৰু অন্যান্য অস্ত্র-শস্ত্র। ইফালে সিফালে কিছুমান পৰিত্যক্ত জনশুন্য ঘৰ। আৰোহী বিহীন কিছুমান ঘোৰা ইফালে ঘুৰি ফৰাও সিহতে দেখিলে। আৰৰ উপজাতীয় মানহবোৰে ক ৰবাত লটৰ উপযোগী বস্তু দেখিলেই ঘোঁৰাৰ পৰা নামি গোটাই লয়। কিছুমান লস্কৰে পৰি থকা অস্ত্র-শস্ত্রবোৰ

গোটাই মুঠা বান্ধি ঘোঁৰাৰ গাড়ীত বোজাই কৰিছিল।

এই পৰিত্যক্ত ৰণাঙ্গন পাৰ হৈ আৰু কিছু দূৰ যোৱাৰ পিচত আকৌ ৰাতিৰ এন্ধাৰ নামি আহিল। পৰভেজহতক এডোখৰ মুকলি ঠাইত ৰাতিটো কটাবলৈ হুকুম দিয়া হ'ল। তাৰ কাষতে এদল তুৰ্কী সৈন্য আগৰে পৰা সোমাই নিজৰ দখলি কায়েম কৰিছে। সিহতে ডাওঁকৈ জুই ধৰি লৈছিল। জাৰত কপি কপি খোৱাচানী সৈন্যবোৰে ভাগৰে জুগৰে ৰাতিটো কটালে।

পূব আকাশ গাখীৰবুলীয়া হৈ অহাৰ লগে লগে খৃষ্টান সম্ৰাটৰ শিবিৰৰ পৰা ৰণভেৰীৰ শব্দ ভাহি আহিল। তৎক্ষণাৎ সকলোৱে নিদ্ৰা ত্যাগ কৰি সন্টম হৈ ঘোৰাত আৰোহণ কৰিলে। চকুত অপৈণত টোপনিৰে জাৰত ঠেৰেঙা লগা মানহবোৰে পুনৰ আগৰাড়িবলৈ সঙ্কেত পাৰৰ কাৰণে বাট চাই ৰ'ল।

পৰভেজে কৈ উঠিল ওমৰ এইবাৰ আমাক যুদ্ধলৈ যাবলৈ আদেশ দিয়া হ'ব।

সেই ৰণভেৰীৰ শব্দ আছিছিল সম্ৰাট ৰোমানাচৰ শিবিৰৰ পৰা। নিজৰ সৈন্য বাহিনীৰ মধ্যম ভাগ আগ দিনাৰ ৰণত থকা সৰকা হোৱাৰ পিচত আৰু সোৱৰে বাৰে উভয় পাশ্বৰ পাশ্ব ৰক্ষী সৈন্যবোৰ আলপ আচলানৰ হাতত ৰেয়াকৈ পৰাস্ত হৈ আত্মসমপন কৰাৰ পিচত ৰোমানাচ বিবুধিত পৰি বহুদূৰ পিচুৱাই যাব লগা হ'ল। এই বিপদৰ ওপৰতে আৰু এটা বিপযয় ঘটিল। ৰাতিৰ ভিতৰতে কিবা ভুল বুজা বুজিৰ বাবেই হওঁক বা ষড়যন্ত্ৰৰ ফলতে হওঁক এটা ডাঙৰ বাহিনী আতৰি গুছি গ'ল। ই ৰোমানাচৰ সমস্যা বহুগুণে বৃদ্ধি কৰিলে। গতিকে পুৱতী নিশাৰ এই ৰণভেৰীৰ ধ্বনিৰে সম্ৰাটে ক সটাটিনোপলৰ সেই বৰ্ম্ম ধাৰী অশ্বাৰোহী সৈন্য দলক আহৰান জনাইছে শত্ৰুক আক্ৰমণ কৰিবলৈ। সজাগ মুছলমান শিবিৰৰ পৰাও লগে লগে গগণ বিদীণ কৰা সুৰত ৰণশিঙা বাজি উঠিল। চুলতানৰ সমগ্ৰ অশ্বাৰোহী সৈন্যশক্তি এইবাৰ পাৰশ্য সাগৰৰ কাল ধুমুহাৰ দৰে ধৰণী কঁপাই প্ৰচণ্ড বেগেৰে আগুৱাই গ'ল। এই ভয়ঙ্কৰ সেনাদলৰ লগত সমানে আগৰাড়ি এইবাৰ ওমৰ আৰু পৰভেজৰ খোৱাচানী অশ্বাৰোহী দলটোও যাবলৈ ধৰিলে। পিচত থাকিল একমাত্ৰ পদাতিক সৈন্যবোৰ।

নীলভান হ্রদৰ নীলা জলৰাশিৰ পৰা উঠি আহি যেতিয়া মেইদিনা সূৰুযে ডুমুকি মাৰিলে তেতিয়া আৰাচানচাচ নদীৰ তীৰত দুটা প্ৰচণ্ড অশ্বাৰোহী বাহিনীয়ে মুখা-সুখি খুন্দা মাৰিছিল। এক পলকৰ কাৰণে সূৰ্য্য যেন থমক খাই বৈ গৈছিল।

প্ৰথম সংঘৰষৰ ভয়ঙ্কৰ নিনাদে-শত বজ্ৰপাতৰ দৰে আকাশ পাতাল কঁপাই তুলিছিল। তাৰ পিচত অশ্বৰ হ্ৰেষাৰৱ আহত সৈন্যৰ আৰ্ত্তনাদ লোহাৰ বৰ্ম্মৰ ওপৰত লোহাৰ অস্ত্ৰৰ কৰ্কশ শব্দ আৰু ঢালৰ ওপৰত ঢালৰ কাণ তাল মৰা খুন্দাৰে নিজন উপত্যকা আলোড়িত কৰিছিল।

বিপুল বিক্ৰমেৰে যুদ্ধ কৰিছিল ওমৰ আৰু পৰভেজেও। এক মুহূতৰ ভিতৰতে নিজৰ সম্মুখৰ যোদ্ধাক নিহত কৰি পৰভেজ শত্ৰুসৈন্যৰ গভীৰলৈ সোমাই গৈছিল। পিচে পিচে ওমৰেও নিজৰ ঘোৰা চলাই দিলে। ওমৰৰ হাতত ঘোৰাৰ লেকাম। কিন্তু তাৰ মুৰৰ ভিতৰত যেন কোনোবাই হাতুৰিৰে কোবোৱা যেন লাগিছিল। এয়ে যুদ্ধ! ওমৰৰ একমাত্ৰ লক্ষ্য আছিল পৰভেজৰ পিচে পিচে গৈ থকা। পিচে পিচে যোৱা খোৰাচানী সহচৰ বিলাকক তাক অনুসৰণ কৰিবলৈ চিঞৰি হুকুম দি ওমৰে বিশ্বাসঘাতক পৰভেজৰ প চা ভাগ ৰক্ষা কৰি আগবাঢ়িবলৈ ধৰিলে। এজন অশ্বাৰোহী শত্ৰু বায়বেগে কাষেদি পাৰ হৈ গ'ল কিন্তু ৰাওঁতে পূৰ্ণহতীয়া তৰোৱালৰ কোব এটা ওমৰৰ গালে মাৰি থৈ গ ল। ক্ষিপ্ৰ ভাবে নিজৰ তৰোৱাল পাতি ওমৰে কোবটো ওফোৰালে কিন্তু প্ৰত্যাঘাত কৰিবলৈ সময় নিদি চোৰাৰীটো আতৰি গ ল। সম্মুখত দাবানলৰ দৰে ক্ৰমাৎ আগবাঢ়ি যোৱা দেখিলে ক লা ঘোৰাৰ আৰোহী পৰভেজক। এটা মৰা ঘোৰাৰ তলৰ পৰা আজুৰি আজুৰি কাটলৰ পৰা ভৰিটো উলিয়াবলৈ চেষ্টা কৰি থকা এটা চোৰাৰীক যাঠিৰ আগেৰে খোচ মাৰি ধৰিলে এটা তুৰ্কী সৈন্যই। যাঠিদাল উলিয়াই নিয়াৰ লগে লগে জীয়াতেজ উফৰি পৰা ওমৰৰ চকুত পৰিল। উধাতু খাই এটা মানুহ মৰি পৰাইছিল। তাৰ পিঠিত খোচ খাই থকা এদাল কাড়। ওমৰে এৰে কোবেই পৰভেজৰে শাৰী পাতি ল লেগৈ। এয়া যুদ্ধৰ একেবাৰে সম্মুখভাগ। লগে লগে কেবাটাও ক্ষমী চোৰাৰী আহি দুয়োকে প্ৰতিৰোধ কৰিলে। ঘোৰাৰ লেকাম তলৰে ধৰি সম্মুখৰ ফালে হাউলি ওমৰে তৰোৱাল ঘৰাই শত্ৰুক আক্ৰমণ কৰিলে। তৰোৱালে তৰোৱালে লাগি খট্টাখট্ট শব্দ হ বলৈ ধৰিলে। ওমৰৰ শিৰৰ

যুগ যুগৰ আৰবী তেজ দ্রুতগতিত সঞ্চালিত হ'বলৈ ধৰিলে। ওমৰ আৰু পৰভেজৰ সম্মুখত শত্রু অশ্বাৰোহীৰ সংখ্যা ক্রমাৎ বাঢ়ি আহিবলৈ ধৰিলে। কোনোবাই নিক্ষেপ কৰা এদাল শেল ওমৰৰ চেনাফালে ভিণ্ডিৰ ফালেদি পাৰ হৈ গল। মাওঁতে ওমৰৰ কান্ধৰ মণ্ডহ ফালি লৈ গ ল। পিন্ধি থকা কুৰ্ত্তাৰ তলেদি গৰম তেজৰ এসোঁতা তললৈ বৈ যোৱা ওমৰে অনুভৱ কৰিলে। ইতিমধ্যে একে লগে দুজন শত্রু চোৱাৰীৰ লগত যুদ্ধ কৰিছে পৰভেজে। এক মুহূৰ্ত্তও বিলম্ব নকৰাকৈ ওমৰে তাৰ এটাক আক্রমণ কৰিলে।

এনেতে হৈ হৈ ৰব কৰি পিচফালৰ পৰা বিপুল বেগেৰে এদল তুৰ্কী সৈন্যই খেদি আহিল। সম্মুখৰ খৃষ্টান চোৱাৰী সৈন্যই শত্রুৰ সংখ্যাধিক্য দেখি ঠাইতে আতৰি পলাল। বিজয়ৰ ধ্বনি কৰি সকলোৱে শত্রুৰ পিচে পিচে খেদি যাবলৈ ধৰিলে।

ইয়াৰ পিচত পুনৰ বণভেৰীৰ শব্দ উঠিল। এয়া চুলতানৰ শিবিৰৰ পৰা মুকলি লুটপাত আৰু হত্যাৰ নিদেশ।

উল্লাসত চিঞৰি চিঞৰি পৰভেজে ক'লে "তাৰ মানে ওমৰ ভাই আমাৰ জয়লাভ হৈছে। এতিয়া দুষ্মনক শেষ কৰিব লাগে। আহ।

বিকট শব্দৰে নানা প্রকাৰ ধ্বনি তুলি কালমূর্ত্তি ধৰি আগবাঢ়িৰ ধৰা আৰৱ তাতাৰ চোৱাৰী বিলাকৰ লগত পৰভেজেও আগবাঢ়িবলৈ ধৰিলে। তাৰ অৱশিষ্ট খোৱাচানী সৈন্যবোৰেও পিচ ল লে। ওমৰৰ ঘোৱাৰ মুখেৰে ফেন ওলাইছিল। গতিকে হাতৰ লেকাম চিলাই দি ওমৰেও তীব্রবেগে ঘোৱা চলালে। তাৰ মুৰৰ পাগুৰীৰ ওলমি থকা আগটো বতাহত উৰিবলৈ ধৰিছিল।

কিন্তু কিছুদূৰ যোৱাৰ পিচত ওমৰৰ বেগ আপোনা আপুনি কমি আহিল। পাগুৰীৰ আগেৰে কপালৰ ঘাম মুচি ওমৰ লাহে লাহে যাবলৈ ধৰিলে। কান্ধৰ ক্ষতস্থান টনটনাবলৈ আৰম্ভ কৰিছিল।

যুদ্ধ কৰাত এটা উন্মাদনা আছে। সমকক্ষ যোদ্ধাৰ লগত মুখামুখি অস্ত্র চালনাত এটা মাদকতা অনুভৱ কৰা যায়। কিন্তু যুদ্ধৰ পিচৰ এই নিৰ্বিচাৰ ধ্বংসলীলাই ওমৰক অকনো আকর্ষণ কৰিব নোৱাৰিলে। ওমৰহত এতিয়া সদ্য অধিকৃত শত্রু দেশৰ মাজেদি গৈ আছে। জুই আৰু তৰোৱালেৰে বিজয়ী সেনাদলে এতিয়া লটপাত আৰু হত্যাৰ তাণ্ডৱ লীলাত মত্ত হৈ উঠিছে। যুদ্ধৰ চিৰন্তন ৰীতি

অনুযায়ী আৰম্ভ হোৱা এই ধ্বংসৰ অনুষ্ঠান নিশ্চয় কেইবাদিনো ধৰি চলিব। মানুহৰ বাসস্থান দেখিলেই সৈন্যবোৰ পিয়াপি দি লুটপাতত লাগি যায়। ওমৰৰ কোনো বস্তুৰ প্ৰয়োজন নাই।

কিছু সময় লাহে লাহে ঘোৱাৰ পিচত ওমৰে অনুভৱ কৰিলে যে সি লগৰীয়াহততকৈ বহুত পিচত পৰিল। ওমৰে সিহততক লগ ধৰিবলৈ বিক্ষিপ্তভাৱে আগবাঢ়ি গৈ থকা সৈন্যবোৰৰ মাজেদি পুনৰ পূণবেগেৰে ঘোৱা চেকুৱালে।

টুকুৰা-টুকুৰি কিছুমান দৃশ্য তাৰ চকুত পৰিল। এজোপা গছৰ তলত এজন বুঢ়া খেতিয়ক আৰু এজনী বুঢ়ী। বুঢ়ীজনীয়ে হিয়া ভুকুৱাই কান্দিছিল। এটা চাৰি বছৰীয়া লৰাই বুঢ়াৰ গাত ধৰি থিয় হৈ আছে। ডাঙৰ ডাঙৰ চকু মেলি অবাক হৈ লৰাটোৱে বাটেদি পাৰ হৈ যাব ধৰা সৈন্যবোৰলৈ চাই আছিল।

এটা দালান ঘৰৰ মজবুত ভাবে ভিতৰৰ পৰা বন্ধ দুৱাৰত ঘোৱা গাড়ীৰ চকা এটাৰে ধুম ধুমকৈ খুন্দিয়াই কেইটামান সৈন্যই দুৱাৰখন ভাঙিবলৈ চেষ্টা কৰিছিল।

অন্য এঠাইত দেখিলে যে কিছুমান বন্দী মুনিহ তিৰোতাৰ পিঠিত বিভিন্ন ধৰণৰ লটৰ সামগ্ৰী বোজাই দি এজাক সন্যাই খেদি লৈ গৈছিল।

এঠাইত এটা সৰু লৰাৰ মৰা শ পৰি আছিল। তাৰ পেটটো দুফাল হৈ ফলা। ওমৰে বিতৃষ্ণাত মুখ ঘুৰাই ললে।

দুখ যন্ত্রনা আৰু মৰণ চাৰিওপিনে। ওমৰৰ মন লাহে লাহে বিষণ্ণতাৰে ভৰি পৰিল।

এয়েই তেনেহলে যুদ্ধ! যগে যুগে ইতিহাসত যিবোৰ যুদ্ধৰ কাহিনীৰ গৌৰৱপূর্ণ বৰ্ণনা পোৱা যায় যি যু ধৰ কীৰ্ত্তিৰে কবিয়ে কীৰ গাথা ৰচনা কৰে সেই যুদ্ধৰ প্ৰকৃতি তেনেহলে এনেকুৱাই!

কেনিও নোচোৱাকৈ কোবেৰে ঘোৱা চলাই ওমৰে শত্রুবাহিনীৰ পৰিত্যক্ত শিবিৰৰ মাজ পালেগৈ। শাৰী শাৰী বিভিন্ন আকাৰৰ বিভিন্ন ৰঙৰ তম্ব। এতিয়া তাত ৰখীয়া পৰীয়া কোনো নাই। তাৰ মাজে মাজে বিজয়ী সৈন্যদল সোমাই লটপাত কৰি ফুৰিছে। গৈ থাকোতেই এটা ডাঙৰ তম্বৰ স মুখত পৰভেজ আৰু লগৰ খোৱাচানী দলটোক দেখা পালে। ঘোৱা ৰখাই ওমৰ ৰ ল। ইতিমধ্যে লটৰ সামগ্ৰীৰে দ ম বান্ধিছিল।

পৰভেজে উল্লাসেৰে কৈ উঠিল ওমৰ আমাৰ জয়লাভ সম্পূৰ্ণ হৈছে। দুশমন ছেদেলি ভেদেলি হৈ পৰিছে। স্বয়ং সম্ৰাট ডায়োজিনেচ ৰোমানাচ প্ৰতিজ্ঞা চক্ৰতানৰ হাতত বন্দী।

অলপ আগতৰ অন্য এটা তম্বুৰ ভিতৰৰ পৰা অন্য এটা লুট পাত কৰা দলৰ কেইটামান তুৰ্কী সৈন্যই এজনী ছোৱালী ধৰি লৈ আহিল। তাইৰ মুৰত উজ্জ্বল সোণালী চুলি। চকুমুখ চুলিৰে আবৃতা। তাইৰ মুৰত কোনো ওৰণি নাই। লাহি ককালৰ কমৰবন্ধ সোণৰ বনকৰা কাপোৰৰ। সেনাবোৰে তাইক বেড়ি চাবলৈ ধৰিলে। আগতে কোনেও খৃষ্টান তিৰোতা দেখা নাই। ছোৱালীজনীৰ চকুত ধিবুদ্ধি দৃষ্টি।

এইজনী নিশ্চয় কোনোবা খৃষ্টান আমিৰৰ বাদী হ'ব।" পৰভেজে কৈ উঠিল।

হঠাতে কোনোবাই চিঞৰি উঠিল—হেই হচিয়াৰ! হচিয়াৰ!

সচকিত হৈ ওমৰে পিচফালে চাই দেখিলে এদল খৃষ্টান চোৱাৰী সৈন্য প্ৰাণটাকি ঘোৰা চলাই তম্বুবিলাকৰ মাজে মাজে সেইফাললৈকে আহিব ধৰিলে। সিহতৰ গাত লোহাৰ বৰ্ম হাতত কুঠাৰ আৰু তৰোৱাল। এজাক পলৰীয়া সৈনিক। পিচে পিচে যেন যমেহে খেদিছে সিহতক।

ওমৰ তৎক্ষণাৎ নিজৰ ঘোৰাৰ লেকাম দৃঢ়ভাৱে টানি ধৰিলে। পাচ ঠেঙৰ ওপৰত ভৰ দি ঘোৰাই উফাল মাৰি দিয়াৰ লগে লগে ওমৰ পিঠিৰ পৰা চিটিকি পৰিল। মাটিত পৰাৰ লগে লগে ওমৰৰ কান্ধত কিহবাই খুন্দামৰা সি গম পালে। এটা তীব্ৰবেগে যোৱা ঘোৰাৰ পাচঠেঙৰ খুৰা মুৰৰ এক আঙুল ওপৰেদি উফৰি গ'ল। তাৰ মুখত চকুত খুৰাৰ পৰা উফৰি ধুলি সোমাল। চকু মোহাৰি কোনোমতে থিৰ হৈ মন কৰি দেখিলে যে সিহতৰ লগৰ কেবাটাও অনচৰ মাটিত মোচৰ খাই পৰি আছে। লগতে সেই খৃষ্টান ছোৱালীজনী সেই তুৰ্কী সৈন্য কেইটা। ছিণ্ডি ভাঙি পেলোৱা এথোপা ফুলৰ দৰে ছোৱালীজনী মাটিৰ ওপৰত মৰি পৰি আছিল। তাইৰ বগা কপালখন দীঘলীয়াকৈ ফাটি আছিল।

হঠাৎ পৰভেজৰ ওপৰত চকু পৰিল ওমৰৰ। সিও মাটিত দীঘল হৈ পৰি আছে। ওমৰৰ শৰীৰেদি বিজুলী খেলি গ'ল। উধাতু খাই লৰ মাৰি পৰভেজৰ ওচৰ পাই মুৰটো তুলি ধৰিলে। ইতিমধ্যে অন্যান্য অনুচৰবোৰো আহি গোট খালেহি।

পৰভেজ পৰভেজ ভাই তুমি আহত—।

পৰভেজে তাৰ ফালে চাই এক অদ্ভুত হাহি মাৰিলে। ওমৰৰ কথাৰ যেন কোনো অথ নাই। ইয়াচিনক এখন চাফা কাপোৰ আনিবলৈ কৈ ওমৰে পৰভেজৰ এদাতিৰ বন্ধনখন খুলি পেলালে। জখম হোৱা ঠাইৰ পৰা ধাৰাষাৰে তেজ ওলাই ওমৰৰ হাত বুৰি গ ল। কেঁচা-তেজৰ পৰা ওলোৱা পাতল বাষ্প সেমেকা বতাহত বিয়পি পৰিল।

এটা অনুচৰ ওচৰ চাপি আহি কানে কানে ক লে হুজুৰ কৰিবলগীয়া একো নাই। এয়া মৃত্যু।

চাই থাকোতে থাকোতে পৰভেজৰ মুখখন শেতা পৰি গ ল। ডিঙিৰ ঘেৰঘেৰণি শব্দটো কিছুসময় চলি থাকি এবাৰ বন্ধ হ ল।

থিয় হৈ ওমৰে নিজৰ তেজৰঙা হাত দুখনলৈ চালে। ৰ দৰ পোহৰত জুইৰ দৰে উজ্জ্বল ৰঙা হৈছে। ওমৰে হাতখন কাপোৰ এখনত মচি অনিচিতভাৱে চাৰিওফালে চালে। কেইটামান অনুচৰে পৰভেজৰ মৃতদেহ দাঙি তম্বুৰ ভিতৰলৈ নিলে।

দহ

উপত্যকাৰ আনপিনে তেতিয়া চুলতান আৰু আচলানৰ দৰবাৰ বহিছিল। এটা ৰাজপ্রাসাদৰ দৰে প্রকাণ্ড তম্ব তৰা হৈছিল। তাৰ সম্মুখত বাদশাহী নিচান পট পটকৈ উৰিবলৈ ধৰিছিল। চাৰিওফালে শাৰী শাৰীকৈ অসংখ্য সৰু ডাঙৰ তম্ব তৰি ঠাইখন ৰাজপুৰীৰ দৰে জাকজমক কৰি পেলোৱা হৈছিল।

ৰজাৰ তম্বৰ বহল দুৱাৰৰ দুয়োফালে শাৰী শাৰী জঙী আমিৰ বিলাক সশস্ত্রে থিয় হৈ আছিল। ভিতৰৰ আহল বহল কক্ষত ডাঠ গালিছা পৰা আছিল। ঠিক সোমাজত এখন ওখ আসন ৰজাৰ বাবে সাজু কৰি থোৱা হৈছিল। কেউফালে ভাগে ভাগে উজীৰ আমিৰ ওমৰাওসকল উপবিষ্ট হৈ আছিল। আজি বন্দী ৰোমান সম্রাটক চুলতানৰ সন্মুখলৈ অনা হব।

এই সম্পর্কত এটা বিস্ময়প্রদ ঘটনা হৈছে এই যে ৰোমান সম্রাট ডায়োজিনেচ ৰোমানাচ বন্দী হৈছিল এটা সামান্য খৰ্বকায় মুছলমান ক্রীতদাসৰ হাতত। চুলতান আলপ আৰ্চলানৰ ওমৰাও বিলাকৰ ভিতৰত এজন আছিল ছৈয়দুদ্দিন। এওঁ যেতিয়া যুদ্ধ যাত্রা কৰি চুলতানৰ লগত আহে তেতিয়া তেওঁৰ লগত এটা অতি খৰ্বকায় ধূর্ত্ত চকুৰ আপচু ক্রীতদাস আছিছিল। মানুহবোৰে তাক দেখিলেই বেঢ়ি লৈ বান্দৰ নচৰাইছিল। তাৰ চেহেৰা দেখি প্রধান মন্ত্রী নিজাম উল মুল্কে তাক যুদ্ধলৈ যাবলৈ নিদিবলৈকে সিদ্ধান্ত কৰিছিল। সি ৰৰকৈ বাওবাও কৰিলত ৰগৰ কৰি কৈছিল হেৰ তই গৈ কি কৰিবিগৈ। ৰোমান সম্রাটক বন্দী কৰি তইহে আনিবিগৈনে? কথা শুনি এটায়ে হাহিছিল। কিন্তু আল্লাহৰ মজ্জি হলে কি নহয়। এই ক্রীতদাসটোৱেই সম্রাট ৰোমানাচক বন্দী কৰাৰ গৌৰৱৰ অধিকাৰী হল। বিপুল বিক্রমেৰে যুদ্ধৰ প্রথম শাৰীৰ সৈন্যবোৰৰ লগত যুদ্ধ কৰিছিল ৰোমানাচে। লগৰ সকলো সৈন্য মৰি হাজি নিঃশেষ হোৱাৰ পিচতো ভীষণ মূর্ত্তি ধৰি যুদ্ধ কৰি থকা সম্রাট এসময়ত শ্রান্ত ক্লান্ত হৈ পৰিছিল। এনে সময়তে কোনোবাই দূৰৰ পৰা নিক্ষেপ কৰা এদাল মুদ্গৰ আহি মুৰত

লগাত তেওঁ জান হেৰুৱাই গুৰি কটা গছৰ দৰে ঘোঁৱাৰ পৰা বাগৰি পৰিছিল। যদ্ধৰ অন্তত সেইদৰে সংজ্ঞাহীন হৈ পৰি থাকোতেই এই ক্রীতদাসটোৱে পাই জীয়াই থকা মেন পাই হত্যা কৰিবলৈকে ধৰিছিল। এটা আহত তুৰ্কী সৈন্যাই দৰৰ পৰা চিঞৰি যেতিয়া কলে যে সেয়ে ৰোমান সম্রাট সি লগে লগে তেওঁক জৰীৰে আটি আটি বান্ধি পেলালে।

এনেতে তন্ধৰ একাষৰ পৰা ধীৰ গম্ভীৰ সুৰত এটা ৰণভেৰীৰ সুৰ ভাহি উঠিল। চাৰিওফালে শ্রেণীবদ্ধ হৈ থকা চেল্লজুক তুৰ্ক সৈন্যবিল্লাকে বশাফলক ওপৰলৈ তুলি হা হা হা হা ৰৱ কৰি চাদিয়ানা বা বিজয়োল্লাসৰ ধ্বনি কৰি উঠিল। দুটা হাবসী খোজাই ভিতৰ ফালৰ বেৰত থকা পদ্দা খন আতৰাই ধৰি সম্রাটম হৈ থিয় দিলে। চুলতান আলপ আচলান ধীৰে ধীৰে ওলাই আহি সিংহাসনৰ সম্মুখত ৰ লহি। সকলো সভাসদ থিয় দিলে।

কেইটামান সৈন্যাই বন্দী সম্রাট ডায়োজিনেচ ৰোমানাচক লৈ আনিছিল। কাহ পৰি জিন যোৱা নীৰৱতাৰ মাজত সকলোৱে দুইজন সম্রাটৰ ফালে একান্ত আগ্রহেৰে চাবলৈ ধৰিলে। চুলতান আলপ আচলানৰ মুখ ভাব লেশ শুণ্য গম্ভীৰ। ৰোমানাচৰ মূৰত তেতিয়াও যুদ্ধৰ শিৰস্ত্রান গাত লোহাৰ বম। সম্পূর্ণ যুদ্ধৰ সাজ। শৰীৰ ধুলি ধূসৰিত। তেওঁ সাধাৰণতকৈ ওখ, বৃষস্কন্ধ এজন আজনা যোদ্ধাৰ শৰীৰ। দুয়োজন মুখামুখি হৈ এক পলক সময় উভয়ে উভয়লৈ চাই ৰ ল। কাৰো চকুৰ পিৰিকতি নপৰিল। তাৰ পিচত সৈন্যহতে জোৰ কৰি ৰোমানাচক চুলতানৰ আগত আঠ লোৱালে। বইত পৰা হাতীৰ দৰে হাতে ভৰিয়ে ওলমি থকা গধৰ লোহাৰ শিকলিৰ ঝন ঝননি তুলি আঠ লোৱা ৰোমানাচৰ কান্ধত বাওঁভৰি স্থাপন কৰি অলপ সময় ৰৈ থাকিল আলপ আৰ্চলান। ৰোমানাচৰ বগা মুখখন জবাফুলৰ দৰে টক টককৈ ৰঙা পৰিল। যেন সৰবশৰীৰৰ তেজ গৈ মুখত জমা হৈছিল। অস্থিৰ ভাৱে পুনৰ লাহে লাহে থিয় হ ল তেওঁ। এইবাৰ চুলতানৰ আদেশত তেওঁৰ হাত আৰু ভৰিৰ পৰা শৃঙ্খলবিলাক আতৰাই দিয়া হ ল। তাৰ পিচত চুলতানে নিজৰ সোহাতে এখন গালিচাৰ ওপৰত তেওঁক বহুৱাই ল লে। ৰোমানাচে কেউফালে চকু ফুৰাই নিজৰ শত্রুবোৰৰ উল্লসিত কঠোৰ মুখবোৰ চালে। দুয়ো সম্রাটৰ মাজত কি কথা ৰাতৰা হয় তাকে শুনিবলৈ সকলোৱে ব্যগ্র হৈ ৰৈ আছিল। ৰাজসভাত সম্পূর্ণ

নিস্তব্ধতা বিৰাজ কৰিছিল। অলপ আতৰত এটা টাকিয়াত হেলান দি বহি থকা বাচ্চাগ্ৰে শ্ৰেষ্ঠ মালিকদ্বয়হে বিপুল আগ্ৰহেৰে উৎকৰ্ণ হৈ পূব আৰু পশ্চিমৰ দুইজন সম্ৰাটৰ গতিবিধি লক্ষ্য কৰিছিল।

কিছুসময় যোৱাৰ পিচত এবাৰ আলপ আচলানে ৰোমানাচৰ ফালে চাই সুধিলে তোমালৈ মই কেৱাবাৰো শান্তিৰ প্ৰস্তাৱ আগ-বঢ়াইছিলো। তুমি কিন্তু গ্ৰহণ নকৰিলা।

ৰোমানাচে কথাষাৰ শুনি কিবা চিন্তা কৰা দেখা গ'ল। কথাখিনি তেওঁক তজমা কৰি শুনোৱা হ'লত তেওঁ ক'লে মোক তিৰস্কাৰ নকৰিবা। ঈশ্বৰৰ ইচ্ছাত তোমাৰ জয় আৰু মোৰ পৰাজয় হ'ল। এতিয়া তুমি যি ইচ্ছা কৰা সেইমতে কৰিব পাৰা।

চুলতানে পুনৰ সুধিলে আজি তোমাৰ জয় আৰু মোৰ পৰাজয় হৈ মই এইদৰে তোমাৰ বন্দী হোৱা হ'লে মোৰ প্ৰতি কেনে আচৰণ কৰিলাহেতেন।

ৰোমানাচে পুনৰ চিন্তা কৰি উত্তৰ দিলে মই তোমাৰ প্ৰতি কঠোৰ আচৰণ কৰিলোহেতেন

আৰু তোমাক এতিয়া মই কি কৰিম বুলি ভাবা? আলপ আচলানে পনৰ সধিলে।

ৰোমানাচে পুনৰ তেওঁৰ ক্ৰুৰ বাৰৰ ব্যাঘ্ৰ মুখবোৰৰ ওপৰেদি চকুহাল ঘুৰাই আনিলে। তাৰ পিচত ধীৰভাৱে ক'লে তুমি মোক ইয়াতে হত্যা কৰিব পাৰা। অন্যান্য যন্ত্ৰনাদায়ক শাৰীৰিক শাস্তিও দিব পাৰা বা বিনিময়ে বাল্কি তোমাৰ ৰাজ্যৰ ৰাজপথত দেখুৱাই লৈ ফুৰিবা। নহলে মোৰ পৰা মুক্তি মূল্য বিচাৰিবও পাৰা।

আলপ আচলানৰ মেঘবৰণ মুখত এটা হাঁহি বিৰিঙিল। মনে মনে তেওঁৰ এই সাহসী বন্দী সম্ৰাটৰ প্ৰতি অনুকম্পা হ'ল। অলপ পৰ ৰৈ তেওঁ লাহে লাহে ক'লে মই তোমাক কি কৰিম সেই সিদ্ধান্ত কৰিছো।

চাহাজাদা মালিৰ শাহে পিতৃৰ মুখৰ পৰা কি কথা ওলায় শুনিবলৈ উদগ্ৰীব হৈ বাট চালে। মুছলমানৰ জয় হ'ল সচা কিন্তু সেই নিচাপুৰৰ ছাত্ৰৰ ভবিষ্যতবাণী ফলিয়াবলৈ হ'লে ৰোমানাচৰ প্ৰাণদণ্ড হ'ব লাগিব।

চুলতানে ক'লে মই তোমাৰ বাবে মুক্তি মূল্য ল'ম আৰু বছৰি তোমাৰ পৰা এটা কৰ ল'ম। তুমি সসম্মানে নিজৰ ৰাজ্যলৈ উলটি

যাব পাৰিবা।'

এটা দীৰ্ঘশ্বাস লাহে লাহে এৰি দি চাহাজাদা পুনৰ পোন হৈ বহিল।

ইতিহাসত উল্লিখিত আছে যে ৰোমানাচৰ মুক্তি-মূল্য বাবদ ডেৰ নিযুত দিনাৰিয়াচ বা সোণৰ মুদ্ৰা নিদ্ধাৰিত হৈছিল। উভয় সাম্ৰাজ্যৰ ভিতৰত পঞ্চাশ বছৰলৈকে শান্তি প্ৰৱৰ্ত্তিত হ ব লাগিব আৰু বাই জেণ্টাইন সেন্যদলে প্ৰয়োজন হ লেই চুলতানক সহায় কৰিব লাগিব বুলি সন্ধিৰ চত নিণয় হৈছিল। তদুপৰি সকলো মছলমান বন্দীক মুকলি কৰি দিব লাগিব।

এইবোৰ চতেৰে সন্ধি স্বাক্ষৰিত হ লত ৰোমানাচক দৰবাৰত সম্মান সচক ৰাজ আভৰণ দিয়া হ ল। তেওঁক থাকিবলৈ বেলেগে এটা তম্ব দিয়া হ ল। খৰচৰ কাৰণে পোন্ধৰ হাজাৰ স্বৰ্ণমুদ্ৰা উপহাৰ দিয়া হ ল আৰু তেওঁৰ কিছুমান বিষয়া আৰু সোনাপতি মুকলি কৰি দিয়া হ ল।

উল্লেখ আছে যে ইয়াৰ পিচত ৰোমানাচক সস মানে সমদলে নিজৰ ৰাজ্যলৈ যাবলৈ দিয়া হ ল আৰু চুলতানে নিজেও প্ৰায় দুই ক্ৰোশ পথ ঘোঁৰাৰে সঙ্গী হৈ ৰোমানাচক আগবঢ়াই দিলে।

তেতিয়া হিজিৰী ৪৯২। মহৰম মাহ।

আবেলিৰ পৰা ৰাতিলৈকে ওমৰ পৰভেজৰ মতদেহৰ ওচৰত বহি থাকিল। ইতিমধ্যে অনুচৰবিলাকে পৰভেজৰ দেহ পানীৰে ধুৱাই নতুন কাপোৰ পিন্ধাই বগা কফনেৰে ঢাকি দিছিল। পৰভেজৰ শৰীৰৰ কাষত তাৰ প্ৰিয় তৰোৱালখন ৰাখি দিয়া হ ল। প্ৰত্যেকটো কাম ওমৰে নিজে আগত থাকি কৰালে। পৰভেজৰ কাৰণে কৰিবলগীয়া কাম একোৱেই বাকী থাকিব নেলাগিব।

বহুত ৰাতিহে অনুচৰবোৰে এজন পকা দৰীয়া মৌলবী বিচাৰি আনিব পাৰিলে। এটা দকৈ খন্দা কবৰত সন্তপনে পৰভেজৰ দেহ নমাই দি মানুহবোৰে ওপৰত মাটি জাপি দিলে। এক অবাক শোকাকুল

ওমৰ নীৰৱে কাষত থিয় দি থাকিল। শেষবাৰৰ কাৰণে প্ৰিয়তম বন্ধুৰ অসাৰ দেহৰ ফালে চাই ওমৰৰ প্ৰাণে হাহাকাৰ কৰি উঠিল। পৰভেজ ভাই! পৰভেজ ভাই!—

মৌলবীচাহেবো অতিশ্ৰমত ক্লান্ত। কেৰেকৰীয়া শুকান মাতেৰে তেওঁ মৃত আত্মাৰ সদগতিৰ কাৰণে প্ৰাথনা আওঁৰালে। তাৰ পিচত ওমৰৰ ফালে চাই কলে বাছা সকলো জীৱনৰ মূল আল্লাহ। মৰাৰ পিচত সকলো আত্মা পুনৰ কৰুণাময় আল্লাৰ ওচৰলৈ গুছি যায়গৈ। আৰু মহাবিচাৰৰ দিনলৈ ইন্তেজাৰ কৰি থাকে। তুমি দুখ কৰাটো অথহীন। কোনোৱেই সদায় নেথাকে। পবিত্ৰ জমজমৰ পানীও শুকায়।

মৌলবীচাহেব গলগৈ। ওমৰ কিন্তু কবৰৰ ওচৰত এটা শিলৰ ওপৰত বহিয়েই থাকিল।

কবৰৰ ভিতৰত বগা কফনেৰে ঢাক খাই থকা পৰভেজৰ নিষ্প্ৰভ হৈ পৰা মুখখন চকুৰ আগত ভাহি থাকিল ওমৰৰ। কবৰৰ ভিতৰত কিবলাৰ ফালে মুখ কৰি শুই থকা বন্ধু পৰভেজ। বছৰৰ পিচত বছৰ ধৰি তাৰ লগৰীয়া পৰভেজ।

পুৱ আকাশত ধৱলী বৰণ নোহোৱালৈকে ওমৰ বহিয়েই থাকিল হাতত থতৰি গুজি। তাৰ শ্ৰান্ত ক্লান্ত যন্ত্ৰণাক্লিষ্ট মনত পুৱাৰ পোহৰে অলপ অৱকাশ দিলে। তাৰ এই শিলটোৰ দাতিৰ পৰা গুছি যাবলৈ বহুত তকলিফ হব। ইয়াতে পৰভেজ পৰি থাকিব। তাৰ ওপৰত ৰদ পৰিব বৰষণ পৰিব। ইয়াত ঘাহ বন গজিব। ইয়াতে মানুহ ঘেহুধেতি কৰিব পৰা গোহ চপাব।

মাত্ৰ অদশ্য অনন্তৰ পদাৰ সিফালে পৰভেজ ৰৈ থাকিব মহাবিচাৰৰ দিনালৈকে—বহু যুগ—বহু বহু বছৰ—।

ওমৰ এসময়ত থিয় হল। বিদায় পৰভেজ! বিদায়—বিদায় পৰভেজ!

ওমৰৰ ডিঙিৰ গুৰিলৈকে আকুল কান্দোন গুজৰি গুমৰি উঠি আহিল। শৰীৰ এক তম্বু। আত্মা তাৰ ক্ষনিকৰ অতিথি। তম্বু সামৰি তোমাৰ আগবাঢিবৰ সময় হল পৰভেজ ভাই — মই তোমাক লগ ধৰিম বন্ধু সেই অসীম অনন্তৰ পথত— মই ওমৰে—।

লাহে লাহে ওমৰে আঠ লে। তাৰ পিচত চকুলোৰে ভৰা দৃষ্টি ৰ

আকাশলৈ চাই দুই হাত তুলি অস্ফুট স্বৰে গালে—

ফালাক আফজুম জিন্তু না দৰদ কহ।

আই ফালাক লিক গিৰ উ নিক অহ দৰ।

হে প্ৰভু। মোৰ কাৰণে এওঁতকৈ সুন্দৰ কৰি তুমি আৰু কাকো সৃজন কৰা নাছিলা। এতিয়া এওঁক বুকুলৈ চপাই লোৱা প্ৰভু এওঁক ৰক্ষা কৰিবা।

ওমৰ গুছি গ ল।

এঘাৰ

ইয়াৰ পিচত আকৌ এদিন এক নিস্তব্ধ দুপৰ। পুনৰ নিচাপুৰ নগৰৰ ওচৰত দিজ কোহ পৰ্ব্বতৰ মাজৰ সেই নিৰ্জ্জন শৈল শিখৰত ওমলে হাতৰ ঠাৰিৰ ওপৰত ওপৰলৈ মুখকৈ শুই আছিল। চকু অসীম অনন্ত নীলা আকাশৰ বুকুত নিবদ্ধ।

যথাৰীতি কাষত পাখিৰ মাজত ঠোঁট সুমাই নিশ্চিন্তমনে টোপনি যোঁ থকা বেগম আৰু ঠোঁট আৰু নখেৰে পাখিবোৰ চাফা কৰি কৰি বৈ থকা খান।

ওমৰে এতিয়া প্ৰায় প্ৰত্যেক দিনেই সিহতৰ ওচৰলৈ আহে। বহুতদিনৰ মূৰত প্ৰিয় বন্ধু ক লগ পাই সিহতেও পুৱাৰ লগে লগেই পৰ্ব্ব তৰ চাৰিওপিনে উৰি ফুৰেহি। ওমৰক দেখিলেই আহি খাদ্য বস্তুৰ উপহাৰ গ্ৰহণ কৰে। ওমৰৰো হেন কোনো কাম নাই। মাদ্ৰাছালৈ নেযায়। দোকানলৈ নেযায়। আনকি আবু তাহেৰৰ ঘৰলৈও যোৱা নাই। পশ্চিমৰ সেই যুদ্ধ যাত্ৰাৰ পৰা ঘৰি আহি নিচাপুৰ নগৰ সোমোৱাৰ পিচত ওমৰৰ মন অসহ্য নিঃসঙ্গতাৰে ভৰি পৰিল। যেনিয়েই যোৱা যায় অকল পৰভেজৰ স্মৃতি।

ব্যথিত সন্ত ত ওমৰে আশ্ৰয় বিচাৰিলে এই দুটা অমাত প্ৰাণীৰ ওচৰত। সিহত দুটায়ো লগ দিয়ে। ঘণ্টাৰ পিচত ঘণ্টা ওমৰৰ কাষত দুয়োটা বহি থাকে। কেতিয়াবা দুইটা উৰি যায় দূৰ দূৰণিলৈ। কিন্তু কিছু পৰৰ পিচতে পুনৰ দুয়োটা আহি ওমৰৰ ওচৰ পায়হি। ওমৰে হাত বুলাই মৰম কৰে দুয়োটাকে। সিহতৰ গাৰ পৰা ওলোৱা কেচা বনৰীয়া অচিন গন্ধ এটা ওমৰৰ নাকত লাগি থাকে। সেই গন্ধৰ তুলনা এটা ওমৰে মনত পেলাবলৈ যত্ন কৰে। পাহাৰৰ বুকুত সকুযৰ পোহৰে কোনো কালে চুকি নোপোৱা শিলৰ কুৰুণ্ডত কেতিয়াবা কাউৰীৰ চকুৰ দৰে ক লা একো ডোঙা পানী দেখা পোৱা যায়। তাৰ স্থিৰ অচঞ্চল পানীত নীলা আকাশৰ প্ৰতিবিম্ব পৰি থাকে। ৰাতি হ লে হাজাৰ তৰাই সেই পানীত তিৰবিৰায়। ইহতৰ পাখিত সেই পানীৰ গন্ধ।

এই দুটা অমাত পক্ষীৰ বুকুতো মানুহৰ ব্যথাই হয়তো আঘাত কৰিছিল।

খান আৰু বেগম। তহতে নেজান তহত কিমান সখী। তহতেতো যুদ্ধ নকৰ। তহতে ধ্বংস নকৰ। মানুহৰ নিষ্ঠুৰতাৰ গ্লানিয়ে তহতক কোনো দিন স্পৰ্শ কৰিব নোৱাৰে।

কেচা লোহাৰ দৰে কজলা ৰঙৰ চকুজোৰেৰে খানে তাৰ ফালে চায়। তাৰ পিচত পাখি জোকাৰি থিয় হোৱা বেগমৰ গাৰ পাখিবোৰ সি ঠোঁটেৰে সজাই দিয়ে। আও তহতৰ ইটোৰ সিটোলৈ বৰ মৰম! ওমৰে ভাবে।

এদিন চাকিয়ে সুধিছিল ওমৰক খান আৰু বেগমৰ কথা। পৰভেজৰ কথা তাই বিশ্বাস কৰা নাছিল। তাই মানুহ বুলিয়েই ভাবিছিল ইহতৰ। ওমৰে কলত কিন্তু বিশ্বাস কৰিছিল। ওমৰক তাই ধৰিছিল এদিন দেখুৱাব লাগিব।

হঠাৎ চাকিৰ কথা মনলৈ আহিলত ওমৰৰ মনৰ ভাব অন্যমুখী হ'ল। ওমৰ উঠাটি অহা কেবাদিনো হ'ল। কিন্তু পৰভেজৰ ঘৰত গৈ অনুচৰবোৰ আৰু সমুদায় লটৰ বস্তু চমজাই দি অহাৰ পিচত ওমৰে আৰু কাকো দেখা কৰা নাই। পৰভেজৰ স্মতিৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি পলাই ফুৰিছে মাথোন। কিন্তু চাকি আছে। চাকিকতো দেখা কৰিব লাগে। খানৰ যেনেকৈ বেগম আছে তেনেকৈ তাৰো চাকি আছে।

ওমৰ উঠিল। িলৰ ওপৰে ওপৰে জপিয়াই জপিয়াই পৰত ীষৰ পৰা নামি নিচাপুৰলৈ খোজ দিলে। তাৰ পিচত পোন কোবেই আবু তাহেৰৰ ঘৰলৈ গ'ল। ওমৰ সদায় তেনেকুৱা। সি ধাস্ত আৰু কামৰ মাজত সময় আৰু দূৰত্বৰ বাধা মানিব নোখোজে।

বাৰ

ওমৰে সোমায়েই লগ পালে আবু তাহেৰক। বৃধই সৰল হাহিৰে সম্বন্ধনা জনালে।

আহা ওমৰ। তুমি য ধৰ পৰা ঘুৰি অহা সম্বাদ মই পাইছো। কিন্তু তুমি ওচৰলৈ অহা নাছিলা কিয়? এই কেইদিন সদায় মই তোমালৈ অপেক্ষা কৰিছো।

হুজুৰ মই যে মোৰ পৰভেজ ভাইক হেকৰালো। ওমৰে ব্যথিত স্বৰে ক লে।

মই সেইটোও শুনিছো। সেই বিষয়ে তোমাক আৰু মই কি ক ব পাৰো ওমৰ। এটা অপব্যয়। এটা খুব ডাঙৰ লোৰচান। বুঢ়া আবু তাহেৰ এই বুলি কৈ মনে মনে থাকিল। এজন প্ৰবীন দাশনিক আৰু তেওঁৰ প্ৰিয় শিষ্যৰ মাজত নীৰৱ সহানভূতিৰ প্ৰবাহ হ ল। কিছুপৰ ষোৱাৰ পিচত আবু তাহেৰে আকৌ ক লে—

চি চিকাৰ অস্ত নজদ ই উ মচাফ
চি মচাফ অস্ত পীচ ই উ চিকাৰ

যুদ্ধ আৰু চিকাৰ চিকাৰ আৰু যুদ্ধৰ খেলা খেলি খেলি পৰভেজ হাহি হাহি গুছি গ ল। তাৰ বাবে দুয়োটা একে আছিল। চিকাৰেই হওৰ বা যুদ্ধই হওক। এটা সজীৱতা আৰু হাহিৰ ফাৱাৰা বন্ধ হৈ গ ল। যেতেকৈ আমি সকলো এদিন শেষ হৈ যাম

ঠিকেই ওমৰে ভাবিলে। মৃত্যুৰ ৰহস্য ভেদ কৰে কোনে ধুলিৰ ধৰণীৰ ত সহস্ৰ ৰহস্য ভেদ কৰিব পাৰি। অজান আকা ৰ ৰহস্যৰো সন্ধান কৰিব পাৰি। কিন্তু মৃত্যুৰ এই চিৰন্তন ৰহস্য এতিয়াও এন্ধাৰেৰে আৱৰা। আবু তাহেৰে পুনৰ ক লে কিন্তু ৰ বৰ সময় নাই ওমৰ। যিমানদিন জীয়াই থাকিবা সিমানদিন দুনীয়াদাৰি কৰিবই লাগিব। জীয়াই থকা সময়ত গৰীব হৈ কিয় থাকিবা।

বাগ ই উমৰ অত—কী তাজা বাদ মুদাম
ৰৱদা ইস্ত বি বাৰ—!

মোৰ ইচ্ছা—ওমৰ—তোমাৰ জীৱনৰ ফুল বাগান ফলৰ বাগানত

পৰিণত হওক। ই সদায় সতেজ হৈ থাকক। গতিকে বিমগ্নতা ত্যাগ কৰি পুনৰ তোমাৰ কামত লাগিবৰ হ'ল।

তাহেৰে কথা শেষ কৰি ওমৰৰ ফালে চালে। বহি থকাৰ পৰাই হাউলি ওমৰে তাহেৰ চাহেবৰ ভৰি চুই তচলিম কৰিলে। তাৰ পিচত এটা অৱৰুদ্ধ দীৰ্ঘশ্বাস লাহে লাহে এৰি দি গোন হৈ বহিল।

ইয়াৰ পিচত তাহেৰে চাকিক মাতি আনিলে। ওমৰে দেখিলে চাকিৰ মুৰত ওৰণি। অলপ লাজকুৰীয়াভাৱে বগা কাপোৰ পিন্ধা এজনী তন্বী চাকি বাগেকৰ ওচৰত থিয় হ'ল। কিশোৰী চাকি নহয়। ওমৰে বিস্মিত হৈ চাই ৰ'ল। পাতল ওৰণিৰ তলত চাকিৰ কোমল সুন্দৰ মুখ তাৰ চকুত পৰিল।

আব্বাজান মোক মাতিছিলা?

মাতিছিলো চাকি! আমাৰ কাৰণে চৰত পঠাবি। লগতে ওমৰৰ কাৰণে অলপ আহাৰ। ওমৰ বহুদূৰ খোজকাঢ়ি আহিছে। স উ পৰতৰ মাজৰ পৰা তাৰ ঈগল বন্ধুৰ লগত কথা পাতি আহিছে।

ওমৰে আচৰিত হৈ তাহেৰৰ ফালে চালে। তাহেৰ চাহেবে খান আৰু বেগমৰ কথা জানিলে তেনেহ'লে! তাহেৰে হাহিলে— তোমাৰ দুই ঈগল বন্ধুৰ কথা চাকিয়ে মোক কৈছে। মই জানো তুমি সিহতৰ ওচৰলৈকে যাবা। বহুদিন তোমাক পাইছো। তোমাৰ স্বভাৱ মই জানো। মাটিৰ পৃথিবীত আশ্রয় নেপালে তোমাৰ মনে আকৰ্ষণলৈ উৰা মাৰে।

খোজত লয়লাস চ উ তুলি চাকি অন্দৰমহললৈ সোমাই গ'ল। চাকি এতিয়া জানে বাকীবা। বিবাহ যোগ্যা কন্যা।

তেৰ

ইয়াৰ পিচৰ বছৰৰ কথা। মৰুসাগৰলৈ যোৱাৰ বাটত নিচাপুৰৰ পৰা এদিনৰ পথ গৈ প্ৰখ্যাত পণ্ডিত ওস্তাদ আলিৰ ঘৰ।

আলিৰ বয়স সত্তৰৰ ওপৰ। তেওঁ কোৰাণ শ্ৰৱীফখন সম্পূৰ্ণকৈ গাই দিব পাৰে। তাৰোপৰি দেশজোৰা খ্যাতি সম্পন্ন গণিতজ্ঞ।

তেওঁৰ ঘৰত সকলো কথাতে ত্ৰুটিহীন শৃঙ্খলা আৰু নিয়মানৱৰ্ত্তিতা। চোতালৰ জল ঘড়ীটোৰ প্ৰতিটোপাল পানীৰ লগত হিচাপ কৰি থোৱা থাকে তেওঁৰ দৈনন্দিন কাৰ্য্য তালিকা। জলঘড়ীৰ নিৰূপিত সময় অনুযায়ী তেওঁৰ ঘৰৰ সকলো কাম হৈ থাকে। দুপৰৰ নামাজৰ বাবে অজু কৰিবৰ সময় বা দিনৰ তৃতীয় প্ৰহৰত আবেলি কিতাপ নকল কৰাৰ সময়।

জলঘড়ী পাচ নামাজ দুবাৰ আহাৰ দিনটোৰ বাৰ ঘণ্টা। আকাশৰ গ্ৰহ নক্ষত্ৰৰ গতিত কিছু ব্যতিক্ৰম সত্তৰ হলেও ওস্তাদ আলিৰ কাযাসচীত ব্যতিক্ৰম নহয়। খাদ্যৰ তালিকাত সদায় একে আহাৰ। দুটা খেজুৰ বা পেস্তা-বাদাম লগত যোগ দিবলৈ ক বলৈ কাৰো সাধ্য নাই। ডেকা ছাতৰহতে সেইবোৰ মনগলে কেতিয়াবা কিনি আনি লুকাই চুৰকৈ খায়।

কাচিৎ ওস্তাদ আলিয়ে তেওঁৰ পদবীৰ উপযুক্ত গুনাৰ বনকৰা পোচাক পিন্ধি খচ্চৰৰ পিঠিত উঠি নিচাপৰলৈ যায়। মূৰত সযাৰ কিৰণৰ পৰা ৰক্ষা পাবলৈ বহল এটা ছাতি মেলি ল'য়। লগত খচ্চৰ চালক কাফ্ৰী চাকৰ। এটা খেতিৰ পথাৰৰ এদাঁতিয়ে লৰন হুদলৈ যোৱা পথত ওস্তাদৰ ঘৰ। ইয়াতে ওস্তাদে জ্ঞানচৰ্চ্চা কৰিবলৈ আৱশ্যকীয় নিজনতাখিনি পায়।

ইতিমধ্যে তেওঁ এখন গ্ৰন্থলিখি শেষ কৰিছিল। এলজেব্ৰাৰ কিতাপ। কিতাপখনৰ নাম আলজেবৰ বুল মকবোলা বা বিপৰীতধৰ্মী তথ্য সমূহৰ ঐক্যসাধন। চুলতানৰ প্ৰধান উজীৰে সেই মূল্যবান পুথিখন শেষ কৰিবলৈ আজ্ঞা দিছিল। ছাত্ৰবিলাকে তাকে এলজেব্ৰা বুলি উল্লেখ কৰে। ছাত্ৰ যি কেইজন লগত থাকে সিহঁতৰো কাম আছিল নানা ধৰণে ওস্তাদক সাহায্য কৰা। কেতিয়াবা নকল কৰি কেতিয়াবা নানাধৰণৰ অঙ্ক কৰি দি বা সময়ত প্ৰয়োজনীয় তথ্য-পাতি কিতাপ-পত্ৰ বিচাৰি সংগ্ৰহ কৰি দি সিহঁতে তেওঁক সহায় কৰে। তাৰ বিনিময়ত ওস্তাদে আবেলি তিনিঘণ্টা

সিহতক পঢ়ায় আৰু ভৰণ পোষণ দিয়ে। সিহতৰ প্ৰত্যেকৰে নাম ধাম দোষ গুণ আৰু মানসিক শক্তিৰ বিষয়ে ওস্তাদ সচেতন। সিহতক তেওঁ আন্তৰিকতাৰে পঢ়ায়। তেওঁৰ অবিহনে গণিত শাস্ত্ৰৰ চৰ্চ্চা ইহতেই চলাই থাকিব। কিন্তু ওমৰ খায়ামৰ বিষয়ে তেওঁৰ মনত অলপ সন্দেহ আছে। মাত্ৰ দহ মাহহে হৈছে ওমৰ ইয়ালৈ অহা।

ওমৰৰ খুব জটিল সমস্যা সমাধান কৰাৰ এক আচৰিত শক্তি আছে। তাৰ কল্পনা শক্তিও অতিশয় প্ৰবল। কেতিয়াবা সেয়ে ভয়ৰ কাৰণো হৈ পৰে। কল্পনাৰ পথেৰে গণিতৰ অগ্ৰগতি নহয়।

ওস্তাদ আলিয়ে সদায় কয় গণিতেই অজ্ঞানতাৰ পৰা জ্ঞানলৈ যোৱা একমাত্ৰ সেতু। অন্য আৰু একো যোগসূত্ৰ নাই দুয়োটাৰ ভিতৰত।

গ্ৰীক বিলাকৰ গণিত চৰ্চ্চা তেওঁৰ ভাল নেলাগিছিল। অকল অনুমানৰ ওপৰত তাৰ ভিত্তি। কিন্তু প্ৰাচীন মিচৰীয় সকলৰ অঙ্কশাস্ত্ৰ প্ৰশংসনীয়। সিহতেই অঙ্ক উলিয়ালে প্ৰথমে। সেই অঙ্ক শাস্ত্ৰৰ সহায়তে ডাঙৰ ডাঙৰ ঘৰ সাজিলে। পিৰামিড নিমাণ কৰিলে।

এজন ছাত্ৰই এদিন সুধিলে খাজা ইমাম ওস্তাদ আকাশৰ নক্ষত্ৰ সমূহ কি উদ্দেশ্যে নিজৰ নিজৰ পথত গতি কৰে? চন্দ্ৰই আমাক মাহবোৰৰ হিচাপ দিয়ে আল্লাহ তাল্লাৰ নিৰ্দেশমতে পোহৰ দিবৰ কাৰণে সয্য নিজৰ পথত আগবাঢে। কিন্তু নক্ষত্ৰবিলাকে কি কৰ্ম সাধন কৰে?

ওস্তাদ আলি নীৰৱ হ'ল। ছাত্ৰজনে কি বিষয়ৰ অৱতাৰনা কৰিব খুজিছে সেইটো নজনাকৈ উত্তৰ তেওঁ দিদিয়ে। নক্ষত্ৰৰে ভবিষ্যতবাণী কৰা বাজে কথা বুলি তেওঁ জানে। যিবোৰ কথাৰ গাণিতিক কোনো ভিত্তি নাই সেইবিলাক কল্পনাবিলাস মাত্ৰ। কিন্তু খোদ চুলতান আৰু আমীৰ ওমৰাহ বিলাকে জ্যোতিষত বিশ্বাস কৰে। তেওঁ তাৰ বিৰুদ্ধে মতপ্ৰকাশ কৰাটো জ্ঞানীৰ কাম নহব।

ছাত্ৰজনে আকৌ কলে বুধগ্ৰহৰ পাৰদ ধাতুৰ ওপৰত প্ৰভাৱ আছে। সয্যই সোণৰ ওপৰত আৰু চন্দ্ৰই ৰূপৰ ওপৰত প্ৰতিক্ৰিয়া কৰে। গতিকে অন্য নক্ষত্ৰবিলাকৰো বিভিন্ন ধাতৰ ওপৰত কিবা নহয় কিবা ধৰণৰ প্ৰতিক্ৰিয়া থাকিবই।

ওস্তাদৰ সন্দেহ দৃঢ় হ'ল। কোনে জানে নিজামে তেওঁৰ ঘৰটো চোৱাংচোৱা ৰাখিব পাৰে। কাফেৰহতৰ লগত বা যাদুবিদ্যাৰ লগতো

তেওঁৰ কিবা যোগাযোগ আছে বুলি সন্দেহ কৰিব পাৰে।

আনহাতে হয়তো কথাবোৰ সিমান জটিল একো নহ বও পাৰে। বহুতো ছাত্রই স্বাভাবিক কৌতুহল বশতঃ এনেকুৱা প্রশ্ন সোধে। তথাপি সাৱধানৰ মাৰ নাই। চোৰাংচোৱা যে কোনোবা নাই সেইটো কোনে ক ব পাৰে।

ওস্তাদে ওমৰৰ ফালেও চালে। ওমৰে তেওঁৰ বন্ধু ওস্তাদ আবু তাহেৰৰ পৰা পৰিচয় পত্র লৈ এদিন পদব্রজে আহি হাজিৰ হৈছিলহি। গণিতৰ স্বনামধন্য পণ্ডিত হিচাবে তেওঁৰ তলত পঢ়িবলৈ আশা প্রকাশ কৰিছিল। ল ৰাটোৰ চকুত উজ্জ্বল দৃষ্টি আৰু প্রাথমিক প্রশ্নবোৰৰ সন্তোষজনক উত্তৰ শুনি তেওঁ তাক থাকিবলৈ ক লে। ওমৰে কৈছিল যে তাৰ পৃষ্ঠপোষক কোনো ডাঙৰ মানুহ নাই। তাৰোপৰি ওমৰৰ যুজাকুৰ শৰীৰ আৰু চিকাৰী সিংহৰ দৰে প্রচুৰ জীৱনি শক্তি দেখিলে অনমান কৰা যায় যে শিক্ষকতা কৰা তাৰ উদ্দেশ্য নহয়।

গতিকে ওস্তাদে সিদ্ধান্ত কৰিব পৰা নাই যে ওমৰক বিশ্বাস কৰিব পাৰিনে নোৱাৰি।

কিছু সময় ভাবি ওস্তাদে ধীৰে ধীৰে উত্তৰ দিলে ওস্তাদ আলিম আবু ৰায়হান বেৰুনীয়ে তেওঁৰ জ্যোতিষ বিদ্যাৰ কিতাপৰ প্রথম খণ্ডত কৈছে যে নক্ষত্র তত্ব অধ্যয়নৰ দ্বাৰা বা তাক প্রয়োগ কৰি ভবিষ্যতৰ ঘটনা সমূহৰ প্রতি দৃষ্টিপাত কৰিব পৰা যায়। আনহাতে ভবিষ্যতবাণী নকৰাকৈও নক্ষত্র তত্বৰ চর্চ্চা কৰিব পাৰি। কিন্তু নক্ষত্র সমূহৰ গতিবিধি ভালদৰে নজনাকৈ ভৱিষ্যৎ বাণী কৰিবলৈ যোৱা বৃথা।

ছাত্রজনে মূৰ দোৱাই গুৰুদেৱৰ এনে জ্ঞানগভ বাণী শ্রবন কৰিলে। তাৰ কিন্তু নক্ষত্রৰ গতিবিধি জানিবলৈ অকনো আগ্রহ নাছিল। তাৰ গোপন লক্ষ্য আছিল কিবা উপায়েৰে সোণ ৰূপ প্রস্তুত কৰা বিদ্যাফেৰা আয়ত্ব কৰা। লকাই লকাই ওস্তাদৰ সকলো কাকত পত্র চলাখ কৰিও সি এই বিষয়ক কোনো কথা বিচাৰি নোপোৱাত ভাবিছিল যে এনেকুৱা মহামূল্যৱান কথা বাহিৰত লিখি নৰখাই স্বাভাবিক। নিশ্চয় এই কথা ওস্তাদৰ মনতহে আছে। কিবা উপায় কৰি চুকচুকাই গুৰুৰ পৰা এই মন্ত্রফেৰা উদ্ধাৰ কৰিব পাৰিলে তাক আৰু কোনে পায়। গতিকে ভয়ে ভয়ে সি আকৌ আৰম্ভ কৰিলে—

আল মেজেস্তত উল্লেখ আছে যে সূয্যৰ স্বৰূপধাতুৰ ওপৰত প্রত্যক্ষ

প্রভাব আছে। কাৰণ অগ্নিৰ উত্তাপ মুক্তাৰ পৰা আৰু অগ্নিয়েই স্বৰ্ণ বিশ্লেষণ কৰা একমাত্ৰ উপায়। সূৰ্য্যৰ বিকিৰিত ৰশ্মি একত্ৰিত কৰি কোনো বস্তুৰ ওপৰত নিক্ষেপ কৰিব পাৰিলে—

হাত এখন দাঙি ওস্তাদে কৈ উঠিল "ৰ বা ৰ বা তুমি যিয়েৰ কথা কৈছা তাৰ নাম পদাৰ্থ বিদ্যা বা ভূত-তত্ব। নাক্ষত্ৰিক বা পাৰ্থিব যি কোনো পদাৰ্থৰ প্ৰকাৰ আৰু প্ৰকৃতি সম্বন্ধে সেই বিদ্যা। সি গণিতৰ দৰে সঠিক নহয়। আল্লাহতাল্লাই বহিৰগ্নি আৰু অন্তৰায়ৰ সৃষ্টি কৰিছে সেই কথা তোমালোকে জানা। ফলত আমি এই স্থিৰ হৈ থকা পৃথিবীত পানী পাওঁ। পানীৰ পৰাই সকলো জীৱনৰ উৎপত্তি। সেইদৰে আল্লাহতাল্লাই পৃথিবীৰ অন্তভাগত স্বৰ্ণৰ সৃষ্টি কৰিলে। খোদা-তাল্লাই যি বস্তু সৃষ্টি কৰে তাক আনে সৃষ্টি কৰিবলৈ যোৱাটো মুৰ্খামিৰ বাহিৰে অন্য কি হ ব পাৰে?

নিশ্চয় নিশ্চয়। সকলোৱে সন্মতি প্ৰকাশ কৰিলে। গুপ্তবিদ্যা বিচৰা ছাতৰজনো নিমাত হ ল।

আলিৰ নিজৰো সেই বিষয়ে কোনো সন্দেহ নাছিল। বহুত অন্ধজ্ঞানী লোকে কয় যদিও আজিলৈকে ইতৰ পদাৰ্থৰ পৰা কোনেও সোণ তৈয়াৰী কৰি উলিয়াব পৰা নাই। মানহৰ লোভ আৰু অন্ধবিশ্বাসৰ ওপৰত আশ্রয় কৰি বহুতো অল্পবিদ্যাৰ মানুহে এইবোৰ কথা প্ৰচাৰ কৰি ফুৰে। নিজাম উল-মুল্ক আৰু শাহানশা ফুলতানে নিজেও এই কথা মানি লৈছে।

গুৰুৰ লগত অন্য ছাতৰবিলাকে এইবোৰ কথা হৈ থাকোতে ওমৰে এখন বহীত তেতিয়া কিবা কিবি লিখি আছিল। অনেক সময়ত অন্য শিষ্য বৰ্গৰ লগত আলোচনা কৰি থাকোতে ওমৰে কাণ নিদি কিবা কিবি লিখি থাকে।

আজি হঠাৎ উঠি বৃদ্ধ পণ্ডিতে ওমৰৰ লিখালৈ জুমি চালে। দুটা ঘনক্ষেত্ৰ বহুত ৰেখাৰে বিভক্ত কৰি ওমৰে চিত্ৰৰ ওপৰত নানা অঙ্ক সিচি লৈছে।

কি কৰিছা তুমি?

ঘন মূলৰ সম্পাদ্য। ওমৰে চপকৰে উত্তৰ দিলে।

ওস্তাদৰ মনত পৰিল যে সাদিনমানৰ আগতে খায়ামৰ লগত এটা জটিল ঘন মূলৰ সমীকৰণ তেওঁ কৰিবলৈ দিছিল।

কিমান দূৰ হৈছে? তেওঁ সুধিলে।

উত্তৰ ওলাল। ওমৰে ক'লে।

ওস্তাদৰ বিশ্বাস নহ'ল গ্ৰীকবিলাকে এই সমীকৰণ কৰি উলিয়াইছিল। কিন্তু তেওঁ কৰিব পৰা নাছিল। তেওঁ কিয়—সমগ্ৰ মুছলিম জগতৰ কোনো পণ্ডিতেই পৰা নাছিল। তেওঁ কাগজখন হাতত লৈ ওমৰক নিজৰ কোঠালৈ মাতিলে। খিৰীকিৰ কাষত বহি কাগজখন হাতত লৈ তেওঁ পৰীক্ষা কৰিবলৈ ধৰিলে। তাৰ পিচত তেওঁ ক'লে মই একো বুজা নাই। কিন্তু সমীকৰণটো হৈছে। ঘনক্ষেত্ৰবোৰ তুমি সক্ষমভাৱে বিভক্ত কৰিছা। কিন্তু গ্ৰীকবিলাকে যি সিদ্ধান্তত উপনীত হৈছিল সেইটো তুমিও বিচাৰি পাইছা।

গ্ৰীকবিলাকে কেনেকৈ কৰিছিল? ওমৰে আগ্ৰহেৰে সুধিলে।

সেই কথা ময়ো নেজানো।

ওস্তাদৰ মনত পৰিল যে গ্ৰীকবিলাকৰ সিদ্ধান্তৰ এটা নকল তেওঁৰ কাগজ পত্ৰবোৰৰ মাজতে আছে। যদিও সেইটো তেওঁ ওমৰক কাহানিও দেখুৱা নাছিল। তেওঁৰ অনুপস্থিতিত কোনো ছাত্ৰৰে তেওঁৰ কোঠাত সোমোৱা মানা। গতিকে হয় এই সমীকৰণটো ওমৰে নিজে কৰি উলিয়াইছে নহয় লকাই লকাই সেই নকলখন চাইছে। তেওঁ ক'লে

তুমি এই বৰ্গক্ষেত্ৰবোৰ কৰি তাৰে ঘন মূল উলিয়াইছা। এইদৰে তোমাৰ সিদ্ধান্ত তুমি কেনেকৈ পালা?

তাতে উত্তৰ আছে। এই অংশ আৰু এই অংশ আৰু এই অংশ বাদ দি এই অংশ যোগ দিলে— ওমৰে দেখুৱাই গ'ল।

বুজিছো। এয়াতো এলজেব্ৰা নহয়। ইউক্লিডৰ জ্যামিতিহে।

এলজেব্ৰা নহয় সচা। কিন্তু উত্তৰটো আমি পালো। এলজেব্ৰাৰে ঘনমূল উলিয়াব মই নোৱাৰিলো।

ওস্তাদ আলিৰ মুখেদি মিচিকিয়া হাহি ওলাল।

কিন্তু তোমাক সমীকৰণটো এলজেব্ৰাৰেহে কৰিবলৈ দিয়া হৈছিল।

ঠিকেই। কিন্তু ইয়াৰ পৰাই আমি ইয়াক এতিয়া এলজেব্ৰাৰ নিয়মলৈ ৰূপান্তৰ কৰিব পাৰো। এয়া। ওমৰে গুৰুৰ কাষত আঠু কাঢ়ি বহি চিত্ৰটো চাই চাই—অন্য এখন তুলাপাততে শাৰী শাৰী এলজেব্ৰাৰ সংখ্যা লিখি গ'ল। ওস্তাদ আলিয়ে এবাৰ দৃষ্টিপাত কৰিয়েই বুজিলে যে উত্তৰ ওলাল। এতিয়া এই উত্তৰ তেওঁৰ কিতাপত

যোগ দিব পৰা যাব।

তেওঁৰ গাত এক আনন্দৰ শিহৰণ খেলি গ'ল। খাৰেমীয়েও এই সমীকৰণ কৰি উলিয়াব পৰা নাছিল। বা দাদ মাদ্ৰাছাৰ ওস্তাদে তেওঁৰ এই কিতাপ দেখি দাত কামৰি উঠিব।

অন্য এনেকুৱা সম্পাদ্য তুমি কৰি উলিয়াইছানেকি? অলপ ইতস্তত কৰি ওমৰে কলে হয় কৰিছোঁ।

উত্তৰ ওলায়নে?

সাধাৰণতে ওলায়। কেতিয়াবা নোলায়ো। ওমৰে ক'লে।

মই চাব পাৰোনে? ওস্তাদ আলিৰ মাতত এক বিনয় প্ৰকাশ পালে।

ওমৰ অলপ পৰ মনে মনে থাকিল। তাৰ পিচত লাহে লাহে ক'লে মই আপোনাৰ নিমখ খাইছো খাজা ইমাম। আপোনাৰ পদপ্ৰান্তত বহি অনেক জ্ঞান আহৰণ কৰিছো। মোক যিহকে কৰিবলৈ দিছে সাধ্যমতে কৰিছো। কিন্তু এই বাকী সম্পাদ্যবোৰ মোৰ নিজৰ। গতিকে সেইবোৰ মই একমাত্ৰ নিজৰ বাবে ৰাখিব খুজিছো।

ওস্তাদ আলিৰ চকুৰ দৃষ্টি কঠিন হ'ল কি উদ্দেশ্যে ৰাখিব খুজিছা ওমৰ বেন ইব্ৰাহীম?

ওমৰৰ চকুত কোনো বিমূঢ় ভাব প্ৰকাশ পোৱা নাছিল। অকুণ্ঠিত সহজভাৱে পুনৰ উত্তৰ দিলে সেই কথা এতিয়াও মই ক'ব নোৱাৰো কিয়?

ওস্তাদ আলিয়ে সেই উত্তৰ কদাপিও আশা কৰা নাছিল। তেওঁৰ মনৰ সন্দেহ বাঢ়িবলৈ ধৰিলে। ওমৰে বৰ বেছি সহজভাৱে উত্তৰ দিলে। নিশ্চয় কিবা মতলব আছে ওমৰৰ।

ওস্তাদে ক'লে এই অঙ্কৰ নকলবোৰ নিশ্চয় তোমাৰ বাকচত তলা মাৰি থোৱা থাকে?

হয়।

কিন্তু মোৰ দুৱাৰ সদায় খোলা। এনেকুৱা এখন কাগজ নাই যিখন মই তোমালোকক চাবলৈ দিয়া নাই। আনকি গ্ৰীকবিলাকৰ এই সমাধান লিপিবদ্ধ কৰি ৰখা কাগজখনো তোমাৰ কামৰ সঁউ কাগজবোৰৰ মাজতে আছে।

ওমৰে ওস্তাদে দেখুৱাই দিয়া কাগজবোৰৰ ফাললে নেচালে।

মুখতো কোনো কৌতুহল বা বিস্ময়ৰ চিন ফুটি নোলাল। ওস্তাদে ভাবিলে ওমৰৰ প্রত্যুৎপন্নমতিৰ অভাৱ নাই। কুটনীতিজ্ঞৰ আত্মসংযম ওমৰৰ গাত পূণমাত্রাই বিদ্যমান।

ওস্তাদ আলিয়ে সমীকৰণৰ কাগজখন ভালদৰে পৰীক্ষা কৰিলে। প্রথমবাৰৰ বাবে তেওঁৰ দৈনন্দিন কায্যসচীত এটা ব্যতিক্রম ঘটিল আজি। তেওঁ আবেলিৰ দৈনিক বক্তৃতা দিবলৈ পাহৰি গ'ল। তেওঁ ওমৰে কৰা ধৰণে আন এটা সমীকৰণ কৰিবলৈ যত্ন কৰিলে। কিন্তু নোৱাৰিলে তেওঁৰ সুশিক্ষিত মনে জ্যামিতিৰ ভাষাত এলজেব্রাৰ কথা ভাবিব নেজানিলে।

স্বয়ং এভিচেন্নাই কৰিব পৰা নাছিল। অথচ এই খায়ামৰ লৰাই—! তেওঁ অস্ফুটস্বৰে কৈ উঠিল।

কথাবোৰ জটিল। তেওঁৰ গোটেই জীৱনৰ সাধনাৰ ফল এলজেব্রাই সাধাৰণ গণিত শাস্ত্রই নোৱাৰা কাম সমাধা কৰে। এতিয়া এলজেব্রাই কৰিব নোৱাৰা কাম জ্যামিতিয়ে কৰিব পৰাটো প্রমাণ সিদ্ধ হৈ ছে। আকৌ হয়তো এতিয়াৰ মানুহৰ অনুমানাতীত কোনো শাস্ত্রই ত্রৈমাত্রিক জ্যামিতিয়ে নোৱাৰা কামো কৰিব।

মিছামিছি সময়ৰ বাজে খৰচ। কাগজ কলম থৈ দিলে তেওঁ।

এটা পৰা আবেলি অযথা অপব্যয় হ ল। বৃথা কল্পনাত উটি বুৰি ফুৰিছে খায়ামৰ বাচ্চা। সঠিক সনি চিত গণিত শাস্ত্রৰ লগত এইবোৰ কথাৰ কোনো সম্বন্ধ নাই। ওমৰে নিশ্চয় চুৰি কৰি গ্রীক বিলাকৰ সেই সি ধান্তৰ কলটো ল লে আৰু তাৰ পিচত এইবোৰ ভুৱা চিহ্ন আ কি দেখুৱাইছে। হয়তো তাৰ হাতত এনেকুৱা সমীকৰণ কৰি উলিৱা আৰু কোনো কাগজ পত্র নায়েই। সি নিশ্চয় চোৰাংচোৱা। তাৰ বাকচত সেইবোৰ চাগে চোৰাং নথি পত্র। নিচাপুৰলৈ পথাৰলৈ থৈ দিছে।

ওমৰৰ কথা বাদ দি ওস্তাদ আলিয়ে চোতালৰ জলঘড়ীটোৰ ফালে চাই বিচুন্তি হ ল। সন্ধিয়াৰ নামাজৰ সময় হ লহি। অজু কৰিব লাগে।

কিন্তু সেই দিনাৰ পৰা ওমৰৰ প্রতি ওস্তাদৰ মনোভাৱ সম্পূর্ণ বেলেগ হ ল। অন্য শিষ্যবোৰতকৈ ওমৰ যে সম্পূণ বেলেগ শ্রেণীৰ এই বিষয়ে তেওঁৰ আৰু কোনো সন্দেহ নেথাকিল।

তেতিয়াৰ পৰা ওমৰক তেওঁ সাধাৰণ কাযা সূচীৰ অন্তৰ্গত কোনো কাম কৰিবলৈ নিদিয়ে। ওমৰক তেওঁ সম্পূৰ্ণ বেলেগ স্তৰত পঢ়া শুনা কৰিবলৈ সুবিধা কৰি দিলে। মাজে মাজে ওমৰক আলোচনা কৰিবলৈ নিজৰ কোঠালৈ মাতি নিয়ে।

তোমাৰ উদ্দেশ্য কি ওমৰ খায়াম? তুমি আচলতে কি হ বলৈ বিচাৰিছা? এদিন তেওঁ সুধিলে।

ওমৰে ক লে যে সি সেই বিষয়ে একো ভবা নাই। বৰ্ত্তমান সৰ্ব্বপকাৰ জ্ঞান আহৰণৰ চেষ্টা কৰিছে মাথোন।

কিন্তু কি জ্ঞানৰ কথা কৈছা? কি কামৰ উদ্দেশ্যে কেনে ধৰণৰ জ্ঞান? ওস্তাদ আলিয়ে সধিলে। কিন্তু উত্তৰলৈ বাট নচাই নিজেই ক বলৈ ধৰিলে।

এই ক্ষুদ্র পৃথিবীলৈ প্রথমে জ্ঞান আনিলে নবীসকলে। তেখেত সকলক কোনেও শিকাবলগীয়া হোবা নাছিল। তেখেতসকলে ঐশ্বৰিক অন্তদৰ্ষ্টিৰে অদশ্য জ্ঞান আহৰণ কৰি লোকসমাজত বিতৰণ কৰিছিল।

এই ঈশ্বৰৰ প্রেৰিত দত বা পয়গম্বৰ সকলেই পোনপ্রথম জ্ঞানৰ জেউতি বিলাওঁতা। তাৰ পিচতে আহিল দাশনিক সকল। তেখেতসকলে নবীসকলৰ জ্ঞানৰ সূত্র সহজ যুক্তিৰ ভাষাত প্রচাৰ কৰি সাধাৰণ মানুহৰ বোধগম্য কৰিছিল।

পোন প্রথম ঈশ্বৰ প্রেৰিত দত স্বৰূপে যিজন আহিছিল তেওঁ হ ল হজৰত মুছা বা মোজেচ। দ্বিতীয়জন নাজাৰিনৰ যীশু। তৃতীয় জনেই হ ল আমাৰ প্রভু হজৰত মহম্মদ।

এই বিষয়ে কোনো মতভেদ নাই। দাশনিক সকলৰ সম্বন্ধে নানা ধৰণৰ মতভেদ আছে। দাশনিকৰ সংখ্যাও কম নহয়। তেখেত সকলে আমাৰ জ্ঞানৰ ভাণ্ডাৰ নানাভাৱে পূণ কৰি ৰাখিছে।

দাশনিক সকলৰ পিচতে আহিল কবিসকল। কবিৰ কাম যি ধৰণে মহান সেই ধৰণে বিপদজনকো। কাৰণ কবিয়ে কল্পনাৰ সৃষ্টি কৰে। কল্পনাৰ সহায়ত বৃহৎবস্তু ক্ষুদ্র হ ব পাৰে ক্ষুদ্রও বিৰাট হ ব পাৰে। তদুপৰি প্রেম ঘৃণা উল্লাস বিতৃষ্ণাৰ সৃষ্টি কৰি সুক্ষ্ম স্থ ল সকলো উপলব্ধি কৰাব পাৰে।

কিন্তু কল্পনাৰ কুৱলীৰ মাজত কবিসকলে সঘনাই সত্যক হেৰুৱাই পেলায়। গতিকে অনুভূতিক তুষ্ট কৰিব পাৰিলেও মানুহৰ বুদ্ধিমত্তাক

সন্তুষ্ট কৰিব নোৱাৰে। সেইবাবে কবিৰ কাম দাশনিক সকলতকৈ নিম্নস্তৰৰ।

সংসাৰত গণিতেই হৈছে একমাত্ৰ শাস্ত্ৰ যি দৃশ্যমান সত্যৰ সাধনা কৰে। আৰু অচৈতন্য আৰু চৈতন্যৰ পথত সেয়ে সেতুস্বৰূপ হৈ পৰে। আৰু যেহেতু এলজেব্ৰাই হৈছে গণিতৰ স্বীকৃত শ্ৰেষ্ঠ শাখা— গতিকে মোৰ ইচ্ছা তুমি একনিষ্ঠভাৱে ত্ৰৈমাত্ৰিক এলজেব্ৰাৰ অনুশীলনৰ ওপৰত আত্মনিয়োগ কৰিবা।

শিক্ষকৰ আগ্ৰহ দেখি ওমৰ অনুপ্ৰাণিত হ'ল। সি ক'লে 'মোৰ ধাৰণা—আৰু অনেক সম্পাদ্য বিষয় আছে যিবোৰ আমি আজিলৈকে সমাধান কৰিব পৰা নাই। উদাহৰণ স্বৰূপে যদি আমি নক্ষত্ৰসমূহৰ গতিবিধিৰ সম্যক জ্ঞান লাভ কৰিব পাৰো এই গণিত শাস্ত্ৰৰ জৰীয়তেই—

নক্ষত্ৰসমূহ! কিন্তু সেইটো দেখোন জ্যোতিবিদ্যাৰ অন্তৰ্গত কথা। নক্ষত্ৰসমূহৰ প্ৰভাবে কোনোকৈ মানুহৰ ভাগ্য নিৰ্ণয় কৰে তাৰ চৰ্চ্চা। নহয় নহয় মই জ্যোতিষৰ কথা কোৱা নাই। মানুহৰ ভাগ্য গণনাৰ প্ৰতি মোৰ অকনো আগ্ৰহ নাই। কিন্তু জগতৰ—এই বিশ্ব প্ৰকৃতিৰ গছ লতা বন ৰদ বতাহ নদীৰ পানী এই সকলো প্ৰাকৃতিক ক্ৰিয়া প্ৰক্ৰিয়াৰ প্ৰতি যদি আমাৰ জানিবলৈ আগ্ৰহ থকাটো স্বাভাবিক জ্ঞানৰ স্পৃহা বুলি ধৰা হয় তেন্তে আকাশৰ তৰাসমূহৰ গতিবিধি লক্ষ্য কৰাও জ্ঞানো জ্ঞানৰ ভিতৰুৱা হব নোৱাৰে? আৰু সেই কামত যদি যথাযথভাৱে গণিতক প্ৰয়োগ কৰা হয় তেন্তে অনেক নজনা কথাৰ অনাবিষ্কৃত ৰহস্য উদ্ঘাটন হব পাৰে।

কিন্তু সেয়াতো গণিত নহ'ল। সি অন্য এটা বিষয়ৰ চৰ্চ্চাহে হ'ব।

কিন্তু সম্পাদ্য বিষয়বিলাকৰ প্ৰকৃতিতো একেই। তদুপৰি সত্য মুঠেই এক। অকল গণিতৰ কাৰণেই গণিত চৰ্চ্চা উদ্দেশ্যবিহীন কথা। গণিতৰ শক্তিৰে অন্যান্য ৰহস্যৰ অন্ধকাৰ ভেদ কৰি সত্যানুসন্ধান কৰা জানো উচিত নহ'ব?

ওমৰে বুজাবলৈ যত্ন কৰিছিল যে এটা সত্য আৰু আন এটা সত্যৰ মাজত কোনো পাথক্য নাই।

ওস্তাদ আলিৰ চকুৰে মুখে এটা মিচিকিয়া হাঁহি বিয়পি পৰিল। তেওঁ দাবিত হাত বুলাই লাহে লাহে মূৰ জোকাৰিলে। তাৰ পিচত প্ৰবল

আগ্রহেৰে তেওঁৰ ফালে উৎসুক হৈ চাই থকা ওমৰৰ ফালে চাই কলে ওমৰ তোমাৰ বয়স এতিয়াও কম। এইবোৰ বৃথা সপোন ত্যাগ কৰা। এদিন তুমি ভালদৰে বুজিবা যে এখন বিজ্ঞানে যি সত্যৰ দৃষ্টান্ত দাঙি ধৰে সি অন্য বিজ্ঞানে দাঙি ধৰা সিদ্ধান্ততকৈ সম্পূৰ্ণ বেলেগ। এই দৰে অযথা মৰিচীকাৰ পিচত দৌৰি জীৱনৰ মূল্যবান সময় অপব্যয় নকৰাই তোমাৰ পক্ষে ভাল হ'ব।

ওস্তাদে কথা সমাপ্ত কৰিলে। ওমৰ মনে মনে বহি থাকিল। কিন্তু ওস্তাদৰ কথা সি মানি ল'ব নোৱাৰিলে। সত্য অদ্বিতীয় আৰু অবিভাজ্য। ইয়াৰ কেনেকৈ ব্যতিক্রম হ'ব পাৰে?

কিন্তু ওমৰ বিচলিত নহ'ল। সি ধীৰে ধীৰে গণিতৰ সাধনা কৰিবলৈ ধৰিলে। গণিতেই গণিতৰ শেষ কথা হ'ব নোৱাৰে। সেইটো ঠিক। কিন্তু গণিত সম্পূৰ্ণ আয়ত্তলৈ আনিব নোৱাৰিলে অন্য কোনো বিভাগত অনুশীলন সম্ভৱ নহয়। আকাশৰ লক্ষ লক্ষ গ্রহ তৰাৰ ৰহস্যও উন্মোচন হ'ব একমাত্র গণিতৰ দ্বাৰাই। সেই এটা কথা ওস্তাদে ঠিকেই কৈছিল যে গণিতেই অদৃশ্যমান ৰূপ দিয়াৰ একমাত্র উপায়।

কিছুদিন এনেদৰে গ'ল। সেইদিনাৰ পিচত ওস্তাদৰ লগত এনেকুৱা আলোচনা আৰু হোৱা নাছিল ওমৰৰ। কিন্তু গণিতৰ যি কোনো সমস্যাত ওমৰক সহায় কৰি দিছিল ইমাম চাহেবে। ওস্তাদ আলিৰ কঠুৱা মনত ওমৰৰ প্রতি অকনমান স্থান হৈছিল। এই অদ্ভুত ল'ৰাটো ওস্তাদৰ কাৰণে এটা সাথৰৰ দৰে হৈ পৰিছিল। এইটো নিশ্চিত যে তাৰ শক্তি আছে। ওস্তাদৰ বাকী ছাত্রবিলাকৰ কোনো তাৰ সমান নহয়। ইতিমধ্যে অঙ্কশাস্ত্রৰ বিভিন্ন শাখাত ওমৰে ইমানদূৰ আগবাঢ়িছে যে ওস্তাদ মাজে মাজে নিজেই আচৰিত হয়। বিশেষকৈ জ্যামিতি। তেওঁৰ ঘৰৰ চুকত বহুবছৰ অৱহেলিত হৈ পৰি থকা জ্যামিতিৰ কিতাপকেইখন যেন ওমৰৰ হাতত উঠি অলেখ ৰহস্যৰ সন্ধান দিবলৈ মুখৰ হৈ উঠিল। ওস্তাদে মুখেৰে একো নকলেও মনে মনে তাৰিফ কৰে।

তাৰ বাহিৰে ওমৰে কাৰো লগত কথা নেপাতে। ফুৰা সময়খিনিও সাধাৰণতে অকলেই ফুৰে। খোৱা বোৱাত কোনো মনোযোগ নাই। পিন্ধনততো নায়েই। অতিমাত্রাই গম্ভীৰ কাৰণে ওমৰৰ লগ-ভাগো বৰকৈ নাই। অথচ স্বভাব অতি নম্র। ওস্তাদৰ মনত সদায় একেটাই প্রশ্ন—এই ল'ৰাটোৰ উদ্দেশ্য কি? এই ঘৰৰ কোনখন দুৱাৰেদি ওলাই

সি কলৈ যাবগৈ? এনেয়ে দেখাত যি বুজা যায় ওমৰ নিজেও সেই বিষয়ে একো নিশ্চিত নহয়।

এদিন পুৱা এটা মানুহ আহি ওস্তাদৰ ঘৰৰ জপনামুখত থিয় হৈ ওমৰক বিচাৰিলে। ওমৰ গৈ দেখিলে যে চিচাপুৰৰ সিহতৰ দোকানত কাম কৰা মানুহ এটা। নাম হানিফ। হানিফে এটা দুখৰ খবৰ আনিছে। দুদিন আগতে ওমৰৰ চাচাজান ঢকাল। কেইদিনমানৰ পৰাই বুঢ়াৰ অসুখ হৈ আছিল। সেইদিনা গধুলি অচেতন হৈ পৰিল। হেকিম চাহেব আহিল। মাপিত আহি তেজ উলিয়াই দিলে। মূৰ ফুৰণি বেমাৰত মাপিতে শিৰ কাটি তেজ জোখমতে উলিয়াই দিলে ভাল হয়। আগতেও বুঢ়া চাচাজানে তেনে চিকিৎসা কৰিছিল কিন্তু এইবাৰ নেবাচিল।

ওমৰ খবৰ শুনি থৰ হৈ ৰৈ গল। চাচাজানলৈ মনত পৰিল। আচলতে মৰিবৰ বয়স হোৱা নাছিল তেওঁৰ। ওমৰৰ দুগালেদি দুধাৰি চকুলো বৈ গল। ওমৰৰ পিতৃ ইব্ৰাহীম মৰাৰ পিচত এই চাচাজানেই আছিল ওমৰৰ এক মাত্ৰ আপোনজন।

পৰ ভঙ্গ গল। এতিয়া চাচাজানো গলগৈ।

হানিফে ওমৰক সান্ত্বনা দিবলৈ যত্ন কৰিছিল।

ওমৰে লাহে লাহে গৈ নিজৰ থকা ঠাই পালেগৈ। কিতাপ আৰু কাগজবোৰ সামৰি নিজৰ মোনাটোত সমাই ললে। দোল এদালত ওলমি থকা চটা পুৰণি জোব্বাও সামৰি ললে। এখন সতৰঞ্চি আৰু উটৰ লোমৰ এখন কম্বল জাপি মোনাৰ ওপৰতে ওলোমাই ললে। তাৰ পিচত ওস্তাদৰ বাব চাপিলগৈ। চকুত তেতিয়াও পানী।

খাজা ইমাম মোক বিদায় দিব লাগে। ওমৰে কলে।

কি হল ওমৰ?

ওস্তাদে সকলো শুনি বৰ দুখ পাৰিলে। তাৰ পিচত কলে যোৱা ওমৰ ঈশ্বৰ তোমাৰ সহায় হওক। জীৱন আৰু মৃত্যু লৈ বেছি দুখ নকৰিবা। কাৰণ সি অনিবাৰ্য্য। মোৰ ইয়াত থাকি তোমাৰ কি লাভ হল মই নেজানো। কিন্তু মোৰ মনত ভাৰ হৈছে যে তোমাক লৈ ঈশ্বৰৰ কিবা বেলেগ আচনি আছে। সেইটো কি ধৰণৰ হব পাৰ মই নেজানো।

আপোনাৰ বহুত মেহেৰবানী খাজা ইমাম। আপোনাৰ ঋণ মই কোনোদিনে সুজিব নোৱাৰিম। তাৰ পিচত বুকুৰ ওপৰত দুই

হাত বাখি মুৰ দোৱাই ওমৰে ওস্তাদক সম্মান জনালে।

আলহাম দুলিল্লাহ।

ৱ খুদা সপূদমত ! ওমৰ তোমাক মই আল্লাৰ ওচৰত সমপণ কৰিলো।

চৈধ্য

নিচাপুৰলৈ ঘুৰি আহি চাচাজানৰ কবৰৰ কাষত আঠুকাঢ়ি প্রাথনা কৰিলে ওমৰে। প্রাথনা শেষ হোৱাৰ পিচতো বহুত সময় তাত বহি থাকিল। তাৰ পিচত এটা দীঘল বুকুভৰা হুমুনিয়াহ লাহে লাহে এৰি দি ওমৰ থিয় হ'ল।

আৰু ওমৰৰ কোনো বন্ধন নাই। এই সংসাৰৰ বন্ধৰ পথত ওমৰ এতিয়াৰ পৰা একেবাৰে অকলশৰীয়া। পিচলৈ উলটি চাবৰ কোনো প্রয়োজন নাই।

ওমৰে আহিয়েই দেখিছিলহি যে দোকানৰ গাদীত বহি আছে চাচাজানৰ ঠাইত চাচাজানৰ ৰৰপুতেক আৰিফ। এই আৰিফ ভাইৰ লগত ওমৰৰ বুজাবুজি আগৰেপৰাই সীমিত। অতিমাত্রা খৰচী আৰু বেহিছাপী হোৱা কাৰণে বাপেকে আৰিফক কাহানিও গাদীত বহিবলৈ নিদিছিল। চাচাজানে সদায় ওমৰকহে পচন্দ কৰিছিল দোকানৰ কামৰ বাবে। তদুপৰি দোকানখন মূলতে আছিল ওমৰৰ বাপেক ইব্রাহীমৰ। চাচাজানে চলাইছিল আৰু নিজৰ বুদ্ধিৰে ব্যৱসায় অলপ বহলাইছিল। সেই বাবে আৰিফ ভাইৰ আগৰে পৰা ওমৰৰ প্রতি ঈষা

ভাৰ আছিল। এতিয়া ওমৰক দেখি আৰিফে চুচুক চামাক কৰিছিল। কিবা এটা কওঁ কওঁ বুলিও ওমৰৰ গোমোথা মুখ দেখি কবলৈ সাহ কৰা নাছিল।

ওমৰে দোকানৰ পিচফালে থকা নিজৰ কোঠাটোলৈ সোমাই গৈ বিচনাৰ ওপৰত দীঘল দিলে। কিন্তু তাৰ টোপনি ধৰা নাছিল। চাচাজান বিহীন এই দোকানখন তাৰ সম্পূৰ্ণ অচিনাকি যেন লাগিছিল। বহুত ৰাতিলৈকে আকাশ পাতাল ভাবি পৰি থাকোতে এবাৰ সি চাচা জানৰ কোঠাৰ পৰা কেচৰাৰ কান্দোন শুনিলে। ওমৰ সজাগ হৈ উঠিল। তাৰ পিচতে কুণ কুণাই মাকে কেচৰাক পুনৰ শুৱাবলৈ চেষ্টা কৰা শুনিলে। ওমৰে সকলো বুজিলে। আৰিফ ভাৱ তেনেহ লে সপৰিয়ালে আহি দোকান দখল কৰিছেহি। ওমৰে কি ান্দে হাহিলে। ওমৰে লণে লণে এটা সিদ্ধান্তলৈ আহিল। তাৰ পিচত ভাগৰুৱা মন আৰু শৰীৰ অলসভাৱে বিচনাত পুনৰ এৰি দি গভীৰ নিদ্রাত লালকাল দিলে। গবাক্ষ পথেদি নীৰৱ নিশাৰ আকাশৰ বুকুৰ পৰা এটা তৰাই ওমৰলৈ চাই থাকিল।

পৰা সূৰ্য্যে দয়ৰ অলপ পিচতে তাৰ প্ৰিয় কিতাপ কাগজৰ টোপোলাটো আৰু বাঙ্গত তাৰ চিৰসঙ্গী মোনাটো ওলোমাই লৈ ওমৰ তাৰ কোঠাৰ পৰা ওলাই আহিল। আৰিফ আৰু হানিফ উভয়ে আচৰিত হৈ ওমৰৰ ফালে চালে।

আকৌ ক লে ওলালা ওমৰ? আৰিফে সধিলে।

মই ভাবিছো যে মই অলপ দৰলৈ যাত্রা কৰিম ভাইজান। তুমি দোকান চলাবা। ওমৰে ব লে।

কিন্তু দোকানটো তোমাৰ। এই দোকানত মোৰ কি এক্তিয়াৰ আছে? আৰিফে কওঁ নকওঁকৈ ক লে। হানিফে বাকচ খুলি তেতিয়া এখন বহী উলিয়াইছিল।

চাচাজান মৰাৰ আগদিনালৈকে এয়া হিচাব। চন্দ কত নগদ আছে— হানিফে ক বলৈ আৰম্ভ কৰোতেই হাত দাঙি ওমৰে তাৰ কথা বন্ধ কৰিলে। তাৰ পিচত বহীখন বন্ধ কৰি আৰিফলৈ আগবঢাই দি ক লে –

ভাইজান এইখন তুমি লোৱা। দোকানত তোমাৰ পুৰা এক্তিয়াৰ খাটিব। চাচাজানৰ দোকান চাচাজান নেথাকিলে তেওঁৰ পুত্ৰই পোৱা নিয়ম। তাতে তোমাৰ পৰিয়াল আছে সন্তান আছে। তোমাৰ প্ৰয়োজন মোতকৈ বেছি। ওমৰৰ কথাৰ সুৰ স্পষ্ট আৰু চুড়ান্ত। আৰিফ ভায়া আৰু হানিফ আহমেদ দুয়োৰে বিস্ময়ৰ অন্ত নোহোৱা হ'ল। আৰিফৰ চকুত সন্দেহ আৰু অবিশ্বাসৰ চিন ফুটি ওলাল। লাহে লাহে হানিফ আহমেদৰ চকুৰ পৰা বিস্ময়ৰ ভাব আতৰি গৈ ব্যথাৰ চিহ্ন ফুটি ওলাল। ওমৰৰ সি সকলৰে পৰাই পাইছে। ওমৰক সি বুজি পায়। ওমৰে যে এই কথা এনেয়ে কোৱা নাই সেইটো বুজিব'লৈ তাক সৰহ পৰ নেলাগিল।

কিন্তু তোমাৰ কি হ'ব ওমৰ? হানিফে সুধিল।

মই ক'ব নোৱাৰো সেই কথা। ওমৰে সহজ নিলিপ্তসুৰে ক'লে এতিয়া মাথোন মই যাম।

কিন্তু তোমাৰ কথা যে ঠিক তাৰ কি নিশ্চয়তা আছে— ওমৰ ভাই। মই কণ্ট কৰি এই দোকানৰ কাৰবাৰ বঢ়োৱাৰ পিচত যদি তুমি আহি পুনৰ দাবী কৰা— আৰিফে ক'লে। আৰিফে কাৰবাৰ বঢ়োৱাৰ কথা কোৱাৰ লগে লগে হানিফ আহমেদে মুখখন বিদৰাই দিলে। অসহিষ্ণু ভাবে ওমৰে কৈ উঠিল সেইবোৰ অদৰ্কাৰী কথা নকবা আৰিফ ভাইজান। এই হানিফ সাক্ষী থাকিল। তোমালোক দুইজনে গৈ কাজী চাহেবক এই কথা কোৱাগৈ। বাষৰ দোকানৰ দোৱানীটোৰে ওমৰে নিজৰ এই সিদ্ধান্তৰ কথা জনাই সাক্ষী হ'বলৈ ক'লে। তাৰ পিচত বিস্ময়ত হতবাক আৰিফৰ আগেদি পিচলৈ এবাৰো নোচোৱাকৈ ওমৰ যাবলৈ ধৰিলে।

দোকানৰ বাৰীটো পাৰ হৈ যি ঠাইত আলিটো ভাঙ্গ লৈছে সেই ঠাই পাওঁতে পিচফালৰ পৰা লৰি লৰি হানিফে লগ ধৰিলেহি। তাৰ হাতত এটা কাপোৰৰ সৰু মোনা।

ওমৰ এটা বস্তু তোমালৈ চাচাজান খৈ গৈছিল—মোক তোমাক দিবলৈ কৈ গৈছিল।

চাচাজানে দিছিল? কি দিছিল? ওমৰে উলটি চাই সুধিলে।

সৰু মোনাটো আগবঢ়াই দি হানিফে ক'লে এই শেষৰ বাৰ হিচাব হ'বৰ সময়ত তোমাৰ লাভৰ ভাগ চল্লিচটা ৰূপৰ মোহৰ আৰু

কিছু তামৰ মুদ্রা ইয়াত চাচাজানে তোমাক দিবলৈ ৰে লগে থৈছিল। এয়া লোৱা।

ওমৰে চাচাজানৰ শেষ দান দুবাৰ নিজৰ কপালত লগালে। তাৰ পিচত ৰচীদাল টানি মোনাটো খুলি এখামোচ মুদ্রা উলিয়াই হানিফৰ হাতত গুজি দিলে। তাৰ পিছত মোনাটো পুনৰ বন্ধ কৰি ককালৰ কমৰবন্ধত সুমাই লৈ পুনৰ আগবাঢ়িল। চকুৰে নেদেখা হোৱালৈকে হানিফে সি যোৱাৰ ফালে চাই থাকিল।

পোন্ধৰ

নিচাপুৰ নগৰৰ যি ঠাইত আবু তাহেৰৰ অথাৎ চাকিহতৰ ঘৰ সেই ঠাইখিনি চৌক উল কাজাদ বা উটৰ মাংসৰ বজাৰ বুলি জনাজাত। তাত কিন্তু এতিয়া এখনো উটৰ মাংসৰ দোকান নাই। তথাপি কিয়নো সেই ঠাইৰ এনেকুৱা আপচ নাম এটা হ'ল সেইটো এটায়ে নেজানে। আবু তাহেৰ চাহাব বা তেওঁৰ সমসাময়িক কোনো বৃদ্ধ লোকৰ পৰা জনা যায় গজনৱী ৰাজত্বৰ কালত এবাৰ দেশত ভীষণ আকাল হৈছিল। বহুদিন ধৰি উটৰ মাংসৰ বাহিৰে মানুহে বোলে একো খাবলৈ পোৱা নাছিল। তেতিয়া বোলে তাত উটৰ মাংসৰ দোকান বহিছিল। এতিয়া অৱশ্যে সেই গজনৱী ৰাজত্বও নাই আৰু ঈশ্বৰৰ দয়াত তেনেকুৱা আকালো নাই কিন্তু নামটো হ'লে এঠা লুগাদি লাগি ৰ'ল। সেই উটৰ বজাৰৰে এমুৰে চাৰিওপিনে ইটা আৰু শিলৰ দেৱাল দি আগুৰা এখন ফলমূলৰ বাগিচা আছে। দেৱালবোৰ ঠায়ে ঠায়ে খহি মেলি গৈছে যদিও মোটামটি ভালে আছে। অন্তত চাৰিওপিনে পথাচাৰী মানহৰ কৌতুকী চকুৰ দৃষ্টিৰ পৰা বাগিচাৰ ভিতৰখন লকাই ৰাখিব পৰাকৈ উচ্চতা দেৱালবোৰৰ আজিও আছে। এইখন বোলে এসময়ত কোনোবা প্ৰতাপী আমিৰৰ ঘৰুৱা বাগান আছিল। এতিয়া নিচাপুৰৰ গাসনকৰ্তাৰ আদেশত বাগানখন ৰাজহুৱা বুলি ঘোষণা কৰা হ'লত ইয়ালৈ ওচৰ পাজৰৰ নাগৰিক সকল নিজনতা আৰু মুকলি বতাহ বিচাৰি আহে। সাধাৰণতে বয়োজ্যেষ্ঠ পুৰুষ মহিলা সকলেই দুদণ্ড জিৰণি বিচাৰি তালৈ আহে। গছবোৰত ফলমূল লাগি থকা বতৰত পুৱা গধুলি জাকে জাকে সৰু সৰু লৰা ছোৱালীৰ চিঞৰ বাখৰত বাগানখন এনেদৰে মুখৰিত হৈ থাকে যে পৰাপক্ষত কোনো প্ৰাতবয়স্ক মানুহ সেহমূৱা নহয়। সৰুতে ওমৰো বহুবাৰ সেই বাগানলৈ আহিছে।

তেতিয়া গোলাপী জামু আৰু নাচপতিৰ দিন। গতিকে পুৱাৰে পৰা এবাহ লৰা ছোৱালী আহি বাগানৰ ভিতৰত পিয়াপি দি ফুৰিছিল। কিছুমানে গছৰ ডালে ডালে বগাই ফল পাৰিছিল। সিহতৰ হাই উৰুমি

আৰু কলকলনিত বাগানৰ ভিতৰ কলৰৱপূৰ্ণ হৈ আছিল।

চাচাজানৰ দোকানৰ পৰা শেষবাৰৰ বাবে ওলাই আহি ওমৰে সেই বাগানখনৰ ওচৰ পাই অলপ পৰ ৰ ল।

লৰাছোৱালীবোৰে লৰা ধপৰা কৰি আনন্দত কিৰিলি পাৰি ফুৰা দেখি ওমৰৰ মনটো অকাৰণতে ভাল লাগিল। বিষাদৰ ছাঁয়া এই শিশুহতৰ মনত কাহানিও নপৰে। উদ্দেশ্য বিহীন ভাৱে ওমৰে দেৱাল খনৰ ওপৰেদি বগাই জাপ মাৰি বাগিচাৰ ভিতৰ সোমাল। ওমৰে গছৰ তলে তলে লৰাছোৱালীবোৰৰ মাজত ঘৰি ফুৰিবলৈ ধৰিলে। অকনমান ছোৱালী এজনী এঠাইত বহি ফেকুৰি ফেকুৰি কান্দি থকা দেখা পাই তাইৰ ওচৰতে সিও বহিল।

কি হ ল? তইনো কিয় কান্দিছ? ওমৰে কোমল স্বৰে সুধিলে।

কেবাবাৰো সোধাৰ পিচত তাই ক লে যে তাই এটাও গোলাপী জামু পোৱা নাই। তাইৰ লগৰীয়া জেৰিণে পাইছে। মেৰিণেও পাইছে। তাই কিন্তু এটাও পোৱা নাই।

অ সেই কথা। আহ তোক জামু মই পাৰি দিম। ওমৰে তাইক তুলি লৈ এঠাইত অকলশৰীয়াকৈ বহুৱালে। তাৰ পিচত কান্ধৰ মোনাটো মাটিত থহাই থৈ এজোপা গছত নিজেই উঠি গৈ বহুত পকা পকা জামু পাৰি আনিলে। ত ৰ পিচত নিজে তাইৰ ওচৰত মাটিতে বহি তাইক খাবলৈ দিলে। হাতত লৈয়ে কিন্তু তাই প্ৰথমতে চিঞৰি জেৰিণ আৰু মেৰিণবো খাবলৈ মাতিলে। সিহত দুয়োজনী উৰুলীকৃত হৈ আহি ওমৰক বেৰি ধৰিলে। গছৰ গাত আউজি বহি ওমৰে সিহতে টনা আজোৰা কৰি খোৱা চাবলৈ ধৰিলে। খোৱা শেষ হ লত ছোৱালী কেইজনী তাৰ পৰা গ লগৈ। ওমৰ অকল াৰে বহি থাকিল। লাহে লাহে সিহতৰ হাই উৰুমি বাগিচাৰ অন্যফালে গ লগৈ।

শৈশৱ বৰ মনোমোহা। শৈশৱৰ স্মৃতিও বৰ মধৰ। এবাৰ গ লে শৈশৱ আৰু নাহে। ওমৰবো এনে শৈশৱৰ দিন আছিল। তেতিয়া তাৰ বাপেক আছিল। মাকক অৱশ্যে তাৰ মনত নাই।

এনেতে সি আউজি থকা গছজোপাৰ পিচফালৰ পৰা কাৰবাৰ এটা অস্ফুট কণ্ঠস্বৰ শুনি ওমৰে ঘৰি চালে। মুখৰ পাতলীয়া ওৰণি বাওঁহাতৰ আঙুলিৰে অলপ আতৰাই তাৰ ফালে চাই আছে চাকিয়ে।

ভাই ওমৰ! তাক চাকিয়ে মাতিছিল। ওমৰ লাহে লাহে থিয় হ ল।

চাকি!" ওমৰেও প্ৰায় অস্ফুট স্ব'ৰ ক লে। আজি এবছৰৰ পিচত ওমৰে চাকিক এই প্ৰথম লগ পাইছে। আগতকৈ গম্ভীৰ হৈছে চাকি কিন্তু বহুত ধুনীয়া হৈছে।

তোমাৰ ভালনে চাবি? তোমাৰ আব্বাজানৰ ভালনে? ওমৰে সুধিলে।

ভাল। চাকিয়ে উত্তৰ দিলে। তাৰ পিচত অলপ পৰ ওমৰৰ ফালে চাই থাকি আকৌ সুধিলে—

তোমাৰ দিলত কিবা দুখ আছে ওমৰ। তোমাৰ সকলো খবৰ ভালতো?

ওমৰৰ মনটো সেমেকি উঠিল। এই সৰু চাকিয়ে তাৰ দুখৰ খবৰ বিচাৰিছে। সি ক লে—

মোৰ দুখৰ খবৰ কিমান শুনিবা চাকি। পৰভেজ ভাই গ ল। এতিয়া চাচাজানো গ লগৈ।

চাকিৰ বৰ বেয়া লাগিল। তাই জানে যে চাচাজানৰ বাহিৰে ওমৰৰ আৰু কোনো আপোন মানহ নাছিল। তাই গভীৰ সহানুভূতিৰ চকুৰে ওমৰলৈ চালে। দেখিলে ওমৰৰ কান্ধত তাৰ চিৰসঙ্গী মোনাটো। আজি এবছৰৰ আগতে ওমৰ যিদিনা ওস্তাদ আলিৰ ঘৰলৈ যাত্ৰা কৰিছিল সেইদিনাও তাৰ কান্ধত এই মোনাটোকে দেখিছিল তাই। তাই সেইদেখি সুধিলে—

তুমি এতিয়া ক ৰবালৈ যাব খুজিছা নেকি?

চাকি মোৰ এতিয়া ইয়াত কোনো নাই। চাচাজানৰ দোকানখন পুতেক আহি চমজি লৈছে। গতিকে মই এতিয়া কিছদিন ফুৰিম বুলি ভাবিছো।

কিন্তু যাবা ক লৈ?

মই ক ব নোৱাৰো চাকি। এই বহল পৃথিবীত ক'ৰবাত হয়তো মোৰ বাবে এটুকুৰা নিৰ্দ্দিষ্ট ঠাই আছে। মই বিচাৰি চাব লাগিব। ওমৰে ক লে। চাকিয়ে অসন্মতিসচক ভাবে মুৰ জোকাৰিলে—

সেইটো কেনে কথা! তুমি দৰৱেশৰ দৰে ঘৰি ফুৰিবা? ঘুৰি ফুৰিলেই কাম হ ব? তোমাৰ সেই নক্ষত্ৰ—কি কৈছিলা নামটো। সেই যে তৰাৰ ঘৰৰ কি হ ব?" তাই সুধিলে।

ওমৰৰ মনত পৰিল যে বহুত দিনৰ আগতে সি তাইৰ আগত

তাৰ কল্পনাৰ নক্ষত্ৰ নিৰীক্ষনাগাৰৰ কথা কৈছিল। তাই গাহৰি সুন্দৰ এটা নাম দি গেলালে তৰাৰ ঘৰ। সি মুৰ দুপিয়াই কিছু সময় ভাবি ভাবি লাহে লাহে ক'লে—

দৰৱেশৰ দৰে হ'ব পৰা হ'লে ভালেই আছিল চাকি। সিহতৰ কোনো আকাংক্ষা নাই। সিহত সখী। কিন্তু মোক বহুত বস্তুৰ দৰকাৰ—মোক এটা নক্ষত্ৰ নিৰীক্ষনাগাৰ দৰকাৰ আৰু কিবাকিবি চেৰ। দৰবেশবোৰ সেইদেখি এবাৰ গ'লে ঘুৰি নাহিলেও হয়। মই হয়তো ঘুৰি আহিব লাগিব।

চাকিয়ে ভাল পালে। ওমৰ আকৌ ঘৰি আহিব।

কেতিয়া আহিবা? তুমি য এইদৰে যাবণৈ খুজিছা সেইটো মই ভাল পোৱা নাই। তাই সৰল ভাৱে ক'লে।

ওমৰে তাইৰ চকুলৈ চালে। চাকি ওখ হৈছে। চাকিৰ সৌন্দৰ্য্য বহুত বাঢ়িছে। কিন্তু তাইৰ ক'লা চকুৰমণিত এতিয়াও শিশুৰ সৰলতা। এই যে অলপ আগতে সি গোলাপী জামু পাৰি দিছিল অকণমান ছোৱালীজনীৰ চকুৰ দৰেই চাকিৰ চকু। ওমৰে হাহিলে।

মই নেথাকিলে মোৰ কথা তোমাৰ মনত পৰে চাকি?

খু উ ব। তুমি নেথাকিলে মই তোমাৰ কথা খুব ভাবো। কিন্তু তুমি থাকিলেও মই তোমাৰ কথা ভাবোৱেই।

ওমৰে আকৌ হাহিলে। তাৰ পিচত ক'লে—

ঠিক আছে তেন্তেহ'লে! মই আহিম চাকি। কেতিয়া আহিম ক'ব নোৱাৰো। কিন্তু ইয়াৰ পিচত যেতিয়া মই নিচাপুৰলৈ ঘৰি আহিম তেতিয়া তুমি আৰু মোক কেতিয়াও যাবলৈ নিদিবা।

ষোল

নিচাপুৰৰ পৰা পশ্চিম মুৱা হৈ যাত্ৰা কৰা এটা বেপাৰী কাৰাভানৰ লগত চাৰিদিনে বাটকুৰি বাই এদিন গধূলি ওমৰ আহি টছ নামৰ এখন সৰু নগৰত উপস্থিত হ'লহি। কাৰাভানৰ উটচালক গোলাম আহমেদ ওমৰৰ আগৰে পৰা পৰিচিত লোক। এই চাৰিদিন সিয়ে ওমৰক খাব'লৈ দিছিল। মাজে মাজে এটা উটৰ পিঠিত উঠিবলৈও দিছিল। টুছনগৰ পায়েই এটা ৰূপৰ দিৰহাম গোলাম আহমেদৰ হাতত গুজি দি ওমৰে কাৰাভানৰ লগ এৰিলে।

ঘন খেজুৰ বনৰ মাজে মাজে কিছুমান দালান। খেলিমেলিকৈ সজা মাটিৰ বেৰ আৰু খেজুৰ পাতৰ চাউনিৰে জুপৰি ঘৰ আৰু সিচৰিত হৈ থকা কিছুমান চামৰাৰ তম্ব। ওমৰ আহি পোৱাৰ সময়ত জোনাক ৰাতি। জোনাকত খেজুৰগছৰ ছায়াঘন পৰিবেশত অকনমান টছনগৰ সাধুকথাৰ মায়াপুৰী যেন লাগিল ওমৰৰ। দিনৰ প্ৰখৰ তাপৰ পাচত গধূলিৰ এই জোনাক আৰু ৰিব ৰিবকৈ বলিবলৈ ধৰা এজাক বতাহত জুমে জুমে মানুহ বহি কথা বতৰা পাতি জিৰনি লৈছিল। অন্য বহুতো কাৰাভান বিভিন্ন দিশৰ পৰা আহি তাত গোট খাইছিলহি।

ওমৰে খেজুৰ গছৰ মাজে মাজে অকাই পকাই যাবলৈ ধৰিলে। ওমৰৰ বৰ ভোক লাগিছিল। এতিয়া ৰাতিটোৰ কাৰণে নিশ্চিন্ত আশ্ৰয় লাগে। ওমৰে ঠিক কৰি পেলাইছিল যে যেনেকুৱা ঠাঁয়েই নহওক ইয়াত দুদিনমান থাকিব। তাৰ পিচত এই মৰুনগৰীৰ কোন দিশৰ পৰা ভাগ্যৰ হাত বাউল দেখিবলৈ পাব কোনে জানে।

জুম পাতি খোৱাৰ যোগাৰ কৰা বা কথা পাতি শুই বহি থকা মানুহবোৰৰ মাজে মাজে আহি থাকোতে কোনেও ওমৰৰ ফালে মুৰ তুলিয়ে চোৱা নাছিল। খেজুৰ গছত বান্ধি থোৱা উটৰ নেথনি-ফোপনি আৰু কেৰেচ কেৰেচ কৈ সিহতে দানা খাঁওতে হোৱা শব্দ। মাজে মাজে দুটা এটা ঘোৰাৰ হ্ৰেষা ধ্বনি। মানুহৰ কথা পতাৰ মৃদু গুঞ্জন। বতাহত ওলমি থকা ৰন্ধা মাংসৰ গোন্ধ।

ওমৰ সেইবোৰৰ মাজেদি পাৰহৈ টুছনগৰৰ মাজ ভাগত থকা

দোকান বজাৰবোৰ পালেহি।

ওমৰে দেখিলে যে দোকান বুলিবলৈ মাত্ৰ এখনেই। তাৰ সন্মুখতে নিকা চোতাল এখনত ভেৰাৰ চামৰাৰ আসন পাৰি দুজন তিনিজন মানুহৰ একো একোটা দল খাবলৈ বহিছে। এটা বুঢ়া দোকানদাৰ ভিতৰৰ খাটিয়া এখনৰ ওপৰত বহি বহি নিৰ্দেশ দি আছে। সেইমতে কেই টামান দাৰি গোফ নঠুটিৱা লৰাই মানুহবোৰক খাবলৈ বস্তু দিছে। ওমৰ নিজেও গৈ এমুৰে বহিল। অলপ জোনাক আৰু অলপ দোকানৰ ভিতৰৰ পৰা অহা চাকিৰ পোহৰ তাৰ গাত পৰিল। লগে লগে এটা ল'ৰা অহি তাৰ ওচৰ পালেহি।

আই মোচাফিৰ দোকানত গমধানৰ ৰুটি আছে আৰু চমকোৰ ভেৰাৰ মাংস আছে। আনিমনে?

ওমৰে আনিবলৈ কলে। লৰাটোৱে ডাঙৰ শিলৰ বাতি এটাত এবাতি মাংস আৰু দুটা গমৰ ৰুটি আনি তাৰ আগত থলেহি। নিজৰ মোনাটোৰ ওপৰতে হেলান দি বৰ আৰামত বহি খাই খাই চাৰিওপিনৰ মানুহবোৰ চাবলৈ ধৰিলে ওমৰে।

ওমৰৰ ঠিক সন্মুখতে বহা পাচজন মানুহৰ দলটোৰ এজন মানহৰ ওপৰতে সকলোৰে চকু নিবদ্ধ আছিল। মানুহজন আৰৰ। গাত দামী সাজপাৰ। কিন্তু সেইবাবে ওমৰৰ চকু তেওঁৰফালে যোৱা নাছিল। মানুহজনৰ চেহেৰাইহে সকলোকে আকৃষ্ট কৰিছিল। ইয়াত যিমান মানুহ গোট খাইছে—আনকি ওমৰে আজিলৈকে যিমান মানুহ দেখিছে সকলোতকৈ এই মানহজন ওখ আৰু শকত। সাধাৰণতে আৰৰ মানহবোৰ ওখই। সকলো কিন্তু এই মানুহজনৰ কান্ধৰ তলতে থাকি যায়।

ওমৰে লক্ষ্য কৰিলে যে এই দৈত্যাকৃতি মানহজনৰ মুখখন কিন্তু সুন্দৰ আৰু ৰঙীয়াল। মাজ মাজে খাই থকাৰ পৰাই চিঞৰি বুঢ়া দোকানদাৰক সোধে শ্বেখ আখটাৰ—তোমাৰ গোস্তৰ কেৰাহী চুচি পেলালানেকি? এই পিনে যে বেচেৰা মহম্মদ ভাল্লে শুকান ৰুটি ডিঙিত লাগি মৰিব ধৰিছে। এজন ইমানদাৰৰ ইয়াত মৃত্যু হলে তোমাৰ ওনাহ নহব জানো?

লগে লগে শ্বেখ আখটাৰে চিঞৰ বাখৰ লগাই দিয়ে — এই বচিৰত —এই এই —হাচেম —তহতৰ চকুৰ মুৰ খালি খালি নেকি? তহতে

নেদেখনে মহম্মদখানে শুকান কটি খাই কষ্ট পাইছে। তহঁতৰ ভৰিৰ গাথিত বেমাৰে ধৰিজেমেকি যে খৰকৈ খোজ দিব নোৱাৰ। শেষ কৰি দিজি তহঁতে মোক শেষ কৰি দিলি। মোৰ দোকান চলাবলৈ আহিছ ? —ইবলিচৰ পোৱালীহঁত।

ইতিমধ্যে বচিৰত আৰু হাচেম দুইটাই মাংস নি প্ৰায় একে সময়তে মহম্মদৰ থালত ভালি দিছিল। বেচেৰা মহম্মদ বোজাটোৱে এইবাৰ দুইহাত দাঙি চিঞৰি উঠিল—

হা হা কৰ কি! কৰ কি! আৰে মই ডুবি যাম। এইবাৰ গুনাহ লাগি জৰুৰ মৰা পৰিবি বাচাহঁত। ঠিকেই কৈছে শেখ আখটাৰে—তহঁত দুইটা খুদে ইবলিচ।

মানুহবোৰে হা হাকৈ হাহি উঠিল। খুদে ইবলিচ দুইটাই অথাৎ কাম কৰা ল'ৰাদুটায়ো সেই হাহিত যোগ দিলে। ঠাইখন আনন্দৰে ভৰি উঠিল। এটাইতকৈ বেছি হাঁহে বেজাখানে। সেই ওখ ডাঙৰ মানুহজনে।

খাই উঠি মানুহবোৰ সকলো নিজৰ ঠাইৰ পৰা উঠি আহি বেজা খানৰ চাৰিওফালে গোট খালেহি। প্ৰাচ আৰবী কায়দাত মানুহবোৰ গোলাকৃতি হৈ বহিল। সকলোৰে গাত আৰবী সাজপাৰ। বগা জোব্বা। ককালত কলা চছ বা আৰবী কমৰবন্ধ। মূৰৰ বগা শিৰোধান ক'লা ফিটাৰে কপালত বন্ধা। মানুহবোৰে কথা পাতিবলৈ ধৰিছিল চোস্ত আৰবীত। চুটি চুটি বাক্যৰে কথা পাতি থকা মানুহবোৰৰ কণ্ঠধ্বনি ওমৰৰ কাণত পৰিছিল। মানহবোৰে কিবা ব্যৱসায়ৰ কথা পাতি আছিল।

খোৱা শেষ কৰি সি চোৰাহীৰ পানীৰে হাত চাফা কৰিলে আৰু কাপোৰত হাত মুচি মুচি দোকানদাৰৰ ওচৰলৈ গৈ খোৱা বস্তুৰ দাম দিলে। তাৰ পিচত নিম্নস্বৰে দোকানীক সুধিলে—

এই যে বহি আছে বেজা খান চাহাব ক'ৰ মানহ?

দোকানীয়ে ওমৰৰ ফালে এনেকুৱাৰে চাই মূৰটো ল'ৰালে যেন বেজাখানক চিনি নোপোৱাটো ওমৰৰ বাবে চূড়ান্ত বেআক্কেলৰ কথা হৈছে। পিচতহে লাহে লাহে ক'লে বেজা খান চাহেবক চিনি নোপোৱা যদি তুমি নিশ্চয় এই অঞ্চলৰ মানুহ নহয়। বেজা খান ইবন খলদুন পৰাক্ৰমী তাজিক আৰব বিলাকৰ অধিপতি। এওঁৰ দৰে ধনী আৰু পৰাক্ৰমী মানুহ সমগ্ৰ দেশত নাই। মানুহজনো বৰ ভাল।

মাজে মাজে ইয়াতৈ দলে বজে আছে। দুদিন এদিন ইয়াৰ দোস্তহতক লৈ খুব খানা পিনা কৰে। ফুৰ্ত্তি তামাচা নাচ গান কৰে—তাৰ পিচত হাৰা হৈ যায়।

সফৰে পৰা ওমৰে তাজিক আৰৰ বিলাকৰ কথা শুনিছে। আৰৰৰ মকভূমিৰ এটা বেদুইন উপজাতি। অতি দুৰ্দ্ধৰ আৰু নিৰ্দ্দয় বুলি সকলো ঠাইতে জনাজাত। বেজাখানৰ ফালে চাই ওমৰৰ কিন্তু নিৰ্দ্দয় বুলি ধাৰণা নহল। দোকানী শ্ৰেখ আখটাৰে আকৌ কলে—

খান চাহেবৰ দোৱাতে আমি টুছ নগৰৰ মানুহ খুব শান্তিত আছো। টছৰ চাৰি সীমাৰ ভিতৰত কোনো ধৰণৰ খুন খাৰাবী লুট-পাত নিষেধ কৰি তেওঁ ফতোৱা দিছে। গতিকে ইয়াত সকলো নিৰাপদ। কোনোবাই সেই আদেশ লঙ্ঘণ কৰিলে তাজিক আৰৰৰ দুষ্মনি হ'ব বুলি কৈছে। নিজৰ জানমৰে মাৰা থকা কোন মানহে জানি শুনি তাজিক আৰৰৰ দুষ্মনি গোটাই লব?

টছনগৰৰ প্ৰতি ইমান দয়াৰনো কি কাৰণ তাজিকসকলৰ?'

এই টছতে চাৰিওফালৰ পৰা আৰৰ উপজাতীয় মানহ আহি বেহা বেপাৰৰ বাবে গোট খাইছে। তুমি দিনত দেখিবা কালিলৈ কিমান ডাঙৰ বজাৰ বহে। বচোৱাৰ কাপোৰ বোৱাৰাৰ বাচন বৰ্ত্তন চমৰখণ্ডৰ গালিচা চীনা বেচমী কাপোৰ আৰু কত কি! উপজাতীয় লোকবিলাকে চৰ কিনা-কুটা বস্তু বিনিময় ইয়াতে কৰে। গতিকে টছত গোলমাল হলে সকলোৰে অসুবিধা।

ওমৰে বুজিলে। ওমৰৰ বৰ ভাগৰ লাগিছিল। টোপনিও ধৰিছিল। দিনটোৰ পৰিশ্ৰমৰ পিচত অলস মনটোৱে আৰু একো চিন্তা কৰিব খোজা নাছিল। ওমৰে দোকান ঘৰৰ ভিতৰখন চালে। দোকান ঘৰ বুলিবলৈ তিনিপিনে বেৰ আৰু সম্মুখৰ ফালে খোলা এখন চাপৰ চালি। সিও প্ৰশস্ত নহয়। নাঃ—দোকানীক কৈ একো লাভ নাই। ওমৰে মোনাটোৰ বচীদাল কাজল সুমাই লৈ দোকান ঘৰ এৰি খেজুৰ গছৰ মাজে মাজে যাবলৈ ধৰিলে।

ফৰিংফুটা জোনাকত ভৰিৰ তলৰ বগা বালি ধকধকীয়া বগা হৈ জিলিকিছিল। তাৰ ওপৰত খেজুৰ গছৰ দীঘল দীঘল ছাঁয়া। পথশ্ৰান্ত ওমৰে নিৰুদ্বেগচিত্তে এজোপা গছৰ তলত বালিৰ ওপৰত সতৰঞ্চিখন পাৰিলে। তাৰ পিচত মোনাটোক পিঠাম কৰি লৈ উটৰ

নোমৰ কম্বলখন লৈ শুই পৰিল। প্ৰায় শোৱাৰ লগে লগে তাৰ টোপনি আহিল।

কিমান সময় হৈছিল ওমৰে ঠিক ধৰিব নোৱাৰিলে। কিন্তু কাৰবাৰ মাত শুনি ধকমকৈ উঠি বহিল। প্ৰায় চাৰিহাতমান দূৰত থিয় হৈ এটা আৰব মানুহে ওমৰক মাতিছে। ওমৰ উঠি বহাত মানুহটোৱে হাতেৰে পিচফালে আঙুলিয়াই দেখুৱালে। ওমৰ মুহূৰ্ততে সজাগ হৈ জাপ মাৰি থিয় হ'ল। দেখিলে অলপ দৰত বেজাখান আৰু লগৰ আৰব বিলাক থিয় হৈ তাৰ ফালে চাই আছে। মানহটোৰ ইঙ্গিত পাই ওমৰ মানুহবোৰৰ ওচৰ চাপি গ'ল।

তুমি ক'ৰ মানহ মোচাফিৰ ক'ৰ পৰা আহিছা? প্ৰশ্নটো আহিল বেজা খানৰ পৰাই।

ওমৰে ক'লে। মানুহবোৰে ওমৰৰ ফালে মনোযোগেৰে চাই আছিল। বেজা খানে পুনৰ সুধিলে—

তোমাক দেখিলে কিনা-বেচা কৰিবলৈ অহা মানুহ যেন নালাগে। তুমি কি কাম কৰা?

ওমৰে ক'লে যে সি একো নকৰে। সি এজন ছাত্ৰহে। বেজা খানৰ কৌতুহল বাঢ়িল। মানুহবোৰৰ পৰাও বিস্ময়ৰ দুটা 'এটা শব্দ উঠিল।

কি উদ্দেশ্যে টুছলৈ আহিছা তেনেহ'লে—?

ওমৰে আকৌ জনালে যে তাৰ বৰ্ত্তমান একো উদ্দেশ্য নাই। চফৰ অৰ্থাৎ ভ্ৰমণেই তাৰ উদ্দেশ্য।

আলাইহি! কিন্তু তুমি ইয়াত শুই আছিলা কিয়—তোমাৰ জানো নিজৰ জানটোলৈ অকনো মমতা নাই?

"মোক দোকানীয়ে কৈছে যে টুছত কোনো ধৰণৰ খুন বাহাজানি লঠতৰাজি চলিব নোৱাৰিব বুলি আপুনি ফটোৱা জাৰি কৰিছে হজৰত। গতিকে মই নিভয়ে শুই পৰিছিলো। ওমৰে সৰল ভাৱেই কথাষাৰ ক'লে।

"বেচক বেচক—জৰুৰ সেই কথা! বেজাখানে কোৱাৰ আগতে অন্য এজনে কৈ উঠিল। বেজাখান কথাষাৰ শুনি খুব খুচী হোৱা দেখা গ'ল। তেওঁ আকৌ সুধিলে—

তোমাৰ নাম কি?"

মোৰ নাম ওমৰ।'

আচ্ছা ওমৰ তুমি ঠিকেই ভাবিছিলা। আল্লাৰ ৰহমত মই সেই ঘোষণা কৰাৰ পিচত টুছত কোনো ঘটনা এতিয়ালৈকে ঘটা নাই। কিন্তু তুমি মৰুভূমিৰ জানোৱাৰ বিলাকৰ কথা ভবা নাইনে? ইয়াত জাকে জাকে কুকুৰনেচীয়া বাঘ ঘৰি ফুৰে। মাজে মাজে নাহৰ-ফুটকী বাঘ আৰু সিংহও ওলায়। সিহতেতো মোৰ ফটোৱা নেমানে।

ওমৰে এইবাৰ কি ক ব একো ভাবি নেপালে। এই জোনাক আৰু খেজুৰ পাতৰ ছায়াৰ মাজত যে মৃত্যুয়ে নানাধৰণে তহল দি ফুৰে সেই কথা ওমৰে সচাকৈয়ে ভবা নাছিল। ওমৰ মনে মনে ৰৈ থাকিল।

তাতকৈ তুমি মোৰ লগত আহা। আজি ৰাতি আমাৰ মেহমান হ বা। কুকুৰনেচীয়াৰ পেটলৈ যোৱাতকৈ সেইটো নি চয় ভাল হ ব। কি কোৱা? ৰেজাখানে কৈ হাহিলে। মানুহবোৰেও হাহিলে।

বাক্যব্যয় নকৰাকৈ বিচনাখন সামৰি মোনাত ও লামাই লৈ ওমৰে মানুহবোৰৰ পিচে পিচে যাবলৈ ধৰিলে।

পিচদিনা পুৱা শুই উঠোতে ওমৰৰ বেলি হৈছিল। তম্বুৰ খিৰিকীৰ ফুটাৰে মৰুসয্যৰ এচেৰেঙা ৰ দ আহি ওমৰৰ গাত পৰিলতহে ওমৰে সাৰ পালে। এটা আহল বহল তম্বৰ ভিতৰত ওমৰ অকলে শুই আছিল। তম্বত ৰাতি বহুত মানুহ শুইছিল। এতিয়া কোনো নাই। সকলো আগেয়ে উঠিল। বেৰৰ দাতিয়ে দাতিয়ে এখন দীঘল গালিচা পাৰি থোৱা আছিল। ৰাতি তাতে মানুহবোৰ শুইছিল। এতিয়া তাৰ ওপৰতে বস্তু বেহানিবোৰ দমাই থোৱা আছে। খিৰিকীৰে সোমাই অহা ৰ দৰ পোহৰ পৰি তম্বৰ ভিতৰখন উজ্জ্বল হৈ পৰিছিল। এটা নীলা মাখিয়ে চক্ৰাকাৰে ঘৰি ঘৰি ভোঁ ভাৰনি শব্দ তুলিছিল। সি উৰা পথত নীলা সতাৰ দৰে সৰু আচ এদাল পৰিছিল বতাহৰ গাত।

ওমৰে চকুমোহাৰি থিয় হ ল। তাৰ পিচত নিজৰ বয়বস্তু সামৰি বাহিৰলৈ ওলাই আহি তম্বুৰ সম্মুখত ৰ লহি। বাহিৰত কেইজনীমান আৰৰ তিৰোতাই ভেৰা ছাগলীৰ গাখীৰ খীৰাইছিল। ওমৰক দেখি এজনীয়ে আলাইহি! বুলি লগৰ কেইজনীক হাতেৰে হেচুকি

আঙুলিয়াই দেখুৱালে। গাখীৰ খীৱোৱা বন্ধ কৰি অলপ সময় কেউ-জনীয়ে ওমৱৰ ফালে আচৰিত হৈ চাবলৈ ধৰিলে। ওমৱে লক্ষ্য কৰিলে যে সিহতৰ মুৰত ওৰণি নাই। সহজ আৰু মুক্ত।

দুখোজ আগৱাঢ়ি গৈ ওমৱে সুধিলে মেখ মেজাখান চাহেবক মই ক'ত লগ পাম?

এজনী বয়সিয়াল তিৱোতাই উত্তৰ দিলে 'সৌৱা তাত আছে। সদাগৰহতৰ লগত কথা পাতিছে। তুমি কোন?

মই দূৰণিৰ মানুহ। কালি ৰাতি তোমালোকৰ আলহী আছিলো। এতিয়া মেখক এবাৰ চালাম জনাই বিদায় ল ম।'

তুমিতো এতিয়া শুই উঠিছাহে। অলপ পিচতে সকলোৰে খোৱাৰ সময় হ ব। তুমিও খাইহে যাব পাৰিবা। এতিয়া তোমাৰ কান্ধৰ পৰা মোনাটো খোৱা। মোক এই ছাগলীজনী ধৰি দিয়াহি। গাখীৰ খীৱাব লাগে।

মানুহজনীৰ মাতত নীৰৱ কৰ্ত্তৃত্ব সুৰ। ওমৱে মাটিতে মোনাটো নমাই থৈ ছাগলীজনী ধৰি দিলে। মানুহজনীয়ে আকৌ গাখীৰ খীৱাবলৈ লাগিল। ওমৱে অনভ্যস্ত হাতেৰে ছাগলীজনী স্থিৰ কৰি ৰাখিবলৈ যত্ন কৰা দেখি তিৱোতা কেইজনীয়ে হাহিলে। এজনী ছোৱালীয়ে খিল খিলকৈ হাহিছিল। ওমৱৰ কাণ মুৰ লাজত ৰঙা পৰিছিল।

এই হাচিনা—ইমানকৈ হাহিবলৈ কি হৈছে। বাছাই লাজ পাব। গাখীৰ খীৱাই থকাৰ পৰাই মানুহজনীয়ে জীয়েকক শাসন কৰিলে। ইপিনে বাছা অৰ্থাৎ ওমৱৰ অৱস্থা শোচনীয়। অকণমান হাতৰ মুঠি ঢিলা কৰিলেই ছাগলীজনীয়ে খৰ বাগৰ দিবলৈ যত্ন কৰে।

তোমাৰ ঘৰত কোন আছে? আম্মা? আব্বা? মানুহজনীয়ে হাহো হাহো কৈ ওমৱৰ ফালে চাই সুধিলে।

কোনো নাই। ওমৱে ক লে।

চাদি কৰিলা? অন্য এজনীয়ে সুধিলত ওমৱে ক লে যে নাই কৰা।

"সেইবাবে এইদৰে মস্ত কলন্দৰ হৈ ঘুৰি ফুৰিছা। মানুহজনীয়ে সেইদৰে কোৱাৰ লগে লগে এটাইকেইজনীয়ে আকৌ এবাৰ হাহি ল লে।

তোমাৰ নাম কি?

মোৰ নাম ওমৰ।

মানুহজনীয়ে আৰু একো নেমাতিলে। হস্তাক্ষৰ হাহি থকা এটাই কেইজনী তিৰোতা নিজন পৰিল। গাখীৰ খীৰাই থকা মানুহজনীৰ মুখখন বেজেকৰা হৈ পৰিল।

গাখীৰ খীৰোৱা শেষ হলত ওমৰে ধিয়হৈ দেখিলে যে কেইজনমান মানুহৰ লগত তদ্বিলকৰ সিমুৰে মুকলি ঠাই এখনত বেজাখানে কিবা কথা পাতি বৈ আছে। ওমৰ তালৈকে গ'ল। চালাম জনোৱাত লগে লগে বেজাখানে হা হা কৈ হাহি ওমৰক কাষলৈ মাতিলে।

তুমিতো শুই শুই বহুত ধুনীয়া ধুনীয়া খোৱাব দেখিছা। আমি কিন্তু কাম নকৰিলেই নহয়। বেজাখানে ক'লে। খোৱাব মানে সপোন। ওমৰে কোনো সপোন দেখা নাছিল। কিন্তু এই পোটেই ঘটনা বোৰেইতো সপোনৰ দৰে।

শেখ চাহেব অই এতিয়া বিদায় লবলৈ আহিছো। আপোনাৰ দয়াৰ বাবে অশেষ চুকবিয়া। ওমৰে হাউলি কুনিশ কৰিলে।

ৰ বা—ৰ বা—তুমি ফাকচৈ ওলালা। কিন্তু কলৈ যাবা?

কলৈ যাব সেইটো ওমৰেও নেজানে। ওমৰে একো নমতা দেখি বেজাখানে আকৌ ক'লে এতিয়া উছলৈ কাৰাভানবোৰ আহিছে আছে। এই কাৰাভানবোৰে বেচাকিনা শেষ কৰি যাবলৈ কেইদিনমান দেৰী আছে। গতিবে তোমাৰতো আজি অন্ততঃ কলৈকো যোৱা নহব। তাতকৈ তুমি আমাৰ লগতে কেইদিনমান থাকা। মোক অলপ সহায় কৰি দিব পাৰিবা। তুমিতো লিখা পঢ়া মানুহ। তুমি থাকিলে মোৰ বহুত কাম হব। তাৰ পিচত উত্তৰ-দক্ষিণ-পূব পশ্চিম যি ফালেই তুমি যাব খোজা মই তাৰ সুবিধা কৰি দিম। ৰাজী?

ওমৰে চিন্তা কৰি কিবা এটা সিদ্ধান্ত কৰিবলৈ নৌপাওঁতেই পুনৰ নিজেই ক'লে ৰাজী—ৰাজী। ইয়াত আপত্তি কৰিবলগীয়া কি আছে। দুদিনমান তাজিকহতৰ লগত থাকা।

বেজাখানে ওমৰৰ মুখৰ ফালে চাই থকা দেখি ওমৰে ক'লে মই ৰাজী শেখ। আপোনাক বহুত বহুত চুকবিয়া।

হা-হা কৈ পুনৰ উচ্চস্বৰে হাহি এইবাৰ বেজাখানে ওমৰৰ দুই কান্ধত থবি মনৰ সন্তোষ প্ৰকাশ কৰিলে। ওচৰত থিয় হৈ থকা অন্যান্য তাজিক সঙ্গীহতলৈ চাই ক'লে যে ওমৰ বেন ইব্ৰাহীম এতিয়াৰ পৰা কিছু দিন আজিকহঁতৰ মেহমান। সকলোৱে সম্মতি জনাই

আনন্দ প্রকাশ কৰিলে।

ওমৰৰ বাহুৰ পৰা হাত আতৰাই নি ৰেজাখানে ক লে তোমা ৰতো দেখিছো কস্তমৰ বাহু। দেখিলেই বুজা যায় তোমাৰ কৰজিত কিমান জোৰ আছে। তোমাৰ দৰে মানুহৰ হাততে হাথিয়াৰহে থাকিব লাগে। মৌলবীহতৰদৰে কিতাপ কলম ল বলৈ কিয় এই আল্লেল হ ল?

ওমৰে হাহিলে। তাৰ পিচত চমুকৈ ক লে আল্লাৰ যিৰূপ মজ্জি সেই মতেহে কাম হয়।

"জৰুৰ—জৰুৰ! এতিয়া ব লা আমি অলপ খাই লৈ কামলৈ ওলাম। পুৱাৰ আহাৰ আমি কোনেও খোৱা নাই। হাততে ধৰি ৰেজাখানে ওমৰক লৈ তম্বু বিলাকৰ ফালে আগবাঢ়িল।

ৰুটি ছাগলী গাখীৰৰ পনিৰ আৰু কেইটামানকৈ খেজুৰেৰে পুৱাৰ আহাৰ হ ল। গোলাকৃতি হৈ বহা মানুহবোৰৰ সন্মুখত পুৱা গাখীৰ খীৰোৱা তিৰোতা কেইজনীয়ে পিতলৰ থালত খাবলৈ আহাৰ দি গ ল।

নাজ্‌মা এই ল ৰাটো কেইদিনমান আমাৰ লগত থাকিব। চাবা যাতে তাৰ কোনো তকলিফ নহয়। ৰেজাখানে পুৱা গাখীৰ খীৰোৱা বয়সিয়াল মানুহজনীক ক লে। ওমৰে বুজিলে যে এই নাজ মাই শেখৰ পত্নী।

ৰৰ ভাল কথা! বাছাৰ আম্মা আব্বা কোনো নাই। এতিম। বাচ্চাৰ দিলত দুখ আছে নাজ মাই ক লে। এয়া মাতৃৰ অন্তদৃষ্টি। অন্তৰলৈকে ভেদে।

অ তাৰ মানে তোমাৰ লগত কথা হৈছেই। ৰেজাখানে ক লে।

"গাখীৰ খীৰাওঁতে মোৰ ছাগলী ধৰি দি সহায় কৰিছে নহয়। —নাজ মাই হাহি ক লে।

বহুত আচ্ছা! বহুত আচ্ছা! ওমৰ তেনে মেহমান হৈ থকাই নাই। ঘৰৰ ল ৰাৰ দৰে হৈ গৈছে। ৰেজাখানে পুনৰ হা-হাকৈ হাহিৰে খলক লগালে। কিন্তু তাৰ পিচতে নাজ মাৰ মুখলৈ চাই মনে মনে থাকিল। পিচত আৰু কোনো কথা ৰতৰা নহ ল।

ইয়াৰ পিচত দুপৰীয়ালৈকে খেজুৰ গছৰ মাজত বেচাকিনা চলিল। এইবোৰ বেচাকিনা সাধাৰণতে বিনিময় প্ৰথাৰে হয়। এটা বস্তুৰ আনুমানিক মূল্য নিৰূপণ কৰাৰ পিচত সমমূল্যৰ অন্য এটা বস্তুৰ লগত আদান-প্ৰদান কৰে। মুদ্ৰাৰ ব্যৱহাৰো হয়। কিন্তু কাশ্চিৎ।

আৰব উপজাতীয় লোকহতে সাধাৰণতে জন্তুৰ চামৰা ভেৰাৰ নোম উটৰ চামৰা আৰু নোম লুটৰ পৰা পোৱা হৰেক ৰকমৰ বস্তু আনে। সদাগৰী কাৰাভান বিলাকৰ পৰা সেইবোৰৰ সলনি কাপোৰ চেনি জাফৰাণ নানাবিধ বাচন বৰ্ত্তন আৰু ফলমূল সংগ্রহ কৰে। তদুপৰি ঘোৰা কাটৰ জিন লেকাম নানা প্রকাৰ অস্ত্র-শস্ত্র তিৰোতাৰ অলঙ্কাৰ ইত্যাদি।

ওমৰে সহায় কৰি দিলে। ওমৰে দেখিলে যে মিবিলাক ইৰাণী বা আৰ্ম্মেনিয়ান বেপাৰীয়ে এই বস্তুবোৰ বেহাৰলৈ আহে সিহতে সাধাৰণতে ফাকি দি এই উপজাতীয় লোকবিলাকৰ পৰা বৰ কম মূল্যত বস্তু বিনিময় কৰে। আজি ওমৰ থকাত বেজাখানৰ বৰ সুবিধা হ ল। কিন্তু বোখাৰাৰ সদাগৰবিলাকে ওমৰৰ লগত তর্ক কৰিছিল।

দুপৰীয়াৰ আগে আগে সেইদিনাৰ বাবে বজাৰ শেষ হ ল। খাই বৈ উঠি এটায়ে জিৰাবলৈ ল লে।

মৰুভূমিৰ এই উন্মুক্ত জীৱন প্রত্যেক ৰক্ত কণিকাত অনুভৱ কৰিবলৈ ধৰিলে ওমৰে। জীৱনত পোন প্রথমবাৰৰ বাবে গণিতৰ সম্পাদ্য ওমৰৰ মনৰ পশ্চা ভূমিলৈ গুছি গ ল।

ওমৰে বুজিলে কিয় আৱহমান কালৰ পৰা এই বেদুইনহত একেদৰেই আছে। কিয় সভ্যতাৰ হাত বাউলে ইহতক অকনো কাষ চপাব পৰা নাই।

দিগন্তৰ পৰা দিগন্ত জোৰা ধলি ধুসৰ এই পৃথিবী আৰু উন্মুক্ত আকাশ। মাজে মাজে অগ্নিময় গৰম বতাহৰ সোত।

ৰাতি হ লে মুক্ত আকাশত লক্ষ লক্ষ তৰাৰ অন্তহীন ৰহস্যমেলা। তলত মোহময় মায়াময় পৃথিবী। ক্রমাৎ শীতল হৈ আহিবলৈ ধৰা বতাহ জাকে ৰাতি কপনি তোলে।

উটৰ শুকান গোবৰ আৰু কাইটীয়া জোপাবনৰ শুকান খৰিৰ জুই ধৰি চাৰিওফালে কথা পাতি বহি থকা খহটা চেহেৰাৰ ছটা মাতৰ সৰলচিতীয়া মানহৰ জুম।

এইটো এটা বেলেগ জীৱন। কঠোৰ জীৱন। কিন্তু পণ জীৱন।

ওমৰ এই প্রাচীন প্রবাহমান জীৱনৰ মোহত পৰিল।

চাৰি দিনৰ মৰত তেখেতে সাৰথি তাজিকহঁত যেভিয়া ঘাবলৈ ওলাল তেতিয়া ওমৰো বিদায় লবলৈ থিয় হ'ল। বেজাখান আৰু নাজমাই ওমৰক কামলৈ মাতিলে। বেজাখানে বিষণ্ণ ভাবে ওমৰলৈ চাই থাকিল বিবি নাজমাই কিন্তু ওমৰৰ কালে চাহি পোনপটীয়াকৈ সুধিলে—

তোমাৰতো দেশ ভ্ৰমণেই উদ্দেশ্য। আৰু প্ৰতিয়াই ক'ৰবালৈ যাব লাগিব বুলি জৰুৰী কথা নাই। তোমাৰ তাজিক আম্মাৰ লগত কিছুদিন ঘুৰিবা বলা। কোৱা তুমি ৰাজী?

ওমৰে বেজাখানৰ মুখলৈ চালে। খানৰ মুখত আগ্ৰহ।

ৰাজী হৈ যোৱা ওমৰ। তুমি নাজমাৰ মতলব বুজা নাই? এওঁৰ ছাগলী কেইজনী বৰ বেয়াদৰ। তুমি ধৰি নিদিলে ধীৰাৰ কেনেকৈ!' বুলি কৈ অভ্যাসমতে উচ্চস্বৰে হাঁহিলে।

ওমৰেও হাহিলে। নাজমাই হাঁহিলে। হাচিনাই হাঁহিলে। ওমৰে মুখেৰে এবো নকৈ একে দৌৰে ওচৰতে সাজু কৰি থোৱা ৰাদামী ৰঙৰ আৰবী ঘোৰা এটাৰ পিঠিত জাপ মাৰি উঠিল।

বাহ্! বাহ! বেজাখানে তাৰিফ কৰি উঠিল।

ওমৰে তীব্ৰবেগে ঘোৰাটো এপাক চেকুৰাই আনি বিবি নাজমাৰ সম্মুখত ৰখাই ঘোৰাৰ দুইটা আগ ঠেং গুণ্যলৈ তুলি দি পিচ ভৰি দুটাৰ ওপৰত থিয় কৰি ৰখাই বেদুইন চোৱাৰীৰ দৰে অভিবাদন জনালে—

বিবি চাহেবা! মোৰ প্ৰিয় আম্মা! এই আদেশ মই পেলাব নোৱাৰো। মই ৰাজী।

সোতৰ

ইয়াৰ প্ৰায় দুমাহ পিচৰ কথা।

ৰেজাখান সগোত্ৰে আহি তেতিয়া দক্ষিণ-পশ্চিম খোৱাচানৰ মৰ্ভেজ নামৰ এখন সৰু নদীৰ পাৰত তম্বু তৰি আছিলহি। এটি সৰু পাৰ্ব্বত্য উপত্যকা। সেউজীয়া তৃণভূমি। আগৰে পৰা তাত অন্যান্য বহুতো তাজিক উপজাতীয় লোকে তম্বু তৰি আছিল। খোলা তৃণভূমিত জাকে জাকে ঘোঁৰা আৰু ঘচৰে চৰিছিল। মনৰ সুখেৰে চৰি ফুৰিবলৈ পাই তাজিকহতৰ ভেৰাৰ পালত দিনে দিনে সংখ্যা বাঢ়িছিল। সেই উপত্যকাৰে এটা কোণত তাজিক অধিপতি ৰেজাখান থিতাপি লৈ বহিল।

তম্বুৰ সম্মুখৰ প্ৰকাণ্ড চামিয়ানাৰ তলত তাজিক চৰ্দ্দাৰবিলাক আহি নিতৌ জমায়েত হয়। দুপৰীয়া আহাৰৰ পিচত আৰু সন্ধিয়া বহা এই মজলিচত শ্বেখ ৰেজাখানে বিভিন্ন আলোচনা কৰে। গোচৰৰ নিষ্পত্তি কৰে। প্ৰত্যেক দিনাৰ কাৰ্য্যসূচী নিৰ্দ্দিষ্ট কৰে। প্ৰত্যেক বেদুইন উপজাতিৰে শ্বেখৰ তম্বুয়েই চলন্ত ৰাজধানী। শ্বেখৰ মূৰত মুকুট নেথাকে। হেওঁ কোনো সিংহাসনত নবহে। কোনো বেদুইনে অধিপতিক মালিক বুলি সম্বোধন নকৰে। যদিও তেওঁৰ কৰ্ত্তৃত্ব এটায়ে মানি লয়। এই মৰুভূমিৰ সন্তানহতে নিজৰ সুৰৰ ওপৰত আকাশৰ জোন-বেলি-তৰাৰ বাহিৰে অন্যৰ অস্তিত্ব স্বীকাৰ নকৰে। এজন অধিপতি এটা সামাজিক প্ৰয়াজনহে।

ইমানদিনে ওমৰ তাজিকহতৰ লগত চিনিৰ নোৱাৰাকৈ মিলি গৈছিল। টুহুনগৰ এৰি অহাৰ পিচদিনা দুপৰীয়া বিবি নাজ্‌মাই দলৰ ওমৰৰ সমান বয়সৰ এটাইবোৰ ডেকা ল ৰাকে খাবলৈ নিমন্ত্ৰণ কৰিলে। উদ্দেশ্য ওমৰক সকলোৰে লগত পৰিচিত কৰি দিয়া। কিন্তু খাবলৈ বহাৰ আগে আগে এজোৰ তাজিক সাজ পাৰ হাতত লৈ ওমৰক ক লে — পিন্ধা।

ওমৰে পোচাকটো হাতত লৈ হাহিবলৈ ধৰিলে। মাকৰ পিচফালে থিয় হৈ হাচিনায়ো খিলখিলাই হাঁহিবলৈ ধৰিছিল। হাচিনাৰ হাহিত ঘৰস্ৰোতা নদীৰ কলধ্বনি। থিয় হৈ থকা তাজিক ল ৰাহতেও খলখলাই

হাহিবলৈ ধৰিছিল।

মোক তোমাৰ কয়েদ কৰি গেলাবা আম্মা?' ওমৰে হাহি হাহি সুধিছিল।

তৌবা কয়েদ কৰিম কিয়! তুমিতো আকাশৰ চৰাই। কেনেবাকৈ উৰি আহি মোৰ হাতত পৰিছা। মোৰ চাৰ-মোহৰ মাৰি পুনৰ এৰি দিম। নাজমাই কৈছিল।

তম্বুৰ ভিতৰলৈ সোমাই গৈ নিজৰ সাজটো খহাই সম্পূৰ্ণ তাজিক পোচাক পিন্ধি নাজমাৰ সম্মুখত থিয় দিয়াৰ লগে লগে সকলোৱে আনন্দত হৈ হৈ কৰি উঠিল। কোহাল শুনি ৰেজাখানেও ডুমুকি মাৰি চালেহি। কেইটামান ডেকাই তেতিয়া ওমৰৰ ককালত ধৰি নাচিবলৈ আৰম্ভ কৰি দিছিল। বাকীবোৰে হাত চাপৰি দি নাচোনৰ তাল ধৰিছিল। একে দৌৰে এটা তম্বুৰ ভিতৰলৈ গৈ এটা বাহী উলিয়াই বজাবলৈ আৰম্ভ কৰি দিছিল হাচিনাই। এক দ্ৰুত লহৰ বেদুইনী সুৰ আৰু নাচোনৰ যাদুত সোণৰ গধুলি মনোৰম হৈ উঠিছিল।

সেই দিনা গধুলিৰ পৰা আজি দুমাহে ওমৰে তাজিকহতৰ যাযাবৰী জীৱনৰ পূৰ্ণ আস্বাদ গ্ৰহণ কৰি বিস্তৰ মৰুপথ অতিক্ৰম কৰি ময়েজ নদীৰ পাৰ পাইছিলহি। এখন অখ্যাত পাহাৰী নদী। এক সংকীৰ্ণ কিন্তু শ্যামল উপত্যকা। আনচাৰ ওচমান আৰু ছবিৰ আহমেদহতৰ সঙ্গ। শ্বেখ ৰেজা খানৰ বাৎসল্য। বিবি নাজমাৰ চেনেহ। হাচিনাৰ হাহি আৰু বাহী আৰু মৰম।

মৰুকন্যা হাচিনাৰ বাবে ওমৰ আছিল এক গভীৰ কৌতুহল আৰু আকৰ্ষণৰ পাত্ৰ। তাই স্পষ্ট দেখিছিল যে ওমৰ অন্যান্য তাজিক লৰা বোৰৰ দৰে নহয়।

এদিন ওমৰ নথকাত চুৰকৈ তাই ওমৰৰ টোপোলাটো খুলি চালে। মোনাৰ ভিতৰত থকা কিতাপকেইখন আৰু কাগজ-পত্ৰবোৰ দেখি তাই আচৰিত মানিলে। বাহ ইমানবোৰ কিতাপ! তাজিকহতৰ মাজত এজনো লিখা পঢ়া মানুহ নাই। এবাৰ এখন চহৰলৈ সৰুতে বাপেকৰ লগত যাওঁতে তাই এঘৰ মানুহৰ চোতালত দুটা লৰাক মৌলবী এজনে লিখা-পঢ়া শিকোৱা দেখিছিল। লৰা দুটাই আলেফ বে পে বুলি ডাঙৰ

ডাওৰকৈ পঢ়া শুনিছিল। তাৰ পিচত বহুদিনলৈকে লগৰ সৰু সৰু ল ৰা ছোৱালীবোৰৰ লগত তাই আলেহ বে পে কৈ চিক্ৰি পঢ়াৰ খেল খেলিছিল।

ওমৰৰ কাগজপত্ৰবোৰ তাই জাপে জাপে সামৰি সাৱধানে থৈ দিলে। নকওঁ নকওঁ বুলিও তাই মাকক কথাটো নকৈ নোৱাৰিলে। নাজ মাই হাহিলে। নাজ মাক ৰেজাখানে আগতেই কৈছিল যে ওমৰ খুব আলেম মানুহ। ওমৰৰ মাক নাই বাপেক নাই কোনো ভাই ভনী নাই। গতিকে এনেয়ে ফুৰি ফুৰিছে।

কিন্তু ওমৰ উদ্দাম। তাজিক ডেকাহ তৰ লগত হাথিয়াৰ চলোৱা ঘোঁৰা দৌৰোৱা চৰ ধৰণৰ কাম কৰা স্ফুৰ্ত্তি তামাচা কৰা ক তো ওমৰ পিচ পৰি নেথাকে। পথুলি ডেকাবোৰৰ মেল বহিলে ওমৰৰ চাৰিওফালে সকলো গোট খায়। বহুত কথা জানে ওমৰে।

কেতিয়াবা শ্বেখচাহাবে চন্দ্ৰাৰিলাকৰ মজলিচলৈকে ওমৰক মতাই নি কিবা সোধে। এইটো এটা ভাবিব নোৱাৰা ঘটনা।

হাচিনাৰ প্ৰতি ওমৰৰ আচৰণ অতি সহজ। কেতিয়াবা তাইক জোকায়ো। কেতিয়াবা তাইলৈ কিবা কিনি লৈ আনে। এদিন কৰবাৰ দূৰৰ ৰজাৰৰ পৰা আহোতে তাইৰ বাবে কপেৰে ফুলামকৈ বন্ধোৱা ধুনীয়া এটা বাহী কিনি লৈ আনিলে। নাজ মাই দেখি খ কৰিলে কিয় ইমানকৈ পইচা খৰচ কৰিছা তুমি। হাচিনা কিন্তু খুব খুচী হ'ল।

যেতিয়া মই ইয়াত নেথাকিম এই বাহী বজাওঁতে সদায় তোমাৰ মোলৈ মনত পৰিব। ওমৰে ক লে।

আৰু তোমাৰ কি কৰোতে মোলৈ মনত পৰিব? হাচিনাই সুধিলে।

ওমৰে একো নক লে। কিন্তু মনে মনে ভাবিলে—চৰ সময়তে মনত পৰিব হাচিনা। কাৰণ এইটো মোৰ জীৱনৰ নতুন অভিজ্ঞতা।

হাচিনাই ওমৰৰ সকলো কাম কৰি দিয়ে। ওমৰৰ খোৱা বোৱা কাপোৰ চিলাই কৰা ইত্যাদি সকলো কাম।

তোমাক তোমাৰ ঘৰত এনেকৈ কোনোবাই খেদ মত কৰেণে? এদিন হাচিনাই সুধিলে।

কোনে কৰিব। মোৰ কোনো ঘৰ নাই। থাকিলেও মোৰ কোনো হাচিনা নাই। ওমৰে উত্তৰ দিলে।

হাচিনাৰ কিন্তু বিশ্বাস ন হল। ইমান দেখনিয়াৰ এটা ডেকাৰ কোনো মৰমৰ পাত্ৰী নাই এনেকথা হব পাৰেনে? তাই মুৰজোকাৰি ক লে হাচিনা

নাই কি হ'ল। আমি কোনোবা নিশ্চয় আছে —তোমাৰ কোনো মেহবুবা।

ওমৰে হাঁহি ক'লে যে তাৰ সচাকৈ কোনো নাই। কিন্তু তাৰ মনত পৰিলচাকিলৈ। বয়সত হাচিনাৰ সমানেই হ'ব। কিন্তু বহুত বেছি ধুনীয়া।

যদি সচাকৈয়ে কোনো নাই তেতিয়া জানিব লাগিব যে খোৱা-চানৰ সেই অঞ্চলৰ ছোৱালীবোৰ দেখিবলৈ বৰ বেয়া। তোমাৰ চকুত পৰা নাই। হাচিনাই ক'লে।

এসময়ত হাচিনাই চাকিৰ কথা জানিলে ওমৰৰ পৰা। ওমৰে বৰ্ণনা কৰা ধুনীয়া চাকি মৰু কন্যা হাচিনাৰ কল্পনাৰ পৰীৰ দৰে ধুনীয়া হৈ দেখা দিলে। ওমৰক তাইৰ আৰু ভাল লাগি গ'ল। তাই ফুচ-ফুচাই ছবিৰ আহমেদৰ আগত ক'লে কথাটো। লগতে ক'লে যে চাকিক তাইৰ খুব চাবলৈ মন যায়। লগতে ওমৰক নকবলৈও ক'লে কথাটো।

তাজিক ডেকাহ'ত ৰ মাজত ছবিৰ আহমেদৰ লগত ওমৰৰ বৰ বন্ধুত্ব হৈছিল। শ্বেখ বেজাখানৰ সৰু ক্ষণৰ সঙ্গী আৰু পৰম বন্ধু মহম্মদ আলিখানৰ ল'ৰা ছবিৰ। নিয়মীয়া ওখ মজবুত শৰীৰ সুশ্ৰী চেহেৰা আৰু চকুত নিৰ্ভীক দৃষ্টি। ওমৰে বৰ ভাল পাইছিল ছবিৰক। দুয়ো সকলো সময়তে একে লগে ফুৰে। এই ছবিৰৰ লগতে হাচিনাৰ বিয়া ঠিক হৈ আছিল।

এদিন ছবিৰে ক'লে তোমাৰ লগত ফুৰোঁতে মোৰ হাচিনাৰ ককায়েকলৈ মনত পৰি যায়।

হাচিনাৰ ককায়েক! আজি কালি ক'ত আছে? ওমৰে সেই বিষয়ে একো জনা নাছিল।

আজি তিনিবছৰ আগতে মৃত্যু হৈছে তেওঁৰ। তেওঁৰ নামো ওমৰ আছিল। শ্বেখ-আল জাবালৰ মানুহে তেওঁক চুবি কৰি লৈ গৈছিল। পলাবলৈ চেষ্টা কৰোঁতে পৰ্বতৰ ওপৰৰ পৰা পৰিল। বা কোনোবাই পেলায়ো দিব পাৰে। পিচদিনা তেওঁৰ মৃতদেহ পোৱা গ'ল।

টুছনণৰত নিজৰ নাম কওঁতে কিয় বিবি নাজমা আৰু বেজাখান বিষণ্ণ হৈ পৰিছিল এতিয়া বুজি পালে ওমৰে।

দেখিবলৈ কেনে আছিল তেওঁ? ওমৰে সুধিলে।

শকত তোমাৰ নিচিনাই। কিন্তু তোমাতকৈ বহুত ওখ আছিল।

শ্বেখ-আল-জাবাল কোন? ওমৰে সুধিলে।

এইবাৰ ছবিৰ আহমেদে অলপ আচনিত হৈ ওমৰৰ ফালে

চালে। তাক পিচত ক'লে, এটা যাদুকৰ। সেই পৰ্ব্বতৰ ওপৰত যত ঈগলে বাঁহ বাজে; তাত্তে তাৰ আস্তানা আছে।

যাদুকৰ! ওমৰে বিস্ময় মানিলে।

ওঁ যাদুকৰ। যাদু নেথাকিলে সেখৰ লৰা ওমৰ আচাদক কোনেও মাকিৰ নোৱাৰে। খুৰ ডাঙৰ যাদুকৰ।

ওমৰ নিমাত হ'ল। ছবিৰ আহমেদৰ অন্ধবিশ্বাস ইমান ডাঠ যে তাক ভেদ কৰি আৰু জানিবলৈ বিচৰা নিৰৰ্থক।

কিন্তু বিবি নাজমা আৰু শেখ বেজাখানলৈ—হাচিনালৈ বৰ দুখ লাগিল ওমৰৰ। ভাবিছিল এই মৰুভূমিৰ মাজত সি মাতৃহাৰাই মাতৃ পাইছে। কিন্তু তাৰ মাজতো যে এই সৰল চিতীয়া পিতা-মাতাই সন্তানক বিচাৰি পাইছে সেইটো অনুমান কৰিব পৰা নাছিল। ইমানদিন তাক কিন্তু কোনেও কোৱা নাই। আনকি হাচিনাক্কো। যি হাচিনাই হোৱাই নোহোৱাই কথা কৈয়েই থাকে। তাক্কো। কিয় বাক? বোধহয় ওমৰে অপ্রস্তুত বোধ নকৰক বুলিয়েই। ওমৰে মৰুভূমিৰ এই মানুহ-বোৰৰ সহাদয় মনৰ পৰিচয় পাই বিস্ময় মানিলে।

পিচত এই বিষয়ে আৰু জানিব পাৰিলে ওমৰে। শেখ আল জাবাল নামৰ এই ৰহস্যময় ব্যক্তিগো কোন সেই বিষয়ে কোনেও সঠিককৈ ক'ব নোৱাৰিলেও সকলোৱে জানে যে গ্ৰাহ দিজ পৰ্ব্বতৰ উচ্চতম শৃঙ্গৰ ওপৰত এটা প্ৰকাণ্ড শিলৰ দুৰ্গ আছে। সেই পৰ্ব্বতৰ ওপৰলৈ উঠিবলৈ কেনিও বাট পোৱা নেযায়। তাত্তে কাকো যোৱাও দেখা নেযায় অহাও দেখা নেযায়। কিন্তু দুৰ্গৰ ভিতৰত শই শই বগা কাপোৰ পিন্ধা জিন পৰী বাস কৰে। সিহঁতেই কেতিয়াবা হঠাতে আহি মানুহৰ বেশ ধৰি কাৰবাৰ হাতত ইনাম গুজি দিয়ে। আকৌ কাৰণাক চুৰি কৰি লৈ যায়।

এটা বুঢ়া যাদুকৰে যাদুৰে এইবোৰ সৃষ্টি কৰিছে। কোনো কোনো মানুহ ভালৈ গৈছেও। কিন্তু জান গৈও সিহতৰ কোনেও মুখ নোখোলে।

তাজিকবোৰৰ বাহিৰে কুহিস্তানৰ প্ৰায় সকলো উপজাতিয়ে এই যাদুৰ দুৰ্গ দেখিলে ভয় খায়। একমাত্ৰ তাজিকবোৰে দূৰৰ পৰাই সেই পৰ্ব্বতৰ ফালে চাই দাত কৰচে।

ওমৰে এদিন শেখ বেজাখানকে সুধি পেলালে এই যাদুকৰৰ

দুর্গৰ বিষয়ে। শ্বেখে ক লে যে তিনিবছৰৰ আগতে এদিন আবেলি বগা কাপোৰ পিন্ধা কিছুমান সশস্ত্র মানুহ আহি শ্বেখ আল জাবালৰ নামত নজৰানা বিচাৰিছিল। আমি অসম্মত হ লো। আমি কিয় নজৰানা দিম। খাজানা নজৰানা যাৰ খেতি আছে ঘৰ আছে সি দিব। আমিতো কাৰো একো খৰচ নকৰো। আমি পোহনীয়া জন্তুৰ বাবে ঘাহ বিচাৰি ফৰো। গতিকে আমি নিদিলো। তাৰ পিচত আমি সিহতক খেদি পঠালো। তাৰ দুদিন পিচতে সি নিখোজ হ ল।

ৰেজাখান নিস্তব্ধ হ'ল। মুখখন ৰঙা পৰিল। চকুযোৰ কঠৰা হৈ উঠিল। উত্তেজিত ভাবে কিছু সময় ইফাল সিফাল কৰি তাৰ পিচত পুনৰ ধীৰ স্বৰেই ক লে তাৰ পিচৰ পৰা মই সুবিধা পালেই আহি শ্বাহ দিজ পৰ্ব্বতৰ কাষ পাওঁহি। কোনোবা এদিন নি চয় মই সিহতৰে মুখামুখি হ ম।

কিন্তু এই ৰহস্য ভেদ কৰা দৰকাৰ। ওমৰে ক লে মই যাম তালৈ।

লগে লগে অস্ফুট ভাৱে ভয়ৰ ৰেখা কৰি নাজমাই প্রতিবাদ কৰি উঠিল —

নাই নাই সেইটো হ ব নোৱাৰে। তোমাক মই কেতিয়াও যাবলৈ দিদিও। সেইটো এটা পুৰা চয়তানৰ আস্তানা। তালৈ গ লে কোনো ঘৰি নাহে।

কোনো যাদু তাদ নাই। চৰ যাদুৰ মালিক আল্লাহ। আল্লাই মানুহক এটা যাদুহে শিকাইছে। সেয়া হ ল মৰমৰ যাদু। বাকী সকলো মতলবী মানুহৰ ছলনা। ওমৰে ক লে।

চাবাচ ওমৰ সেইটো মোৰো মনৰ কথা। ময়ো ভাবো যে এইবোৰ কোনোবা বদমাচ মানুহৰ প্রচাৰ আৰু কাৰচাজি। কিন্তু মানুহবোৰে এই কথা মানিব নোখোজে। হাচিনাই ক লে।

যদি জীয়াই থাকো হাচিনা কেতিয়াবা এই শ্বেখ আল জাবাল কোন মই জানিম। ওমৰে ক লে।

এটা দীঘ নিশ্বাস বিবি নাজমাই লাহে লাহে এৰি দিলে। হাচিনাৰ দাদা ওমৰো আছিল এ নকুৰাই। নিডয় আৰু গোৱাৰ।

কিন্তু খাহ দিজ পৰতৰ যাদু দুৰ্গৰ ৰহস্য ভেদ কৰা নহ'ল ওমৰৰ।

পিচদিনা দুপৰীয়া সকলোৱে খাই উঠি জিৰণি লৈছিল। বিবি নাজমাই নিজৰ তম্বুৰ ভিতৰত বহি কিবা কাপোৰ চিলাই কৰি আছিল। হাচিনাই এটা মোনাৰ পৰা এপাত এপাতকৈ ৰাপৰ সোণৰ আইনাৰ খাৰু উলিয়াই হাতৰ ঠাৰিত সুমাবলৈ ধৰিছিল। পুৰণি সৰু খাৰুবোৰ হাতত জোৰ কৰি সুমাবলৈ ধৰোঁতে নিজেই তাই উস উস কৈ চিঞৰি উঠে।

অন্য এটা সৰু তম্বুত ওমৰে মহম্মদ ওচমান আৰু হুবিৰ আহমেদৰ লগত কথা পাতি বহি আছিল।

স মখৰ ৰাজহুৱা চামিয়ানাৰ তলত তাকিয়াত হেলান দি ৰজাখানে কেইজনমান তাজিক খানৰ লগত কিবা আলোচনা কৰি আছিল। হঠাৎ শ্বেখ ৰেজাখানৰ চকুৰ দৃষ্টি তীক্ষ্ণ হৈ দূৰণিৰ এটা কোণত স্থিৰ হৈ ৰ ল। কেইটামান অশ্বাৰোহী ক্ৰমাৎ কাষ চাপি অহা দৃষ্টি গোচৰ হ ল। অলপ পিচত এটায়ে সিহতক দেখিলে। কোনোবাই দীঘলকৈ চিঞৰি সকলোকে সজা। কৰি দিলে।

লগে লগে সমগ্ৰ তাজিক যাদ্ধাহতে অস্ত্ৰে শস্ত্ৰে সুসজ্জিত হৈ নিজৰ নিজৰ ঘোৰাৰ পিঠিত আৰোহন কৰিলে। ওমৰ মহম্মদ ওচমান আৰু হুবিৰ আহমেদো মহূৰ্ত্তত উঠি গৈ ঘোৰা লৈ অন্যান্য তাজিক ৰণৰাহতৰ লগত শাৰী মিলাই থিয় হ ল। তাৰ পিচত তৎক্ষনাৎ তিনি ভাগ হৈ এভাগ সোৱে এভাগ বাৱে বহল হৈ অৰ্দ্ধচন্দ্ৰাকাৰে আগুৱাই গ ল। সোমাজৰ ভাগ শিবিৰৰ পৰা অলপ আগবাঢ়ি অপেক্ষা কৰিলে। এই মাজৰ ভাগৰ সম্মুখত প্ৰকাণ্ড যাঠি এপাত হাতত লৈ শ্বেখ ৰেজাখান স্বয়ং চোৱাৰ হৈ থাকিল। এটা চেপা উত্তেজনা বিৰাজ কৰিবলৈ ধৰিলে।

লা হ লা হ কাষ চাপি আহিব ধৰা অশ্বোৰোহী দলটোত কিন্তু মাত্ৰ দহজন সৈন্যহে আছিল। সম্মুখত বাদশ্বাহী পতাকা হাতত লৈ ঘোৰা চলাই আহি থকা অশ্বাৰোহী বিলাকৰ ককালৰ তৰোৱাল খাপতে সোমাই আছিল। তাজিক যুজাকুহতৰ মাজত সোমাই সিহতে ঘোঁৰাৰ গতিবেগ কমালে। তাৰ পিচত লাহে লাহে আহি শ্বেখ ৰেজাখানৰ সম্মুখত ৰ লহি। দু য়াফালৰ তাজিক চোৱাৰী বাৰা কাষ চাপি আহি শাৰী পাতি ৰ'লহি।

এজন পালি সেনাপতি ঘোৰাৰ পৰা জাপ মাৰি নামিল। তাৰ

পিচত ইফালে সিফালে চাই খেজাখানৰ আগত থিয় হৈ কলে মই শ্ৰেখ খেজাখান চাহেবক বিচাৰিছো।

কোৱা। ময়েই খেজাখান।

মই চুলতানৰ ফৌজৰ মানুহ। মোৰ নাম নাচিৰ। মোৰ ওপৰত আদেশ হৈছে এজন মানহৰ সন্ধান কৰাৰ।

খেজাখানৰ চকুৰ দৃষ্টি তীব্ৰ হ'ল। তাৰ পিচত ক'লে

কোৱা চিপহ চালাৰ কোন সেই মানুহ।

আমি এজন ডেকা লৰা বিচাৰিছো। টুছনগৰত সেই ল'ৰাজন আপোনালোকৰ লগ লাগে বুলি আমি জানিছোঁ। নাম ওমৰ বেন ইব্ৰাহীম।

খেজাখানৰ বাহিৰে সকলো তাজিকে আচৰিত হৈ অস্ফুট শব্দ কৰি উঠিল। খেজাখানে কিন্তু একেথৰে সেনাপতিৰ ফালে চাই থাকি সুধিলে—

কচুৰ? কিবা দোষ কৰিছে সি?

কোনো দোষ কৰা নাই। খোদ নিজাম উল মুল্কে আজি বহুদিন ধৰি তেওঁক বিচাৰি চলাথ কৰিছে।

নিজাম উল মুল্ক। খেজাখান এইবাৰহে আচৰিত হ'ল কিয় বিচাৰিছে ওমৰক?

সেই কথা আমি কেনেকৈ জানিম। কোনো দোষ কৰা নাই বুলি জানিছো। কাৰণ ন হলে আমাক লগতে লৈ যাবলৈ ক'লেহেতেন।

হাত এখন দাঙি খেজাখানে ওমৰক ওচৰলৈ মাতিলে। ঘোৰাৰ কামলৈ চপাই আনি ওমৰে এবাৰ সেনাপতিৰ ফালে আৰু এবাৰ খেজাখানৰ ফালে চালে। মুখত নিৰিকাৰ ভাব। তাৰ পিচত ক'লে—

ময়েই ওমৰ। কিয় বিচাৰিছা মোক?

ওমৰৰ গাত বেদুইনৰ সাজপাৰ দেখি চিপহ চালাৰ আচৰিত হ'ল। ঠিক এই বেশত তেওঁলোকে বিচাৰি ফুৰা ব্যক্তিক দেখিব বুলি একেবাৰে আশা কৰা নাছিল।

ইনচাল্লাহ! আমাৰ কি দৰকাৰ তোমাক বিচাৰিবলৈ। তোমাক বিচাৰিছে চুলতানৰ প্ৰধান উজীৰ স্বয়ং নিজাম উল মুল্ক। তেওঁৰ হুকুমত আমি তোমাক বিচাৰি উলিয়াইছো আৰু খবৰটো জনাবলৈ আহিছো। কিন্তু তাৰ আগতে এটা কথা কোৱা—তুমি নিচাপুৰৰ

ওমৰ বেন ইব্ৰাহীম হয়নে নহয় ?

ময়েই সেই ওমৰ।

কিন্তু তোমাৰ গাত দেখিছো বেদুইনৰ পোছাক। এইটো আচৰিত কথা। তোমাক যে কোনেও বিচাৰি পোৱা নাই তাৰ কাৰণ এতিয়াহে বুজিলো। চিপহ চালাৰে হাহিবলৈ ধৰিলে। তেওঁৰ সৈন্যবোৰেও। লাহে লাহে গম্ভীৰমুখে নীৰৱে বৈ থকা তাজিক যোদ্ধাবোৰৰ মাজলৈও সেই হাহিৰ সংক্ৰমন হ'ল। পৰিস্থিতি সহজ হৈ পৰিল। চিপহ চালাৰে স্বেখ ৰেজাখানক সম্বদ্ধনা জনালে।

বহুত চুকৰিয়া স্বেখ! আমাৰ কাম হাচিল হৈছে। ওমৰ বেন ইব্ৰাহীমক নিজামবাহাদুৰৰ তলবী ফৰমান জনাই দিয়াই আমাৰ কাম আছিল। যিমান পাৰে সোনকালে ওমৰে গৈ নিচাপুৰ নগৰত নিজামৰ কমচাৰী মেহেৰুদ্দিন চাহেবৰ লগত সাক্ষাৎ কৰিব লাগে। নিচাপুৰৰ বৰখান দৰবাজাৰ কাষত খবৰ কৰিলে মেহেৰুদ্দিনৰ সন্ধান পাব। এতিয়া আমি যাওঁ।

কিন্তু ৰেজাখানে তেতিয়াই যাবলৈ নিদিলে। সৈন্যবোৰক বহুৱাই খুৱাই বুৱাইহে পঠালে। তাৰ পিচত অশ্বাৰোহীৰোৰ গ'লগৈ। সিহত যোৱাৰ পিচত ওমৰক বেড়ি ধৰি এটা য় সুধিবলৈ ধৰিলে কি কাৰণেনো এনেকৈ ওমৰক মাতিছে। ওমৰে ক'লে সি একো নেজানে।

সচাঁকৈয় ওমৰে একো নেজানিছিল। ওমৰৰ কোনো শত্রু নাই যে কোনোবাই ষড়যন্ত্র কৰিব। বহুত ভাবি চিন্তি একো কাৰণ বিচাৰি নেপালে এনেদৰে নিজাম উল মুল্কে তলব কৰাৰ। এসময়ত ওমৰৰ ধাৰণা হ'ল যে ওমৰ বেন ইব্ৰাহীম বোলা অন্য কোনো মানুহৰ লগত তাৰ নাম একে হোৱাত কিবা খেলিমেলি হৈছে। গ'লেই এই ভুল ভাগিব সকলোৰে।

মজলিচতো কথাটো আলোচনা হ'ল। ৰেজাখানক বিষণ্ণ দেখা গ'ল। পিছতে ওমৰক লগ ধৰি সুধিলে—

ওমৰ মোক কোৱাচোন তুমি কিবা ঘটনাত জড়িত হৈছিলা নেকি ? তোমালোকৰ নগৰীয়া মানুহৰ চেৰ নিয়ম চেৰ আইন। ক'ৰবাত কিবা দোষ কৰিছা নেকি ?

ওমৰে দৃঢ়ভাৱে ক'লে যে সি কোনো দোষ কৰা নাই। ওমৰৰ নগৰীয়া আনচাৰ ওচমান ছৰিৰ আহমেদহতেও ক'লে যদি কিবা

বিপদৰ আশঙ্কা আছে তেন্তে কোৱা ওমৰ—আমি তোমাক যাবলৈ নিদিও। ইয়াতে থাকি যোৱা।

ওমৰে এটাইবে শঙ্কা দূৰ কৰিলে। সিদ্ধান্ত হ ল যে পিচদিনাই ওমৰ যাব। শেখ ৰেজাখান ছবিৰ আহমেদ ওচমান আদি সকলো গৈ ওমৰক নিচাপৰ অভিমুখী বেলি ওলোৱা দিশৰ ফালে যাত্ৰা কৰা কোনো কাৰাভানৰ লগ লগাই দি আহিবগৈ। উটৰ খোজেৰে সেই ঠাইৰ পৰা নিচাপুৰলৈ কমেও বাৰ দিনৰ পথ।

বিবি নাজমাই সংবাদ পায়েই বিচলিত হৈ পৰিছিল। হাচিনাই কান্দিবলৈ আৰম্ভ কৰিছিল। ৰেজাখানো বিমষ হৈ পৰিল। পৰৰ ল ৰাৰ কাৰণেও প্ৰাণে কান্দে।

যদি আল্লাহৰ নিদিষ্ট পথত অলপমানো খোজ কাঢ়িছো—যদি মোৰ অলপমানো পণ্য সঞ্চয় হৈছে—তেন্তে ঈশ্বৰে তোমাৰ কোনো বিপদ হ বলৈ নিদিয়ে। ৰেজাখানে ক লে।

ওমৰৰ বিপদলৈ ভয় নাছিল। সি এক প্ৰকাৰ উত্তেজনা বোধ কৰিছিল। কিন্তু এই মানহবোৰক এৰি যাবলৈ তাৰ বৰ কষ্ট হৈছিল। এই অৱৰীহতে মৰমৰ এনাজৰীৰে তাক বান্ধি পেলাইছিল।

এবাৰ হাচিনাই প্ৰস্তাৱ দিলে ব লা আমিও যাওঁ। ওম ৰ হাহিলে।

তোমালোকে ৰজাৰ নগৰত বাস কৰা নাই নহয়। তোমালো ক নেজানা। হাচিনা নেলাগে যাব। তালৈ গ লে দম বন্ধ হৈ মৰি যাবা।

পিচদিনা পুৱা সয্য উদয় হোৱাৰ আগতেই ওমৰে ৰেজাখান আৰু সঙ্গীহতৰ লগত ঘোৰা মেলিলে। যাবৰ পৰত হৰেক কিচিম খাদ্যবস্তুৰ ডাঙৰ মোনা এটা ওমৰৰ কান্ধত ওলোমাই দি বিবি নাজমাই চকুৰ পানী মচি মচি ক লে—

আকৌ কেতিয়া আহিবা ওমৰ?

ওমৰে বিবি নাজমাক তচলিম কৰি ক লে ক ব নোৱাৰো আম্মা। কিন্তু য তেই নেথাকা ওমৰে তোমাক আকৌ বিচাৰি পাবই।

হাচিনাই ম্লান হাহি মাৰি বিদায় দিলে।

সেইদিনা আবেলি বচোৰাৰ সদাগৰ এজনৰ পুৰমুৰা কাৰাভান এটাৰ লগ লগাই দি তাজিকহতে বিদায় ল'লে ওমৰৰ পৰা। ওমৰে মাত লগাবৰ সময়ত ৰেজাখান স্তব্ধ হৈ গ'ল।

এবনে চহৰে! মোৰ পুত্ৰ! মোৰ পুত্ৰ! বিৰ বিৰকৈ নিজৰ মুখৰ ভিতৰতে ক'বলৈ ধৰিছিল ৰেজাখানে। আৰু কোনো কথা কোৱা নাছিল।

আঠকাড়ি ৰেজাখানৰ দুই আঠৰ মাজত মুৰটো সুমাই দি ওমৰে কৈছিল তুমিতো মানুহ নোহোৱা শ্বেখ তুমি ফিৰিস্তা। তোমাৰ লগত বেহেস্তত আছিলো ইমান দিন। এতিয়া পুনৰ মোৰ যাত্ৰা আৰম্ভ হ'ল।

সেই সময়ত ছবিৰ আহমেদে এক অদ্ভুত কাণ্ড কৰি পেলালে। ককাইৰ পৰা ডেগাৰখন উলিয়াই আনি নিজৰ বাওহাতৰ ঠাৰিত এটা ক্ষত কৰি কেইটোপালমান তেজ বাহিৰ কৰিলে। তপত ৰঙা তেজ! ছবিৰে ওমৰৰ ফালে হাতখন তুলি ধৰিলে। তৎক্ষনাৎ ডেগাৰখন নিজৰ হাতলৈ আনি ওমৰেও নিজৰ বাওঁহাতৰ ঠাৰিত এটা দাগ কাটি তেজ উলিয়ালে। পিচত পৰস্পৰে পৰস্পৰৰ ক্ষতস্থানত মুখ দি সেই ৰক্ত শোষণ কৰি খাই পেলালে।

এটা খাচ বেদুইনী ৰীতি। ছবিৰ আহমেদ কলে—

ওমৰ আজিৰ পৰা তুমি যি কোনো তাজিকৰ ভাই বেৰাদৰ। আমাৰ মাজত তেজৰ সম্পৰ্ক স্থাপিত হ'ল। আমাৰ শিৰত আজিৰ পৰা একে তেজ বৈ থাকিব। তোমাৰ সুখ তাজিকৰ সুখ তোমাৰ দুখ তাজিকৰ দুখ তোমাৰ বিপদ তাজিকৰ বিপদ। মই ছবিৰ আহমেদে তাজিক অধিপতিৰ সমখত এই কথা ঘোষণা কৰিলো আজি।

দুয়ো শ্বেখৰ আগত মুৰ দোৱাই থিয় হ'ল। দুই বন্ধুয়ে গভীৰ মমতাত পৰস্পৰে আলিঙ্গন কৰিলে।

ছবিৰ আহমেদ—ওচমান—আনচাৰ—খোদা হাফেজ!

খোদা হাফেজ—ভাইজান!

ওঠৰ

ইতিমধ্যে মধ্য এচিয়াৰ অশান্ত ইতিহাসৰ চিৰন্তন ঘটনা প্ৰবাহে পুনঃ পুনঃ আৰু আকস্মিকভাৱে বাৰচেৰেক বাগৰ সলাইছিল।

তাৰে প্ৰথমটো হ'ল বাইজেণ্টাইন সম্ৰাট ডায়োজিনেচ ৰোমানাচৰ মৃত্যু। মালাচগাৰ্ডৰ যুদ্ধত অসহনীয়ভাৱে পৰাজিত আৰু অৱমানিত এই দুভগীয়া সম্ৰাটৰ ভাগ্যৰবি হয়তো আৰাচান চাচ নদীৰ সিপাৰে চিৰদিনৰ বাবে অস্ত গৈছিল। চেলজুক তুৰ্ক সম্ৰাটৰ পদচিহ্ন বহন কৰি পূৱৰ ৰজাৰ অধীনতা স্বীকাৰ কৰি লৈ যেতিয়া তেওঁ তেওঁৰ ভগ্নহৃদয় আৰু বিধ্বস্ত সৈন্যবাহিনী লৈ কন্সটান্তিনোপল পালেগৈ তেতিয়া তেওঁৰ প্ৰতি সহানুভতি দেখুৱাবলৈ কোনো নাছিল। ক্ৰোধ আৰু ঘণাত তেওঁৰ এসময়ৰ প্ৰিয় প্ৰজাবগ তেওঁৰ প্ৰতি বিমুখ হৈ উঠিল। দাবানলৰ দৰে চাৰিওপিনে বিদ্রোহৰ অগণি জ্বলি উঠিল। ঐতিহাসিক অল বুন্দাৰীয়ে এই ভাগ্যহত সম্ৰাটৰ শেহদিন কেইটা উল্লেখ কৰি কেছে যে তেওঁৰ ক্ৰুদ্ধ প্ৰজাগণে প্ৰণালীবদ্ধভাৱে সাম্ৰাজ্যৰ সকলো ঠাইৰ পৰা তেওঁৰ প্ৰতিমূৰ্ত্তি আৰু নাম ফলক সমূহ অপসাৰিত কৰিছিল। তেওঁৰ স্বাক্ষৰযুক্ত সকলো আদেশ নিদেশ আৰু আইনবোৰ বাতিল কৰি নতুনকৈ প্ৰণয়ন কৰিছিল। ৰোমান সাম্ৰজ্যৰ হাজাৰ বছৰ বিয়পা ইতিহাসৰ সম্ৰাটসকলৰ গৌৰৱময় নামৰ তালিকাৰ পৰা ডায়োজিনেচ ৰোমানাচৰ নাম কাটি পেলোৱা হৈছিল। প্ৰচাৰ কৰা হৈছিল ৰোমানাচ যীশুখ্ৰীষ্টৰ কোপদৃষ্টিত পৰিছে। শেহত ৰোমানাচক বন্দী কৰি নিষ্ঠুৰভাৱে তেওঁৰ চকু কাঢ়ি পেলোৱা হৈছিল। তাকে ইমান বেছি নিষ্ঠৰভাবে কৰা হৈছিল তাৰ আঘাততে তেওঁৰ মৃত্যু হৈছিল।

সম্ৰাট ৰোমানাচৰ এই অপঘাত মৃত্যুৰ সংবাদ যেতিয়া আলপ আৰ্চলানৰ কাণত পৰিলহি তেতিয়া অলপ সময়ৰ কাৰণে তেৰো স্তব্ধ হৈ গৈছিল। তেওঁৰ সিংহ হৃদয় বিচলিত হৈ পৰিছিল। তাৰ পিচত কাষত থিয় হৈ থকা যুৱৰাজ মালিক শ্বাহৰ ফালে চাই লাহে লাহে কৈছিল—ভুলৰ প্ৰায়শ্চিত্ত ৰজাই সময়ে সময়ে এইদৰে কৰিব লগীয়া হয়। কিন্তু ৰোমানাচ সাহসী আছিল।

বাচ্চায়ে শেৰ মালিক শাহৰ তেতিয়া মনলৈ আহিছিল সেই ভৱিষ্যৎ-বাণীৰ কথা। মালাচগাৰ্ডৰ যুদ্ধত পূৰৰ ৰজাৰ জয়লাভ হ'ল। দুজন ৰজাৰ ভিতৰত পশ্চিমৰ জনৰো এতিয়া মৃত্যু হ'ল। মৃত্যুৰ কৰাল গ্ৰাসত পৰিবলৈ বাকী আছে মাত্ৰ পূৰৰ ৰজাজন। মালিকশ্বাহে পিতৃ আলপ আৰ্চলানৰ ফালে চালে। মুকলি সীমান্তত দৃঢ়ভাৱে থিয় হৈ থকা এটা শিলৰ দুৰ্গৰ দৰে শক্তিশালী এজন যোদ্ধা। গভীৰ শ্ৰদ্ধা সম্ভ্ৰম আৰু স্নেহৰ এক মিশ্ৰিত অনুভূতিৰ বা-মাৰলীয়ে মুহূৰ্ত্তৰ কাৰণে শাহাজাদাৰ মন অশান্ত কৰি তুলিলে। খুদা না কন্দা— খুদা না কন্দা— ঈশ্বৰে নকৰক— ঈশ্বৰে নকৰক। হে আল্লাহ। নিচাপুৰৰ সেই অপৰিচিত ছাত্ৰৰ ভৱিষ্যৎবাণী সফল হ'বলৈ নিদিবা।

কিন্তু পৰম শক্তিমান ঈশ্বৰে আকৌ আচৰিতভাৱে সেই ভৱিষ্যৎবাণী সফল কৰিছিল। ৰোমানাচৰ মৃত্যুৰ এবছৰৰ ভিতৰতে চুলতান আলপ আৰ্চলানৰো মৃত্যু ঘটিছিল।

খ্ৰীষ্টীয় ১০৭২ চনৰ শীতকালি চুলতান আলপ আৰ্চলান সাম্ৰাজ্যৰ ইটোমুৰে বিদ্ৰোহী তাতাৰ তুৰ্কবিলাকৰ বিদ্ৰোহ দমনত ব্যস্ত। ইতিহাসত উল্লেখ আছে যে চুলতানে দুই লক্ষৰো অধিক সৈন্য লৈ সেই বিদ্ৰোহ দমনত লিপ্ত হৈছিল। সেই বিশাল বাহিনীৰ অধিপতিৰূপে তেওঁ আহি আমুদৰিয়া নদীৰ পাৰত উপস্থিত হৈছিল।

সেই আমুদৰিয়াৰ ৰূপালী বালিত নিৰ্ম্মম কালে চুলতান আলপ আৰ্চলানৰ ওপৰত শতুৰু াৰিছিল।

চুলতানৰ বাহিনী নদী পাৰ হওঁতে প্ৰায় তিনি সপ্তাহ সময় লাগিছিল। ইতিমধ্যে কেবাটাও শত্ৰু পক্ষৰ দুৰ্গ তেওঁ হস্তগত কৰিছিল। তাৰে এটাই বহুদিন ধৰি প্ৰতিৰোধ কৰিছিল। সেই ৰুদুগটোৰ অধিপতি জনৰ নাম আছিল হুউচফ নৰজামী। এই নৰজামীক যেতিয়া বন্দী কৰি সম্ৰাটৰ ওচৰলৈ লৈ অহা হ'ল তেতিয়া সম্ৰাটৰ ওচৰত শিষ্ট ব্যৱহাৰ কৰাৰ সলনি নানা ধৰণৰ কটুক্তি কৰিছিল। এটা সময়ত সম্ৰাটৰ ধৈযাচ্যুতি ঘটিল। তেওঁ নৰজামীক মাটিত দীঘলকৈ পেলাই চাৰিটা খুটি পুতি হাতে ভৰিয়ে বান্ধি থ'বলৈ দিলে। এই আদেশ শুনি ইউচফ নৰজামী আৰু ক্ষুব্ধ হৈ উঠিল। সি এনেকুৱা অশোভনীয় ভাষাত সম্ৰাটক গালি গালাজ দিবলৈ আৰম্ভ কৰিলে যে এটা সময়ত গৰ্জ্জন কৰি উঠি সম্ৰাটে নিজৰ ধনু হাতলৈ তুলি তাত তীৰ সংযোজন কৰি লগলে

তাৰ পিচত সেই উদ্ধত বন্দী সেনাপতিৰ বুকুলৈ লক্ষ্য স্থিৰ কৰি তাক ধৰি থকা সৈন্য কেইটাক আতৰি যাবলৈ কলে। কিন্তু যি আলপ আৰ্চলানৰ অব্যৰ্থ তীৰ সন্ধানৰ সেইকালত বিশ্বজোৰা খ্যাতি— ঈশ্বৰৰ অলঙ্ঘনীয় বিধানত সেইদিনা সিও লক্ষচ্যুত হল। সেই চূড়ান্ত মুহূর্ত্তত—চুলতানৰ দুহেজাৰ সৈন্যৰ চকুৰ আগত শৰীৰৰ কোনো ঠাইত লুকাই ৰখা এপাত তীক্ষ্ণধাৰ খঞ্জৰেৰে চুলতানক একে চোটাই আহি আক্রমণ কৰিলে ইউচুফ নৰ জামীয়ে। চুলতানক পেটত আৰু বুকুত কেবাবাৰো আঘাট কৰি সাংঘাতিক ভাৱে আহত কৰিলে। চুলতানক ৰক্ষা কৰিবলৈ আগবাঢ়ি গৈ বহুঠাইত আঘাত পালে আমীৰ ছৈয়দুদ্দিন নামৰ এজন বিশ্বস্ত সহচৰে। তাৰ পিচত কোনোবা এজন ৰক্ষীৰ মুদগৰৰ আঘাটত ইউচুফৰো ইহলীলা সাং হল।

মমান্তিক ভাৱে আহত আলপ আচলানক শিবিৰলৈ নিয়া হ ল। কিন্তু ৰাজসভাৰ সুবিখ্যাত চিকিৎসক বিলাকেও একো কৰিব নোৱাৰিলে। মৰণৰ কালছাঁয়াই চুলতানৰ উন্নত কপালত লাহে লাহে সমাপ্তিৰ আঁচ টানি দিলে। মৃত্যুক কিন্তু একেই সাহস আৰু সৰল ঈশ্বৰ পৰায়নতাৰে গ্রহণ কৰিছিল শ্বেৰ ই-দিলোৱাৰ বা সাহসী সিংহই। পৰম বিশ্বাসী উজীৰ নিজাম উল মুল্ককক মাতি আনি তেওঁৰ শেষ ইচ্ছা শুনাইছিল যে তেওঁৰ পিচত চেলজুক সাম্রাজ্যৰ অধিপতি হব স্বাহাজাদা মালিকশ্বাহ। এক বিস্মিত আৰু ৰোমাঞ্চিত এক ব্যথিত আৰু মমাহত মালিকশ্বাহে নীৰৱে পিতৃৰ শেষ আদেশ গ্রহণ কৰি চিৰ দিনৰ কাৰণে চকু জাপ খাই আহিব ধৰা সম্রাটৰ ভৰিৰ কাষত আঠু কাঢি বহি পৰিছিল। কাণত বাৰে বাৰে বাজি উঠিছিল পিতৰ শেষ বাণী— হে পুত্র এক আল্লাহৰ বাহিৰে শক্তিবান আৰু কোনো নাই। আমাৰ সকলো শক্তি তেওঁৰ পৰাই ধাৰ কৰা। মই মোৰ জীৱনত কোনোকালে পৰম কৰুণাময় আল্লাৰ সহায় নিবিচাৰিকৈ যুদ্ধ যাত্রা কৰা নাছিলো। সেই শত্রু দুজ্জয়েই হওক বা সামান্যই হওক। কিন্তু কালি আমুদৰিয়াৰ ৰূপালী বালিত থিয় হৈ থাকোতে মোৰ ভৰিৰ তলৰ পৃথিবী যেতিয়া মোৰ বিশাল সৈন্যবাহিনীৰ চৰণ-ভৰত টলমল কৰি উঠিছিল তেতিয়া মোৰ ভাৱ হৈছিল যেন এই বিশাল পৃথিবীৰ মালিক একমাত্র মই। মই অপৰাজেয়। সেই বাবেই নিশ্চয় পৰম শক্তিবান আল্লাই এটা সামান্য ইনচানৰ হাতত মোৰ পতন ঘটালে। মোৰ অহঙ্কাৰৰ বাবে

মই বৰ অনুতপ্ত। ঈশ্বৰে যেন মোক ক্ষমা কৰে। বিচমিল্লাহিৰ ৰহমানিৰ ৰহিম।

ৰুদ্ধ কণ্ঠেৰে মালিকশ্বাহে কৈ উঠিছিল—আমেন।

মাভ নগৰত চুলতান আল্‌প আচলানক সমাধি দিয়া হৈছিল। এজন কবিয়ে এফাকি শায়ৰীৰে তাৰ স্মৃতি ৰাখিছিল—

সৰ ই আলপ আচলান দীদ ই জি ৰিফত ৰফ্‌তা ৰৰগদান
বি মাৰৱ ৱা তা বি খাক অন্দৰ সৰ ই আলপ আচলান বিনি।

তোমালোকে আলপ আচলানৰ সমুন্নত শিৰে আকাশ পৰশা দেখিছিলা। মাভনগৰীলৈ আহা—চোৱা সেই উচ্চ শিৰ কেনেদৰে ধুলিত লণ্ঠিত।

ৰে নগৰত নতুন চুলতান মালিক শ্বাহৰ অভিষেক হৈছিল। আফগানিস্থানৰ পৰা ভূমধ্য সাগৰলৈকে বিয়পা এই বিপুল সাম্ৰাজ্যৰ দায়িত্ব হাতত লৈ পুনৰ যুদ্ধৰ ঘোৰাত চোৱাৰ হল অষ্টাদশ বৰ্ষীয় মালিকশ্বাহ—বাচ্চায়ে শ্বেৰ মালিকশ্বাহ। ইতিহাসৰ ভৰাসুতি নতুন গতিৰে আগবাঢ়িবলৈ ধৰিলে।

উনৈশ

পমেক পাচত সেই সদাগৰী কাৰাভানৰ লগত আহি এদিন আবেলি ওমৰ নিচাপুৰ প্ৰবেশ কৰিলেহি। ওমৰে এখন দোকানত অলপ খাই ললে প্ৰথমে। দিনটো খোজ কঢ়াৰ পিচত ডোকো লাগিছিল ভাগৰো লাগিছিল। তাৰ পিচত চিন্তা কৰিলে যে এতিয়া কলৈ যোৱা যায়। চাচাজানৰ দোকান! নাই তালৈ যোৱা নহব। বহুদিনৰ আগতে পঢ়া কবিৰ শায়ৰী মনত পৰিল ওমৰৰ য'ত এসময়ত সুখেৰে আছিলা তালৈ উলটি নেযাবা। পুৰণি আনন্দৰ স্মৃতিয়ে তোমাৰ অন্তৰ ভাঙি পেলাব। তম্ব চিলাই কৰা ওমৰৰ তম্বুৰ কাম শেষ হল। খায়ামৰ দোকানলৈ যোৱা আৰু নহব। তেনেহলে কি কৰা যায় এতিয়া।

সন্ধ্যা অস্তযোৱাৰ পিচত নিচাপুৰ নগৰৰ ৰাজপথ যথাৰীতি জনাকীণ হৈ পৰিছিল। দিনটোৰ গৰম আৰু প্ৰখৰ ৰ দত সাধাৰণতে মানুহবোৰ ঘৰৰ ভিতৰত থাকে। নিতান্ত কামৰ মানুহ নহলে বৰকৈ বাজলৈ কোনো নোলায়। কিন্তু আবেলি ৰ দজাক নোহোৱা হোৱাৰ পিচতে নগৰীৰ আচ্যৱস্ত নাগৰিক সকল বাহিৰলৈ ওলায়। কোনোবাই দোকান বজাৰ কৰে। কোনোবা হাৱা খাবলৈ আহে। দোকান-বোৰত গ্ৰাহকৰ ভিৰ হয়। আলিবাটৰ পথাচাৰী মানুহে ভৰি পৰে। লগে লগে পিয়াপি দি ফুৰে অসংখ্য মগনীয়াৰ দল যেনি তেনি শুনা যায় হয়াহু ইয়াহক। আল্লাৰ নামত দান কৰক।

ওমৰে অজানিতে চাকিহতৰ ঘৰৰ ফালেই লাহে লাহে গৈ আছিল। সম্প্ৰতি নিচাপুৰ নগৰত তাৰ আপোন বুলি ভাবিবলৈ একমাত্ৰ চাকিহে আছে। গতিকে মনৰ তলিত চাকিৰ কথাই সি ভাবি আছিল।

কিন্তু চাকিহতৰ ঘৰৰ ফালে ঘুৰিবলৈ আলিকেকুৰিটো পাওঁতে সি সচেতন হৈ উঠিল। এইটো কি কৰিছে সি। চাকিহতৰ ঘৰলৈ সি কিয় যাব। চাকি লোকৰ ঘৰৰ অবিবাহিতা ছোৱালী। জানে বাকিবা। তাই হাচিনা নহয়। সম্ভ্ৰান্ত মুছলমান মানুহৰ

ঘৰৰ অন্দৰমহলত তাই থাকে। তাইৰ ওচৰত তাৰ কি দৰকাৰ।

লগে লগে ওমৰ উলটি অহা পথে খোজ ললে। নাই চাকি হঁতৰ ঘৰলৈ যোৱা নহব। আবুতাহেৰ চাহেব বৃদ্ধ মানুহ। এতিয়া গৈনো কি কথা পাতিবগৈ সি।

আঃ আজি পৰভেজ থকা হলে। ওমৰে ভাবিলে। দূৰৰ পৰাই হাহিৰে মুখ পোহৰাই মাত দিলে অ— এই যে ওমৰ ভাই কি খবৰ।

ওমৰে সেই সন্ধিয়া নিচাপুৰৰ ৰাজপথে ৰাজপথে ঘুৰি অনেক সময় কটাই দিলে। মাজে মাজে দুজন এজন চিনাকি মানুহ লগ পায়। দুষাৰ কথা হয়। ওমৰৰ কোনোকালেই বেছি মানুহৰ লগত চা চিনাকি নাছিল। ওমৰৰ প্রতি কাৰো ভ্রুক্ষেপ নাই। এই জগতত নিজে বিচাৰিলেহে মানুহেও বিচাৰে।

অনাই বনাই বহুত সময় ফুৰাৰ পিচত ওমৰৰ মনত পৰিল বাৰখান দৰৰাজাৰ কাষত মেহেৰুদ্দিন নামৰ নিজামৰ বিষয়াক লগ পোৱাৰ কথা। ওমৰে সেইফালৈকে আগবাঢিল। বাৰখান দুৱাৰৰ কাষৰ এখন মনোহাৰী মালৰ দোকানত কেইজনমান মানুহে থিয় হৈ বস্তু বেহানি দৰাই আছিল। সি তালৈকে গৈ দোকানীক সুধিলে ইয়াত মেহেৰুদ্দিন নামৰ ৰাজকৰ্মচাৰী এজন কোনোবাই চিনি পায়নে? এটাইকেইজন মানুহ বস্তু দৰাবলৈ এৰি ওমৰৰ ফালে চালে। দোকানীয়ে সুধিলে— কি কাৰণে লাগে মেহেৰুদ্দিন চাহেবক?

তেওঁক মোৰ কোনো দৰকাৰ নাই। তেওঁহে মোক ইয়াত লগ পাবলৈ কৈছিল। মানুহজন মই চিনিও নেপাওঁ।

ওমৰৰ সাজ পোছাক আৰু কথাৰ ধৰণ দেখি দোকানীয়ে ভাবিলে যে কত আজীৱ মানুহৰ লগতযে মেহেৰৰ যোগাযোগ থাকে! তাৰ পিচত ওমৰক অলপ ৰবলৈ কৈ এটা লৰাক কাণে কাণে কিবা কৈ পঠাই দিলে।

ক্ষন্তেক পিচতে লৰাটোৰ লগত এজন মানুহ আহি ওমৰক ক লেহি— মোৰ লগত আহা।

ওমৰ মানুহজনৰ পিচে পিচে গৈ দেখিলে যে আলিবাটৰ ওপৰতে এজন মানুহ অকলে থিয় দি আছে।

মানুহজন ওখ আৰু ক্ষীণ। নাকটো বৰ জোঙা। চকু দুটা সকলো সময়তে অস্থিৰ। মানুহজনৰ সাজ-পোছাক চমকোৰ। ওচৰত থিয় হওঁতেই ওমৰে তেওঁৰ গাৰ পৰা আতৰৰ সুগন্ধ লভিলে। আটক ধুনীয়া বিলাসী মানুহ। এটা সুন্দৰকৈ সজোৱা ঘোৰাৰ লেকামৰ জৰী এখন হাতেৰে ধৰি মানুহজন থিয় হৈ আছিল। ওমৰে ওচৰ চাপি গৈ আদাব জনালে—।

তুমি কোন ?

মই ওমৰ বেগ ইব্রাহীম। মোক ইয়াতে লগ পাবলৈ নিৰ্দেশ দিয়া হৈছিল।

মানুহজনে ওমৰৰ ফালে চালে। চকু মুখত একো ভাব প্রকাশ নেপালে।

কাৰ্ত্তা চান তুমিনো গৈ কুহিস্থানৰ সেই বেদুইনবোৰৰ মাজত কি কৰিছিলাগৈ।

মই এ নয়ে ফুৰি ফুৰি গৈ তেওঁলোকৰ লগ লাগিছিলো। ওমৰে সহজ ভাবে ক'লে। তাৰ মনত পৰিল বিবি নাজমা আৰু হাচিনালৈ। বেজাখানলৈ। ছবিৰ আহমদ ওচমানহতলৈ।

তাজিক বেদুইনৰ লগত! মেহেৰৰ মাতত অলপ বিস্ময় প্রকাশ পাল। এই লৰাটো অদ্ভুত। কিবা মতলবত সিহতৰ লগ লাগিছিলগৈ কোনে জানে।

কোনে পঠাইছিল ?

ওমৰে ক'লে কোনেও পঠোৱা নাছিল।

তোমাক নিজাম বাহাদুৰে বিচাৰিছে। কালিলৈ দুপৰীয়া নামাজৰ পিচত তুমি নিজামৰ দপ্তৰখানাৰ পশ্চিমফালৰ বাৰান্দাত উপস্থিত থাকিবা। তোমাৰ নাম ক'লে প্রহৰীয়ে বাট এৰি দিব। কিন্তু এই সাজত তুমি নেযাবা। অলপ চাফ চিকুন হৈ যাবা। বুজিলা ?

ওমৰে ক'লে গম বুজিছে।

এতিয়া তুমি ক'ত থাকিবা ? মেহেৰে আকৌ সুধিলে। ওমৰৰ দৰিদ্র অৱস্থা মেহেৰৰ চকুত পৰিছিল।

ওমৰে ক'লে যে তাৰ কোনো থকা ঠাই ঠিক হোৱা নাই।

মেহেৰে এ কা নকৈ ঘোৰাৰ পিঠিত জাপ মাৰি উঠিল। তাৰ পিচত হেলোঙৰে ক'লে থাকিবলৈ ঠাই নাই যদি এটা সহায় কৰিব পাৰো।

তুমিতো লিখা-পঢ়া জানা। এজন মাংস বিক্রী কৰা কচাই মানহৰ ঘৰত এজন মানুহ বিচাৰিছে। আঠটা ল'ৰা ছোৱালীক চকোৱাণ স্বৰীফ পঢ়াব লাগিব। থকা খোৱা আৰু কাপোৰ দিব। এতিয়াই যাব পাৰিবা। তুমি ৰাজী ?

মেহেৰৰ কথাৰ সৰত তাচ্ছিল্য। ওমৰৰ খুব খং উঠি গ'ল। এখোজ মেহেৰৰ ফালে আগবাঢ়ি গৈ কৈ উঠিল—

গৰৰাজী। বহুত বান্দাৰ ল'ৰা'য়ো অলপ অচৰপ পঢ়িব পাৰে। যাওক সেইবোৰৰে কাৰবাক সহায় কৰি ধন্য হওকগৈ। হে গৰীৱৰ ৰক্ষাকৰ্ত্তা।

মেহেৰৰ ফালে এবাৰো নোচোৱাকৈ ওমৰে আগ'ল খোজ দিলে। মেহেৰে মুখখন বিদৰাই ওমৰ ষোৱাৰ ফালে অলপ পৰ চাই থাকিল। তাৰ পিচত ওমৰক মাতি অনা মানহটোক ক'লে এই ল'ৰাটোৰ পিচ ল। আজি সি ক'ত থাকে কি কৰে সকলো মই জানিব লাগিব।

ওমৰে কিন্তু আৰু ঘুৰি পকি নুফুৰিলে। লাহে লাহে তাৰ পৰা গৈ জুম্মা মচজিদৰ প্ৰাথনা মণ্ডপৰ মাৰ্ব্বলৰ মজিয়াত এটা স্তম্ভৰ ওচৰত নিজৰ সতৰঞ্চিখনা পাৰি শুই থাকিল। ক্লান্ত ওমৰ লগে লগে টোপনিত পৰিল। ৰাতি গভীৰ হৈ অহাত দেৱালৰ ওচৰৰ এন্ধাৰত থিয় হৈ ওমৰক চাই থকা মেহেৰৰ মানহটোও আতৰি গ'লগৈ। এটা বগা মেকুৰী মাৰবলৰ মজিয়াইদি নি শব্দে লাহে লাহে পাৰ হৈ গ'ল। মচজিদৰ মমবাতিৰ শুদ্ধ বগা পোহৰৰ এটা ক্ষীণ আভা নিদ্রিত ওমৰৰ মুখত পৰি আছিল।

পিচদিনা পুৱা আবু তাহেৰৰ ঘৰলৈ বুলি খোজ দিলে ওমৰে। কিন্তু চৌক উল্ল কাজাজৰ সেই ঘৰত অন্য মানহ দেখি আচৰিত হ'ল ওমৰ। বাহিৰৰ যিটো ঘৰত আবুতাহেৰ তেওঁৰ বিভিন্ন গ্ৰন্থেৰে পৰি বেষ্টিত হৈ বহি থাকে সদায় তাত দুজনমান অন্যমানুহ বহি কিবা ব্যৱসায়ৰ কথা পাতি আছিল। ওমৰক পদ্দা খন ঠেলি ভেবা লাগি

চাই থকা দেখি শকত হটঙা মানুহ এজন উঠি আহি কাক বিচাৰিছে সুধিলে। দুবাৰমান চোক গিলি থত মত খাই ওমৰে সুধিলে—

এইটো জানো খাজা ইমাম আবু তাহেৰ চাহেবৰ ঘৰ নহয়?

মানুহজনে ওমৰক ভালকৈ চালে। তাৰ পিচত সুধিলে তুমিনো কোন? ক ৰপৰা আহিছা?

ওমৰে ক লে মোৰ নাম ওমৰ বেন ইব্রাহীম। মই এই নিচাপুৰৰে। ইমাম চাহেবৰ ওচৰত বহুদিন পঢ়িছিলো। বহুদিন মই নিচাপুৰত নাছিলো। এতিয়া তেখেতক দেখা কৰিবলৈ আহিছিলো।

মানুহজনে ক লে আবু তাহেৰ চাহেবৰ এমাহৰ আগতে ইন্তেকাল হৈছে। এদিন পুৱা তেখেতক বিচনাতে মৃত অৱস্থাত পোৱা গ ল। বাৰ্দ্ধক্যজনিত ৰোগত কিছুদিন ভুগিছিল।

ওমৰ কিছুসময় বোবাৰ দৰে থিয় হৈ থাকিল। পৰভেজ—চাচাজান—আৰু এতিয়া আবুতাহেৰ। এখন এখনকৈ দুৱাৰবোৰ বন্ধ হৈ গৈ আছে ওমৰৰ বাবে।

চাকি—? আবুতাহেৰৰ ছোৱালী চাকি ক ত থাকে তেনেহ লে?

ইয়াতে থাকে। মোৰ ভতিজা ছোৱালী মোৰ লগত নেথাকি ক ত থাকিব?

ওমৰে ঘূৰি পুনৰ জপনামুখ পালেহি। আলিবাটত উঠি পিচলৈ উলটি চাওঁতে দেখিলে এখন সৰু খিৰিকীৰ পদ্দা ৰ ফাকেদি চাকিৰ মুখখন।

বহুসময় ওমৰে ঘূৰি পকি কটাই দিলে। সি কি কৰিব একো সিদ্ধান্তলৈ আহিব নোৱাৰাত পৰিল। মেহেৰুদ্দিনে কৈছে কালিলৈ নিজাম বাহাদুৰৰ স মুখত থিয় হ ব লাগিব। নিজামৰ ওচৰত কি হ ব সি জানেই। থিয় হোৱাৰ অলপ পিচতে সি যে বিচৰা মানুহজন নহয় সেইটো বুজিব পাৰি বিদায় দিব। তাৰ পিচত?

তাৰ বিবি নাজমা আৰু ৰেজাখানৰ কথা মনত পৰিল। ঠিকেই—সিতো গুছি যাব পাৰে তাৰ অঘৰী পিতা মাতাৰ ওচৰলৈ। ঠিক আছে সি গুছি যাব।

কিন্তু এতিয়া নিচাপুৰ এৰি গুছি যোৱা সম্ভৱ হ ব জানো তাৰ বাবে। ইয়াতেতো তাৰ চাকি থাকি যাব।

ওমৰ আবেলি আহি সেই ফলমূলৰ বাগান পালেহি। এজোপা গছৰ ছাত সি ভালদৰে অ াউজি বহিল। এইজোপা গছৰ তলতে

নিচাপুৰ এৰিবৰ আগদিনা সি চাকিৰ লগত কথা পাতিছিল। আজিও হয়তো লগ পাই যাব পাৰে। তাইৰ লগত তাৰ ঢেৰ কথা পাতিব-লগীয়া আছে।

বেলি ডুবাৰ পিচত সেই বাগানলৈ মুকলি বতাহ বিচৰা মানুহৰ সমাগম হ'ল। নগৰীৰ সুবেশ নাগৰিক সকলৰ অনেকেই তালৈ ফুৰিবলৈ আহে।

ওৰণিৰে মুখ ঢকা আৰু বোৰ্খা পৰিহিতা অনেক মহিলাও আহে। কেইজনীমান ছোৱালীৰ এটা জুমৰ পৰা এজনী ওৰণি লোৱা ছোৱালী ফালৰি কাষ্টি ওমৰৰ ফাললৈ আওৰাই আহিল। ওমৰ পলকিত হৈ উঠিল। সি ঠিকেই অনমান কৰিছিল। এয়া চাকি।

এৰেবাৰে কাষত আহি থিয় হৈ চাকিয়ে ক'লে — ওমৰ বেন ইব্রাহীম। তুমি কালৈ বাট চাই ইয়াত

তোমালৈকে চাকি। মই ভাবিছিলো মোক তুমি দেখিছা যেতিয়া নি চয় এবাৰ ইয়ালৈ আহিবা।

চাকিয়ে কিছু সময় একো নোকোৱাকৈ থিয় হৈ আছিল। তাৰ পিচত তাই বহিল। ওমৰে লক্ষ্য কৰিলে পাতল ওৰণিৰ তলত চাকিৰ চকুযুৰি সেমেকা। ওমৰে নিজেই ক'লে—

মই কালি গধলিহে আহি নিচাপুৰ পাইছোহি। আৰু আজি পুৱা তোমাৰ চাচাজানৰ পৰাহে জানিছো খাজা ইমাম চাহেবৰ পৰলোক হোৱা খবৰ। মোৰ কাৰণে আৰু এখন দুৱাৰ চিৰদিনৰ বাবে বন্ধ হৈ গ'ল চাকি।

কালি তুমি ক'ত থাকিলা ? চাকিয়ে সুধিলে।

জুম্মা মচজিদৰ বাৰান্দাত। মোৰ আৰু থাকিবলৈ অন্য ঠাই নাই চাকি।

ইমান দিন ক'ত আছিলাগৈ ?

ওমৰে মিচিকিয়াই হাহিলে। তাৰ সেই অপূৰ্ব্ব ধুনীয়া হাহিটো। চাকি মুগ্ধ হৈ চাই থাকিল। সেই হাহি চাকিয়ে আগতে দেখিছিল।

বহুদূৰ মৰুভূমিৰ মাজত মই এজন পিতা এজনী মৰমৰ আম্মা লগ পাইছিলো চাকি। আৰু লগতে বহুত ভাই বেৰাদৰ।"

চাকিয়ে আচৰিত হৈ তালৈ চালে।

সেইবোৰ চেৰ কথা চাকি। তোমাক কেতিয়াবা ক'ম।

তাৰ মানে তুমি আকৌ তালৈকে যাবাগৈ ?

ওমৰে লাহে লাহে মূৰ জোকাৰিলে। তাৰ পিচত কলে নিজামে তাক তলব কৰাৰ কথা। কালিলৈ নিজামৰ সন্মুখত হাজিৰ হ ব লাগে।

"ওঁ-ওঁ-তুমি শুছি যোৱাৰ পিচতে কেবাবাৰো মানুহ গৈছিল নহয় তোমাক বিচাৰি। তোমাৰ তল্লাচ কৰিবলৈ।

গতিকে মই ক ব নোৱাৰো কি কৰিম। তদুপৰি এইবাৰ ঘূৰি অহাৰ পিচত তুমিতো মোক নিচাপুৰ এৰি যাবলৈ নিদিয়াৰ কথা আছিল চাকি। তুমি জানো যাবলৈ দিবা ?

চাকিয়ে ম্লানভাৱে হাহিলে। এতিয়া চাকিও এতিম। বাপেক জীয়াই থাকোতে তাই ক ব পাৰিছিল কি কৰিব। এতিয়া জানো পাৰে।

ওমৰে চাকিৰ মুখ দেখি কলে সেইবাবে মই এতিয়া নিচাপুৰ এৰি যাব নোৱাৰো। তোমাৰ ক ৰণেই ৰৈ য ব লাগিব।

চাকিৰ চিন্তা আন্দোলিত হ ল। আব্বাজানৰ ইন্তেকাল হোৱাৰ পিচত তাই এই প্ৰথমবাৰ হাহিলে। চাচাজানৰ ঘৰখন তাইৰ একেবাৰে ভাল লগা নাই। বাপেক থকা দিনতকৈ আজিকালি ইমান বেছি বেলেগ হ ল সিহ তৰ ঘৰখন। তাতে তাইৰ চাচাজান বৰ বঠুৱা মানুহ। এতিয়া কিন্তু ওমৰক লগ পাই তাইৰ বৰ ভাল লাগিছে। ওমৰে তাইক ভাল পায়। তায়ো ওমৰক ভাল পায়। এদিন ওমৰৰ লগত তায়ো শুছি যাব সেই মৰুভূমিৰ বুকুলৈ। নিচাপুৰত ওমৰ নেথাকিলে তাইৰ কি দৰকাৰ থাকিবলৈ।

চাকিয়ে কিবা ভাবি থকা দেখি ওমৰে উৎসুক হৈ সুধিলে কি ভাবিছা চাকি ?"

ভাবিছো তোমাৰ কথা। এইবাৰ যদি সঁচা যোৱা তুমি মোক লগত লৈ যাবা ওমৰ।

আলবৎ। তাৰ কোনো অন্যথা হ ব নোৱা ৰ।

কিন্তু তোমাৰতো থাকিবলৈ এটা ঘৰ নাই। তুমি মোক নি ক ত থাকিবা ? চাকিয়ে সুধিলে।

ওমৰে বিশেষ একো নেভাবি উচ্ছাসতে কৈ উঠিল—

গুছি যাম দুয়ো বিবি নাজমা আৰু হাচিনাৰ ওচৰলৈ। তাত দেখিবা ঘৰ নোহোৱাকৈয়ে কি স্বৰ্গসুখত থাকে তেওঁলোকে।

চাকিয়ে আচৰিত হৈ কলে ঘৰ নোহোৱাকৈয়ে ঘৰ। তেওঁলোক জানো অঘৰী মানুহ।

অঘৰী মানুহ বেদুইন মানুহ। তুমি গলে দেখিবা ইঃ তোমাৰ ভয় নেলাগেনে?" চাকিয়ে সুধিলে।

ভয়? কিহৰ ভয়? ভয় কৰিবা নগৰীয়া মানুহক। নগৰত বহুত হিলেৰাজ বষ্টেৰাজ মানুহ থাকে। তেওঁলাকৰ দৰে দিলদাৰ মানুহ তুমি কত পাবা।

ওমৰ সদায় এনেকুৱাই। চাকিয়ে ভাবিলে। থাকিবলৈ ঘৰ নাই। খাবলৈ এটুকুৰা কটিৰ ব্যৱস্থা নাই। কিন্তু কোনো চিন্তা নাই। সুখৰ সন্ধেদ পায় পথ প্ৰান্তত। বহল উন্নত কপালত উদ্বিগ্নতাৰ কোনো চিহ্ন নাই।

চাকিয়ে ভয় খাই যায় ওমৰৰ কথা ভাবিলে।

আনমনা চাকিৰ বাহুত হাত দিলে ওমৰে কোনো ভয় নাই চাকি। এই কথা ঠিক যে তোমাৰ চাচাজানে তোমাক মো'লৈ দিবলৈ ইচ্ছা নকৰিব। গতিকে আল্লাৰ মজ্জি যদি অন্যৰকম নহয় আমি দুয়ো গুছি যাম। এবাৰ মোৰ ভাই ছবিৰ আহমেদৰ ওচৰ পালে পৃথিবীত এনে কোনো শক্তি নাই যে তোমাক মোৰ পৰা কাঢ়ি নিব পাৰিব।

তেতিয়া সন্ধিয়া নামিছিল। ওমৰৰ পৰশত চাকিৰ সৰ্ব্বশৰীৰ শিঞ্জৰি উঠিল। এই শিহৰণ তাই কোনো কালে অনুভৱ কৰা নাছিল। এই ভয়ানক লৰাটোক তাই ভীষণভাবে ভাল পাই গল। পৰ বি যুৱানী উ বি পিৰিস্তি পিৰ বি মুৰদি উ যুৱান ঝিস্তি। বাদ্ধক্যৰ কথা সুকীয়া। কিন্তু যৌৱনে আহৰান কৰিব জীৱনক।

লগৰ ছোৱালীবোৰ সেইফালে অহা দেখি চাকি থিয় হল।

আজি কত থাকিবা ওমৰ?

ওমৰো থিয় হৈছিল।

নদীৰ পাৰত কিছুমান পুৰণি দালান আছে দেখিছা? আজি সেই ফালেদি আহোতে ভাবি আহিছো তাৰে এটাত থাকিম। তাৰে এটা ঘৰৰ চাদত উঠি মই আগেয়ে আকাশৰ গ্ৰহ তৰাবোৰৰ গতি অধ্যয়ন কৰো।

বিশ

আগতে পোৱা নিদ্দেশমতে দুপৰীয়াৰ নামাজৰ অলপ পিচতে ওমৰ গৈ নিজাম-উল মুল্কৰ দপ্তৰখানা বা কাৰ্য্যালয়ৰ সন্মুখত উপস্থিত হ'লগৈ। বাৰান্দাত গৈ থিয় হোৱাৰ লগে লগে এটা দুৱৰীয়ে তাক মেহৰৰ ওচৰলৈ লৈ গ'ল। ওমৰক দেখিয়েই মেহেৰ উঠি আহিল। এবাৰ ওমৰৰ ভৰিৰ পৰা মুৰলৈকে চাই লাহে লাহে মুৰ দুপিয়ালে মেহেৰে। চকুত এটা অনি চয়তাৰ ভাব প্ৰকাশ পালে। ওমৰৰ স্বভাৱতে তীক্ষ্ণ চকুত কোনো শঙ্কাৰ চিনমাত্ৰও নাছিল। কিন্তু মেহেৰে জানিছিল যে এই ল'ৰাটো আগতে কোনো ৰাজপুৰুষৰ সমাগমলৈ অহা নাই। ৰাজসভাৰ বিষয়ে দীঘ অভিজ্ঞতা থকা প্ৰভাৱশালী ম'নুহেও সাম্ৰাজ্যৰ শাসনকৰ্ত্তা নিজাম উল মুল্কৰ লগত সাক্ষাত কৰিবলৈ আহি শঙ্কাকুল হৈ পৰে। চকুৰে মুখে উৎকণ্ঠা প্ৰকাশ পায়। অথচ এই ল'ৰাটোৰ কোনো বিকাৰেই নাই! গাৰ সাজ পোছাকো যথেষ্ট পৰিমাণে পৰিপাটি নহয়। এই আধা ইনচান ল'ৰাটো কোনো বেদুইন হানাদাৰ দলৰ মাজতহে শোভা পায়। ইয়াৰ কি প্ৰয়োজন হ'ব পাৰে নিজামৰ। কিন্তু হুকুম হৈছে যেতিয়া পালন কৰিবই লাগিব মেহেৰে। মুখেৰে এটা অসহায় ভঙ্গী কৰিলে মেহেৰে—তাৰ পিচত ক'লে—

তোমালৈকে বাট চাই আছো ওমৰ। অলপ পাচতে তোমাৰ ডাক পৰিব। খোদ নিজামে তোমাক তলব কৰিছে। গতিকে কথা কওঁতে সাবধানে ক'বা।

মোকনো কিয় মাতিছে?

সেই কথা মই কেনেকৈ জানিম। হয়তো কিবা প্ৰশ্ন কৰিব পাৰে। যি সোধে তাৰ সঠিক উত্তৰ দিবা।

কি ধৰণৰ প্ৰশ্ননো তাক সুধিব সেইবিষয়ে ওমৰৰ কোনো ধাৰণাই নাছিল। খোদ নিজামৰ মাদ্ৰাছাৰ সামান্য গৰীব ছাত্ৰ এজনৰ লগত কি সাক্ষাতৰ প্ৰয়োজন হ'ব পাৰে। গতিকে ওমৰৰ নিশ্চিত ভাব হৈছিল যে ক'ৰবাত কিবা এটা ভুল হৈছে। এতিয়া নিজামে দুটামান প্ৰশ্ন কৰাৰ পিচতে ভুলটো ওলাই পৰিব আৰু তাক যাবলৈ দিব। ওমৰে

সেই কাৰণে বিশেষ চিন্তা কৰা নাছিল।

মেহেকন্দিন বৰ চটফটীয়া ধৰণৰ মানুহ। ওমৰে নিজাম বাহাদুৰৰ কক্ষত সোমাওঁতে কি কৰিব লাগিব কেনেকৈ সোমাব লাগিব কেনেকৈ কুনিশ কৰিব লাগিব বহিবলৈ দিলে কেনেকৈ বহিব লাগিব এই সকলো কথা ভালদৰে বুজাই দিলে। তাৰ পিচত সতৰ্ক কৰি দিলে— চাবা নিজামৰ আগত কথা কোৱা বৰ সহজ কথা নহয়। যি সোধে ঠিক তাৰেইহে উত্তৰ দিবা। নহলে বহুত বিপদত পৰিবা। ৰজাৰ দৰবাৰৰ কথা কোৱা টান। লাখ দিৰহাম ইনাম পাবও পাৰে অলপ অসাৱধান হলেই মুৰ যাবও পাৰে।

মই একমাত্ৰ সত্য কথাহে কব পাৰিম। ওমৰে চমুকৈ ক'লে।

এনেতে কেইজনমান পৰিচিত ৰাজকমচাৰী দেখি মেহেৰে আগবাঢ়ি গৈ কথা পাতিলেগৈ। বিষয়া কেইজনে এবাৰ ওমৰৰ ফালে চালে তাৰ পিচত মেহেৰৰ ফালে চালে। মেহেৰে বোধহয় ওমৰৰ বিষয়ে কিবা ক'লে। বিষয়া কেইজনে আচৰিত হৈ ওমৰৰ ফালে চাই থুছি গ'ল।

মেহেৰ ওমৰৰ ওচৰৰ পৰা কিছুদূৰ আতৰি গৈ বিভিন্ন কক্ষ বিলাকত জুমাজুমি কৰি ফুৰিছিলগৈ। মাজে মাজে দুৱৰীহতৰ লগত ফুচফুচাই কথা পাতিছিল। ওমৰে লক্ষ্য কৰিলে যে মেহেৰক সকলোৱে চিনি পায় আৰু খাতিৰ কৰে।

চুলতানৰ ৰাজপ্ৰাসাদৰ বিস্তীৰ্ণ চৌহদৰ একোণত নিজামৰ দপ্তৰখানা। চতুৰ্দিশৰ সযত্ন পালিত গছৰ ছায়াঘন পৰিবেশত সন্মুখৰ ফালে গোলাকৃতি এটি সৰু ধুনীয়া বগা মাৰবলৰ ঘৰ। কেউগিনে বহুসংখ্যক কমচাৰীয়ে কাম কৰি আছে।

মেহেৰে পুনৰ ওমৰৰ কাষলৈ আহি কাণে কাণে ক'লে বিদেশী কটকী কেইজনমানৰ লগত কথা হৈ আছে। তেওঁলোকৰ শেষ হলেই তোমাৰ ডাক পৰিব।

ওমৰে মুৰ দুপিয়ালে। কত ধৰণৰ মানুহ আহে নিজাম বাহাদুৰৰ ওচৰলৈ। অলপ আগতে সমৰখণ্ডৰ ৰাজদূতক ওলাই যোৱা দেখিলে। আমেনিয়ান সদাগৰ কেইজনমানক সসজ্জিত ৰাপৰ থালত নজৰাণা লৈ সোমাই অহা দেখিলে। আনকি কেইজনমান ষ্টেপচ তৃণভূমি অঞ্চলৰ পৰা অহা ঘোৰা বেপাৰীও।

এই ঘৰণীয়া পৃথিৱীৰ কেন্দ্ৰ বিন্দু হিচাপ কৰি উলিয়াব লাগিব। কিন্তু এই বিশাল সাম্ৰাজ্যৰ কেন্দ্ৰস্থল ক্ষমতাৰ মাপকাঠিৰে জুখিলে নিঃসন্দেহে নিজামৰ দপ্তৰখানা।

ওমৰে এইবোৰ লাগবান্ধ নো'হোৱা কথা চিন্তা কৰি থাকোতেই লৰালৰিকৈ মেহৰ আহি তাৰ কান্ধ স্পৰ্শ কৰিলেহি বলা আমাক মাতিছে। মই কোৱা কথাবোৰ মনত আছেতো?

ওমৰে মূৰ দুপিয়াই কলে যে মনত আছে।

চাবা হুচিয়াৰ!

এজন ভৃত্যই নিজামৰ কক্ষৰ দৱাৰৰ ডাঠ পৰ্দা খন কোচাই আতৰাই দিলে।

এটা আহল-বহল ডাঙৰ কক্ষ। উত্তৰ আৰু দক্ষিণফালে মজিয়াৰ পৰা চাললৈকে গোটেই বেৰখন মাবলৰ জালি কটা। বতাহৰ চলাচল কোঠাৰ ভিতৰত ইমান বেছি যে কোনো গৰম অনুভৱেই নহয়। বাহিৰৰ ফুলনিৰ পৰা অনেক ফুলৰ সুবাস আহি ওমৰৰ নাকত লাগিলহি। কোঠাৰ মজিয়াত চুক কোণ ঢাকি মহামূল্যবান বোখাৰাৰ গালিচা পৰা। সোফালে বেৰৰ দাতিত দুজনমান সহকাৰীয়ে কিবা লিখি আছিল।

প্ৰকাণ্ড কোঠাটোৰ পূবফালে বেৰলৈ পিঠি দি এখন চাৰিকোণীয়া মেজ্ৰা বা তোচকৰ ওপৰত এজন প্ৰায় পঞ্চাশ বছৰ বয়সৰ মানহ বহি আছিল। তেওঁৰ গাৰ আভৰা অতি সাধাৰণ। মানুহজনৰ কপাল বহল। মথৰ দীঘ কেচা পকা দাৰিৰ গুচ্ছ সুবিন্যস্ত। কাণৰ দাতিয়ে দাতিয়ে চুলিবোৰতো পক ধৰিছে। কপালৰ কুঞ্চনখিনিত অভিজ্ঞতাৰ স্বাক্ষৰ। জোঙা নাক। ডাঠ চেলাডৰিৰ তলত সচ্যাগ্ৰ দৃষ্টি। মানুহজনৰ শৰীৰ কৃশ কিন্তু দীঘদেহী স মথৰ চপৰ চাপৰ কেবাখনো মেজৰ ওপৰত থোৱা কাগজ-পত্ৰ কিছুমানৰ মাজত তেওঁ বৰ ব্যস্ত আছিল। আগলৈ সসম্ভ্ৰমে হাউলি আভূমি কুৰ্ণিশ কৰি ওমৰ আৰু মেহেৰে কলে—

আচ্ছালামু আলেইকুম।

আলেইকুম আচ্ছালাম। বুলি ওমৰৰ ফালে এবাৰ তীব্ৰ অন্তভেদী দৃষ্টি নিক্ষেপ কৰিলে মানুহজনে। তাৰ পিচত দুয়োজনকে হাতেৰে ইঙ্গিত কৰিলে বহিবলৈ। গালিচাৰ ওপৰতে দুয়ো বহিল। ওমৰৰ অহাৰ পৰা এতিয়ালৈকে এই প্ৰথমবাৰ শঙ্কা জাগিল। এই দোদণ্ড

প্রতাপী নিজাম বাহাদুৰৰ প্রচণ্ড ব্যক্তিত্বৰ সমুখত অজানিতে নিজকে অতি ক্ষুদ্র যেন লাগি গ'ল।

নিজামে এবাৰ বেৰৰ কাষত কাম কৰি থকা মানহ কেইজনৰ ফালে চালে। মানহ কেইজন কাগজ পত্র সামৰি সৰু দুৱাৰ এখনেদি ভিতৰ সোমাই গ'ল।

নিজামে সমখৰ মেজৰ পৰা কাগজ এখন উলিয়াই লৈ এবাৰ চকু ফুৰালে তাৰ পিচত ওমৰৰ ফালে চাই ক'লে—

তোমাৰ নাম গিয়াচদ্দিন আবল ফতহ ওমৰ বেন ইব্রাহীম অল খায়াম। মুস্তাফা ওস্তাদ আবুল আলিৰ শিষ্য। সৰুতে তুমি নিচাপুৰ মাদ্রাছাত ইমাম মোৱাফাকৰ তলত চফী দৰ্শন অধ্যয়ন কৰিছিলা। চাৰি বছৰৰ আগতে তোমাৰ চাচাজানৰ মৃত্যুৰ পিচত তোমাৰ নির্দ্দিষ্ট কোনো থকা ঠাই নাই। হয়নে?

ওমৰে ভেবা লাগি চাই থাকিল। নিজৰ বিষয়ে ইমানবোৰ কথা একেলগে নিজামৰ মুখৰ পৰা শুনাৰ পিচত তাৰ বিস্ময়ৰ সীমা নাছিল। তাৰ মানে সি ভবা দৰে ভুল কৰি তাক মতা হোৱা নাই। ঝিকেই মাতিছে। সি এইবাৰ সচাকৈয়ে শঙ্কিত হৈ পৰিল। এবাৰ ঢোক গিলি ডিণ্ডিৰ ভিতৰখন তিয়াই লৈ সি কোনোৰকমে ক'লে—

আল্লা হজৰত আপুনি সঠিক কৈছে।

তুমি এতিয়া ক'ত আছা?

কালি গধুলি মই নিচাপৰত উপস্থিত হৈছোহি মাত্র। মোৰ এতিয়াও থকা ঠাই ঠিক হোৱা নাই।

নিজাম কাষৰ তাকিয়াত ভেজা দি অলপ আৰাম কৰি বহিল। তেওঁ ওমৰৰ কুণ্ঠিত মুখখন দেখিলে।

তুমি এজন ছাত্র। কিন্তু ওস্তাদ আলিয়ে জনাইছে যে তেওঁৰ মোস্তাবত তোমাৰ অধ্যয়ন শেষ হৈছে। তুমি এতিয়া কি কাম কৰিবা?

ওমৰৰ ইচ্ছা ওচা নাছিল যদিও এইবোৰ সাধাৰণ প্রশ্নত সি অলপ সহজ হ'ল। সি ক'লে—

সেই কথা মই এতিয়াও ক'ব নোৱাৰো আল্লা হজৰত।

হঠাৎ ওমৰৰ চকুৰে চকুৰে কেইপলকমান চাই থাকি নিজামে প্রশ্ন কৰিলে—

বাৰু তুমি মোক এটা কথা কোৱা ওমৰ। সচা কথা ক'বা।

কি ধৰণৰ গণনা আন্দাজ বা অনুধ্যেৰণাৰ ফলত তুমি আমাৰ তেতিয়াৰ যুৱৰাজ আৰু বৰ্ত্তমানৰ শাহানশ্বা চুলতান মালিকশ্বাহৰ আগত মালা চগাডৰ যুদ্ধৰ ফলাফল আৰু বাইজেণ্টাইনৰ সম্ৰাট ৰোমানাচ আৰু আমাৰ স্বৰ্গত বাদশ্বাহ আলপ আচলানৰ মৃত্যুৰ বিষয়ে ভবিষ্যতবাণী কৰিছিলা ? মই তোমাৰ পৰা সঠিক উত্তৰ বিচাৰিছো।

ওমৰ পুনৰ তৰাধ লাগিল। লাহে লাহে তাক এইদৰে মাতি অনাৰ কাৰণ সম্বন্ধে ধাৰণা তাৰ মনৰ মাজত উদয় হ ৰলৈ ধৰিলে। অ সেই কথা! তিনি বছৰৰ আগতে খোৰাচানী ৰাজপথৰ কাষৰ সেই পাহাৰীয়া চেৰাইখানাৰ শীতকালৰ বৰষণীয়া ৰাতিৰ ঘটনালৈ মনত পৰিল। ওমৰে সেই ঘটনা সম্পূৰ্ণ পাহৰি পেলাইছিল। আজি যে খোদ নিজাম উল মুলকে সেই কথাকে সুধিবলৈ তাক চমন দি মাতি আনিছে সেইটো সি এতিয়াহে বুজিলে। কিন্তু ওমৰে কি উত্তৰ দিয়ে এতিয়া। কাষতে বহি থকা মেহেৰৰ ফালে চাই ওমৰে একো সহায় নেপালে। মেহেৰৰ ভাৰ লেশহীন মুখ। নিৰিকাৰ। কণ্ঠতেতো বৰমুখ লৈ কৈছিলা এতিয়া ঠেলা বচোৱা – এনকুৱা ভাৰ। ওমৰে দ্বিধাগ্রস্তভাবে নিজামৰ ফালে চা'ল। কি ক'লে ভাল হব। কিন্তু নিজামে তীক্ষ্ণদৃষ্টিৰে ওমৰৰ ফাললৈকে চাই আছিল। সেই চকুৰ দৃষ্টিৰ আগত মিছা কথা ক'বলৈ ওমৰৰ সাহ নহ'ল। গোহত ওমৰে ক'লে—

আল্লা হজৰত সেইটো এটা তামাচাত কোৱা কথাহে আছিল।"

নিজামে অসহিষ্ণুভাবে হাত জোকাৰি ক'লে—

এইবোৰ কি শুনিছো! সচাকথা কোৱা। সেইকথা নি চয় তামাচা নাছিল।

ওমৰে কিন্তু কি ক'ব সেই বিষয়ে ইতিমধ্যে সিদ্ধান্ত কৰি পেলাইছিল। গতিকে সি সহজ ভাবেই উত্তৰ দিলে—

হজৰত বান্দাৰ গোস্তাকি মাফ কৰিব। সেই কথা সচাকৈয়ে তামাচাই আছিল। সেইদিনা ৰাতি বিভিন্ন দেশৰ মানুহ দুনুহ উট ঘোঁৰা খচৰ চেৰাইখানাৰ ওচৰে পাজৰে জমায়েত হোৱা দেখি মই ঘুৰি পকি সেইবোৰ চাই ফুৰিছিলো। তেনেকৈ অনাই বনাই ফুৰোতে এবাৰ গৈ মই তুৰ্কী সৈন্য শিবিৰত সোমালোগৈ। তাত দেখিলো সেই ঠাণ্ডাতো বাহিৰত থিয় হৈ ওপৰৰ আকাশত তৰা চাই আছিল

শাহাজাদা আৰু মৌলবী চাহাৰ সকলে। লগতে অন্যান্য মানুহো আছিল। তেওঁলোকে পশ্চিম আকাশৰ ফালে আঙুলিয়াই অন্য এটা তৰাকে চুহাইল নক্ষত্ৰ বুলি দেখুৱাইছিল। মইতো জানো যে বছৰৰ সেই সময়ত চুহাইল নক্ষত্ৰ কেতিয়াও দেখা পোৱা নেযায়। সেই কাৰণে মই কৈ পেলালো যে সেইটো চুহাইল নক্ষত্ৰ নহয়। মৌলবীসকল জাঙৰ খাই উঠিল। তেতিয়া শাহাজাদাই তেওঁলোকক মনে মনে থাকিবলৈ কৈ মোক সুধিলে যাত্ৰাৰ ফল কেনে হব। মঞ্জো তেতিয়া এটা ভবিষ্যদ্বাণী কৰি পেলালো। আচলতে কথা সিমানেই হজৰত। তাতে মই তেতিয়ালৈকে নেজানিছিলো যে সেইজনাই আমাৰ বৰ্ত্তমানৰ মহান চুলতান আছিল।

ওমৰে কথা বন্ধ কৰিলত নিজামে লাহে লাহে অনিশ্চিত ভাবে মূৰ জোকাৰিলে। তাৰ পিচত কলে—

তোমাৰ উত্তৰ সন্তোষজনক নহয় ওমৰ। তুমি কি উদ্দেশ্যে সেই ধৰণে ভবিষ্যদ্বাণী কৰিবলৈ গলা কোৱাচোন।

আল্লা হজৰত মোৰ কোনো উদ্দেশ্য নাছিল। তুকী ভাষা মই ভালদৰে নেজানোও। আনহাতে মই কৈছোৱেই আল্লাৰ নামত কৈছো যে সেইজনাই যে আমাৰ মহান চুলতান আছিল সেই কথাও তেতিয়া মই নেজানিছিলো। হঠাতে সেই কথাখিনি কৈ এতিয়া মই বৰ অনুতাপ কৰিছো।

নিজামে একো নোকোৱাকৈ কিছুপৰ ওমৰৰ ফালে চাই থাকিল। ওমৰে কিন্তু সচাঁকয়ে অন্তৰত হায় হায় কৰিছিল। কি জুলমত পেলালা প্ৰভু! মোকনো কিহে পাইছিল সেইদৰে ভবিষ্যদ্বাণী কৰিবলৈ!

বৰ আচৰিত কথা। তুমি এক উশাহতে তিনিটাকৈ ভবিষ্যদ্বাণী কৰিলা আৰু তিনিওটাই ফলিয়ালে। এনে ঘটনাৰ কোনো দৃষ্টান্ত মই আগতে কতো দেখা নাই আনকি শুনাও নাই। কেনেকৈ এনে ঘটনা সম্ভৱ হল বাৰু? তোমাৰ কি ধাৰণা?

হজৰত কেনেকৈ ফলিয়ালে মই কেনেকৈ জানিম। আল্লাহ তাল্লাৰ মৰ্জি হলে চব হয়।

নিশ্চয় আল্লাহৰ ইচ্ছা হলে সকলো হয়। তোমাৰ বাবে বাই জেণ্টাইন সম্ৰাট ৰোমানাচৰ জন্মবাৰ বা নক্ষত্ৰ জনা নিশ্চয় সম্ভৱ নাছিল। কিন্তু তুমি আমাৰ স্বগত চুলতান আলপ আচলানৰ কোষ্ঠী কেনেকৈ গণনা কৰিছিলা?

মেহেৰ এই প্ৰশ্ন শুনি উচাপখাই উঠিল। কাৰণ নিজামৰ প্ৰশ্নত এটা কুটিল ফান্দ আছে। খায়ামৰ বাচ্চা এইবাৰ পৰিল ঠেকত। ওমৰে কিন্তু সহজভাৱেই উত্তৰ দিলে—

মই কোনো গণনা কৰা নাছিলো। হঠাৎ কিবা প্ৰকাৰে মোৰ মুখেদি সেই কথাখিনি ওলাই পৰিছিল মাত্ৰ।

কিন্তু তুমিতো গণনা কৰিব পাৰা। কোষ্ঠী কৰিব পাৰা।

পাৰো। কিন্তু আৰু হাজাৰজনে পাৰে।

পাৰে হয়তো। কিন্তু তেওঁলোকৰ কোনেও তোমাৰদৰে তিনি দফীয়া ভবিষ্যদ্বাণী কৰিবলৈ যোৱা নাই। তাকো খোদ স্বাহানস্বাৰ আগত! বাৰু ওমৰ খায়াম তুমি জানানে যে চলতান মালিক স্বাহে তেখেত সিংহাসনত উঠাৰ পিচৰ পৰাই তোমাৰ সন্ধান কৰিছে।

হুজুৰ সেই কথা মই ৰ ব নোৱাৰো।

নিজাম বৰ আচৰিত হ ল। এই ল ৰাটোৱে কয় কি? সি ৰজাৰ সিংহাসন লাভ হ ব বুলি তিনিটাকৈ ভবিষ্যদ্বাণী কৰে আৰু ভবিষ্যদ্বাণী ফলিয়ায়ো। "এতিয়া ৰজাই আজি এবছৰে তাক বিচাৰিছে। নিজামৰ চোৰাংচোৱা বাহিনীয়ে গোটেই সাম্ৰাজ্য চলাথ কৰি ক ৰবাৰ বেদুইনৰ মাজৰ পৰা আনিছেগৈ। এতিয়া সি কয় বোলে তাৰ সেইবোৰ খবৰেই নাই! কবই নোৱাৰে।

কিন্তু নিজামে ওমৰৰ ফালে চাই দেখিলে যে তাৰ চকু দুটাত কোনো জটিলতাৰ চাপ নাই।

চোৱা ওমৰ। একমাত্ৰ তুমি জানা আৰু আল্লাই জানে কি কাৰণে কেনেকৈ তুমি সেই অদ্ভুত ভবিষ্যদ্বাণী কৰিবলৈ গ লা। যি কাৰণেই নহওক সেই ভবিষ্যদ্বাণী ফলিয়ালে। গতিকে তাৰ দায়িত্বৰ পৰা তোমাৰ ৰেহাই নাই। চুলতান মালিকস্বাহে বহুদিন ধৰি তোমাক বিচাৰিছে। তুমি ৰাজসভালৈ গ লে তোমাক নিশ্চয় উপযুক্ত বঁটা বাহন দিব। কিন্তু তুমি এতিয়া মোক যি ধৰণে জবাব দিছা এই ধৰণে ক বলৈ গ লে সত্য কথা হ লেও তুমি হয় জল্লাদৰ হাতত পৰিবা নহ'লে অন্যধৰণে লাঞ্ছনা ভোক কৰিবা। সম্ৰাটে ৰাজ-সভাত তোমাক সুধিলে তুমি কি পুৰস্কাৰ বিচাৰিবা? তোমাৰ বয়স কম। গতিকে কি ক বা সেই বিষয়ে সাৱধানে চিন্তা কৰি কোৱাই ভাল হ ব।

ওমৰ এই কথা শুনি সচকিত হৈ উঠিল। আৰে ৰাজসভা—দৰবাৰ! এক নিজাম বাহাদুৰৰ ওচৰত কথা পাতোতে উশাহ বন্ধ হ ব খোজে! খোদ চুলতানৰ আগত ৰাজদৰবাৰত! ওমৰ এইবাৰ সচাকৈ ব্যস্ত হৈ উঠিল। এটা ঢোক গিলি লৰালৰিকৈ ক লে—

আল্লা হজুৰত! ৰাজদৰবাৰত মোৰ কি প্ৰয়োজন। মই নগ লে নহয়নে? মই কোনো পুৰস্কাৰ নিবিচাৰো।

নিজাম আৰু মেহেৰৰ এইবাৰ দ্বিতীয়বাৰ আচৰিত হোৱাৰ পাল পৰিল। নিজামৰ দৰবাৰী কায়দা দুৰস্ত মন এই ধৰণৰ কথা শুনাত অভ্যস্ত নাছিল। এই ল ৰাটো বনৰীয়া ঘোৰাৰ দৰে তেজী আৰু পোহ নমনা স্বভাবৰ কিন্তু নিদোষ। ওমৰৰ কথাত নিজামে এই আচৰিত আৰু বেয়াদব ল ৰাটো হাতলৈ অনাৰ এটা সু যাগ দেখিলে। তেওঁ ক লে—

বাৰু ওমৰ তুমি যেিয়া কোনো পুৰস্কাৰ নিবিচাৰা আৰু যেহেতু তোমাৰ বয়স কোমল আৰু তুমি বুদ্ধিমান ছাত্ৰ গতিকে মই তোমাৰ জানমালৰ জিম্মাদাৰ আৰু তোমাৰ বিদ্যাচৰ্চ্চাৰ হিম্মায়তদাৰ হ বলৈ সাজু আছো। কোৱা তুমি ৰাজীনে?

ওমৰে এক মুহূৰ্ত্ত অবাক হৈ চাই থাকিল। ভুল শুনা নাইতো। পিচ মুহূৰ্ত্ততে ওমৰৰ মন কৃতজ্ঞতাৰে উপচি পৰিল। সচাকৈয়ে ওমৰৰ এতিয়া এক প্ৰকাৰ নিৰাশ্ৰয় অৱস্থা। চাচাজানৰ মৃত্যুৰ পিচৰ পৰা তাৰ থাকিবলৈকে ঠাই নাই। পৰভেজৰ মৃত্যুৰ পিচতে সি সম্পূৰ্ণ ৰ ধুহীন হৈ পৰিল। তদুপৰি তাৰ কিবাকিবি ঢেৰ সপোন আছে। আৰু আছে তাৰ চাকি— এটাঘৰ— এনে সময়ত স্বয়ং নিজামক আশ্ৰয়দাতা আৰু পৃষ্ঠপোষক স্বৰূপে পোৱাযে সপোনৰ কথা। ওমৰ অভিভূত হৈ পৰিল। গালিচাৰ ওপৰত দণ্ডৱতে পৰি ওমৰে নিজামৰ হাত এখন নিজৰ কপালত লগালে।

আই পাদৰ! হে পিতৃ! মই জৰুৰ ৰাজী।

নিজামে হাহিলে। মেহেৰে আনন্দৰ শব্দ এটা কৰিলে।

তেনেহলে কোৱা ওমৰ তোমাক এতিয়া কি লাগে।

হুজুৰ বান্দাৰ বহুত দিনৰ স্বপ্ন যেন জানৰ চৰ্চ্চা কৰিবলৈ এটা উপায় পাওঁ। যদি মই এটা নক্ষত্ৰ নিৰীক্ষণাগাৰ পাওঁ—

নক্ষত্ৰ নিৰীক্ষণাগাৰ! —সেইটো আকৌ কি? মিছামিছি আজুৰি বস্তুৰ নাম লোৱাতকৈ অলপ চিন্তা কৰি কোৱা ভাল হ ব ওমৰ।

আল্লাহৰ বহত দয়া হলেহে এনেকুৱা সৌভাগ্য লাভ হয়।' মেহেৰে দাবি দিয়াৰ সুৰতেই ক'লে।

নিজামে হাত এখন ডাঙি মেহেৰক ৰ বলৈ কৈ ওমৰক ক'লে—

নক্ষত্ৰ নিৰীক্ষণাগাৰ। মাৰায়ে তাৰা। সেইটো বাক্ বুজিলো। আক্ কোৱা—

ওমৰে আকৌ ক'লে

হুজুৰৰ অশেষ মেহেৰবাণী। মই গণিতৰ চৰ্চ্চা কৰি থাকোঁতে অনেক আকাঙ্খা মনৰ মাজত জাগিছিল। সেইবোৰ আশা মোৰ কোনো কালে পূৰণ নহ'লহেতেন। এতিয়া হুজুৰে যদি কৃপা কৰে তেন্তে সেইবোৰ নি চয় সম্পূৰ্ণ হ'ব। মোৰ নক্ষত্ৰ নিৰীক্ষণাগাৰৰ বাবে আক্ লাগিব এটা আচমানী গোলক টলেমীৰ নক্ষত্ৰ তালিকা এখন অল কিন্দিৰ গণিত আক্ জ্যোতিৰিদ্যাৰ কেউখন গ্ৰন্থ। আৰু –

বস্তুৰ তালিকা দেখি মেহৰৰ বিস্ময়ৰ সীমা নাছিল। তাতে এইবোৰ বস্তুৰ নাম মেহেৰৰ বাবে নাভূত নাশ্ৰুত। মৌলবীচাহাবে বেমাৰ আজাৰ হওঁতে দোল ফ হটি জাৰি ফু ফুকোৰ দিওঁত উচ্চাৰণ কৰা শব্দৰ দৰে। মেহেৰে কিবা ক'বলৈ ধৰোতেই নিজামে পুণৰ ইঙ্গিতেৰে বন্ধ কৰি তালিকাখন লিখি যাবলৈ ক'লে। ওমৰে পুনৰ কৈ গ'ল—

এটা দিক নিণয়ক যন্ত্ৰ। ৰোমান আৰু আৰবীয় মতে দূৰত্ব নিৰ্ণয়ক পৰিমাপদণ্ড। দুই মিনিটৈ চোস্ত হিচাপ দিব পৰা এটা জলঘড়ী।

মেহৰক লিখিবলৈ সময় দি ওমৰ ৰ'ল। তাৰ পিচত আকৌ ক'লে এটা আকাশী লণ্ঠণ মমদানি লিখিবলৈ কাগজ আৰু চিয়াহী। কেইটামান কলম।

মেহেৰে লিখি গ'ল। ওমৰে কাগজলৈ এবাৰ জুমি চাই আকৌ ক'লে অ এটা নক্ষত্ৰৰ কৌণিক অৱস্থান নিৰ্ণয়ক যন্ত্ৰ এটা ভৌগোলিক গোলক। দুখনমান ভাল গালিচা তাকিয়া। সদ্যহতে এইখিনিয়েই। পিচত আৰু বস্তুৰ প্ৰয়োজন হ'ব। মই নিজে তালিকা দিম।

মেহেৰে লিখা শেষ কৰি এটা নিশ্বাস এৰিলে। মনে মনে ভাবিলে বুধিহীন মানুহৰ সুকপালেই বা কি দুৰ্কপালেই বা কি! নিজামে কিন্তু হাহিলে মাথোন—

এতিয়া এইবোৰ বস্তু গোটাই ক'ত থোৱা হবনো? কাৰবাৰ ঘৰৰ চাদত নে জুম্মামচজিদৰ বাৰান্দাত?

ওমৰৰ সেইবোৰ ঠাট্টা কৰা কথালৈ ভ্ৰুক্ষেপেই নাই। একে উৎসাহতে কৈ গ ল হজৰত নিচাপুৰ সুৰক্ষিত নগৰ। বৰ্ত্তমান সাম্ৰাজ্যৰ কেন্দ্ৰস্থল। এই নগৰৰে উত্তৰ প চিম কোণে নদীৰ পাৰত কিছুমান অট্টালিকা এনে য় পৰি আ ছ। মাজে মাজে তাৰে এটাৰ চাদৰ পৰা ৰাতি মই তৰা বিশাকৰ গতি বিধি নিৰীক্ষণ কৰো। তাৰে এটা সামান্য মেৰামত কৰি দিলেই মই মোৰ নক্ষত্ৰ নিৰীক্ষণাগাৰৰ কামত ব্যৱহাৰ কৰিব পাৰো। এতিয়া হুজুৰৰ যি ইচ্ছা।

ওমৰৰ কথা শুনি নিজামে মেহেৰৰ ফালে চালে। মেহেৰে ক লে যে হয় তেনেকুৱা কেইটামান ঘৰ আছে। গজনৱী ৰাজত্বৰ কালৰে। নিজামে তেতিয়া ক লে—

ঠিক আছে। ওমৰ তোমাক এই সকলোবোৰ দিয়া হ ব। কিন্তু এটা কথা তাৰ আগতে তুমি মানিব লাগিব।

কি কথা ?

তুমি প্ৰতিজ্ঞা কৰিব লাগিব যে আজি যেনেকৈ মোৰ আগত মালাচগাডত কৰা তোমাৰ সেই ভবিষ্যদ্বাণী তুমি তামাচা আছিল বুলি ক লা তেনেকৈ অন্য কোনো মানুহৰ আগত তুমি কেতিয়াও নোকোৱা।

অ সেই কথা। হজৰত মই কেতিয়াও নকওঁ।

যদি নিতান্তই ক ব লগা হয় তুমি ক বা যে তুমি এক মুহূৰ্ত্তৰ অনুপ্ৰেৰণাত হঠাৎ মনত জাগি উঠা ভাব প্ৰকাশ কৰিছিলা।

ৰাজ ক ব লাগিলে সেইদ'ৰই ক ম। ওমৰৰ মন তেতিয়া আনন্দত ভৰপুৰ। সেইবোৰ কথাৰ গুৰুত্ব নোহোৱাই হৈ গৈছিল। এটা ঘৰ পোৱা যাব তাৰ সপোনৰ নক্ষত্ৰ ভৱন—আৰু কি লাগে! সেই ভবিষ্যদ্বাণী কৰিবলৈ গৈ কিন্তু ভাল বিপদত পৰিছিল। নিজাম উল্ মুলক মহান আলিম মানুহ। মোৰ নিৰ্দ্দোষিতা বুজিব পাৰিলে। নহ লে শ্বাহানশ্বাহে সোধা হ লেও মইতো তামাচা বুলিয়েই কলোহেতেন। নিজৰ নিৰুদ্ধিতাৰ বাবে প্ৰাণকে হেৰুৱাব লাগিলহেতেন। নাই নাই সি কেতিয়াও নকয়। মহামহিমময় চুলতান মালিকশ্বাহ দীঘজীৱি হওক। কিন্তু তেওঁৰ এই গৰীব প্ৰজাৰ—তেওঁক ৰাজ দৰবাৰত সাক্ষাৎ কৰাৰ দৰকাৰ নাই।

ইতিমধ্যে নিজামে মেহেৰক ওমৰৰ নক্ষত্ৰ ভৱন সম্বন্ধে সকলো দিহা পৰামশ দি শেষ কৰিলে। তাৰ পিচত ওমৰৰ ফালে চাই ধেমালি

কৰি ক'লে ওমৰ তোমাকতো অকল পঢ়া-শুনা কৰিবলৈ জ্যোতিৰিদ্যাৰ কিতাপ আৰু তৰা চাই থাকিবলৈ যন্ত্ৰ পাতি হ'লেই নহব। তোমাক খাবলৈ আহাৰ পিন্ধিবলৈ সাজ পোহাক আৰু ঘৰুৱা কাম কাজ কৰি দিবলৈ মানহ লাগিব। নহয় জানো?

ওমৰে সেইবোৰ কথা ভবাই নাছিল। নিজামৰ কথা শুনি লাজ পাই লৰা লৰিকৈ ক'লে হয় আল্লা হজৰত।

তুমি লাগিয়াল বস্তু কিনি কুটি লবলৈ ইয়াতে অলপ পইচা দিছো লোৱা। এইবুলি নিজামে ধুনীয়া সূতাৰে বনকৰা এটা ৰূপৰ মুদ্ৰাৰে ভৰা মোনা ওমৰলৈ আগবঢ়াই দিলে। ওমৰে দুইহাত পাতি গ্ৰহণ কৰিলে।

ওমৰে যাবলৈ উঠি দণ্ডৱত পৰি চালাম কৰিলে। তাৰ পিচত সুধিলে মই ঘৰটো কেতিয়া পাম?

নিজামে মেহেৰৰ ফালে চালে।

কালিলৈ মগৰীবৰ নামাজৰ আগে আগে। মেহেৰে ক'লে।

কালিলেকৈ! ওমৰ আচৰিত হ'ল। ইয়াকেই কয় ৰাজবলৰ যাদু। পনৰ আভূমি কুণিশ কৰি ওমৰে বিদায় ল'লে।

একৈশ

ভাগ্যৰ এই আকস্মিক পৰিবৰ্ত্তনত ওমৰ ৰোমাঞ্চিত হৈ উঠিছিল। কালি গধূলি সি মাত্ৰ দুটা দিৰহাম আৰু কেইটামান তামৰ পইচাৰ মালিক আছিল। এতিয়া জোব্বাৰ বুকুৰ ফালে এমোনা মোহৰ। ওমৰে একেলগে ইমানখিনি ধন আগতে চুয়েই পোৱা নাছিল।

নিজামৰ কক্ষৰ পৰা ওলাই আহোতে লগে লগে মেহেৱো আছিল। নিজামৰ দপ্তৰখানা পাৰ হৈ প্ৰধান প্ৰৱেশ পথৰ কাষ পাণ্ডত মেহেৰে সুধিলে কালিতো নদীৰ পাৰৰ সেই ভুতৰ মহলৰ চাদতে গ ল। আজি ক ত থকা হবনো?

মেহেৰৰ কথাত সম্ভ্রম। সু'ৰা অতি শিষ্ট। ক ৰ নোৱাৰি এই খায়ামৰ বাচ্চা কিমান ওপৰলৈ উঠে। নিজামৰ চকুত পৰিছে যেতিয়া আমীৰ ওমৰাহ হ বলৈ কিমান পৰ। মেহেৰে মনে মনে ভাবিছিল।

ক ৰ নোৱাৰো। হয়তো আজিও তাতেই থাকিম। ওমৰে কৈয়েই খোজ ল লে। মেহেৰৰ কোনো অনুগ্রহ তাক নেলাগে। পৰহি গধূলি বাৰ খান তোৰণৰ ওচৰত মেহেৰে হেলাভৰে কোৱা কথা তাৰ মনত পৰিল।

মেহেৰে সি ষোৱাৰ ফালে কিছুপৰ চাই থাকি মুৰ দুপিয়াই নিজকে নিজে ক লে—ল ৰাৰ তেজ আছে। কিন্তু তোমাৰ অন্দৰেই বা কি বাৰান্দাই বা কি। আহিলাতো মৰুভূমিৰ হানাদাৰহতৰ মাজৰ পৰা। আৰু তোমাৰ যিহে গঢ়গতি ভু ততও নধৰে তোমাক!

মাত্ৰ ওমৰ হেৰাব লাগিলে নিজামে সুখেৰে নেৰে। গতিকে ওমৰৰ পিচত কেৰাটাও চোৰাংচোৰা লগাই দিলে মেহেৰে।

আনন্দত অধীৰ ওমৰে চৌক উল কাজাজৰ সেই বাগানত চাকিৰ কাৰণে ৰৈ থাকিলগৈ। নিজামৰ লগত ৰা কি কথা হ ল জানিবলৈ চাকি তাৰ অহাৰ কথা।

বেছি সময় ৰ ৰ লগা নহলেই। চাকি প্ৰায় ল ৰি অহাৰ দৰে

আহি ওমৰৰ ওচৰ পালেহি। ওমৰৰ উৎফুল্ল মুখ দেখি তাই হাহি পেলালে। ওমৰে একে উশাহতে নিজামৰ লগত হোৱা সাক্ষাৎকাৰৰ বৃত্তান্ত বৰ্ণনা কৰি তাৰ পিচত ক'লে—

অৱশেষত আমাৰ এটা ঘৰ হ'ল চাকি। ঈশ্বৰৰ পৰম কৰুণা। এতিয়া তুমি আহি মোৰ লগত থাকিবহি পাৰিবা।

ঘৰটো ক'ত দিব ওমৰ? বিমূঢ় কণ্ঠে চাকিয়ে সুধিলে।

ওমৰে ক'লে। কালি সি তাতে আছিল। আজিও তাতেই থাকিব।

কিন্তু সেইটোতো এটা ভগা অট্টালিকা! চাকিয়ে কৈ উঠিল।

হওক চাকি। কিন্তু একেবাৰে নিৰলা। তাতে হ'ব মোৰ নক্ষত্ৰ নিৰীক্ষণাগাৰ। তাত মই থাকিম আৰু হে মোৰ হৃদয়ৰ ৰাণী তুমি থাকিবা; চোৰাহী ভৰা ৰঙা চিৰাজী থাকিব। তোমাৰ কাৰণে থাকিব সেই চিৰাজীত তিওৱা পকা আঙুৰ।

সিমানেই? আৰু কোনো কাম নাই? কাজ নাই? নিজাম উল মুল্কে আৰু কোনো কাম দিয়া নাই তোমাক? চাকিয়ে যেন বুজিবই পৰা নাই ওমৰে কোৱা কথাবোৰ।

কিয় নেথাকিব। তাত আৰু থাকিব মোৰ দমদম কিতাপ। কাগজ কলম আৰু কত ধৰণৰ জ্যোতিবিদ্যাৰ যন্ত্ৰপাতি। মই তোমাক কৈছিলো সময়ৰ নতুন হিচাব কৰাৰ প্ৰয়োজন হৈছে। মই সেই কামত লাগি থাকিম। ওমৰে ক'লে।

ওমৰৰ কিতাপ পঢ়া কি ধৰণৰ কথা চাকিৰ ভালদৰে জনা আছে। লগে লগে মুখখন ওফোন্দাই কৈ উঠিল।

তেনেহ'লে তোমাৰ ঘৰলৈ আহি কি হ'ব ওমৰ। আগতে আব্বাজানৰ ওচৰত বহি পঢ়াৰ দৰে সকলো সময়তে কিতাপ পঢ়ি থাকিবাতো? তোমাৰতো মোলৈ মুৰ তুলি চাবলৈকে সময় নেথাকিব।

নেথাকিব! তমি কোৱা কি! চাকিৰ কথাত হাহিবলৈ ধৰিলে ওমৰে তমি নেজানা চাকি—কবিৰ কবিতা—

মস্ত ই ময় বি দাৰ গদদ নিম ই ছব
মস্ত ই চাকি বোজ ই মহছৰ বাম দাদ

মদিৰাৰ ৰাগীয়ে মাজনিশা এৰা দিয়ে। কিন্তু মদিৰাৰ পিয়লা আগুৰাই দিয়া গাভৰুজনীৰ ৰাগীত যি পাৰিছে তাৰ চৈতনা আহিব কিয়ামতৰ দিনা পুৱাহে।

চৌক উল কাজাজৰ ফলবাগানত দুই চকুত সুখৰ সপোনৰ অঞ্জন সানি ৰাপহী চাকিয়ে ওমৰৰ পৰা বিদায় লৈ লঘু ল্লয়লাস গতিৰে ঘৰলৈ উভতিছিল। গছৰ আৰত তাই চকুৰে নেদেখা হোৱালৈকে ওমৰে চাই আছিল। দুয়োৰে দুখন প্রেমময় সৰল অন্তৰ। পিপাসাৰ নদীত সাতুৰি থকা দুটা সৰল মন।

ওমৰে তাৰ পৰা ওলাই বজাৰৰ ফালে গৈছিল। কালিৰ দীন দৰিদ্র ওমৰৰ আজি নিজকে বিশাল ঐশ্বয্যশালী লোক যেন লাগিছিল। আজি কি কিনিব নোৱাৰে সি তাৰ প্রিয় চাকিৰ কাৰণে। বগা চিকচিকাই থকা চীনা ৰেচমী কাপোৰ হাতীদাতৰ ফণি আৰু চুলিত মৰা ৰাপৰ ফুল! আকাশী ৰঙৰ পাথৰ লগোৱা মিনা কৰা খাৰু আৰু সৰু সৰু চীনামাটিৰ বৈয়ামত ভৰাই বিক্রী কৰা হৰেক ৰকমৰ মিঠাই! সকলো কিনিব পাৰে সি।

বস্তুৰে ৰাশীকৃত হৈ থকা দোকান পোহাৰ বিলাকৰ মাজত ঘৰি ফুৰোতে ওমৰে এবাৰ ভাবিলে—অনেক দিন অভুক্ত অৱস্থাত আছো। মই তাৰ কোনো প্রতিবাদ কৰা নাই। আজি দীন দুনিয়াৰ মালিকে মোক দয়া কৰিছে। সেই দয়াৰ দান মই আনন্দ মনে গ্রহণ কৰিম।

ওমৰে যি মন যায় তাকেই কিনিবলৈ আৰম্ভ কৰি দিলে। সকলো চাকিৰ কাৰণে।

দাৰৰ বাতৰি দাৰে ৰখা মেহেৰৰ ওমৰৰ কাণ্ড দেখি বিস্ময়ৰ অন্ত নেথাকে। তাৰ পিচত ৰহস্য ভেদ কৰাৰ হাহি মাৰি নিজৰ দাড়িত হাত বুলাই কয়—আহা! কোমল বয়স! পখিলী গাভৰু! মহৱ্বত! মানুহ কয় প্রথম প্রেমৰ সুগন্ধ বোলে হাচনাহানাৰ খুচবুৰ দৰে। মানুহ পাগল কৰি তোলে।

কিন্তু সেই ছোৱালীজনী কোন। তাইৰ ওপৰতো চকু ৰখা দৰকাৰ। ওমৰ আগতে যিয়েই নেথাকক। এতিয়াতো সি তেন বেৰাবিচ মাল হৈ থকা নাই যে এজনী ছোৱালীয়ে বুটলি লৈ গলেই হব। এতিয়া ওমৰৰ এজন জিম্মেদাৰ আছে। যেই সেই লোক নহয়। খোদ নিজাম বাহাদুৰ।

ঘুৰি আহোতে বাটত লগৰ ছোৱালীহতে চাকিক জোকাইছিল। দুজনীমানে কৈছিল তোৰ নওচা দেখাত বৰ বেয়া নহয়। কিন্তু একেবাৰে হাবিৰ পৰা ওলাই অহা মানুহৰ দৰে। সাজ পোছাকতো লাগ বান্ধ

নাই। ভাল পাবলৈ তই আৰু মানুহ নেপালি চাকি? আন এজনীয়ে কৈ উঠিল চকুদুটা দেখিলে ভয়েই লাগি যায়। শেনচৰাইৰ চকুৰ নিচিনা।

চাকিয়ে মনে মনে হাহিলে। তাইৰ নওচা অথাৎ তাইৰ দৰাক হাবিৰ পৰা ওলাই অহা যেন দেখক সকলোৱে কোনো কথা নাই। ওমৰে লগ ধৰিলে তায়ো নিবিবাদে হাবিলৈ গুছি যাব। আৰু শেনৰ দৰে চকুৰ স্নিগ্ধতাই যেতিয়া কোমল কৰি পেলায় তাৰ সৌন্দয্য দেখিছ কেতিয়াবা তহতে।

ওমৰৰ আৰু কিবাকিবি ঢেৰ গুণ আছে যাৰ কাৰণে খোদ নিজাম উল মুল্ক ওমৰক নিজে তলৰ কৰি মাতি নি পুৰস্কাৰ দিছে। চাকিয়ে জানে যে তাইৰ প্রেয়স অসামান্য শক্তিৰ অধিকাৰী। কি সেই শক্তি চাকিয়ে অৱশ্যে বুজি নেপায়। দৰকাৰো নাই বুজি পাবৰ। তাই মাত্র ওমৰক ভাল পাই থাকিব। খুব ভাল পাব। কিয় নেপাব! ওমৰেতো তাইক খুব ভাল পায়। কি আছিল সেই চাময়ী টা চাকিৰ ৰীৰ সিৰসিৰাই উঠিল মনত পৰিতে—মস্ত ই চাকি কজ ই মহছৰ বামদাদ—চাকিৰ নিচাত পৰিলে কিয়ামতৰ দিনাহে সেই নিচা শেষ হব।

কেতিয়ানো আহি তাই ঘাৰ জপনামুখ পালেহি কবই নোৱাৰিলে। লগৰ ছোৱালী কেইজনী তাইক মাত লগাই লৰালৰিকৈ গলগৈ। চাকি সমুখৰ দুৱাৰৰ পদ্দা ঠেলি ভিতৰ সোমাল। কিন্তু বাহিৰৰ ঘৰত তাইৰ চাচাজানৰ লগত এজন অপৰিচিত মানুহ কথা পাতি বহি আছিল। চাকিয়ে মুৰৰ ওৰণিখন টানি ঠিক কৰি লৈ ভিতৰ সোমাব ধৰোতেই চাচাজানে মাত লগাল চাকি শুন।

চাকি থমক খাই ৰল। চাচাজানে তেতিয়া মানহজনৰ ফালে চাই কলে এইজনীয়েই মোৰ ভতিজা চাকি।

চাকিয়ে নিজৰ মুখৰ ওপৰত মানুহজনৰ তীব্র দৃষ্টি অনুভৱ কৰি তলমুৰ কৰিলে। এবাৰ কেৰাহীকৈ চাই দেখিলে যে প্রায় চল্লিচ বছৰ বয়সৰ এজন মানুহ। শকত আৰত চাপৰ মানুহ। চকু সৰু সৰু। মানুহজনে আগ্রহেৰে চাকিৰ ফালে চাই মুৰ দুপিয়ালে।

চাহেব মোৰ বহুকালৰ পুৰণা দোস্ত চাকি। খুব ৰাইচ মানুহ। কাশ্মিননগৰত বহুত ডাঙৰ ডাঙৰ কাপোৰ আৰু মনোহাৰী মালৰ দোকান

আছে। ইয়াত নিচাপুৰতো আছে। আৰু অন্য বহুতো নগৰত আছে। পান্না চুনিৰ ব্যৱসায়ো কৰে। এখেত যে আমাৰ মেহমান হৈছে সিও আমাৰ বহুত ভাগ্যৰ ফল।

চাকিয়ে তেতিয়া আদাৰ জনালে।

হ ব হ ব। মই খুব খুচী হৈছো। বৰ আপচোচৰ কথা যে ইমান কম বয়সত আম্মা আৰু আব্বা উভয়কে হেৰুৱাব লগীয়া হ ল। পিচে কোনো চিন্তা নাই। এই চাচাজানেই এতিয়া আব্বা আৰু চাচীহতেই আম্মাৰ ঠাই লৈছে। আল্লাহৰ বহমত সকলোৰে ভাল হ ব।

জৰুৰ জৰুৰ। আল্লাৰ দয়া হ লে কি নহয়। চাচাজানে কৈ উঠিল। তাৰ পিচত চাকিলৈ চাই ক লে যা চাকি।

চাকি ভিতৰলৈ সোমাই গ ল। ভিতৰ ফালে পদ্দাৰ কাষত মনে মনে থিয় হৈ চাকিৰ তিনিজনী চাচীয়ে বাহিৰৰ কথা বতৰা শুনি আছিল। চাকি অলপ আচৰিত হ ল। কিন্তু একো নকৈ নিজৰ কোঠা পালেগৈ। ঘৰখনত ল ৰাছোৱালীৰ চিত্ৰৰ বাখৰ পেন পেননিত তাই মাজে মাজে অতীষ্ঠ হৈ উঠে। কিন্তু কি কৰিব। বাপেক আবু তাহেৰ ঢুকোৱাৰ পিচত তাইৰ চাচাজানেই এতিয়া সৰ্ব্বেসৰ্ব্বা। বাপেক থাকোতে চাচাজানে দেখাই নিদিছিল। ডাঙৰ ঘৰটোৰ চাকিহতৰ মহল বেলেগ আছিল। নিজ্জ নতা প্ৰিয় আবু তাহেৰে তা'ল কাকো আহিবলৈ নিদিছিল। বৰ কঠুৱাকৈ কথাবোৰ কয় কাৰণে চাকিয়ে দদায়েকক অকনো ভাল নেপায়। সকুৰে পৰাই নেপায়।

বাইশ

নদীৰ পাৰত নিচাপুৰ নগৰৰ উত্তৰ পশ্চিম কোণত ওমৰে কোৱা দৰে শাৰী শাৰী কিছুমান জৰাজীৰ্ণ দালান ঘৰ আছিল। তাৰ ভিতৰত কোনোটো চাৰি মহলালৈকে ওখ আছিল। কোনোবা প্ৰাচীন কালত আগৰ কোনো প্ৰবল প্ৰতাপী বাদশাহৰ দিনত সেইবিলাকত নিশ্চয় পৰাক্ৰমী ৰাজবিষয়া বা আঢ্যৱন্ত নাগৰিক সকল বাস কৰিছিল। কিন্তু মধ্য-প্ৰাচ্যৰ সঘন ৰাজনৈতিক উত্থান পতনৰ কোনো বিপদমগ্ন অধ্যায়ত সেইবিলাক আংশিকভাৱে বিধ্বস্ত আৰু সম্পূৰ্ণভাৱেই পৰিত্যক্ত হৈছিল। নানা ধৰণৰ হাবি জংঘল গজি তাৰ ভিতৰৰ কিছুমান লোকচক্ষুৰ অন্তৰালত সোমাই পৰিছিল। চাৰিওফালৰ শিল আৰু ইটাৰ প্ৰাচীৰ বিলাক ঠায়ে ঠায়ে খহি পৰিছিল। কিছুমান বনে-লতাই আবৰি ৰাখিছিল। কিছুমান ভিক্ষাৰীয়ে তাৰ অপেক্ষাকৃতভাৱে ভাল হৈ থকা একোটা একোটা ঘৰত দুটা এটা কক্ষ অধিকাৰ কৰি আছিল। কিন্তু গোটেই অঞ্চলজুৰি সেই ঠাইচোৱাৰ স্বাভাৱিক বাসিন্দা আছিল কেৰ্কেটুৱা শিয়াল আৰু বনমেকুৰী।

নিচাপুৰ নগৰৰ বদ্ধতম নাগৰিকজনৰ স্মৃতিয়েও ঢকি নোপোৱা কোনোবা সময়ৰ পৰা নগৰৰ ৰাজহুৱা কবৰস্থান আছিল সেই ঘৰ বিলাকৰ—পিচফালৰ মুকলি ঠাইখিনিত। শাৰী শাৰী কবৰস্থান পবিত্ৰ মক্কানগৰীৰ ফালে দিশ নিৰ্দ্দেশ কৰি তাত সজাই থোৱা আছে। জুম্মাবাৰৰ দিনা ধৰ্ম্মপ্ৰাণ ভক্তসকলে মচজিদলৈ নামাজৰ কাৰণে যাওঁতে সেইখিনি পাওঁতে মৃতকৰ শান্তি হওক বুলি পৰমপিতা পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰি যায়। এনেয়ে দিনৰ বেলাও সেইফালে মানুহৰ যাতায়ত কম। গছ গছনিৰ মাজে মাজে ছায়াগম্ভীৰ পৰিবেশত অসংখ্য চৰাইৰ মিশ্রিত কোলাহলৰ বাহিৰে তাত বিৰতিহীন নীৰৱতা বিৰাজ কৰে।

ৰাতি হ'লে সেই একান্ত নিস্তব্ধতাৰ একছত্ৰ অধিপতি হৈ থাকে ফেচা। গছৰ ডালত বা কোনো জনশূন্য ভগ্ন দালানৰ ওপৰত পৰি হাজাৰো দস্তান বা হেজাৰ সুৰীয়া নিয়তি চৰায়ে ৰাতিৰ প্ৰহৰে প্ৰহৰে সিহতৰ বিষণ্ণ ইঙ্গিতেৰে ভৰা ভীতিময় নিৰ্ম্মম সঙ্গীত গাই থাকে।

নিজামৰ বিশ্বস্ত কমচাৰী মেহেৰে জাকে জাকে ৰাজমিস্ত্রী কাঠমিস্ত্রী লৈ আহি যেতিয়া পিচদিনা সেই ঠাইত প্রৱেশ কৰিলেহি তেতিয়া তেওঁৰ চকুৰে মুখে স্পষ্টভাৱে বিৰক্তি প্রকাশ পাইছিল। কিন্তু কি কৰিব। স্বয়ং নিজাম-উল মুল্কৰ হুকুম। গতিকে মনৰ মাজতে ওমৰ খায়ামক আপদীয়া হতভগীয়া বুলি শাও-শপনি দি কাম আৰম্ভ কৰাই দিলে। চাই থাকোঁতে থাকোঁতেই প্রাচীন পৰিত্যক্ত এক দালান ঘৰৰ ভাগ্যোদয় ঘটিল। ভয়ত আৰু ততোধিক বিস্ময়ত কেইটামান ফেচাৰ পৰিয়ালে সেই ঘৰৰ চৌহদৰ পৰা চিৰকাললৈ বিদায় ল লে। মুখত কাপোৰ লৈ লৈ মেহেৰে নিজেই সকলো কামৰ তদাৰক কৰিলে।

বেলি লহিয়াই অহাৰ লগে লগে পথচাৰী মানুহে আচৰিত হৈ দেখিলে যে নদীৰ পাৰৰ সেই গোৰস্থানৰ কাষত এটা তিনিমহলীয়া আহল-বহল দালান ঘৰে বহুযুগীয়া আৱৰ্জ্জনাৰ স্তূপ খহাই থৈ বিতোপন সাজত দেখা দিছে। বনুৱাহতে কাটি-কুটি আতৰাই পেলোৱা গছ-বন বিনাখৰহুত সংগ্রহ কৰিবলৈ নিচাপুৰত খৰিকটিয়াবোৰ উবুৰি খাই পৰিছেহি। সেইবোৰ টকুৰা কৰি বান্ধি গাধ আৰু খচ্চৰৰ পিঠিত বোজাই দি লৈ গৈছে। পৰিবেশ পৰিষ্কাৰ আৰু ম নাৰম হৈ উঠিছে। দেৱালৰ খহি পৰা চন চুৰকি নতুনকৈ লগোৱা হ ল। ৰং বিৰঙা নতুনকৈ সনা হ ল। খিৰীকি আৰু দুৱাৰত নতুন চিকচিকীয়া দামাস্কচী পৰ্দা ওলমিল। ধুই চাফা কৰা মজিয়া দামী দামী গালিচাৰে ঢাকি পেলোৱা হ ল।

যেন কোনো যাদুকৰৰ মায়াত নিদ্রামগ্ন এক সুপ্তপুৰী সময় আহিলত পুনৰ সজাগ হৈ উঠিল।

ইপিনে নিচাপুৰৰ বজাৰত ৰাশি ৰাশি বস্তু কিনিছিল ওমৰে। সকলো চাকিৰ কাৰণে। চাকিৰ কাৰণে কেবাটাও বিভিন্ন ৰঙণৰ আৰু ধৰণৰ পোছাক। কেবাবিধো অলংকাৰ। মূৰত ঘঁহা তেল। আতৰৰ চিচা। এইবোৰ কিনি ঘৰি ফুৰোতে এখন দোকানৰ পিতলৰ দাপোনত নিজকে দেখি ওমৰে মনে মনে হাহি পেলালে। সেই পুৰণি জোব্বা আৰু চিলোৱাৰ। ওমৰে নিজলৈও দুটা জোব্বা চিলোৱাৰ আৰু পাগুৰীৰ কাপোৰ কিনিলে। ইয়াৰ উপৰি কেবাটাও লণ্ঠন কিনিলে। মমদানি কিনিলে। সুগন্ধি ধুনা কিনিলে। পানী খাবলৈ ধুনীয়া চোৰাহী আইনাৰ পিয়লা এই সকলো কিনিলে।

নতুন ঘৰৰ সৰ্বোচ্চ মহলা ওমৰে ৰাখিলে নক্ষত্ৰ নিৰীক্ষণাগাৰৰ যন্ত্ৰপাতিবোৰৰ কাৰণে। তাতেই তাৰ কিতাপ-পত্ৰবিলাকো থ ব। দ্বিতীয় মহলাটো সম্পূৰ্ণ নিজে থাকিবলৈ ল লে। একেবাৰে তলৰ মহলত এফালে অতিথি সকলৰ বাবে বৈঠকখানা আৰু আনফালে সহকাৰী বিলাক থাকিবৰ কাৰণে বন্দবস্ত হ'ল। দালানৰ একেবাৰে শীষত চাদৰ ওপৰত জলঘড়ী স্থাপন কৰিবলৈ দিহা কৰা হ ল। তাৰ এমূৰে আচমানী গোলক থাকিব। আৰু দিশ নিৰ্ণয়ক যন্ত্ৰ। এফালে একেবাৰে মুকলিকৈ ৰখা হ ল। এদাল ছায়া পৰিমাপক দণ্ড স্থাপনৰ উদ্দেশ্যে।

ঘাই দালান ঘৰৰ পৰা অলপ নিলগত এটা বাবুচিখানা আছিল। চৌহদৰ ভিতৰত বেলেগে চাকৰ বাকৰ থাকিবলৈও ঘৰ আছিল। সেইবোৰো মেৰামত কৰি উলিয়া হ ল।

প্ৰতিশ্ৰুতি মতে মেহেৰে মগৰীবৰ আজানৰ আগে আগে ওমৰক মাতি আনি ঘৰৰ চাবি হাতত তুলি দিলে।

তেইশ

বিচক্ষণ ৰাজনীতিজ্ঞ নিজাম উল মুলকৰ বিদ্যোৎসাহী বুলি আগৰে পৰা সুনাম আছিল। যি কোনো ধৰণৰ বিদ্যাচৰ্চ্চাৰ প্ৰতি নিজামৰ স্বতঃস্ফূৰ্ত্ত সহানুভূতি আৰু অনুগ্ৰহ আছিল।

নিজামৰ চোৱাংচোৱাই ওমৰ খায়ামৰ নাতি দীৰ্ঘ জীৱন কালৰ প্ৰতিষ্ঠো কাব্য কলাপ নিজামক অৱগত কৰাইছিল। ওমৰৰ বুদ্ধিমত্তা আৰু প্ৰতিভাৰ বিষয়ে নিজামৰ এচা ধাৰণা ইতিমধ্যে হৈছিল। তথাপি কোমল বয়সীয়া ওমৰক কিমান দৰ দায়িত্ব দিব পৰা যায় সেই বিষয়ে তেওঁ বুজিব পৰা নাছিল।

ইতিমধ্যে সাম্ৰাজ্যৰ বহু ঠাইত বহু মাদ্ৰাছা আৰু মোক্তাব তেওঁ স্থাপন কৰিছে। অনেক ঠাইত বৃহৎ গ্ৰন্থাগাৰ প্ৰতিস্থা কৰিছে। বিভিন্ন বিষয়ৰ অধ্যয়ন আৰু চৰ্চ্চাৰ বাবে নানা কেন্দ্ৰ আৰু গবেষণাগাৰ পাতিছে। কিন্তু জ্যোতিবিদ্যাৰ চচ্চা ৰ বাবে আজিলৈকে ক তো ডাওঁৰকৈ একো কৰা নাছিল। এতিয়া ওমৰৰ কথাত লাগি এই কামত হাত দিয়াৰ পিচত আজীৱন সংগঠক নিজামৰ মনৰ উৰ্ব্ব ৰ ভূমিত পৰিকল্পনাৰ গছপুলি দিনে দিনে ।াখা প্ৰশাখা বিস্তাৰ কৰি বিশাল মহীৰূপত পৰিণত হ বলৈ ধৰিলে। লাহে লাহে সেই ঘৰটোৰ উপৰিও তাৰ চাৰিওফালৰ পৰিবেশ সলনি হৈ আছিল।

গোটেই অঞ্চলটোৰ পৰাই অলাগ িয়াল গছ গছনি অপসাৰিত হ ল। অতি জীৰ্ণ দালান বিলাক ভাঙি পেলোৱা হ ল। ৰদীৰ পাৰে পাৰে হাবি ওছি সুন্দৰ ৰাজপথ নিৰ্ম্মিত হ ল। ঠায়ে ঠায়ে ফোৱাৰাই আকাশৰ বুকুলৈ জলৰাি নিক্ষেপ কৰি ৰামধেনুৰ সাত ৰং সিচি দিবলৈ ধৰিলে। কিন্তু দুটা এটা অপেক্ষাকৃতভাৱে কম ব্যস্ত চৰকাৰী দপ্তৰ পতাৰ বাহিৰে সেই ঘৰ বিলাকত আন বাসিন্দা থাকিবলৈ দিয়া নহ ল। গতিকে ঠাইখনৰ পৰ্ব্ব ৰ দশ্যপট সলনি হ লেও তাৰ নীৰৱতাত অধিক ব্যাঘাট নঘটিল।

ওমৰৰ মাৰায়ে তাৰা বা নক্ষত্ৰ নিৰীক্ষণাগাৰৰ পৰিকল্পনাই বৃদ্ধ নিজামৰ কল্পনাত ভালকৈয়ে আলোড়ন তুলিলে। এতিয়ালৈকে

জ্যোতিবিদ্যাৰ চৰ্চাৰ বাবে কোনো উল্লেখযোগ্য ব্যৱস্থা তেওঁ কৰা নাছিল। সেই কাৰণেই এই কামটো সাথক কৰি তুলিবলৈ আৱশ্যকীয় সকলো কাম হাতত ললে। সুপণ্ডিত নিজামে নিজেই ইছলাম জগতত জ্যোতি-বিদ্যাৰ চমু কিন্তু গৌৰৱময় ইতিহাস অনুধাৱন কৰি জানিব পাৰিলে যে জ্যোতিবিদ্যাৰ বৈজ্ঞানিক অধ্যয়নৰ অনুপ্ৰেৰণা আৰব বিদ্বান মণ্ডলীৰ মাজলৈ প্ৰথমে আহিছিল ভাৰতৰ পৰা।

খ্ৰীষ্টীয় ৭৭১ চনত ভাৰতীয় জ্যোতিবিদ্যাৰ সিদ্ধান্ত নামে এখন বিখ্যাত গ্ৰন্থই কেনেবাকৈ ইছলাম জগতত অনুপ্ৰবেশ কৰিছিল। তাৰ ষাঠি সত্তৰ বছৰৰ পিচতে বাগদাদৰ খলিফা আল মামুনে বাগদাদ আৰু দামাস্কচ নগৰত জ্যোতিবিদ্যাৰ চৰ্চ্চাৰ বাবে নক্ষত্ৰ নিৰীক্ষণাগাৰ প্ৰতিষ্ঠা কৰে।

সেই সময়তে জ্যোতিবিদ্যা আৰু গণিত শাস্ত্ৰৰ চৰ্চ্চাই উন্নতিৰ শীষস্থান লাভ কৰিছিল।

নিজামে বাগদাদৰ সেই প্ৰখ্যাত গবেষণা কেন্দ্ৰৰ পৰা গণিতজ্ঞ কেইজনমান অনালে। তেওঁলোকৰ নাম যশ ইতিমধ্যেই দেশৰ বিদ্বান মণ্ডলীৰ মাজত সু প্ৰতিষ্ঠিত। বাগদাদ নিজামিয়াৰ পণ্ডিত সকলে জ্যোতিবিদ্যাৰ জগতত দুশ বছৰৰ আগতেই যুগান্তকাৰী কীৰ্ত্তি ৰচনা কৰিছিল। তেওঁলোকেই ভূ পৃষ্ঠৰ ওপৰত কল্পিত দ্ৰাঘিমা ৰেখাৰ দৈৰ্ঘ্য জুখি উলিয়াইছিল।

নক্ষত্ৰ-বিজ্ঞানৰ সেই গৌৰৱময় যুগত বাগদাদ নিজামিয়াৰ সবাতোকৈ উজ্জ্বল ৰত্ন আছিল মধ্যপ্ৰাচ্যৰ এৰিষ্টটোল আবু আলি চিনা। কিন্তু বিশ্বৰ বিদ্বান সমাজত বিশেষকৈ গ্ৰীক আৰু ৰোমান সকলৰ মাজত তেওঁক এভিচেন্না বুলিহে এটায়ে জানে। দৰ্শন বিজ্ঞানৰ এনে এটা বিভাগ নাছিল যিটোৰ ওপৰত এই অশেষ প্ৰতিভাধৰ পণ্ডিতজনে হাত দিয়া নাছিল। আৰু প্ৰত্যেক বিভাগকে নিজৰ নিজৰ ক্ষেত্ৰত তেওঁ বহুদূৰ আগুৱাই নিছিল।

ওমৰক নিজামে ক'লে চোৱা ওমৰ সাম্ৰাজ্যৰ এইটো মূৰত আমি নক্ষত্ৰ বিজ্ঞানৰ চৰ্চ্চাৰ বাবে এটা কেন্দ্ৰ গঢ়ি তুলিব খোজো। বাগদাদ নিজামিয়াৰ ওস্তাদ সকলে দেৰশ-দুশ বছৰ আগতেই এই বিষয়ৰ ওপৰত অনেক প্ৰমাণী গ্ৰন্থ এৰি থৈ গৈছে। তোমাৰ নিজৰো তেনে কিবা পৰিকল্পনা থকা উচিত।

ওমৰে নিজামৰ মনৰ কথা বুজিছিল। ক্ষমতাৰ যাদু কাঠি হাততে লৈ বদ্ধ উজীৰে বহুত স্বপ্ন সাথক কৰিছে। জনমানৱৰ কল্যাণ সাধন কৰিছে।

বাগদাদৰ মহান খলিফা আল মামনৰ দিনত বাগদাদ নিজামিয়াৰ গণিতজ্ঞ সকলে পৃথিবীৰ পৰিধি আৰু আয়তনৰ সঠিক জোখ হিচাব কৰি উলিয়াবলৈ প্ৰচেষ্টা চলাইছিল। সেই উদ্দেশ্যেই ফোৰাত নদীৰ উত্তৰে পামীৰাৰ ওচৰৰ বিস্তীণ সমভূমি অঞ্চলত দুদাল দ্ৰাঘিমাংশৰ মাজৰ দূৰত্ব জুখিছিল। সেই হিচাপত ধৰা পৰিছিল যে দুদাল দ্ৰাঘিমা শৰ মাজৰ দূৰত্ব দুই তৃতীয়াংশ অধিক চাপন্ন আৰবীয় মাইল। এই সিদ্ধান্তই ভৌগোলিক গণনাৰ পথ প্ৰশস্ত কৰিছিল। খাৰেমীয়ে নিজে সেই দুৰুহ কামত প্ৰবত্ত হৈছিল।

ইছলাম জগতৰ পণ্ডিত সকলৰ মাজত আলখাৰেমী এক সৰ্ব্ববেণ্য নাম। তেওঁৰ বিশ্ববিখ্যাত এলজেব্ৰা ইছলাম সাম্ৰাজ্যৰ সীমা পাৰ হৈ ইউৰোপৰ বিশ্ববিদ্যালয় সমূহত বিয়পি পৰিছিল। মানুহৰ স্মৃতিৰ ভিতৰত গণিত শাস্ত্ৰক কোনো পণ্ডিতে এনেদৰে প্ৰভাৱান্বিত কৰিব পৰা নাই।

ওমৰৰ মনৰ মাজত নতুন চিন্তাৰ ঢউ উঠিল। ওমৰে কি কাম হাততে লব পাৰে বাৰু? ওমৰে সদায় লক্ষ্য কৰি আহিছে যে সচৰাচৰ চলা চান্দ্ৰমাহৰ সময় গণনা সঠিক নহয়। বছৰত বহুসময় বাদ পৰি যায়। গতিকে সঘাৰ উদয়াস্তৰ হিচাব কৰি সময় গণনা নকৰিলে সি গণিত শাস্ত্ৰৰ দ্বাৰা অনুমোদিত হব নোৱাৰে। সকলৰে পৰাই ওমৰৰ মনত এখন নতুন তাৰিখ নামা বা বেলেণ্ডাৰ কৰাৰ দুষ্কৰ পৰিকল্পনা আছিল। এতিয়া নিজামৰ অনুগ্ৰহ পুষ্ট এই সুসজ্জিত গৱেষণা কেন্দ্ৰ পাই ওমৰৰ মনত সেই পৰিকল্পনাই বৰ্দ্ধিষ্ণু ৰূপ ললে

দিনে দিনে ওমৰৰ ফৰমাছ বাঢ়ি গল। আজি এটা দিশ নিৰ্ণয়ক যন্ত্ৰ কালিলে এটা বিশেষ ধৰণৰ গোলক। আজি এখন কিতাপ কালিলে অন্য এখন। ইউক্লিডৰ ইলমি হেণ্ডেচা বা আলকিন্দিয়ে পিথাগোৰাচৰ গণিতৰ ওপৰত লিখা টীকা। বেচেৰা মেহেৰ মাজে মাজে হায়ৰাণ হৈ যায়। কিন্তু নিজামৰ স্পষ্ট নিৰ্দ্দেশ আছিল—ওমৰৰ গৱেষণাৰ বাবে কোনো প্ৰয়োজন যেন অপূৰ্ণ ৰখা নহয়।

বহুত দিনৰ বিৰতিৰ পিচত ওমৰ আকৌ গণিতৰ সাগৰত ডব গল। তাজিকহতৰ লগত থকা দীৰ্ঘ কালছোৱাত ওমৰে একো লিখা

পঢ়া কৰা নাছিল। এতিয়া নিজামৰ এই নতুন ঘৰত সুবিধা পাই পূণ উদ্যমেৰে কাম আৰম্ভ কৰিলে।

ওমৰৰ সংস্পশলৈ অহাৰ পিচৰ পৰাই নিজামৰ বিশ্বস্ত কমচাৰী মেহেৰুদ্দিনৰ কেৱল আচৰিত হোৱাই কাম হৈছে। এইবাৰ ওমৰে কাম কৰা দেখি তেওঁ পুনৰ আচৰিত হ ল। বিভিন্ন কামৰ তদাৰক কৰিবলৈ তেওঁ সততে সেই ঘৰলৈ আহি থাকে। পুৱা আহিলেও দেখে যে তিনিমহলাৰ সেই কিতাপবোৰৰ মাজত গালিচাত বহি লৈ ওমৰে কিবা কাম কৰি আছে। সেই একে অৱস্থাতে দুপৰীয়াও দেখে। আবেলিও দেখে। গধূলিও দেখে। ওমৰৰ চাকৰ বাকৰ বিলাকৰ ভিতৰত দুটামান মেহেৰৰ শুপ্তচৰ আছিল। সিহতৰ পৰা জানিলে যে ওমৰে ৰাতিও সেইদৰে কাম কৰে। শুবৰ সময় হ লে শুই পৰে সেই গালিচাৰ ওপৰতে। দুই মহলাৰ নিজৰ কোঠালৈ নাহেই।

মানুহে ইমানকৈ একে লেথাৰিয়ে কাম কৰিব পাৰেনে? মেহেৰৰ বিস্ময়ৰ শেষ নেথাকে। ওমৰৰ ভাব গতি দেখি আগৰে পৰা মেহেৰৰ ভাল লগা নাছিল। এই ল ৰাটো দেখিলে সুস্থ সাধাৰ ণ ল ৰা যেন নেলাগেই। নিজাম বাহাদুৰৰো যে একো একোটা খেয়াল! এইটো বিচাৰি বিচাৰি উলিয়ালে গৈ ক ৰবাৰ মৰুভূমিৰ মাজত।

নিজামৰ কথা মনত পৰিলতে মেহেৰৰ অন্য এটা কথাও মনলৈ আছিল। একে লেথাৰিয়ে এনেদৰে কাম কৰা আৰু এজন মানুহ দেখিছে মেহেৰে। স্বয়ং নিজাম। এই বৃদ্ধ বয়সতো পাচ ওৱাক ত নামাজৰ সময়ৰ বাহিৰে বাকী প্ৰায় সকলো সময়তে নিজৰ দপ্তৰত বহি কাম কৰি থকা দেখা যায় নিজামক। কেতিয়া খায় আৰু কেতিয়া শোৱে ধৰিবই নোৱাৰি।

মেহেৰে নিজামক ওমৰৰ বিষয়ে এই কথা ক লত নিজামে সন্তোষৰ হাহি মাৰিলে। এই আমনি নলগা স্বভাৱটো ৰৰ ভাল পায় নিজামে।

সম্পূৰ্ণ এপষকাল ওমৰ নক্ষত্ৰ নিৰীক্ষণাগাৰৰ পৰা প্ৰায় নোলোৱাকৈয়ে থাকিল। ঘৰত সকলো সময়তে নীৰৱতাই বিৰাজ কৰিছিল। আনকি

চাকৰ বাকৰ বিলাকেও হাতত সাৰে ভৰিত সাৰে খোজ কাঢ়িছিল। নিম্নস্বৰত কথা বাৰ্ত্তা হৈছিল। ওমৰ সকলোৰে বাবে প্ৰভূত বিস্ময়ৰ কাৰণ। এপষৰ পিচত এদিন আবেলি ওমৰে মেহেৰুদ্দিনক লগ ধৰিলে তলৰ মহলাৰ বৈঠকখানাত। ওমৰৰ ভৰিৰ পৰা মুৰলৈকে এবাৰ চাই মেহেৰে কৈ উঠিল—

কি কৰিছিলা ইমান দিন? অকল কিতাপ আৰু কিতাপ আৰু কিতাপ! তোমাৰ বয়সৰ লৰাই এনেদৰে কিতাপ পঢ়া মই কাহানিও দেখা নাই।

মই এবাৰ নিজাম উল মুল্ককৰ লগ পাব লাগে। তেখেতৰ নিৰ্দ্দেশ অনুযায়ী মই এই নক্ষত্ৰ নিৰীক্ষণাগাৰত অহা বছৰটোৰ ভিতৰত কি কি কৰা হব তাৰ এটা বিস্তৃত পৰিকল্পনা কৰি উলিয়াইছো। কথাখিনি মই তেখেতক নিজে লগ ধৰি বুজাই দিয়া প্ৰয়োজন কালিলৈ পৰা মোক এবাৰ সাক্ষাৎ কৰাৰ সুবিধা কৰি দিব পাৰিবনে?

অ সেই কথা! মেহেৰে অলপ পৰ থমক খালে। কিন্তু তাৰ পিচতে তেওঁৰ মুখত আনন্দৰ ভাব প্ৰকাশিত হ'ল। এই এপষৰ ভিতৰত নিজামে কেবাবাৰো ওমৰৰ খবৰ লৈছে। তেওঁহে সদায় কৈ থাকিব লগীয়া হৈছে যে ওমৰে একান্তমনে পঢ়ি য়ই আছে। এতিয়া ওমৰৰ এই পৰিকল্পনাৰ বিষয়ে আগজাননী দি ওমৰৰ সাক্ষাতৰ বাবে পাথনাৰ কথা জনালে নিশ্চয় নিজাম ৰব আনন্দিত হব আৰু ওমৰক সোনকালেই মাতি পঠাব।

মনে মনে এইদৰে ভাবিলেও মেহেৰে কিন্তু ওমৰক ক'লে যে আজি কিছুদিন ধৰি নিজামবাহাদুৰ ৰাজকীয় কামত অতিপাত ব্যস্ত হৈ আছে। সহজে আজিকালি কাৰো লগত দেখা নকৰে। তথাপি তেওঁ এবাৰ চেষ্টা কৰিব ওমৰক এবাৰ সাক্ষাত কৰাই দিবলৈ।

কিন্তু সেইদিনা ৰাতিয়েই সংবাদ আহিল যে চুলতান মালিকশ্বাহ ইস্ফাহানৰ পৰা সপাৰিষদ নিচাপুৰলৈ আহিছে শৰত কাল নিচাপুৰত কটাবলৈ। তিনিদিনৰ ভিতৰতে আহি পোৱাৰ কথা।

লগে লগে চুলতানক অভ্যৰ্থনা জনাবলৈ সমগ্ৰ নিচাপুৰ নগৰত খদমদম লাগিল। সকলো পথ ঘাট চাফ চিকুন কৰি বাটৰ কাষৰ ঘৰ দুৱাৰবিলাকত নতুনকৈ ৰং বিৰং সানি জকমকীয়া কৰি তোলা হ'ল। চলতান শিবিলাক পথেৰে ৰাজপ্ৰাসাদ অভিমুখে যাত্ৰা কৰিব

সেই পথবিলাকত ঠায়ে ঠায়ে সুদৃশ্য তোৰণ নিমান কৰা হ'ল। নিচাপুৰৰ সৈন্যশিবিৰৰ সৈন্যবিলাকক পূণ উদ্যমেৰে কুচ-কাৱাজ কৰাই চুলতানৰ পৰিদশনৰ বাবে সাজু কৰি ৰখা হ'ল। চেলজুক সম্রাটসকলে সদায় সবাধিক গুৰুত্ব দিয়ে সৈন্যবাহিনীৰ ওপৰত। সৈন্য বাহিনীৰ সামান্য ত্রুটি-বিচ্যুতিও সম্রাটে সহ্য নকৰিব এই কথা সকলোৰে জনা আছিল।

গতিকে মেহেৰে সংবাদ দিলে যে নিজাম উল মুল্কৰ সৈতে সাক্ষাত কেইদিনমান পিচতহে হ ব।

চৌবিশ

চলতান আহি নিচাপৰত প্ৰৱেশ কৰাৰ দিনাৰ পৰাই নগৰখন জনপূৰ্ণ হৈ পৰিল। চলতানৰ লগে লগে সবক্ষণ থকা বিপুল সেনাবাহিনী অসংখ্য বিষয়া লণ্ডৰা লিকচৌৰ লেথেৰি নিছিগা কাৰাভান বিলাক তদুপৰি পদ্দানচিন হৈ অহা বেগম মহলৰ জাকজমক শোভাযাত্ৰাবিলাক দিনৰ দিনটো আহি আহিও শেষ হোৱা নাছিল। চলতানে পদাপন কৰাৰ পিচদিনাৰ পৰাই নগৰীৰ ৰাজপথত ভিৰ অনুভৱ কৰা হ'ল এটায়ে।

ইয়াৰ উপৰিও বজাৰত ৰাতিটোৰ ভিতৰতে ষাদুৰ দৰে নতুন নতুন অসংখ্য দোকান বহিল। মানুহৰ কল্পনাত যিমান ধৰণৰ কাৰুকাৰ্য্য খটুৱা বিভিন্ন ৰুচি ধৰণ আৰু দামৰ অলঙ্কাৰ আৰু সাজ পোছাক আছে সকলোৰে পোহাৰ মেলি বিভিন্ন দেশীয় আৰু জাতীয় বেপাৰীৰে বজাৰ ভৰি পৰিল। চুলতানৰ মহলত বা ধনী ধনী আমিৰ ওমৰাও সকলৰ মাজত নতুন ক্ৰেতাৰ সন্ধানত বহুত দেশৰ পৰা প্ৰসিদ্ধ জহৰীবিলাক গোটখালেহি। প্ৰত্যেকৰে লগত হীৰা মাণিক মণি মুকুতা আৰু নানাবিধ মহামূল্য পাথৰৰ বেহানি। পথে পথে শাৰী শাৰী সুদশ্য ভোজনালয় বহিল। কোপ্তা কাবাব কোমা কালিয়াৰ লোভনীয় গোন্ধে এই ৰজাৰ নগৰীৰ বিলাসপ্ৰিয় অধিবাসীসকলৰ এটাইকে যেন পথলৈ উলিয়াই আনিলে। দাস দাসীৰ বজাৰত নীলামদাৰৰ ডবাত সকলো সময়তে কোৰ পৰা হ'ল। ফুলৰ বজাৰত সকলো সময়তে পানী চতিয়াই চতিয়াই সতেজ কৰি ৰখা বাৰেবৰণীয়া ফুলৰ সুগন্ধই জাকে জাকে মৌ মাখিক আহ্বান জনোৱাৰ দৰে আকষণ কৰিছিল অসংখ্য সুবেশ যুৱক-যুৱতীক। বহুবৰ বেছি ভাগ সময় শান্তিৰে থকা নিচাপুৰ নগৰী চলতানৰ আগমনৰ এই সময়ছোৱাত সদায় এইদৰে উৎসৱমুখৰ হৈ পৰে।

নিজামক দেখুৱাবলৈ যুগুত কৰা বিশাল পৰিকল্পনাৰ কাগজ পত্ৰবোৰ সামৰি বাকচত সুমাই তলাবন্ধ কৰি এদিন পুৱা ওমৰ তৰাৰ ঘৰৰ খটখটীৰে তললৈ নামি আহিল।

প্রায় এপষৰ মুৰত ওমৰ এই প্রথম ঘৰৰ বাহিৰ ওলাল। ৰদৰ চোক তেতিয়াও বঢ়া নাই। তৰাৰ ঘৰৰ সম্মুখৰ গছ গছনিৰ ছায়াবোৰ দীঘল দীঘল হৈ পৰিছিল। ওমৰৰ নিজৰ ছাঁও দীঘল হৈয়ে আছিল। পৰিষ্কাৰ মুকলি আকাশ শৰত আৰম্ভণিৰ সুন্দৰ এটি ৰাতিপৱা। চৌপাশৰ গছৰ দালৰ পৰা চিনাকি অচিনাকি নানান চৰাইৰ কাকলি। ওমৰে চাৰিওফালে এবাৰ চকু ফুৰাই চালে। এবাৰ মুৰৰ ওপৰৰ মুকলি আকাশলৈ চালে। দীঘলকৈ কেইটামান উশাহ লৈ এঙামুৰি দি দুখোজমান আগলৈ দিও তই এটা ভত্য ওচৰ চাপি আহি সুধিলে যে লগত যাব লাগিবনেকি।

প্রথমতে ওমৰে একো বুজিব নোৱাৰিলে। ভৃত্যটোৱে পুনৰ ক লে যে হুজুৰ যদি ফুৰিবলৈ যায় তেন্তে সি লগত যাব খোজে প্রয়োজন হ ব পাৰে।

নেলাগে নেলাগে বুলি হাত জোকাৰি ওমৰে খোজ দিলে। এই ৰাতিপৱাটো তাৰ নিজৰ। কাকো লগ নেলাগে।

কেতিয়াবা কেতিয়াবা ওমৰৰ এনেকুৱা হয়। এনেকুৱা ফৰকাল বতৰ আৰু ঊ মুক্ত আকাশে তাক সম্পূণ ঊ মনা কৰি পেলায়।

বজাৰৰ মাজে মাজে অাই বনাই ঘৰি ফুৰোতে অলেখ াতুন নতন মানুহৰ মুখ তাৰ চকুত পৰিল। সম্রাটৰ আগমনৰ লগে লগে গোটেই সাম্রাজ্যৰ পৰাই বিভিন্ন শ্রেণীৰ মানুহ আহি াগৰ ভৰি পৰিছেহি। আগৰে পৰা চিনাকি মাদ্রাছাৰ সহপাঠী কেইজনমা া দেখা দেখি হ ল। আদাৰত বিনিময় হ ল।

লক্ষ্যহীনভাৱে কিছু সময় ঘৰি পকি ফুৰাৰ পাচত ওমৰে এখ া সোণাৰীৰ দোকানত সোমাই সজাই খোৱা হৰেক কিচিমৰ অলঙ্কাৰবোৰ চাবলৈ ধৰিলে। বহুত সময় চোৱাৰ পিচত ৰূপৰ ওপৰত সো াৰ ব া কৰা আৰু ফিৰোজা ৰঙৰ বাখৰ খ টাৱা এধাৰ হাৰ কিনিলে চাকিলৈ। দাম দহটা মুদ্রা। বজাৰৰ এচুকত অকলশৰীয়াকৈ বহি কাম কৰি থকা বুঢ়া সোণাৰী এটাৰ ওচৰলৈ গৈ হাৰদালৰ দোলকটোৰ ভিতৰফালে মিনা কৰাই ল লে িজৰ ামটো—ওমৰ খায়াম।

লোকে লোকাৰ্য্য াগৰীৰ পথে প থ ঘৰিও ওমৰৰ বৰ অকলশৰীয়া যেন লাগিছিল নিজকে। এবাৰ চাঁত কৰে মনত পৰিছিল পৰভেজলৈ। পৰভেজ লগত থকা হ লে আজি কথাই বেলেগ হৈ থাকিলহেতেন। মনৰ কাণত যেন ওমৰে পৰভেজৰ ক ঠৰ পৰাও লোৱা সেই দৰাজ হাহিটো

আকৌ এবাৰ শুনিলে। ওমৰৰ মনটো উদাস হৈ গ ল। সচাকৈয়ে ওমৰৰ কোনো আপোন মানুহ নাই। চাচাজান গ ল—প্ৰিয় ভ্ৰাতৃ পৰভেজ গ ল—আবু তাহেৰ চাহাব গ লগৈ। এখনৰ পিচত এখনকৈ ওমৰৰ কাৰণে দুৱাৰ বন্ধ হৈ গৈছে। কোনোকালে সেইবোৰ দুৱাৰ আৰু খোল নেখাব।

ক'ৰ নোৱাৰাকৈয়ে ওমৰ আহি আহি চৌক উল কাজাজৰ সেই ফলবাগানৰ ভিতৰ সোমালহি। তেতিয়া দুপৰীয়া পাৰ হৈছে। ফলবাগানৰ ভিতৰতো মানুহৰ সমাগম বৰ বেছি নাই। ইয়াৰ আগৰবাৰ আহোতে যিটো চুকত চাকিক লগ পাইছিল তাত এতিয়া কোনোৱেই নাই। গাৱ ৰ পৰা নগৰ চাবলৈ অহা কেইটামান গাৱলীয়া পৰিয়াল গছৰ তলৰ ছাঁত বহি টোপোলাৰ পৰা খোৱা বস্তু উলিয়াই খাবলৈ ধৰিছে। জেপৰ ভিতৰত খামোচ মাৰি ধৰি অহা চাকিলৈ অনা হাৰদাল এবাৰ উলিয়াই চালে। এবাৰ ভাবিলে চাকিহতৰ ঘৰলৈকে যাব নেকি—। তাৰ পিচত ওঁহো—ওঁহো বুলি নিজকে নিজে কৈ ওমৰ পুনৰ অহাবাটেৰে খোজ দিলে। তাৰ মনত পৰিল যে চাকি এতিয়া সৰু ছোৱালী হৈ থকা নাই।

ওমৰ ঘৰি আহি আকৌ বজাৰৰ মাজ পালেহি তাৰ পিচত এটা কচাইৰ দোকানৰ পৰা এটোপোলা কেচা মাংসৰ টুকুৰা কেইটামান ৰুটি আৰু অলপ খেজুৰ কিনি এটা মোনাত ভৰাই লৈ লাহে লাহে নগৰৰ বাহিৰ হ ল। বেলি তেতিয়া লহিয়াবলৈ আৰম্ভ কৰিছিল। কামেল পৰতৰ চুড়া সেই ঠাইৰ পৰা ৰিণিকি ৰিণিকি দেখা যায়। খৰকৈ গলে সন্ধিয়াৰ এন্ধাৰে জগতখন ঢাকি পেলোৱাৰ আগে আগে ওমৰে সেই ঠাই পাই যাবগৈ। বেদুইনহতৰ লগত থাকিবলৈ লোৱাৰ আগৰে পৰাই ওমৰে খান আৰু বেগমক লগ পোৱা নাই। সিহত আছেনে বাৰু এতিয়াও তাতে? বছৰৰ এই সময়ত সাধাৰণতে সিহত থাকে। ভৰ গ্ৰীষ্মকাল হ লে দুমাহমানৰ কাৰণে নেথাকে। ক ৰবালৈ ওছি যায়। ক লৈ যায় ওমৰে নেজানে। সৰুতে বহুদিন চিন্তা কৰিছে সেই দুমাহনো খান আৰু বেগম ক লৈ ওছি যায়। কিন্তু সি আজিও জানিব নোৱাৰিলে। খান আৰু বেগমে কথা ক ব পৰা হ লে জানিলে হেতেন। কিন্তু সিহত মাথোন এহাল চৰাই। কথা ক ব কেনেকৈ! ওমৰে খৰকৈ খোজ চলাই থাকিল।

কাৰ্মেল পৰতৰ পাদদেশত ওমৰ যেতিয়া উপস্থিত হ লগৈ তেতিয়াও অস্তাচলত শেহ সুৰুযৰ ৰাঙলী বোল উজ্জ্বল হৈ লাগি আছিল। শৰত

কালত পাত সবি সবি লঠঙা হ ব'লে ধৰা গছ গছনিবোৰৰ মাজত বিবিধ সৰু-ডাঙৰ বাঁহলৈ উলটি অহা চৰাই চিৰিকতিৰ চিঞৰ বাখৰ শুনা গৈছিল। ওমৰ লাহে লাহে পৰতৰ ওপৰলৈ উঠিবলৈ আৰম্ভ কৰিলে। কোনো কোনো ঠাইত বগুৰা বাই কোনো ঠাইত এটা শিলৰ পৰা অন্য এটা শিললৈ জপিয়াই জপিয়াই কিছু সময় ওপৰলৈ উঠাৰ পিচত তলৰ হাবিয়নিখনৰ চৰাইৰ কাকলি ওমৰৰ কাণত নপৰা হ ল। তাৰ সলনি এক গভীৰ নিস্তব্ধতাই বিশ্ব জগত অধিকাৰ কৰি পেলালে। মাত্ৰ শিলনিৰ ওপৰত ওমৰৰ জোতাৰ শব্দ। খহি পৰি বাগৰি যোৱা দুটা এটা শিলৰ শব্দ। তাৰ বাহিৰে সেই গুৰু গম্ভীৰ নিস্তব্ধতা ভঙ্গ কৰিবলৈ তাত একো শব্দ নাই।

লাহে লাহে কেউফালে প্ৰকাণ্ড প্ৰকাণ্ড শিলেৰে আগুৰি থকা পৰত শীষৰ সেই পৰিচিত ঠাইখন পালেগৈ। ওমৰৰ মনটো উৎফুল্ল হৈ উঠিল। সেয়া শিলটোৰ ওপৰত বগা বগা কেকোৱা কেকুৰি পাখি পৰি আছে। এটা দুটা অলপ ডাঙৰ পাখিও পৰি আছে। এটা তুলি চাই হাতত লৈয়েই ওমৰে কৈ উঠিল— খানৰ পাখি। সেই শিলটোৰ পৰা অলপ তলৰ কুৰুং এটাত জমা হৈ থকা কাউৰীৰ চকু যেন ক লা পানী ডোঙাৰ দাতিতো বহুত সৰু সৰু পাখি। নিৰুদ্বিগ্ন চিত্তে ওমৰে শিলৰ গাত অ াউজি টন টননি উঠা ভাগৰুৱা দুই ভৰি আগলৈ মেলি দিলে। তাৰ পিচত দক্ষিণদিশৰ ক্ষণে ক্ষণে ধুসৰ হৈ আহিব ধৰা আকাশৰ ফালে চাবলৈ ধৰিলে। এই ঠাইখনৰ গোন্ধৰ পৰাই ওমৰ নি চিত হৈছে যে অলপ পাচতে কেই মুহূর্তমানৰ পিচতে ওমৰৰ দুই প্ৰিয় বন্ধু খান আৰু বেগম আহিব। সচাকৈয়ে কিছু পৰৰ পিচতে চকুৰ শেষ সীমাত আকাশৰ বুকুত দুটা চৰাই দেখা গ ল। ক্ষন্তেক পিচতে পৰত শীষৰ নীৰৱতা ভঙ্গ কৰি ভাহি আহিল খানৰ পুৰুষ কণ্ঠৰ গম্ভীৰ উদাত্ত আৱাহ। তৎক্ষণাৎ দুইহাতেৰে মুখৰ ওচৰত চুঙাৰ দৰে কৰি লৈ ওমৰেও অবিকল একে ধৰণৰ এটা শব্দ কৰি আকাশৰ বুকুলৈ এৰি দিলে। তাৰ পিচতে দুয়োটা চৰাইৰ ডিঙিৰ পৰা বাহিৰ হ ল ঘন ঘনকৈ কিছুমান চুটি-দীঘল তীক্ষ্ণ চিঞৰ। ওমৰৰ মুৰৰ ওপৰত কেইবাটাও পাক খাই খাই দুয়ো উৰিবলৈ ধৰিলে। ওমৰে পুনৰায় কেইটামান চুটি চুটি ঈগলৰ মাত মাতিলে। নিজান গিৰিশীষ খলক লাগিল। ওমৰ থিয় হ ল। এটাৰ পিচত এটাকৈ প্ৰথমে খান আৰু তাৰ পিচত বেগম

আহি শিলটোৰ ওপৰত পৰি পাখি জপাই তীক্ষ্ণদৃষ্টিৰে ওমৰৰ ফালে চাবলৈ ধৰিলে। সিহঁতৰ বিৰাট আকাৰ পাখিৰ বতাহৰ কোৰত উফৰি পৰিৰ খুজিছিল ওমৰ। শিলৰ গাত ধৰি কোনো ৰকমে বৈ আছিল। এতিয়া ওমৰে মাত দিলে— খান! বেগম! তহত ঠিকে আছতো! মই ওমৰ। ওমৰ পুনৰ শিলৰ গাত আউজি ভৰি হাত মেলি আৰাম কৰি ৰহিল। তাৰ পিচত টোপোলাটো খুলি লৈ এখামোচ মাংস উলিয়াই হাতৰ ঠাৰিৰ ওপৰত শাৰী পাতি সজাই ললে। দুইটা চৰাই আণ্ডৰাই আছিল। এটুকুৰা খায়েই বেগমে আৰু নেখালে। ওমৰৰ গাতে গা লগাই ঠেং কোচাই বহি পৰিল। খানে খালে। কিন্তু তাৰ পিচত আৰু নিৰিচাৰিলে। জাগ মাৰি কাষৰ ওখ শিলটোৰ ওপৰত উঠি সি কেউফালে লাহে লাহে এঙ্গাৰ হৈ আহিব ধৰা শিলনি দৰাৰ ফালে চাবলৈ ধৰিলে। ৰাতিটোৰ কাৰণে জিৰণিত পৰাৰ আগে আগে কেউফালে এবাৰ চাই লোৱাটো সিহঁতৰ স্বভাৱ। ওমৰে নিজৰ ৰুটি আৰু খেজুৰৰ টোপোলা মেলি ললে।

লাহে লাহে এফালে জোন উঠিল। কুৱলীহীন আকাশৰ পৰা শুভ্ৰ জোনাকে নিজন পৰতৰ সেই শিলভূমিত ছাঁ পোহৰৰ মায়াপুৰী ৰচনা কৰিছিল। আকাশৰ বুকুত জাকে জাকে তৰা। ওমৰৰ ভৰিৰ কাষত পাখিৰ ডিতৰত ঠোট সুমাই শুই পৰা বেগমৰ ওপৰত ওমৰ আউজি বহি থকা শিলচটাৰ ছা পৰিছিল। কিন্তু ওখ শিলটোৰ ওপৰত সতৰ্ক প্ৰহৰীৰ দৰে থিয় হৈ থকা খানৰ ওপৰত ৰূপালী জোনাক পৰি এক অপাথিৱ ৰাজকীয় দৰ্শাৰ সৃষ্টি কৰিছিল। ওমৰে মুগ্ধ হৈ খানৰ ফালে চাই আছিল। এই জ্যোৎস্না বিধৌত শৈল সাম্ৰাজ্যৰ একছত্ৰী সম্ৰাটৰ দৰে দেখা গৈছিল খানক। আকাশত তিৰবিৰাই জ্বলি থকা অলেখ তৰাৰ পৰা নিজৰি নিজৰি নামি আহিছিল অন্তহীন নীৰৱতা। মুহূর্তে মুহূর্তে নীৰৱতা ডাঠ হৈ আহিছিল বিৰাট বিৰাট শিলবোৰৰ মাজত।

ওমৰে নিজৰ খোৱা শেষ কৰি সন্তপণে থিয় হ'ল। তাৰ পিচত কেইখোজমান গৈ খানৰ ওচৰত ৰ'লগৈ। ওখ শিলটোত উঠি থকাৰ কাৰণে খানৰ পিঠিখন ওমৰৰ কান্ধ পাইছিলগৈ। ওমৰে মৃদু স্বৰে খান বুলি কৈ ডিঙিৰ পৰা এটা কোৰ কোৰণি শব্দ কৰিলে। খানে তাৰ নীলচীয়া জুইৰ শিখাৰ দৰে জ্বল মলাই থকা চকুহাল ঘুৰাই ওমৰলৈ

এবাৰ চালে আৰু নিজেও ওমৰৰ দৰে কোৰকোৰাই উঠিল। ওমৰৰ আপচোচ হ'ল যে খানৰ লগত আৰু একো কথা পাতিব নোৱাৰে। এই অসীম আকাশ বিহাৰী জীৱ দুটাৰ প্ৰতি গভীৰ মমতা ওমৰৰ। কিমান ঠাই যে সিহতে ফুৰে। কিমান ওপৰলৈ যে সিহতে উৰা মাৰে! কোনে জানে হয়তো বেহেস্তৰ দুৱাৰ দলি পৰ্য্যন্ত। ওমৰে লাহে লাহে এটা হুমুনিয়াহ এৰি দিলে। তাৰ পিচত হাতেৰে খানৰ গাত হাত বুলাবলৈ ধৰিলে। সেই গিৰিশৃঙ্গৰ ওপৰত এক অকল্পনীয় ৰঙ্গ ভূৰ ছবি ফুটি উঠিল। সেই জোনাকেৰে ভৰা নিশা যাৰ দৰ্শক আছিল একমাত্ৰ ঈশ্বৰ।

মুৰৰ ওপৰত স মুখৰ ফালে ভালেখিনি আগবাঢ়ি থকা বহল চেপেটা শিলচটাৰ তলত বেগম আৰু খানৰ বাহ। এটা বৃহদাকাৰ শিলৰ খোৰোঙ। কিছুসময় থিয় হৈ থকাৰ পিচত ওমৰ গৈ সেই খোৰোঙৰ ভিতৰ ফালে পাণ্ডৰীটোকে গাৰু কৰি লৈ শুই পৰিল। বেগমৰ তেতিয়া সাৰসুৰ নাই। ওমৰৰ মনত পৰিল তাৰ বাল্যকালৰ সেই ৰাতিপুৱাৰ কথা। এদিন ৰ দে ভৰা ৰাতিপুৱা এই পাহাৰৰ মাজত ঘুৰি ফুৰোতে এদ ম শিলৰ ওপৰত চৰাই পোৱালীৰ চি চিয়নি শুনি শিশুসুলভ কৌতুহল সামৰিব নোৱাৰি বিচাৰি বিচাৰি দুটা অকণ অকণ ঈগল পোৱালী পাইছিল। আকাৰত পাতি কাউৰীতকৈ ডাঙৰ নহ ব। বগা বগা চুটি চুটি নৰম পাখি। ৰাতি জাৰত ঠেৰেঙা লাগি আছিল। পুৱাৰ ৰদ ত আকৌ মাত মাতিছে। ওমৰে বুজি পালে যে সিহতৰ মাক বাপেক ক ৰবাত মৰিল। বাহে সৈতে দুইটাকে বুকুত লৈ এই শিলৰ খোৰোঙত দুইটাকে লকাই ৰাখিছিলহি। তাৰ পিচত প্ৰতি দিনে কচাইখানাৰ পৰা অনা টুকুৰা টকুৰ মা সৰ টোপ খুৱাই পৰম নিষ্ঠাৰে বালক ওমৰে দুইটাকে ডাঙৰ দীঘল কৰিছিল। চাওঁতে চাওঁতে বহেৰেকৰ ভিতৰতে দুইটা দুটা ডেকেৰুৱা ঈগল হৈছিল। ওমৰে সিহতৰ মাত শিকি পেলাইছিল। খাবৰ সময়ত উৰিবৰ সময়ত শুবৰ সময়ত ঈগলে কি কি শব্দ কৰে তীক্ষ্ণভাৱে লক্ষ্য কৰি কৰি ওমৰে নিজেই সেই শব্দবোৰ ফুটাব পৰা হৈছিল। এদিন দুইটা উৰি শুহি গৈছিল। কিন্তু হাতত টোপ লৈ ব্যাকুল হৈ বাট চাই থকা ওমৰৰ হাতৰ পৰা পুনৰ টোপ খাইছিলহি দুপৰীয়া। সেই সৰু সৰু খান আৰু বেগম এতিয়া আস্মানৰ ৰজা আৰু ৰাণী।

এসময়ত খানো শিলটোৰ পৰা নামি লাহে লাহে আহি শুই থকা ওমৰৰ কাষ পালেহি। ওমৰৰ পৰা এহাতমান নিলগতে পাখিৰ তলত মুৰ গুজি সিও শুই পৰিল। ওমৰৰ চাকিৰ কথা মনত পৰিল। তাই বৰকৈ কৈছিল এদিন বেগম আৰু খানক দেখুৱাবলৈ। টোপনিয়ে হেচি ধৰা চকুৰ তলতে ওমৰে এবাৰ মিচিকিয়াই হাঁহিলে। চাকিয়ে কেনেকৈ দেখিব খান আৰু বেগমক। এইদৰে ওমৰে ইয়াত শুই থকাহি দেখিলে চাকিয়ে নিজৰ চকুকে বিশ্বাস নকৰিব। বিশ্বাস কৰিলেহেতেন একমাত্ৰ পৰভেজে। এই উদ্দাম মুক্ত জীৱনৰ সোৱাদ খানৰ পাখিৰ মাজৰ পৰা অহা সাগৰ আৰু পাহাৰ আৰু আকাশৰ গন্ধ চাকিয়ে কাহানিও পোৱা নাই।

পিচদিনা দুপৰীয়াৰ পৰা গোটেই নিচাপুৰ নগৰতে মানুহৰ ভিৰ। আজি চলতান মালিক স্বাহৰ নগৰ পৰিদৰ্শনৰ দিন। আবেলি নগৰ পৰিদৰ্শন কৰি জুম্মা মচজিদত সমূহীয়া নামাজত যোগ দিব চুলতানে। নগৰ উৎসৱ মুখৰ।

তৰাৰ ঘৰত অকলশৰে উদাসভাৱে পৰি থকা ওমৰৰ কাণতো নগৰীৰ আনন্দধ্বনি পৰিছিলগৈ। ঠায়ে ঠায়ে মধুৰ সঙ্গীত আৰু বাজনাৰ সুৰ। তৰাৰ ঘৰৰ চাকৰ বাকৰবোৰো গৈছে এই সমাৰোহ চাবলৈ। ওমৰৰ ঘৰৰ আগৰ আলিবাটেদিও মানুহৰ লানি নিছিগা সোত বৈছিল। তৰাঘৰৰ অলিন্দ পথেদি ওমৰে সেই জনস্রোত চাই আছিল। অকস্মাৎ তৰাৰ ঘৰৰ পকী তোৰণৰ তলেদি সোমাই আহিল চাকি। ওমৰৰ মন উল্লসিত হৈ উঠিল। একে দৌৰে তললৈ নামি আহি দুৱাৰ মুখত থিয় হৈ দুইহাত মেলি মাতিলে চাকি। ত্রস্তা হৰিণীৰ দৰে অনিশ্চিতভাৱে আহি থকা চাকিৰ মুখ উজ্জ্বল হৈ উঠিল। ওমৰৰ ওচৰ পাই মুখৰ পৰা জ্বালৰ ওৰণি গুচাই উৎফুল্ল কণ্ঠেৰে ক'লে — খাস্নমাণী হে ভদ্ৰ চিলাই কৰোতা ওমৰ তোমাৰ নতুন ভদ্ৰ কিন্তু বাজপ্রাসাদৰ দৰে হৈছে।

ওমৰৰ মুখত সেই অপূৰ্ব মিচিকিয়া হাঁহি ফুটি উঠিল "তেনেহ'লে

আহা চাকি ৰূপহী বেগম চাহেবাৰ আগমনলৈ বাট চাই চাই এই ৰাজপ্ৰাসাদে কান্দিব লাগিছে। নিজনতাৰ ভাৰ আৰু কিমান সহ্য কৰিব।

চাকিৰ মুখত লাজৰ ৰক্তিম আভা বিয়পি পৰিল। ওমৰে কেউটা মহল ঘুৰি ঘুৰি চাকিক সকলো দেখুৱালে। তৃতীয় মহলৰ বৈজ্ঞানিক যন্ত্ৰ পাতিবোৰ দেখি সৰু ছোৱালীৰ দৰে কৌতুহল আৰু আনন্দত চাকি চিঞৰি উঠিল। ওমৰে তাইক তাইলৈ কিনি ৰখা ৰাশি ৰাশি উপহাৰৰ বস্তুবোৰ দেখুৱালে। বিভিন্ন ধৰণৰ কাপোৰ অলঙ্কাৰ সৰু সৰু চীনামাটিৰ বৈয়ামত সুস্বাদু মিঠাই। চাকিয়ে এটাইবোৰ উপহাৰ লিৰিকি বিদাৰি চালে। ওমৰে কালি কিনা ফিৰোজা ৰঙৰ বাখৰ খটোৱা হাৰদাল উলিয়ালে। ভিতৰফালে মিনা কৰি থোৱা তাৰ নামটো চাকিৰ চকুত পৰিল।

চাকিৰ চকুত যেন কোনোবাই তৰাৰ গুড়িৰে অঞ্জন সানি দিলে। ঘৰৰ ভিতৰৰ কমি আহিব ধৰা পোহৰত তাইৰ চকুযুৰি আনন্দত তিৰবিৰাই উঠিল। তাই মণিধাৰ পিন্ধিলে। তাৰ পিচত পৰম তৃপ্তিত এটা হুমুনিয়াহ কাঢ়িলে। ওমৰে কৌতুকেৰে তাইৰ ফালে চাই আছিল।

চাকি মোৰ উপহাৰ তোমাৰ ভাল লাগিছে?" ওমৰে সুধিলে।

খুব ভাল লাগিছে ওমৰ। চাকিয়ে ফুচফুচাই কোৱাৰ দৰে ক'লে। তাই মুৰৰ পৰা ওৰণিখন খুলি পেলালে। তাইৰ কিচকিচ কৰে ক'লা দীঘল চুলিটাৰ সুলকি পিঠিৰ ওপৰেদি পিচলি গৈ মজিয়াৰ গালিচাৰ ওপৰত পৰিলগৈ। আৰু এটা পৰিপূণ হুমুনিয়াহ লাহে লাহে এৰি দি তাই গালিচাৰ ওপৰতে দীঘল দি শুই পৰিল। বিশাল অলিন্দ পথেদি তাইৰ চকুৰ দৃষ্টি গৈ আকাশ চুলেগৈ। আবেগৰ আতিশয্যত তাইৰ বুকুখন উঠা নমা কৰিবলৈ ধৰিলে ঘনে ঘনে।

এক বিস্মিত আনন্দিত উৎকণ্ঠাৰে ওমৰে অলপ সময় চাই থাকিল সেই মোহময়ী চাকিৰ ফালে। ইমান নতুন চাকি! ইমান অসন্তৰ ধৰণে ধুনীয়া চাকি! তাইৰ তন্বী দীঘ দেহলতাত নৱ বসন্তৰ যাদু। আমুদবিয়াৰ দুকুল ওপচা বানৰ দৰে ভৰপূৰ যৌবন। তাইৰ ওচৰতে আঠু কাঢ়ি বহিল ওমৰ। তাৰ পিচত কোমল কম্পিত স্বৰে তাইৰ কাণে কাণে কোৱাদি ক'লে চাকি—জানে মন । চাকিয়ে কিন্তু নেমাতিলে। ওমৰৰ অস্ফুট কণ্ঠস্বৰ তাইৰ কাণত যেন পৰাই

নাছিল। কোনো মধুৰ সপোনৰ বুকুৰ পৰা ভাঁহি অহা কাণত নপৰশা কেইটামান বুজিব নোৱাৰা শব্দৰ দৰে ওমৰৰ সম্বোধনে তাইৰ চকুলৈ স্বপ্নৰ আৱেশ আনি দিলে মাথোন। তাইৰ দীঘল দীঘল চকুৰ নোমবোৰ লগ লগাই তাই লঘুভাৱে চকু দুটা মুদি দিলে। তাইৰ সৱশৰীৰত এক শিহৰণ উঠিল।

ওমৰে পুনৰ মাতিলে জানে মন—মোৰ জীৱন কম্পিত হাতেৰে তাইৰ দুই হাত খামুচি ধৰিলে ওমৰে চাকি।

তুমি বৰ ভাল ওমৰ চাকিয়ে ক'লে।

তথাপি তোমাৰ লায়েক নহয়। তুমি বৰ ধুনীয়া। বেহেস্তৰ হুৰীতকৈও খুবচুৰত।

ওমৰৰ ওঁঠৰ ওপৰত আঙুলি থৈ চাকিয়ে ক'লে তেনেকৈ নকবা ওমৰ—তুমি নেজানা তুমি কিমান ভাল।

ওমৰৰ চকুত পৰিল চাকিৰ কম্পিত বুকুখনলৈ। চোলাৰ ফাকেৰে জিলিকি উঠা হাতীদাতৰ দৰে শুভ্ৰ স্তনৰ এচোৰালৈ। লোভী কিন্তু অনিচ্ছুক দৃষ্টিৰে সি চাই থাকিল। ওমৰৰ পেশীবহুল বলিষ্ঠ হাত দুখন কপিবলৈ ধৰিলে। তাৰ তপত নিশ্বাস লাগি চাকিৰ কপালৰ আগত পৰি থকা কেকোৱা চলি উৰিবলৈ ধৰিলে। কিন্তু এক গাঢ়তম প্ৰচেষ্টাৰে নিজক সংযত কৰি ওমৰ এবাৰ থিয় হ'ল। বেদুইনৰ অনিৰুদ্ধ দুবাৰ ব্যাকুলতা লাহে লাহে শান্ত কৰি তুলিলে তাৰ মৰমৰ গভীৰতাই।

দুয়ো বহুপৰ কথা পাতিলে। এবাৰ চাকিয়ে ক'লে তুমি কিন্তু সোনকালে আমাৰ ঘৰৰ মানুহবোৰক কোৱা ওমৰ। মোৰ এই তৰাৰ ঘৰলৈ আহিলে একেবাৰে যাবলৈ মন নেযায়।

তেনেহ'লে থাকি যোৱানা। ওমৰে ক'লে।

সেইটো কেনেকৈ সম্ভৱ। নিকাহ নকৰাকৈ ছোৱালী ৰখা চুৰি কৰাৰ চামিল।

তোমাৰ চাচাজানে মোৰ কথা শুনিব জানো? মইতো কোনো পিনেই তোমাৰ লায়েক নহয়। ওমৰে উদাসভাৱে ক'লে। উত্তৰত চাকিয়ে হাহিলে মাথোন। ওমৰে সুধিলে কিয় হাহিছা?

ওমৰৰ অস্থিৰ পেশীবহুল হাতৰ ওপৰত আঙুলিৰে লঘুভাৱে হাত ফুৰাই চাকিয়ে উত্তৰ দিলে আব্বাজান থকা হ'লে কোনো কথাই

নাছিল। কিন্তু চাচাজান বৰ মতলবী মানুহ। তেওঁ তোমাৰ পৰা বহুত দাবী কৰিব পাৰে।

তেতিয়া আমি কি কৰিম? ওমৰে ব্যগ্রভাবে সুধিলে। চাকিৰ মুখত কোনো চিন্তাৰ চিন নাই। তাই সহজভাবেই ক'লে—

ইমান চিন্তাৰ কোনো কাৰণ নাই ওমৰ। যেতিয়া শুনিব যে তুমি খোদ নিজাম-উল মুল্কৰ প্রিয়পাত্র তেতিয়া কথা সলনি হ'বও পাৰে।

ওমৰে অলপ সময় চিন্তা কৰিলে। তাৰ পিচত ক'লে কিন্তু তেতিয়াও যদি অমান্তি হয় চাকি? মইতো নিজামক মোৰ পচন্দৰ কইনাজনীও ঠিক কৰি দিবলৈ ক'বগৈ নোৱাৰো।

কিন্তু একেই গভীৰ বিশ্বাসেৰে ওমৰৰ ফালে চাই থাকি চাকিয়ে ক'লে তোমাৰ খানে বেগমৰ লগ এৰে জানো? যদি তৰাৰ ঘৰলৈ আহিব নোৱাৰো বহল মৰুভূমিৰ বুকুততো আমালৈ নিশ্চয় ঠাই হ'ব। কিয় তোমাৰ তাজিক ভাইহত আছে।

ওমৰৰ চকুৰ পৰা উদ্বিগ্নতাৰ ছাঁয়া তৎক্ষণাৎ আতৰি গ'ল।

আঃ চাকি! আলবৎ—সেইকথা মই ভবাই নাছিলো!

আনন্দৰ আতিশয্যত হঠাৎ চাকিৰ ককালত ধৰি ঘপকৈ মূৰৰ ওপৰলৈ তুলি এপাক ঘুৰাই আনিলে ওমৰে।

আলবৎ চাকি। ছবিৰ আহমদ—ওচমান আনচাৰহত থাকিলে তামাম দুনিয়া জয় কৰিব পাৰি। আৰু ৰেজাখান চাহেবতো দেৱতা।

লঘু পদক্ষেপেৰে দুয়ো বাহিৰলৈ ওলাই আহিল। তৰাৰ ঘৰৰ প্রধান দুৱাৰৰ কাষত হঠাৎ চাকিক বুকুলৈ টানি আনি চমা খালে ওমৰে।

পঁচিশ

এনেকুৱা স্বপ্নময় দিন পাৱ হৈ গ ল কেইটামান। দুয়োৱে মাজত কেৱল কথা। নিজৰ নিজৰ কথা। সিহতৰ দুয়োখন সৰল অন্তৰৰ ইকুল সিকুল ভৰি থকা মৰমৰ বতৰা ইটোৱে সিটোক দি যেন অন্ত কৰিব নোৱাৰিব। চাকিয়ে কেতিয়াবা অকলেই উঠি গৈ ভৰাৰ ঘৰৰ এটাইকেইটা মহল ঘুৰি পকি ফুৰে। গালিচাৰ ওপৰত দীঘল দি পৰি থতৰিৰ ওপৰত হাত থৈ ওমৰে কৌতুকেৰে তাইৰ ফালে চাই থাকে।

এক অবর্ণনীয় আনন্দৰ মাদকতাই চাকিৰ মন প্ৰাণ আচ্ছন্ন কৰি পেলাইছিল। ইমান সুখৰ বোকোচা তাই এতিয়া বয় কেনেকৈ?

ওপৰৰ কক্ষত বহত কিতাপ দেখিছো। তুমি বাৰু সেইবোৰ সকলো পঢ়ি শেষ কৰিলানেকি ওমৰ? মই লগত নথকা সময়খিনি বোধহয় তুমি সেইবোৰকে পঢ়ি থাকা। চাকিয়ে সুধিলে।

ওমৰৰ ওচৰৰ পৰা আতৰি যাবলৈ তাইৰ একেবাৰে ইচ্ছা নেযায়। তাই নথকা সময়ত ওমৰেনো কি কৰি কটায় নজনালৈকে তাইৰ শান্তি নহয়।

এটাইবোৰ পঢ়া নাই। কিন্তু বহল মৰুভূমিৰ বুকুত এক বেদুইনৰ এখন বঢ়িয়া কৱাই আছে। চোন্ত চাহাৰাৰ কৱাই—মই পঢ়িছো সেইখন। ওমৰে উত্তৰ দিলে।

কৱাই! কৱাই মানে কবিতা। তাই কৱাই শুনিছে। বহুত চুলতান বাদশাহ শাহাজাদী দৰবেশ আৰু যুদ্ধৰ বিবৰণ আছে।

তাত প্ৰেমৰ কথা আছে নেকি? চাকিয়ে সুধিলে।

মোৰ অন্তৰৰ এটা চকত যিমান আছে সিমানখিনিও নাই। ওমৰে তাইৰ ককালত হাত দি মুৰটো লাহে লাহে পিচলৈ হাওলাই দিলে। তাইৰ চকুৱে ওমৰৰ চকুৱে মিলিত হ'ল।

'চাকি তুমি প্ৰথম পুৱাৰ সোণালী অ সৰী। তুমি বৰ ধুনীয়া।

এইটোও সেই কবিতাৰ কিতাপত পালানেকি? চাকিয়ে হাহি মাৰি সুধিলে।

তাত পোৱা নাই। পালো ইয়াত— ওমৰে তাইৰ দুই ওঁঠৰ

ওপৰত চুমাৰ পৰশ চালি দিলে। চাকিৰ কাৰণে সকলোতকৈ অসামান্য হৈছে ওমৰ নিজেই। সকলো জান ইতিমধ্যে আয়ত্ব কৰিছে ওমৰে। কবিসকলৰ দৰে কবাই চায়ৰী ওমৰে মুখস্থ কৰিব পাৰে। সমস্ত কোৰাণ হদীশ ওমৰৰ কণ্ঠস্থ। সি এই ভগ্ন অট্টালিকাত তাইৰ কাৰণে বেহেস্ত নিমাণ কৰিছে। ওমৰ ওমৰ হৈ থাকিলেই তাইৰ বাবে যথেষ্ট। খোদাৰ বহুত দোৱা বহুত মেহেৰবাণী। চাকি বহুত খুচী। দ ভাবে তাইক সাবটি ধৰি থকা ওমৰৰ চুলিৰ মাজত হাতত আঙুলি ডুবাই দিলেচাকিয়ে।

যাবৰ পৰত ওমৰৰ ফালে চাই তাই ক লে মই আজি এবাৰ মচজিদলৈ যাম ওমৰ। খোদাতাল্লাৰ ওচৰত প্রাথনা জনাম যেন মোক সেই সুখৰ দিনবোৰ সোনকালে আনি দিয়ে।

ওমৰৰ কিন্তু মচজিদলৈ যাবলৈ ইচ্ছা নাছিল তেতিয়া। তাৰ মনটো অকল চাকিৰ কথাবেই ভৰপূৰ হৈ আছিল।

পাচদিন্না চাকি নাহিল। ওমৰে এখন কবায়াত পঢ়ি আছিল। তাৰ মনটো চাকিৰ চিন্তাতে বিভোৰ হৈ আছিল। আশা কৰি আছিল চাকি আহিব বুলি। এবাৰ এখন কাগজত নিজেই এটা কবাই লিখি পেলালে। চাকিৰ উদ্দেশ্যেই।

বৰ চেহ বা-এ ওল নাচিম ই নওবোজ খুচ অন্ত।

দৰ জেৰ এ চমন ৰু এ দিল ফাবোজ খুচ অন্ত ॥

—বসন্তৰ মৃদু সমীৰণে গোলাপৰ বুকু ভৰাই তুলিলে মধুৰ ৰসেৰে। যৌবনৰ কুঞ্জ বীথিকাত একেই মাধুৰিমাৰে উপচি পৰিল প্রেয়সীৰ বুকু।

দুবাৰমান কবাইটো নিজেই পঢ়িলে ওমৰে। তাৰ পিচত কাগজখন দুভাজ কৰি কিতাপৰ মাজত থৈ দিলে। চাকি কিন্তু তাৰ পিচদিনাও নাহিল।

মচজিদলৈ যোৱা বাটৰ দাতিৰ ডিমকজোপাৰ তলত ফোৱাৰাৰ কাষত ওমৰে কে বাদিনো বহুত বহুত সময় বাট চাই থাকিল।

মচজিদৰ পৰা অহা তিৰোতা মানুহৰ জুমবোৰ ব্যগ্রভাৱে চালে। কিন্তু চাকিৰ দেখা সাক্ষাৎ নাই।

তাৰ উদ্বিগ্নতা বাঢ়িবলৈ ধৰিলে। চাকিৰ পৰা কিবা এটা সংবাদ পোৱা হ লে- ! এনেতে ওমৰে এটা ভিক্ষাৰী দেখিলে। ওমৰে কেবাদিনো মন কৰিছে যে এনেকুৱা ভিক্ষাৰী কেইটামানে তাৰ পিচে পিচে ঘুৰি ফুৰে। তৰাৰ ঘৰত বাস কৰিবলৈ লোৱাৰ আগৰে পৰাই এই ধৰণৰ মানুহে ওমৰে বাহিৰ ওলালেই পিচ লোৱা ওমৰৰ চকুত নপৰাকৈ থকা নাছিল।

ওমৰে তালৈ চকু দিয়া দেখিয়েই কোবাকুবিকৈ ভিক্ষাৰীটো আতৰিব খুজিছিল। কিন্তু ওমৰে গৈ তাৰ কান্ধত থাপ মাৰি ধৰিলেগৈ।

এই—তই চৌখ-উল কাজাজৰ বাগানত মোৰ লগত কথা পাতে যে তেওঁক দেখিছিলি ?

ভিক্ষাৰীটোৰ ধূর্ত চকুত লোভ জিলিকি উঠিল।

অ তেওঁ! আপোনাৰ মেহবুবানা ? ক ত দেখিম তেওঁতো গ লগৈ ?

গলগৈ! ওমৰ হতভম্ব হৈ পৰিল কলৈ ?

ভিক্ষাৰীৰ ধূর্ত চকুহাল পুনৰ তিৰবিৰাই উঠিল এয়াতো সুবণ সুযোগ।

মই শুনিছো কিবাকিবি। কিন্তু মই ভোকাতুৰ আৰু দুখীয়া। আপোনালোক আমিৰ মানুহ। আপোনালোকৰ দয়া হ লেহে আমি বাচি থাকো।

ওমৰে কমৰবন্ধত হাত ভৰাই চালে। কিন্তু তাৰ হাতত এটাও মুদ্রা নাই। অধৈয্যভাৱে সি ভিক্ষাৰীটোক তাক অনুসৰণ কৰিবলৈ ইঙ্গিত দি আগে আগে যাবলৈ ধৰিলে। বজাৰৰ মাজত সি এটা টকা ধাৰে দিয়া মহাজন বিচাৰি উলিয়ালে। সম্মুখত নানা দেশৰ মুদ্রা কিছুমান ভাগে ভাগে জুকিয়াই লৈ সি বহি আছিল। ওমৰৰ ছাত্র হৈ থকা দিনৰ পৰাই চিনাকি।

মহাজন মোক এটা সোণৰ ডিনাৰ ধাৰলৈ দিয়া অহা মাহলৈকে।

সুদখোৰ মহাজনে এটা মোহৰ উলিয়ালে মোনাৰ পৰা লোৱা মোৰ সুত কিমান জানানে নাই ? প্রতিমাহে এটাকৈ ৰূপৰ ডিৰহাম।

সোনকালে দিয়া—সোনকালে।

ওমৰে ভিক্ষাৰীটোক টানি মানুহৰ মাজৰ পৰা বাহিৰলৈ উলিয়াই

আনি সোণৰ ডিনাৰটো দিলে। তাৰ পিচত ক'লে কি জান তাইৰ বিষয়ে সকলো মোক এতিয়াই ক। সচা কথা কবি।

ইয়া আল্লাহ! খোদাৰ কচম মিছা কথা ক'বলৈ কিয় যাম। তিনি চাৰি দিনৰ আগতে জেনানামহলত নথকা কাৰণে তাইক ঘৰত সিহতে মাৰিলে। মই অন্য তিৰোতাৰ কথা-ৰাৰ্ত্তাৰ পৰা ফোৱাৰাৰ কামত সেই কথা জানিব পাৰিছো। তাইৰ চাচাজান এতিয়া ঘৰৰ গৰাকী। উ চাচাজানৰ কি ভয়ানক খং। তাতে কোনো বেলেগ মতা মানুহ ঘৰখনত নাই। মাৰপিটৰ পিচদিনা আবুল জৈদ নামৰ সদাগৰৰ পৰা দ্বিতীয়বাৰ বিয়াৰ প্ৰস্তাৱ আহিল। চাচাজানতো খুচীত বেহুচ! আৰু একো নেভাবিলেই।

ওমৰৰ মুখত মাত নাই। চকুত মৰুভূমিৰ ৰুক্ষতা।

তাৰ পিচত চেখ আবুল জৈদ আহিল। কাজী চাহেব আহিল। সাক্ষী আহিল। নিকাহ হাচিল হ'ল। অতিথিসকল আহিল। পোলাও কোপ্তা-কাবাব মিঠা চবত।

কিন্তু তাইৰ কি খবৰ?

মগনীয়াঁটোৱে আৰু অলপ পৰ ভাবিলে। তাৰ পিচত ক'লে মই দুটা চাকৰে কথা পাতোতে শুনিছিলো যে তাই বিয়াৰ আগদিনা ৰাতি পলাইছিল। কিন্তু দুটা মানুহে তাইক আকৌ ধৰি লৈ আহিল। আবুল জৈদ ধনী মানুহ। যথেষ্ট টকা দিছে। তাতে তাইৰ ৰৌচন জানো কম। একদম পূণিমাৰ জোনৰ দৰে চেহেৰা।

মুৰত টানকৈ আঘাত পোৱা মানুহৰ দৰে ক্ষন্তেক পৰ থৰ হৈ থাকি ওমৰ এবাৰ তীব্ৰবেগে সেই ঠাইৰ পৰা আতৰি গ'ল। ভিক্ষাৰীয়ে ওমৰৰ পৰা পোৱা সোণৰ মোহৰটো হাতত লৈ বজাই চালে। খাঁটি সোণ। সি আশ্বস্ত হ'ল। চাৰি দিনৰ আগতে চাকিৰ চাচাজানক চাকি তৰাৰ ঘৰলৈ যোৱাৰ কথা আৰু এক ডেকা ল'ৰাৰ লগত দেখা কৰাৰ কথা কৈ সি কেবাটাও ৰূপৰ মোহৰ আদায় কৰিছিল। এতিয়া এই ডিনাৰটোও সি একেলগে মোনাত থৈ দিলে।

অলপ পাচতে সি সেই সুদখোৰ মহাজনৰ ওচৰ পালেহি।

কি ভাই! সেই গৰীব ল'ৰাটোৰ হাতত এটা পুৰা আশ্ৰফি গুজি দিবলৈ কি আক্কেল হ'লনো তোমাৰ?

বোখাৰাৰ মহাজনে দুইহাতে টকাবোৰ আৰ কৰি ধৰি তাক ক'লে

'ওচ—চোৰৰ পুতেক চোৰ! ইয়াত একো নেপাৰ। নেজান এই চাহেৰ ৰবীফ মানুহ। খোদ নিজাম-উল-মুল্কৰ প্ৰিয়পাত্ৰ।

আৰে—আৰে! তেন্তে এৰেই ওমৰ খায়াম!

ভিক্ষাৰীৰ নিজৰ গালত নিজৰে চৰিয়াবৰ মন গ ল। আগতে জনা হ লে কথাটো উলিয়াই দিব বুলি ভয় খুৱাই ওমৰৰ পৰা আৰু ভালেখিনি সৰকাৰ পৰা গ লহেতেন।

ওমৰৰ অন্তৰত যি তোলপাৰ লাগিছিল তাত সি প্ৰায় বাহ্যজ্ঞান শূন্য হৈ পৰিছিল। কোনোমতে সি আহি চৌখ উল-কাজাজৰ চাকিহতৰ ঘৰ পালেহি। চাকিৰ চাচাজান ওলাই আহি তুমুল খণ্ডত গজ্জ ন কৰিবলৈ ধৰিলে।

তই পাগল নেকি? মোৰ জেনানা মহলৰ ভিতৰৰ কথা তই ক বলৈ আহিছ। এই ঘৰৰ জেনানা তই জন্তু জানোৱাৰ বুলি ভাবিছ নেকি যে নাম ধৰি ধৰি ক বলৈ ধৰিছ?

ওমৰৰ ওপৰত প দাৰ সিপাৰৰ পৰা অন্দৰমহলৰ তিৰোতা বিলাকে অভিসম্পাত বষণ কৰিবলৈ ধৰিছিল।

চুৰি কৰি তাৰে আকৌ কথা বেছি হৈছে। তাক ধৰি ভৰিৰ তলৰাত বেতেৰে কোবাব লাগে। বেচৰম বেহুদা বেতমিজ বেওকুফ। তাক বান্ধি থ ব লাগে।

চাকিৰ চাচাজান ওখ ডাঙৰ বলিষ্ঠ মানুহ। কিন্তু খণ্ডেৰে এখোজ আগলৈ আহিও তেওঁ থমক খাই ৰৈ গ ল।

ওমৰ বেন ইব্ৰাহীমৰ চকুৰে তেতিয়া জুই ৰৰষিছিল। আৰৰ ওমৰৰ শুষ্ক কণ্ঠনলীৰ পৰা তেতিয়া কৰ্কশ কঠিন চুটি চুটি অস্ফুট শব্দ ওলাইছিল 'কেইটামান।

চয়তানৰ দোচৰ! দোজখৰ কীট! জান তই এটা ৰাক্ষস?

পাগল বেদুইনৰ প্ৰাণত মৰুভূমিৰ জ্বালা। চাচাজানৰ সাহ নহ ল।

কিন্তু সমৰেত নাৰীকণ্ঠৰ কলাখাৰ যেন দংশন সহ্য কৰিব নোৱাৰি ওমৰ পলাল।

বজাৰত মেহেৰুক লগ পাই ওমৰে তাৰ কাহিনী ক লে। মেহেৰে তেতিয়া এখন জহৰীৰ দোকানত হাতত নীল পাথৰ এচটা লৈ মনো যোগেৰে পৰীক্ষা কৰিছিল। তেওঁ গাটেই কথাখিনি শুনিলে।

ওমৰৰ এই ছোৱালীজনী যদি সাধাৰণ নাচনী ছোৱালী বা বান্দী হ লহেতেন তেন্তে মেহৰে কিবা কৰিব পাৰিলেহেতেন। কিন্তু তাই ইতিমধ্যে এক মুছলমানৰ হেৰেমত সোমাল। এতিয়া তাই সম্পূণ তাইৰ স্বামীৰ সম্পত্তি। আৰু মেহেৰে জানে যে নিজামেও অন্দৰমহল সম্পৰ্কীয় কথাত হস্তক্ষেপ কৰিব নুখুজিব। এইটো মুচলিম কানুন বিৰুদ্ধ কথা। তাৰোপৰি ওমৰৰ আত্মবিভ্রম ঘটাইছে এই চাকিয়েই।

চাকি থাকিলে মেহেৰৰ চিন্তাৰো ওৰ নপৰে। গতিকে মনে মনে মেহেৰে এই ক্ষেত্রত একো হস্তক্ষেপ নকৰিবলৈ ঠিক কৰি পেলালে। কিন্তু বাহিৰত বেলেগ কথা কৈ দেখুৱালে।

বৰ আফচোচৰ কথা হ ল। মোক তুমি আগতে ক লাহেতেন যদি! কিন্তু সাক্ষীৰ আগত কানুনমতে নিকাহ হাচিল হৈছে। সেই নিকাহ কোনে খাৰিজ কৰিব। কথাটো চিন্তা কৰিবলগীয়া হৈছে—

কিন্তু তুমিতো তাইক বিচাৰি উলিয়াব পাৰা। অহা চান্দ্রমাহতে তাইৰ বাবে মই মহৰাণা পেলালোহেতেন। আনহাতে চোৱা তাইৰ স মতি নাছিল এই নিকাহত।

মেহেৰে বিস্তভাৱে মুৰ দুপিয়ালে। তাৰ পিচত কপট দুখেৰে ক লে এয়াতো বৰ আচৰিত কথা হ ল—কোনে ভাবিছিল এনে হ ব বুলি। চৰ খোদাৰ মজি!

কিন্তু তাই ক ত আছে বিচাৰি উলিয়াবই লাগিব।

জৰুৰ জৰুৰ। মই এতিয়াই মানুহ পঠাম। সকলো চেৰাই খানাত বিচাৰি চাব। কালিলৈকে তাই ক ত আছে তাৰ খবৰ পাবা। আজি মাত্র শান্তিৰে থাকা।

মেহেৰৰ চোৰাংচোৱা এটা এটাকৈ পিচদিনা আহি খবৰ দিলেহি। সদাগৰ আবুল জৈদ মেম্বেদৰ মানুহ। কিন্তু তেওঁ নিচাপুৰৰ কাফিলাত নাই। তাৰ নতুন পত্নীক লগত লৈ সদাগৰ পোটাচেৰেক ভৃত্যৰে সৈতে ক ৰবালৈ গ ল। কোন দিশে গ ল কোনেও ক ব নোৱাৰে। বহুত পথ খোলা আছে। বহু সদাগৰো আছে। গতিকে আবুল জৈদ ঘূৰি অহালৈকে বাট চোৱাৰ বাহিৰে অন্য উপায় নাই।

মেহেৰে ভাবিছিল যে সেই খবৰ পালেই ওমৰ সন্তুষ্ট হ ব। কিন্তু তেওঁৰ ভুল হ ল। ওমৰে নিজৰ পুৰণি জোব্বাটো পিন্ধি বজাৰৰ মাজৰ চেৰাইখানা বিলাকত নিজেই বিচাৰি ফুৰিবলৈ ধৰিলে। তাৰ পিচত হঠাৎ এদিন এনেকৈ নোহোৱা হ ল যে মেহেৰে জাকে জাকে চৰিয়া পঠায়ো কোনো হদিশ উলিয়াব নোৱাৰিলে ওমৰৰ। চাকিক বিচাৰোতে ইয়াৰ দহভাগৰ এভাগ কষ্টও কৰা নাছিল মেহেৰে।

ছাব্বিশ

ইয়াৰ পিচত বহুদিন মাহ জুৰি এক উ ভ্ৰান্ত ওমৰ। এটাৰ পিচত এটাকৈ মৰুভূমিৰ বুকুৰ অসংখ্য কাৰাভানৰ উটচালকৰ লগত কথা পাতি পাতি দেশ দেশান্তৰ ভ্ৰমি ফুৰিবলৈ ধৰিলে ওমৰে। ৰাতিপুৱা অপ�েণত টোপনিৰ পৰা উঠি উটৰ পিঠিত মালবোজাই কৰা মানুহবোৰৰ মাজে মাজে আক তাক সধি ফুৰে আবুল জৈদ নামে এজন সদাগৰ দেখিছিলনে কোনোবাই। তম্বুবোৰৰ মাজে মাজে চকু দি ফুৰে। চেৰাইখানা বিলাকত খবৰ কৰে। সন্ধানৰ শেষ নাই।

এনেদৰে গৈ গৈ মেশ্বদ নগৰী পালেগৈ। তাৰ পান্থশালাবোৰ মেশ্বদৰ প্ৰকাণ্ড ইমামবৰা বুস্তান নগৰীলৈ যাত্ৰা কৰিবলৈ সাজু হোৱা কাৰাভানবিলাক আৰু বাটৰ কাষৰ সৰু ডাঙৰ সকলোবোৰ চেৰাইখানা তন্ন তন্নকৈ বিচাৰি চালে। এইদৰে গৈ গৈ এবাৰ উত্তৰৰ পৰ্ব্বত শ্ৰেণীৰ ওচৰ পাইছিলগৈ। ক তো শান্তি নাই।

ওমৰৰ চকুত টোপনি নাই। টোপনিৰ সময়খিনি মনৰ যাতনাত অতিবাহিত হয়। মৰুভূমিৰ অন্তহীন পথত উন্মাদৰ দৰে খোজ কঢ়া সময়খিনিতহে সি সকাহ পায়।

তপত মৰুভূমিত ডেই পুৰি নিয়া চাইমুম ল ৰৈছিল মাজে মাজে। মৰুভূমিৰ বুকুৰ চিৰ অভ্যস্ত কাৰাভান পথৰ পথিকহতেও সেই অগ্নিময় বতাহ বলোতে আশ্ৰয় বিচাৰি ৰয়। ওমৰ কিন্তু নিৰিকাৰ। ডেই যোৱা কপালৰ চালৰ ওপৰত শুকান ৰুক্ষ চুলিবোৰ ওলোমাই লৈ ওমৰ গৈয়েই থাকে। বিৰাম নাই। বিশ্ৰাম নাই। তাইক সিহতে বেতেৰে কোবালে। তাইক সিহতে গালি পাৰিলে। তাইক সামান্য দাসদাসীৰ দৰে বিক্ৰী কৰি দিলে। ক্ৰীতদাসীৰ দৰে তাইক লৈ গ ল। এই দীঘল মৰু পথৰ এইবোৰ কাৰাভানৰ মাজতে তাই ক ৰবাত আছে। নি চয় আছে। তাইক বিচাৰি উলিয়াবই লাগিব। এই পৃথিবীত হাজাৰ হাজাৰ ছোৱালী আছে। মই ভাল পাইছিলো মাত্ৰ এজনীক। হে প্ৰভু মাত্ৰ এজনীক। মোৰ কি তাৰ বাবে কিবা অপৰাধ হৈছিল? তেনেহলে কিয় তাই মোৰ নহ ব? কিয়? কিয়?

মৰুভূমিৰ লৰ দৰে অগ্নিময় আক্ৰোশৰ প্ৰচণ্ড ঊৰ্ম্মি উঠিছিল ওমৰৰ মনত। হে খোদা মোৰ এই গোচৰ তুমি শুনিবাই লাগিব। মই ইব্ৰাহীমৰ পুত্ৰ ওমৰে কৈছো। নহলে মৰুভূমিৰ বুকুৰ এই বহুদগ্ধ বালিৰাশিৰ মাজতে মোৰো কবৰ মই বিচাৰি লম।

পদব্ৰজে অবিৰাম ভ্ৰমণৰ ফলত ওমৰ জ্বৰ পৰিল। এটা বেচিচৰ এটা দৰবেশৰ আড্ডাত পৰি থাকিল দুসপ্তাহ। এজন বৃদ্ধ দৰবেশে বহুত যত্ন কৰি ওমৰৰ জ্বৰ একত্ৰালে। কিন্তু জ্বৰৰ পিচতো ওমৰৰ খোজ কঢ়াৰ শক্তি নাছিল। এজন মৰমিয়াল মেম্বেদী লোকে তাৰ অৱস্থা দেখি এটা গাধৰ পিঠিত তুলি আনি তৰাঘৰৰ সম্মুখত নমাই দিলেহি।

ওমৰৰ গাত তেতিয়া জৰাজীণ এক বেঙনীয়া জোব্বা। সম্বশৰীৰ ঘম্মাক্ত ধুলিৰে আবৰা। ওমৰক দেখি সকলো আচৰিত হল। অলপ জিৰাই শতাই ওমৰ কিছু সুস্থ হল।

কিন্তু তাৰ সৰ্বপ্ৰথম প্ৰশ্ন হল—তাৰ কাৰণে কোনোবাই কিবা সংবাদ এৰি থৈ গৈছে নেকি? চাকিয়ে যি কোনো উপায়ে কিবা সংবাদ পঠাব বুলি সি আশা কৰিছিল।

কিন্তু কোনো সংবাদ কোনেও দিয়াহি নাছিল।

শুকুলা দাৰি গোফেৰে এনেতে এজন বয়সস্থ লোক সোমাই আহি ওমৰক আদাবৎ জনালে। তেওঁ নিজৰ পৰিচয় দিলে। মাইমুন ইবন নাজিব আল-বাচিতি। বাগ্দাদ নিজামিয়াৰ পৰা আহিছে। বিদ্যোৎসাহী নিজামে বাগ্দাদত গণিত আৰু জ্যোতিবিদ্যাৰ এক গবেষণাগাৰ পাতিছিল। মাইমুনে ওমৰৰ প্ৰতি অবাক হৈ চাই ৰল ক্ষন্তেক সময়। তাৰ পিচত লাহে লাহে কলে যে তেওঁ টলেমীৰ এখন পৰিশোধিত নক্ষত্ৰ তালিকা আনিছে। আৰু নিজামৰ আজ্ঞাত এসময়ত এভিচেন্নাই নিজে ব্যৱহাৰ কৰা এটা আচমানী গোলক আনিছে।

ওমৰে মাত্ৰ অন্যমনস্কভাৱে ক'লে ৰৰ ভাল কথা।

বাহিৰত তীব্ৰ ৰদ আৰু জ্বলমান ধৰণীৰ বুকু। নীৰৱ মধ্যাহ্ন। মাত্ৰ মাইমুনৰ শুকান মাতবোৰে আমনি কৰিছিল। ওমৰে একো নোকোৱা দেখি বিতুষ্ট মনেৰে মাইমুন চাহাব আতৰি গল।

সন্ধ্যা লাগি ভগাৰ পিচত ওমৰে ওপৰৰ চাদত পায়চাৰি কৰিবলৈ ধৰিলে। মাইমুন আহি আকাশী গোলকৰ চাৰিও পিনৰ চাৰিটা চাকি

জ্বলাই দিলে আৰু আৰকাপোৰ কেইখন ঠিক কৰি দিলে। এটা কোমল পৰিষ্কাৰ গোহৰ পৰিল গোলকৰ উপৰিভাগত।

ওমৰৰ চকুত আগ্রহে দেখা দিলে।

গোলকৰ ওপৰখন মকৰা জালৰ সতাৰ দৰে অতি সক্ষ্মৰেখাৰে চিহ্নিত। মাজে মাজে দুই এটা আখৰ। এয়া কালপুৰুষ স উত্তৰা অশ্বিনী নক্ষত্র ৰোহিণী ধ্রুৱতৰা শুক্র মঙ্গল। বুধক বহুবৰ এইমাহত নেদেখি। লাহে লাহে গোলকটো ঘুৰাই ঘুৰাই ওমৰে মুৰৰ ওপৰৰ আকাশখন তাৰ পিঠিত বিচাৰি উলিয়ালে।

খাজা মাইমুনে ক লে এইটো গোলকৰ চাবি। এইদৰে খোলে। এইদৰে বন্ধ কৰে। ওমৰে শিকি ল লে।

এভিচেন্নাই নিজে ব্যৱহাৰ কৰা গোলক। তাত এভিচেন্নাৰ হাতৰ দাগ আছে। এজন বাঘদাদী পণ্ডিত সহকাৰী পাই ছ। তথাপি ওমৰৰ মনত শান্তি নাই।

পিচদিনা মেহেৰ আহি ওলালহি। মেহেৰৰ বিস্ময়ৰ শেষ নাই।

"খাজা ওমৰ নিজাম বাহাদুৰ খণ্ডত জ্বলি আছে। তুমিতো হাবিৰ পৰা ওলাই অহা জানোৱাৰৰ দৰে হৈছা দেখিবলৈ। উঃ তোমাক বিচাৰি বিচাৰি আমি কম হাবাথুৰি খালোনে?

মই ইয়াত নেথাকোতে চাকিৰ পৰা কিবা সংবাদ আহি ছিলনেকি?

অ সেই ছোৱালীজনী। ওঁহা একোৱেই পোৱা নাই। মেহেৰে বিনয়েৰে ক লে।

তোমাৰ মানুহে একো খা খবৰ অনা নাই?

সিহতে খুব বিচাৰিলে। কিন্তু ক তো একো শুংসত্রই নেপালে। তোমাৰ চাকি একদম হাৰা হৈ গ ল। ওমৰ ভাইৰ কথা ভাবি থাকিলে কি হ ব? ছোৱালীৰ কি কমতি। পাচী বুলবুল সমৰকন্দৰপৰা অহা তালিমদাৰ চীনা ছোৱালী। পইচা পালে দৌৰি আহিব। সেইবোৰ চিন্তা বাদ দিয়া। কিন্তু নিজাম বাহাদুৰ খুব অসন্তুষ্ট হৈছে। কিবা আচনি এখন তেওঁৰ আগত দিব লাগে।

ওমৰ নীৰৱ হ ল। আচনিৰ লেশমাত্রও তাৰ মনত নাছিল।

নিজামৰ লগত কথা হওঁতে কি কৰিম বুলি ভাবিছিলা?

এখন নতুন তাৰিখ নামা।

কি ?

'সময়ৰ এক নতুন হিচাব। জোনক লৈ সময়ৰ হিচাব কৰিলে বহুবি বহু সময় অপব্যয় হয়।"

মেহেৰে একো নুবুজি হা কৰি চাই থাকিল। ওমৰৰ মাথা খাৰাপ হোৱা নাইতো! চাকৰ বাকৰবোৰৰ পৰা যি শুনিছে ইতিমধ্যে ওমৰৰ বিষয়ে তাৰ পৰাতো তেনে ধাৰণা হোৱা স্বাভাবিক।

খাজা ওমৰ মই চাধা চিধা মানুহ। ইমানবোৰ টান কথা বুজিবলৈ মোৰ ক্ষমতা নাই। আল্লাই আমাক চন্দ্ৰ দিছে তাৰেই আমি সময় তাৰিখ হিচাপ ৰাখো মাহ বছৰৰ লেখ কৰো। কোনোবাই খোদাই দিয়া চন্দ্ৰতকৈও ডাঙৰ কিবা জিনিচ বাহিৰ কৰিব পাৰিবনে তাৰ বাবে ?

কিয় মিচৰীয় বিলাকে কৰিছে খ্ৰীষ্টান বিলাকে কৰিছে। বাক সেইবোৰ তুমি বুজিব নেলাগে। কিন্তু এইদাল তুমি কি ছায়াদণ্ড তৈয়াৰী কৰিছা। কাঠৰ ছায়াদণ্ডেৰে কাম হয় নেকি কেতিয়াবা। চোৱাচোন।

ঘৰৰ চালত যি ঠাইত বোকা লিপি ছায়াতল তৈয়াৰী কৰা হৈছিল তিনিও গৈ সেই ঠাই পালেগৈ। সেই ছায়াতলৰ মাজত এদাল কাঠৰ ছায়াদণ্ড স্থাপন কৰা হৈছিল। মেহেৰে বৰ যত্ন কৰি ৰাজমিস্ত্ৰী কাঠমিস্ত্ৰী লগাই সেইদাল ৰোপণ কৰিছিল। কামটো নিজে ব্যক্তিগতভাৱে পৰিচালনা কৰিছিল। কিন্তু ওমৰে সেইদাল একেটানে তুলি দলিয়াই দিলে। ওমৰৰ খুব খং উঠিছিল। ওমৰৰ খং মানে মৰুভূমিৰ জুই।

এইদাল কাঠ ৰ দত বেকা হ ব বতাহত হালিব। কি কামত আহিব তাৰ ছাঁ ? আমি ল ৰা নেকি যে ইয়াত তামাচা কৰিবলৈ আহিছো ? এটা মাৰ্ব লৰ খুটা লাগিব। এটা মানুহৰ উচ্চতাৰ পাচগুণ ওখ। কেউফালে চাচি মিহি কৰা। ওপৰতো আৰু ভেটিটো হ ব লাগিব মাৰ্বল শ্লেট পাথৰৰ ত্ৰিভূজাকৃতি নিখুঁত ভাবে সমানকৈ বহুৱা। মানহ পঠাই দিবা। মই নিজে কৰাই ল ম।

মেহেৰে ক লে তাৰ বাবে নিজামৰ হুকুম লাগিব প্ৰথমতে। এইটোতো এক কাফেৰৰ বস্তু হ ব।

প্ৰতিদিনে সময়ৰ এক চুলিৰ পাথক্যও তাত ধৰা পৰিব। সময় জোখাৰ সেয়েই একমাত্ৰ ৰাস্তা। অন্য কোনো ৰাস্তা নাই। ওমৰে ক লে। ওমৰৰ মাতত খং।

এক চুলিৰ পাথক্য। মেহেৰে এইবাৰ নিশ্চিত হ'ল যে ওমৰৰ মূৰত অলপ চিত আছে। মাইমুনক অলপ আস্তৰাই নি সুধিলে কওকচোন চাহেব এই খায়ামৰ বাচ্চাৰ মূৰত কোনো গোলমাল নাইতো ?'

গোলমাল মূৰত কিবা থাকিলেও তাৰ হিচাপত কোনো গোলমাল নাই। তেনেকুৱা এদাল ছায়াদণ্ডহে নিভুল হ'ব।

মেহেৰ নিজামৰ ওচৰ পালেগৈ। ওমৰৰ কথা শুনি নিজাম-উল মুল্কৰ প্ৰথমে খণ্ডেই উঠিব খুজিছিল। ইমান দিন হ'ল। কোনো কাম কাজৰ পৰিকল্পনা নাই। থাকি থাকি এদিন হুচ কৰে হাৱা হৈ গ'লেই হ'ব নেকি। কিন্তু মেহেৰে যেতিয়া ক'লে যে খাজা মাইমুনেও ওমৰৰ কথাত সন্মতি দিছে আৰু ওমৰে এখন নতুন কেলেণ্ডাৰ উলিয়াব খুজিছে তেতিয়া নিজামৰ মেজাজ অলপ ঠাণ্ডা হ'ল।

কিন্তু কেলেণ্ডাৰ— ! দস্তৰৰ বিৰুদ্ধ হ'ব। তেতিয়া উলেমাৰ মোল্লা মুৰ্ৱেজ্জিনসকলে বিৰোধিতা কৰিব। মস্কিলৰ কথা। খ্ৰীষ্টান বিলাকৰ ৰোমান কেলেণ্ডাৰ আছে। চীনাবিলাকৰ সময়-চক্ৰ আছে। মুছলিম শাসনৰ পূৰ্ব্বে আমাৰ এই পাৰশ্যতো য়জদিগাড চন অনক্ৰম আছিল। এতিয়া মুছলমানী হিজিৰা সবত্ৰ স্বীকৃত। তাৰ বিৰোধিতা কৰিলে বিপদৰ সম্ভাৱনা আছে। নিজামে ক'লে।

মেহেৰৰ বুকুডগা হুমুনিয়াহ আহিল।

ওমৰে কয় সময় মুঠেই এটা। এতিয়া খোদ নিজাম উল মুল্কে কয় যে সময় কমেণ্ড চাৰিটা। হায় খোদা ! মই এইবোৰ কথা কাহানিও নবুজিম।

চাৰিটা সময় নহয়। চাৰিগুন কেলেণ্ডাৰ। নিজামে ক'লে।

ওমৰৰ আৰু ফৰমাচ আছে। এটা জলঘড়ী লাগিব। দিনটোৰ এক মিনিট সময়ৰ ফাৰাকো যেলে তেওঁলোকে লক্ষ্য কৰিব লাগিব। কি কৰিব মোৰ মাথাই ভকি নেপায়। দিনে ৰাতিয়ে ঘড়ী চাই থাকিব ? খানা নাই ? পিনা নাই ?

ইতিমধ্যে নিজামে ভাবিবলৈ আৰম্ভ কৰিছিল। এখন নতুন কেলেণ্ডাৰ যদি মালিক শাহক দিব পৰা যায়—কেৱল তেওঁৰ ৰাজত্বৰ সোৱৰণিৰ বাবেই—তেন্তে তেওঁ খুব খুচী হ'ব। ওমৰৰ ওপৰত তওঁৰ

ওভদৃষ্টি অগ্রাহ্য পৰা আছেই। এতিয়া আকৌ এই কামত সন্তুষ্ট হ'লে বাদশাহৰ প্ৰধান জ্যোতিষীৰ পদত নিযুক্ত কৰিব পাৰে ওমৰক।

বাক্। ওমৰৰ বাবে নতুন জলঘড়ীৰ যোগাৰ কৰা হ'ব। সেইবিলাকত ৰেওৱাজ তুমি নুবুজিবা খাজা মেহেৰ। খোদাতাল্লাই তোমাৰ বাবে বেলেগ কাম নিৰ্দ্দিষ্ট কৰি দিছে। তোমাৰ এইবোৰ কথাত মিছামিছি মূৰ ঘমোৱাৰ কোনো আৱশ্যক নাই। কিন্তু কোৱাচোন ওমৰৰ হৈছিল কি? কাম নাই কাজ নাই তামাম দুনিয়াত ঘুমি ফুৰিছিল কিয়?'

মেহেৰে হাহিলে খোদাই জানে। বান্দাই একো নেজানো।

ওমৰ যাতে পুনৰ ক'লেকো নেযায় তালৈ চকু ৰাখিবা। মোৰ তাক খুব প্ৰয়োজন।

ওমৰৰ তৰাৰ ঘৰত হোৱা কামবোৰ দেখি নিজাম উল মুল্ক খুব আনন্দিত হ'ল। পৰম কালি যোৱাৰ আগতে দুইটা জলঘড়ী যথাস্থানত স্থাপন কৰা হ'ল। ওমৰৰ ছয়জন সহকাৰী। মাইমুন তাৰে প্ৰধান।

মাইমুনৰ মতে ওমৰৰ পৰিকল্পনা অনসৰি সময়ৰ এই নতুন জোখ সম্পূৰ্ণ কৰিবলৈ সাতবছৰ কাল লাগিব। ওমৰে চাৰি পাচবছৰৰ ভিতৰতে সমাপ্ত হ'ব বুলি ক'লে।

মেহেৰৰ দ্বিতীয়বাৰ অবাক হোৱাৰ পাল পৰিল। আৰে চাৰি পাচবছৰে কি কৰিব। চাৰি পাচ সপ্তাহত এটা এটা প্ৰকাণ্ড অট্টালিকা নিৰ্মাণ কৰিব পৰা যায়।

ওমৰৰ চকুত কৌতুক দেখা গ'ল।

খাজা মেহেৰ তোমাৰ চুলতানী মহল যেতিয়া ভাগি ছিগি ধ্বংসস্তূপত পৰিণত হ'ব মানুহৰ সলনি যেতিয়া অত জেঠী আৰু পইতাচোৰাই বসবাস কৰিবলৈ ল'ব তেতিয়াও কিন্তু আমাৰ কেলেণ্ডাৰ একেই থাকিব।

হ—মোৰ এতিয়া চলতানী ৰাজ অট্টালিকা থকা হ'লে মই কস্মত সোমোৱাৰ পিচত তাত জেঠী থাকেনে পইতাচোৰা থাকে তাৰ খবৰ ৰাখিবৰ মোৰ কি প্ৰয়োজন।

মেহেৰে তাৰ পৰা গৈ নিজামক খবৰ দিলে যে ওমৰ আৰু তেওঁৰ সহকাৰীসকল কাম আৰম্ভ কৰিবৰ বাবে সাজু। তাকে শুনি নিজামে আনুষ্ঠানিকভাৱে স্বয়ং চুলতানৰ দ্বাৰা তৰাঘৰ পৰিদৰ্শনৰ ব্যৱস্থা কৰিলে। সেইদিনাই চুলতান মালিকশ্বাহ পহ চিকাৰৰ পৰা সেই বাটেদি উভতি অহা কথা। বাটতে তৰাৰ ঘৰত সোমাই খাব।

সকলো আয়োজন কৰা হ'ল। ৰঙীন গালিচাৰে তৰাঘৰৰ বাহিৰৰ চোতাল ঢাকি পেলোৱা হ'ল। গছৰ তলে তলে সুসজ্জিত প্ৰমোদ মণ্ডপ তৈয়াৰী হ'ল। মিঠা চৰ্ব্বত ফল মূল আৰু অন্যান্য সুখাদ্য সজাই ৰখা হ'ল।

ৰাজসজ্জাৰ পোছাক পৰিহিত মাদ্ৰাছাৰ মৌলানাসকল আহিল। মৰুসাগৰলৈ যোৱাৰ পথত তেওঁৰ নিজ্জন আশ্ৰমৰ পৰা ওস্তাদ আলি স্বয়ং আহিল। উলেমাৰ মোল্লা মৌলবীসকলো আহি ৰজাৰ কাষৰ মণ্ডপ দখল কৰিলেহি। নিজামে তেওঁলোকক সসম্মানে আনি যথা যোগ্য স্থানত বহুৱালেহি। নিজামে জানে যে উলেমাৰ কণধাৰ সকল বিতুষ্ট। বৈজ্ঞানিক যন্ত্ৰপাতি আৰু চিন্তাধাৰাৰ প্ৰতি এওঁলোকৰ সহানুভূতি নাই। ওমৰক তেওঁ এফলীয়াকৈ মাতি নি মৌলানাসকলৰ আগত থিয় নহ বলৈ আৰু তেওঁলোকৰ আগত একো কথা নক বলৈ সতৰ্ক কৰি দিলে।

ওমৰৰ একো ক বৰ ইচ্ছাও নাছিল। গোটেই পৰিস্থিতিটো তাৰ বৰ আচহুৱা যেন লাগিছিল। এনেতে এদল অশ্বাৰোহী আহি থকা দেখা গ'ল। তেওঁলোকৰ ফালে এটাইবে চকু গ'লত ওমৰে ৰক্ষা পালে। দলৰ প্ৰথমজন চুলতান মালিকশ্বাহ।

মালিকশ্বাহ নামিয়েই হাতৰ প্ৰকাণ্ড যাঠিদাল এটা ভৃত্যাৰ হাতত দিলে। ভৃত্যবৰ্গই তেওঁৰ ঘোৰাৰ পৰা নমা ঠাইৰ পৰা এখন গালিচা মাটিত পাৰিবলৈ লৈছিল। কিন্তু মালিকশ্বাহে তাৰ বাট নেচাই আগবাঢ়ি আহিল।

চুলতানৰ গাত ধূলি। কিন্তু মন বৰ প্ৰফুল্ল যেন দেখা গৈছিল। ওমৰৰ ধাৰণা হ'ল যে চুলতানৰ নিজাম বা মোল্লা-মৌলবী সকলক লগ ধৰিবলৈ একো আগ্ৰহ নাছিল। উচ্ছল যৌৱন আৰু অফুৰন্ত প্ৰাণ শক্তিৰে ভৰা এই যুবক চুলতানৰ শৰীৰত অৰণ্যৰ সিংহৰ লাস্যগতি। বিশাল স্কন্ধদেশৰ ওপৰত বলিষ্ঠ গ্ৰীবা। চুলতানে কথা কওঁতে লাহে লাহে কয়—কেতিয়াও অঙ্গী ভঙ্গী নকৰে।

নিজামে ওমৰক লৈ আঠুকাঢ়িলে। চুলতানে একেথৰে ওমৰৰ ফালে চাই থাকি ক'লে ঠিক এইজনেই মানুহ এৰেঁই কৈছিল।

আদাৰৎ আদাৰৎ জাহাপনা! ওমৰে নিম্নস্বৰে ক'লে।

খোৰাচান চৰকৰ এটা চেৰাইখানাত এবাৰ মোৰ লগত তোমাৰ দেখা হৈছিল। মোৰ কামত থকা মৌলানাহতে মিছা কথা কৈ থাকোতে তুমি মোৰ আগত তিনিটা ভৱিষ্যতবাণী কৰিছিলা। সেই কথা মই পাহৰা নাই। তোমাক তাৰ বাবে এতিয়া কি লাগে?

অলপ সময় দুয়ো দুয়োৰে ফালে চিন্তামুক্ত হৈ চাই থাকিল। চেঙ্গিচখাৰ বংশধৰ দুৰ্দ্ধষ যোদ্ধা যুবক চুলতান আৰু কল্পনাত উচি বুৰি ফুৰা নবীন পণ্ডিত। দুয়োৰে বয়সো প্ৰায় একেই হ'ব।

মোক ৰাজকীয় চাকৰিত বাহাল কৰিব লাগে।

ঠিক হায়। মালিকশ্বাহে হাঁহিলে এতিয়া তুমি ইয়াত কি কৰিছা মোক দেখুৱা।

ৰজাই সুউচ্চ মাৰ্ব লৰ ছায়াদণ্ডদাল বৰ ভাল পালে। চকুৰে মুখে শিশুসুলভ কৌতুহল জাগি উঠিল। অন্যান্য যন্ত্রপাতিবোৰো ৰজাই বৰ আগ্রহেৰে চালে। মাইমুনে বস্তুবোৰৰ ব্যৱহাৰ বুজাই গৈছিল। কিন্তু মাইমুনক আতৰাই ৰজাই ওমৰক কাষলৈ মাতিলে তুমি কোৱা। ওমৰৰ দৃঢ় পৰিষ্কাৰ কণ্ঠস্বৰ তেওঁৰ ভাল লাগিছিল।

ঘাই মোল্লাজনৰ এটা সময়ত অসহ্য হ'ল। ওমৰৰ বৈজ্ঞানিক যন্ত্রপাতিবিলাকৰ প্রতি ৰজাই মাত্রাধিক আগ্রহ দেখুৱাইছে। তেওঁ কৈ উঠিল।

আমি সাবধান হোৱা উচিত। পবিত্র কোৰাণত উল্লেখিত আছে—চন্দ্রসয্যক বন্দনা নকৰিবা। কাৰণ খোদাতাল্লাই সেইবোৰ সৃজন কৰিছে। একমাত্র খোদাতাল্লাক প্রাৰ্থনা কৰা। অন্যান্য মোল্লাসকলৰ মাজত সমৰ্থনৰ এক গুঞ্জন উঠিল। কিন্তু ওমৰে তৎক্ষণাৎ কৈ উঠিল।

আৰু এই কথাও উল্লেখিত আছে—খোদাতাল্লাৰ বিভিন্ন চিহ্ন বিলাকৰ মাজতে দিন আৰু ৰাতি সয্য আৰু চন্দ্র। চিহ্ন সমূহ নবুজিলে সেইবোৰৰ অৰ্থ বোধগম্য হ'ব কেনেকৈ?

মালিকশ্বাহে একো নেমাতিলে। তেওঁৰ পিতৃ-পিতামহ বন্ধুৰ আছিল যদিও তেওঁ নিজে নিজামৰ দৰেই ধৰ্মভীৰু তেওঁ ঘাই মোল্লাৰ পৰা দন্তৰ মাফিক বিদায় লৈ ঘোৰাত উঠিল গৈ।

কিন্তু ঘোৰাৰ ওপৰত উঠি তেওঁ ওমৰক ওচৰলৈ মাতিলে। "নিজামে খাটনি ধৰিছে যে তোমাক মই ৰাজজ্যোতিষীৰ পদবী দিব লাগে। সেইটো মঞ্জুৰ। দৰবাৰলৈ আহিবা। তোমাক দৰবাৰী পোছাক দিয়া হ'ব। তাৰ পিচত প্ৰায় ঘনিষ্ঠভাৱে ক'লে মাজে মাজে মোৰ ওচৰলৈ আহিবা। কথা পাতিম। মোৰ বাবে বহুত সময়ত শুভক্ষণ গণনাৰ প্ৰয়োজন হয়।

সেই অনুষ্ঠানৰ দুদিন পিচত নিজাম-উল-মুল্কে ওমৰক মাতি পঠালে। ওমৰ গৈ নিজামৰ ওচৰত নম্ৰভাৱে থিয় হ'লগৈ। চাপৰ মেজত থকা ৰাশি ৰাশি কাগজৰ মাজৰ পৰা মুৰ তুলি নিজামে ওমৰৰ ফালে চালে। বৃদ্ধ উজীৰৰ মুখমণ্ডলত গভীৰ প্ৰশান্তি।

বহা ওমৰ।

ওমৰে এবাৰ আভূমি কুনিশ কৰি দলিচাৰ ওপৰত বহিল।

সিদিনা মোল্লাসকলৰ কথাৰ প্ৰত্যুত্তৰ দিবলৈ গৈ ভাল কাম নকৰিলা। তেওঁলোকে এতিয়াৰ পৰা হয়তো তোমাৰ কামত বাধা দিবলৈ যত্ন কৰিব।

কিন্তু কিয়? হে পিতৃ মোৰ পথ আৰু উলেমাৰ পথতো সম্পূৰ্ণ বেলেগ।

সেই কাৰণেই কৈছো তেওঁলোকৰ পথৰ সীমনাতো ভৰি নিদিবা। বাৰু এতিয়া কেইটামান কথা শুনা। এইবিলাক কথা তুমি ভালদৰে জনা উচিত। তোমাক কামত নিযুক্ত কৰা কথা মুকলি দৰবাৰত ঘোষণা কৰা হ'ব। এতিয়াৰ পৰা বছৰি বাৰশ মিস্কেললৈকে স্বৰ্ণমুদ্ৰা তোমাৰ দৰমহা হ'ব। সেইখিনি টকাৰ ওপৰত কোনো শুল্ক নাই। কালিলৈ দৰবাৰত তোমাক চলতানে নিজে খিলাত পহৰান দিব।"

ওমৰে এক বিস্ময়ৰ উক্তি কৰিলে। ইমান ডাঙৰ অঙ্কত পইচা পোৱাৰ কথা আজিলৈকে সি কল্পনাও কৰা নাই।

চলতান মালিক শ্বাহৰ দৃষ্টি সম্প্ৰতি তোমাৰ প্ৰতি প্ৰসন্ন হৈছে। সেই কাৰণে তেওঁ তোমাক অন্যান্য পুৰস্কাৰো নিশ্চয় দিব। তেওঁৰ কৃপা তোমাৰ ওপৰত থকালৈকে তোমাৰ কোনো ভয় নাই। কিন্তু মনত ৰাখিবা যে এবাৰ তেওঁৰ বিশ্বাস হেৰুৱাব লাগিলেই তেওঁ তোমাৰ প্ৰতি

কঠোৰ হৈ পৰিব। তেওঁৰ অনুগ্ৰহেই যেতিয়া তোমাৰ প্ৰধান অৱলম্বন তুমি সেই সম্বন্ধে সাৱধান হোৱা উচিত। অসতৰ্ক হৈ থাকিলে বিপদ আছে।'

ওমৰে ভাবিলে সিতো মাত্ৰ জ্যোতিৰিদ্যাৰ ছাত্ৰ। চলতানে বেয়া পোৱা বা অবিশ্বাস কৰিব লগীয়া কোনো কামৰ লগত যুক্ত থাকিবৰ প্ৰয়োজন নাযেই। গতিকে এই যুৱক চুলতানৰ কৃপাত পাত্ৰ হৈ থাকিবলৈ অন্য কি সাবধানতা অৱলম্বন কৰিব লাগে। কিন্তু যেই কি নহওক চুলতানক তাৰ বৰ ভাল লাগিছে। ওমৰৰ মনৰ ভাব বুজিব পাৰি নিজামে ক'লে—

ভয় নকৰিবা। মোৰ সহায় আৰু সমৰ্থন তুমি সদায় পাৱাই। আৰু খোদাৰ কৃপাত দেখাদেখিকৈ মোৰ বিৰুদ্ধাচৰণ কৰা মানুহ এতিয়া কোনো নাই। কিন্তু মোৰ অন্যান্য কামো আছে।

তাৰ পিচত বৃদ্ধ নিজামে তেওঁ লাহে লাহে গঢ়ি তুলিবলৈ ধৰা এই নতুন সাম্ৰাজ্যখনৰ পৰিকল্পনাৰ কথা কবলৈ ধৰিলে।

মালিক শ্বাহ যি ৰাজবংশৰ ৰজা—সেই চেলজুক তুৰ্কী বংশৰ আগমণৰ আগেয়ে মুছলিম সাম্ৰাজ্য যুদ্ধবিধ্বস্ত আৰু খণ্ড বিখণ্ড হৈ পৰিছিল। খলিফা হাৰুণ অল-ৰছিদে বাগদাদৰ পৰা যি প্ৰতাপেৰে বিশাল মছলিম সাম্ৰাজ্য শাসন কৰিছিল এতিয়াৰ বাগদাদৰ খলিফাৰ দিনত সেই প্ৰাচীন গৌৰৱৰ চিহ্ন মাত্ৰ হ আছে। ইতিমধ্যে চেলজুক তুৰ্কসকলৰ নেতৃত্ব বহন কৰি গতজনা চুলতান আলপ আচলানে মুছলিম সাম্ৰাজ্যৰ ভেটি দৃঢ়ভাৱে ৰচনা কৰি খোৰাচান শত্ৰুশুন্য কৰিলে আৰু বাগদাদৰ খলিফাৰ পৰা স্বীকৃতি আদায় কৰিলে।

ইয়াৰ পিচত এলেপ্পা অন্তভুক্ত কৰা হ'ল। পবিত্ৰ মক্কা মদিনা নগৰী চেলজুক সাম্ৰাজ্যৰ ভিতৰ সোমাল। খ্ৰীষ্টান বাইজেন্টাইনবিলাক মালাচগাৰ্ডত পৰাস্ত হোৱাৰ পিচত এতিয়া চেলজুক সাম্ৰাজ্য খোৰাচানৰ পৰা কন্সটাণ্টিনোপললৈকে বিস্তৃত হৈছে। মালিকশ্বাহে কন্সটাণ্টিনোপলৰ ৰোমান সম্ৰাটৰ পৰা কৰ আদায় কৰিছে আৰু তেওঁৰ এজনী কন্যা পত্নী হিচাবে গ্ৰহণ কৰিছে। ভবিষ্যতলৈ মালিক শ্বাহৰ এজনী কন্যা বা দাদৰ খলিফালৈ বিবাহ দিয়াৰ কথাও চিন্তা কৰা হৈছে।

এই শীতকালত চলতানে এলেপ্পোলৈ পুনৰ যুদ্ধযাত্ৰা কৰিব। বৰ্ত্তমানে মিচৰীয় খলিফাৰ হাতত থকা খ্ৰীষ্টানসহতৰ পবিত্ৰ জেৰুজালেম নগৰী নিজৰ ৰাজ্যৰ অন্তভুক্ত কৰিব। মিচৰীয় এই খলিফা বহু অনৰ্থৰ মূল।

ওমৰৰ এই প্ৰচণ্ড ব্যক্তিত্বসম্পন্ন বৃদ্ধ মন্ত্ৰীৰ প্ৰতি সম্ভ্ৰম আৰু শ্ৰদ্ধা জাগিল। এজন মানুহে ইমান নিশ্চয়তাৰে বিৰাট এখন সাম্ৰাজ্যৰ ভৰি বঠা কেনেকৈ ধৰিব পাৰে ভাবি মনত অপাৰ বিস্ময় অনুভৱ কৰিলে। এই নদী ল ব লাগিব—সেই উপত্যকা। এই নগৰ ল ব লাগিব—সেই পৰ্ব্ব ত।

প্ৰতিদিনে নিজামে ওমৰক মাতি নি দীঘলীয়া কথা পাতে। আইন ব্যৱস্থা খাজনা নিয়ন্ত্ৰণ সৈন্যবাহিনী পৰিচালনা সাম্ৰাজ্যৰ চোৱাংচোৱা পদ্ধতি। তাৰোপৰি মালিকশ্বাহৰ স্বভাবৰ বিষয়ে ক লে। মৃগয়া প্ৰিয়। তিৰোতাৰ মনৰ প্ৰতি সম্পূণ উদাসীন। ভবিষ্যতবাণী যাদুবিদ্যা এইবোৰৰ ওপৰত অগাধ বিশ্বাস।

সদায় মনত ৰাখিবা যে এই মালিকশ্বাহৰ পিতামহ বৰ্ব ৰ আছিল। মালিক শ্বাহৰ কাষত যদি শত্রুপক্ষৰ দ্বাৰা নিযুক্ত কোনো এজন জ্যোতিষী থাকে তেন্তে তেওঁ ধ্বংসৰ মুখত পৰিবলৈ বেছি দিন নেলাগিব।

ওমৰে বুজিলে। এনেকৈ অন্ধবিশ্বাসৰ ওপৰত নিভৰ কৰি বহুতো প্ৰতাপী লোক ধ্বংস হোৱাৰ অলেখ দ ষ্টান্ত আছে।

সেইবাবেই তোমাৰ দায়িত্ব অতি গধুৰ। মই যি বুজিছো তোমাৰ নিজৰে মানুহৰ কোষ্ঠী গণনা কৰা বা তন্ত্ৰ মন্ত্ৰৰ ওপৰত কোনো বিশ্বাস নাই। মোৰ নিজৰ ধাৰণাও মাত্ৰ এই যে আকাশৰ গ্ৰহ নক্ষত্ৰই নিজৰ গতিৰে আল্লাহতাল্লাৰ মহিমাকে প্ৰকাশ কৰে মাথোন। বেলেগে কোনো অথ প্ৰকাশ নকৰে। সেইবাবে মালিকশ্বাহে কোনো কামত ধৰিব খুজি তাৰ শুভক্ষণ বা ফলাফল সম্বন্ধে জানিবলৈ ইচ্ছা কৰিলে তেওঁৰ জন্মবাৰ আৰু নক্ষত্ৰৰে নিভু লভাৱে হিচাপ কৰিবা। চাবা যাতে তোমাৰ কোনো ত্ৰুটিৰ বাবে অন্যাই তেওঁক প্ৰভাবান্বিত কৰিব নোৱাৰে। তোমাৰ প্ৰতি ঈষান্বিত বহুলোকেই তুমি এবাৰ পিচল খোৱালৈ বাট চাই থাকিব।

ওমৰে পুনৰ মুৰ দুপিয়ালে। চুলতানে যদি কিবা জানিব বিচাৰে জ্যোতিষৰ পুৰাতন বিধি প্ৰয়োগ কৰি তাৰ উত্তৰ দিয়াটো একো টান কাম নহ ব। যোগ বিয়োগ একো নকৰাকৈ গণনাৰ ফলাফল সম্পূণকৈ জানিবলৈ দিয়াটোৱেই নিৰাপদ উপায়।

মাজে মাজে চুলতানে ৰাজকীয় কাম কাজৰ কাৰণেও শুভক্ষণ গণনা কৰিবলৈ নিদ্দেশ দিব পাৰে। তেতিয়া তুমি মোলৈ সংবাদ পঠাবা। মই তুমি কি ক ব লাগে জনাম। কাৰণ এনেকুৱা কামবোৰ আচনি কৰিব লাগে। আৰু সকলো আচনি কৰো মই।

ওমৰে কৌতুহলীভাৱে চালে। নিজামৰ মুখত মিচিকিয়া হাহি।

দুজন মানুহে দেশ শাসন কৰে। এজন ৰজা—আনজন মন্ত্ৰী। ৰজাই যুদ্ধবিগ্ৰহ চলায়। দেশ জয় কৰে। দণ্ডবিধান বা পুৰস্কাৰ ঘোষণা কৰে। মন্ত্ৰীয়ে শঙ্খলা লগায় খাজনাৰ তাৰিফ কৰে বা বিদেশী ৰাষ্ট্ৰৰ সৈতে সম্বন্ধ নিৰ্ব্বাহ কৰে। মই মালিকশ্বাহৰ বিশ্বাসী উজীৰ। মোৰ ইচ্ছা এই চালুকীয়া সাম্ৰাজ্যৰ ভেটি দৃঢ় কৰা। সেই কাৰণেই কৈছো যে নীতিবিষয়ক সকলো কথাতে তুমি মোৰ লগত পৰামশ কৰিবা। বুজিছাতো ?

ওমৰে বুজিলে যে এই কঠিন লৌহ মানৱজনে তাক বিশ্বাস কৰিছে। এই প্ৰবীন মন্ত্ৰী তাতকৈ জ্ঞানী মালিকশ্বাহতকৈও আনকি উলেমাৰ গোড়া ইমামতকৈও বহুত বেছি জ্ঞানী।

নিজামৰ মনৰ আনন্দ বা উৎসাহ বাহিৰত ধৰিব নোৱাৰি। দুবছৰৰ আগতে চুলতান আলপ আৰ্চ লানৰ মৃত্যুৰ পিচৰ পৰাই নিজামে ওমৰক বিচাৰি ফুৰিছিল। এই নবীন বৈজ্ঞানিকক মালিকশ্বাহৰ প্ৰধান জ্যোতিষী পাতি নিজৰ সহকাৰী কৰি লোৱাত নিজামৰ উদ্দেশ্য স্পষ্ট।

কিন্তু নিজামৰ সন্তুষ্টি শুচিবলৈ বেছি দিন নেলাগিল। ওমৰে এইবাৰ ঘোষণা কৰিলে যে এবছৰৰ কাৰণে নক্ষত্ৰ ভৱনত তেওঁৰ কায়িক উপস্থিতিৰ কোনো প্ৰয়োজন নাই। কেৱল ছাঁয়াতল পৰ্য্যবেক্ষণ আৰু অন্যান্য নিৰীক্ষণসমূহ মাইমুন আৰু তেওঁৰ সহকাৰীসকলেই কৰিব পাৰিব। সেইবাবে তেওঁ চুলতানৰ লগত পশ্চিমলৈ যাত্ৰা কৰিব খোজে। আনকি চুলতান মালিকশ্বাহে নিজেও সেই কথাত আগ্ৰহ দেখুৱাইছে।

আচলতে ওমৰে নিজেই মালিকশ্বাহৰ মনত সেই ইচ্ছা সুমাই দিছিল। এইবাৰ সি পশ্চিমদেশৰ প্ৰত্যেক গীজা আৰু নগৰত পাত পাত কৈ চাকিব সন্ধান কৰিব পাৰিব। এতিয়া তাৰ ধন আছে। ক্ষমতা আছে। অনেক আজ্ঞাবহ ভৃত্য আছে আৰু সৰোপৰি আছে এজন মহা পৰাক্ৰমী ৰজাৰ অনুগ্ৰহ।

সংবাদ পাই মেহেৰে হাহিলে বৃদ্ধ নিজাম বাহাদুৰ এদিন মোৰ নজৰৰ পৰা এই ওমৰ ফেৰাৰ হোৱা বাবে তুমি মোক খং কৰিছিলা। এতিয়া তোমাৰ চোকা নজৰৰ পৰাও প্ৰথম মাহতে সি খোদ চুলতানকে সুৰাৰ সঙ্গী কৰি লৈ ফেৰাৰ।

অৱশ্যে বাহিৰত দেখুৱাই কলে ইয়াহ আল্লা নচিব।

সাতাইশ

পুনৰ যাত্ৰা আৰম্ভ হ'ল ওমৰৰ।

আকৌ দিনৰ পিচত দিন সপ্তাহৰ পিচত সপ্তাহ মৰুভূমিৰ উত্তপ্ত বালুকাৰাশিৰ ওপৰেদি মন্থৰ গতিত গৈ থকা সুদীঘ বাদশ্বাহী কাৰাভান।

ফজৰৰ নামাজ শেষ হোৱাৰ পাচতে শিবিৰত খদমদম লাগে যাত্ৰাৰ প্ৰস্তুতিৰ। ক্ষন্তেক পিচতে চুলতান মালিক শ্বাহ তম্বুৰ দুৱাৰত থিয় হয়। গগণ বিদীণ কৰা সুৰত নহবৎ বাজি উঠে। পুনৰ যাত্ৰা আৰম্ভ হয়।

যুবক চুলতান নিজৰ ছাঁৰ দৰে লগে লগে ৰাখে ওমৰক। মৰুভূমিৰ উত্তপ্ত বতাহ আৰু দিগন্ত প্ৰসাৰী ৰুক্ষ উদাৰতাৰ মাজত ওমৰ বাৰে বাৰে আনমনা হৈ পৰে।

বালিৰ ওপৰত উট ঘোঁৰা আৰু মানুহৰ ভৰিৰ অলস খোজৰ শব্দ। মাজে মাজে বহু দূৰে দূৰে থকা মলান সেউজীয়া ওৰেচিচত ক্ষন্তেক বিশ্ৰাম।

ফোৰাত নদীৰ ধৰস্ৰোতা জলধাৰাৰ কাষত আহি কিছুকালৰ বাৰে চাউনি পাতিলে চুলতানে। নিচেই কাষত প্ৰাচীন বেবিলন নগৰৰ ধ্বংসাৱশেষ। অমিত বিক্ৰমী ৰজা নেবুকাডনেজাৰৰ স্বপলঙ্কা আছিল এই বেবিলন। বহুজাতি বহুভাষা আৰু বহুসভ্যতাৰ সঙ্গমস্থল।

এই বেবিলন নগৰৰে সুউচ্চ প্ৰাচীৰ আৰু আকাশ লঙ্ঘা বিজয় স্তম্ভৰ ওপৰতে খ্ৰীষ্টজ মৰ হেজাৰ হেজাৰ বছৰৰ আগতে সদ্য স্বৰ্গভ্ৰষ্ট মানবজাতিৰ প্ৰথম পাথিব গৌৰবৰ পতাকা উৰিছিল।

এই বেবিলন নগৰৰ ওপৰতে এদিন ভগৱানৰ কোপদৃষ্টি পৰিছিল। বাইবেলৰ ইচাইয়াত কোৱা হৈছে যে সেই প্ৰলয়ৰ দিনা ধ্বংসৰ দূত এস্ৰাফিলৰ প্ৰলয়শিঙা বাজিবলৈ ধৰিছিল। আকাশৰ নক্ষত্ৰপুঞ্জই পোহৰ দিয়া নাছিল বেবিলনৰ ওপৰত। আকাশী পথৰ পৰা সূৰ্য্যই সেই অভিশপ্ত চহৰৰ ওপৰত কিৰণ বিস্তাৰ কৰিবলৈ অস্বীকাৰ কৰিছিল। মনোহাৰিণী চন্দ্ৰই বেবিলনৰ ম্ৰিয়মান মানুহবিলাকৰ বাৰে নিজৰ মুখ আৰ কৰি ধৰিছিল।

সেই ভীষণ সময়ত ভয়ানক মূর্তি মেডিয়ান বিজাকে আক্রমণ কৰি বেবিলন জনশুন্য কৰিছিল।

ধুলি-বালি আৰু ভগাছিগা ইটাৰ টুকুৰাৰ পাহাৰ প্রমাণ একো একোটা দম। ঠায়ে ঠায়ে এহোৱা দুহোৱা ইটা বা শিলৰ দেৱাল। সাৰি পুচি উলিৱা একোখন পকা মজিয়া। এতিয়া বেবিলন বুলিলে সিমানকে বুজা যায়।

এদিন আবেলি ফোৰাত নদীৰ পাৰৰ খেজুৰ গছৰ তলত অলসভাৱে বহি ওমৰে ইতিহাসৰ এই বিৰাট ধ্বংসস্তুপৰ ফালে চাই আছিল।

নদীৰ বেকা ভাঁজটোৰ বহুত দূৰৰ দিজকোহ পৰ্ব্বতমালাৰ সিফালে উত্তপ্ত অম্বিৰ ৰায়ুমণ্ডলৰ মাজেদি চেকুৰা বাঙ্গিৰঙ্গে ধৰা তেজৰ ৰঙৰ ডাঙৰ সূৰ্য্য এটা লাহে লাহে ডবিবলৈ আৰম্ভ কৰিছিল।

হঠাতে ওমৰৰ ধাৰণা হ'ল যেন হাজাৰ হাজাৰ বছৰ বিয়পা ইতিহাসৰ সুবঙ্গ পথৰ পৰা তেওঁৰ কাণলৈ ভাহি আহিছে নিপয়াস্ত বেবিলন নগৰীৰ অসহায় বালক বালিকা আৰু অপমানিতা নাৰীৰ ক্রন্দন। বন্দী যুজাকৰ নিষ্ফল আক্রোশ আৰু মৃত্যুৰ চীৎকাৰ। সন্মিলিত মানৱকণ্ঠৰ ব্যাকুল হাহাকাৰ!

ওমৰৰ চাঁত কৰে পুনৰ চাকিৰ কথা মনত পৰিল। কি শুনিলে বাৰু এইবোৰ! অতীত মৰিল—বিস্মৃতিৰ অন্তৰালত শেষ হৈ গ'ল। তেনেহ'লে কি? মনৰ মৰুভূমিত মৃগতৃষ্ণা।

নিজে নিজেই এবাৰ তেওঁ হাহিলে। তাৰ পিচত উঠিল। অলপ দূৰত ধ্বংসাৱশেষৰ দাতিত চন্তৰী নিয়োগ কৰা হৈছে। আৰু তাৰ পৰাই জুন জুন জুন জুন দুম দুম দুম দাম বাজনাৰ শব্দ ভাহি আহিছে। ওমৰ সেই ফালৈকে যাব'লৈ ধৰিলে।

ভগাছিগা অট্টালিকা এটাৰ মাজৰ এটা আহল বহল কুঠৰীৰ মজিয়াখন পৰিষ্কাৰ কৰি বেৰবোৰত প'দা ওলমাই দিয়া হৈছে। মাজলৰ এলানি খটখটিৰ ওপৰত গালিচা পাৰি বহিবলৈ আসন পাৰি দিয়া হৈছে। মজিয়াত নাচ চলিছে এটা অঘৰী নাচনিয়াৰ দলৰ। ওপৰৰ আসনৰ পৰা শাহানশা বাদশাহে তাকে উপভোগ কৰি স্ফুৰ্ত্তিত মচগুল হৈ আছে। দিনটোৰ যিখিনি সময় মালিক শাহে চিকাৰ কৰি নকটায় সেইখিনি সময় এইদৰে নাচগান আৰু যাদুৰ খেল উপভোগ কৰি কটাই দিয়।

ওমৰক দেখিয়েই চুলতানে কাষলৈ মাতিলে ওমৰ আহা ইহতৰ নাচ চোৱাহি মোৰ লগত। বাদশাহৰ সোফালে ওমৰৰ কাৰণে এখন আসন ঠিক কৰি দিয়া হ'ল। তলৰ মজিয়াত অঘৰীদলৰ নাচ তেতিয়া পূৰ্ণোদ্যমে চলিছে। অঘৰীদলৰ মুখিয়ালটোৰ ডিঙিত আৰু ভৰিত হৰেকৰকমৰ জুনুকা জনজনাই বাজিছিল নাচোনৰ চেৰে চেৰে। ককালত বান্ধি লোৱা এটা সৰু ঢোলত সি আঙুলিৰে দ্রুততাল বোল তুলিছিল। নাচোনৰ একোটা পাকত তাৰ মূৰৰ দীঘল আউল-বাউল চুলি ছল্লাকাৰে ঘূৰিবলৈ ধৰিছিল।

হঠাতে এবাৰ নাচ এৰি এই মুখীয়াল অঘৰীটো ওমৰৰ আগত আঠ লৈ হাত এখন আগবঢ়াই দিলে বকচিচ বিচাৰি। ওলমি থকা বিশ ওখল চলিৰ মাজেদি তিৰবিৰ কৰি থকা এহাল ধূর্ত চকুৰে সি ওমৰৰ ফালে চাই থাকিল। ওমৰে এটা মোহৰ দলি মাৰি দিলে। নিপুণভাৱে মুদ্রাটো আঙুলিৰ মূৰত এবাৰ ঘৰাই ল'লে সি।

মই যাদুকৰ—মই শিলৰৰষণ দিয়াব পাৰো বৰফ-ধুমুহা আনিব পাৰো। মই আনকি আপোনাৰ মনৰ ভাব এতিয়া কি সেইটোও ক'ব পাৰো।

তেনেহলে তই প্রকৃততে ডাঙৰ যাদুকৰ। ওমৰে মিচিকিয়াই হাহি ক'লে

মইতো ডাঙৰ যাদুকৰ ঠিকেই। অন্ততঃ আপোনাতকৈ ডাঙৰ। বৰ্ত্তমান আপোনাৰ মনৰ ভাব হৈছে এই যে মই এটা অতি হীন নীচ বদমাচ মানুহ। তাৰ ধূর্ত চকুত এটা স্থিৰ ধ্রুৱ দৃষ্টি। চুলতান মালিকশ্বাহে তাৰ ফালে কৌতুহলেৰে চাই আছিল।

এতিয়া মোৰ মনৰ কথা কওক খাজা ওমৰ। কওক মই এই ঘৰটোৰ পৰা এতিয়া কোনপিনে ওলাই যাম। দেখিছেই ইয়াত চাৰিখন দুৱাৰ আছে পূব পশ্চিম উত্তৰ দক্ষিণ। কওক মই কোন পিনে ওলাই যাম। হে জ্ঞানৰ দাপোণ আপুনিতো সকলো কথাই জানে।

ওমৰে ডাঙৰকৈ হাহিৰ খজিও থমক খাই ৰ'ল। মালিকশ্বাহৰ ফালে এবাৰ চায়েই তেওঁ বুজিব পাৰিলে যে চলতানে খুব ব্যগ্র হৈ তেওঁ কি ক'ব তালৈ বাট চাই আছে। চকুত অপাৰ কৌতুহল আৰু আগ্রহ। যেন ওমৰ আৰু এই বেতমিজ অঘৰী দুটা পকা তৰোৱাল খেলাৰু চুলতানৰ আগত খেল দেখুৱাবৰ বাবে থিয় হৈছে।

অৱশেষত ওমৰে ক'লে সেইটোতো এটা সাধাৰণ কথা—"

মানুহে কয় যে মুনাজ্জিম ওমৰৰ বহুত শক্তি। এতিয়া তেওঁ কওকচোন কোনগিনে মই যাম।

কেউফালৰ মানুহবোৰ কাষ চাপি আহিল। সকলোৰে চকুৱে মুখে অপাৰ কৌতুহল। মালিকখাহে ব্যগ্রভাৱে কি হয় চাবলৈ বাট চাই আছিল। ওমৰে ক বলৈ চেষ্টা কৰিছিল যে জ্যোতিবিদ্যা আৰু এইবোৰ কুৰ কুৰী বাজী একে কথা নহয়। কিন্তু চুলতানৰ ফালে চাই তেওঁৰ মুখৰ মাত হৰিল। চুলতানৰ দৃঢ়বিশ্বাস যে ওমৰে মানুহৰ মনৰ ভাব অন্তৰতো গম পায়। এই অন্ধবিশ্বাস অচল অটল।

ওমৰে বুজিলে যে এই অঘৰী বদমাচ শত্রুপক্ষৰ চৰ। তেওঁক ফান্দত পেলাবলৈ মন কৰিছে। তেওঁৰ মন তিতা লাগি গ ল। তথাপি এই চয়তানিৰ উত্তৰ দিবই লাগিব। কৌশলৰ উত্তৰ কৌশলেৰে। নহলে ৰজাই তেওঁৰ এই পৰাজয়ৰ কথা কাহানিও নেপাহৰিব।

তেওঁৰ নিৰ্দ্দেশতে এজন কেৰাণীয়ে কাগজ কলম আনি দিলে। ওমৰে কলমটো হাতত লৈ অলপ ভাবিবলৈ ধৰিলে। এই চয়তানি কৌশলক পৰাস্ত কৰিব লাগিব অন্য এটা কৌশলেৰে। কোনো মতে অনুমানটো যদি সঠিক হয়। চাৰিখন দুৱাৰ আছে ঠিকেই। প্রত্যেকখন পৰিষ্কাৰকৈ দেখা গৈছে। প্রত্যেকখনতে বশাধাৰী চিপাহী আছে। কিন্তু ই অঘৰীয়ে কোনখন দুৱাৰেদি বুলি এবাৰো কোৱা নাই। প্রত্যেক বাৰ কৈ আছে কোনগিনে যাব।

ওমৰে কাগজত কেইটামান শব্দ লিখিলে। অঘৰীয়ে যদি সাথৰ কৰ পাৰে তেন্তে তেৱো পাৰে। চুলতানৰ অনুমতি লৈ তেওঁ কেই খোজমান নামি মাৰ্ব লৰ পাত এচটাৰ চুক এটা ডাঙি কাগজখন ভাজ কৰি তাত সুমাই থ লে। তাৰ পিচত ঘৰি আহি নিজৰ ঠাইত বহি হুকুম দিলে বাৰু যা এতিয়া কেনি যাব।

অঘৰীৰ ধূর্ত্ত চকুহাল জ্বলি উঠিল। সি প্রথমতে পূবৰ দুৱাৰৰ ফালে চোচা ল লে। খোজে পতি তাৰ গাৰ জুনুকাবোৰ জন জনাই ৰাজিবলৈ ধৰিলে। কিন্তু পূবৰ দুৱাৰৰ ওচৰ পায়েই হঠাতে সি উল্লাসত এটা চিৎকাৰ মাৰি মাৰি বেৰৰ ফালে গতি কৰিলে। বেৰত ওলমি থকা দামী দামাস্কচী পৰ্দ াবোৰ দুই হাতেৰে আতৰাই সি এখন সৰু গুপ্ত দুৱাৰ আবিষ্কাৰ কৰিলে। তাৰ পিচত মই এই দুৱাৰেদিহে

যাম' বুজি চিকুবি কৈ ওলাই গল।

পন্দাবোৰ পুনৰ নিজৰ ঠাইলৈ আহি সকু দুৱাৰখন ঢাকি ধৰিলে। দশক মণ্ডলীৰ মুখৰ পৰা বিস্ময়ৰ অস্ফুট শব্দ উঠিল। চুলতানে কেৰাণীজনক মাৰবলৰ তলৰ পৰা ওমৰে থোৱা কাগজখন আনিবলৈ ক'লে।

চুলতানে লাহে লাহে কাগজখনৰ ভাজবোৰ খুলিবলৈ ধৰোতে সকলোৰে মুখত উৎকণ্ঠা। তাৰ পিচত তেওঁ কাগজখনত লিখা কথাখিনি পঢ়ি ভয়ানক আচৰিত হৈ উঠিল। ওমৰৰ কাগজখনত লিখা আছে—

পঞ্চম দুৱাৰেদি।

ইয়াহ আল্লা! ওমৰ—জকৰ তুমি মানুহৰ মনৰ ভাব বুজিব পাৰা। চাবাচ!

ওমৰে মাত্ৰ অনুমান কৰিছিল যে চাৰিখন দুৱাৰৰ কথা অঘৰীয়ে বাৰে বাৰে কৈ আছিল। কেনেবাকৈ যদি সি যাব খোজা দুৱাৰখন তেওঁৰ অনুমানত ধৰা পৰি যায় তেন্তেতো সি নিগমে মৰিল। গতিকে ষ ত জীৱন মৰণৰ কথা তাত অঘৰীয়ে বিপদৰ সম্ভাৱনা বাখি কোনো কাম নকৰে। সি নিশ্চয় অন্য এখন দুৱাৰৰ কথা জানে। নহলে ইমান দম্ভ কৰিবলৈ সাহ নকৰে।

কিন্তু মালিকশ্বাহ খুব খুচী। তেওঁ হাউলি মুনাজ্জিম চাহেবৰ পিঠিত চপৰিয়াই তাৰিফ কৰিলে। চুলতানৰ আদেশত এজন কেৰাণীয়ে সোনৰ টুকুৰাৰে ওমৰৰ মুখ ওপোচাই দিলে।

তাৰ পিচত চলতানে অ দে। দিলে যে সেই বদমাচ অঘৰীক ধৰি আনি তাৰ মুখেৰে বালি ভৰাই থাকিব লাগে। যেতিয়ালৈকে তাৰ পেট ভৰি নাযায়।

সি সদৰ ই মুনাজ্জিমৰ লগত ফেৰ পাতে! তাৰ বেয়াদবিৰ সীমা চেৰাই গৈছিলগৈ।

চুলতানৰ আদেশ পালন কৰিবলৈ কেইজনমান সৈন্য লগে লগে লৰ ধৰিলে। তাৰ পিচত ওমৰ যাবলৈ উঠিল। পিচে পিচে বিজয় গৰ্ব্বে বাদশ্বাহৰ পৰা পৰস্কাৰ পোৱা সোনৰ মোহৰবোৰ এখন থালত তুলি লৈ তেওঁৰ এটা বান্দা।

অলপ দূৰ গৈয়ে ওমৰে বহুত মানুহ গোট খাই থকা দেখিলে। সেই অঘৰীটোক দুটা সৈন্যই ধৰি আছে। তৃতীয় এটাই এখন কটাৰীৰে তাৰ মুখখন মেলি ধৰিছে। চতুথ এটাই এটা থৈলাৰ পৰা

মুঠিয়ে মুঠিয়ে ৰালি লৈ তাৰ মুখত ভৰাবলৈ আৰম্ভ কৰিছে। মানুহটোৰ ওঠ ফাটি তেজ ওলাইছিল। মাজে মাজে মানুহটোৱে যন্ত্ৰণাত ভয়ানক ভাবে গোঙাৰলৈ ধৰে। তাৰ মুখ ক'লা পৰি গৈছিল।

ওমৰে মুখ ঘুৰাই ল'লে। তেওঁৰ সেই দৃশ্য সহ্য নহৈছিল। নগৰ চাকৰটোৱে হ লে উভতি উভতি চাই দৃশ্যটো উপভোগ কৰিছিল।

লাহে লাহে সৰু সৰু কিছুমান ঘটনাৰ পৰা ওমৰে এটা কথা ভালদৰে বুজি পালে যে দূৰৰ পৰাই নিজাম-উল মুল্কে তেওঁৰ ওপৰত সতৰ্ক দৃষ্টি ৰাখিছে। তাৰ পিচৰ পৰা তেনে কোনো বদমাইচ যাদুকৰ ওমৰৰ কাষ চাপিবলৈ নোপোৱা হ ল। মাজে মাজে নিজামৰ চৰিয়া পৰীয়া আহি তেওঁ তদ্ভূত অকলে থাকোতে আহি লগ ধৰেহি। ৰাত্ৰিখ চমৰখন্দ নিচাপুৰৰ হৰেকৰকম খা-খবৰ কেচ্ছা-কাহিনী শুনাই তেওঁক বাদশাহী কাম্য-কল্পাপৰ বিষয়ে ওৱাকিবহাল কৰি ৰাখে।

মাজে মাজে খোদ নিজাম-উল-মুল্কৰ পৰা পত্ৰ সন্দেশ পায়। সেই বিলাকত নিজামৰ পৰিকল্পনা আৰু কম পদ্ধতি সম্পৰ্কে মোটামোটি আভাস দিয়া থাকে। আৰু ওমৰৰ প্ৰতি নানা পৰামৰ্শ আৰু নিৰ্দেশ আহে। ওমৰে ভালদৰে বুজি পালে যে চুলতান মালিকশ্বাহে পশ্চিমৰ ফালে আৰু ৰাজ্যবিস্তাৰ কৰাটোকে নিজামে কামনা কৰে। এইদৰে যুদ্ধ কৰি পবিত্ৰ নগৰী জেৰুজালেম সাম্ৰাজ্যৰ অন্তভূক্ত কৰিব লাগে। ইতিমধ্যেই বাগ্দাদৰ খলিফাৰ স্বীকৃত যোদ্ধা হিচাবে মালিকশ্বাহ মানুহৰ মনত প্ৰতিষ্ঠিত হৈছে। অলকুদ মক্কা আৰু মদিনা নগৰী ইতিমধ্যে চেলজুক তুৰ্কী সাম্ৰাজ্যৰ ভিতৰুৱা হৈছে। মিছৰৰ বদৰখত খলিফাৰ পৰা জেৰুজালেম ল ব পাৰিলেই ৰব দৰকাৰী কাম্য এটা সাধন কৰা হয়।

একেই কাৰণতে মালিকশ্বাহে উত্তৰফালে বিধৰ্ম্মী বাইজেণ্টাইন বিলাকৰ বিৰুদ্ধেও যুদ্ধ যাত্ৰা কৰিব লাগে। যেতিয়ালৈকে চুলতানৰ যুদ্ধ জেহাদ বা ধৰ্ম্মযুদ্ধ বুলি মানুহে বুজি থাকিব তেতিয়ালৈকে চুলতানৰ সৈন্য শিবিৰত সৈন্যৰ নাটনি নহয়। ইতিমধ্যে ষ্টেপচৰ তৃণভূমিৰ পৰা অহা জাক জাক তুৰ্কী অশ্বাৰোহী নিজামে চুলতানৰ বাহিনীত যোগ দিবলৈ পঠাইছেই।

এক অপূৰ্ব্ব বিচক্ষণতাৰে নিজামে বিপুল এই চেলজুক সাম্ৰাজ্যৰ শুৰি ধৰিছে। নিজামৰ আচনিত কোনো খুত নাই। সুনিপুণ হাতেৰে পৃথিবীৰ বৃহত্তম এখন সাম্ৰাজ্যৰ দীঘবাণি লি নিজামে ইটোৰ পিচত

সিটোকৈ পৰিকল্পনা কৰি গৈছে। ওমৰৰ কাম হৈছে নিজামৰ নিৰ্দেশ আখৰে আখৰে পালন কৰা।

সেইবাবে যেতিয়া মালিকশ্বাহে জেৰুজালেমলৈ যুদ্ধযাত্রা কৰাৰ কাৰণে উপযুক্ত সময় হৈছেনে নাই বুলি প্ৰশ্ন কৰিলে তেতিয়া ওমৰে অকনো দ্বিধাবোধ নকৰাকৈ উত্তৰ দিলে যে সেইমাহেই উপযুক্ত সময়। কাৰণ মঙ্গলৰ ক্ষেত্ৰত শুভচিহ্ন দেখা গৈছে। মালিকশ্বাহে কথাটো জানিছিলেই। সেই কথা সচা। যুদ্ধৰ সকলো সম্ভাৱনাৰ কথা চিন্তা কৰি চালেও সেই কথা জ্বল জ্বল পট পটকৈ ওলাই আছে। তথাপি ওমৰে যদি ক্ষণ মিলা নাই বা যাত্ৰা অশুভ বুলি মতামত দিলেহেতেন তেন্তে চুলতানে নিজৰ আচনি সলনি কৰিলেহেতেন। চুলতানৰ জ্যোতিষৰ ওপৰত আস্থা ইমানেই বেছি।

চুলতানৰ সৈন্যই তেতিয়া শিবিৰ পাতিছিল এলেপ্পোৰ লাল উপত্যকাত। ওমৰো জেৰুজালেমৰ যুদ্ধলৈ যাবলগা সৈন্যদলৰ লগত যাবলৈ ওলাল। ওমৰৰ ইচ্ছা আছিল পশ্চিম সাগৰৰ পাৰলৈকে যোৱা। কাৰণ ওমৰে তেতিয়ালৈকে সাগৰ দেখা নাছিল। তাৰ পৰা তেওঁৰ ইচ্ছা আছিল জেৰুজালেমত থকা জামে মচজিদলৈ যোৱা। কিন্তু সেই বুলি তেওঁ চুলতানৰ আগত কৈছিলহে। আচলতে তেওঁৰ উদ্দেশ্য আছিল চাকিৰ অনুসন্ধান কৰা।

ইয়াৰ মাজতে ওমৰে লগত গাভৰু পত্নী এজনী লৈ ফুৰা মেম্ফেদ নগৰৰ এজন কাপোৰৰ সদাগৰৰ খবৰ বিচাৰি সমগ্ৰ দেশখণ্ড চলাথ কৰি পেলাইছিল। তেওঁ এলেপ্পোৰ পৰা দক্ষিণে দামাস্কাচলৈ যোৱা মৰুপথ বোৰ দেখে। সেইবোৰ বাট চাহাৰাৰ তপত বালি ৰাশি পাৰ হৈ মিছৰ পাইছেগৈ। কোনে জানে হয়তো এইবোৰ মৰুপথৰ দাঁতিৰ কোনো তম্বু-কালাত কোনো চহৰ নগৰ জনপদত ওমৰৰ দৰদী প্ৰিয়াই তেওঁৰ অপেক্ষাত কালাতিপাত কৰিছে।

তুমি তেনেহ লে হজলৈ যাবা। ভাল কথা যোৱা। অলকুদ জেৰু জালেমৰ জামে মচজিদৰ মিহৰাবত নবাৰ চেজ দা কৰি মোৰ বাবেও নামাজ পঢ়িবা। ওমৰ সৈন্য বাহিনীৰ লগত জেৰুজালেমলৈ যোৱাৰ কথাত চুলতান মালিকশ্বাহে উৎসাহিত বোধ কৰিলে। চলতানৰ ভাব এই যে ওমৰ যেতিয়া নিজেই ঈশ্বৰৰ অকণমান পোহৰ পোৱা মানুহ তেওঁ এই অভিযানতে তেওঁৰ তীৰ্থযাত্ৰা শেষ কৰাটো এটা

শুভলক্ষণ। কিন্তু ওমৰ আতৰি থকা দিন বিলাকত চলিবৰ কাৰণে তেওঁ শুভ আৰু অশুভ দিনবোৰৰ এখন তালিকা কৰাই লৈ লে। মঙ্গল শনি আৰু বৃহস্পতিৰ ক্ষেত্ৰত মালিকস্থাহৰ জন্ম। গতিকে এতিয়া গৌৰবজনক ঘটনা ঘটাৰ সম্ভাৱনা আছে। মালিকস্থাহে এজন পালি সেনাপতিক ওমৰৰ গা ৰখীয়াৰ ভাৰ দিলে। নিজৰ গা-ৰখীয়া সেনা-বাহিনীৰ পৰা বাচি বাচি বাৰটা চোৱাৰী সৈন্য দিলে। আৰু দিলে এখন বাদশ্বাহী পতাকা। পালি সেনাপতিক তেওঁ হুকুম দিলে যে শয়নে সচিতে যাতে ওমৰক অন্ততঃ দুজন সৈন্যৰ দৃষ্টিৰ ভিতৰত ৰাখে। সেই কাৰণে ওমৰ যলৈকেই নেযাওক মাতবোল নকৰাকৈ তাল বেতালৰ দৰে দুজন কাঁড়ী সৈন্য লগত যাবই। পালি সেনাপতিয়ে তেওঁৰ বাৰজন সৈন্যক এটা সু সংবাদ প্ৰথমেই দি দিছিল যে যি জনৰ চকুৱে যি মুহূৰ্ততে ওমৰৰ সন্ধান হেকৰাব সেইজনৰ হাতে সেই মুহূৰ্তৰ পৰাই কান্ধৰ ওপৰত নিজৰ মূৰটো বিচাৰি নেপাব। একেবাৰে গদ্দান লৈ টনাটনি বাবে সৈন্যহতক খুব কমতৎপৰ দেখা গ ল।

ওমৰে অনুচৰহতক প্ৰথমৰ পৰাই আচৰিত কৰিবলৈ ধৰিলে। অনাই বনাই ফুৰি মাজে মাজে এনেকুৱা কিছুমান অলি গলি পথ-উপপথত তেওঁ আহি উপস্থিত হয় যে বেচেৰা চিপাহীহতে আগতে সেই কথা কল্পনাও কৰিব নোৱাৰে। প্ৰথমতে দামাস্কাচৰ বজাৰ বিপনি পন্যশালা আৰু পান্থশালাবিলাকত তেওঁ অনুসন্ধান কৰিলে। তাৰ পিচত অগণন পাইন গছেৰে সুশোভিত লেবাননৰ চিৰ সেউজীয়া অধিত্যকা পাৰ হৈ তুষাৰ কিৰীটি ধাৰী সুউচ্চ হাৰ মন পৰ্ব ত পালেগৈ। সেই পৰ্ব তৰ পদতলত দিগন্তজোৰা সাগৰ।

সাগৰৰ বালিচৰৰ ওপৰত লনীয়া চেচা বতাহ সৰ্ব শৰীৰৰ চম্ম চেতনাৰে অনুভব কৰি কৰি উত্তাল তৰঙ্গ মালাই বালিৰ ওপৰত সৃষ্টি কৰা সামুদ্রিক জাৰৰ-জোখৰৰ একা বেকা ৰেখাৰ মাজত প্ৰবল কৌতুহলেৰে ওমৰে কিবা বিচাৰি ফুৰিছিল। বহু ৰঙৰ বহু ধৰণৰ শামুক বিশাল সাগৰপৃষ্ঠত ভাসমান বহুবিধৰ বহু আকৃতিৰ নানা বস্তু।

এইখন বৰি দৰিয়া। বৃহৎ সাগৰ। এই সাগৰৰ ওপৰেদিয়েই প্ৰাচীন কালত গ্ৰীক আৰু ৰোমান নাবিকবোৰ আহিছিল সিহতৰ পালতৰা জাহাজত উঠি। এই সাগৰৰ পাৰে পাৰে অনেক মাৰ্ক লৰ বন্দৰৰ ভগ্নাৱশেষ এতিয়াও দেখিবলৈ পোৱা যায়। এই বৰি দৰিয়াৰ

পাৰতে প্ৰাচীন টায়াৰ নগৰ। এই জলৰাশিৰ মাজতে শুই আছে জলমগ্ন চিডান নগৰ। ফাৰ্মেল পৰ্ব্বত ৰ ওপৰ ডিঙৰ পৰা দিগন্ত বিস্তৃত নীল সাগৰলৈ চাই চাই ওমৰে যেন সৌৰবন্তীৰ ধৰকিতাপঞ্চন পুনৰ পঢ়ি গেলাইছিল।

তাৰ পৰা নামি ওমৰ গেলিলীৰ বিষাদময় উপত্যকাত প্ৰবেশ কৰিলেগৈ। বহুত তলত গেলিলীৰ হ্ৰদৰ পাৰত ভগ্নপ্ৰায় এটা ৰাজ প্ৰাসাদ। সেই ঠাইত বাস কৰে ইহুদী জাতিয়ে।

কিন্তু যেতিয়া আৰু আগবাঢ়িবলৈ ধৰি তেওঁ জেৰুজালেম অভিমুখে ঘোঁৰা চলালে তেতিয়া তেওঁলোক চিনাকি পৰিবেশৰ মাজত সোমাই পৰিল। চুলতানৰ সৈন্য বাহিনীয়ে ইতিমধ্যে জেৰুজালেম অধিকাৰ কৰি গাৱে নগৰে তেজৰ সোত বোৱাইছে। খুন ৰাহাজানি লঠতৰাজ পূৰ্ণোদ্যমে চলিছে। পকিৰ ধৰা শস্যক্ষেত্ৰ ঘোৰাৰ খুৰাৰ তলত নেফানেফ হৈ পৰিছে। গীজ্জা মঠ মন্দিৰবোৰ লট কৰি জুই লগাই দিয়া হৈছে। মাজে মাজে অত তত টুপী নিপিন্ধা মুনিহ আৰু ওৰণি নোলোৱা তিৰোতামানুহে কৰৰ খানিছে অস খ্য মৃতদেহ কৰৰ দিবলৈ।

ৰাজ আলিৰ ওপৰেদি দাস বিক্ৰেতা সদাগৰ বিলাকে শিকলিৰে বান্ধি জাক জাক দাস দাসী লৈ আহিছে দামাস্কচৰ বজাৰত বেচিবলৈ। অনেক তুৰ্কী সৈন্যৰে জেপ এতিয়া গৰম। যেনেকেই এটা হ লেও দাস বেপাৰীহতক বেচিবলৈ পাইছে। এতিয়া সমগ্ৰ ইৰাণ আৰু তুৰস্কৰ গাৱে ভূৱে এই দুভগীয়াবোৰ সিচৰতি হৈ পৰিব।

ওমৰ আহি ৰাদশ্বাহৰ সৈন্যাধ্যক্ষ আমিৰ আজিজৰ শিবিৰত ৰ বহি লগা হ ল। কাৰণ এইবাৰ পালি সেনাপতি আকোৱগোজ হৈ ৰহিল জেৰুজালেমৰ সিফালৰ দেশখণ্ড এতিয়াও ডালদৰে অধিকৃত হোৱা নাই। সেই ঠাইৰ মানহৰ শত্ৰুতাও বেছি। গতিকে ৰাতি অন্ততঃ আপুনি জেৰুজালেমৰ দেৱালৰ ভিতৰত থাকিবই লাগিব। ন হলে য তে ত তে এনেদৰে মস্ত কলন্দৰ হৈ ফুৰিলে জীৱনৰে আশঙ্কা। আৰু ঈশ্বৰে নকৰক—হজুৰৰ কিবা অনিষ্ট হ লে শ্বাহানশ্বা বাদশ্বাহে আমাক জন্নাদৰ হাতত দিবই দিব।

কিন্তু দিনত হ লে ওমৰে জেৰুজালেমৰ বাহিৰৰ মুছলমান এলেকাত ঘুৰি ফুৰিছিলগৈ। তাত খুন খাৰাবি একো নাই।

আক্সা মচজিদ ইতিমধ্য চুলতানৰ বাহিনীয়ে অধিকাৰ কৰিছিল।

ওমৰে গৈ পাই দেখিলে যে সৈন্যশিবিৰৰ মোল্লা মুৰাজিমবিলাকেৰে মচজিদ ঠাই খাই পৰিছে। ইমাম চাহেবে মিনাৰৰ পৰা বাগ্দাদৰ খলিফা আৰু চুলতান মালিকশ্বাহ উভয়ৰে নামত প্ৰাথনা কৰিছে। মিচৰৰ মৌলবীৰ দল পলাল। ওমৰো সেই মচজিদৰ ভিতৰ সোমাই পৰিল। আন্ধা মচজিদৰ বগা পাথৰৰ ওপৰত হাত থৈ প্ৰাথনা কৰিবলৈ আঠু কাঢ়িলে। অলকুদ মস্জাৰ কাবা মচজিদৰ কলা পাথৰৰ পাচতে এই বগা পাথৰ পবিত্ৰ।

নামাজৰ অন্তত ওমৰ উঠিল। লাহে লাহে তেওঁ মচজিদৰ দুৱাৰেদি ওলাই চিৰিৰে নামিবলৈ ধৰিলে।

বাহিৰৰ দুৱাৰেৰে পাৰ হৈ যাব ধৰোতে মাৰ্কলৰ স্তম্ভ এটাৰ কাষত থিয় হৈ থকা এজন মানুহে খুব নিম্নস্বৰে কলে বাৰকল্লাহ! ঈশ্বৰে কৃপা কৰক।

বাৰ কল্লাহ! কোন তুমি?

কিন্তু উভটি চাই ওমৰে দেখিলে এজন হজযাত্ৰী তেওঁৰ সম্মুখত থিয় হৈ আছে। এবাৰ চায়েই ওমৰে বুজি পালে যে হজযাত্ৰাৰ সহজ উদ্দেশ্য লৈ এই মানুহজন ইয়ালৈ অহা নাই। তওঁৰ ৰদে পোৰা ছালৰ তলত হাতৰ মাংসপেশীবোৰৰ প্ৰত্যেক অঙ্গী ভঙ্গীত চঞ্চলভাৱে আন্দোলিত হোৱা স্পষ্টভাৱে চকুত পৰিল ওমৰৰ। চকুত তীব্ৰ অন্তভেদী দৃষ্টি। ডিঙিটো মল্লযোদ্ধাৰ ডিঙিৰ দৰে কত আৰু বলিষ্ঠ। দেখিলেই বিপুল শাৰীৰিক শক্তিৰ অধিকাৰী বুলি ধাৰণা হয়। মানুহজন সম সলিয়াকৈ আৰবী ভাষাত কথা কৈছিল।

অলহাম দুলিল্লাহিৰ ৰহমান—খোদাতাল্লাক বহুত ধন্যবাদ যে খাজা ইমাম ওমৰক মই ইয়াত লগ পালো। খাজা চাহেব এই বগা পাথৰৰ গোল গম্বজৰ তলত অনেক চাবলগীয়া বস্তু আছে। চাব নেকি?

এই বুলি তেওঁ পুনৰ মচজিদৰ ভিতৰলৈ সোমাই গৈ বগা পাথৰৰ কাষত থিয় দিলেগৈ। লগে লগে অন্যান্য অনেক ভক্তও সোমাই গল। মানহজনে শিলৰ গাত থকা এটা চিহ্নৰ প্ৰতি আঙুলিয়াই কবলৈ ধৰিলে হে খোদাতাল্লাৰ ভক্তবৃন্দ এই যে পদচিহ্ন দেখিছে ই পয়গম্বৰ মহম্মদৰ ভৰিৰ দাগ। ইয়াতে ভৰি দি তেওঁ বেহেস্তলৈ উঠিছিল। আৰু শিলৰ দাতিয়ে দাতিয়ে এই যে সৰু সৰু গাতবোৰ দেখিছে এইবোৰ দেবদূত গেব্ৰিয়েলৰ হাতৰ দাগ। মহম্মদ

বচুলৰ লগতে এই পাথৰো স্বগলৈ উঠিব খোজোতে গেব্রিয়েলে এইদৰে তাক ধৰি ৰাখিছিল।

ভক্তবৃন্দৰ মাজত বিস্ময়ৰ অস্ফুট গুণগুণনি উঠিল। মানুহজনে পুনৰ কৈ গ ল তলত সৌযে গুহাটো দেখিছে তাতে ৰোজ কিয়ামতৰ দিনা সকলো জীৱ গোট খাব। বল ক।

তাতে থকা এজন মৌলবী চাহেবৰ অনুমতি লৈ মানুহজন ড় গভস্থ এটা গুহাৰ ভিতৰলৈ নামি গ ল। সেই গুহাৰ ওপৰতে বগা পাথৰৰ গম্বুজ। হাতৰ জ্বলি থকা মমৰ পোহৰত মানুহজনে নানা অলৌকিক ঘটনাৰ চিহ্ন দেখুৱালে। ওমৰৰ লগত যোৱা সৈন্যবিলাক আৰু অন্যান্য মানুহৰ কঠিন মুখবিলাকত ভয়ৰ চিহ্ন দেখা গ ল।

এনেতে ওমৰৰ কাণৰ কাষত এজন মানহে ফুচফুচাই ক লে আলা হজৰত এই অকণমান গুহাটোত একুৰিমান মানুহহে ধৰিব। তামাম দুনিয়াত তা বহত আত্মা আছে। সেই বাৰৰ কি হ ব?

ওমৰৰ মনৰ মাজেদি পলৰীয়া ভাব এটা খেলি গ ল। তাৰ মাজে যদি মানুহৰ আত্মা পৰমাণুতকৈও ক্ষুদ্রতৰ নহয় তেনেহলে বৰ মস্কিলৰ কথা হ ব।

কথা কোৱা মানুহজনৰ বিদ্রুপৰ নিম্নহাহি এটা ওমৰৰ কাণত পৰিলহি। লাল কাপতান পিন্ধা এজন মানহ।

ইতিমধ্যে ওমৰক পথ দেখুৱাই ফুৰা সেই আচৰিত মানুহজনে চিৰিৰে ওপৰলৈ উঠিবলৈ আৰম্ভ কৰিছিল।

এঠাইত এটা স্তম্ভৰ গাত সোণৰ পানী চৰোৱা আখৰেৰে লিখা এছোৱা শিলালিপি মানুহজনে দেখুৱালে। ওমৰে চাই বুজিলে সেয়া প্রাচীন কুফিক লিপি। ওমৰে পঢ়িবলৈ চেষ্টা কৰিও নোৱাৰিলে। মানুহজনে কিন্তু অনায়াসে পঢ়ি গ ল।

এক আল্লাৰ বাহিৰে অন্য কোনো ঈশ্বৰ নাই। তেওঁৰ কোনো অংশীদাৰ নাই। বিভাগ নাই। মেৰীৰ পুত্র যীশুও সেই ঈশ্বৰৰে নবী। গতিকে এক আল্লাহ আৰু তেওঁৰ নবীসকলৰ ওপৰত বিশ্বাস স্থাপন কৰা। এই কথা কৈ নুফুৰিবা যে ঈশ্বৰ তিনিজন। সহ্য কৰিবলৈ আৰম্ভ কৰা। তোমাৰ মঙ্গল হ ব।

হজৰত মহম্মদৰ প্রয়াণৰ পিচত এজন খলিফাই এইখিনি কথা ইয়াত সোণৰ আখৰেৰে লিখাইছিল। এই লিপি দেখিছে খুব কম মানুহে।

পড়িছে তাতকৈও কমে। কিন্তু বুজিছে কোনে? মানুহজন কলে।

মানুহজন এইবাৰ মচজিদৰ ভিতৰৰ পৰা ওলাই আহি ৰাজআলি উঠিলহি। তেওঁৰ পিচে পিচে ইতিমধ্যে ভালেমান মানুহ জমা হৈছিল। ওমৰে লক্ষ্য কৰিলে যে মানহজনৰ কথাকোৱাৰ এটা অদ্ভুত আকৰ্ষণীয় গুণ আছে। কণ্ঠস্বৰো অতিশয় গভীৰ আৰু পৰিষ্কাৰ। ওমৰৰ মানুহজনৰ প্ৰতি কৌতুহল জাগিল। তেওঁ মানুহজনৰ ওচৰ চাপি খোজ কাঢ়িবলৈ ধৰিলে। তেওঁ নানা বস্তু দেখুৱাই যাবলৈ ধৰিলে। এবাৰ পিচে পিচে আহি থকা মানহবিলাক পিচ পেলাই দুয়ো আগবাঢ়িল।

সৌযে প্ৰকাণ্ড তোৰণখনৰ ভগ্নাৱশেষ দেখিছে তাৰ ওপৰৰ পৰাই ৰোমান ৰাজপ্ৰতিনিধি কুখ্যাত পন্টিয়াচ পাইলেটে নাজাৰিণৰ যীশুৰ বিৰুদ্ধে অভিযোগ শুনিছিল আৰু সৈন্যহতৰ হাতত ক্ৰুচবিদ্ধ কৰিবলৈগ তাই দিছিল। সেই শিলচটাৰ খবৰ এতিয়াৰ খ্ৰীষ্টানসকলে নেজানে।

ওমৰে মাজতে এবাৰ সুধিলে তোমাৰ নাম কি? এই কথা নিঃসন্দেহে ক ব পাৰি যে তুমি হজযাত্ৰী নোহোৱা। যদিও হজযাত্ৰীৰ পোছাক পিন্ধিছা। এই দিদাৰুণ ৰাষ্ট্ৰ বিপ্লৱৰ কালত তুমি কিয় এইদৰে ফুৰিছা

অতি সহজভাৱে নিশ্চিন্ত মনে কোৱাৰ দৰে মানুহজনে উত্তৰ দিলে খাজা ওমৰ মোৰ নাম হাচান ইবন চাবাহ। আপুনি মোৰ নাম আগতে নিশ্চয় শুনিছে।

ওমৰে মুৰ দুপিয়ালে। নিচাপুৰ বালখ মেশ্বেদ এলেপ্পো য লৈকে গৈছে তাতে ওমৰে এই নাম শুনিছে! সাধাৰণ মানুহৰ মুখত নহয়। শুনিছে নিজামৰ চোৰাংচোৱাৰ মুখত। শুনিছে এই নামৰ মানুহ এজনে ৰহস্যময়ভাৱে এটা নতুন ধৰ্মমত প্ৰচাৰ কৰিছে। উলেমাৰ কৰ্ণধাৰ– সকল এই মানুহজনৰ কাৰ্য্যকলাপত বিতুষ্ট। কিন্তু মুকলিকৈ কোনেও তেওঁৰ বিষয়ে আলোচনা কৰিব নোখোজে। ওমৰৰ এইবোৰ কথাৰ প্ৰতি আজিলৈকে ধনিষ্ঠামানো আগ্ৰহ হোৱা নাছিল। সাধাৰণতেই ধৰ্ম সম্বন্ধীয়া যিকোনো তৰ্কবাদৰ পৰা ওমৰ আতৰি থাকে। আজি কিন্তু মানুহজনক মুখামুখি লগ পাই ওমৰ অলপ বিস্মিত হ'ল। কিন্তু মুখত অলপো বিস্ময়ৰ ভাব নেদেখুৱাই ওমৰে ক'লে মই আৰু এই মানুহবোৰ আজা মচজিদ চাবলৈ আহিছো কাৰণ ইয়াৰ আগতে

ইয়াৰে অহাৰ সৌভাগ্য আমাৰ হোৱা নাছিল। কিন্তু তুমি ইয়াৰ সকলো কথা ইমান সুন্দৰকৈ জানা যে বুজিবই পাৰি ইয়াৰে আগতে বহুবাৰ আহিছা। তুমি কিয় এইদৰে ফুৰিছা?

পনৰ সহজভাৱেই মানুহজনে উত্তৰ দিলে আজি আহিলো কেৱল আপোনাক এবাৰ দেখা পাম বুলি খাজা ওমৰ।

তোমাৰ উদ্দেশ্য কি বাৰু? ওমৰে সুধিলে।

মুনাজ্জিম চাহেব জ্ঞান জগতত আপোনাৰ যি পোহৰ সম্প্ৰতি প্ৰকাশ পাইছে তাৰ আকষণতে মই আপোনাৰ ওচৰ চাপি ছা। খাজা চাহেব আপুনি সত্যৰ সন্ধান কৰিছে কিন্তু আপুনি সেই সত্য এই মুখৰ পৃথিৱীত কেতিয়াও প্ৰতিষ্ঠা কৰিব নোৱাৰিব। আপোনাৰ মোল বুজোতা কোনো নাই।

ওমৰে একো নেমাতিলে। এই মানুহটোৰ কথাবোৰ তৰোৱালৰ খোচৰ দৰে তীব্ৰ আৰু মাৰাত্মক।

অ ত ত ত মানহৰ মৰাশ এতিয়াও পৰি আছিল। পৰী দালানবোৰ ভাগি ইটা পাথৰ স্তূপীকৃত হৈ থকা আলিবাটৰ দুয়ো কাষে দেখা গৈছিল। নপৰি থিয় হৈ থকা ঘৰবিলাকৰো সৰহভাগেই জুই লাগি পোৰা আৰু ধোৱা লাগি ক লা হোৱা। বাঠৰ দুৱাৰ খিৰিকীত লাগি থকা দুদাল এদাল কাড় পকা মজিয়াত গোট মাৰি ক লা হোৱা তেজৰ দাগ। পবিত্ৰ নগৰী জেৰুজালেমৰ ওপৰেদি যেন ধ্বংস দত এস্ৰাফিলে এবাৰ নিষ্ঠুৰ লৌহ পৰশেৰে হাত বুলাই গ ল

জাকে জাকে ইহুদী নৰনাৰী পাৰ হৈ গৈছিল। সিহতৰ চকুত ত্ৰাসৰ চিন। মুখত নিদাৰুণ হতাশা। নিষ্ফল আক্ৰোশত মতাবোৰে তলমূৰ কৰে। হাচানে এবাৰ হাহিলে জেৰুজালেম নগৰীৰ ভাগ্যই এনেকুৱা। জেৰুজালেমৰ জীৱনত এই ধৰ ৰ আক্ৰম। এয়ে প্ৰথম নহয়। চুলতান বাদশাহৰ সৈন্য আহি বাৰে বাৰে জেৰুজালেমৰ কিল্লা ভাঙি পেলায়। ইয়াৰ বাসিন্দা বিলাকক হত্যা কৰে বা দাস দাসী কৰি লৈ যায়। মহম্মদ ৰচুলৰ জীৱন কালতে পাৰশ্যৰ সম্ৰাট খুশ্ৰুয়ে ইয়াক ধ্বংস কৰে। তাৰ পিচত ৰোমাণ সম্ৰাট হিপক্লিটাচে ইয়াক অধিকাৰ কৰিলে। কিন্তু এতিয়ালৈকে কোনো ৰজাই ইয়াক স্থায়ীভাৱে দখল কৰিব পৰা নাই। আমাৰ খলিফা এই ৰাজ্যলৈ আহিছিল বন্ধুৰ দৰে তৰোৱাল লৈ নহয়। তেওঁ আহি বাট-পথ পৰিষ্কাৰ কৰিলে।

আয়া মচজিদৰ গোল গম্বুজ থিয় কৰিলে। পুৰণি ডেম্ভিদ আৰু চলামনৰ দিনৰ কীৰ্ত্তিসমূহ যিমান পাৰে পুনৰুদ্ধাৰ কৰিলে। কিন্তু এতিয়া আকৌ এই ৰাজ্যলোভী তুৰানী বাদশাহৰ সৈন্য আহি লটপাত কৰি তেজৰ নৈ বোৱালে। কিন্তু ঠিক জানিব খাজা ওমৰ—এই তুৰানী ৰাজ ইয়াৰ পৰা এদিন যাবই যাব। সিহতৰ নতুন কোনোবা দুচমন আহি সিহতক পৰাজিত কৰিব।

ওমৰে ভাবিবলৈ আৰম্ভ কৰিছিল। নিজাম বহু দৰত। সিচাপুৰৰ ৰাজাতত ৰহি তেও সাম্ৰাজ্যৰ মায়াজাল গোঠাত ব্যস্ত। মালিকশ্বাহ এতিয়া ফোৰাচ তীৰ পাৰত মৃগয়াত ব্যস্ত। তেওলাৰৰ কোনোৱেই এই বিষণ্ণ ইহুদীদেৰ ধ্বংসলীলা দেখা নাই। কিন্তু এই যে অন্তহীন ৰক্তপাত অত্যাচাৰ লুটপাত আৰু ধ্বংস—এইবোৰোতো বাস্তৱ।

ওমৰৰ হাচানৰ সুধিবলৈ মন গৈছিল যে সমগ্ৰ ইৰাণ আৰু তুৰাণৰ একছত্ৰ অধিপতি গিতি চিত্ৰণ মালিকশ্বাহ বাদশা—যাৰ আগুলিৰ ধাৰত লাখ লাখ চিপাহী চোৱাৰী তাজী ঘোৰাৰ দৰে চক্কৰ দিয়ে এই বিস্তৃত তেওঁৰ পৰাজয় বা বোন সেইবোৰ। কিন্তু তেও নুসুধিলে। তাৰ উত্তৰ তেওঁ গিদই জনা। ওবাধাজ ইয়াৰ পৰা যাবই লাগিব। ইয়াত আন কে কোনো গাস্তিৰে খাৰি নোবাৰিলে। এজনা মাত্ৰ ঈশ্বৰ আছে। তেওঁতে শ্ৰেষ্ঠ কোনো নাই। ঈশ্বৰ আৰু তেওঁৰ ৰাসূলত বিশ্বাস স্থাপন কৰা। তেওঁ নুফৰিবা যে ঈশ্বৰ চিনিজনা। চিন্তাধাৰৰও হোদিত এই স্বৰ্ণগিপি মাটি চলিবলৈ নাৰো আজৰি নাই।

খাজা ওমৰ ইহুদীহঁত বিশ্বাস কৰে সিহতৰ থেহোতা। খ্ৰীষ্টানহঁত বিশ্বাস কৰে এ। ভগবানৰ আৰু আমি আল্লাক।

ওমৰ মনে মনে খাগিল। হাচান তেওঁৰ ফালে এবেথবে চাই আছিল। কিন্তু তেওঁৰ চকুত কোনো প্ৰশ্নৰ চিহ্নমাত্ৰও নাছিল। ওমৰে উজ্জ্বল চকুৰে এবাৰ তেওঁলৈ চালে ওমৰৰ মনত হাচানলৈ অলপ শ্ৰদ্ধা জাগিল। এই তীক্ষ্ণধী মানুহজনে অহসাৰে আগুৱা। কিন্তু কৰণীয়া কথা ইয়াৰ ঢেৰ আছে। ওমৰে মিচিকিয়াই হাঁহি কলে হাচান ইবন চাবাহ হেয়ে এটাই বাৰ মানহৰ ধাৰণা। চন্দ্ৰ সূৰ্য্য আৰ এই বিশাল পৃথিবীৰ মালিকশ্বাহ মানুহে তিনিটা বিন্দুত বন্দী কৰিছে।

হাচানৰ চকুহাল দপ কৰে জ্বলি উঠিল। বাগ্ৰভাৱে কলে আৰু যদি মানুহে বুজে যে আল্লাতকৈও শ্ৰেষ্ঠ কোনোবা আছে তেন্তে—

তেওঁ হঠাৎ কথা বন্ধ কৰিলে। লাল কাফতান পিন্ধা মানুহজন আহি ওমৰৰ পিচফালে থিয় দিছিলহি।

হাচান তোমাৰ লগত মোৰ পুনৰ কেতিয়া সাক্ষাৎ হ ব?

যেতিয়াই আপোনাৰ প্ৰয়োজন হয় খাজা ওমৰ।

তোমাক মোৰ কি প্ৰয়োজন হ ব পাৰে বাৰু?

সেই কথা এতিয়াও ভবিষ্যতৰ গভত।

হাচা ন উত্তৰ দিলে।

আঠাইশ

দিনত হ লে প্রখৰ সূয্যৰ তাপত ধৰণীৰ ডেই পুৰি যোৱা অৱস্থা। শুকান মৰুপথ। তাম ৰৰণীয়া আকাশৰ ৰঙ। উত্ত ত নিষ্করুণ রুক্ষ ৰতাহৰ সো-সোৱনি। কিন্তু আবেলি প চিম আকাশত দূৰণিৰ কোহ কামেল পৰ্ব্ব তমালাৰ সিপাৰে এটা অগ্নিকুণ্ড যেন ৰক্তবর্ণ মৰুসূয্য লাহে লাহে ডৰ যোৱাৰ পাচত প্রগাঢ় শান্তি নামি আহে। মৃতপ্রায় পৃথিৱীয়ে যেন স্বস্তিৰ এক নিশ্বাস পেলায়। লাহে লাহে এন্ধাৰ নামিবলৈ ধৰে। গীজ্জাৰ পৰা ঘন্টাৰ ধ্বনি আৰু মচজিদৰ পৰা আৰবী কণ্ঠৰ আজানৰ শব্দ ভাহি আহে। তাৰ আগে আগে মৰুভূমিৰ পথ জনশূন্য হৈ যায়। দুর্গৰ দুজ্জৰ লোহাৰ তোৰণ বন্ধ হয়। সদ্য লুণ্ঠিতা জেৰুজালেম নগৰী পুনৰ শত ব্যথাৰ মাজত এৰাতিলৈ তন্দ্রাত নিমগ্ন হয়।

বাদশ্বাহৰ সেনাপতি আমীৰ আজিজৰ িবিৰৰ ভিতৰৰ এটা ঘৰত ওমৰে থাকিবলৈ লৈছিল। দুৱাৰৰ বাহিৰত দণ্ডায়মান ছয়জন সশস্ত্র প্রহৰী। ওমৰে মৌ সিতাৰ দুদাল মমৰ পোহৰত কিবা লিখি আছিল। তাকিয়াৰ ওপৰত ভেজা দি বহি চাপৰ পিৰাৰ ওপৰত লিখা পঢ়া কৰা ওমৰৰ অভ্যাস।

প্রহৰৰ পাছত প্রহৰ পাৰ হৈ যায়। ৰাতি গভীৰৰ পৰা গভীৰতৰ হৈ আহে। তথাপি ওমৰৰ এ ক্ষেপ নাই। মাজে মাজে পাখি কলমদাল থৈ হাত দুখন জোৰে জোৰে কেইবাৰমান মেলি দি পুনৰ তেজ চলাচল কৰাই লয়। কেতিয়াবা পোন হৈ বহি নিবিড়ভাৱে কিবা ভাবে।

উন্মুক্ত খিৰিকীৰে এবাৰ আকাশলৈ চকু গ লত দেখিলে স তষি মণ্ডল। ওমৰৰ ভাবান্তৰ ঘটিল। নিশাৰ ৰহস্যময় তৰাবচা আকাশৰ ওমৰৰ ৰাবে চিৰকলীয়া আবেদন আছে। ওমৰ উঠি খিৰিকিৰ কাষত থিয় দিলেগৈ।

বাহিৰত সচীভেদ্য অন্ধকাৰ। কোঠাৰ ভিতৰৰ পৰা খিৰিকিৰে এচেৰেঙা পোহৰ গৈ বাহিৰ পাইছিলগৈ। তাৰ পোহৰতে ধূলিময় চোতালখনৰ এচোৰা দেখা পোৱা গৈছিল। পশ্চিমসাগৰৰ পৰা এজাক

জলবতাহ ধীৰে ধীৰে বলিবলৈ ধৰিছিল। যেন ব্যথাক্লিষ্ট জেৰুজালেম বাসীক মধুৰ নিদ্ৰাৰে সান্ত্বনা দিবলৈহে প্ৰয়াস কৰিছিল।

ওমৰে অলসভাৱে কিছু সময় একো নেভাবি থাকিবলৈ যত্ন কৰিলে। কিন্তু আচৰিত ধৰণে পুনৰ হাচান ইবন- চাবাহ মনৰ মাজত উপস্থিত হ'লহি। ডাঠ চেলাউৰিৰ তলত ওমৰৰ চকুহাল পুনৰ চিন্তামুক্ত হৈ পৰিল। হাচান-ইবন-চাবাহ। ৰহস্যময় এই মানুহটোৰ জীৱনৰ গতিপথ অজান ৰহস্যৰ কুহেলিকাৰ মাজেদি ততোধিক ৰহস্যময় ভাৱে আগবাঢ়ি গৈছে। কিন্তু ওমৰৰ লগত তাৰ কি সম্বন্ধ? তাৰ কথাবোৰত বিশ্বাস থাকক নেথাকক যুক্তি কিন্তু আছে। কিন্তু অন্য মানুহে সেইবোৰ কথাত বিশ্বাস কৰাটো বিচাৰিলেও হাচানে নিজেই যেন বিশ্বাস নকৰে কথাবোৰ।

যি বুজা গ'ল হাচানে এনে এজন নতুন ঈশ্বৰৰ সন্ধান পাইছে যাক মানুহৰ জানে কোনো দিনে বিচাৰি পোৱা নাই। চিৰন্তন মানুহৰ আত্মা আৰু বিশ্বব্ৰহ্মাণ্ডৰ পৰিচালিকা শক্তিৰ মাজত যি সম্পৰ্ক তাৰ বিষয়ে স্বভাৱজাত প্ৰবল অনুসন্ধিৎসা আৰু জিজ্ঞাসাৰ ফলতে সকলো ধৰ্মমতৰ সৃষ্টি। ইটোৰ পিচত সিটোকৈ প্ৰত্যেক ধৰ্মই এই জিজ্ঞাসাৰ অলপ অলপ উত্তৰ পাইছে আৰু এই অনুসন্ধানৰ পথত কিছু আগবাঢ়িছে! প্ৰত্যেক ধৰ্মই মানুহৰ মনলৈ জ্ঞানৰ দিব্যজ্যোতি কঢ়িয়াই আনিব পাৰিছে। কিন্তু সম্পূৰ্ণ হ'বলৈ এতিয়াও বহুত বাকী। এতিয়ালৈকে আদাম নোৱাহ আব্ৰাহাম মোজেচ নাজৰিণৰ যীশু আৰু হজৰত মহম্মদ এই ছয়জন নবীয়ে জনমানবৰ মনলৈ এইদৰে জ্ঞানৰ পোহৰ আনিছে। কিন্তু এতিয়াও সিদ্ধান্তত কোনো উপনীত হ'ব পৰা নাই। তাৰ বাবে স'তম এজন নবীপুৰুষৰ আৱিৰ্ভাৱ হ'ব। তেৱেই মেহদী। অৱশ্যে কেতিয়া হ'ব কত হ'ব তাৰ কোনো বতৰা কোনেও নেজানে। এই মেহদী এতিয়াও নীৰৱ সাধনাত মগ্ন। কিন্তু সময় যেতিয়া আহিব তেতিয়া তেওঁ দেখা দিবই। হাচান ইবন চাবাহে এই মতকে প্ৰকাশ কৰিছে।

লগে লগে জেহাদ আৰু ক্ৰুচেদৰ এই যুগযোৱা ধ্বংসমুখী সংগ্ৰামৰ অন্ত পৰিব। মোজেচ আৰু যীশু আৰু হজৰত মহম্মদৰ আধৰুৱা কাম সমাপ্ত হ'ব। জেৰুজালেম নগৰী তেতিয়া আৰু বাৰে বাৰে জুই আৰু তৰোৱালৰ আগত ছিন্ন ভিন্ন হ'ব নেলাগিব। পৃথিৱীৰ

মানুহ আৰু এখোজ আগবাঢ়ি যাব সৰগৰ ফালে।

ওমৰে ভাবি চালে যে হাচানৰ ফালে চালে আৰু তেওঁৰ বুদ্ধিমান চকু বলিষ্ঠ শৰীৰ আৰু অভিজ্ঞ মুখচাপ দেখিলে সেইজন মানুহ যে খেয়াল পৰস্ত বা সপোনবিলাসী মানুহ তেনে ধাৰণা কেতিয়াও নহয়। মানুহজনৰ বাস্তব বুদ্ধিৰ প্ৰাচয্য সহজেই অনুমান কৰিব পাৰি।

ক ব নোৱাৰা কয়ে হাচানৰ কথাই ওমৰৰ মন অধিকাৰ কৰি পেলাইছিল। এই মানুহটোৰ কায্যবিলাক ৰহস্যঘন হলেও প্ৰণালীবদ্ধ যেন অনুমান হয়। এক কথাত ক বলৈ গ লে মানুহটোৰ এটা উদ্দেশ্য আছে। কি সেই উদ্দেশ্য? অনেক সময় খিৰিকীৰ কাষত থিয় হৈ তেওঁ হাচান ইবন চাবাহৰ কথাকে ভাবি আছিল।

হঠাৎ ওমৰে বাহিৰত অলপ আতৰত অস্ত্ৰৰ ঝনঝননি আৰু কাৰোবাৰ জোটাপুটি লগা শুনিবলৈ পালে। ওমৰ খিৰিকীৰ কাষৰ পৰা অলপ আতৰি আহিল। তাৰ পাচত দুৱাৰৰ দাতিলৈ আহি মাতিলে কোন আছে?

পদা ঠেলি এজন সৈন্য সোমাই আহি কুনিশ কৰিলেহি "খাজাচাহেব এটা মানুহক বন্দী কৰা হৈছে। সন্ধিয়াৰ পৰা এই ঠাইত সন্দেহজনক ভাৱে ঘৰাঘৰি কৰিছিল।

ওমৰ অলপ সময় মনে মনে থাকিল। তাৰ পিচত সুধিলে সি কি বুলি কৈছে?

কৈছে যে খাজা ওমৰক লগ পাবৰ ইচ্ছা। খুব জৰুৰী দৰকাৰ বোলে।

যা লৈ আ।

সৈন্যটো ওলাই গ ল। ওমৰে চোৱাহীৰ কাষলৈ গৈ এপিয়লা মদ বাকী ল লে। অলপ পৰ বোৱাৰ পিচ ত তিনিটা সৈন্যই এটা মানুহ ধৰি লৈ আহিল।

দিনৰ সেই ৰঙা কাফতান পিন্ধা মানুহটো। মানুহটোৰ দুইবাহুত দুটা সৈন্যই মজবুতভাৱে ধৰি আছে। ওচৰত মুকলি তৰোৱাল হাতত লৈ আগতে অহা সৈন্যজন। মানুহটোৰ মুখৰ পৰা উঠ কাটি সামান্য তেজ ওলাইছে। জোটাপুটি লাগোতে পোৱা আঘাতৰ চিন।

ওমৰে নিৰুদ্বেগ কিন্তু তীক্ষ্ণ দৃষ্টিৰে মানুহটোৰ ফালে চালে। তাৰ মুখখন সাহসী। কপালত চিন্তাৰ ৰেখা। চকুৰ দৃষ্টি প্ৰখৰ

বুদ্ধিৰ পৰিচায়ক। নাকটো পোন আৰু জোঙা। মানুহটো কিন্তু আৰৰ। ওমৰে এচোক এচোককৈ মদ খাই মানুহটোলৈ চাই আছিল।

হঠাৎ ওমৰে সৈন্যকেইটাক যাবলৈ ক'লে। সৈন্যকেইটা আচৰিত হ'ল যদিও দ্বিৰুক্তি নকৰি মানুহটোক এৰি দি চালাম কৰি ওলাই গ'ল। মুনাজ্জিম চাহেবৰ এই ধৰণৰ আচৰিত হুকুম পোৱা সিহতৰ অভ্যাস হৈ গৈছে।

মানুহটোৱে হাতখন মুকলি হোৱাৰ লগে লগে হাউলি ওমৰক অভিবাদন জনালে। তাৰ পিচত পোন হৈ থিয় হৈ থাকিল।

ওমৰে চাই থাকি থাকি এবাৰ প্ৰশ্ন কৰিলে কোৱাচোন এই হাচান ইবন চাবাহ কোন ?

মানহটো আচৰিত হ'ল যদিও সাধাৰণভাৱেই উত্তৰ দিলে খাজা ওমৰ হাচান ইবন-চাবাহ আপোনাৰ গুণমুগ্ধ আৰু সহায় প্ৰাৰ্থী।

কিহৰ কাৰণে তেওঁক মোৰ সহায় লাগে ?

"সেই কথা মই এতিয়াও নেজানো।

তুমি তেনেহলে তেওঁৰ লগৰ নেকি ? হাচান আৰু তোমাৰ এইদৰে মোক অনুসৰণ কৰাৰ অৰ্থ কি ? কিন্তু তাৰ আগতে এটা কথা কোৱা। যদি তুমি তেওঁৰ দলৰে তেন্তে অথনি তোমাক ৬চৰ চপা দেখি হাচানে কথা বন্ধ কৰিলে কিয় ?

গোস্তাকি মাফ কৰিব। আলা হজৰত—মই হাচানৰ কথা জানিলেও হাচানে বোধহয় মোৰ বিষয়ে একো নেজানে। হাচান এজ্ঞাৰৰ জীৱ।

আৰু তুমি ? এই ৰাতি দুপৰত তোমাৰ এইদৰে ঘৰি ফুৰাৰ চখ হ'ল কিয় ?

হুজুৰৰ ওচৰত মোৰ এটা অৰ্জ্জা আছে। বেয়াদপি মাফ কৰিব। হাচানৰ পথ আৰু আপোনাৰ পথ একে নহয়।

কিন্তু তুমি এইদৰে ৰাতি আহিলা কিয় ?

আপোনাৰ চিপাহীৰ হাতত বন্দী হ'বলৈ।

ওমৰ ক্ষন্তেক তন্ধ মাৰি ৰ'ল। তাৰ পিচত সশব্দে হাহি উঠিল অ হাচানৰ মানহে তোমাক অনুসৰণ কৰিছে নহয় ?

মানুহটোৱে মুৰ দুপিয়ালে। ওমৰে আকৌ ক'লে তেন্তে তোমাৰ পথ আৰু হাচানৰ পথো একে নহয়। কিন্তু এতিয়া কোৱা তোমাৰ মোৰ ওচৰত কি ক'বলগীয়া আছে।

শুনিছো হুজুৰে বহুকাল ধৰি মেম্ফেদ নগৰৰ আবুল জৈদ নামৰ এজন কাপোৰৰ সদাগৰক বিচাৰি ফুৰিছে।

ওমৰৰ চকুলৈ এইবাৰ বিপুল আগ্রহ নামি আহিল। মদৰ পাত্র হাতৰ পৰা নমাই থৈ একেচাবে মানুহটোৰ ওচৰ চাপি আহি প্রায় অধৈর্য্যভাবে সুধিলে হয় হয় আবুল জৈদ—আবুল জৈদ। মেম্ফেদ নগৰৰ সদাগৰ। তুমি কিবা জানানেকি?

হুজুৰ যদি মোৰ লগত এতিয়া যায় তেন্তে মই আপোনাক তাৰ ওচৰলৈ লৈ যাব পাৰো।

তাৰ আগতে কোৱা আবুল জৈদৰ লগত আৰু কোন কোন আছে।

চাকৰ বাকৰ আছে বহুত। দোকানৰ কমচাৰী আৰু লগৰীয়াও আছে দুজনমান।

জেনানা?

দাসী বাদী দুজনীমান আছে। কিন্তু কোনো বিবি নাই।

অ। বুলি ওমৰ পুনৰ সহজ হৈ পৰিল। লাহে লাহে ঘৰি গৈ পুনৰ মদৰ পিয়লা তুলি ল'লেগৈ। মানুহটো আগৰ দৰেই থিয় হৈ থাকিল। ওমৰে এঢোক গিলি নিম্নস্বৰে সুধিলে তোমাৰ নাম কি? ক'ত থাকা?

হুজুৰ মই সচা কোৱাটো বিচাৰিছেনে?

আলবৎ।

তেনেহ'লে হুজুৰে মোক অভয় দিব লাগিব। মোৰ জান গদ্দানৰ জিম্মেদাৰ হ'ব লাগিব।

যেতিয়ালৈকে মোৰ তদাৰকত আছা তোমাৰ কোনো বিপদ নাই।

হুজুৰ মোৰ নাম আবদাল্লা। মই কুদ্দিস্তানৰ এজন বেদুইন চন্দাৰ। এই বুলি আবদাল্লাই হাউলি ওমৰৰ হাতত চুমা খালে। ওমৰৰ মুখত কোনো ভাবান্তৰ দেখা নগ'ল।

আবুল জৈদৰ খবৰ দিবলৈ মোৰ ওচৰলৈ কিয় আহিলা।

হুজুৰ সাতদিনৰ আগতে এই আবুল জৈদ মোৰ হাতত বন্দী

হয়। হুজুৰে বহুত ঠাইত আবুল জৈদক খবৰ কৰা কথা মই আগৰে পৰা জানো। যদি হুজুৰৰ কোনো দৰকাৰ নাই তেন্তে মই তাৰ মুক্তিৰ বাবে এহেজাৰ ডিৰহাম মুক্তিপণ দাবী কৰিব পাৰো।

পাৰিবনে দিব?

পাৰিব হুজুৰ তাৰ মেখেদত চাৰি পাচখন দোকান আছে।

আচ্ছা আবদাল্লা যদি দিব নোৱাৰে তাৰ জান নোমাৰিবা। তোমাৰ মেহনতিৰ বাবে বহুত চকৰিয়া। আপাতত আবুল জৈদৰ মোৰ কোনো দৰকাৰ নাই।

আৰু এটা কথা হুজুৰ আপুনি ইয়াৰ পিচত ক'লৈ যাব?

এলেপ্পো।

এলেপ্পোৰ জামে মচজিদৰ ওচৰত খবৰ কৰিব।

ওমৰে ভ্ৰূ কোঁচ খুৱাই সুধিলে কাৰ?

চাকিৰ।

চাকি! ওমৰৰ চকুহাল দপ কৰে জ্বলি উঠিল। একে জপে আহি আবদাল্লাৰ দুই হাতত খামুচি ধৰি ব্যগ্ৰভাৱে সুধিলে চাকি! চাক জীয়াই আছে? তুমি ঠিক জানা আবদাল্লা?

খুব ভালকৈ ময়ো ক ব নোৱাৰো হুজুৰ। ময়ো এৰ দৰবেশৰ মুখৰ পৰা সংবাদ পাইছো। শুনিছো এজন বদ্ধ দৰবেশৰ আশ্ৰয়ত দিন কটাইছে।

ওমৰ থমক খাই ৰ'ল। তাৰ পিচত লাহে লাহে আবদাল্লাৰ কান্ধত হাত থ'লে।

বন্ধু আবদাল্লা মোৰ কাৰণে তুমি এটা বৰ ডাঙৰ খবৰ আনিলা। কোৱা মই তোমাৰ কাৰণে এতিয়া কি কৰিব পাৰো

লাল কাফতান পিন্ধা আবদাল্লা এইবাৰ ৰিৰি তুলি থিয় হ'ল। কৃষ্ণ কপালত মৰুভূমিৰ উদাৰ ঔ ধত্য আৰু দৃঢ় মুখভঙ্গীত দৃঢ়তা প্ৰকা পালে। মুহূৰ্ত্তৰ ভিতৰতে মানুহটোৰ ব্যক্তিত্বৰ এই ৰূপান্তৰ হোৱা দেখি ওমৰৰ চমক লাগিল।

দোস্ত বুলি মাতিছে যেতিয়া—খাজা ওমৰ বেন-ইব্ৰাহীম-অল-খায়াম মোৰ সম্পূৰ্ণ পৰিচয় আপোনাৰ জনা উচিত। মই কুদ্দিস্তানৰ মুকামাদেশৰ আবদাল্লা বেন হোচেন কায়ম খান। চুলতান মালিকশ্বাহৰ লগত মোৰ কোনো দুশমনি নাই। কিন্তু বেদুইন চদ্দাৰে শ্বাহ বাদশ্বাহৰ

প্রভূত্ব স্বীকাৰ নকৰে। সেই কাৰণে বেদুইন কোনো স্থায়ী মুলুকত নিৰাপদ নহয়। খন খাৰাবী কৰো যদিও বেদুইনৰ দিল আছে। বে মেশ্বেদ আৰু কিডাক নগৰৰ কেবাখনো মুছাইৰাত মই আপোনাৰ ৰুবাই শুনিছো। কোনোবা বেৰসিক বদতবিকী মোল্লাই বেয়া শুনিলেও এনেকুৱা খুশ জমজমা বঢ়িয়া ৰুবাই বেদুইনৰ কাণে কাহানিও শুনা নাই। খাজা চাহেব মোক অন্য পুৰস্কাৰ একো নেলাগে কেৱল আপোনাৰ এক প্ৰিয়তম ৰুবাই মোৰ আগত গাই শুনাৰ লাগে।

আবদাল্লাৰ পুৰুষোচিত কণ্ঠত আন্তৰিকতা আৰু মুখত উজ্জ্বল হাহি বিয়পি পৰিল।

ওমৰৰ চকুৰ পৰা ঈষৎ বিস্ময়ৰ চিহ্ন মাৰ গৈ তাৰ ঠাইত তেওঁৰ দুষ্প্রাপ্য মিচিকিয়া হাহি ফুটি ওলাইছিল। দিলদাৰ মানুহ বহুত আছে। কিন্তু এফাকি শায়ৰী এটি ৰুবাইৰ কাৰণে ইমান হজ্জত সহ্য কৰিব কোনোবাই পাৰে বুলি ওমৰৰ ধাৰণা নাছিল। ওমৰ নিজে আৰব। সেইবাবে এই দুৰ্জয় আৰব চন্দাৰৰ প্ৰতি এক আত্মীয়তাৰ ভাব আছিল। ওমৰে নীৰৱে চোৰাহীৰ পৰা দুই পিয়লা মদিৰা ঢালিলে। তাৰ পিচত খাচ বেদুইনী কায়দাত আবদাল্লাক আলিঙ্গন কৰি দুয়ো মদ পান কৰিলে দুয়ো দুপাত অস্ত্ৰ বিনিময় কৰিলে। তাৰ পিচত প্ৰগাঢ় বন্ধুত্বত দুয়ো দুয়োৰে হাতত খামচি ধৰিলে।

উনত্রিশ

পিচদিনা পুবফালে মৰুভূমিৰ বুকুৰ পৰা মৰুসূৰ্য্যৰ আৰক্ত নয়ন উন্মিলিত হোৱাৰ আগতেই ওমৰে এলেপ্পোৰ পথ ধৰি ঘোৰা চেকুৱালে। লগত আবদাল্লা আৰু ওমৰৰ বাৰজন অশ্বাৰোহী শৰীৰ ৰক্ষক। সিহতৰ তুৰ্কী সেনাপতিৰ বশাৰ আগত বাদশ্বাহী নিচান। এলেপ্পোলে তাজী ঘোৰাৰ বেগেৰে তিনিদিনৰ পথ।

ঘটনাশন্যভাৱে প্রথম দিনা পাৰ হ'ল। কিন্তু দ্বিতীয় দিনা কিভাক নগৰৰ ওচৰ পাওঁ পাওঁ হওঁতে এটা ঘটনা ঘটিল।

এটা ৰেচিচত বহি ওমৰে দলে বলে জিৰণি লৈছিল। ওমৰ আৰু আবদাল্লা এঠাইত বহি অটল কুৰাৰ তলিৰ পৰা তোলা শীতল পানী অকন অকনকৈ খাই ভাগৰ পলৱাইছিল। ঘোৰাবোৰৰ পিঠিৰ পৰা গদী জোলোকাই দি সিহতক আহাৰ দিয়া হৈছিল। সূৰ্য্য অলপ অলপ হাউলিছে। বেলি অপৰাহ্ন।

প্রথমতে দশ্যটো ধৰা পৰিল আবদাল্লাৰ চকুত। বহুত বহুত দৰত চকুৰ দৃষ্টিৰ শেষতম সীমনাৰ ওচৰত ধুসৰ উত্ত ত জিলমিল জিলমিল মৰুভূমিৰ বালুকাৰাশিৰ ওপৰত মনি কি নমনি এটা বিন্দ কিন্তু সচল। আবদাল্লাৰ চকু মুহূর্ত্ততে চিকাৰী ঈগলৰ চকুৰ দৰে সজাগ হৈ উঠিল। ওমৰেও তৎক্ষণাৎ সেই দৃষ্টি অনুসৰণ কৰি দেখিলে যে সেই সচল বিন্দুৰ পৰা এটা পোহৰৰ চমকনি উঠিল। নি চয় কোনোবাই আচীৰ পোহৰৰ প্রতিফলন কৰি অন্য কোনোবাক কিবা সংকেত দিলে। লগে লগে ৰেচিচৰ অন্য ফালৰ পৰা ওমৰৰ লগৰ সৈন্যবিলাকৰ মাজত চিঞৰ উঠিল— হচিয়া—ৰ! হ—চিয়াৰ!

আবদাল্লা আৰু ওমৰ দুয়ো একেজাপে উঠিল। তাৰ পিচত লৰালৰিকৈ নিজৰ নিজৰ ঘোৰাৰ পিঠিত জিন কচি আৰোহণ কৰিলে।

অলপ পাছতে দেখা গ'ল পূব উত্তৰ আৰু পশ্চিম তিনিও ফালৰ পৰাই সেই পোহৰ সংকেত চিহ্নিত হৈছে। ইতিমধ্যে তিনিওফালৰ পৰা একাধিক সচল বিন্দু দৃষ্টিগোচৰ হ'ল।

ওমৰে একমাত্র মুকলি হৈ থকা দক্ষিণ ফালৰ বাবলৈ আৰম্ভ

কৰি ঘোৰা এৰি দিলে। কিডাক নাৰলৈ ইয়াৰ পৰা আৰু তিনি ঘণ্টাৰ বাট। জিৰণি পোৱা ঘোঁৰা'বোৰে এতিয়া বেচ দৌৰিব পাৰিব। সেই সচল বিন্দুবোৰ ঘোৰা আৰু মানুহৰ ৰূপ পাবলৈ সময় লাগিব।

ওমৰে হিচাব কৰি পেলালে। তাৰ পিচত পাণ্ডৱীৰ দীঘল আগ আৰু চিলা জোব্বা বতাহত উৰিবলৈ এৰি দি ওমৰে মৰুভূমিৰ বতাহৰ লগত পাৰি দিবলৈ আৰম্ভ কৰিলে। মৰুভূমিৰে সৈতে তেজৰ সম্পৰ্ক ওমৰ খায়ামৰ। তেওঁৰ প্ৰাণত উল্লাস জাগিল। পিচত ঘনীভূত হৈ আহিবলৈ ধৰা বিপদ মনৰ পশ্চাদভূমিলৈ গুছি গ'ল। কুঞ্চিত ভ্ৰুগুচ্ছৰ তলত ওমৰৰ চকু কৌতুকপূৰ্ণ হৈ উঠিল। এবাৰ ডাওঁকৈ মাতিলে আবদাল্লা খান।

খাজা ওমৰ!

কোন এই দুষ্মন?

খুব সত্তৰ হাচানৰ মানুহ। মোক বিচাৰি ফুৰিছে।

তোমাৰ লগত হাচানৰ ইমান শত্ৰুতা কিয় আবদাল্লা?

দৰাজ গলাত হা হা কৈ হাহি আবদাল্লাই উত্তৰ দিলে মোৰ কোন শত্ৰু নহয় খাজাচাহেব। হাচানৰ কেইটামান বেপাৰী কাৰাভান মই লট কৰিছিলোঁ। সমগ্ৰ চাহাৰাৰ বুকুৰ কোনো চন্দাৰে হাচানৰ কাৰাভানত হাত দিয়া নাই। মই বাৰে বাৰে লট কৰিছো। মোক ধৰিব পাৰিলে বহুত খেচাৰত দাবী কৰিব। কিন্তু মোৰ মুক্তি সোণ ৰূপেৰে নহব—হব মৃত্যুৰে।

বেচক বেচক জৰুৰ জৰুৰ। ওমৰে কলে। তাৰ পিচত তীব্ৰবেগে যোৱা ঘোৰাৰ খুড়াৰ শব্দ তল পেলাই গভীৰ উদাত্ত কণ্ঠত ওমৰে গালে ৰুবাই—

বেলিৰ পোহৰ পৰশ লাগি ছায়াৰ শাৰী পৰিল ধৰা।
সৰুজ বিন্দ কেন্দ্ৰ কৰি বিশ্ব জগত চন্দ্ৰ তৰা
ঘৰিছে যিদৰে সিদৰেই আমি যাদু কাঠিৰ পৰশ পাই
বহু অহা ঘোৱা বহু উঠা পৰা ছায়া স্বপ্ন সম বহস্যভৰা

প্ৰায় আধা ঘণ্টাকাল পূৰ্ণোদ্যমে ঘোৰা চলোৱাৰ পিচত ওমৰৰ দল লাহে লাহে গোট খাই এঠাইত ৰ'ল। পিচফালে দিগন্ত বেখাত তেতিয়া কাকো দেখিবলৈ পোৱা নগৈছিল। দুষ্মন বহুত পাচ পৰি গৈছে। এযাৰ নামাজৰ সময় হওতে তেওঁলোক আহি কিডাক নগৰ পালেহি।

তাৰ পিচদিনা সন্ধিয়াৰ অলপ পাচত এলেপ্পো নগৰৰ জামে মচজিদৰ ওচৰৰ ৰাজপথেদি ওমৰ খায়াম আৰু সঙ্গীসকল দুলকী চালত ঘোৰা চলাই গৈ আছিল। মচজিদৰ কাষ পাই ওমৰ জাপ মাৰি ঘোঁৰাৰ পৰা নামিল। লগে লগে আবদাল্লা। দুয়ো মচজিদৰ তোৰণ পাৰ হৈ কেউফালে বহি থকা ভিক্ষাৰী ফকিৰ দৰবেশবিলাকৰ মাজত চাই ফুৰিবলৈ ধৰিলে। কিন্তু বহু সময় তন্ন তন্নকৈ বিচৰাৰ পিচতো লগত জেনানা থকা কোনো সহৃদয় দৰবেশৰ সন্ধান উলিয়াব নোৱাৰিলে। হতাশ হৈ এলেপ্পোৰ সৈন্য শিবিৰলৈ ওমৰ গুছি আহিল। ৰাতিটোৰ বাবে আবদাল্লাই বিদায় ললে ওমৰৰ পৰা। পিচদিনা গধূলিৰ নামাজৰ সময়ত পুনৰ দেখা কৰিব বুলি কৈ আহিল।

আবদাল্লা যোৱাৰ পিচতে এটা সৈন্যাই লগৰ এটাক ফুচফুচাই ক'লে মুনাজ্জিম চাহেবৰ ইয়াক এৰি দিয়াটো ভাল কথা হ'ল জানো? দেখিলেইতো চাহাৰাৰ ঈগল যেন লাগে। ইয়াৰ মূৰত বা আকৌ কি ফন্দী আছে কোনে জানে। চকু দুটা কিন্তু একদম ঈগলৰ চকুৰ নিচিনা ভাই।

ইটো সৈন্যাই কৈ উঠিল বাদ দে তাৰ ফন্দী ফিকিৰ। নেজানন্তে খাজাচাহেবে মানহৰ মনৰ ভাব আগতেই গম পায়।

আবদাল্লা কিন্তু ইতিমধ্যে এজাৰত মিলি গৈছিল। শুই পৰিব ধৰা নগৰীৰ বুকুলৈ নামি আহিল অন্য এটা মোহনীয় ৰাতি। ওমৰৰ মনত এক অশান্ত উদ্বিগ্নতা।

অপাৰ কোলাহল পাৰ হৈ গৈছে জীৱনৰ ওপৰেদি। কিন্তু চাকি এতিয়াও অন্তৰালত লকাই আছে। কল্পনাতো অকলেই কৰিব পাৰি। যুদ্ধ অকলেই কৰিব পাৰি। আচমানত নতুন তৰাৰ তল্লাচীও অকলেই সম্ভৱ। কিন্তু হে প্ৰভু আনন্দ? আনন্দতো অকলে কৰিব নোৱাৰি।

পাচদিনা গধূলিৰ নামাজৰ কিছু পাচতে আবদাল্লা খান কথামতে হাজিৰ হ'লহি। আহিয়েই ওমৰক ক'লে খাজা ওমৰ বলক।

কলৈ?

জামে মচজিদৰ ওচৰলৈ।"

ওমৰে তৎক্ষণাৎ ঘোঁৰাৰ মুখ ঘুৰালে। ওমৰৰ গাত সোণৰ বনকৰা খিলাত পহৰাণ। ৰাজকীয় সাজ। মূৰত কলা শেণৰ পাখি লগোৱা পাগুৰী। কঁকালত তৰোৱাল। ঘোঁৰাৰ পিঠিতো বহুমূল্য গদী লগোৱা।

আগে আগে আবদাল্লা আর পিছে পিছে ওমর গৈ মসজিদর ওচর পাওঁতে মসজিদর তোরণ পথেদি জুমে জুমে প্রার্থনাকারীর দল ওলাই আহি ঘরাঘরি যাবলৈ ধরিছিল। বাস্তার দুয়ো সাতিয়ে অন্য দিনার দরেই শারী শারী ভিক্ষুক ফকির দরবেশর দল।

ফটা-চিটা মলিয়ন আলখাল্লা পিন্ধা এক বৃদ্ধ দরবেশে মাটিত লেপেতা কাঢ়ি বহি ধর্ম্মপ্রাণ ভক্তবৃন্দর পরা ভিক্ষা খুজিছিল।

ধনী দুখীয়া আবাল বৃদ্ধ বনিতা এলেপ্পোর নরনারী পারহে যাবলৈ ধরিছিল সমুখর পথেদি। বোর্খা পরিহিতা তিরোতাবোরে কথা পাতিছিল ইজনীয়ে সিজনীয়ে। কপাললৈকে ঢাক খোৱা বোর্খার ওপরর পরা পাতল জালর পদ্দা রে মুখরোর আর করা।

গরিত উদ্ধত পদক্ষেপ করি পার হৈ গৈছিল এলেপ্পোর আভ্যন্তর নাগরিক দুই এজন। পিছে পিছে লাঠিয়াল ভৃত্যহঁত।

সরু সরু লরা ছোরালীবিলাকে মানুহর জুমর মাজে মাজে লরা ধপরা করি করি ফুরিছিল।

বুঢ়াই জরাজীর্ণ হাত দুখন আগলৈ মেলিদি ভিক্ষা খোজে— ইয়া আবুহল্ লজিনা আমানু— হে খোদাতাল্লার ভক্তবৃন্দ—গরিবক দান করক।

হট। বুলি এজন আরর সদাগর গুছি গল।

ইয়া হু ইয়া হক! আল্লাহ করিম! গরিবক দান করক। রোগী দুখীয়াক দান করক।

গরিস্কার দামী আরবণ পিন্ধা এক মোল্লাই কামত থিয় হৈ উপদেশ দিলে খোদাতাল্লাক প্রার্থনা করা। তেওঁ তোমার রোগ নিরাময় করিব। কিন্তু ভিক্ষা দিবলৈ তেওঁর হাত ওপরলৈ নুঠিল।

ভিক্ষা দিয়ক নহলে এটা কৃপীয়া প্রাণী নেখাই মরিব। তাই বর দুখী।

মোল্লাচাহের গুছি গল।

খোদার নামত দয়া করক।

এজনী তিরোতা রল। তাই কাষর পাচিটোর পরা এচকল কটি উলিয়ালে। দুনিয়ার পাপ মোচন করিবলৈ কান্দা তুমি পীর চাহের। লোৱা এই এচকল কটি। মই নিজেও গরিব।

খোদায়ে কুশলে রাখক। এই চকল কটি তোমাতকৈ বহুত গরিব এজনী ছোরালীয়ে খাব। তাই তেজর চকুপানী টোকে।

তিৰোতাজনী পাৱ হৈ গ'ল। এনেতে ওমৰে বৃদ্ধৰ একেবাৰে কাষত ঠিয় দি মাত দিলে পীৰ চাহেব।

বুঢ়াই আচৰিত হৈ মুৰ তুলি চালে। স্তিমিত দুই চকুৰে জুমি জুমি ক্ষীণ পোহৰত ওমৰৰ মুখখন চাবলৈ যত্ন কৰিলে। তাৰ পিচতে ওমৰক চিনি পালে। বুঢ়াই হাতৰ লাঠিত ভৰ দি থৰক বৰককৈ আগলৈ আহি ওমৰৰ গাতে ধৰি চকুৱে চকুৱে চালে। তাৰ পিচত কম্পিত অস্থিৰ মাতেৰে কলে ওমৰ খায়াম? মোৰ ভুল হোৱা নাইতো?

ওঁহো ভুল হোৱা নাই। মই ওমৰ। পীৰচাহেব তোমাৰ মোক মনত আছেনে? বহুত বছৰৰ আগতে মৰুপথৰ এক চেৰাইখানা মোৰ জ্বৰ হওঁতে তুমি শুশ্ৰূষা কৰি ভাল কৰিছিলা। তোমাৰ বহুত মেহেৰবাণী পীৰচাহেব। চাকি নামৰ এজনী ছোৱালী মই বিচাৰি ফুৰিছো। শুনিছো তাই ইয়াতে ক ৰবাত আছে। তুমি কিবা জানানে?

বুঢ়া দৰবেশে হাতখন ওপৰলৈ দাঙি ওমৰক ৰ বলৈ ক লে। তাৰ পিচত লাহে লাহে ক লে মোৰ সকলো মনত আছে ওমৰ খায়াম। চাকি এতিয়া মোৰ লগত। এতিয়াই আপুনি তাইৰ ওচৰলৈ নেযাব জানো? তাই আজিও আপুনি অহালৈকে বাট চাই আছে।

"ক ত থাকা তুমি পীৰ চা'হব?

আৰু দুটা ৰাস্তা পাৱ হৈ বজাৰৰ মাজৰ এটা গলিত।

ওমৰ জাপমাৰি ঘোৰাত উঠিল। তাৰ পিচত ঘোঁৰাৰ মুখ ঘুৰাই ক লে ব'লা। ওমৰ আগবাঢ়িল। বুঢ়া দৰবেশে লাখুটিত ভৰ দি লাহে লাহে ষাবলৈ ধৰিলে। কিন্তু ওমৰৰ ধৈয্য নহ ল। এবাৰ হাউলি দুই হাতেৰে পৰা মাৰি ধৰি বুঢ়াক ঘোঁৰাৰ ওপৰত তুলি ললে। পথাচাৰী মানুহবোৰ আচৰিত হৈ ঘুৰি ঘুৰি চাবলৈ ধৰিলে। সকলোৰে মুখত কৌতুহল প্ৰকাশ পালে। কাম নাইকিয়া কিছুমানে পিচে পিচে ষাবলৈও ধৰিলে। কিন্তু ওমৰ সেই ঠাইৰ পৰা দ্ৰুতবেগে আতৰি গ ল। পাচে পাচে আবদাল্লা আৰু দুজন অনুচৰ।

বজাৰৰ মাজৰ গলিত এটা দুমহলা ঘৰৰ সমুখ পাই ওমৰক ৰ বলৈ ক লে দৰবেশে খাজা এ কৰিম ইয়াতে আপুনি অলপ পৰ বাট চাওক। চাকিক বেমাৰে খুলি খুলি খাইছে। তাই শয্যাশায়ী। মই আগতে তাইক গৈ খবৰ দিওঁগে যে আল্লাই ইমান দিনৰ মূৰত তাইলৈ চকু মেলি চাইছে।"

এই বুলি বুঢ়া দৰবেশে তলৰ মহলাৰ মনোহাৰী মালৰ দোকান এখনৰ কাষেদি ভিতৰলৈ সোমাই গ'ল।

ওমৰে ঘোৰাৰ পৰা নামি ঘোঁৰাৰ পিঠিতে হাত থৈ অধৈর্য্যভাবে বাট চাবলৈ ধৰিলে। গলিটো অন্ধকাৰ। মনোহাৰী মালৰ দোকানৰ ভিতৰত কেইটামান তেলৰ চাকিৰ স্তিমিত পোহৰ। ঠেক গলিৰ দুয়ো ফালে ওখ ওখ দালান। মূৰৰ ওপৰত আকাশৰ সংকীর্ণ এছোৱা চকুত পৰিল ওমৰৰ। কিন্তু তাতে উজ্জ্বল এটা তৰা জিলিকি আছিল। ওমৰে চিনি পালে। শুক্ৰ।

এই লেতেৰা ধুলিময় বাটৰ ওপৰৰ এই জীর্ণ দালানৰ কোনোবা এটা কোঠাত আছে মোৰ মৰমৰ চাকি। মোৰ বন্দিনী ৰাজহংসী। ইয়াতে মোৰ চাকি আছে। ইয়াতে—ইয়াতে। আঃ।"

আবদাল্লা মনে মনে ওমৰৰ ওচৰত থিয় দি আছিল।

কিছুসময়ৰ পিচত পীৰ চাহেবৰ নামি আহিল। হাতত এদাল মমৰ পোহৰত বুঢ়াৰ দীঘল বৰফ বগা দাৰি জিলিকি উঠিছিল। বঢ়াৰ মুখত বেহেস্তৰ হাঁহি।

খাজা ওমৰ! কি কৰিম! আজি এবছৰ তাই মোৰ লগত থাকিল। তাইৰ মুখত মাত নাই। এতিয়া আপুনি আহিছে বুলি শুনিয়েই হুলস্থূল লগাইছে। ধুপ ধুনা জ্বলাৰ লাগে মমবাতি জ্বলাৰ লাগে কস্তুৰী লাগে কাজল সানিব লাগে হেন লাগে—তেন লাগে। কি অদ্ভুত। মোক আপোনাক ক'বলৈ কৈ পঠাইছে যে তাইৰ হ'লে পিন্ধিবলৈ কোনো বেচমী কাপোৰ নাই।

ওমৰ দুখোজমান আগবাঢ়ি গৈ সুধিলে 'মই যামনে ভিতৰলৈ? মোক দেখা কৰিব পৰা হ'লনে তাই?

পীৰচাহেবে বাট দেখুৱালে। অন্ধকাৰ ঠেক খটখটীৰে খুপি খুপি ওমৰ ওপৰলৈ উঠি গ'ল। ঘৰটো ডাঙৰ। দীঘল বাটটোৰ দুই দাতিয়ে পাৰ বাহৰ দৰে সৰু সৰু কুঠৰি। মলিয়ন কাপোৰৰ পৰ্দা ঠেলি দুই এজন মানুহে ওমৰক জুমি চালে। ওমৰ গৈ ঘৰৰ চাদত উঠিল।

বহল চাদৰ এমূৰে তম্বুৰ ফটা চিটা কাপোৰৰ বেৰা দি বেলেগ কৰা এটুকুৰা ঠাই। পীৰ চাহেবে তালৈকে ওমৰক লৈ গ'ল।

এদাল মৌ-সিতাৰ মম জ্বলি আছিল। ভিতৰত চাকি শুই আছিল। কক্ষৰ ভিতৰত আচবাব পত্ৰ একো নাছিল। মাত্ৰ মলিয়ন

কাপোৰ। মমৰ ক্ষীণ গোহৰত ওমৰে চাকিৰ চকুজোৰ দেখিছিল। তেওঁ গৈ ওই থকা চাকিৰ ওচৰত আঠু কাঢ়ি বহিল।

চাকি জানে মন—মোৰ জীৱন।

ডাঙৰ ডাঙৰ ডাগৰকৈ দুটা চকুমেলি চাকিয়ে কেই পলক মান চাই থাকিল ওমৰৰ মুখলৈ।

ওমৰ। ফুচফুচাই তাই মাতিলে। ওমৰে হাউলি তাইৰ চকুৰে চকুৰে চালে। তাই আকৌ ক'লে কিমান সুন্দৰ তুমি ওমৰ। মোৰ যে তোমাক বহিবলৈ দিবলৈও একো নাই। ওমৰ মোৰ চকুৰ জ্যোতি—মোৰ সোণ।

তাইৰ ডিঙিত সোপা মাৰি ধৰিলে কাৰণে তাই মনে মনে ৰ'ল। লাহে লাহে তাইৰ শীণ হাত দুখনে ওমৰৰ ডিঙিত সাৱটি ধৰিলে। ওমৰে তাইৰ মূৰত হাত বুলাবলৈ ধৰিলে। তাইৰ চকুৰ পৰা ধাৰাসাৰে তপত চকুলো ওলাই গাল তিয়াই পেলালে।

যেতিয়া তাই অলপ শান্ত হ'ল তেতিয়া ওমৰে লক্ষ্য কৰিলে যে তাই খুব ক্ষীণালে। ৰক্তশূন্য শীণ মুখ। ক্ষীণোৱা নিশকটীয়া হাতৰ ঠাৰি। মাত্ৰ তাইৰ ঘন চুলিৰ মিঠা গোন্ধ আৰু চকুৰ প্ৰেম বিহ্বল দৃষ্টি হ'লে একেই আছিল।

এই চাদৰ পৰা জৰত পৰি থাকোতে মই সদায় স'ত আচমানলৈ চাওঁ। হাজাৰ তৰা উঠে হাজাৰ তৰা মাৰ যায়। তৰাঘৰৰ ওপৰৰ পৰা ধিবিলাক তৰা আমি চাইছিলো সেইবোৰ তৰাই । বাক ওমৰ কোৱাচোন সেই কোঠাটো মই এৰি অহাৰ দৰেই হৈ আছেনে?

সকলো একেদৰেই আছে চাকি। বাকী মাত্ৰ তুমি যাবলৈ।

চাকিৰ শীণ শৰীৰেদি এক শিহৰণ খেলি গ'ল। তাইৰ শেতা মুখত সন্তোষ জিলিকি উঠিল।

মই কেইটামান তৰাৰ নাম এতিয়াও জানো জানা ওমৰ। তুমি কোৱা এটাইবোৰ তৰাৰ নাম কিন্তু মোৰ মনত নাই। পীৰ চাহেবৰ পৰা শুনিছো তুমি বোলে আজিকালি বহ্নি উশ্খান। খাহানখাহৰ নিজৰ লোক। তোমাৰ গাৰ এই চোলাটো মৰ ধুনীয়া এইটোৰে তোমাক মৰ ভাল দেখি।"

ওমৰৰ গাৰ আভৰণ তাই আঙুলিৰে চুই চালে।

চাকি।" ওমৰৰ কণ্ঠৰ পৰা অস্ফুট শব্দ ওলাল। চাকি

মোৰ!" ওমৰে বুকুত সাবটি লৈ বিপুল আবেগত চুমা খালে চাকিৰ ওঠত। চাকি! আই আল্লাহ!

নিজৰ বিশাল বুকুত তাইক দৃঢ়ভাৱে সাবটি ধৰিলে ওমৰে।

চাকিয়ে লাজকুৰীয়াভাবে কোমল লাহি আঙুলিৰে ওমৰৰ গাল দুখন চুই চালে। তাৰ পিচত মুক্তাশোভিত পাগুৰীৰ তলৰ ওমৰৰ মুখখনলৈ মুগ্ধভাৱে চাই থাকিল। হঠাৎ তাইৰ মুখত এক যন্ত্ৰণাৰ চিহ্ন ফুটি উঠিল।

মই বৰ দুৰ্ব্বল হ'লো ওমৰ। আজিকালি মোৰ বুকুখন খুব বিষায়। খাজা ওমৰ তোমাৰ চাকিৰ আগৰ সৌন্দৰ্য্য আৰু নাই। তাই ম্লানভাৱে হাহিল।

মিছা কথা চাকি। তুমি মোৰ হৰী। হৰীতকৈও বেছি ৰূপৱতী।"

হঠাৎ তাই ওমৰৰ ওঠদুখন দুইহাতেৰে জপাই ধৰিলে। তাৰ পিচত তেওঁৰ চকুৰে চকুৰে চাই ক'লে মোক এটা কথা কোৱা ওমৰ। সচা কথা ক'বা। কোৱা তৰাঘৰৰ মোৰ সেই কন্যত অন্য কোনোবা তিৰোতা সোমাইছে নেকি?

ওমৰে মুৰ জোকাৰিলে। তাইৰ হাত দুখন মুখৰ পৰা গুহাই চমা খালে।

চাকিৰ মুখমণ্ডলত প্ৰগাঢ় শান্তি বিয়পি পৰিল।

এই কথাটো মই সদায় ভাবিছিলো জানা ওমৰ। চাচাজানহতে যেতিয়া জোৰ কৰি মোৰ বিয়া পাতিলে তেতিয়া মোৰ মৰত যেন দোজখৰ জুই জ্বলিল। মই পলাবলৈ যত্ন কৰিছিলো। কিন্তু আকৌ ধৰি আনি জবৰদস্তি কৰি বিয়া দিলে। যেতিয়া আবুল জৈদ আহি মোক বুকুলৈ তুলি লৈছিল মই তেতিয়া মূৰ্চ্ছা গৈছিলো। তাৰ পিচত আহিল এই সৰ্ব্ব নশীয়া জ্বৰ। মোক প্ৰায় কয়েদ কৰি ৰখা হৈছিল। মোৰ ঘৰৰ আগত সদায় চোকা পহৰা থাকোঁতে সময়তো মোক সদায় উটৰ পিঠিত কেউফালে পৰ্দা দিয়া কজাৱাত লৈ ফুৰাইছিল। মাজে মাজে মইনো কোন ঠাইত আছো তাকে মই জানিব পৰা নাছিলো। এই এলেপেপাত মোৰ বেমাৰ খুব বেছি হ'ল। আবুল জৈদৰ এইবাৰ ধৈর্য্যচ্যুতি ঘটিল। এইবাৰ তেওঁ মোক ডাইনী মখিনী বুলি গালি পাৰি সাক্ষীহ তক মাতি আনি তালাক দিলে। মোৰ খুশ নচিবৰ গুণে পীৰ চাহেবক লগ পালো। মোৰ অসুখ আৰম্ভ হওঁ তওঁ এই

পীৰ চাহেবকে চিকিৎসা কৰিবলৈ দিয়া হৈছিল। তেওঁ তোমাক চিনি পায়। তেওঁ ফিৰিস্তাৰ দৰে মহান। ওমৰ তুমি কেতিয়াবা আহিবা বুলি মই জানিছিলো।

কিন্তু মোৰ মৰমৰ চাকি তুমি মোলৈ এটা খবৰ পঠাবলৈ যত্ন নকৰিলা কিয়? তোমাক বিচাৰি কিমানযে হাইৰান হ লো মই।

কোনো উপায় নাছিল ওমৰ। পীৰ চাহেব নিজে অতি বৃদ্ধ। তাতে মই বেমাৰী। এলেপ্পোৰ চাৰিওপিনৰ মৰুভূমি কুদ আৰু বেদুইনৰে ভৰা। তাৰোপৰি— তাৰোপৰি তুমি এতিয়া ৰফি উশ্বান— সকলোতকৈ ডাঙৰ বিলাকৰ ভিতৰতো ডাঙৰ। আৰু মই হ লো লোকৰ তালাক দিয়া তিৰোতা। তোমাৰ গৌৰৱ অক্ষুণ্ণ থাকক ওমৰ।

অলক্ষিতে ওমৰৰ ওঁঠদি সেই দুষ্প্রাপ্য মিচিকিয়া হাঁহিটো খেলি গ ল। চাকিৰ মুৰটো আলফুলকৈ বুকুৰ পৰা নমাই গাকত থ লে। তাৰ পিচত হাউলি চাকিৰ চকুলৈ চাই সুধিলে চাকি তুমি এটা কথা জানানে?

কি কথা?

যে মোৰ হৰী আজিয়েই মোৰ পত্নী হ ব?

চাকিয়ে হাহিলে। ওমৰেও সশব্দে হাহি উঠিল। তৰাবচা আকাশৰ তলত অবাধে বিচৰণ কৰা এজাক মতলীয়া বতাহে দুয়োৰে মনৰ সমস্ত গ্লানি ধুই লৈ গ ল।

ওমৰ বাহিৰ ওলোৱাৰ লগে লগে চাকি পুনৰ অৱশভাৱে বিচনাত দীঘল দি পৰিল।

বাহিৰলৈ ওলাই আহি ওমৰে দেখিলে পীৰ চাহেবৰ লগত কথা পাতিছে আবদাল্লাই। আবদাল্লাৰ চকুৰদৃষ্টি সাপ চেচা। মুখত কবৰখানাৰ নীৰৱতা। আবুল জৈদ! আবুল জৈদ! —গজ্জ ন কৰি উঠিছিল আবদাল্লাৰ মন।

ওমৰে গৈ আবদাল্লাৰ হাতৰ পৰা ঘোৰাৰ লেকামদাল ল লে। তাৰ পিচত ক লে আবদাল্লা ভাই মই যাওঁ কাজী চাহেবৰ ওচৰলৈ আৰু কেইজনমান সাক্ষী বিচাৰি। এই এক ঘণ্টাৰ ভিতৰ ত মই চাকিক বিয়া কৰাম। তুমি এই মোনাটো লোৱা— পীৰ চাহেবৰ

বাবে নতুন আলখাল্লা চিলোৱাব পাগুৰী নতুন চপল আৰু চাকিব কাৰণে উত্তম কাপোৰ কিনিবা। যিমান ইচ্ছা সিমান খৰছ কৰিবা। তাৰ পিচত লগৰ অনুচৰহতক ক'লে শুন! তহতে এই বাস্তাত আৰু বজাৰৰ চৌৰাস্তাত যিমান মানুহ আছে সকলোকে উৎসৱত যোগদান দিবলৈ নিমন্ত্রণ কৰিবি মোৰ নামত। মিঠাইৰ দোকানৰ পৰা যিমান বিধৰ মিঠাই আছে— চৰ কোপ্তা কাবাব কোপ্মা-পোলাও যিমান আছে সিমান ভাল ভাল খাদ্য ক্ষীৰ চানা চৰত আৰু উৎকৃষ্ট লাল চিৰাজী—চৰ। শাৰী শাৰী মমবাতি জ্বলাই এই পুৰণি দালান পোহৰ কৰি তুলিবি। এটা বাহী আৰু বীণ বজোৱা মানুহ মাতিবি। আবদাল্লাৰ হুকুম মোৰ হুকুম। যা দেৰী নকৰিবি।

অলপ পৰৰ পিচত প্রাচীন সেই দালানৰ চাদৰ ওপৰৰ পৰা সু সজ্জিত বঙা গালিছাৰ ওপৰত বহি এজন বুঢ়া কাজী চাহেবে কেৰকেৰীয়া মাতেৰে যেতিয়া বিয়াৰ চতবোৰ সুধিছিল তেতিয়া ওমৰে একমাত্র সমুখত দীঘল ওৰণি লৈ বহি থকা চাকিৰ বাহিৰে একো ভবা নাছিল।

কাজী চাহেবৰ পিচফালে বহি এজন মহৰীয়ে নিকাহৰ কবুলিয়ত লিখিছিল।

কাজীয়ে ক'লে কন্যাৰ পিতৃগৃহৰ ঠিকনা নিচাপৰ। বাৰু যৌতুক কি হ'ব? মানে কন্যাৰ লগত—সম্পত্তি কি কি আহিব?

ওমৰে হাহি মাৰি ক'লে লিখা—পাৰস্যোপসাগৰৰ প্রলয় তুফানৰ দৰে কলীয়া একোচা চুলি। তৰাৰ গুৰিৰ অঞ্জন সনা এযোৰ ধনীয়া চকু। কুমলীয়া দেবদাৰু গছৰ দৰে লাহি কিন্তু দৃঢ় এটা ককাল। প্রেম মাতোৱাৰা এক মন। খৰ কৰা।

কাজী চাহেবে বিতুষ্ট মনে মহৰীক ক'লে লিখা আথিক মূল্যযুক্ত একো নাই।

ওমৰৰ পাচফালে বহি থকা আবদাল্লাৰ ৰদে পোৰা কণ্ঠোৰ মুখত ঈষৎ হাহি ওলাল।

কাজীয়ে এইবাৰ সুধিলে হজুৰ আপুনি আপোনাৰ সম্পত্তিৰ কিমান ভাগ তেখেতক দিব।

সকলো—মোৰ যিমান আছে চৰ।

কাজী এইবাৰ হ'লে অচল অটল হৈ বহিল। আল্লা হজৰত চাওক আমি একৰাৰ নামা লিখিলে তাত এনেকুৱা কথা লিখিব

লাগিব যিটোৰ পৰা ভবিষ্যতত কোনো কন্দলৰ সৃষ্টি নহয়। চৰ্ত শব্দটোৰ কানুনগত কোনো অৰ্থ নাই। আমি বিধে বিধে বস্তুবোৰৰ তালিকা কৰি পেলাৰ লাগিব। কিমান আবাদী মাটি আছে অৱস্থান সহ তাৰ পৰিমান। তাৰ ওপৰত ঘৰবাৰী কিমান আছে মূল্যসহ তাৰ বৰ্ণনা। পানীৰ স্বত্বাধিকাৰ মাছমৰা অনুমতি পত্ৰ আৰু সেইবোৰৰ আনুমানিক মূল্য। তাৰোপৰি ঘৰত স্থাবৰ অস্থাবৰ সম্পত্তি ধন সোণ ৰূপ কাঁহোৰ উট ঘোৰা, খচ্চৰ আৰু দাস দাসী সকলো কথাবে বিতং বিবৰণ লাগে।

ওমৰে মহৰীক ক'লে লিখা আধিক মূল্যযুক্ত সকলো বস্তু।

কাজীচাহেবৰ এইবাৰ ধৈর্যচ্যুতি হ'ল।

হজুৰ এইবোৰ কি হৈছে! নিকাহৰ এনেকুৱা চত মই কোনেও কাহানিও দিয়া শুনা নাই। ঈশ্বৰে নকৰক যদি আগলৈ আপোনাৰ বেগম চাহেৱা সকলৰ মাজত সম্পত্তি লৈ কাজিয়া হ'বলৈ হয় তেতিয়া কি হব? এই চতইতো আপোনাৰ অন্য বেগমৰ স্বাৰ্থত আঘাত কৰিব। কোৰাণ হদিশত লিখা আছে যে প্ৰথম চাৰি গৰাকীয়ে—

ওমৰে কাজীচাহেবক কথা অন্ত কৰিবলৈ নিদিলেই। পিচফালে ঘুৰি ভৃত্যৰ হাতত থকা পিতলৰ থালখনৰ পৰা এমুঠি সোনৰ মুদ্রা লৈ কাজীচাহেবৰ দাড়ীয়া মুখ গহ্বৰত এটা এটাকৈ ভৰাবলৈ লাগিল। তাৰ পিছত কাষত বহি থকা দুই সাক্ষীৰ কোচলৈ এখামোচ এখামোচকৈ ৰূপৰ মদ্রা দলিয়াই দিলে। মহৰীৰ হাতৰ পৰা কবুলিয়তনামা লৈ ওমৰে সাক্ষীহতক চহী কৰিবলৈ ক'লে। পীৰ চাহেবে এক পিয়লা চৰত ঢালি দিলে মহৰীৰ কাৰণে। ওমৰে আঙুলিৰ পৰা খুলি এটা সোণৰ আঙঠি পেলাই দিলে চৰতৰ পাত্ৰত। সমবেত জনতাই জয়ধ্বনি কৰি উঠিল।

আপোনাৰ সোণ ৰূপৰ মুখ কাজী চাহেব। কাজীয়ে তেতিয়া খক মককৈ মুখৰ পৰা সোণৰ মোহৰবোৰ উলিয়াবলৈ ধৰিছিল। ওমৰে আকৌ ক'লে আপোনাৰ বহুত মেহেৰবাণী। নিকাহ হাচিল হৈছে। ওঁ ওঁ বীণ বজোৱা বাহী বজোৱা—আই ইমানদাৰ হে বন্ধু সকল তোমালোক সকলোৰে সম্মুখত মই ওমৰ খায়ামে মোৰ পত্নী গ্ৰহণ কৰিলো আজি।

ওমবে চাদব কামলৈ গৈ তলব আলিবাটলৈ জুমি চালে। আলিবাট ভেতিয়া দিন যেন পোহব। বজাবব সকলো মগনীয়া দবিদ্র দববেশ আৰু ল'বা ছোৱালীয়ে আলিবাটব ওপবত জুম পাতিছেহিঁ। বাঁহীত মধুব সুবব বাগিনী উঠিছিল। বীণব পবা প্রণয়-সঙ্গীতব সুব উঠিল।

ওমবে চিঞবি সুধিলে হে অতিথিসকল খোৱা পিয়া স্ফুর্তি কবা। কটি শেষ হলে কোনো পবোৱা নাই মিঠাই খোৱা। চবত শেষ হলে চিৰাজী খোৱা। আজিব দিনতো এনে কোনোবা আছেনে যাব মনত আনন্দ লগা নাই?

কোনো নাই হজবত। আমি বহুত বহুত খুচী। তলব পবা সমবেত কণ্ঠই চিঞবি উঠিল।

কাৰবাৰ এতিয়াও পেট নভবাকৈ আছেনেকি?

নাই নাই বোনো নাই।

তথাপি তোমালোকব গাত ভাল কাপোৰ নাই। থাকিবলৈ ঘৰ নাই। আজি অৱশ্যে তোমালোক কোনো মোৰ মান চহকী হ ব নোৱাবা। কাৰণ পৃথিৱীব সকলোতকৈ ডাঙব দৌলত মই আজি বিচাবি পাইছো। হাজাব চিৰাজী খালেও আজি তোমালোকব মোৰ সমান নিচা নেলাগে। কাৰণ আজি মই বেহেস্তব চিৰাজী পিছো। তথাপি তোমালোকব যাতে আজি অন্ততঃ একোবে অভাব নহয় তাব মই কিঞ্চিৎ ব্যবস্থা কবিম। —এই সেই থালখন উবুবিয়াই দে। তেওঁ সোণৰূপব মুদ্রাবোব লৈ ফুবোৱা ভৃত্যটোক হুকুম দিলে।

হজুব গোটেই থালখন।

ওমবে দুই হাতেবে থালখন দাঙি লৈ বাস্তালৈ বহলকৈ সিচি দিলে। উল্লাসৰ জনতাই মহোল্লাস কবি উবুবি খাই পবিল। উজ্জ্বল মোহব বাব লৈ জোটাজুটি থপিয়াথপি লাগিবলৈ ধবিলে।

ওমবে চাকিক দুই হাতেবে দাঙি ল লে। চাকিব সৰু শৰীব মৃদুভাবে কপিবলৈ ধবিছিল। ওমবব ডিঙিত তাই দুই হাতেবে সাবটি ধবিছিল।

আবদাল্লাই জনতাব মাজেদি তললৈ নামিবলৈ বাট উলিয়াই দিলে। ওমবে চাকিক লৈ আনি তলত বৈ থকা তাজিমব গাদীত বহুৱাই দিলেহি। সেই দোলাব আগে আগে বশাধাৰী সৈন্য। হাতে হাতে জোব লৈ আগত চাবিটা আৰু পাচত চাবিটা সৈন্য।

এইবোৰ মানুহৰ মাজতে ঠেলাঠেলি কৰি আজিলৈকে চাকিয়েও ভিক্ষা খুজিছিল। কিন্তু আজিৰ পৰা তাই চাহিব-ই আলিজান ওমৰ খায়ামৰ পত্নী। পাকা পোন্ত খুচ নচিব আৰু কাক বোলে।

স্তম্ভিত জনতাই সসম্মানে চৌদোলাৰ কাষৰ পৰা আতৰি পথ মুকলি কৰি দিলে।

আলহাম দুলিল্লা! খাজা ওমৰৰ জয় হওক।

চৌদোল লাহে লাহে আগবাঢ়িবলৈ ধৰিলে। জনতাই পুনঃ পুনঃ জয়ধ্বনি কৰিবলৈ ধৰিলে।

ৰহমত উল্লাহ আলাইহি! তেওঁৰ মঙ্গল হওক।

বাৰ কল্লাহ। ভগবানে উন্নতি কৰক।

জিন্দাবাদ হজৰত ওমৰ!

এজনী সৰু ছোৱালী হঠাৎ দৌৰি আহি চৌদোলৰ ওপৰত এখামোচ গোলাপৰ পাহি চতিয়াই দিলেহি।

বজাৰ পাৰ হৈ চলতানৰ সৈন্য শিবিৰত সোমাব খোজোতে দোলা ক্ষন্তেক ৰ'ল। এলেপ্পোৰ শাসনকৰ্ত্তা ফতে খানৰ হুকুমত পুৰা এক ফৌজ চিপাহী থিয় হৈ আছিল। ৰোডাযাত্ৰা ওচৰ পোৱাৰ লগে লগে সকলো সৈন্যই অভিবাদন জনাই আগত ৰঙীন নোমৰ চুলা লগোৱা হাতৰ দীঘল বশা ওপৰলৈ তুলি চাদিয়ানা বা বিজয়ো লাসৰ হা হা হা হা ৰৱ তুলি ৰাতিৰ আকা। কপাই তুলিলে।

লাহে লাহে চাকিৰ দোলা গৈ ওমৰ খায়ামৰ থকা ঘৰৰ সমুখ পালেগৈ। তাত বহুতো মুনিহ তিৰোতা আগৰে পৰা গোট খাই আছিল। ওমৰ অলপ একাষৰীয়া হৈ সেনাপতিজনৰ লগত থিয় হৈ আছিল। এনেতে নিজৰ ঘোৰা ওচৰলৈ চপাই আনি বেদুইন আবদাল্লাই ওমৰক কলে খাজা ওমৰ—এতিয়া মই বিদায় ল'ব খুজিছো। কুদ্দিস্তানৰ পৰ্ব্বতৰ মাজৰ মোৰ সৰু ৰাজ্যলৈ মই আপোনাক আৰু বেগম চাহেবাক নিমন্ত্রণ কৰি গলো।

ওমৰে পৰম বন্ধুত্বৰে আবদাল্লাৰ দুইহাত খামুচি ধৰিলে। তাৰ পিচত লাহে লাহে গালে ৰুবাই —

মে লাল মুজা ৰস্ত ও চুৰাহি কাণ অস্ত।
জিগাম অস্ত পিয়ালা ও চৰাবা। জান অস্ত॥
আনজামে বালাভৰিণ কে জে মায় খানদান অস্ত।

আশক ই-গুস্ত কে খুন দিলদার ও পিনহান অস্ত ।।

রঙা মুকুতা গলিলে যি রঙ হব সেই রঙেরে রঙীন তেজর মদিরারে পূণ আমার জীবন। আমার দেহা এটি পিয়লা মাথোন দোস্ত। সেই পিয়লার কানলৈকে বুদ বুদ তুলি উপচি থকা জীবন মদিরা। কত আনন্দ কত বিষাদ কত হাহি আরু কত বেদনা ৰ বুদ বুদ ভরা এই জীবন মদিরা। সেই চিরাজীর পাত্র ওঠলৈ তুলি ল বলৈ কুণ্ঠিত নহ বা। আদার ভাইজান।

আদার আদার খাজা ওমর। আবদাৰলার মুখত মিচিকিয়া হাহি।

ত্রিশ

পুনৰ ওমৰৰ মনৰ দিগন্ত মুকলি হৈ পৰিল। নতুন জীৱনোচ্ছাস আহিল নতুন ৰং-ৰূপ-ৰস আহিল। বিপুলা এই ধৰণীৰ ক্ষুদ্ৰবৃহৎ সকলো বস্তুৰ একোটা সাৰ্থকতা বিচাৰি পালে। তিনিবছৰৰ এই মত্ত কলন্দৰী ভ্ৰমণৰ পাচত জিৰণি আহিল শান্তি আহিল। লগে লগে তিনিবছৰৰ সকলো দুঃখ কষ্ট দুশ্চিন্তা ওমৰে এটা কুস্বপ্ন বুলি পাহৰি পেলালে।

তম্বুৰ প্ৰবেশ পথৰ কাষৰ মজিয়াত ওমৰ পৰি আছিল। কাষত চাকি। চাকিৰ ঘন কেশগুচ্ছ ওমৰৰ হাতৰ মুঠিত। তৰাৰ পোহৰত চাকিৰ বগা মুখখন জিলিকি উঠিছিল। হাতীদাঁতৰ দৰে শুভ্ৰ হাত দুখন কাপোৰৰ মাজৰ পৰা ওলাই আছিল। তাইৰ ঠোপনি আহক বুলি ওমৰে মনে মনে তাইৰ ওচৰত বহি আছিল। কিন্তু কাপোৰৰ তলত তাইৰ নিশ্বাস প্ৰশ্বাসৰ গতি তেতিয়াও খৰ। তুমি শোৱা নাই নেকি চাকি? এয়া বতাহত ৰাতিপুৱাৰ গন্ধ আহিল। ৰাতি যে শেষ হৈ আছিল!

ডাৱৰ কলা ঘন চুলিৰ মাজত তাইৰ মুৰটো ওমৰৰ ফালে ঘৰিল ওমৰ ঠোপনি মোৰ অহা নাই। মোৰ ইমান সুখ হৈছে। মই মোৰ সুখৰ মুহূৰ্তবাৰ গণিছো মাথোঁ।

অলপ সময় ৰৈ তাই আকৌ কলে।

বহুত এন্ধাৰ আহিল আৰু গল। কত ৰাতি আকাশলৈ চকু মেলি চাই দেখিছো জাক জাক তৰা ডুব গৈছে।—কতদিন তোমাৰ কথা ভাবি অতিবাহিত কৰিছো। ওমৰ মোৰ কিন্তু এতিয়াও ভয় লাগিছে। কিজানি আকৌ তোমাৰ ওচৰৰ পৰা মই আতৰি যাব লগা হয়।

আৰু কাহানিও নহব চাকি। পুনৰ সেই নিচাপুৰ। পুনৰ সেই তৰাৰ ঘৰ। চুলতানৰ পৰা মই যাবলৈ অনুমতি লম।

পাৰিবা? ওঁ তুমি পাৰিবা। তুমিতো আজিকালি খুব প্ৰভাৱশালী লোক। মোক ইমানবোৰ দামী দামী বস্তু দিছা তুমি। মই তেনেহলে আৰু এলেকে পাৰ ভিক্ষাৰিণী নহয়।

ওমবে মৰমেবে তাইৰ হাতখন তুলি ললে।

জানে মন তুমি জানা—যোৱা দীৰ্ঘ তিনিবছৰ জুৰি মোৰ আত্মাই যন্ত্ৰণাত ছাটিফুটি কৰিছিল।

সিয়ে বৰ শক্তিশালী আত্মা ওমৰ।

গভীৰ আশ্বাসেৰে চাকিয়ে তাৰ পিচত বহুত কথাই কলে। সেই নিচাপুৰ নগৰৰ দুয়োৰে সোণালী শৈশৱৰ পৰা আজিলৈকে। চাকিৰ আৱেশী কণ্ঠত অলেখ স্বপ্ন। কিন্তু যেতিয়া তাই পুনৰ দুখৰ কথাবোৰ আৰম্ভ কৰিলে তেতিয়া ওমবে তাইৰ ওঁঠৰ ওপৰত দুটা আঙুলি ৰাখিলে।

সেইবোৰতো পুৰণি হৈ গল চাকি।

একমাত্ৰ যন্ত্ৰণা নতুন হৈ থাকিল।

ওমবে তাইৰ শীৰ্ণ কৰুণ মুখখনলৈ গভীৰ মমতাবে এবাৰ চালে। জীৱনৰ ধুমুহাই তাত দাগ পেলাই গৈছে। ওমবে তাইক কলে চাকি সৌৱা চোৱা পুবফালে ধৱলী উষাই হাতত পোহৰৰ তৰোৱাল লৈ এন্ধাৰ খেদিছে। দুখ নকৰিবা—প্ৰেয়সী মোৰ। এইটো আমাৰ নতুন পুৱা। কেৱল আমাৰ। ইয়াৰ পোহৰ পৰশত তোমাৰ জীৱন উজলি উঠক। জানা ইয়াৰ পিচত ঠিক এনে এটা পুৱা আমি আৰু কাহানিও নেপাম।'

আৰু কাহানিও নেপাম ওমৰ।

এতিয়া উঠা মই যে যাত্ৰাৰ প্ৰস্তুতি কৰিব লাগিব।

আৰু অলপ সময় বোৱা। সোণালী পোহৰৰ প্ৰথম পৰ। তোমাৰ মুখত পৰক। মোৰ যে সেইটো মুহূর্ত গণিবলৈ এতিয়াও বাকী ওমৰ।

একত্রিশ

চুলতান মালিকশ্বাহ তেতিয়া এলেপ্পোৰ সমীপৱৰ্ত্তী গাহাৰী দুৰ্গ আৰাৰাততে সসৈন্যে বাস কৰিছিল। ইতিমধ্যে জেৰুজালেম অভিযান শেষ হৈছে। কিন্তু আৰবৰ পৰা মিছৰৰ খলিফাৰ শেষ প্ৰতাৱৰ্ত্তিনি ধুই পেলাবলৈ চলতানে আৰবৰ হিজ্জাজ য়েমেন হাড্রামট আৰু য়ুনানৰ শাসনকৰ্ত্তাৰ লগত তেতিয়া যোগাযোগ কৰি আছিল। সুদূৰ নিচাপুৰৰ পৰা নিজামে চুলতানলৈ বিভিন্ন সলা-পৰামশ দি চিঠি পত্ৰ লিখি আছিল।

ওমৰ গৈ কুনিশ কৰাৰ লগে লগে মালিকশ্বাহে কামৰ কথা উলিয়ালে। অন্যান্য পাৰিষদবৰ্গ আছে যদিও ওমৰ খায়াম নথকা কাৰণে চুলতানৰ বাৰে বাৰে অসুবিধা হৈছে। তাৰোপৰি কিছুমান কামৰ লক্ষণ নিণয় কৰা আৰু শুভক্ষণ গণনা কৰা কাম ওমৰৰ বাহিৰে অন্য জ্যোতিষীয়ে কৰিলে চুলতানৰ সন্তোষ নহয়। ওমৰে যেতিয়া নিচাপুৰলৈ যাবলৈ অনুমতি বিচাৰিলে তেতিয়া চলতান আচৰিত হ'ল।

নিচাপুৰলৈ ইমান সোনকালে কিয়?

জাহাপনা মোৰতো গণনাৰ সময় আছিল। এই এক বছৰে তৰাঘৰত মোৰ সহকাৰীহতে প্ৰাৰম্ভিক গণনাবোৰ শেষ কৰিছে। আল্লাৰ মজ্জি হ'লে মই নতুন তাৰিখনামা সোনকালেই প্ৰস্তুত কৰি উলিয়াৰ পাৰিম।

মালিকশ্বাহে মূৰ দুপিয়ালে। কিন্তু ওমৰে আৰু কিবা ক'বলৈ ধৰোতেই হাত দাঙি ৰখাই ক'লে মুতেনজ্জিম কেইদিনমান আগতে মই এটা সপোন দেখিলো। কোহ কামেলৰ সিফালৰ পৰা এটা ৰঙা তৰা ওলাইছে আৰু ঠিক তাৰ ওপৰতে এচপৰা ডাৱৰ। সেই ক'লা ডাৱৰ চপৰাৰ আকৃতি এটা মানুহৰ দৰে। এহাতে যেন এখন জোঙা তৰোৱাল লৈ আছে। কোৱাচোন এই সপোনে কি সূচাই।

ওমৰে ক্ষন্তেক সময় ৰৈ ক'লে সম্ৰাট দক্ষিণ-পশ্চিমত যুদ্ধ লাগিব। সাম্ৰাজ্যৰ ভিতৰতো শত্ৰু আছে।

মালিকশ্বাহৰ মুখলৈ স্বস্তি নামি আহিল।

দক্ষিণ পশ্চিমত আৰু কোন হব। মিছৰৰ সেই বদ্‌খেয়াল্‌ খলিফা। কিন্তু— মালিক শ্বাহৰ মুখখন কঠোৰ দেখা গল— মোৰ সাম্রাজ্যৰ ভিতৰত কোন শত্রু হব পাৰে?

শকত ডিঙিৰ ওপৰত অতীৰ সুন্দৰ পুৰুষালি চেহেৰা গম্ভীৰ হৈ পৰিল। বহল কান্ধৰ তলৰ সৰু শৰীৰত বলিষ্ঠ মাংসপেশীৰ লৌহজাল। চুলতান মালিক শ্বাহৰ ফালে চালে সদায় প্রশংসাৰ ভাব জাগে ওমৰৰ মনত। বাচ্চায়ে স্নেহ সিংহ শাৱক। মালিক শ্বাহৰ চকুত প্রশ্ন আৰু ক্রোধহে আছিল—উদ্বিগ্নতা নাছিল।

চলতানৰ পৰা যাবলৈ অনুমতি পোৱাৰ লগে লগে ওমৰৰ যাবলৈ তৰণি নোহোৱা হ ল। তেওঁ আহিয়েই বোজাৰাহী উট যোগাৰ কৰিলে। শৰীৰ ৰক্ষক অশ্বাৰোহী সৈন্য আনিলে। চাকৰহতে মাল বস্তু বান্ধি উটৰ পিঠিত তুলি দিলে। দুটা ঘোৰাৰ ওপৰত এখন চৌদোল বান্ধি দিয়া হ ল চাকিৰ কাৰণে।

এটা উটৰ পিঠিৰ হাওদাত পীৰ চাহেবক তুলি দি হাহি মাৰি ওমৰে ক লে পীৰ চাহেব দুবাৰ তুমি মোক জীৱন দিছা। এইবাৰ তোমাৰ জীৱন মোৰ জিম্মাত এৰি দিয়া।

পীৰ চাহেবে শান্তভাৱে ওমৰৰ ফালে চাই ক লে খাজা ওমৰ। আপোনাক মই এটা কথা মনত পেলাই দিব খুজিছো। আপুনি মৰুভূমিৰ সিংহৰ দৰে পৰাক্রমী। কিন্তু চাকি বৰ দুৰ্ব ল।

মোৰ মনত আছে পীৰচাহেব।

ইতিমধ্যে আৰাৰাত আৰু এঙ্গেপোৰ আমিৰ ওমৰাহসকল আহিল সু সজ্জিত ঘোৰাত উঠি। প্রত্যেকেই ওমৰৰ বেগমক নানা ধৰণৰ বহুমূলীয়া উপহাৰ দিলে। ওমৰক বেঢ়ি লৈ আকাশৰ ফালে চাই দিলে সেই চিৰাচৰিত চাদিয়ানা। সমবেত উদাত্ত পুৰুষ কণ্ঠৰ বিজয়োল্লাস ধ্বনি।

ওমৰে যাত্রা আৰম্ভ কৰিলে। ওমৰাহবৃন্দ ওমৰৰ লগে লগে গ ল আগবঢ়াই দিবলৈ।

কিন্তু সেইৰাতি চাকিৰ ঠাণ্ডা লাগি পুনৰ জ্বৰ উঠিল। তাই ৰাতি একো নেখালে। ওমৰ উদ্বিগ্ন হৈ পৰিল।

মোৰ দুখৰ শেষ নাই ওমৰ।" চাকিয়ে বেজাৰেৰে ক লে।

এই জ্বৰ ভাল হব। ভয় নেখাবা। ওমৰে বুজনি দিলে।

কোৱাত নদীৰ পাৱত ওমৰে পিচদিনা আহি শিবিৰ পাতিলেহি ৰাতিটোৰ কাৰণে। পাহাৰৰ গাতে লাগি নদীৰ শিলাময় পাৱত ওমৰৰ তম্বু। ৰাতিপুৱা ঘাটোৱাই মাৰনাত্তে সকলোকে নদী পাৰ কৰি দিব। তাৰ পিচত পুনৰ নিচাপুৰৰ পথ। একেই সেই পু�ৰাতন খোৱাচানী ৰাজপথ।

কেৰাজাপো কাপোৰৰ তলত জৰত বিতত হৈ পৰি আছিল চাকি। তাইৰ গাল দুখন ৰঙা পৰি আছিল। ওমৰে তম্বুৰ ভিতৰত ইটো সিটো কৰি থাকোতে তাইৰ চকুজোৰে নীৰৱে তেওঁক অনুসৰণ কৰিছিল। কিন্তু মুৰটো ইফাল সিফাল কৰোতে তাই বিষ অনুভৱ কৰে।

চোৱাচোন ওমৰ মই কিমান দুভগীয়া আৰু কিমান বেয়া পত্নী মই তোমাৰ। মইহে তোমাৰ আলপৈচান ধৰিব লাগে। অথচ তোমাৰ খেদ মতি কৰিবলৈ মোৰ কোনো শক্তি নাই। মোৰ বাবে কাম কৰিব লগা হৈছে তুমি। মোক মোৰ বিয়াৰ কাৰণে কিনা দামী দামী বস্তুবোৰ দেখুৱা।

তাইৰ মনটো ভাল লাগক বুলিয়েই ওমৰে তাইক ধুনীয়া ধুনীয়া বহমূল্য চাদৰ আৰু মণি-মুকুতা খচিত ওৰণিৰ কাপোৰবোৰ দেখুৱালে। সন্দৰ মহামূল্যবান অলঙ্কাৰবোৰ দেখুৱালে। তাই অন্যমনস্কভাৱে সেইবোৰ লিৰিকি বিদাৰি চালে। ধুনীয়া নীলা মণি খটোৱা চুলিত মৰা এপদ অলঙ্কাৰ উলিয়ালে ওমৰে। তাই সেইটো বুকুত সাবটি লৈ কলে ইঃ বৰ ধুনীয়া পাই। কালিলৈ মই মুৰ আচুৰি এইটো পিন্ধিম। নিচাপুৰৰ দুদত আমি এখন নাও ৰাখিম দেই। আমাৰ নিজৰ নাওঁ। তুমি আৰু মই তাত সদায় উঠিম। নাৱৰ দাতিয়ে দাতিয়ে বগা বগা জাক জাক ৰাজহাহ থাকিব।

তাৰ পিচতে তাই কিন্তু প্ৰলাপ বকিবলৈ ধৰিলে। তাইৰ চকুৰ দৃষ্টি অনিশ্চিত হ'ল। তীৰকঁপে জ্বৰ উঠিল। ওমৰে পীৰচাহেবক মাতি পঠালে। বুঢ়া দৰবেশে এবাৰ চাকিৰ মুখলৈ চায়েই আনফালে মুখ ঘুৰাই ল'লে।

ইয়ে মহাম্মাৰ!

ওঁহো নহয়—জ্বৰ—সাধাৰণ জ্বৰ। কালিলৈ পুৱাৰ আগতে জ্বৰ এৰিবই। ভালকৈ চোৱা পীৰ চাহেব।' ওমৰে কম্পিত স্বৰে কলে।

কৰিবলৈ একো নাই। মাত্ৰ প্ৰাৰ্থনা কৰিব পাৰি খাজাচাহেব।

ওৰে ৰাতি তম্বুৰ বাহিৰত চাৰিওফালে ডাঙৰ ডাঙৰ জুই ধৰি থোৱা হ'ল। ৰাতিৰ হিমচেচা নিয়ৰ যাতে নপৰে।

তম্বুৰ কাপোৰৰ বেৰত জুইৰ ৰঙা শিখাৰ ছাঁয়াই ঠেওকালি কৰি নাচিবলৈ ধৰিলে। ভিতৰত জৰৰ ঘোৰত অচেতন চাকি যন্ত্ৰণাত কাতৰ। খাটিয়াৰ কাষত আঠুকাঢ়ি শুশ্ৰূষাৰত ওমৰ আৰু তম্বুৰ এচুকত খোদাতাল্লাৰ প্ৰতি আকুল প্ৰাৰ্থনা কৰি বৃদ্ধ পীৰচাহেব।

শিখাবোৰ ডগমগীয়া অওঠা হ'ল। অওঠাও লাহে লাহে নিস্প্ৰভ হৈ পৰিল। ওমৰে ক'লে উঠা পীৰ চাহেব। ৰাতি জুলোৱা। চাকিয়ে কিবা ক'ব খুজিছে। জ্বৰ এৰিছে।

পীৰচাহেব থিয় হ'ল। হাতৰ মমদাল ওপৰলৈ তুলি ধৰি ওমৰ আৰু চাকিৰ ফালে চালে। চাকিৰ চকু তেতিয়াও জপোৱা। এখন হাতেৰে ওমৰৰ ডিঙিটো চুই আছে। মুখেৰে বিৰবিৰকৈ কিবা ক'ব ধৰিছে। ওমৰে মুখৰ কাষলৈ কাণ নি শুনিবলৈ যত্ন কৰিলে

ওমৰ—ওমৰ মোৰ সোণ মোৰ সোণ

এসময়ত চাকিৰ মুৰটো এফালে কাতি হৈ পৰিল। ওমৰে তেতিয়াও কাণ পাতি শুনিবলৈ যত্ন কৰিছিল। পীৰচাহেবে মমদানিটো মাটিত নমাই থৈ ওমৰৰ কাষত এখন হাত থলে।

খাজা ওমৰ।

ওমৰে আঙুলি এটা নিজৰ ওঁঠ দুটাৰ ওপৰত থৈ পীৰচাহেবক মনে মনে থাকিবলৈ ক'লে।

বিচমিল্লাহ! খাজা ওমৰ। ওমৰে পুনৰ চাকিৰ কপালত হাত দিলে। কপালখন তেতিয়াও গৰম। আতৰ মিহলোৱা পানীৰ চৰিয়াটো কাষলৈ টানি ওমৰে পুনৰ জলপটী দিবলৈ কাপোৰখন তিয়াই ললে।

খাজা ওমৰ! চাকিয়ে আৰু নাই।

এটা দুবোধ্য ভাষা শুনাৰ পিচত একো নুবুজাৰ দৰে ওমৰে পীৰ চাহেবৰ ফালে চাই থাকিল।

ওমৰৰ কাৰাভানৰ মানুহবোৰ জুইৰ দাঁতিয়ে দাঁতিয়ে শেহৰাতি বহি আছিল। কেউফালে সূচীভেদ্য অন্ধকাৰ আৰু ঘন নিজ্জনতা।

ফোৱাত নদীৰ ওপৰত কুঁৱলীৰ অস্পষ্ট বেশ। আকাশত আগৰ দৰেই লাখ লাখ তৰা। লাহে লাহে মৰুভূমিৰ বুকুৰ পৰা ধীৰ এজাক বতাহ বলিল।

বতাহত মিহি ধূলিবোৰ জলপ ওপৰলৈ উঠিল। তাৰ পিচত পুনৰ বক্তবৰ্ণ এক সম্য ওলাল। একেই ক্ষমাহীন উত্তাপ আৰু নিষ্ঠুৰ পোহৰ লৈ আগদিনাৰ দৰেই অগ্নিকুণ্ডৰ দৰে এক মৰুসূয্য।

পীৰচাহেৰ আহি ফুচফুচাই কথা পাতি থকা সৈন্যকেইজনৰ ওচৰত বহিলহি। সৈন্যহতৰ প্রশ্নৰ উত্তৰত পীৰচাহেৰে ক'লে।

এতিয়াও তেওঁ এযাৰ কথাও কোৱা নাই। এতিয়াও চাকিৰ মুদখাই থকা চকুযোৰৰ ওপৰত গোলাপজল চটিয়াইছে বাৰে বাৰে।

"মৰহুম ৰহিম এহ উল্লাহ। মৃতকৰ শান্তি হওক। কিন্তু হুজুৰ ওমৰে সেইদৰে থকা ভাল হৈছে জানো পীৰ চাহেৰ? মৰিছেতো অতি সংক্রামক ৰোগত।

তেওঁ এতিয়া মৃতদেহ কন্যাৰ সাজত সজাইছে। জিজহাতে বহুমূল্য ওৰণি বান্ধি দিছে মুখৰ ওপৰত।"

এটা বয়সিয়াল তুৰ্কী সৈন্যই ক'লে তাতকৈ খাজাচাহেৰে বুকু চপৰিয়াই কান্দা হ'লে ভাল আছিল।

সেইটো হয়। কিন্তু তেওঁৰ চকু চাহাৰাৰ দৰে শুকান। আই আল্লাহ! কিমান সুন্দৰ যে হৈছে চাকি দেখিবলৈ। সৌন্দয্য আৰু যৌৱনৰ যেন এক প্রতিমূর্ত্তি। যেন মৰুভূমিৰ এপাহ ফুল। ৰাতিৰ এজাৰত ফুলি উঠি পিচদিনাৰ নিষ্ঠুৰ ৰ দত যেন আকৌ মৰহি সৰি পৰিল। পীৰচাহেৰে ক'লে।

সৈন্যহত সন্তুষ্ট হোৱা নাছিল। এজোপা বনৰীয়া নাচপতি গছৰ তলত পীৰ চাহেৰৰ নিদ্দেশমতে এটা প্রকাণ্ড কবৰ খান্দিছিল সিহঁতে। সোণালী পদ্দা লগোৱা চৌদোলাখন তম্বুৰ ভিতৰলৈ নি থৈ আহিব লগা হৈছিল। অন্ধবিশ্বাসী সৈন্যবোৰৰ মনত মহামাৰীৰ ভয় সোমাইছিল।

কি দৰকাৰ! এটা সৈন্যই আপত্তিৰ সুৰত ক'লে। 'কত গাভৰু ছোৱালী বেমাৰত মৰে তাহলে সন্তান হবৰ সময়ত মৰে। সেইটোনো কি বৰ ডাঙৰ কথা। তকদিৰত যি লিখা আছে সেইটো হবই। খাজা ওমৰ নিশ্চয় পাগল হৈ গ'ল।

খং উঠি পীৰ চাহেৰে ক'লে চুপ।

সৈন্যটোৱে কিন্তু কৈয়েই থাকিল "টকাসিকা থাকিলে ছোৱালীৰ কি আকাল পৰিছে। মাত্ৰ আশীটা ৰূপৰ মুদ্ৰা দিলেই বচোৱা বজাৰত—"

পীৰ চাহেবে এইবাৰ গুজবি উঠিল চুপ! বুবক বেচৰম! তই কি বুজিবি সেইবোৰ কথা যি প্ৰেমে সুখীও কৰে আৰু দগ্ধও কৰে। সেইবোৰ তোৰ বাবে নহয়।

পীৰ চাহেৰ পুনৰ তম্বুৰ ভিতৰলৈ সোমাই গ'ল। ওমৰে নিজহাতে চাকিক চৌদোলাৰ ভিতৰত ওৱাই দিলে। চাকিৰ দুয়োকাষে ৰাশি ৰাশি মৰ ৰ উপহাৰৰ বস্তুবোৰ সজাই দিছিল সযতনে। তাৰ পিচত শেষবাৰৰ বাবে চাকিৰ কপালত এটা চুমাখাই পন্দাবোৰ পেলাই দিলে।

চাকি পুনৰ যাত্ৰাৰ বাবে সাজু। কিন্তু এই যাত্ৰা তৰাৰ ঘৰলৈ নহয়। তৰাৰ দেশলৈ। এয়া মহাযাত্ৰা।

ওমৰে তম্বুৰ মজিয়াত নিৰ্বাক নিস্পন্দ হৈ বহিয়েই ৰ'ল।

সৈন্যবোৰ লগত লৈ পীৰ চাহেৰ সোমাই গ'ল। দাসহতে চৌদোলখন দাঙি ল'লে। মানুহবোৰ ভয়ত কঁপিবলৈ ধৰিছিল। ওমৰ তেতিয়াও শিলৰ মূৰ্ত্তিৰ দৰে বহিয়েই আছিল। পীৰ চাহেবৰ নিৰ্দ্দেশ-মতে সিহতে জোটাপুটিকৈ চৌদোলখন নতুনকৈ খনা কবৰৰ ফালে কঢ়িয়াই লৈ গ'ল। বনৰীয়া নাচপতি গছৰ তলৰ কবৰত চৌদোল খন নমাই দিয়া হ'ল। তাৰ পিচত মানুহবোৰে দুইহাতেৰে মাটিবোৰ চপাই দিলে।

চাকিক কবৰ দিয়া হ'ল। চাৰিওফালৰ পৰা ডাঙৰ ডাঙৰ শিলবোৰ বগৰাই আনি কবৰৰ ওপৰত জাপি দিয়া হ'ল।

প্ৰত্যেক বছৰ ফল ধৰিবৰ সময়ত এই নাচপতি গছৰ পৰা কিছুমান ফুল সৰি পৰিব এই কবৰৰ ওপৰত। নিজেই সৰি নিজেই মৰহি যাব।

মানুহবোৰ আতৰি আহিল। সিহতে লৰালৰিকৈ উটৰ পিঠিত মালবস্তুবোৰ বোজাই দিলে। মোঁৰাবোৰ সাজু কৰিলে। উটৰ ডিঙিৰ ঘণ্টাবোৰ বাজি উঠিল। এনেতে ওমৰ তম্বুৰ পন্দা ঠেলি ওলাই আহিল। পাণ্ডৰীৰ আগটোৱে ওমৰৰ ওঁঠ দুটা ধকা। চকুত সেই স্থিৰ দৃষ্টি। অলপ সময় ওমৰে আচৰিত হোৱাৰ দৰে চাৰিওপিনে চালে—এই নদী—এই—মৰভূমি—এই আকাশ—এই কাৰাভান

তাৰ পিচত মানুহবোৰলৈ ওমৰে আদেশ দিলে এই তম্বুটোত জুই লগাই দে।

অবাক সন্ত্রস্ত মানুহবোৰে ওঁঠ-ঠোঁত জুই লগাই দিলে। ওমৰে আকৌ ক'লে তহত ইয়াৰ পৰা ওহি যা। আৰু কাহানিও কোনেও মোৰ সম্মুখত ধিয় নহবি। যাৰ জিম্মাত যি বস্তু আছে সেই বস্তু তাৰ। যা এতিয়া।

ওমৰৰ চকুৰ আগৰ পৰা ভয়ত কোঁচখাই পৰা মানুহবোৰ জৰা লৰিকৈ আতৰি যাবলৈ ধৰিলে। লাহে লাহে মানুহবোৰ মাৰ নাৰ্ত উঠি নদী পাৰ হৈ সিপাৰ নোহোৱা হৈ গ'ল। ধূসৰ পৃথিৱী এতিয়া বিস্তৃ। চকুৰ দৃষ্টি যিমান দূৰলৈকে যায় সিমান দূৰলৈকে বিস্তৃ। এই দিগন্ত প্রসাৰী বিস্তৃতাৰ মাজত কেৱল ওমৰ আৰু বৃদ্ধ পীৰ চাহেব।

এতিয়া ক'লৈ যাবা পীৰ চাহেব? ওমৰে অস্ফুটস্বৰে সুধিলে।

পীৰ চাহেব দৰবেশ। আজীৱন যাযাবৰ। দেশ বিদেশৰ অচিন অজান পথৰ দিগ্বিদিক সন্ধান কৰাই যাৰ জীৱনৰ ধৰ্ম সেই বৃদ্ধ গৃহহীন ভ্রমকৰ পোন প্রথমবাৰৰ বাবে এটা বুকুভগা হুমুনিয়াহ আহিল। বৃদ্ধই মুখেৰে একো নকলে। কিন্তু মনে মনে ভাবিলে কত যাম ওমৰ? চন্দ্র যে খালি হৈ গ'ল। হঠাতে পীৰ চাহেবৰ শৰীৰলৈ যেন পৃথিৱীৰ ক্লান্তি নামি আহিল।

ওমৰে ওপৰলৈ এবাৰ চালে। সূর্য্য তেতিয়া নৃশংস হৈ পৰিছে। এই যে তপ্ত বালুকাৰাশি তাৰ শেষ নাই। এই যে শীর্ণবক্ষী কিন্তু চিৰ প্রবাহমান ফোৰাত নদী—তাৰো শেষ নাই। শেষ হৈ গ'ল মাথো চাকিৰ। পৰভেজৰ আৰু চাকিৰ। হে আল্লাহ।

বত্রিশ

পুনৰ অকলশৰেই নিচাপুৰৰ তৰাৰ ঘৰ ওলালহি ওমৰ।

তৰাৰ ঘৰৰ বৈঠকত ওমৰৰ সহকাৰী খাজা মাইমুন-নাজিৰ অল্-ৰাচিতি হাত সাৱটি বহি আছিল। মুখৰ ভাব অসন্তুষ্ট। তেওঁৰ কাষত বহি আছিল উৰগান্দৰ নিৰীক্ষণাগাৰৰ পৰা অহা ওস্তাদ মোজাফৰ অল ইস্ফিজাৰী। বেৰৰ কাষত সৰু সৰু টেবুল আগত লৈ বহি আছিল আৰু ছয়জন সহকাৰী পণ্ডিত। ওমৰ অহাত সকলো আহি গোট খাইছেহি বছৰটোৰ নিজৰ নিজৰ কামৰ বিবৰণী দিবৰ বাবে। প্ৰত্যেকৰে সমুখৰ চাপৰ মেজত একোজাপ কাগজ।

শুকান কৰ্কশ মাতেৰে বৃদ্ধ মাইমুন চাহেবে তেওঁ এবছৰে কৰা বিভিন্ন গবেষণা কাম্যৰ বিবৰণী দি গৈছিল। গালিচাৰ ওপৰত অন্যমনস্ক ভাৱে পৰি ওমৰে শুনি গৈছিল। মাজত এটিও প্ৰশ্ন কৰা নাছিল। তাৰ মাজতে একোবাৰ গুণ গুণাই গানো ধৰে। মাইমুনচাহেবৰ খং উঠিছিল। তেওঁৰ ধাৰণা হৈছিল যে ওমৰৰ আগত তেনেদৰে কথা কৈ থাকো ত সহকাৰীহতৰ আগত তেওঁৰ মৰ্য্যাদা হানি হৈছিল মাত্ৰ।

অৱশেষত তেওঁ দীঘলীয়া বিৰতিৰ মোখনি মাৰি হঠাৎ মন্তব্য কৰিলে যে বাসন্তী সমদিনৰ দিনা সূৰ্যোদয় প্ৰতিষ্ঠিত সময়তকৈ তিনিঘণ্টা ন মিনিট পিচতহে হয়। লগে লগে ওমৰ সজাগ হৈ উঠিল।

তিনিঘণ্টা ন মিনিট।

মাইমুনে তলমূৰ কৰিলে। পেটে পেটে তেওঁ বৰ আশা কৰিছিল যে ওমৰৰ অনুপস্থিতিৰ কালছোৱাৰ ভিতৰতে সূৰ্য্যৰ উদয় আৰু অস্তৰ হিচাব কৰি তেওঁ সময় নিৰূপন সঠিকভাৱে কৰি উলিয়াব পাৰিব। সেই উদ্দেশ্য আগত ৰাখিয়েই তেওঁ পৰিশ্ৰমৰ অকনো ত্ৰুটি কৰা নাছিল।

ওমৰে অধৈৰ্য্যভাৱে চিঞৰি উঠিল এইবোৰ কি হিচাব হৈছে? জলঘড়ীটো হাতুৰীৰে কোবাই ভাঙি পেলোৱাচোন।

দৈনিক জলঘড়ী পৰ্য্যবেক্ষণ কৰাৰ ভাৰ আছিল ইস্ফিজাৰীৰ গাত। তেওঁ উপকৰে কৈ উঠিল খাজা ওমৰ জলঘড়ীৰ কোনো দোষ নাই।

ই গতানুগতিকভাবে সূর্যৰ লগত মাত্ৰ সোতৰ মিনিট সময়ৰ পাৰ্থক্য দেখুৱায়।

ওমৰ এইবাৰ অলপ আচৰিত হ'ল।

তেনেহ'লে বছৰৰ ভিতৰত ছয়ঘণ্টা ওঠৰ মিনিট সময়ৰ পাথক্য হ'ল কেনেকৈ?"

আমাৰ দুৰ্কপাল আল্লা হজৰত।

বুজিছা তোমালোকে মোক্তাৰত লৰা পচুৱা বেছি ভাল। মই বজাৰৰ পৰা নটুৱা ল'ৰা দুটামান আনিম। নাচনী ছোৱালী কেইজনীমানো গোটাই আনিম সিহতেই যন্ত্রপাতিৰ কাম চাৰ পাৰিব। ঘোৱা আতৰ হোৱা মোৰ চকুৰ আগৰ পৰা।

একমাত্র মাইমুনৰ বাহিৰে সকলো সহকাৰী ওলাই গ'ল। মাইমুন হলে নীৰৱে শিলৰ মূর্ত্তিৰ দৰে অচল অটল হৈ বহিয়েই থাকিল।

যা আন। চিৰাজী আন। খাচ লাল চিৰাজী। ওমৰে আদেশ দিলে। দুটামান ভৃত্য লৰি গ'ল।

মাইমুনৰ ধাৰণা হ'ল যেন ওমৰ খায়ামক কিবা জিন পৰীয়েহে লগ্তিছে। তথাপি নিজৰ কথা প্রতিপন্ন নকৰাকৈ মাইমন নেযায়। ওমৰে মদিৰাৰ পিয়ণাত মুখ দি গোটেই পাত্র মদ খালে। তাৰ পিচত এখন কাগজ তুলি লৈ চকু ফুৰালে।

এইবোৰ টোকা কোনে ৰাখিছিল?

খাজাচাহেব মই নিজে এইবোৰ টোকা ৰাখিছো। কেৰাবাৰো ৰিজাই চাইছো। আপুনি কোনো ভুল নেপায়।

ওমৰে চকুফুৰাই চালে। তাৰ পিচত জাপৰ মাজৰ পৰা অন্য এখন কাগজ উলিয়াই লৈ চালে। তাৰ পিচত আৰু এখন চালে। তেওঁক অলপ চিন্তিত দেখা গ'ল।

তুমি কৈছা যে তোমাৰ হিচাবত কোনো ভুল নাই। ইপিনে ইঞ্জিফজাৰীয়ে কৈছে যে জলঘড়ীৰ কোনো গোলমাল নাই। তথাপি ইমান সময়ৰ পাথক্য গতিকে তোমালোক কোনোবা এজনৰ নিশ্চয় ভুল হৈছে। কাৰ ভুল হৈছে বাৰু?

মাইমুনে পুনৰ দৃঢ়ভাবে উত্তৰ দিলে ঘড়ীৰ কথা একেবাৰে সঁচা। প্রথমমাহৰ পৰাই জলঘড়ীৰ কোনো গোলমাল নাই। আৰু

মোৰ হিচাবো নিভুল। খাজাচাহেব আপুনি দূৰ হৈ যাবলৈ ক'লেই মোৰ হিচাব ভুল হৈ যেনায়।

তুমি টলেমীৰ নক্ষত্রতালিকা ব্যৱহাৰ কৰিছিলা?"

"নি চয়।

নিচাপুৰৰ অক্ষাংশৰ লগত মিলাই লৈছিলা? টলেমীৰ কৌণিক গণনা আলেকজেন্দ্রিয়াৰ পৰাহে কৰা হৈছিল।

সেই কথা মই জানো। খাজাচাহেবে নিজে চাই মনৰ সন্দেহ দূৰ কৰিবনে? এইখন মোৰামাহৰ সময়ৰ নিৰূপণৰ তালিকা।

এটা কলম তুলি লৈ ওমৰে সংক্ষিপ্তভাবে একাৰ মাইমুনৰ দুটা হিচাব মিলাই চালে। তাৰ পিচতহে ভেঙুৰ ভ্রু কোঁচ খালে।

হিচাব ঠিক আছে যেন দেখা যায়। নিচাপুৰৰ অক্ষাংশৰ হিচাবত তালিকা শুদ্ধ কৰা হৈছে। নক্ষত্রৰ উদয়াস্তৰ গণনাও নিভুল। আমাৰ জলঘড়ীৰো কোনো ধৰণৰ গোলমাল নাই। তথাপি একছৰত দুয়ঘণ্টা ওঠৰ মিনিট সময়ৰ পাৰ্থক্য ওলায়। —তোমাৰ কিবা ব্যাখ্যা আছেনে মাইমুনাচাহেব?

মাইমুনে লাহে লাহে মুৰ জোকাৰিলে মোৰ জাত কোনো কাৰণ নাই খাজাচাহেব।

টলেমীৰ নক্ষত্র তালিকাখন আনা।

টলেমীৰ প্রকাণ্ড নক্ষত্র তালিকাৰ কিতাপখন আগত মেলি লৈ ওমৰে মাইমুনৰ প্রথমখন টোকাৰ কাগজ তুলি ল'লে। তাৰ পিচত কাম আৰম্ভ কৰিলে। কাগজৰ ওপৰত দীঘল দীঘল যোগ বিয়োগ পূৰণ হৰণৰ স্তম্ভাকৃতি অঙ্কৰ শাৰীবোৰ বিয়পি পৰিল। মাজে মাজে ক্ষন্তেক বৈ ওমৰে কিবা ভাবে।

সময় অস্ত গ'ল। গবাক্ষপথেদি অহা বিদায়ী দিনৰ পোহৰ সঙ্কুচিত হৈ আহি আহি এন্ধাৰ হ'বৰ উপক্রম কৰিলত এটা ভৃত্য আহি বস্তিবিলাক জ্বলাই দিলেহি।

ৰাতি দ্বিতীয় প্রহৰ পাৰ হৈ গ'ল। ভৃত্যবোৰ আতৰি গৈ ৰাতিটোৰ বাবে জিৰণিত পৰিলগৈ। সহকাৰীবিলাক আগতে ঘৰাঘৰি গৈছিল। একমাত্র বৃদ্ধ মাইমুন। নিমাত নিথৰ হৈ বহি থাকিল। চকুত ফেচাৰ দৰে স্থিৰ সতর্ক দৃষ্টি। বস্তিত তেল কমি গ'লত মাইমুনে পুনৰ তেল ঢালি দিলে।

ওঁহো সেইটো হ'ব নোৱাৰে।" বুলি এবাৰ অস্ফুট স্বৰে কৈ উঠি পুনৰ অঙ্ক কষিবলৈ ধৰিলে।

পুনৰ প্ৰহৰ বাগৰি গ'ল। চতুৰ্থ প্ৰহৰ। তৰাৰ ঘৰৰ গবাক্ষ পথেদি ৰাতিপুৱাৰ ধৱলী পোহৰ সোমাই আহিল। ওমৰৰ অঙ্ক শেষ হ'ল। মাইমুনে সজাগ হৈ উঠি প্ৰশ্ন কৰিলে মোৰ হিচাবত কিবা ভুল পালেনে?

ওমৰে টলেমীৰ কিতাপৰ প্ৰথম পৃষ্ঠা আৰু শেষ পৃষ্ঠা পুনৰ চালে। তাৰ পিচত অস্ফুট স্বৰে ক'লে তোমাৰ গণনা নিভুল। গতিকে ছয়ঘণ্টা ওঠৰ মিনিটৰ অমিল স্বাভাৱিক বুলি প্ৰতিপন্ন হৈছে। তোমাৰ প্ৰথম অন্তভুক্তি আৰু শেষৰ অন্তভুক্তি দুইটাই সূৰ্যোদয়ৰ লগত ছয় ঘণ্টা ওঠৰ মিনিটৰ পাৰ্থক্য দেখুৱাইছে।

মাইমুন প্ৰথমবাৰৰ বাবে চকুৰ পলক পেলালে। তাৰ পিচত মুৰ দুপিয়াই ক'লে আদত হিচাব কোনো অমিল নাই।

ওমৰে হাতখন টলেমীৰ নক্ষত্ৰ তালিকাৰ ওপৰত থৈ সহজভাবে কলে ভুল আছে ইয়াত।

আগত ভূত দেখা হ'লেও মাইমুনে ইমান উচপ নেখালেহেতেন। বিস্ময়ত তেওঁ প্ৰায় বাকশক্তি হেৰুৱাই পেলাবৰ উপক্ৰম হ'ল। তাৰ পিচত অস্ফুট স্বৰে কৈ উঠিল খুদা না কৰ্দা— ঈশ্বৰে নকৰক— কি কৈছে আপুনি! টলেমীৰ নক্ষত্ৰ তালিকাত ভুল! অত শত শতাব্দীৰ পিচত—

ওমৰে পুনৰ সহজভাবে কলে এটা স্বাভাৱিক ভুল। চিৰন্তন ভুল—যুগে যুগে এই ভুল হৈ আহিছিল। কোনেও মাত্ৰ ভৱা নাছিল।

কিন্তু কেনেকৈ এনেকুৱা ভুল সম্ভৱ হ'ল?

ওমৰৰ চকুত ভাগৰ কিন্তু অপাৰ চিন্তা। মাইমুনৰ এই প্ৰশ্নত হাঁহি মাৰি ক'লে মাইমুনচাহেব কেনেকৈ হ'ল সেইটো জনা হ'লে আমি সেই ভুল শুধৰাব পাৰিলো হেতেন। কিন্তু আলেকজেন্দ্ৰিয়াৰ সেই মহাপণ্ডিত টলেমী বহু শতাব্দীৰ আগতেই কবৰত সোমাইছে।

অপৰিসীম বিস্ময় আৰু অবিশ্বাসৰ লগতে অপাৰ কৌতুহলে বুঢ়া মাইমুনৰ মুখখন আলোড়িত কৰিছিল। কাৰণ টলেমীৰ এই নক্ষত্ৰ তালিকা যুগ যুগ ধৰি জ্যোতিষীসকলৰ বেদ বুলি পৰিগণিত হৈ আহিছে। তাত এটা ভুল ওলোৱা আৰু নিচাপুৰৰ গগণচুম্বী জুমা মচজিদৰ

মিনাৰ খহি পৰা মাইমুনৰ মনত একে কথা। লাহে লাহে তেওঁলোকৰ আবিষ্কাৰৰ মন্মাথ মনৰ ভিতৰত উদয় হোৱাৰ লগে লগে বৃদ্ধ গণিতজ্ঞৰ মুখখন যন্ত্ৰণাৰে ভৰি পৰিল।

তেনেহ লে আমাৰ সকলো গণিত চৰ্চ্চা বৃথাই গ ল খাজাচাহেব। খাৰেমীৰ জীৱন জোৰা পৰিশ্ৰমৰ ফল আৰু আমি সকলোৱে প্ৰাণ পাত কৰি আবিষ্কাৰ কৰা সিদ্ধান্তসমূহ তেনেহলে আচলতে মূল্যহীন। আমি প্ৰস্তুত কৰা নক্ষত্ৰ তালিকাবোৰো তেনেহ লে একেবাৰে অসত্য— ভিত্তিহীন।

অস্থিৰ হৈ মাইমুনে ইফালে সিফালে চালে। চকুত বিস্ময় বিমূঢ় ভাব। তৰা ঘৰৰ শিলৰ মজিয়াখন এফালে দাং খাই গ লেও মাইমুন ইমান আচৰিত নহ লহেতেন। ওমৰৰ চকুৰ দৃষ্টি গভীৰ আৰু তীক্ষ্ণ।

ৰ বা মাইমুন। ইমান বিতত নহ বা। ভুলটো সামান্য।

কিন্তু তথাপিও সি ভুলেই।" মাইমুনে দৃঢ়ভাৱে কলে।

তাৰোপৰি এইটো পৌনঃপুনিক ভুল। প্ৰথমতে যি অমিল পোৱা গৈছে শেহতো সেইটোকে পোৱা গৈছে। গতিকে আমাৰ পৰীক্ষা নিভুল বুলি সাব্যস্ত হ ব পাৰে। তেনেহ লে এই যে অমিল আমাৰ গণনাত ধৰা পৰিল ইয়াৰ পিচফালে কি ৰহস্য থাকিব পাৰে?"

সকলো ৰহস্যৰ সচাৰ কাঠি একমাত্ৰ আল্লাৰ হাতত। মাইমুনে ক'লে।

সচাৰ কাঠি! মাইমুন সেই সচাৰ কাঠি যদি আমি পালোহেতেন! বাৰু কোৱাচোন টলেমীৰ দ্ৰাঘিমাংশ আৰু অক্ষৰেখাৰ গণনা সঠিকনে?

সঠিক বুলিয়েইতো আজিলৈকে জানি আহিছিলো। অন্ততঃ আজি নশ বছৰ ধৰি সঠিক বুলিয়েই পৰিগণিত হৈ আহিছে।

তেনেহলে সচাৰ কাঠি আছিল টলেমীৰ হাততে। সেই সচাৰ কাঠি হাতত আছিল বাবে তেওঁ শুদ্ধভাবে তেওঁৰ নক্ষত্ৰ তালিকা ব্যৱহাৰ কৰিব পাৰিছিল। কিন্তু তেওঁৰ বাহিৰে অন্য যি কোনোৱে তেওঁৰ নক্ষত্ৰ তালিকা ব্যৱহাৰ কৰিবলৈ গ লে ভুল কৰিবই। সেই সচাৰ কাঠি যদি আমি পাওঁ আমিও ইয়াক ব্যৱহাৰ কৰিব পাৰিম।

কিন্তু অকল অনুমানৰ ওপৰত এইবোৰ কথা নিভৰ নকৰে খাজাচাহেব। যদি এদাল চুলিও সত্য আৰু অসত্যৰ মাজত থাকে তথাপি অসত্য সত্য হ ব নোৱাৰে। মাইমুনে ক লে।

ওমখে স্তম্ভিত হৈ বৃদ্ধ বৈজ্ঞানিকৰ ফালে চালে। ওমৰৰ মনত মাইমুনৰ প্ৰতি সম্ভ্ৰম জাগিল। তাৰ পিচত কোমলভাৱে ক'লে।

মাইমুন তুমি প্ৰবীণ বৈজ্ঞানিক। তেতিয়া তোমাক কঠোৰ কথা কোৱা বাবে তুমি মোক মাফ কৰিবা। সত্য আৰু অসত্যৰ অনুসন্ধানৰ সঠিক পথ তোমাৰ কথাৰ মাজত মই বিচাৰি পাইছো আজি।

বিচমিল্লাহ!

ঠিক তুমি কোৱাৰ দৰেই এদাল চুলিৰ পাথক্য। নিচাপুৰৰ অক্ষাং। অনুসাৰে তুমি নক্ষত্ৰ তালিকাৰ অক্ষাংশ কিয় সলনি কৰি লৈছিলা?'

কাৰণ স্পষ্ট। টলেমীয়ে নক্ষত্ৰ গণনা কৰিছিল মিছৰৰ আলেকজেন্দ্ৰিয়াৰ পৰা। আমি কৰিছো নিচাপুৰৰ পৰা। দুই ঠাইৰ পৰা স্থিৰ তাৰকা সমূহৰ কৌণিক গণনা একে হ'ব নোৱাৰে।

আৰু যদি প্ৰশ্ন উঠে যে হয়তো টলেমীয়ে আলেকজেন্দ্ৰিয়াৰ পৰা নক্ষত্ৰ গণনা কৰাই নাছিল?

ওমৰে শান্তভাৱে সুধিলে। ওমৰৰ কথাত পনৰ আচৰিত হৈ মাইমুনে সুধিলে কিয় টলেমীৰ নিৰীক্ষণাগাৰ জানো আলেকজেন্দ্ৰিয়াতে নাছিল?

আছিল। আৰু আমাৰ ভুলো হৈছে সেইকাৰণেই।

মাইমুন একো নুবুজিলে। ক্লান্তভাৱে ক'লে এইবোৰ হ'লে মোৰ নিতান্ত বলিয়ালি যেন লাগিছে। ওমৰে কিন্তু দৃঢ়ভাৱে কৈ উঠিল।

ওঁহা টলেমীয়ে কেতিয়াও আলেকজেন্দ্ৰিয়াৰ পৰা এই নক্ষত্ৰ তালিকা গণনা কৰা নাছিল। এইবোৰ তালিকা তেওঁতকৈও আগতে অন্য এঠাইত অন্য এজন পণ্ডিতে গণনা কৰি উলিয়াইছিল। টলেমীয়ে আমি যেনেকৈ ইয়াক ব্যৱহাৰ কৰিছো তেনেকৈ ব্যৱহাৰ কৰিছিল মাত্ৰ। কিন্তু তেওঁ সেই অজান পণ্ডিতৰ বাসস্থান ক'ত আছিল তাক ভালদৰে জানিছিল। গতিকে তেওঁ অক্ষৰেখাৰ গণনা সঠিকভাৱে সলাই ল'ব পাৰিছিল। সেই কথাকে নজনাৰ বাবে আমাৰ গণনা আজি ভুল হৈছে।

মাইমুনৰ চকুজোৰ উজ্জ্বল হৈ উঠিল। কিন্তু তাৰ পিচতে তেওঁ আকৌ কোচ খালে। কি অদ্ভুত! তেওঁ ওমৰৰ কথাৰ যথাৰ্থতা

মুহূর্ত্ততে হৃদয়ঙ্গম কৰিলে। কিন্তু ওমৰে শতাব্দীৰ পিচত শতাব্দী ডুবি চলি অহা এই ৰহস্যৰ সমাধান হঠাৎ কেনেকৈ বিচাৰি পালে। ওমৰৰ নিচয় তেনেহলে কিবা অলৌকিক শক্তি আছে। খোদ নিজাম-উল মুল্কেও ওমৰৰ এই আচৰিত শক্তিৰ বিষয়ে একাধিকবাৰ কৈছিল। মাইমুন কিছুসময় তন্তক মাৰি থাকি তাৰ পিচত লাহে লাহে ক'লে।

নিশ্চয় কথা তেনেকুৱাই হ'ব খাজা ওমৰ। কিন্তু কোনে ক'ত কেতিয়া এই নক্ষত্ৰ তালিকা প্ৰস্তুত কৰিছিল তাক জানিবৰ কোনো উপায় নাই। হয়তো প্ৰাচীন বেবিলনৰ কোনোবা চেলডিয়ান গণিতবিদে ইয়াক প্ৰস্তুত কৰিছিল বা কোনো হিন্দু পণ্ডিতে বা কোনোবা গ্ৰীক জ্যোতিবিদে। কিন্তু টলেমীয়ে সেই কথা কাকো জানিবলৈ দিয়া নাছিল।

অলপ ভাবি ওমৰে ক'লে কোনে আৰু কেতিয়া কৰিছিল সেইটো ঐতিহাসিকৰ প্ৰশ্ন। কিন্তু ক'ত কৰা হৈছিল সেই কথা কেইদিনমানৰ ভিতৰতে মই তোমাক ক'ম। এতিয়া বৰ ভাগৰ লাগিছে। অলপ শুব লাগে কি কোৱা।"

গালিচাৰ ওপৰতে দীঘল দি পৰি ওমৰ শুবলৈ যোজা কৰিলে। ক্লান্তভাৱে মাইমুন তৰাৰ ঘৰৰ পৰা নামি আহিল। তলৰ মহলত সহকাৰীবৃন্দ আৰু অন্যান্য কমচাৰীক গোট খাই থকা দেখি মাইমুনে গহীনাই ঘোষণা কৰিলে।

মই আৰু খাজাচাহেবে এই ভুলৰ মূল ক'ত বিচাৰি পাইছো। ন শ বছৰৰ পাচত ভৌগোলিক টলেমীৰ নক্ষত্ৰ তালিকাৰ এটি ভুল মোৰ গণনাত ধৰা পৰিছে। মই আৰু খাজা ওমৰে এই ভুল অলপতে আতৰ কৰিম। কিন্তু এতিয়া মই বৰ ক্লান্ত। মোক এতিয়া বিশ্ৰামৰ প্ৰয়োজন।"

দুই হাতেৰে গাৰ দীঘল চোলাটো সামৰি লৈ মাইমুন চাহেব স্তম্ভিত সহকাৰীবৃন্দৰ মাজেদি ওছি গ'ল।

তাকে দেখি এক চকুচৰহাই মন্তব্য কৰিলে আও আজি বুঢ়াগ্ৰো লাল চিৰাজীৰ দুচোকমান পিলে হ'বলা।"

তাৰ পিচত কিছুদিন তৰাঘৰত সহকাৰীবৃন্দৰ অফুৰন্ত অৱসৰ মিলিল। কাৰণ ছায়াতল ক্ষেত্ৰত ছায়াদণ্ডৰ অৱস্থান গণনা আৰু জল

ঘড়ীৰে সূর্য্যোদয় আৰু সূর্য্যাস্তৰ সময় গণনাৰ বাহিৰে তৰাৰ গৰত অন্য কোনো কাম হোৱা নাছিল। মাত্ৰ ওমৰে দিনে ৰাতিয়ে পৰিশ্ৰম কৰিছিল। সহকাৰীহতৰ চকুত তেওঁৰ কাৰ্য্যক্ষমতা অদ্ভুত যেন লাগিছিল। মাজে মাজে ভাবিছিল ওমৰ কিজানি মানুহ নহয়। অকল ইনচান্ হলে ইমান কঠোৰ পৰিশ্ৰম কৰিব নোৱাৰে।

মাজতে গ্ৰন্থাগাৰৰ পৰা টলেমীৰ ভূগোলখন বিচাৰিলে। এবাৰ সকলো প্ৰাচীন গ্ৰীক জ্যোতিবিদৰ নামৰ তালিকা এখন প্ৰস্তুত কৰি উলিয়াই দিবলৈ ক'লে।

বেছিভাগ সময় তেওঁ নিমাতে কাম কৰে। কাগজত কিবাকিবি অঙ্ক লিখি পৰীক্ষা কৰি চাবলৈ মাইমুনৰ হাতত তুলি দিয়ে। মাইমুনে যন্ত্ৰৰ দৰে আগগুৰি একো বুজি নোপোৱাকৈ কৰিব'লৈ দিয়া নিৰ্দ্দিষ্ট কথাখিনি ভালদৰে কৰি দিয়ে। তেওঁ বুজিলে যে ওমৰে সময়ৰ পাৰ্থক্যৰ পৰা অক্ষৰেখাৰ দূৰত্ব বিচাৰি উলিয়াব খুজিছে। আৰু তাৰ পৰা আলেকজেন্দ্ৰিয়াৰ উত্তৰে বা দক্ষিণে কোনো সম্ভাব্য ঠাইৰ সন্ধান উলিয়াব খুজিছে য'ৰ পৰা নক্ষত্ৰ তালিকাত লিপিবদ্ধ যি কোনো তৰাৰ কৌণিক গণনা শুদ্ধ হয়। কিন্তু যি ঠাইৰ সন্ধানকে পোৱা নহওক লাগিলে সি সম্পূৰ্ণ আনুমানিকহে হ'ব। সঠিক বুলি সাব্যস্ত কৰা টান হ'ব। মাইমুনে ভাবিলে।

গণনাৰ অন্তত ওমৰে ক'লে সেই অজানা গণিতজ্ঞৰ নিৰীক্ষণাগাৰ আলেকজেন্দ্ৰিয়াৰ পৰা পাচডিগ্ৰী উত্তৰ অক্ষাংশৰ ওচৰাওচৰি কোনা ঠাইত হ'ব।

কিন্তু দক্ষিণৰ ফালে যে নহ'ব তাৰ কাৰণ?

এই কথা সচা যে আলেকজেন্দ্ৰিয়াৰ অক্ষৰেখাৰ দক্ষিণৰ ফালে কেৱল মৰুভূমি আৰু অচিনাকি পৰ্ব্বতমালা। ওমৰে মানচিত্ৰৰ সত্যতাৰ ওপৰত বিশ্বাস স্থাপন কৰা নাছিল। তেওঁ মাত্ৰ দেখুৱালে যে দক্ষিণে হ'ব নোৱাৰাৰ প্ৰধান কাৰণ এই যে নক্ষত্ৰ তালিকাত কৌণিক গণনা কৰি দেখুৱা অনেক নক্ষত্ৰকে আলেকজেন্দ্ৰিয়াৰ দক্ষিণৰ পৰা দেখা পোৱাই নেযায়। তেন্তে দক্ষিণৰ ফালে কেনেকৈ হ'ব?

মাইমুনে ক'লে নিচাপুৰ নগৰখনৰে অৱস্থান আলেকজেন্দ্ৰিয়াৰ পৰা উত্তৰে পাচ ডিগ্ৰী অক্ষাংশৰ ওচৰত। অকল নিচাপুৰেই নহয় এলেপ্পো বালবনগৰী অন্যান্য বহুতো নগৰ।

এটা সিদ্ধান্তলৈ দুয়ো আহিল যে তেওঁলোকে বিচৰা স্থান ভাৰতবষত নহয়। ই নিশ্চয় পশ্চিমত হ'ব। নিচাপুৰৰ পৰা পশ্চিমলৈ আনকি এলেপ্পোৰ পৰাও পশ্চিমে। কিন্তু সিমান পশ্চিমৰ প্ৰাচীন নগৰবিলাকৰ বিষয়ে একো নজনাৰ বাবে দুয়ো বিবুধিত পৰিল।

ওমৰ ইয়াৰ পিচত পুনৰ নীৰৱ হ'ল। মাইমুনে বেলেগে গণনা কৰিবলৈ ল'লে। কিন্তু ওমৰৰ সাহায্য নোলোৱাকৈ তেওঁ বিশেষ একো আগুৱাব পৰা নাছিল। মানচিত্ৰ খন সঠিক নহয় আৰু গ্ৰীক পণ্ডিত বিলাকৰ তালিকাখনৰ পৰাও একো গুৰুত্ব বিচাৰি নেপালে। বিফল হৈ মাইমুনে নামাজ পঢ়িবৰ বাবে বাহিৰলৈ ওলাই আহিল। ওমৰ কিন্তু বৈঠকখানাত বহি বহি কাম কৰিয়েই থাকিল।

চাকি জলোৱাৰ পাচত মাইমুন আহি দেখিলেহি যে ওমৰে সৰু মেজ এখনৰ ওচৰত বহি খুব মনোযোগেৰে টলেমীৰ কিতাপ খনকে চাই আছে।

আমি বিচৰা স্থান এচিয়া মাইনৰ পশ্চিমত হে হ ব মাইমুনচাহেব। সেই বিষয়ে মই এতিয়া নি চিত। ওমৰে ক লে।

কিন্তু সেইফালেতো কেৱল সাগৰৰ পানী। মাইমুনৰ কণ্ঠত হতাশৰ সুৰ।

ওমৰে মূৰ দুপিয়ালে।

আমাৰ সন্ধান একেবাৰে বৃথা হ ল খাজা ওমৰ।

উঁহো আমি সন্ধান পালো। কাৰণ প্ৰাচীন কালত সেই পিনৰ স্থলভাগত অলেখ নগৰ আছিল। সমুদ্ৰৰ মাজৰ দ্বীপবিলাকত সিচৰতি হৈ আছিল মাত্ৰ কেইখনমান। ওমৰে গ্ৰীক পণ্ডিতবিলাকৰ তালিকাৰ পৰা এটা এটাকৈ নামবোৰ কাটি যাবলৈ ধৰিলে। শেষত এটা নামত তেওঁ থমকি ৰ ল।

মাইমুন হিপ্পাৰেকাচ—বোদচ নগৰীৰ হিপ্পাৰেকাচে সহস্ৰ তৰাৰ অৱস্থান গণনা কৰি উলিয়াইছিল।

বৃদ্ধ মাইমুনৰ মুখৰ পৰা অস্ফুটস্বৰে কিবা এটা ফুটি ওলাল। তেওঁৰ ধমনীৰে এসোতা গৰম তেজ বৈ গ'ল। নশ বছৰৰ পুৰণি এটা ৰহস্য। এটা ঐতিহাসিক তথ্যৰো সন্নিবেশ হ'ল। বোদচৰ হিপ্পাৰেকাচে খ্ৰীষ্ট জন্মৰ এশ চৌৱিশ বছৰ আগতে এই নক্ষত্ৰ তালিকা প্ৰস্তুত কৰিছিল। চকুত অপাৰ আগ্ৰহ লৈ মাইমু ন কলে ঠিক—ঠিক টলেমীয়ে তেওঁৰ অন্ত মেজেস্তত হিপ্পাৰেকাচৰ আশী অধিক সহস্ৰ তাৰকাৰ কথা উল্লেখ

কৰিছে। যদি এই কথা সচা হয়—'

মই ভাবো এই কথাই সচা। এতিয়া আমি বোদচৰ অক্কবেণ্ডাৰ লগত হিচাপ কৰি এই তালিকা শুদ্ধ কৰি লব লাগিব।

তেনেহলে আমি বে লগে বেলেগে কৰাই ভাল হব। পেটে পেটে মাইমুনৰ এই নৱ আবিষ্কাৰৰ গৌৰৱৰ প্ৰতি লোভ আছিল।

তাৰ পিচতো তিনিদিন তেওঁলোকে পৰিশ্ৰম কৰিলে। খায় কম, শোৱে কম। বাগদাদৰ বৃদ্ধ পণ্ডিত মাইমুনে তেতিয়াবা কামৰ পৰা ক্লান্ত চকুজোৰ একোবাৰ তোলে। ওমৰ একো সময় খুব খৰচি কাম কৰে আৰু তাৰ পাচত কিলাকুটিত মুৰ থৈ বহু সময় জুৰি চিন্তাত নিমগ্ন হয়।

তিনিদিনৰ পিচত ওমৰে হাত ভৰি গোনাই থিয় হ'ল।

মাইমুন কাম শেষ হ'ল। আমি সিদ্ধান্ত বিচাৰি পালো।

মাইমুনে বিশেষ একো আওৰাব পৰা নাছিল। তেওঁ প্ৰকৃততে কাম আৰম্ভ কৰিছিলহে তেতিয়া। তেওঁ ক'লে 'ওহো এতিয়াও একো হোৱা নাই।

নহয় গণনা শেষ হৈছে এয়া চোৱা। ওমৰে মাইমুনৰ হাতত সিদ্ধান্তৰ লিপিকা তুলি ধৰিলে। এবাৰ চকু ফুৰাই চায়েই বৃদ্ধা গনিতজ্ঞৰ মুখত গৌৰৱৰ লোভৰ সলনি সিদ্ধান্ত লাভৰ আনন্দ ফুটি উঠিল।

অল কুদ কাবাৰ নামাত — গণনা এবদম সচা। এভিচেন্নাই নিজেও ইয়াতকৈ সঠিক হিচাপ দিব পোৱাৰিলেহেতেন। এভিচেন্নায়োতো এই ভুলৰ কোনো হদিশ পোৱা নাছিল। আমি এতিয়া টলেমীয়ে নিজে ব্যৱহাৰ কৰাৰ দৰে হিপ্পাৰেকাচৰ এই নক্ষত্ৰ তালিকা ব্যৱহাৰ কৰিব পাৰিম। আঃ খাজা ওমৰ! আবেগৰ আতিশয্যত বৃদ্ধ মাইমুনে ওমৰক সাবটি আলিঙ্গন কৰিলে।

মাইমুনে তৎক্ষণাৎ এই আবিষ্কাৰৰ সুখবৰ সহকাৰী আৰু বন্ধু চাৰীহতৰ আগত ঘোষণা কৰাৰ প্ৰস্তাব কৰিলে। এইখিনি খোচনাম ওমৰৰ প্ৰাপ্য। আনকি নিচাপুৰ নগৰৰ পণ্ডিতসকলৰ আগতো এই কথা এতিয়াই প্ৰচাৰ কৰা উচিত। কিন্তু ওমৰে আপত্তি কৰিলে।

তাৰ বাবে এতিয়াও সময় হোৱা নাই মাইমুনচাহেব। ইতিমধ্যেই আমি সময় গণনা কৰাটো উলেমাৰ চকুত দোষণীয় বুলি জনাজাত হৈছে। তেওঁলোকে কয় যে আমি তৰাৰ ঘৰত জিন ভূতৰ সহায়ত এইবোৰ কৰো। এতিয়া আমি এজন বিখ্যাতী গ্ৰীকৰ হিচাপ অনুযায়ী সময় গণনা

কবিছো বুলি জানিলে তেওঁলোকে কি কবে কোনে জানে। সেইবাবে আমাব কাম শেষ কবি চুলতানব হাতত তুলি দিব নোৱাৰালৈকে আমি মনে মনে থকাই ভাল।

সেই কথা ঠিক খাজা ওমব। মোল্লাসকলে ইতিমধ্যে মানুহব মাজত প্রচাব কবিছে সেইবোব কথা। মানুহে আমাব তৰা ঘবক ভাল চকুবে নেচায়। এদিন এটা মানুহ চয়তানব আস্তানা জ্বলি যাওক বুলি জুই একুৰা দলিয়াই দিছিল তৰাব ঘবলৈ। এদিন এজাক মানুহে বেড়ি ধবি মাৰব লব ছায়াদণ্ডদালৈ শিল দলিয়াইছিল। পিচত সৈন্য আনি সিহঁতক খেদাব লগা হৈছে। আমি জানি বুজি কাম কৰা ভাল।

কিন্তু এইদবে সময়ব গণনাব মৌলিক ভিত্তি নিদ্ধাবিত হোৱাব পিছতো ওমবব পবিকল্পিত তাবিখ নামাব কাম সমাপ্ত হবলৈ আৰু বহুত দিন লাগিল। ওমবে পবিশ্রম কৰা দেখি এটায়ে অবাক মানিলে। প্রবীণ গণিতজ্ঞ মাইমুন চাহেবব ওমবব প্রতি প্রগাঢ় আস্থা জন্মিল। অদ্ভুত লৰা অদ্ভুত। এদিন ইস্ফিজাৰীক কলেই বুজিছা খায়ামে যি ধৰণে পবিশ্রম কবে সেইটো কোনো সাধাৰণ মানুহে নোৱাবে। যদি মানসিক শক্তি শেহলৈকে অটুত ৰাখিব পাবে এদিন তেওঁ টলেমীকো অতিক্রম কবিব।

এই কঠোব মানসিক পবিশ্রমব মাজে মাজে কোনো কোনো সময়ত ওমব অন্যমনস্ক হৈ পবে। এপাহ ফুল এপদ অলংকাবব ওপবত মীনা কৰা দুটামান আখব প্রভাতী সুকুযব বোল লাগি হেঙুলীয়া হোৱা আকাশ অলিন্দ পথেবে সোমাই অহা শেহ সুকুযব ৰ দব বেঙা— কিবা এটা কেতিয়াবা চকুত পবিলেই ওমবব মনটো উৰা মাবে আমুদবিয়াব পাবব সেই কটুব মাটিত এৰি থৈ অহা চাকিব মবমী মুখখন। তিৰবিবাই থকা এযুবি চকু। ববি দবিয়াব ওপবব প্রণয় ভুক্ষাণব দবে কিচ কিচ ৰবে কলা চাকিব চুলিকোচা এটা স্নিগ্ধ হাহি। ওমব তৎক্ষণাত আনমনা হৈ পবে। তেতিয়া কামলৈ টানি আনে পিয়লা আৰু আফতাবা। মৰুভূমিব শুকান জুই মনব ভিতবত জ্বলিবলৈ ধবে। একমাত্র শান্তি মদত। যেতিয়া তুমি শুদ্ধ নোৱাবা তেতিয়া আশ্রয় লোৱা মদিবাব ৰাগীত। পাহবিবতো পাবিবা। ইমান শাস্ত ইমান ধুনীয়া আছিল চাকি কাব সপোনত

চাকি ধুনীয়া হৈছিল। প্রেম আৰু সৌন্দৰ্যৰ বাণী হৈছিল। কাৰ ক্রোধৰ বহ্নিত জ্বলি পুৰি গ'ল।

আকাশৰ বাশি বাশি তৰাৰ বহস্য সন্ধান কৰা গণিতৰ সূত্ৰ অধ্যয়ন কৰা ওমৰে এই প্রশ্নৰ উত্তৰ বিচাৰি নেপায়। গতিকে পাহৰি গেলোৱা। কিন্তু পাহৰি গেলোৱাৰ উগ্র যন্ত্রণাও সমানেই অসহ্য।

এটা বছৰ বাগৰি গ'ল। স্বয়ং মাইমুন আৰু ইস্ফিজাৰীৰ তত্ত্বাৱধানত তাৰিখনামাৰ গণনাৰ কাম আগবাঢ়িবলৈ ধৰিলে। দুয়ো ৰৰ সন্তুষ্ট হ'ল এইবুলি যে তৰাৰ ঘৰৰ জ্যোতিৰিদ সকলে পোৱা নতুন তথ্যবোৰ পুৰে তেওঁলোকে আহৰণ কৰা তথ্যবোৰৰ লগত হুবহু মিলি গ'ল। সূযোদয় আৰু সূয্যাস্তৰ সময় প্রতিদিনে নিৰ্দ্দিষ্ট তৰাৰ উদয়াস্তৰ সময়ৰ লগত জলঘড়ীৰ হিচাবমতে নিত লভাৱে মিলি গ'ল।

এই কাৰণে সকলোৱে একবাক্যে এটা সিদ্ধান্তলৈ আহিব পাৰিলে যে প্রত্যেক সৌৰ বছত তিনিশ পয়ষষ্ঠি দিন থাকিব লগতে আৰু পাচ বা ছয় ঘণ্টা। প্রাচীন মিচৰীয় সকলৰ চন অনুক্রমতো তিনিশ পয়ষষ্ঠি দিন আছিল। কিন্তু প্রত্যেক মাহতে ত্রিশ দিনকৈ বাৰ মাহ হিচাব কৰাৰ পাচত বাকী পাচ দিন থৱলৈ অন্য উপায় কৰিব নোৱাৰি বছৰৰ অন্তত সেই পাচদিন উৎসৱৰ দিনবুলি থৈ দোষ সাৰিছিল। ইচলামৰ চান্দ্রমাহ মতে বছৰত হয় মাত্র তিনিশ চৌৱন্ন দিন। হিন্দুসকলৰ চান্দ্রমাহ গণনাতো সেয়েই।

গতিকে ওমৰৰ এই নতুন সৌৰ কেলেণ্ডাৰৰ কাৰ্য্যকাৰিতা বহুগুণে নিভৰযোগ্য। প্রশ্ন হ'ল এই ওপৰঞ্চি ওলোৱা পাচ ছয় ঘণ্টা সময় ক'ত ধৰা হয়।

ইস্ফিজাৰীয়ে অলপ কুণ্ঠিতভাৱে এবাৰ এটা পৰামশ আগবঢ়ালে যে এই পাচ ছয় ঘণ্টা সময় মানে এটা দিনমানৰ এক-চতুৰ্থাংশ। সেই হিচাব কৰি প্রতি চতুৰ্থ বছৰে এটা দিন বঢ়াই ধৰিলেই হয় দেখোন।

কিন্তু ওমৰ আৰু মাইমুন উভয়ে তেওঁক ক'লে যে এই তাৰিখ নামাতো চাৰি বছৰৰ কাৰণে প্রস্তুত কৰা হোৱা নাই। চিৰকালৰ বাবে কৰা হৈছে। গতিকে ই নিৰ্ভুল আৰু সকলো প্রকাৰে সংশয়মুক্ত হ'ব লাগিব। গতিকে আৰু এবছৰ ধৰি পুনৰ সতৰ্ক অনুশীলন

চলিল। ফ'ৰবাত কিবা ভ্ৰান্তি ধৰা পৰিব পাৰে। এইবাৰ ওমৰ নিজে থাকিল প্ৰত্যেক তথ্য আহৰণত।

তাৰাৰ ঘৰৰ এই কৃতকাৰ্য্যতাৰ কাহিনী অলপ অলপকৈ বিয়পি নিচাপুৰৰ ধৰ্ম্মৰ গুৰিয়াল মোল্লাসকলৰ কাণত পৰিলহি। ৰক্ষণশীল মোল্লাসকলৰ মাজত অসন্তোষৰ গুণগুণনি উঠিছিল। সদৰ-ই মুনাজ্জিম ওমৰে কাফেৰৰ মন্ত্ৰপাতি ব্যৱহাৰ কৰিছে আৰু কাফেৰৰ কিতাপ পত্ৰৰ ওপৰত ভিত্তি কৰি সময়ৰ গণনা কৰি ধৰ্ম্মৰ নিয়ম ভঙ্গ কৰিছে। বজাৰত জোৰ জনৰৱ উঠিল যে নানা তন্ত্ৰ-মন্ত্ৰৰ যোগে ওমৰে গোৰস্থানৰ প্ৰেতাত্মাবিলাকৰ লগতো যোগাযোগ কৰে। এইবোৰ জনৰৱলৈ মাইমুন বা ওমৰ কোনেও কাণ কৰা নাছিল। দুই নবীন প্ৰবীন গণিতজ্ঞই গণিতৰ সাগৰত উটিবুৰি ফুৰিছিল।

ইতিমধ্যে ওমৰে নতুন এক সমস্যাৰ সমাধানত ব্যস্ত হৈ পৰিছিল। টলেমীৰ নক্ষত্ৰ তালিকা যে বোডচৰ হিপ্পাৰ্কোচৰ গণনাৰ ওপৰত ভিত্তি কৰিহে নিৰ্ণয় কৰা হৈছিল এইকথা সাব্যস্ত হোৱাৰ পিছত ওমৰে হিপ্পাৰ্কোচৰ অন্যান্য গ্ৰন্থাৱলীও আগ্ৰহেৰে পঢ়িবলৈ ধৰিলে। তাৰ মাজৰ পৰা এক নতুন সমস্যা আহৰণ কৰি তাৰ অনুসন্ধানত লাগি গ'ল। কেলেণ্ডাৰৰ সময় গণনা চলি থকাৰ মাজতে ওমৰে এই সিদ্ধান্তৰ অন্বেষণত লিপ্ত হৈছিল। ওমৰৰ এই কাৰ্য্য দেখি মাইমুন বৰ বিস্মিত হৈছিল। কেনেকৈনো এটা কঠিন কাম শেষ নো হওঁতেই অন্য এটা কাম হাতত ল'ব পাৰি সেইটো মাইমুনৰ জনা নাছিল। ইস্ফিজাৰীক এই কথা বুঢ়াই এদিন ক'লে তেওঁযে চন্দ্ৰ-গ্ৰহণ সম্বন্ধীয় কিবা এটা অন্বেষণত ব্যস্ত সেই বিষয়ে সন্দেহ নাই। কিন্তু অঙ্কবোৰ কৰিছে তেওঁ জ্যামিতিৰ সহায়ত। তদুপৰি কাল্পনিক অনন্ত মূল্যযুক্ত সংখ্যা তেওঁ ব্যৱহাৰ কৰিছে নিজৰ গণনাত।"

কাল্পনিক সংখ্যা!" ইস্ফিজাৰীয়ে হাঁহি ক'লে মোৰ মূৰত নোসোমায় দেই সেইবোৰ সংখ্যা। বাস্তৱ মূল্যযুক্ত সংখ্যায়েই মোৰ মূৰ ঘুৰায়।

লগতে ব্যৱহাৰ কৰিছে চিফৰ।

তাৰ মানে শুন্য?" ইস্ফিজাৰী এইবাৰ বৰ আচৰিত হ'ল। একাদশ শতিকাৰ মুছলিম গণিতজ্ঞসকলে চিফৰ বা শুন্যৰ ব্যৱহাৰ জানিছিল যদিও গণনাত তাৰ বহল ব্যৱহাৰ তেতিয়াও হৈ উঠা নাছিল।

সেই সময়ত ইউৰোপৰ গণিতজ্ঞসকলে শুন্যৰ ব্যৱহাৰ শিকাই নাছিল। গ্ৰীকসকলে শুন্য অৱশ্যে আগতেই আবিষ্কাৰ কৰিছিল। গ্ৰীকসকলে আলেকজেণ্ডাৰৰ অভিযানৰ সময়ত শুন্যৰ ব্যৱহাৰ ভাৰতীয়সকলৰ পৰা শিকা বুলিও শুনা যায়। আনহাতে শুন্যৰ সিপাৰেও অলেখ কাল্পনিক সংখ্যা বৰ্ত্তমান। সেইবোৰৰ কিছুমান ইতিবাচক আৰু কিছুমান নেতিবাচক। সমসাময়িক ইউৰোপত সেইবোৰ কথা তেতিয়াও ভালদৰে প্ৰচলিত হোৱা নাছিল।

সহকাৰীসকলৰ এই ধৰণৰ ধাৰণাৰ ফলত ওমৰৰ বিষয়ে বহুতো জনৰৱ প্ৰচাৰ হৈছিল। মানুহৰ স্বভাৱেই এনে। যিখিনি নিজৰ জ্ঞান-বুদ্ধিৰে চকি নেপায় সেইখিনি কল্পনাৰে পূৰণ কৰে।

এটা বছৰ আকৌ তৰাৰ ঘৰৰ গৱেষণাগাৰত পাৰ হৈ গ ল। ওমৰৰ নতুন কেলেন্দাৰৰ হিচাৰ মতেই অধ্যয়নাগাৰৰ অলিন্দ পথেদি তিনিশ পয়ষষ্ঠিবাৰ বেলিয়ে ডুমকি মাৰিলে আৰু অদৃশ্য হ ল। ওপৰঞ্চি পাচঘণ্টা আঠচল্লিশ মিনিট পঞ্চল্লিচ চেকেণ্ড সময় সঠিক বুলি চূড়ান্ত ভাৱে সাব্যস্ত কৰিলে ওমৰ আৰু মাইমুনে। এই ওপৰঞ্চি সময়খিনি এক দিনৰ এক চতুৰ্থ শতকৈ অলপ কম। মাইমুনে ক লে যে এই পাৰ্থক্য পৰিপূৰণ হ ব উনত্রিশ বছৰত সাতদিন বঢ়াই ধৰিলে। ওমৰে কিন্তু হিচাব কৰি দেখুৱালে যে তেত্রিচ বছৰত আঠ দিন বঢ়াই ধৰিলেহে তেনে হ ব।

ওমৰে তেতিয়া তেওঁৰ কেলেণ্ডাৰৰ চড়ান্ত পাণ্ডুলিপি সম্পূৰ্ণ কৰি লিপিবদ্ধ কৰিলে।

যথাসময়ত নতুন তাৰিখ নামাৰ চূড়ান্ত পাণ্ডুলিপি ওমৰে নিজাম-উল মুল্কৰ হাতত তুলি দিলে। নিজামৰ গুৰুগম্ভীৰ মুখমণ্ডলত স্বৰ্গীয় হাঁহি বিৰিণ্ডিল। সুপণ্ডিত নিজামে বুজিছিল সেই নতুন কেলেণ্ডাৰৰ মূল্য কিমান। ভক্তিভাৱে দুই হাতৰ অঞ্জলি ওপৰলৈ তুলি ঈশ্বৰক প্ৰতি ধন্যবাদ জ্ঞাপন কৰিলে নিজামে—

বিচমিল্লাহিৰ ৰহমানিৰ ৰহিম। পৰম কৰুণাময় পৰম ক্ষমাশীল ঈশ্বৰৰ নামত। ওমৰ তোমাৰ হুকুমেই আল্লাহতালাই নিজৰ ইচ্ছাকে পূৰণ কৰিলে মাথোন।

নিজামে তৎক্ষণাৎ ৰাগৰ পাতত সোণৰ আখৰেৰে লিখাই সেই পাণ্ডুলিপিৰ এটা নকল কৰালে। প্ৰত্যেক পাতৰে ওপৰত সোহাঁতৰ কোণত দিলে ড্ৰেগনৰ ছবি। ৰঙা ড্ৰেগনৰ ছবি চেলজুক ৰাজবংশৰ প্ৰতীক।

চুলতান মালিকশ্বাহ খুব সন্তুষ্ট হ'ল। তেতিয়া নিজামে ক'লে যে এতিয়াৰ পৰা সময়ৰ হিচাব এইদৰে হ'ব লাগিব। তেতিয়া ৰজাই নিজামৰ পৰামৰ্শমতেই নিৰ্দ্দেশ দিলে যে ইয়াৰ পিচৰ বাসন্তী সমদিনৰ দিনা—যি দিনা দিন আৰু ৰাতি সমান সমান হ'ব—সেই দিনাৰ পৰাই নতুন জালালী চন-অনুক্ৰম বা অব্দ গণনা আৰম্ভ হ'ল বুলি ঘোষণা কৰা হ'ব। লগে লগে পুৰণি সকলো ধৰণৰ চন-গণনা ৰাজকীয়া কাৰ্য্যত ব্যৱহাৰ হ'ব নোৱাৰিব। প্ৰকৃততে কেলেণ্ডাৰৰ কথা ৰজাই বিশেষ একো বুজা নাছিল। কিন্তু ওমৰৰ হিচাবৰ ওপৰত ৰজাৰ এনে অগাধ বিশ্বাস আছিল যে ওমৰে কৰা সকলো গণনা নিশ্চয় তেওঁৰ মঙ্গলৰ কাৰণেহে হ'ব বুলি তেওঁৰ দৃঢ় ধাৰণা হৈছিল।

তাৰ পিচৰ শুক্লপক্ষতে বাসন্তী সমদিনৰ দিনা চুলতানৰ খাচ মহলৰ সমুখৰ প্ৰাঙ্গনত জমায়েত হ'ল বিশাল জনতা। প্ৰধান প্ৰধান বিষয়া সকল আহিল। দেশ বিদেশৰ পণ্ডিতসকল আহিল। মাদ্ৰাছাৰ ইমামসকল আহি নিজৰ নিজৰ নিৰ্দ্দিষ্ট আসনত উপবিষ্ট হ'লহি। চুলতানৰ বিশাল সৈন্যবাহিনীৰ কুচকাৱাজ চলিল পূৰ্ণোদ্যমে। সেই উৎসৱমুখৰ পৰিবেশত সম্ৰাট জালালুদ্দিন মালিকশ্বাহৰ সিংহাসনত আৰোহন কৰাৰ দিন ধৰি ইছলাম জগতৰ সৰ্বপ্ৰথম সৌৰ চন অনুক্ৰমৰ তাৰিখনামা বলবৎ হোৱাৰ কথা ঘোষণা কৰা হ'ল।

ঘন ঘন জয়ধ্বনি আৰু দামামাৰ শব্দে গগণ ভেদি গ'ল। প্ৰজাৰ মহোল্লাস ধ্বনি আৰু মাঙ্গলিক সঙ্গীতৰ ধ্বনিয়ে প্ৰত্যেক মানুহৰ অন্তৰতে শিহৰণ তুলিলে।

প্ৰকাশ্য ৰাজদৰবাৰত সদৰ ই-মুনাজ্জিম গিয়াছুদ্দিন আবুল ফতহ ওমৰ-বেন-ইব্ৰাহীম আল খায়ামীক তাৰিফ কৰা হ'ল। নিচাপুৰৰ নগৰ প্ৰাচীৰৰ বাহিৰত এক সুৰক্ষিত অথচ সুৰম্য স্থানত এটা ঝিৰাট অট্টালিকা পুৰস্কাৰ দিয়া হ'ল ওমৰক। ওমৰৰ সহযোগী পণ্ডিতসকলকো যথাযোগ্যভাৱে সম্মানিত কৰি পুৰস্কৃত কৰা হ'ল।

ওমৰৰ প্ৰণীত এলজেব্ৰা আৰু জ্যোতিৰিদ্যাৰ গ্ৰন্থসমূহ সাম্ৰাজ্যৰ সকলো মাদ্ৰাছাত প্ৰচলিত কৰিবলৈ ৰাজকীয় ফৰমাণ জাৰি কৰা হ'ল।

গম্ভীৰমুখেৰে বহি থকা উলেমাৰ বিশিষ্ট পণ্ডিত সকলৰ স মুখতে পুলকিত জনতাই ওমৰক দ্বিতীয় এভিচেন্না বুলি অভিহিত কৰিলে।

এই পৰম গৌৰৱৰ মুহূৰ্ততো ওমৰৰ মন হে আছিল অন্তৰ্মুখী। পাৰ্থিব জীৱনৰ এই চূড়ান্ত সাৰ্থকতাৰ ক্ষণতো ওমৰে অন্তৰৰ অন্ত স্থলৰ নিঃসঙ্গতা দূৰ কৰিব পৰা নাছিল। সকলো কাম অকলে কৰিব পাৰি। কিন্তু আনন্দ! আনন্দ কেতিয়াও অকলে নহয়। আনন্দৰ শিহঁৰণ জাগে সমব্যথী অন্তৰৰ সান্নিধ্যতহে।

অনুষ্ঠানৰ অন্তত চুলতানৰ পৰা আৰু নিজামৰ পৰা বিদায় লৈ জনপূণ ৰাজপথেদি আহি থাকোঁতে ওমৰক সম্বৰ্দ্ধনা জনাইছিল এটায়ে।

এজন পৰিষ্কাৰ বগা জোব্বা পিন্ধা তেজগোৰা বৰণৰ মানুহেও দুইহাত তুলি ওমৰৰ প্ৰতি শুভেচ্ছা জ্ঞাপন কৰিলে। ওমৰৰ প্ৰতি নিক্ষেপ কৰি থকা তেওঁৰ তীক্ষ্ণ চকুহাল দেখিয়েই ওমৰে চিনি পালে—সেয়া হাচান ইবন-চাবাহ। ওমৰে মূৰ দুপিয়াই শুভেচ্ছা গ্ৰহণ কৰিলে কিন্তু অকনো নৰৈ আগলৈ গৈ থাকিল। হাচান মানুহৰ ভিৰত হেৰাই গ ল।

ওমৰৰ অনুমতি লৈ তৰাৰ ঘৰতো সেইদিনা সহযোগীসকলে উৎসৱৰ আয়োজন কৰিছিল। শাৰী শাৰী বন্তি জ্বলাই গোটেই ভৱন আৰু বিশাল চৌহদ পোহৰেৰে ওপচাই পেলাইছিল। গছ-গছনিৰ মাজে মাজে বহুৰঙী চন্দোৱাৰ ত বি উৎকৃষ্ট গালিচাৰ ওপৰত নিমন্ত্ৰিত অতিথিসকল বহাৰ ব্যৱস্থা কৰা হ ল। ফুলনিৰ মাজে মাজে ফোৱাৰা বোৰে ৰঙীন পানীৰ গচা তুলি ধৰিছিল ওপৰলৈ। মৃদু উলাহৰ সঙ্গীতে ঠাইখন আনন্দময় কৰি তুলিছিল। চাকৰ-বাকৰ বিলাকে সুখাদ্য আৰু পানীয় পৰিবেশন কৰি লৰা চপৰা কৰি ফুৰিছিল।

তৰাৰ ঘৰত সোমায়েই ওমৰৰ মনটো ফৰকাল লাগি গ ল। ৰাজদৰবাৰৰ কায়দাদুৰস্ত পৰিবেশত সদাসতৰ্ক হৈ থাকিব লাগে। অকণমান অন্যমনস্কতাই কোনোসময়ত হাহিয়ঞ্জত পাৱও কৰিব পাৰে বা অন্য বিপত্তিও আনিব পাৰে। ৰাজদৰবাৰত কোনো কাৰো আপোন নহয়। তৰাৰ ঘৰ কিন্তু নিজৰ ঘৰ। ইয়াত থকা মানুহবোৰ ওমৰৰ

পৰিচিত। বহুৰৰ পিচত বহুৰ ধৰি এই মানুহবোৰে ওমৰৰ সৈতে একেলগে কাম কৰিছে। তৰাৰ ঘৰৰ প্ৰধান তোৰণত থিয় হৈ থকা ইউনুচ। ওমৰ ওলাই যাওঁতে আৰু সোমাই আহোতে নিঃশব্দে দুৱাৰখন খুলি দি চালাম জনোৱাই তাৰ কাম। মধ্যবয়সৰ ইৰাণী চিপাহী। আজি কিন্তু চালাম জনোৱাৰ লগতে সি কলে—

খাজা এ-কৰিম ঈশ্বৰৰ দয়া আপোনাৰ ওপৰত বৰ্ষিত হওক। আজি আমাৰ বৰ আনন্দ হৈছে।

ওমৰে থমক খাই ৰ ল। এবাৰ ইউনুচৰ মুখলৈ চালে। তাৰ পিচত কেইটামান সোণৰ মুদ্ৰা তাক পুৰস্কাৰ দি ক লে ঈশ্বৰে তোমাকো কৰুণা কৰক ইউনুচ ঈশ্বৰে এটাইকে কৰুণা কৰক। ৰ আমানে খুদা।

আভূমি কুনিশ কৰি পুনৰ থিয় হ ল ইউনুচ।

তেত্রিশ

তবাৰ ঘৰৰ বৈঠকখানাত তেতিয়া নিমন্ত্রিত অতিথিসকলৰ মজলিচ বহিছিল। সন্মানৰ আসনত বহিছিল বাগ্দাদ নিজামিয়াৰ প্রবীন উস্তাদ মাইমুন চাহেব আৰু উৰগাণ্ডৰ উস্তাদ ইস্ফিজাৰী। ওমৰ খায়ামৰ প্রধান সহকাৰী হিচাবে আজিৰ যুগান্তকাৰী গৌৰৱৰ খোচনাম উভয়ৰে আংশিকভাৱে হ'লেও প্রাপ্য। তবাৰ ঘৰৰ অন্যান্য সহকাৰী সকলেও মন ভৰি যোৱাকৈ চেলজুক সম্রাটৰ পৰা পুৰস্কাৰ পাইছে। সকলোৰে মন আনন্দত আত্মহাৰা। বৈঠকখানাৰ চকু চাঁত মাৰি ধৰা উজ্জ্বল পোহৰত বেৰত কাৰো হাঁ পৰিবলৈ নেপাইছিল। মিঠা চবত আৰু হৰেকৰকমৰ সুস্বাদু আহাৰ পৰিবেশন কৰিছিল আলপৈচান ধৰা লণ্ডৰাবিলাকে। এটা বাহী বজোৱা মানুহে মধুৰ উলাহৰ সুৰ তুলিছিল। এটা কোণত পৰা সঙ্গীতৰ ধ্বনি ভাহি আহিছিল। বৈঠকখানাৰ মাজ মজিয়াত জাজিম পৰা আছিল। ভৰিত নেপুৰ পিন্ধা কেইজনীমান নাচনী ছোৱালীয়ে সেই সঙ্গীতৰ তালে তালে নাচিবলৈ ধৰিছিল। নাচৰ অন্তৰাত একোটা গমক পৰিলেই আনন্দ বিহ্বল বহুকণ্ঠৰ পৰা একেলগে ধ্বনিত হয় বাহ! বাহ! ওমৰ আহি প্রবেশ কৰাৰ লগে লগে কিন্তু সকলো ৰঙ্গ হ'ল। অতিথিসকলৰ মাজত আলোড়ন সৃষ্টি হ'ল। নিজৰ নিজৰ আসনৰ পৰা এটায়ে উঠি ওমৰক সন্মান দেখুৱালে। বৃদ্ধ মাইমুন চাহেব আহি সকলোৰে সম্মুখত ওমৰক আলিঙ্গন কৰিলে।

তাৰ পিচত উঠি আহিল ৰাজকবি মুঈজী। দুয়ো দুয়োকে অভিবাদন জনাই আলিঙ্গন কৰিলে। ৰাজকবি মুঈজী দেখিবলৈ বৰ ধুনীয়া মানুহ। বিলাসল্ফীত নধৰ পুষ্ট শৰীৰ। মূৰৰ পাগুৰীত বহুমূল্য হীৰা এটাই পোহৰ চিতিকাই আছিল। ইয়াৰ উপৰিও বহুসংখ্যক উচ্চপদস্থ ৰাজবিষয়াই বহাৰ পৰা উঠি আহি ওমৰক সম্বৰ্দ্ধনা জনালেহি।

আচ্ছালামু আলেইকুম হজৰত ওমৰ।

আলেইকুম আচ্ছালাম। বহক বহক হে আনন্দ অভিলাষী বন্ধুসকল। ওঁ ওঁ তোমালোক স্তব্ধ হৈ আছা কিয়—গোৱা গান গোৱা নাচা বাহীত পুনৰ সুৰ তোলা। আৰু অকল জাফৰাণী চৰবতে

প্রাণলৈ কেনেকৈ উন্মাদনা আনিব। আনন্দ দিব পাৰে কেৱল আঙুৰৰ ৰসে। তৰাৰ ঘৰৰ ভৃঙ্গাৰবোৰ কি খালি হৈ আছে?"

সমবেত এটাইবে কণ্ঠত উল্লাস ধ্বনি উঠিল। চিৰাজীৰ সোত ৰ বলৈ ধৰিলে।

জিন্দাবাদ হজৰত ওমৰ!"

আকৌ নাচোনৰ ছন্দ উঠিল ঝুমৰ ঝুমৰ। আকৌ মতলীয়া সুৰ উঠিল সঙ্গীতৰ। নাচোনৰ তালে তালে নিজেই হাতেৰে চাপৰি বজাবলৈ আৰম্ভ কৰিলে ওমৰে। কিছুসময় থকাৰ পিচত খাজা মাইমুন চাহেৰ লাহেকৈ থিয় হৈ এখন সৰু দুৱাৰৰ পৰ্দা ঠেলি নিঃশব্দে বাহিৰ হৈ গ ল। ওমৰৰ চকুত পৰিল। যৌৱনৰ বোকোচা বৃদ্ধই ৰ ব কেনেকৈ!—পিৰৰি মদ্দি উ ঘুৰান যিস্তি! বহুকালৰ আগতে জনা সেই শায়ৰী মনত পৰিল ওমৰৰ। জালালিয়ান কেলেন্দাৰৰ প্রথম দিনতে তাৰ সৃষ্টিকৰ্ত্তা এজনক ৰাদ্ধকাই নামজুৰ কৰিলে। হাজাৰ হাজাৰ বছৰ বিস্মপা চিৰদিনীয়া কেলেন্দাৰে কত অসংখ্যজনক নামজ ৰ কৰিছে অতদিনে তাৰ উত্তৰ কোনে দিব।

হঠাতে ওমৰৰ কাষতে থিয় হৈ থকা মেহেৰে শিন্নস্বৰে ক লে হজৰত ওমৰ মই আপোনাৰ বহুত বছৰৰ বন্ধু। মোৰ এটা অনুৰোধ ৰাখক। আজিৰ এই মহৰ্ত্তৰ লগত খাপখোৱা এটি কৰাই আজি এই মজলিচক উপহাৰ দিয়ক।

ওমৰ কিঞ্চিৎ আচৰিত হ ল। মেহেৰ আহি তেওঁৰ ওচৰত থিয় হৈ থকা তেওঁ দেখা নাছিল। অকনমান হাহি তেওঁ চাৰিওপিনে এবাৰ চকু ফুৰাই ল লে। তাৰ পিচত ক লে— আচ্ছা!

মেহেৰে তিনিবাৰ হাত চাপৰি মাৰিলে। সকলো নীৰৱ হ লত ঘোষণা কৰিলে এই কথা ইৰাণত কোনে নেজানে যে সদৰ ই মুনাজ্জিম খাজা ওমৰ অকল বিদগ্ধ পণ্ডিতেই নহয় লগতে এজন মচহুৰ শায়ৰও। আজিৰ এই মজলিচত তেখেতে এটা কৰাই আবৃতি কৰিব নিজৰ।

চাৰিও পিনৰ পৰা আনন্দৰ সহাৰি আহিল। ওমৰে গালে—

জীৱন চকৰি গ ইছে বাগৰি
অচিন পথক আগত ৰাখি।
ধৰাহি উঁঠত সুৰাৰ পিয়লা
হাঁহিৰ লহৰ তোলাহি আহি।

কালৰ প্ৰহৰী আছে সাজু হ ই
আকউ পুৱাৰ মধুৰ নিশা।
নিশা থাকে মানে কৰাহি আনন্দ
পুৱাৰ ভাৱনা থাকক বাকী।

—লগে লগে বাহ বাহ্ ধ্বনিত বৈঠকখানা ঝলক লাগিল। ক্ষণেকৰ বাবে নাচিবলৈ বন্ধ কৰা ছোৱালী দুজনীয়ে পুনৰ নাচিবলৈ আৰম্ভ কৰিলে। নাচোনৰ বেগত চক্ৰাকাৰে ঘুৰোতে সিহতৰ মুখৰ কিচকিচীয়া ক লা চুলিবোৰে মুখ ঢাকি পেলাইছিল। লাহি আঙুলিৰে মুখৰ ওপৰৰ পৰা চুলিবোৰ সিহতে আতৰাই লৈছিল বাৰে বাৰে।

ৰাজকবি মুঈজীক মদিৰাৰ নিচাই তেতিয়া বাৰকৈয়ে পাইছিল। তিৰবিৰাই থকা চকুৰে নাচনী ছোৱালী দুজনীলৈ লক্ষ্য কৰি মুঈজীয়ে কবিতা এটা মুখে মুখে ৰচনা কৰি গাই গ ল—

কিনো আচৰিত! প্ৰিয়া তোমাৰ
মুখৰ ৰেচমী চুলি।
নিতৌ কৰে ব্যভিচাৰ তোমাৰ
ৰূপহী মুখনি চুমি।।
সেই পাপতেই তলমূৰা হ ই
ওলমি থাকিব লাগে।
মাটিকে ধিয়াই থাকোতে সদায়
নৰক যাতনা ভোগে।।
মাথো নুবুজিলো কিনো পুণ্যবলে
কৰিলে পাপক না।।
সদায় ৰাঙলী দুগাল পৰশি
কৰিছে স্বগবাস।।

ওমৰৰ তৰাঘৰত যেতিয়া এইদৰে আনন্দৰ নিজৰা বৈ গৈছিল সেই নিশাতেই নিচাপুৰৰ নগৰ প্ৰাচীৰৰ পৰা এক ক্ৰোশ মাত্ৰ দূৰত এক

জৰাজীৰ্ণ প্ৰাচীন পৰিত্যক্ত দুৰ্গৰ ভগ্নাৱশেষৰ মাজত এক বিস্ময়কৰ দৃশ্যৰ অৱতাৰণা হৈছিল।

সাজ লাগি ভগাৰ কিছু পিচতে তাত এজন দুজনকৈ মানুহ গোট খাবলৈ ধৰিছিল। মানুহবোৰে অতিশয় নিম্নস্বৰে কথা বতৰা হৈছিল। সেই সিচৰতি হৈ পৰি থকা দ ম দ ম শিল ইটা আৰু খহি পৰা দেৱালৰ মাজৰ সৰু চোতাল এখনৰ দৰে মুকলি ঠাই এডোখৰত ৰাতিৰ এন্ধাৰৰ বুকুৰ পৰা অস্পষ্ট ছায়ামূৰ্তিৰ দৰে মানুহৰ আবিভূ ত হৈ ভুম পাতি বহিছিল। একেলগে বহাৰ পিচতে সম্পূৰ্ণ নীৰৱ হৈ পৰিছিল। কাৰো মুখত কোনো শব্দ নাই। মানুহবোৰৰ গাত ভৰিৰ পতালৈকে পৰা বগা জোব্বা। চাই থাকোঁতে থাকোঁতে বহুত মানুহ আহি গোট খালেহি। দুষাৰ ফুচফুচাই কোৱা কথাৰ বাহিৰে অন্য সাৰিশব্দ হোৱা নাছিল।

সেই মানুহবোৰ কিন্তু এটায়েই কম বয়সীয়া। চল্লিশ বছৰৰ ওপৰৰ মানুহ নাছিল। দাৰি গোফ পুৰাকৈ গজিবলৈ বাকী থকা যৌৱনৰ প্ৰাৰম্ভত থিয় দিয়া তৰুণ আৰু ত্ৰিশৰ কিঞ্চিৎ ওপৰ বয়সৰ মানুহেই বেছি।

লাহে লাহে কৃষ্ণপক্ষৰ এফাল জোন ওলাল আকাশত। তাৰ স্তিমিত ম্লান পোহৰত সেই পৰিত্যক্ত ধ্বংসাৱশেষৰ মাজত গোট খোৱা এই নীৰৱ জনতাক কিছুমান প্ৰেতমূৰ্তিৰ দৰে দেখা গৈছিল। কোন মানুহ এইবিলাক ক ৰ পৰা আহিছে জানিবৰ উপায় নাছিল। প্ৰত্যেকেই শিৰোধাৰণ বস্ত্ৰেৰে নিজৰ মুখৰ কিছু অংশ আৱৃত কৰি লৈছিল। একমাত্ৰ চকুহালহে দেখিবলৈ পোৱা গৈছিল। জোনৰ পোহৰত মানুহবোৰ নিথৰ হৈ বহি কিহবাৰৈ অপেক্ষা কৰি আছিল। সিহতৰ ভাৱ ভঙ্গীত গভীৰ ঔসক্য আৰু চকুৰে মুখে ভয়ৰ ভাৱ প্ৰকাশ হৈছিল।

আজি আমি শুনিবলৈ পাম আমাৰ মালিকৰ নিজৰ মুখৰ পৰা। এই সৃষ্টিৰ সকলো ৰহস্যৰ আদি অন্ত যিজনে জানে তেওঁৰ পৰা। এটা দৰীয়া দৰৱেশ ধৰণৰ মানুহে নিম্নস্বৰে ক লে।

কেতিয়া দেখিম তেওঁক আমি ? ব্যগ্ৰস্বৰে ওচৰৰ এটাই ফুচফুচাই সুধিলে।

অধৈয নহ বা। সময় আহিলে তেওঁ নিজেই দেখা দিব। শেষজন অহাৰ আগতে আমাৰ দৰে অজ্ঞান মানুহবোৰক তেওঁ সতৰ্ক কৰি ফুৰিছে।

তেওঁ কেনেকৈ এতিয়া আমাক দেখা দিব? কেনি আহিব?" আৰু এটা কৌতুহলী ব্যগ্ৰ প্ৰশ্ন আহিল।

"কেনেকৈ ক ম এতিয়া? বালখ নগৰত এদিন সকলোৱে এইদৰে অপেক্ষা কৰি বৈ থাকোঁতে হঠাত প্ৰকাণ্ড একুৰা জুই ওলাল। জুইৰ মাজৰ পৰা তেওঁ ওলাই আহিল।"

একেবাৰে অলৌকিক কথা! কেৰামত! এটা ডেকাই প্ৰায় তাণ্ডৰকৈ কৈ উঠিল।

ইচ-চ!' কেবাজনেও একেলগে মুখত আঙুলি থৈ সকলোকে মনে মনে থাকিবলৈ ক লে।

হঠাৎ আকাশৰ বুকুত বতাহৰ সো সোৱনি আৰু বৃহৎ ডেউকা কোবোৱাৰ সাঁও সাও শব্দ শুনিবলৈ পোৱা গ ল। সকলোৱে উৎকৰ্ণ হৈ সেই শব্দ শুনিবলৈ ধৰিলে। সকলোৰে মনত আতঙ্কৰ সৃষ্টি হ ল শৰীৰ কণ্টকিত হ ল। এটায়ে চক খোৱা ঘোঁৰাৰ দৰে বিহবল হৈ কেউফালে দৃষ্টি নিক্ষেপ কৰি থাকোতেই হঠাতে আকাশৰ বুকুৰ পৰা উজ্জ্বল তৰাৰ দৰে কিবা এটা সৰি মাটিত পৰিয়েই অদৃশ্য হ ল। কিন্তু সেই ঠাইত মাটি ফুটি ওলোৱাৰ দৰে থিয় হ ল এজন মানুহ। এখন হাত ওপৰলৈ তুলি শুৰু গম্ভীৰ স্বৰে মানুহজনে মাতিলে—

—আই আবুহল লজিনা আমানু হে খোদাতাল্লাৰ ভক্তবৃন্দ।

আ! মানুহবোৰে একেলগে গভীৰ বিস্ময় আৰু স্বস্তিৰ এক অস্ফুট ধ্বনি কৰি উঠিল। ইমান সময়ৰ উৎকণ্ঠাৰে বাট চোৱাৰ পিচত হঠাতে ঘটি যোৱা এই ঘটনাই সকলোকে তধা লগালে। এই সচকিত হতবাক মানুহবোৰৰ কাণত পৰিবলৈ ধৰিলে স মুখত দণ্ডায়মান এই অদ্ভুত মানুহজনৰ পৰিষ্কাৰ কাহতলীয়া কণ্ঠস্বৰ। মানুহবোৰে স মুখৰ ফালে মাটিত দীঘল হৈ পৰি প্ৰথম ত স মান জনালে।

আজি নিশাৰ এই আকাশত এফালে মাত্ৰ জোনে পোহৰ দিছে। এই অৰ্দ্ধচন্দ্ৰই অন্ধকাৰ দূৰ কৰিব পৰা নাই। এই অৰ্দ্ধ অন্ধকাৰত দুখ আছে সন্দেহ আছে অজ্ঞানতা আছে ভয় আছে। যদি এতিয়া মেহতাবৰ ম্লান পোহৰৰ সলনি আকাশত পূৰ্ণ সয্য আফতাবে পোহৰ দি থাকিলেহেতেন তেন্তে তোমালোকৰ মনত দুখ সন্দেহ অজ্ঞানতা আৰু ভয় নেথাকিলহেতেন। হয়নে নহয়?

হয় হয়। বুলি চাৰিওপিনে শব্দ উঠিল।

'এয়া বাতিৰ এজাৰৰ কথাহে ক'লো। কিন্তু দিন দুপৰতো এই বিশাল আৰু মহিমাময় সৃষ্টিৰ বহু অথ আমি বিচাৰি নেপাও। আল্লাহ ককণাময় আৰু মহান অথচ আমি তেওঁৰ বান্দাবিলাকে কিছুমানক ডাঙৰ পাতো—কিছুমানক সৰু। সৃষ্টি কৰিয়েই কি ঈশ্বৰে তোমালোকক বাদশাহৰ হাতত চোপদ কৰি দিছিল যে তেওঁ তেওঁৰ কমচাৰী আৰু সৈন্যৰ দ্বাৰাই তোমালোকক শাসন কৰি থাকিব। কিন্তু উত্তৰ-দক্ষিণ-পূব পশ্চিম সকলো ঠাইতে একেই ধৰণে পৃথিবী চলি আছে। এতিয়া তুকীৰাজে নিজেই অজ্ঞানতাৰ বাবে ইমানদাৰ সকলৰ ওপৰত শাসন চলাইছে। এক্কে অজ্ঞানতাতে ডুব গৈ থাকি ইমানদাৰসকলেও পিঠি পাতি দি সেই দুখৰ বোজা বহন কৰিছে। খোদাতাল্লাৰ তেন্তে প্ৰকৃততে মজি কি?

কিছুসময় সকলো নীৰৱ। তাৰ মাজতে এজনে কৈ উঠিল সেই কথা এতিয়াও আমাৰ অজাত।

সত্য কথা। সেই কথা এতিয়াও অজাত কৰি ৰখা হৈছে। কিন্তু সেইদিন আহি আছে যিদিনা এই অন্ধকাৰৰ পৰ্দা চিৰি সেই ৰহস্যৰ প্ৰকৃতি সকলোৰে আগত প্ৰকাশ কৰিব। আজি যিবোৰে ইমানদাৰ সকলক এই দুব্যৱহাৰ কৰিছে সেইবিলাকক এদিন ধ্বংস কৰিব।

কোনে? কেবাটাও কণ্ঠৰ পৰা এই প্ৰশ্ন নিক্ষিপ্ত হ'ল।

সেই কথা এতিয়াও কালৰ গভত। একমাত্ৰ ঈশ্বৰত বিশ্বাস স্থাপন কৰা আৰু বিশ্বাস কৰা ঈশ্বৰ প্ৰেৰিত নবীসকলক। এই কথা নক বা যে ইহুদীৰ যেহোভা নাজাৰিনৰ যীশু আৰু আমাৰ পয়গম্বৰে কোৱা ঈশ্বৰ তিনিজন। এই তিনিজনা ঈশ্বৰৰ ওপৰতো এজন আছে যিজনতকৈ শ্ৰেষ্ঠ আৰু নাই। এই তিনিওজন নবীয়ে এটা সীমালৈকে ৰহস্যৰ পৰ্দা অপসাৰণ কৰিছিল আৰু চিহ্ন দেখুৱাইহে এই দুনীয়া আৰু বেহেস্ত আৰু দোজখৰ কথা বুজাইছিল। এতিয়ালৈকে ছয়জন নবীপুৰুষৰ আবিভাৱ হৈছে—আদাম নোৱাহ আব্ৰাহাম মুচা যীশু আৰু মহম্মদ। পতিকে ছয়টাপ আমি আগুৱাইছো। কিন্তু শেহত সপ্তম এজন আহিব। তেওঁহে কাম সম্পূৰ্ণ কৰিব। তেওঁ নিবাসন দিব ভয় সন্দেহ দুখ আৰু অজ্ঞানতা চিৰদিনৰ কাৰণে। চুলতানৰ সোণৰ সিংহাসনৰ ককালভগা বোজা তোমালোকৰ পিঠিৰ পৰা চিৰদিনৰ

যাবে আতৰ হৈ যাব। আতৰ হৈ যাব মোল্লা-মৌলবীসকলৰ চৰ প্ৰৱঞ্চনা।"

মানুহজনৰ কণ্ঠস্বৰ সমান আৰু উদ্দীপ্তভাবে বৰ্ত্তাহত ভাঁহি আহি মনোযোগী হৈ শুনি থকা প্ৰত্যেকজন মানুহৰে অন্তৰ পৰশিছিল। মানুহ-বোৰৰ মাজৰ পৰা আকৌ এটা প্ৰশ্ন আহিল—

তেওঁক কেনেকৈ চিনি পোৱা যাব?

তেওঁক চিনি পোৱা যাব—কাৰণ সৃষ্টি আৰম্ভণিৰ পৰা তেওঁ ইয়াতে আছেই। তেওঁ হ'ল পৃথিবীৰ সপ্তম ইমাম—শেষ ইমাম। তেওঁ মুচাৰ সময়তো আছিল। নাজাৰিনৰ যীশুৰ সময়তো আছিল। পয়গম্বৰ মহম্মদৰ সময়তো আছিল। তেওঁৰ আগমণৰ সময় এতিয়া আহিছে। দীন দুনিয়াৰ সমস্ত জঞ্জাল তেওঁ চাফ কৰিব। মচজিদৰ মিনাৰৰ পৰা স্বগৰ পথ নিৰ্দ্দেশ তেতিয়া শুনিব নেলাগিব। বিশ্বাসীসকলে স্বগ নিজেই বিচাৰি পাব। কিছুমানে তেওঁক কয় তেওঁ সপ্তম আৰু শেষ ইমাম। কিছুমানে কয় তেওঁ বোলে অদশ্য শক্তি। যেয়ে যি নাম ধৰিয়েই নেমাতক তেওঁ হ'ল মেহদী। যাৰ কাৰণে আমি বাট চাই আছোঁ। তেওঁ এদিন আহিবই।

মানুহবোৰৰ মাজত এটা অস্ফুট গুণ গুণনি উঠিল।

আমি তেওঁৰ আগমনৰ বাবে বাট চাই থাকিলেই নহ'ব। তেওঁৰ কাম কৰিব লাগিব। যদি তেওঁৰ ওপৰত বিশ্বাস স্থাপন কৰি এতিয়াৰ পৰা কাম কৰো তেন্তে তেওঁৰ কৰুণা আমাৰ ওপৰত বৰ্ষিত হ'ব।

মানহবোৰৰ মাজত ভক্তিপূণ আমেন আমেন ৰৱ উঠিল।

আৰু একপক্ষৰ মুৰত পৃথিবীৰ লোকে এক আচৰিত দশ্য দেখিবলৈ পাব।

উৎসুকভাবে মানুহবোৰে পুনৰ মানুহজনৰ ফালে একদৃষ্টি চাই ৰ'ল।

—আৰু মাত্ৰ একপক্ষৰ মুৰতে মানুহে আকাশৰ পূৰ্ণচন্দ্ৰক এটা প্ৰকাণ্ড দৈত্যই গিলি পেলোৱা দেখিবলৈ পাব। সেই ঘটনাৰ অলপ দিনৰ পিচৰ পৰাই নানা অলৌকিক ঘটনা পৃথিবীত ঘটিবলৈ ধৰিব। যিবোৰ মোল্লা মৌলবীয়ে প্ৰকাশ্যে ইছমাইলীয়সকলৰ বদনাম ৰটিছে সিহঁতেই শতমুখে জয়গান গাব। কিন্তু মেহদীৰ ইনচাফ একেবাৰে নিখুঁত। যাৰ বিশ্বাসত খাদ আছে সি সাৰি যাব নোৱাৰিব। গতিকে —।

ইতিমধ্যে সকলোৰে অলক্ষিতে স্তিমিত জোন অদৃশ্য হৈ পৰিছিল। তৰাৰ পোহৰৰ বাহিৰে পোহৰ নাছিল। সেই ছায়াঘন অন্ধকাৰৰ মাজত মানুহজনে চিঞৰি উঠিল— হচিয়াৰ! হচিয়াৰ!

লগে লগে আকাশত পুনৰ সেই বতাহৰ সোঁ-সোৱনি আৰু বিয়াগোম ভেউকাৰ ধপধপনি শুনিবলৈ পোৱা গ'ল। আকাশৰ বুকুলৈ স্তব্ধভাৱে সকলোৱে চাই থাকোতেই সেই মানুহজন অদৃশ্য হৈ গ'ল—যেন বাতিৰ এন্ধাৰৰ মাজত মিলি গ'ল।

চৌত্রিশ

নিচাপুৰ বজাৰত আজি কিছুদিনৰ পৰা এবিধ সামগ্ৰীৰ সৰবৰাহ খুব বেছি ধৰণে হ'বলৈ ধৰিছিল। ডাঙৰ ডাঙৰ ধাতুৰ পাত্ৰ আৰু চিনামাটিৰ কলহত এক অদ্ভুত গন্ধযুক্ত তেল। সেই তেলেৰে চাকি-লণ্ঠন জ্বলোৱা হয় আৰু জোৰ হিচাবেও ব্যৱহাৰ কৰা হয়। এই তেল ওলোৱাৰ পিচৰ পৰা তাৰ অপেক্ষাকৃত কম মূল্যৰ কাৰণে মৌ সিতাৰ পৰা প্ৰস্তুত কৰা মমবাতি জন্তুৰ দুৰ্গন্ধযুক্ত চৰি আৰু অন্যান্য ওটিৰ পৰা প্ৰস্তুত কৰা তেলৰ চাহিদা অনেক কমি গ'ল।

ওমৰৰ তৰাঘৰত অৱশ্যে সদায় মৌ সিতাৰ পৰা প্ৰস্তুত কৰা ৰঙীন মমবাতিয়েই জ্বলোৱা হয়। কিন্তু বাহিৰৰ ঘৰৰ বাৰান্দাত জ্বলি থকা লণ্ঠন এটাৰ পোহৰ দেখি ওমৰে কৌতূহল বশত এদিন পৰীক্ষা কৰি, চালে কি তেল ব্যৱহাৰ কৰা হৈছে। এক টোপা আঙুলিৰ আগত লৈ নাকৰ ওচৰলৈ নিয়েই ওমৰ নিশ্চিত হ'ল যে সেয়া কোনো তেলৰ ওটিৰ পৰা ওলোৱা নহয়। ৰাসায়নিক তেল হ'ব। কিন্তু বজাৰত যি পৰিমাণৰ তেল যিমান কম মূল্যত পাবলৈ আছে তালৈ চাই অবাক হোৱাৰ কথা। ৰাসায়নিক উপায়েৰে প্ৰস্তুত কৰিবলৈ হ'লে সিমান পৰিমাণৰ তেল হাজাৰ হাজাৰ মানুহে খাটিহে উলিয়াব পাৰিব। আৰু তেতিয়া ইমান কমমূল্যত দিব পৰা নিশ্চয় নেযাব।

মেহেৰ আহিলত কথাৰ মাজতে এবাৰ সুধিলে ওমৰে। হয় এইকথা মেহেৰেও লক্ষ্য কৰিছে। অনুসন্ধানো কৰিছে। এইবোৰ তেল জাহাজেৰে আমদানী কৰা হয়। বন্দৰৰ পৰা উট গাধা খচ্চৰৰ পিঠিত বোজাই হৈ আহে। বিদেশী তেল। পাৰস্য উপসাগৰৰ মাজৰ কোনো এখন দেশৰ নাম ক'লে তাত বোলে এই ধৰণৰ তেল প্ৰচুৰ পৰিমাণে পোৱা যায়। জ্বলালে অলপ ধোঁৱা বেছি ওলায় কিন্তু বৰ নিভৰযোগ্য।

ওমৰে এই বিষয়ে আৰু বেছি কৌতূহল নেদেখুৱালে। খবৰ কৰি জনা গৈছে যিবিলাক সদাগৰে এই তেলৰ কিনাবেচা কৰিছে সেইবোৰ পুৰণি মানুহ। তদুপৰি বজাৰত ক'ত হৰেক ৰকমৰ মাল-বস্তুৰ

সৰহবাহ হয়। এটাইবোৰ উৰহীৰে ওৰ লৈ ফুৰাৰ প্ৰয়োজনেইবা কি।

গতিকে মেহেৰালিয়ে যেতিয়া ক'লে যে চুলতানৰ প্ৰমোদ উদ্যানত আজি বেলি বহাৰ পিচতে জন্তু জানোৱাৰৰ খেল হ'ব আৰু খোদ চুলতান আৰু আমীৰ ওমৰাহসকল উপস্থিত থাকিব ওমৰো যাব লাগে, তেতিয়া ওমৰ তাৰৈকে গ'ল। যি কোনো ধৰণৰ আমোদ প্ৰমোদ অনুষ্ঠিত হ'লেই ওমৰৰ নিমন্ত্ৰণ সদায় থাকেই। হাতেৰে চকি পোৱাতে ওমৰ থাকিলে ওমৰক নমতাকৈ কোনো কামেই নকৰে চুলতানে।

ওমৰ যেতিয়া মেহেৰৰ লগত গৈ প্ৰমোদ মণ্ডপ পালেগৈ তেতিয়া ইতিমধ্যেই অভ্যাগতসকল আহি নিজৰ নিজৰ ঠাইত বহিছিলহি। ৰাজকাৰেঙৰ প্ৰধান তোৰণৰ ওচৰৰ পৰাই বিভিন্ন বন্য জন্তুৰ মাত কাণত পৰিছিলহি। হাতীৰ চিঞৰ আৰু সিংহৰ গৰ্জ্জন। হায়েনাৰ হাহি। সেইবোৰ শুনি শুনি মণ্ডপৰ ভিতৰ সোমাওতেই চুলতান মালিকশ্বাহে নিজে আহশান কৰিলে ওমৰক। ওমৰে চলতানক কুনিশ কৰি সিংহাসনৰ সোহাতে তলৰ খাপৰ এখন আসনত বহিল।

চাৰিওফালে ওখকৈ সজা ঘুৰণীয়া কাঠৰ মঞ্চৰ ওপৰত শাৰী শাৰীকৈ পতা আসন। ভাগে ভাগে যথাযোগ্য আসনত ৰাজ্যৰ বহুতো প্ৰধান প্ৰধান বিষয়া বহি খেলা আৰম্ভ হোৱালৈ বাট চাই আছিল। চলতানৰ আসনৰ বাওঁহাতে সেই কাঠৰ মঞ্চৰ সম্মুখ ফাল সোণ ৰূপৰ সুতাৰে বন কৰা জৰীৰ পাতল পৰ্দাৰে আবৰা। অন্তঃপুৰৰ ৰাণী আৰু ৰাজকুমাৰী সকলেও এই বিশেষ ধৰণৰ জন্তুৰ খেল চাবলৈ চুলতানৰ অনুমতি পাইছিল।

এখন চাকত কোমল মন্থৰ গতিত আঙুলি বোলাই এটা লয়লাস তালৰ শব্দ তুলিছিল বাদ্যকৰসকলে। সম্মুখৰ প্ৰাঙ্গনত আহল বহলকৈ গোলাকৃতি কৰি এক অংশ শকত শকত লোহাৰ সলিৰ বেৰেৰে আগুৰি থোৱা হৈছিল। সেই গুখ লৌহ পিঞ্জৰাৰ সিপাৰে চুলতানৰ আসনৰ বিপৰীত ফালে জোৰ কৃষ্ণ ৰঙৰ ডাঠ কাপোৰৰ যৱনিকা তৰা। সেই যৱনিকাৰ ঠায়ে ঠায়ে একে ক'লা ৰঙৰ পৰ্দা। সেই পৰ্দাৰ অন্তৰালৰ পৰা ভাঁহি আহিছিল বিভিন্ন ধৰণৰ জন্তুৰ মাত। হাতীৰ চিঞৰ আৰু সিংহৰ গুৰুগম্ভীৰ গৰ্জ্জনত একো একোবাৰ দৰ্শকসকলৰ মাজৰ কোনো কোনোৱে উচাপ খাই উঠে।

প্রমোদ মণ্ডপলৈ সোমোৱা এটাইবোৰ দুৱাৰতে সশস্ত্র প্রহৰী মোতায়েন কৰা হৈছিল। লৌহ পিঞ্জৰাৰ বাহিৰে কেউপিনে হাতত দীঘল বৰ্শা লৈ চিপাহী থিয় দি আছিল।

এটা সময়ত চাকত বোল ক্রমে দ্রুত হৈ আহি প্রবল শব্দ কৰি বাজিবলৈ ধৰিলে। গাত ৰং বেৰঙৰ সাজ-পোহাক পিন্ধি তাৰ তালে তালে এজাক বাওনাই নৃত্য কৰি পিঞ্জৰাৰ ভিতৰত নাচিবলৈ ধৰিলে। সিহতৰ কিছুমানে হাতে হাতে নানা ধৰণৰ জন্তুৰ ছবি অকা কাপোৰৰ নিচান লৈ দৰ্শকসকলৰ ফালে মুখ কৰি চক্রাকাৰে ঘূৰিবলৈ ধৰিছিল। প্রত্যেক নিচানতে বিভিন্ন জন্তুৰ ছবি অকা। যুদ্ধৰত দুটা হাতী এটা শিলৰ ওপৰত আগঠেঙ দুটা তুলি চোপ লৈ থকা এটা হিমালয়ৰ ভালুক। বিকটভাৱে মুখ ব্যাদন কৰি থকা সিংহ।

বাওনা বিলাকৰ ৰং ধেমালি শেষ হোৱাৰ পিচতে সিহত পুনৰ পদ্দা ঠেলি অদৃশ্য হ'ল। বাজনা এইবাৰ অলপ বেলেগ সৰত বাজিল। এইবাৰ এজন বিশাল দেহী মানহ আহি প্রবেশ কৰিলেহি। মানুহজন সাধাৰণ মানুহতকৈ বহুত ওখ। প্রস্থেও তদ্রুপ। মেদবর্জিত বলিষ্ঠ দেহ। ঈষৎ কৃষ্ণবর্ণ গাৰ ৰং। গাত চিকচিকীয়া কলা বেচমী জোব্বা আৰু চিলোৱাৰ। মূৰত পাগুৰী।

ধীৰ খোজেৰে মানুহজন আহি মঞ্চত প্রবেশ কৰি লাহে লাহে চুলতানৰ সম্মুখৱর্ত্তী হৈ ভূমি চুই কুনিশ কৰিলে তিনিবাৰ। লগে লগে সকলো বাজনা নীৰৱ হৈ গ'ল। মানুহজনে চোস্ত আৰবী ভাষাত চমুকৈ নিজৰ বক্তব্য নিবেদন কৰিলে। তেওঁৰ নাম আব্দল ৰৌফ। বক্তব্যত ক'লে যে আল্লা হজৰত জাহাপানা আপোনাৰ বিশাল সাম্রাজ্যত অকল মানুহেই বাস নকৰে। আপোনাৰ চৰণ তলত এই হেজাৰে বিজাৰে সিংহ-ব্যাঘ্রবোৰো বাস কৰে। খোদাতাল্লাই আপোনাৰ প্রতি শ্রদ্ধা-ভক্তি প্রদর্শন কৰিব পৰাকৈ সিহতক মুখৰ মাত দিয়া নাই। কিন্তু আপুনি দয়াৰ সাগৰ। আজি যেনেদৰে কৰিছে তেনেদৰে সুবিধা কৰি দিলে সিহতেও আপোনাৰ ওচৰত নিজৰ আনুগত্য প্রকাশ কৰিব। হুজুৰে অনুমতি দিলে এতিয়া বান্দাই সিহতক আপোনাৰ ওচৰত হাজিৰ কৰাব পাৰো।

লগে লগে সম্রাটৰ ইঙ্গিত পাই এজন উজীৰ উচ্চস্বৰে ক'লে মঞ্জুৰ।

আব্দুল ৰৌফে পুনৰ আভূমি চালাম কৰি কেইখোজমান পিচুৰাই মঞ্চৰ সোঁমাজত থিয় হৈ কেইবাৰমান হাত চাপৰি মাৰিলে। এনেতে কলা যৱনিকাৰ দুফালৰ পৰ্দা অপসাৰিত হ'ল। সোমাই আহিল দুটা প্ৰকাণ্ড হাতী। দুইহাতেৰে শুৱৰ আগত দুটা সুদৃশ্য ফুলৰ কুকি।

মৃদু বাজনা পুনৰ বাজিবলৈ ধৰিলে হাতী দুটাও পিজৰাৰ দাতিয়ে দাতিয়ে মস্থৰ খোজেৰে ঘুৰিবলৈ ধৰিলে। ফুলৰ কুকি দুটা হাতী দুটাই স্থিৰ ভাৱে ওপৰলৈ ধৰি আছিল। আব্দুল ৰৌফে বগা ঘূৰণীয়া দণ্ড হাতত লৈ জোকাৰি জোকাৰি সিহতক সংকেত দিছিল। কেইপাকমান ঘূৰাৰ পিচতে হাতী দুটা গাত গা লগাই ৰঙ্গাৰ সম্মুখত থিয় হ'ল আৰু শুৱে পিজৰাৰ বেৰৰ ওপৰলৈকে ফুলৰ কুকি দুটা তুলি ধৰিলে। তৎক্ষণাৎ এটা সৈন্যই পিজৰাৰ লোহাৰ বেৰ বগাই ওপৰলৈ উঠি গৈ কুকি দুটা গ্ৰহণ কৰি চুলতানৰ পদপ্ৰান্তত অৰ্পণ কৰিলে। আগঠেঙ ভাজ কৰি ঘুৰীয়া হাতীয়ে মস্তক অৱনমিত কৰি চালাম জনালে।

মালিকশ্বাহৰ মখৰ পৰা অস্পষ্টভাৱে বিস্ময়ৰ শব্দ ফুটি ওলাল। সমবেত দৰ্শক মণ্ডলীয়ে হাত চাপৰিবে খলক লগালে।

এইদৰে নানা তৰহৰ খেল হ'ল। মাজে মাজে বাওনাহতৰ নাচ চলিল। জন্তুৰ লগে লগে বিভিন্ন খেলোৱাৰ বিলাকো মঞ্চত অৱতীৰ্ণ হ'ল। ঘণ্টাৰ পিচত ঘণ্টা পাৰ হৈ গ'ল। ইতিমধ্যে ৰাতিৰ এন্ধাৰে পৃথিবী আৱৰি পেলালে। কেউফালে শাৰী শাৰী সুদৃশ্য জাৰ-লণ্ঠণ জ্বলি দিন যেন পোহৰ কৰি পেলালে।

সকলো খেল শেষ হোৱাৰ পিচত ঘোষণা কৰা হ'ল যে এইবাৰ বহুসংখ্যক বাঘ সিংহ আৰু ভালুকৰ সমূহীয়া খেলা। সকলোৱে উৎসুকনেত্ৰে বাট চাবলৈ ধৰিলে। পদাৰ সিপাৰে বাঘৰ উন্মত্ত গৰ্জ্জন আৰু সিংহৰ নিনাদ শুনা গ'ল। এটা বিয়াগোম পিতলৰ দৰা কেইটামান বাওনাই দাঙি আনি মঞ্চৰ সোমাজত স্থাপন কৰিলেহি। সেই দৰাৰ তলৰ ফালে কাঠৰ খাকৰাৰ সৈতে খুৰা লগোৱা। এইবাৰ এজনী লাহি শৰীৰৰ অলপ শ্যামাঙ্গী যুৱতী ধীৰ গতিবে সোমাই আহিল। তাইৰ হাতত এডাল ৰৰ দীঘল চাবুক।

দৰ্শকৰ চকু বিস্ময়ত থৰ লাগিল। ইমান সময়ে কেৱল পুৰুষ খেলোৱাৰহে দেখিবলৈ পোৱা গৈছিল।

ছোৱালীজনী ওখ। মুৰৰ দীঘল চলিটাৰ ককাললৈকে পৰা। তাই গাত বগা চিলকৰ হাত দীঘল এটা কুৰ্ত্তা পিন্ধিছিল। ককালত বগা চিলৰাবৰ ওপৰত এদাল ফিৰোজা ৰঙৰ নক্সা অকা পেটী। মুৰ'তা সেইদৰে একেই ৰঙৰ এদাল ফিটা মাৰি নিজৰ উদ্দাম কেশগুচ্ছ সংযত কৰিছিল। ছোৱালীজনী ৰূপৱতী।

তাই আহিয়েই সম্ৰাটৰ সম্মুখত থিয় হৈ আঠ কাঢ়ি কায়দা মাফিক সম্মান জনালে তিনিবাৰ। তিনিখোজ পিচৰাই গৈ সোঁৱে বাৱে বহি থকা মান্যৱন্ত দশক মণ্ডলীক সম্মান জনাল। তাৰ পিচতে নাচোনৰ ভঙ্গীৰে লঘু পদক্ষেপেৰে মঞ্চৰ চাৰিওফালে মণ্ডলাকাৰে এবাৰ ঘৰি আহি আলাসতে জাপ মাৰি উঠাৰ দৰে সেই দৰাচৌৰ ওপৰত উঠিল। প্ৰথমতে লাহে লাহে তাৰ পিচত দ্ৰুততালত তাই নাচিবলৈ ধৰিলে। তাইৰ ভৰিৰ আঘাত লাগি দৰাৰ পৰা গুৰুগম্ভীৰ আৱাজ হ বলৈ ধৰিলে। দৰাৰ শব্দ আৰু তাইৰ নাচোনৰ ভঙ্গিমাই এক অপূৰ্ব দৃশ্যৰ অৱতাৰণা কৰিলে। তাইৰ হাতৰ দীঘল চাবুক দালে মুৰৰ ওপৰত অনেক কুণ্ডলী সৃষ্টি কৰি বতাহত চটপ চটপ শব্দ কৰিছিল। নৃত্যৰ তালে চাবুকৰ এই শব্দই আৰু ছোৱালীজনীৰ চকুৰ কঠোৰ বিদ্যুৎচমক আৰু উদ্ধত গ্ৰীৱা ভঙ্গীয়ে সমাসন্ন সেই ভয়ানক খেলৰ আগমনীয়ে যেন সূচাইছিল।

ৰুদ্ধশ্বাস দশকসকলে নানান অস্ফুট অভিব্যক্তি প্ৰকাশ কৰিছিল। কাৰো চকুত পলক নপৰিছিল।

সিংহাসনৰ ওপৰৰ পৰা থৰ লাগি চাই থকা সম্ৰাট মালিকশ্বাহৰ মুখত কোনো ভাৱ প্ৰকাশ পোৱা নাছিল। কাষতে বহি থকা সদৰ ই মুনাজ্জিম ওমৰেও একেথৰে ছোৱালীজনীৰ নৃত্য চাই আছিল। সেই পোহৰ জ্বলমল মঞ্চত দৰাৰ ওপৰত প্ৰতি পদক্ষেপ দ্ৰিম দ্ৰাম দ্ৰাম গম্ভীৰ ধ্বনিৰ লহৰ তুলি নাচি থকা সেই তন্বী ছোৱালীজনীক সেই মহৰ্ত্তত মানৱী যেন লগাই নাছিল কাৰো।

হঠাৎ ক লা পৰ্দা এবাৰ দাং খালে। এটা তলত চকা লগোৱা লোহাৰ গৰালৰ জাপ দুৱাৰখন খোল খালে। বিকট স্বৰেৰে গৰ্জ্জন কৰি ওলাই আহিল এটা হাবচী সিংহ। বিপুল শক্তিধৰ পশুৰাজে ভয়ঙ্কৰ ভাবে মুখব্যাদন কৰি ডিঙিৰ কেশৰ থিয় কৰি উজ্জ্বল পোহৰত চৌপাশৰ দশকমণ্ডলীলৈ এবাৰ চালে। সকলোপিনে কাঁহ পৰি জিন

যোৱা নীৰৱতা বিৰাজ কৰিবলৈ ধৰিলে। একমাত্ৰ অবিৰাম চলি থাকিল দৰাৰ শব্দ দ্ৰিম দ্ৰাম দ্ৰাম—দ্ৰিম দ্ৰাম দ্ৰাম। জগতে ছোৱালী জনীৰ হাতৰ চাবুকদালৰ বতাহতে কৰা চট চট শব্দ।

নেজদাল গোন কৰি তাৰ তিৰবিৰাই জলি থকা হালধীয়া জুইৰ শিখাৰ দৰে চকুৰে সিংহটোৱে লাহে লাহে পিজৰাটোৰ দাতিয়ে দাতিয়ে ঘূৰিবলৈ ধৰিলে। তাৰ মুখৰ ভিতৰৰ পৰা ওলাই আহিল ঘন ঘন গোজৰণি।

এনেতে পৰ্দা আকৌ এবাৰ খোল খালে। এইবাৰ সোমাই আহিল আৰু দুটা এটা সিংহ আৰু এজনী সিংহী। এই দ্বিতীয় সিংহটো আহিয়েই বিপুল গৰ্জ্জন কৰি কোবেৰে ঘূৰিবলৈ ধৰিলে মঞ্চৰ ভিতৰত। এক ৰোষায়িত দৃষ্টিৰে তাইৰ হালধীয়া চকুৰে মুগী সিংহী জনীয়ে দুইটা সিংহকে নিৰীক্ষণ কৰিবলৈ ধৰিলে।

প্ৰথম সিংহটোৰ পিনে এবাৰ দৃষ্টি দিয়েই সম্ৰাট মালিকস্বাহে আগফালে হাউলি বহি তীক্ষ্ণ দৃষ্টিৰে চাবলৈ ধৰিলে। তেওঁৰ চকুত পৰিছিল যে সিংহটোৰ নেজৰ আগৰ চুটি চুলিৰ থোপাটো ইতিমধ্যে এবাৰ মোচৰ খাইছে। সুদীঘ চিকাৰী জীৱনৰ অভিজ্ঞতাৰে তেওঁ ভালদৰে জানে যে আৰু দুবাৰ এই ধৰণে মোচৰ খালেই সিংহই বিজুলী চমকৰ দৰে আক্ৰমণ কৰিব। এক পলকৰ ভিতৰতে—।

হঠাৎ ছোৱালীজনীৰ হাতৰ দীঘল চাবুক দাল উদ্যত সপৰ দৰে পাক খাই আহি পশুৰাজৰ নাক দেওনাৰ ওপৰত চটপ কৰে পৰিলহি। ক্ৰুদ্ধ সিংহই মুৰ জোকাৰি ছোৱালীজনীৰ ফালে চাওঁতেই আকৌ একোৰ। সিংহটোৱে চকুহাল মুদি মুৰটো আতৰাই নিব খোজোতেই পুনৰ একোৰ। সিংহটো কোচ খাই পিচু�ৰাবলৈ আৰম্ভ কৰিলে। দ্বিতীয় সিংহটোৰ মুখতো প্ৰায় একেলগেই কোৰ পৰিবলৈ আৰম্ভ কৰিছিল। কিছুসময় এইদৰে ওপৰাওপৰিকৈ কোৰ খাই পশুৰাজহত নিস্তেজ হৈ পৰিল। দুয়ো গৈ পোহমনা কুকুৰৰ দৰে পাচঠেঙ কোচাই আগঠেঙৰ ওপৰত ভৰ দি বহি পৰিল মুখামুখিকৈ। ধূত কপটীয়া চকুৰে পিৰিক পাৰাক চাই থকা সিংহীজনীয়েও এবাৰ গৈ একে শাৰীতে বহি ল'লেগে।

সম্ৰাট আৰু ওমৰ উভয়ৰে চকুত প্ৰশংসাৰ দৃষ্টি দেখা গ'ল। সমবেত দৰ্শকৰ মাজৰ পৰা কেবাটাও চিঞৰ আহিল চাবাচ! চাবাচ!

বাজনা বাজিয়েই আছিল দ্রিম-দ্রিম দ্রাম দ্রাম।

পুনৰ পদ্দা খোল খালে। এইবাৰ তিনিটা বাঘ সোমাই আছিল। চেকিয়াপটীয়া বাঘ। এটা বাঘ আছিয়েই দৰাৰ ওপৰত নৃত্য কৰি থকা ছোৱালীজনীৰ ওচৰ পালেহি। পুনৰ সেই প্ৰচণ্ড চাবুকৰ শব্দ হ'ল। পাঁচ-ছয়কোৰ খোৱাৰ পিচতে গোজৰণিৰ সলনি যন্ত্ৰণাৰ শব্দ কৰি বনৰজাম্বো এটা কোণত আশ্ৰয় ল'লেগৈ। বাকী দুয়োটা বাঘেও একেই বাট ল'লে।

ইয়াৰ পিচত ছোৱালীজনীৰ চাবুকৰ নিৰ্দ্দেশত বাঘ সিংহবোৰে দৰাৰ শব্দৰ তালে তালে জপিয়াই জপিয়াই ঘৰিবলৈ ধৰিলে। কোনোবা এটাই অকনমান গাফিলতি কৰি তালভঙ্গ কৰিলেই ক্ষমাহীন সেই সুদীঘ চাবুকে নিভুল লক্ষ্যৰে আঘাত কৰেগৈ।

সেই ভয়ঙ্কৰ নৃত্যানুষ্ঠান চাই ৰাজকীয় দৰ্শকবৃন্দৰ উৎসাহ বন্ধ হৈ যোৱাৰ দৰে হৈছিল। মানুহে চকুৰ পলক পেলাবলৈ পাহৰিছিল। সেই তন্বী শ্যামা গাভৰুৰ নৃত্যই উদ্দাম ৰূপ লৈছিল। যেন তাই মানুহ নহয়, যেন তাইৰ তেজ মঙহৰ শৰীৰেই নহয় যেন তাই এজনী পেগান দেৱী। স্তব্ধ হতবাক ওমৰেও তেনেদৰেই ভাবিছিল ক্ষন্তেকৰ বাবে।

এসময়ত নাচ শেষ হ'ল। এটা এটাকৈ বাঘ সিংহবোৰে পুনৰ ক'লা পদ্দাৰ সিপাৰে নিজৰ নিজৰ গৰালত আশ্ৰয় ল'লে। লঘুভাবে জাপ মাৰি দৰাৰ ওপৰৰ পৰা নামি ছোৱালীজনীয়ে পুনৰ ৰজাৰ সম্মুখত তিনিবাৰ চালাম কৰি মূৰ দোৱাই থিয় হ'ল।

প্ৰবল হৰ্ষধ্বনি আৰু হাত চাপৰিৰ জাউৰি জাউৰি শব্দই প্ৰমোদ মণ্ডপ কপাই তুলিলে।

পর্যত্রিংশ

পিচদিনা পুরা চুলতান মালিকশাহ চিকার যাত্রার বাবে সাজু হৈছিল। আগতেই ওমরর হতুরাই এই দিনটো বজাই মৃগয়ার বাবে প্রশস্ত হবনে নহয় চোরাই লৈছিল। কিন্তু এতিয়া যাত্রা করিবলৈ সাজু হৈ দেখিলে যে বতর বর বেয়া। পুরাবে পরা ফেরফেরীয়া চেচা বতাহ বলি আছে। আকাশ ডাবরে আবরা। ঘণ ক'লা বরষণীয়া বিবাট বিবাট একো চপরা ডাবর কোবাল ডাবে চলাচল করি আছে আকাশর বুকুত। ৰদর বেওণিও নাই। বিতুষ্ট মনে চুলতানে আকাশলৈ চালে। ওমরে দেখোন কৈছিল চিকারর বাবে এই দিন বর ভাল হ ব। তেনেহলে বতর বেয়া হ ল কিয়! ওমরে জানো বতরর কথা চিন্তা নকরাকৈ কৈছিল। বাচ্চায়ে খেল মালিক শাহর সুন্দর মুখখনত বিবক্তি আরু হতা।। চুলতানর সবপ্রথম ধাউত হৈছে যুদ্ধ। যুদ্ধ অভিযানতকৈ আনন্দ তেওঁক একো বই দিব নোৱাবে। কিন্তু যুদ্ধতো আরু সদায় লাগি থাকে। গতিকে চিকার হ ল তেওঁর দ্বিতীয় হেপাহ। তার বাহিরে সৰা নারীর প্রতি তেওঁর কোনো আসক্তি নাছিল। বিদ্যা চর্চ্চার প্রতিও বর বেছি মনোযোগ নাছিল। নিয়মীয়াকৈ কোৰাণ পাঠ করিছিল। পাঁচ ৱাকত নামাজ পঢ়িছিল। কিন্তু কোনো মোল্লা-মৌলবীর সঙ্গ ভাল নেপাইছিল। সেইদেখি উলেমার প্রবল প্রভাবশালী সদস্য সকলেও বজার লগত এক সম্মানজনক দূৰত্ব বজাই ৰাখিছিল। বজার বিরুদ্ধে ক বলৈ একোরেই নেপাইছিল — সেইবুলি ওচর চাপিবলৈও কোনো ভাৰমা নেপাইছিল।

এনেহো চিকারপ্রিয় মালিকশাহর মৃগয়ামিদক বিনোদর বাটত হ ল বতর বিধিপথালি। মালিকশাহর এনেকুৱা বিবক্তির মুহর্ত্তত বাজ-দাৰত থিয় হ লহি অন্য এটা সমদল। ছটা সৈনাই হাতে-ডবিয়ে শিকলি লগাই বন্দী করি লৈ আনিছে কালি ৰাতি জানোৱাৰর খেল প্রদর্শন করোৱা সেই বিৰাট বপু নৰদানর আব্দুল ৰৌফক আরু তার লগৰীয়া আরু তিনিটা খেলোৱাৰক আরু বোৰা পিঞ্জা অৱস্থাতে কালির সেই চাবুকধাৰী নাচনী ছোৱালীজনীক। তায়ো বন্দিনী। লগতে এজন

ৰাজবিষয়া। চুলতানৰ আদেশ আছিল যি কোনো সময়তে বিচাৰৰ কাৰণে তেওঁৰ ওচৰ চাপিব পাৰে। আজি কিন্তু সেই বিষয়াজন আৰু দলটো দেখিয়েই ৰজাই বিৰক্তিত মুখ ঘুৰাই ল লে। ওচৰত থিয় হৈ থকা অন্যান্য মানুহবোৰে প্ৰত্যেকেই ধৰি ল লে যে বেচেৰা বন্দীহতৰ কপাল বৰ বেয়া। কচুৰ যিয়েই নকৰক কিচমেত ইহতৰ একেবাৰে বিমুখ। ৰজাই ইহতক পোনকোৱেই বন্দীশালত থ বলৈ জৰুৰ হুকুম দিব। কাৰণ মালিকশ্বাহক বিৰাট বিপদৰ সম্মুখতো পৰতৰ দৰে অচল অটল দেখা প লেও চিকাৰৰ কাষ্যসূচীত ৰাধাপ্ৰাপ্ত হ লে বৰ অধৈয দেখা যায়।

সেই সঙ্কটৰ মুহ ৰ্ত্তত তাত আহি উপস্থিত হ লহি ওমৰ। বতৰ গোমা দেখিয়েই ৰজাই ওমৰলৈ খবৰ পঠাইছিল। ওমৰ ওচৰ চপাৰ লগে লগে ৰজাই ক'লে মোৰ কাৰণে চিকাৰৰ বাবে বেলেগ এটা দিন চাই দিয়া। আজি আৰু যোৱা বোধহয় ন হব।

ওমৰে ৰাজ উদ্যানৰ গছ-গছনিবোৰৰ ফালে এবাৰ চায়েই ক লে জাহাপনাৰ কিবা কাৰণত যদি নিজৰে স্থগিত ৰখাৰ মন গৈছে তেন্তে বেলেগ কথা নহলে বতৰ বেয়া বুলি যাত্ৰা নকৰাকৈ থকাৰ কোনো প্ৰয়োজন নাই। বতৰ অলপ পিচতে ভাল হ ব।"

তেতিয়া ঘণ কৃষ্ণ ডাৱৰে আকাশ সম্পণ ঢাকি পেলাইছিল। ইমানসময়ে কিন কিন কৰে পৰি থকা ৰবষুণ অলপ প্ৰবল হৈহে পৰিবলৈ ধৰিছিল। ওমৰৰ কথা শুনি সেইদেখি মানুহবোৰ বিশেষ আশ্বস্ত হোৱা নাছিল। ওমৰ কিন্তু নিৰিকাৰ। সম্ৰাটৰ মুখ গম্ভীৰ। তেওঁৰ ওমৰৰ ওপৰত এনেকুৱা গভীৰ বিশ্বাস আছিল যে বতৰৰ এই আয়োজন দেখিও ওমৰৰ কথা সম্পূৰ্ণ অৱজ্ঞা কৰিব পৰা নাছিল। অপেক্ষা কৰি থকা সৈন্য সামন্ত আৰু মৃগয়াৰী ৰাজপুৰুষসকলে কিন্তু বিদ্রুপৰ হাহি বিনিময় কৰিছিল।

কিন্তু এক দণ্ডও পুৰাকৈ পাৰ নৌ হওঁতেই বতৰ মুকলি হ ল। মেঘমুক্ত আকাশৰ পৰা আকৌ সূয্যৰ পৰিষ্কাৰ উজ্জ্বল কিৰণ বাহিৰ হ ল। সোঁ সোঁৱাই থকা বতাহৰ শব্দও কমি আহিল। ৰবষণৰ চিন চাৰ নাইকীয়া হ ল। ধুলিময় পৃথিবীৰ ওপৰেদি পাৰ হৈ গৈ যেন ৰবষুণজাকে সুধাৰ পৰশহে দি গ ল। মানুহবোৰে বিস্মিত হোৱাৰ লগতে পুলকৰ নানা ধ্বনি কৰি উঠিল। এক পলকৰ ভিতৰতে ৰজাৰ মুখ প্ৰফুল্ল হৈ পৰিল।

হাঁহি হাঁহি ওমৰক ৰজাই প্ৰশংসা কৰিলে। তৎক্ষণাৎ দামামা কোবাই সংকেত দিয়াৰ লগে লগে সকলোৱে যাত্ৰা আৰম্ভ কৰিলে।

ঘোৰাৰ আগমুহূৰ্ত্তত ঘোৰাৰ পিঠিত উঠি ৰজাই কিবা এটা মনত পৰাৰ দৰে কৰি থমক খাই ৰৈ ওমৰক কাষলৈ মাতিলে।

সেই মানুহবোৰ দেখিছানে? বন্দী আব্দুল ৰৌফ আৰু তাৰ লগৰ বোৰলৈ আঙুলিয়াই চুলতানে ক'লে এইবোৰ কালি জানোৱাৰৰ খেলা দেখুৱা মানুহ। কিবা গোলমাল লগাইছে নহলে কয়দ হব কিয়! মোৰ হৈ তুমি বিচাৰ কৰি দিবা।

কথা কৈ শেষ কৰিয়েই সম্ৰাট ঘোৰা চলাই গুছি গ'ল।

ওমৰে ইমান সময়ে মানুহবোৰক লক্ষ্য কৰাই নাছিল। এতিয়াহে লক্ষ্য কৰিলে। বন্দীবোৰক আনি ওমৰৰ স'মুখত হাজিৰ কৰোৱা হ'ল।

কি হৈছিল? ওমৰে সুধিলে।

ঘটনাৰ বিৱৰণী দিওঁতে বিষয়াজনে ক'লে কালি চুলতানৰ মহলত জন্তুৰ খেলা প্ৰদৰ্শন কৰাৰ পিচত ইহতৰ আস্তানাত ভীষণ গোলমাল লাগিল। মৰামৰি খেদাখেদি চিঞৰ বাখৰ। ভাগ্যক্ৰমে মই তেতিয়া কেইজনমান চিপাহী লৈ তাত উপস্থিত হ'লোগৈ। ই মানে এই আব্দুল ৰৌফ—ই এটা পুৰা ইবলিচৰ বাচ্চা। ই বোলে এই ছোৱালীজনীক খ্ৰেধ অনিম বেগৰ ওচৰত বিক্ৰী কৰিবলৈ ধৰিছিল। তাইৰ তদ্ৱত গৈ অনিম বেগ আৰু ই সোমাওঁতে তাই চৰিবে আক্ৰমণ কৰি দুইটাকে আহত কৰে। অনিম বেগ কোৰ খোৱা কুকুৰৰ দৰে পলাল। ই কিন্তু তাৰ লগৰ এই মানুহ কেইটা লৈ খণ্ডৰ বেগত ছোৱালী জনীক সিংহৰ গৰালত ভৰাই খুৱাব খুজিছিল। আমি সময়মতে গৈ তাৰ হতুৱাই সিংহৰ গৰাল খুলি দি তাইক উদ্ধাৰ নকৰা হ'লে ছোৱালী জনীতো খুন হ'লহেতেন। গতিকে শান্তিভঙ্গ কৰাৰ অপৰাধত আৰু ছোৱালীজনীৰ জান লবলৈ যত্ন কৰাৰ কাৰণে ইহতক আমি বন্দী কৰিছো।

ওমৰে চাই দেখিলে যে আব্দুল ৰৌফ নামৰ নৰদানৱৰ সোৱাহত কাপোৰেৰে বন্ধা। এতিয়াও তেজ বিৰিণ্ডি আছে। তাৰ অনুচৰ কেইটা তলমুৰ কৈ থিয় হৈ আছে। সিহতৰ মখত সন্ত্ৰাস।

ওমৰে ছোৱালীজনীৰ ফালে চালে। কালিৰ সেই ওখ লাহি ছোৱালীজনীয়েই হয়। বোৰ্খাৰ জালৰ পদাৰ মাজেৰে তাইৰ তীক্ষ্ণ

চকুহাল ওমবে দেখা পাইছিল। এজোপা কুমলীয়া দেবদাৰু গছৰ দৰে তাইৰ ঋজু আৰু দৃঢ় দেহ নিষ্কম্প হৈ ওমবৰ সম্মুখত থিয় দি আছিল।

ওমবে অলপ আতৰি গৈ বহিলগৈ। তাৰ পিচত আব্দুল ৰৌফক মতাই আনি সোধালে শেখ অনিম বেগ সেই ৰাতি তালৈ কিয় গৈছিল। ৰৌফে তপৰাই উত্তৰদিলে যে ব্যৱসায় সংক্রান্ত কথাত। তেনেহ লে সি সেই ছোৱালীজনীৰ তদ্বুত কিয় সোমাইছিল আৰু তুমি তাক কিয় লৈ গৈছিলা।

হুজুৰ মই তাৰ লগত যোৱা নাই। তাৰ চিঞৰ শুনিহে মই দৌৰি গৈছিলো। গৈ দেখিলো অনিম বেগৰ হাতখন চবিৰে প্রায় দুফাক কৰি দিছে এই চয়তানীয়ে। মই একৰাই দিবলৈ ধৰোতে মোকো আহত কৰিছে। হুজুৰ এইজনীৰ কিবা জিন লগা মানুহৰ দৰে মেজাজ। কিমান যে হুজ্জত সহ্য কৰিব লগা হৈছে। এইৰ কাৰণে মই।

সি কথাবোৰ কণ্ঠতে ওমবে একেথৰে চাই আছিল। তাৰ পিচত লাহে লাহে ক লে তুমি সচা কথা কোৱা নাই ৰৌফ। তাৰ পিচত তুমি তাইক সিংহৰ গৰালত সুমাই দিছিলা কিয়? এই কথা সচানে যে তাইক সিংহটোৱে আক্রমণ নকৰা দেখি তুমি তোমাৰ এই মানুহ বোৰক লগাই ষাঠিৰে খুচি সিংহটোৰ খং তুলি দিবলৈ ধৰিছিলা।

ৰৌফ এইবাৰ নিমাত হ ব লগা হ ল।

বিচাৰ চলিল। ছোৱালীজনীৰ নাম চিৰিণ।

তাইক ষেতিয়া সোধা হ ল তাইনো কিয় চুৰি মাৰিছিল তাই পৰিষ্কাৰ দৃঢ় কণ্ঠেৰে ক লে হুজুৰ এই আব্দুল ৰৌফ এক নম্বৰ চয়তান। ই এইদৰে খেলা দেখুৱাই বহুত পইচা উপাৰ্জন কৰে কিন্তু এটা দিৰহামো কাকো নিদিয়ে। বেছিকৈ ক লে মাৰধৰ কৰে। কালি সি সেই হিলেবাজ দোকানীটোৰ পৰা টকা লৈ ৰাতি মোৰ তদ্বুত সুমাই দিছিল। মই ওলাই যাবলৈ ক লতো নগৈ জবৰদস্তি কৰিবলৈ ওলাওঁতে মই তাৰ জান ল বলৈ বিচাৰিছিলো। ই আকৌ মোক মাৰপিট কৰিবলৈ অহা বাবে ইয়াকো মই চুৰি মৰা হয়। পিচত ইহতে ধৰি মোক সিংহৰ গৰালত ভৰাই ৰাখিছিল। ভাবিছিলে নতুন সিংহ সি মোক খাই পেলাব। দুইকাৰ নাকত হাতৰ তলুৱাৰে দিওঁতেই চিনি পাই গ ল মই কোন। কিন্তু ইয়াৰ কথাত এই নোকৰহতে তাক খুচিবলৈ আৰম্ভ কৰোতে মই ধৰি লৈছিলো যে জীৱন অলপ পিচতে শেষ হ ব।

চিৰিণে একে লেখাৰিয়ে কথাবোৰ কৈ অলপ সময় ৰ'ল। তাই কথা কওঁত উত্তেজিত হৈ পৰিছিল। হঠাৎ তাইৰ মুখৰ ওপৰৰ ওৰণি গুচাই সিংহীৰ দৰে গৰ্জ্জি উঠিল হুজুৰ যদি আপুনি মোক কোটৰ কৰিবলৈ দিয়ে বা কয়দ কৰি ৰাখ তেন্তে বেলেগ কথা এইবাৰ এই চয়তানৰ কলিজা মই ইপাৰ সিপাৰ কৰি দিম।

বিষয়াজনে ডাঙৰকৈ 'এই চুপ থাক! বুলি তাইক ধমকি দিওঁতে চিৰিণে উগ্ৰ মূৰ্ত্তি ধৰি এবাৰ তেওঁৰ ফাললৈ চালে। কিবা এটা কঠোৰ বাক্য মুখলৈ আহিছিল কিন্তু তাই চোক গিলি ৰৈ গ'ল।

ইয়াহ আল্লাহ! একদম জুই! এটা চিপাহীয়ে অস্ফুট উক্তি কৰিলে। এইটাইৰে মুখত কিন্তু ছোৱালীজনীৰ প্ৰতি নীৰৱ সপ্ৰশংস দৃষ্টি।

ওমৰে আৰু জানিবলৈ বিচাৰিলে ছোৱালীজনীৰ লগত আব্দুল ৰৌফৰ বন্দবস্ত কি আছিল।

জনা গ'ল যে চাৰিমাহ তাই ৰৌফৰ দলত কাম কৰিছে। প্ৰথমতে কাম শিকা এমাহ বাদ দিও এই চাৰিমাহৰ বাবে পুৰৰ বন্দবস্ত মতে তাই বাৰটা আশ্ৰফি পাব লাগে। তাই কিন্তু এতিয়া লৈকে দুটা ডিনাৰ আৰু চাৰিটা কপৰ দিবহামহে পাইছে।

ওমৰে গম্ভীৰ মুখৰে প্ৰথমে নিৰ্দ্দেশ দিলে যে এজন কেৰাণী গৈ আব্দুল ৰৌফৰ দলৰ সকলো খেলোৱাৰ আৰু অন্যান্য মানুহৰ পাওনাৰ হিচাব ল'ব লাগে। ৰৌফক নিৰ্দ্দেশ দিলে যে আজি বেলি ডুবাৰ আগতে সকলোৰে পাওনা আদায় দিব লাগিব। আৰু এই ছোৱালীজনী—।

ওমৰৰ চকুত কৌতুকৰ হাঁহি বিৰিঙিল।

আব্দুল ৰৌফৰ বিৰাট বপুৰ ফালে চাই ক'লে সিংহ হাতী বশ মনাব পাৰা ৰৌফ এই এক ফোটা ছোৱালী বশ মনাব নোৱাৰিলা!"

আব্দুল ৰৌফে তললৈ মৰ কৰিলে। যিয়েই নহওক এই ছোৱালীজনী এতিয়াৰ পৰা তোমাৰ দলত কাম কৰিব নোৱাৰিব। আজিৰ পৰা তাই তোমাৰ দলত নাই। তাইক হত্যা কৰিবলৈ যত্ন কৰা বাবে তোমাক মই বন্দীশালত ৰাখিব লাগিছিল। কিন্তু সেইটো কৰিলে তোমাৰ দল ভাগি যাব পাৰে। গতিকে তাৰ সলনি তোমাক মই এহেজাৰ দিনাৰ জৰিমনা কৰিলো। এক কিস্তিত এই জৰিমনা আজিৰ পৰা এসপ্তাহৰ ভিতৰত আদায় দিব লাগিব খাজাঞ্চীখানাত। ইয়াৰ পিচৰ পৰা তোমাৰ দলৰ কোনো কমচাৰীৰ পাওনা আদায়

নিদিয়াৰ বা সিহতক দুব্যৱহাৰ কৰাৰ কোনো অভিযোগ আহিলে তোমাক যথোচিত শাস্তি দিয়া হ ব।

নোকৰ কেইটাক ওমৰে খালাচ দিলে। সিহ ত কমচাৰীও নাছিল —আছিল ক্ৰীতদাস। হুকুমনামাত ওমৰে চহী কৰি দিলে। বিষয়া জনে আদেশ কাৰ্য্যকৰী কৰিবলৈ দায়িত্ব ল লে।

হজুৰ খাজা ওমৰ এই ছোৱালীজনীৰ কি হ ব? বিষয়াজনে সুধিলে।

ওমৰে তাইৰ ফালে চাই ক লে তাইৰ পাওনা আদায় কৰি দিয়া দুপৰীয়াৰ নামাজৰ আগতেই। তাই মুক্ত। কিন্তু আগৰ আস্তানালৈ যোৱা বন্ধ।

বন্দী মানুহকোৰক লৈ সসৈন্যে বিষয়াজন আতৰি গ ল। কিন্তু ছোৱালীজনী একে ঠাইতে ৰৈ থাকিল। তাই দোধোৰ মোধোৰত পৰিল। এতিয়া তাই ক লৈ যাব। ইমানদিনে অৰণ্যৰ সিংহ বাঘৰ লগতে তাইৰ এটা আশ্রয় আছিল। এতিয়া এই মানুহেৰে ভৰা নিচাপুৰ নগৰত তাইৰ আশ্রয় লবলৈ ঠাই নাই।

তৰাৰ ঘৰত বহি গ্রন্থ চৰ্চ্চা কৰা সময়খিনিৰ বাহিৰে বা নিজৰ নতুনকৈ পোৱা বিৰাটাকাৰ ৰাজপ্রাসাদৰ বৈঠকখানাত বহি এলেমদাৰ লোকৰ লগত নানা বিষয়ে আলোচনা কৰি থকা সময়ৰ বাহিৰে ওমৰৰ আৰু এটা অভ্যাস আছিল অনাই বনাই ঘুৰি ফুৰা। দিন আৰু ৰাতিৰ যিকোনো সময়তে ওমৰক বাহিৰত পোৱা যাব পাৰে।

ওমৰৰ এই মস্ত কলন্দৰ স্বভাৱৰ বিষয়ে নিচাপুৰৰ মানুহ সক লোৱে জানিছিল।

মগৰীবৰ নামাজৰ কিছু আগে আ ণ আকৌ সেই ছোৱালীজনীক লগ পালে ওমৰে। মচজিদলৈ যোৱা পথৰ কাষৰ ফোৱাৰা এটাৰ ওচৰত তাই আমন জিমনকৈ থিয় হৈ আছিল। তাইৰ কাষেদি ধম প্রাণ ভক্তৰ দল জুম পাতি পাতি মচজিদৰ ফালে যাবলৈ ধৰিছিল। ছোৱালীজনীৰ হাতত এটা টোপোলা।

ওমৰে তাইক দেখি ঘোৰা ৰখালে। লগৰ অনুচৰ এটাক হুকুম দিলে তাইক মাতিবলৈ। ৰৰ সংকোচ কৰি লাহে লাহে ছোৱালীজনী ওচৰলৈ আহি কুনিশ কৰিলে।

ইয়াহ বিল্ট। এই ছোৱালী তই ইয়াত কি কৰিছ?'

হুজুৰ মই এনেয়ে থিয় দি আছো।

তোৰ পাওনা আদায় পালি?

হয় পালো। হুজুৰৰ মেহেৰবাণী।

নিচাপুৱত তোৰ কোনোবা পৰিচিত মানুহ আছে? আত্মীয় স্বজন? আজি ক'ত থাকিবি? —ওমৰে আকৌ সুধিলে।

পুনৰ কুনিশ কৰি তাই ক'লে যে তাইৰ কোনো আত্মীয় স্বজন বা পৰিচিত মানুহ নাই। প্ৰকৃততে তাইৰ কোনো আপোন মানুহ ক'তো নাই। আজি ৰাতি তাই ক'ত থাকিব নেজানে। গতিকে নামাজৰ পৰা মানুহবোৰ যেতিয়া গুছি যাবগৈ তেতিয়া মচজিদ বাৰান্দাতে ৰাতিটো থাকিব বুলি ভাবিছে।

ওমৰ নীৰৱ হ'ল। এই মচজিদৰ প্ৰাঙ্গনতে বহুৰাতি তেওঁ নিজেও অতিবাহিত কৰিছিল। এক পলকতে ওমৰৰ মনে নিজৰ ঘটনাবহুল অতীত ভ্ৰমি আহিল। ম্লান হৈ আহিব ধৰা বেলিৰ পোহৰতো ছোৱালীজনীৰ মুখলৈ চাই দেখিলে তাইৰ স্থিৰ দৃষ্টিত কোনো প্ৰত্যাশা নাই। মচজিদতে থকা কথা তাই স্থিৰ কৰি ৰাখিছে।

সেই অতীতৰ দিনবোৰত ওমৰৰো কোনো সহায়ৰ আঁ।ত নাছিল।

ওমৰে এটা পাশ্ব চৰক ঘোৰাৰ পৰা নামি অন্য এটাৰ লগত একেলগে উঠিবলৈ ক'লে। তাৰ পিচত ছোৱালীজনীৰ ফালে চাই সুধি'ল।

তোৰ নামটো তেতিয়া কি কৈছিলি?

চিৰিণ।

ওঁ—চিৰিণ। উঠ ঘোৰাত উঠ।

এক মুহূর্তৰ বাবে ইতস্তত কৰি তাই লেকাম দাল তুলি লৈ জাপ মাৰি ঘোৰত উঠিল। বাক্যব্যয় নকৰি ওমৰ আগবাঢ়িল।

ওমৰৰ নতুন ৰাজ অট্টালিকা ৰঙা বালি পাথৰেৰে নিৰ্ম্মাণ কৰা। প্ৰকাণ্ড তোৰণ পাৰ হৈ বিশাল ফুলনিৰ মাজে মাজে গৈ প্ৰাসাদৰ প্ৰধান দৰৱাজাৰ মুখত ওমৰ ঘোৰাৰ পৰা নামিল। এটা মানুহ দৌৰি আহি ওমৰৰ হাতৰ পৰা ঘোৰাৰ লেকাম দাল ল'লে। ওমৰে মানুহটোক ক'লে ৰচিদ এই ছোৱালীজনী যিমান দিন তাইৰ ইচ্ছা ইয়াত থাকিব। সকলো সুবিধা কৰি দে।

কাৰো ফালে এবাৰো নোচোৱাকৈ ওমৰ ভিতৰ সোমাই গ'ল।

তাৰ কেইদিনমানৰ পাচত ওমৰক এদিন আৱেলি বৃদ্ধ নিজাম-উল মুল্কৰ সৈতে দেখা গ'ল। ওমৰক নিজামে মাতি পঠাইছিল। কুশল বাৰ্ত্তা বিনিময় হোৱাৰ পিচতে ওমৰৰ আগত এটা গোপন আৰু গুৰুতৰ কথা উলিয়া'ল নিজামে। সকলো কমচাৰীকে নিজামে আতৰাই ল'লে।

ওমৰ অলপ আচৰিত হ'ল যদিও মুখত একো প্ৰকাশ নকৰিলে। কিন্তু নিজামে যেতিয়া বজাৰত আজি কিছুদিনৰ পৰা ওলোৱা এই নতুন ধৰণৰ তেলৰ কথা উলিয়ালে ওমৰে তেতিয়া আগ্ৰহেৰে শুনিবলৈ ধৰিলে।

ওমৰে স্বীকাৰ কৰিলে যে এই তেলৰ কথাটোৰ প্ৰতি তেওঁৰ নিজৰো দৃষ্টি আকৰ্ষিত হৈছে। নিজামে তেতিয়া সুধিলে—

তোমাৰ কি ধাৰণা বাৰু? এই তেল ৰাসায়নিক পদ্ধতিৰে প্ৰস্তুত কৰা বুলি তুমি ভাবানে।

ওমৰে ক'লে যে ৰাসায়নিক কিবা উপায়েৰে এনে তেল প্ৰস্তুত কৰিব পাৰিনে নোৱাৰি সেই বিষয়ে তেওঁ নিশ্চিত নহয়। কিন্তু যি পৰিমাণৰ তেল বজাৰত ওলাইছে তাৰ'লৈ চাই বিপুল সংখ্যক লোকে একেলগে কাম নকৰিলে ইমান তেল প্ৰস্তুত কৰিব নোৱাৰে। আৰু সিমানবোৰ মানুহে এই তেল তৈয়াৰ কৰা কামত লিপ্ত থাকিলে কথা টো ইমানদিনে জনাজাত হ'লহেতেন। তেতিয়া নিজামে ক'লে—

আচলতে এই তেল কিন্তু কোনো বিদেশৰ পৰা আমদানি হোৱা নাই। জাহাজেৰে অন্য দেশৰ পৰা আমদানি কৰা বুলি আগৰ যি সংবাদ সেইটো সঠিক নাছিল। মই ভালদৰে জানিব পাৰিছোঁ যে এই তেল দেশৰ ভিতৰৰে বহু ঠাইৰ পৰা খচ্চৰৰ পিঠিত বোজাই হৈ সাগৰৰ উপকূললৈ যায় আৰু তাৰ পৰা জাহাজত উঠি এটা বিশেষ বন্দৰেদি আমদানি হৈ দেশৰ বজাৰত বিয়পি পৰিছে। যিবিলাকে এই তেল প্ৰস্তুত কৰিছে সিহতৰ এনে অদ্ভুত আচৰণৰ কাৰণ কি হ'ব পাৰে বাৰু?

এক মুহূৰ্ত্তও পলম নকৰাকৈ ওমৰে কৈ উঠিল—

যদি সেয়েই হয় আল্লা হজৰত তাৰ কাৰণ স্পষ্ট। এই তেলৰ হয় কোনো নিচেই সহজ নতুনকৈ আবিস্কৃত কিবা পদ্ধতি আছে যিটো মাত্ৰ কইজন মান মানুহেহে জানে আৰু তেওঁলোকে সেই বিষয়টো নিজৰ লাভৰ আঁতত গোপনে ৰাখিছে। আমদানি শুল্ক ভৰি চৰকাৰকো খুচী ৰাখিছে। কিন্তু ধুব সস্তৰ এনকুৱা তেলৰ কৰবাত খনি আছে আৰু সেইখনি ইতিমধ্যে কোনো বুদ্ধিমান লোকে বিচাৰি পাইছে।

নিজামে এক পলক সময় ওমৰৰ মুখলৈ বিস্ময়েৰে চাই ৰ'ল। কিন্তু তাৰ পিচতো সহজ ভাৱেই ক'লে।

তোমাৰ অনমান সঠিক। অথচ এই সিদ্ধান্তলৈ আহিবলৈ আমাৰ কৰ্মচাৰীহঁতক বহুদিন লাগিল। তথাপি সিহঁতে এতিয়াও ৰাসায়নিক তেল বুলি ভাবি আছে। খনিজ হ'ব পাৰে বুলি ভৱা নাই। তুমি খনিজ বুলি কিয় ভাবিলা।

'যি পৰিমাণৰ তেল তালৈ চাই আৰু আপোনাৰ পৰা এইমাত্ৰ শুনা তাৰ আমদানিৰ দস্তুৰৰ কথা শুনি। তাৰ বাহিৰেও আমাৰ পুৰণি সাহিত্যৰ বহু ঠাইত আতছ ই ছাহাৰা বা মৰুভূমিৰ জুইৰ কথা উল্লেখ আছে। এইবোৰ একেবাৰে অলীক কল্পনা নহ'বও পাৰে।

নিজামে গম্ভীৰভাৱে মুৰ দুপিয়ালে। ওমৰৰ এই অসামান্য দ্ৰুত চিন্তাই তেওঁক তৰধ মনাইছিল। নিজামৰ বিশ্লেষণ সদায় ধীৰ আৰু সিদ্ধান্ত সদায় নিভুল নহ'লে এই বিশাল সাম্ৰাজ্য তেওঁ চলাব নোৱাৰিলেই হেতেন। ওমৰৰ দৰে তৎক্ষণাৎ এটা মতলৈ অহা নিজামৰ অভ্যাস নাই।

ইয়াৰ মূৰটোৱেই গণিতৰ। নিজামে মনে মনে ভাবিলে। তাৰ পিচত অন্য সাধাৰণ বিষয়ে দুষাৰমান কথা পাতি নিজামে সম্পূৰ্ণ বেলেগ প্ৰশ্ন এটা কৰিলে।

জেৰুজালেম নগৰত তোমাৰ লগত হাচান ইবন চাবাহ নামৰ এজন লোকৰ দেখা হৈছিল।

ওমৰ আচৰিত হ'ল। অলপ থমক খাই নৈ ক'লে হয় হৈছিল।

মই জানো। কাৰণ এই মানুহটোৰ গতি বিধি মই আজি বহুদিনৰ পৰা লক্ষ্য কৰিছো। মোৰ ধাৰণা এই মানুহটো কিছুদিনৰ ভিতৰতে আমাৰ দুঃশ্চিন্তাৰ কাৰণ হ'ব। মই আৰু ভাবো যে তোমাক লৈ তাৰ কিবা এটা পৰিকল্পনা আছে। সেই পৰিকল্পনা ব্যৰ্থ হ'লে সি তোমাৰ অনিষ্ট সাধন কৰিবলৈ যত্ন কৰিব।

ওমৰে ভাবিলে হাচান ইবন চাবাহৰ কি পৰিকল্পনা থাকিব পাৰে যত বজাৰ জ্যোতিষীৰ প্ৰয়োজন হ'ব পাৰে। নিজামে কৈ গ'ল—

অৱশ্যে তাৰ বিষয়ে সকলো খবৰ মই এতিয়াও সংগ্ৰহ কৰিব পৰা নাই। তোমাক জনাই থ'লো এই কাৰণে যে সি অতি উচ্চাকাঙ্ক্ষী মানুহ। সংগঠন শক্তিও অসীম আৰু অতি বুদ্ধিমান। ইতিমধ্যে

ৰাজ্যৰ বহুতো অশিক্ষিত চহা মানুহৰ মাজত সি নিজৰ ক্ষেত্ৰ তৈয়াৰ কৰি লৈছে। সাম্ৰাজ্যৰ দক্ষিণফালে বহু ঠাইত সি সিহঁতৰ গোপন আস্তানা গঢ়ি তুলিছে। স্বাহ দিজ পৰ্ব্বত শ্ৰেণীৰ কোনো এঠাইত ইহতৰ ঘাটি আছে। অৱশ্যে এইবোৰ কথা এতিয়াও অনুসন্ধান সাপেক্ষ। তোমাক এতিয়া যিবোৰ কথা মই ক'লো সেই কথাবোৰ একান্ত গোপনে ৰাখিবা। যি মুহূৰ্ত্তৰে পৰা সিহতৰ ধাৰণা হ'ব যে তুমি এইবোৰ কথা জানিছা সেই মুহূৰ্ত্তৰ পৰাই তোমাৰ জীৱন বিপদসংকুল হৈ পৰিব।

ওমৰে কাণ পাতি শুনিলে। স্বাহ দিজ! স্বাহ দিজ! নামটোৱে ওমৰক অন্যমনস্ক কৰি তুলিলে। তৎক্ষণাৎ তেওঁৰ মাটো উৰা মাৰিলে তেওঁৰ তাজিক আব্বা আৰু আম্মাৰ কাষলৈ। চকুৰ পতাত ভাহি উঠিল বিবি নাজমাৰ সেই বিষণ্ণ স্নেহময়ী মাতৃমূৰ্ত্তি ছবি। ৰেজাখান চাহেবৰ সেই উন্নত কপাল আৰু ডাঠ চেলাউৰিৰ তলৰ বিমষ কিন্তু উদ্ধত দৃষ্টি।

সেই উদ্ধত ক্ৰুদ্ধ দৃষ্টিৰ লক্ষ্যও আছিল এই স্বাহ দিজ পৰ্বতেই। এই স্বাহ দিজ পৰ্বতৰ ফালে চাৰেই বুকুডগা হুমুনিয়াহ আহ মৰমী আম্মা নাজমাৰ। ওমৰৰ মনত পৰিল যে এদিন সেই উদাৰ মৰমিয়াল পৰিয়ালৰ এটাইৰে আগত ওমৰেও প্ৰতিজ্ঞা কৰিছিল যে স্বাহ দিজ পৰ্বতৰ ৰহস্য সি ভেদ কৰিব। মনত পৰি গ'ল হাস্যমুখী হাচিনাৰ ধুনীয়া মুখখন!

ওমৰে পাহৰি আছিল। নে নিজৰ একেকুবীয়া মনৰ বাবে সিহতৰ কথা ভাবিবলৈ সময় পোৱা নাছিল।

ওমৰ বহুপৰ মনে মনে থকা দেখি নিজামে সুধিলে কি ভাবিছা ওমৰ?

ওমৰে হঠাৎ সম্বিত পোৱাৰ দৰে কৰি সুধিলে আল্লা হজৰত স্বাহ দিজ পৰ্বতৰ কাষৰীয়া ঠাইবোৰত কোনো এক শ্বেখ অল জাবালৰ বিষয়ে মানুহে কোৱা মেলা কৰা শুনা যায়। কোন এই শ্বেখ অল জাবাল?

আৰু এটা ৰহস্যময় নাম। সেই নাম ময়ো শুনিছো। কিন্তু সবিশেষ এতিয়াও জনা নাই। আমি সকলো কথা জানি ল'ব লাগিব।

নিজামে আৰু কথা নেপাতিলে। চিন্তাক্লিষ্ট মনেৰে ওমৰ ঘৰলৈ আহিল। শ্বেখ অল জাবালৰ ৰহস্যভেদ ওমৰৰ এটা পুৰণি প্ৰতিজ্ঞা। ইতিমধ্যে হিচাব বহুত কৰা হ'ল। সেই হিচাব এতিয়াও বাকী।

ছয়ত্রিংশ

কেইদিনমান পাচতে পূণগ্রাস চন্দ্র গ্রহণৰ দিন। সমগ্র মুছলিম জগতৰ বাবে চন্দ্র অতিশয় গুৰুত্বপূর্ণ। আকাশৰ বুকুত চন্দ্রই আৰব তুৰস্ক ইৰাণৰ মৰুসন্তান সকলৰ বাবে অকল ৰাতিৰ আলোকৰহে সৃষ্টি কৰে এনে নহয়। শুক্লপক্ষৰ কলা কলাকৈ বৰ্ধিষ্ণু চন্দ্র আৰু কৃষ্ণপক্ষৰ ক্ষীয়মাণ চন্দ্রই ধমগ্রাণ মুছলিম জগতৰ বাবে প্রত্যেক দিনৰ পৰিচয় আনি দিয়ে।

মৰুসূর্য্যৰ বিৰতিহীন প্রখৰতা হেজাৰ হেজাৰ মাইল বিয়পা অন্তহীন বালকাৰাশিৰ বিশু ধ তৰঙ্গমালা আৰু অগ্নিময় চাইমুমলৰ মাজত কঠোৰ জীৱনত অভ্যস্ত এই মৰুসন্তান সকলে বিচৰণ কৰোতে মনৰ মাজত জগাই তোলে দুদম প্রত্যাহবান। কিন্তু শেহ সুকযৰ অগ্নিপিণ্ড যেতিয়া ড ব যায় উত্ত ত বালিৰ সা াৰ যেতিয়া চেচা হৈ আহে তেতিয়া মায়াবিণী মূর্ত্তি ধৰি আকাশত উদয় হোৱা চন্দ্রমাই আনি দিয়ে শান্তি আৰু জিৰণি। মৰুজীৱনত দিনতকৈ ৰাতি বেছি বৈচিত্রময় আৰু মোহনীয়। সূর্য্যই কঢ়িয়াই আনে আৰু এটা একেসুৰীয়া নিদ্দয় দিনৰ শ্রম। কিন্তু চন্দ্রই হাতবাউল দিয়ে ক্লান্তি দূৰ কৰিবলৈ আৰু জিৰণি ল বলৈ। ইৰাণ তুৰাণ আৰু আৰবৰ কবিসকল সেইবাবে চন্দ্রৰ গুণগানত শতমুখ। ইছলামৰ সামাজিক ৰীতি নীতি আৰু ধর্মবোধতো মেহতাব বা চন্দ্রৰ স্থান বিশিষ্ট।

এইহেন চন্দ্রৰ পূণগ্রাসৰ আগলি বতৰা প্রচাৰ হোৱাৰ লগে লগে এটা মৃদু আলোড়ন আহি গ ল। নামাজৰ অন্তত মৌলবীসকলে ইমানদাৰ মুছলিম সকলক এই বিশেষ দিনটোৰ কথা জনাই ক লে যে সেই বিশেষ দিনটোত সকলোৱে প্রাথনা কৰিব লাগে।

সেইসময়ৰ ইছলাম জগতৰ বিভিন্ন মতাবলম্বী সকলো শাখাৰ মানুহেই নিজৰ নিজৰ ভাগে চন্দ্রগ্রহণৰ তাৎপয্য ব্যাখ্যা কৰি লোকসমাজত প্রচাৰ কৰিবলৈ ধৰিলে।

গোড়া ইস্মাইলী পন্থাৰ এজন লোকে এদিন নগৰৰ চাৰি আলি তিনি আলি লগ হোৱা ঠাই বিলাকত বৈ বৈ বুকু চপৰিয়াই চপৰিয়াই

ওজস্বিনী ভাষাত চন্দ্রগ্রহণৰ অথ ব্যাখ্যা কৰি ইমানদাৰসকলক সকিয়নি দি গ ল প্রাথনা কৰা মহান আল্লাহৰ আৰু এক মহিমা তোমালোকে অলপতে প্রত্যক্ষ কৰিবা

মাদ্রাছাৰ বিদ্বানসকলৰ মাজতো এই আসন্ন প্রাকৃতিক ঘটনা লৈ অনেক ৰদ বদল হ ল। কিন্তু তাৰ কাষ্য কাৰণ সম্বন্ধে কোনো স্থিৰ সিদ্ধান্ত নহ ল।

নিজামৰ গুপ্তচৰ বাহিনীৰ প্রধান মেহেৰে নিজামৰ সম্মুখত আঠু কাঢ়ি ফুচফুচাই কোৱাৰ দৰে ক লেহি— হুজুৰ বহুতে বহুত ধৰণেই চন্দ্র গ্রহণৰ কথা ব্যাখ্যা কৰি ফুৰিছে। কিন্তু তাৰ ভিতৰতে কিছুমানে সম্পূর্ণ বেলেগ ধৰণ কৈছে। সিহতে কথা উচ্চৈস্বৰে নকয়। সৰহ মানুহৰ আগতো নকয়। কিন্তু গাঁৱে ভূঞে নগৰে চহৰে সাধাৰণ মানুহৰ আগত ি ন্নস্বৰে প্রচাৰ কৰি ফুৰিছে যে চন্দ্রগ্রহণৰ পিচত শেষজন নবী মেহদী আহিবলৈ আৰু বেছি দিন নেথাকিব। তাৰ আগে আগে তামাম ইৰাণ আৰু তুৰাণত তোলপাৰ লগাব পৰা কিছুমান ডাঙৰ ঘটনা ঘটিব। গতিকে হুছিয়াৰ।”

সাধাৰণতে বগা কাপোৰ পিন্ধা এই বিশেষ ধৰণৰ মানুহবোৰ ওমৰৰ সন্ধানী দৃষ্টিৰ আগতো ধৰা পৰিছিল।

কিন্তু যিদিনা চন্দ্রগ্রহণ হ ল সেইদিনা জনগণে আচৰণ কৰিলে নিজৰ বিশ্বাস মতে।

তৰাৰ ঘৰৰ মান মন্দিৰত ওমৰ তেওঁৰ সহকাৰী সকলৰ সৈতে থিয় হৈ আছিল আকাশৰ পূণচন্দ্রলৈ লক্ষ্য কৰি। সকলোৰে চকুত প্রত্যাশা।

লাহে লাহে জোনৰ একাষে এটা ক লা বৃত্তাংশ দেখা গ ল। আলি বাট তেতিয়া মানুহেৰে ঠাই খাই আছিল। ক'লা ছায়াটো আৰু অলপ আগ বঢ়াৰ লগে লগে ঘৰৰ চালৰ ওপৰৰ পৰা তিৰোতা মানুহবোৰে ইনাই বিনাই চিঞৰিবলৈ ধৰিলে। আলিবাটৰ মানুহ বিলাকেও চিঞৰ বাখৰ কৰি চাক ঢোল পিটিবলৈ আৰম্ভ কৰিলে। উচ্চৈস্বৰে চিঞৰি চিঞৰি জোনক গিলিবলৈ আৰম্ভ কৰা সেই প্রকাণ্ড দৈত্য টো ভয় খুৱাই খেদিবলৈ সমূহীয়া প্রচেষ্টা চলিল।

দৈত্যৰ মেলামুখে তথাপিও কিন্তু জোনটো গিলিয়েই থাকিল। লাহে লাহে পৃথিবী অন্ধকাৰ হৈ আহিল। মানুহবোৰে বিভিন্ন ধৰণৰ

বাদ্য যন্ত্রৰ শব্দ কৰি গগণ বিদীণ কৰিলে। যেতিয়া পৃথিবী অন্ধ কাৰ হৈ পৰিল তেতিয়া হাতে হাতে জোৰলৈ মোল্লা-মৌলবীসকলে উচ্চস্বৰে আল্লাহৰ নিৰান্নবৈষ্টি পবিত্ৰ নাম উচ্চাৰণ কৰি চয়তানৰ শক্তি নোহোৱা কৰিবলৈ কাতৰভাৱে আবেদন জনালে। তিৰোতাৰ কন্দাকটা আৰু মানুহৰ চিঞৰ বাখৰো বাঢ়ি গ'ল। তথাপি সম্পূণ অন্ধকাৰত পৃথিবী ডুবি থাকিল।

কিছুসময়ৰ মূৰত একাষে ৰূপালী সূতাৰ দৰে জোনৰ একাংশ সকলোৰে চকুত পৰিল। আতঙ্কগ্রস্ত মানুহবোৰে স্বস্তিৰ নিশ্বাস পেলালে। দুগুণ উৎসাহেৰে কোহ াল আৰম্ভ হ ল। চাওঁতে চাওঁত সই ৰূপালী সূতাদাল কলা কলাকৈ বাঢ়িগৈ আকাশত পূণচন্দ্রত পৰিণত হ ল। গিলি পেলাইছিল যদিও দুষ্ট দৈত্য পেটত বেছি সময় ৰাখিব নোৱা-ৰিলে। নানা ধৰণৰ উল্লাস ধ্বনি কৰি এসময়ত মানুহবোৰ ঘৰৰ ভিতৰ সোমাল।

নিতান্ত প্রাকৃতিক ঘটনা হ লেও এই চন্দ্রগ্রহণে মানুহৰ মাজত ধম ভাবৰ জোৱাৰ আনিলে কিছুদিনলৈ।

কিন্তু চন্দ্রগ্রহণৰ ৰাতিয়েই নিচাপুৰ ইস্পাহান বে আৰু খোদ মালিকশ্বাহৰ ৰাজধানী মাৰৱ নগৰীত একেলগে এটা অঘটন ঘটিল— প্রত্যেক ঠাইৰে পৰা কিছুমান মানুহ নিখোজ হ ল। এই এটাই ৰোৰ মানুহ এনেধৰণে নোহোৱা হ ল যে মেহেৰৰ গুপ্তচৰবোৰে সকলোতে পাত পাতকৈ বিচাৰিও এজনৰো কোনো শুংসূত্র উলিয়াব নোৱাৰিলে। যেন বতাহত মিহলি হৈ গ ল।

সাতত্রিশ

ওমৰৰ ৰাজহাউলিৰ আটাইকেইটা মহল আৰু কক্ষ কক্ষান্তৰ ঘুৰি ঘুৰি চাই যেতিয়া কোনো তিৰোতা মানুহ নেদেখিলে তেতিয়া চিৰিণ নামৰ ছোৱালীজনী অবাক হ ল। এইটো কি আচৰিত কথা— অন্দৰমহল আছে অথচ কোনো জেনানা নাই। অসংখ্য চাকৰ বাকৰ আছে অথচ কোনো মোৰাদাৰ নাই।

বাবুচিখানাত দুজনীমান বয়সিয়াল তিৰোতাই বন্ধাবঢ়াৰ কাম কৰে কিন্তু সিহতৰ বাবেও বিশাল চৌহদৰ এদাতিয়ে নিৰ্দ্দিষ্ট বাহিৰা ঘৰ আছে। কাম কৰি শেষ হ লে ঘন চকোৱাৰে ঘেৰা সেই ঘৰবোৰলৈ সিহত গুছি যায়। প্ৰকাণ্ড তোৰণৰ কাষৰ পৰাই আৰম্ভ কৰি ৰঙা বালি পাথৰেৰে সজা অট্টালিকাটোৰ চাৰিওফালে বিস্তীৰ্ণ ফুলনি আছে। তাৰোপৰি নানা ফলবান গছ আছে কিন্তু কেউফালে অৱহেলাৰ চিন। গোলাপ ফুলৰ গছবোৰ যথাইচ্ছা বাঢি গৈ হাৰিত পৰিণত হৈছেগৈ। ফোৱাৰাবোৰৰ পানীত শেলৰৈ জমাহৈ লেতেৰা হৈ পৰিছে। ফুলনিৰ মাজৰ কঙ্কৰেৰে বন্ধোৱা বাট বোৰত জাবৰ জমা হৈছে। ঠায়ে ঠায়ে গাত হৈছে। এজাক মালী আছে কিন্তু সিহতে সময়মতে লঙ্গৰখানাত উপস্থিত হৈ খাই বৈ কথা পতা আৰু টোপনি যোৱাৰ বাহিৰে একো কাম নকৰে। ওমৰে নিজে ব্যৱহাৰ কৰা কক্ষকেইটাৰ বাহিৰে আৰু বৈঠকখানা সজাই পৰাই ৰখাৰ বাহিৰে বাকী কোঠাবোৰো বিশৃঙ্খল। অথচ প্ৰত্যেক মহলৰ বাবে নিৰ্দ্দিষ্ট মানুহ আছে। গোটেই ঘৰচোতে এটা মূৰ্ত্তিমান অনাদৰে কোঠালীয়ে কোঠালীয়ে হুমুনিয়াহ কাঢ়ি ঘৰি ফুৰে।

কিন্তু চিৰিণক এটাইতকৈ আচৰিত কৰিলে ওমৰে নিজে। সেইযে ৰছিদুদ্দিনক হুকুম দিলে তাইক চৰ সুবিধা কৰি দিবলৈ তাৰ পিচৰ পৰা আজি এসপ্তাহে ওমৰক তাই চকুৰেই দেখা নাই।

তাই অহাৰ পিচদিনাই ৰছিদে এটা কাপোৰৰ বেপাৰী মাতি লৈ আহি তাইক লগ লগাই দি ক লে যিমান ইচ্ছা কাপোৰ তাই ল ব পাৰে। হুজুৰ চৰকাৰৰ আদেশ। অন্যান্য যি বস্তু লাগে সেই বেপাৰীৰ আগত ক লেই সি আনি দি যাব।

প্রথমতে দুদিনমান তাই অলপ শঙ্কা কৰি আছিল। এই প্রকাণ্ড হাউলিটোত ৰাতি হলে সম্পূণ নীৰৱতাই ৰাজত্ব কৰে। গতিকে দিনৰ নিঃসঙ্গতা আৰু ৰাতিৰ এই নীৰৱতাৰ মাজত তাইৰ শঙ্কা কেনিবা উৰি গল। সময় দুবহ বোজাৰ দৰে হল তাইৰ বাবে। দিনত হলে আপোন ইচ্ছাৰে যিমান সময় ইচ্ছা সিমান সময় তাই গা ধোৱে। তাৰ পিচত প্রকাণ্ড দাপোনৰ আগত থিয় হৈ সাজ-পাৰ কৰে। ওপৰৰ চাঁদত থিয় হৈ চাৰিওফালে ঘুৰি ঘুৰি চায়। তথাপি সময় নেযায়। বাহিৰৰ বৈঠকখানালৈ অতিথিসকল অহা তাই দেখে। কিন্তু ওমৰক এবাৰো নেদেখে।

কেতিয়াবা তাই গৈ বাবুচিখানাত তিৰোতা মানুহ দুজনীৰ লগত কথা পাতেগৈ। ইতিমধ্যে তাইনো কেনেকৈ সিহতৰ মালিকৰ আলহী হ লহি এই সমস্ত ঘটনা ইকাণ সিকাণকৈ সকলোৱে জানিব পাৰিছিল। সিহতৰ মালিকৰ অন্ত ত খেয়ালৰোৰৰ বিষয়ে সিহত ইমান অভ্যস্ত হৈছিল যে কোনো কথাতে এতিয়া সিহতে আচৰিত নহৈছিল। এই ছোৱালীজনীকো সেইদেখি সহজভাৱেই গ্রহণ কৰিলে সকলোৱে।

তাই সুধিলে ইয়াত কোনো জেনানা নাই কিয়—মালিকে জানো বিয়া বাৰু কৰোৱা নাই। মৰিয়ম বিবি অর্থাৎ ৰাজনি শালৰ তিৰোতা এজনীয়ে তাইক ক লে যে সিহতে কোনো দিনে মালিকৰ কোনো বিবি চাহেবা আছে বুলি শুনা নাই। এবাৰ বোলে বিয়া হৈছিল কিন্তু ছোৱালীজনী ঘৰ উঠাৰ আগতেই বেমাৰ হৈ মৰিল। সেইটোও আজি কেবাবছৰৰো আগৰ কথা। তাৰ পিচত আৰু বিয়া কৰোৱা নাই।

চিৰিণৰ আৰু আচৰিত লাগিল। এবাৰ মাত্র বিয়া কৰাইছিল। তাই জনাৰ ভিতৰত কোনো আমীৰৰ এজনী মাত্র বিয়া কৰোৱাৰ নজিৰ নাই। সকলোৱেই বহুপত্নীক।

তেনেহলে তিৰোতাৰ মুখেই নেচায় নেকি? তাই সুধিলে।

দুইজনী তিৰোতাই হাহিলে। তাৰ পিচত বুঢ়ী হাবিদাই ক লে চায় কেতিয়াবা। দেখনিয়াৰ নাচনী ছোৱালী দেখিলে মতাই আনি সপ্তাহ দহদিন ৰাখে। সেই কেইদিন কলৈকো নোলায়। বৈঠক-খানাত বহিব। মেহমানসকল আহিব। খুব খানা পিনা চলিব। চিৰাজীৰ সোত ৰব। নাচ-গান চলিব। ৰজাৰৰ নাচনী ছোৱালী ঝি বেগম চাহেবা থকাদি থাকিব সেই কেইদিন কি চাবা। তাৰ

পিচত ৰহিদৰ হাতত দামী বকচিচ আহিব। নাচনী পুনৰ শুহি যাব। এই হৈছে এই ঘৰৰ দস্তুৰ।

চিৰিণে শুনি গ'ল। মৰিয়ম বিবিয়ে এইবাৰ কলে যে মালিকতো নিজেই মাজে মাজে গায়েব হৈ যায়।

গায়েব হৈ যায়! আল্লাহ! সেইটো আকৌ কি কথা! চিৰিণে সচকিত হৈ সুধিলে। গায়েব মানে অদশ্য হোৱা।

হু! খাজা চাহেব কিমান ডাঙৰ যাদুকৰ তুমি নেজানা। মানুহৰ পেটৰ কথা চব ক'ব পাৰে। ভূত-ভৱিষ্যত চব কথা জানে। চুলতানে তেওঁক মতাই পঠায়েই সদায়। গায়েব হোৱা কথা কৈছা! মানুহৰ চকুৰ আগতেই তেওঁ নোহোৱা হৈ যাব পাৰে।

এনেকুৱা বহত সংবাদ চিৰিণে ওমৰৰ বিষয়ে সংগ্রহ কৰিলে। তাইৰ ধাৰণা হ'ল যে ওমৰ এক খেয়ালে পৰস্ত মানুহ। আৰু খুব ডাঙৰ পণ্ডিত। মাদ্রাছাৰ ডাঙৰ ডাঙৰ মৌলানাবোৰতকৈও ডাঙৰ পণ্ডিত। তদুপৰি যাদুকৰো। লগতে এই আচৰিত মানুহজনৰ আপোন ভোলা স্বভাৱৰ বিষয়েও তাই নিশ্চিন্ত হ'ল। মৰম যে কৰিব পাৰে তাৰ প্রথম প্রমাণ পালে তাইক ঘৰত আশ্রয় দিয়াত। দ্বিতীয়তে যেতিয়া শুনিলে যে তেওঁ এজনী ছোৱালী বিয়া কৰাইছিল।

ওমৰৰ বিষয়ে আৰু জানিবলৈ তাইৰ আগ্রহ হ'ল। কিন্তু ওমৰক লগেই নেপায়। ঘৰত থকা সময়খিনি সম্পূর্ণ অভ্যাগত আৰু অন্যান্য বাজপুৰুষসকলৰ দ্বাৰা পৰিবেষ্টিত হৈ থাকে। ৰাতি কেতিয়াবা ঘৰত থাকে। কেতিয়াবা তৰাৰ ঘৰত কটাই দিয়ে।

নিৰুপায় চিৰিণে নিজে নিজে কাম বিচাৰি ল'লে। তাই চাকৰ বাকৰ দুটামান লৈ প্রথমে ঘৰটোৰ ভিতৰখন সাৰি পুচি চাফা কৰিবলৈ ধৰিলে। বহি বহি খাই শুই ইতিমধ্যে একোটা তালিকাভুক্ত ধোদত পৰিণত হোৱা চাকৰ কেইটাই প্রথমতে কেৰাহাইছিল। কি হ'ব এইবোৰ চাফা কৰি? খাজা চাহেব এবাৰো এইবোৰ কোঠালৈ নাহেই।

কিয় আহিব? তহতে এইবোৰ ঘৰলৈ খাজা চাহেব আহিব পৰা কিবা ৰাস্তা ৰাখিছ জানো। গোটেইখনতে মকৰা পইতাচোৰা চুঙা বাদুলীৰ বাহ। আহ মোৰ লগত কাম কৰিবি।

"কিন্তু কিবা বস্তু বাহানি যদি হেৰায়? খাজাচাহেবে ধৰিব পাৰিলে ভৰিৰ তলুৱাত কোবাবলৈ হুকুম দিব। এটাই এইদৰে কৈ ভাবিলে

যে সেইদৰে ক লেই কাম নকৰাকৈ সাৰিব পাৰিব। হাজাৰ হওক চিৰিণৰতো কোনো এক্তিয়াৰ নাই সিহতৰ ওপৰত চন্দাখি কৰিবলৈ। কিন্তু বেচেৰাৰ ভুল হ ল। চিৰিণে চকু দুটা ঘোপা কৰি খণ্ডত দমদমাই আছিল।

কি কৈছ? তোকতো ভৰিৰ তলুৱাত এগোয়েও কোবাব লাগে। তই'তো চুৰি কৰই সৌটো কোঠাৰ চুকত থকা পিতলৰ ধুনাদানিটো তই লৈ গৈছিলি। মালিকতো ঘৰত নাছিল। তই কাৰ আগত ধুনা দিবলৈ নিছিলি ক।

আহমেদ বোলা সেই চাকৰটো বিচুক্তি হ ল। বিনা বাক্যব্যয়ে চিৰিণৰ নিৰ্দ্দেশমতে কাম কৰিবলৈ ধৰিলে।

আচলতে হজুৰৰ নিজৰে ভুল। ইমানবোৰ মানুহ ৰাখিছে এটাও মোকাদম নাই। মোকাদমৰ চাবুকৰ কোব খালে তহতৰ স্বাস্থ্য ভাল হ লহেতেন। খণ্ডতে ভোৰভোৱালে চিৰিণে।

মোকাদম মানে কাম কৰোৱা মানুহ। দাস দাসীবোৰৰ ওপৰত চাবুক চলোৱাৰ পুৰা হক ৰাখে মোকাদমহতে। একমাত্ৰ ওমৰেহে নিজৰ ঘৰত এই প্ৰতাপী গৃহবিষয়াৰ পদত কাকো বাহাল কৰা নাই।

কেইদিনমানৰ ভিতৰতে প্ৰাসাদৰ বাহিৰে ভিতৰে বিপুল উদ্যমেৰে চাফাই কাম চলিল। বিতোপন ৰঙা পাথৰৰ অট্টালিকা চিকচিকাবলৈ ধৰিলে। কাহানিও পানীৰ মুখ নেদেখা দামী পদ্দাবোৰ পৰিষ্কাৰ হ ল। ধাতুৰ বাচন বৰ্ত্তনবোৰ ঘহি চাফা কৰা হ ল। দামী দামী গালিচাবোৰ বাহিৰলৈ উলিয়াই ৰদত দি কোবাই ধুলি বালি গুচাই পুনৰ পৰা হ ল। মজিয়াবোৰ ধুই চাফা কৰা হ ল। ফুলদানিৰ নতুন ফুলৰ সু�ৰভি ধুপ ধুনাৰ সুগন্ধ গোলাপ জলৰ কোমল নিযাস শীতল মজিয়া আৰু বেৰৰ পৰিচ্ছন্নতাই এক স্নিগ্ধ পৰিবেশৰ সৃষ্টি কৰিলে।

ঘৰৰ বাহিৰতো দেখাক দেখি লণ্ডৱাবোৰে বাগিছা আৰু ফল বাগানবোৰৰ ৰূপকে বদলাই দিলে।

বুঢ়া বহিদুদ্দিন বিস্ময়ত হতবাক। এই চাকৰ জাকক এলেহুৱা অকমন্য বুলি গালি দিয়েই মনৰ সন্তাপ মনতে মাৰ নিয়াব লাগিছিল ইমানদিনে। এই বনৰীয়া ছোৱালীজনীয়ে কিবা যাদু জানে নেকি? বহিদে ৰব সন্তোষৰ হাহি মাৰিলে। বহিদ মৰিয়ম বিবিৰ স্বামী।

সিহঁত দুয়ো আজি বহুবছৰ ধৰি—চুলতান আলপ আৰ্চলানৰ দিনৰ পৰাই এই কাৰেঙত আছে।

চাকৰ-বাকৰবোৰে নিজৰ ভিতৰতে চিৰিণৰ এটা নাম দিলে—বাঘিনী। সিহতে শুনিছে যে মোকাদমৰ দৰে চাবুক লৈ তাই সিংহ বাঘৰ খেলা কৰা ছোৱালী। চকু দুটা ঘোপা কৰিলে এই ক্ষীণাঙ্গী ছোৱালীজনীক একেবাৰে বাঘিনী যেন দেখা যায়। বহিদুদ্দিন কিন্তু বৰ খুচী হ'ল।

সেইবাৰ ওমৰ ঘৰলৈ আহোতেই আনন্দমনেৰে বহিদে ক'লে হুজুৰ আজি প্ৰায় তিনিস তাহ হৈ গ'ল আপুনি চিৰিণ নামৰ এই ছোৱালীজনীক ঘৰলৈ অনাৰ। তাই—

কি হ'ল তাইৰ? চৰ সুবিধা কৰি দিছতো? শুন তাই যদি যাব খুজিছে তেন্তে মানুহ লগত দি যোৱাই দিবি। অ আৰু শুন—

ওমৰে কাঠৰ কাৰুকাৰ্য্য খটোৱা সুদৃ্য পেটিকা খুলি এটা সৰু মোনা উলিয়ালে।

হো—এই মোহৰ কেইটা তাইক দিবি। বুলি মোনাটো দলিচাৰ ওপৰত থ'লে ওমৰে।

বহিদুদ্দিন অলপ আহত হ'ল।

হুজুৰ মই ক'বলৈ বিচাৰিছিলো যে চিৰিণে এই কেইদিনৰ ভিতৰতে গোটেই মহলটোৰ চেহেৰা বদলাই পেলালে। খুব কামিলা ছোৱালী। তাই ক'লৈকো যাবলৈ বিচৰা নাই। হুজুৰে নিজে এবাৰ কামবোৰ চালে বৰ ভাল হয়

কাম? কি কাম কৰিছে? কি কাম আছেনো ইয়াত? ব'ল। ওমৰে কৈ কৈ উঠিল। বহিদ আগে আগে গ'ল।

অলপ গৈয়েই ওমৰে বুজিলে কি কাম। এই বাগত নিজৰ ঘৰটো ওমৰে কাহানিও দেখাই নাছিল। আচলতে ওমৰে বহুত দিনৰ মুৰত আজিহে কোঠালিবোৰৰ ভিতৰ সোমাই চালে।

সকলো ঠাইতে এক সজীৱতা ওমৰৰ চকুত পৰিল। প্ৰতি আচবাব পত্ৰ ইমান সুন্দৰকৈ সজোৱা কেউপিনে ইমান পৰিচ্ছন্নতা যেন ওমৰে সকলো নতুনকৈ দেখিলে। ঘৰটোৰ কেউফালে ভালদৰে চালে। বাৰান্দাত শাৰী শাৰীকৈ সজাই থোৱা মাটিৰ পুষ্পাধাৰত জকমকাই ফুলি থকা বাৰে বৰণীয়া ফুলৰ সমাৰোহলৈকে সকলো সম্পূৰ্ণ।

ওমৰ লাহে লাহে গৈ বাগান সোমালগৈ। চকুৱে মুখে আহলাদৰ

ভাব প্রকাশ হ'ল। ভবাব ঘব সদায় সুন্দবকৈ সজোৱা থাকে। এই ঘবটো কিন্তু সদায় অৱহেলিত হৈ আছিল। ওমবব বব ভাল লাগিল।

বাগানব মালীহতে দুবে দুবে থিয় হৈ থাকি ওমবে পবিদশন কবা চাই আছিল। ওমবে বাগানব মাজব সক সক আলিবোবেদি ঘুবি ঘুবি সকলো চাই দুটা এটা কথাবে কামব তাবিফ কবিলে। ইমানদিনে ধোদ বুলি ভাবি অহা মানুহবোবব মুখত তৃপ্তিব হাহি বিবিঙিল।

এটা সন্তুষ্টিব হমুনিয়াহ কাঢ়ি ওমব বৈঠকখানাত পুনব বহিলহি। স্ফটিকব পানপাত্র ওঠলৈ তুলি লৈ দুচোক মান চিৰাজী পিলে। তাব পিচত বছিদক মাতিলে।

বছিদ এই আচবিত কাম কেনেকৈ হ'ল। এই দগধা চোব হতক মইতো কোনো কামেই কবা দেখা নাছিলো। দুটা এট্টা সক সুৰা বস্তু চুবি কবি বজাবত বেচি দুপইচা ঘটাব বাহিবে সিহতে কোনো কামকে নকবে। ইহতব কি হ'ল?

ইকাণ সিকাণ বিয়পাই হাহিবে মুখ পোহবাই বছিদে উত্তব দিলে—

হুজুব চিবিণলৈ ইহতে ষিমান ভয় কবে—একমাত্র আপোনাব বাহিবে অন্য কালেকো ইহতে সিমান নকবে।

হ কত আছে চিবি। মাত তাইক।

বছিদ ওলাই গ'ল। অলপ পিচতে বৈঠকখানাব গধুব পৰ্দা ঠেলি চিবি। সোমাই আহিল। দুৱাব মুখতে আভূমি কুনিশ কবি তাই তলমূব কবি থিয় হ'ল। তাইব বুকুখন ধিপ ধিপাবলৈ ধবিছিল। মুখত অলপ উৎকণ্ঠা। ওমবব ওচবলৈ আহিবলৈ তাইব আচলতে ভয় লাগিছিল। ওমবব পবা আতবত আনব পবা নানা কথা শুনি ওমবব বিষয়ে ধাবণা কবা এক কথা আৰু সশবীবে সম্মুখত হাজিব হোৱা অন্য এক কথা। আৰ চকুবে এবাব চাই তাই ভাবিলে যে ওমবব চকু দুটা ঈগলব চকুব নিচিনা।

ওমবে তাইব ফালে মনোযোগেবে লক্ষ্য কবিছিল। সুঠাম সুন্দবী ছোৱালী। ওখ ঈষৎ কৃষ্ণাঙ্গী তীক্ষ্ণনাসা মুখ। নিমজ আটিল শবীব। চিবিণব মখত বাজকন্যাব জেউতি নাই কিন্তু এক সাওলীল সবল লালিত্য আছে। ওমবব মনলৈ আকৌ সেই ভাবটো আহিল এজনী দেবীমূর্ত্তিব।

চিৰিণ এই ঘৰ আৰু বাগানৰ কোনে ইমান কাম কৰিলে?'

হজৰত কৰিছে আপোনাৰ নোকৰহতে। মই অলপ লাগি দিয়া হয়।

মোৰ নোকৰজাকেতো একো কামেই নকৰে। তই চাবুক ব্যৱহাৰ কৰিছিলিনে নাই?

নাই কৰা। আপোনাৰ নোকৰ মই কেনেকৈ চাবুক ধৰিম। সিহতে নিজেই কৰিছে। ঘৰ দুৱাৰ ৰাখিলে মালিকে নিজেও অলপ চাব লাগে। এনেকৈ জংঘল কৰি থ ব লাগে নেকি?"

ওমৰৰ মুখত মিচিকিয়া হাহি ওলাল। চিৰিণৰ মুখত নিজৰ প্ৰতি এই মৃদু অভিযোগ শুনি ওমৰ চমকিত হৈছিল। সাধাৰণ নাচনী ছোৱালী এই নহয়। বহু ছোৱালীকে লগ পাইছে ওমৰে। তোষামোদ কৰাতে সিহত ব্যস্ত। এনেকৈ মাজে মাজে শাসন কৰিছিল চাকিয়ে— হাচিনাই। চাকি এতিয়া অতীত। হাচিনা বহত দূৰত। ওমৰৰ ভাবান্তৰ ঘটিছিল। কিন্তু মুখত মিচিকিয়া হাহি তেতিয়াও লাগি আছিল।

চিৰিণ সহজ হ ল। তাইৰ মনৰ পৰা ভয়ভাব আতৰিল। তাই ওমৰৰ ফালে বিমোহিতৰ দৰে চাই আছিল।

তই ক ৰ ছোৱালী চিৰিণ?

চিৰিণ অলপ পৰ মনে মনে থাকিল। তাৰ পিচত লাহে লাহে ক'লে।

মই ক ৰ মানুহ মই ক ৰ নোৱাৰো হুজুৰ। উৰঘান্দৰ ওচৰৰ এখন গাৱত এজন ধনী সদাগৰৰ ঘৰত মোৰ আম্মা ক্ৰীতদাসী আছিল। মোৰ জন্মৰ কিছুদিনৰ আগতে সেই সদাগৰে আম্মাক কিনি লৈছিল। আম্মাৰ মুখখন মোৰ অলপ অলপ মনত পৰে। মোৰ পাচবছৰ হওঁতে আম্মা চ কাল। মোৰ পিতৃ কোন মই নেজানো। আম্মা চুকোৱাৰ পিচত সদাগৰৰ ঘৰৰে এজনী হাব্শী বুঢ়ীয়ে মোক তুলি তালি ডাঙৰ দীঘল কৰে।

দেশৰ কানুনমতে তাই এতিয়া সেই বেপাৰীৰ সম্পত্তি। ওমৰে কিন্তু সেই কথা তাইক নুসুধিলে।

আব্দুল ৰৌফৰ লগ লাগিলি কেনেকৈ?

সদাগৰ মৰাৰ পিচত পুতেক দুটাৰ আচৰণ মোৰ বৰদাস্ত নহ ল। এদিন এটাক খুব কোবালো আৰু পলালো। এজন শ্বেখৰ বেগম চাহেবাৰ খিদমতগাৰী কৰিলো বহুদিন। বুঢ়ী থকালৈকে সু খৰেই

আছিলো। তাৰ পিচতো আৰু অনেক ঠাইত। আব্দল ৰৌফৰ দলত নিজৰ ইচ্ছাতে সোমাইছিলো।

ওমৰে একো নকৈ মনে মনে আছিল। ক্রীতদাসীৰ পৰা জন্ম হলেও ক্রীতদাসীৰ মন নহয় চিৰিণৰ। সেই কথা ঠিক। তাইৰ বহল কপালত আৰু দৃঢ় থুতনিত কোনো পৰাধীন ভাব নাই। যেন ওমৰৰ মনৰ ভাবৰ প্রতিধ্বনি কৰিয়েই চিৰিণে উষ্ণভাৱে কৈ উঠিল—

'মোৰ আম্মা ক্রীতদাসী আছিল কাৰণেই মই কাৰবাৰ নিকিনা গোলাম হলো নেকি? যি খুচি মোক ব্যৱহাৰ কৰিব পাৰিব।

ওমৰে চকিত দৃষ্টিৰে আকৌ এবাৰ তাইৰ ফালে চালে। তাইৰ যুক্তি অকাট্য। যদিও দস্তুৰ বিৰুদ্ধ। ওমৰে জানে যে সমগ্র ইছলাম জগত ঘৰিলেও তাইক সমৰ্থন কৰা ব্যক্তি এজন দুজনতকৈ বেছি বিচাৰি পোৱা নেযাব।

এক পলকতে ওমৰে সিদ্ধান্ত কৰিলে।

তোৰ কথা ঠিক। নি চয় মহান আল্লাই তোক মোক কাকো অন্যৰ গোলাম হ বলৈ পঠোৱা নাই। এইবোৰ মানুহৰ কানুন। কেতিয়াবা আমনি পাই মানুহেই এদিন সলাব। কিন্তু সেই পৰিবৰ্ত্তন অহাৰ আগতে আমি সকলো কৰৰৰ বুকুত সোমাম।

আধা বুজা আধা নুবুজা ভাৱে কথাবোৰ শুনি আছিল বিদ্রোহিণী চিৰিণে।

একে ধৰণৰ উক্তি কৰিছে তাই অন্য কেবা ঠাইতো। শ্বেখ চাহাবৰ ঘৰত তাইক সিহতে তাৰ বাবে শাস্তি দিছিল। এই কথাষাৰ কোৱাৰ বাবেই সদাগৰৰ দুই পুত্রই তাইৰ পিঠিত নিৰ্দ্দয়ভাবে বেতেৰে কোবাইছিল। তাই হেনো বেয়াদব বেতমিজ। তাইৰ চুটি কিন্তু বন্ধৰ জীৱন পথত এইষাৰ কথা কোৱা বাবেই তাই অনেক লাঞ্ছনা গঞ্জনা সহিব লগা হৈছে।

এই প্রথমবাৰ তাইৰ এই আকুল উক্তিৰ সমৰ্থনত এষাৰ কথা শুনিলে। চিৰিণৰ চকুহাল অশ্রু বে ভৰি পৰিল। তাইৰ গালেদি দুধাৰি চকুলো বৈ গ ল। টপ টপ কৈ কেইটোপালমান গালিচাৰ ওপৰত পৰিলহি।

আজিলৈকে কোনেও তাইক কোৱা নাই। কোনেও কোৱা নাই। এই কৰুণ বঞ্চ শ ছোৱালীজনীয়ে জীৱনত কান্দা নাই। আজি পৰিত্র চকুপানী ডেটা ভাঙি নামি আহিল। তাই লৰালৰিকৈ মুচিলে।

ওমৰে তাইৰ চকুপানী নেদেখিলে। সমুখৰ সৰু মেজ খনৰ ওপৰৰ এখন হাতে লিখা কাগজত তেওঁ চকু ফুৰাই আছিল। এটা পাখি কলম তুলি লৈ তেওঁ কিবা লিখিবলৈ ওলাইছিল। তাৰ আগতে ক'লে—

বাৰু চিৰিণ তই ইয়াতে থাক। মোৰ মানুহবোৰে তোক মানিছে যেতিয়া তই সিহতক চলাই কাম কৰাবি। এই ঘৰখনৰ কোনো জিম্মা-দাৰেই নাছিল। বছিদ বুঢ়া মানুহ। তই তাক সহায় কৰি দিবি। মঞ্জুৰ?

হুজুৰ বহুত মেহেৰবান। বান্দী মঞ্জুৰ।"

'চাবি আকৌ মোৰ মানুহবোৰ গৰীব দুখী মানুহ। মূর্খ মানুহ কাৰণে নানা উভটি কৰিব। তই চাবুক নচলাবি। ওমৰে কৈ হাহিলে।

চিৰিণে লাজত তলমুৰ কৰিলে।

মই অকলে থাকোতে তোৰ যেতিয়াই দৰকাৰ হয় মোৰ ওচৰলৈ আহি নিজে কবহি পাৰিবি। কোনো বাধা নাই। সেইদৰে মোৰ ইয়াৰ পৰা তই যাব খুজিলেও যাব পাৰিবি। কোনো বাধা নাই।

চন্দ্রগ্রহণৰ বহুদিন আগৰ পৰাই ওমৰে চন্দ্র আৰু সূয্য গ্রহণৰ ওপৰত গবেষণামূলক এখন গ্রন্থ লিখিছিল। নানা পৰীক্ষা নিৰীক্ষা আৰু বহু গ্রন্থৰ তত্ত্বমন্থন কৰি অনেক পৰিশ্রমৰ মূৰত এই কিতাপখন তেওঁ লিখি উলিয়াইছিল। পূণগ্রাস চন্দ্রগ্রহ স্বচক্ষে চাই কিতাপখন তেওঁ সমাপ্ত কৰিলে।

পূর্ণগ্রহণৰ দিনৰ পৰাই অন্য এটা কথা ওমৰৰ মনত উদয় হৈছিল। অৱশ্যে সেই ঘটনাবোৰ বহু আগৰ পৰাই ওমৰৰ মনত বিশ্বাস হৈছিল যে সূয্য নহয় পৃথিবীহে সয্যৰ চাৰিওফালে ঘূৰে। ওমৰেই লিখিছিল কৰাই

বেলিৰ পোহৰ পৰশ লাগি ছায়াৰ শাৰী পৰিল ধৰা।

সুৰুয বিন্দু কেন্দ্র কৰি বিশ্ব জগত চন্দ্র তৰা॥

সমসাময়িক মুছলিম গণিতবিদ অনেকৰ মনতে বহুকালৰ আগৰ পৰাই পৃথিবীক কেন্দ্র কৰি চন্দ্র সূয্য আৰু আকাশৰ তাৰকামণ্ডলী প্রদক্ষিণ কৰা প্রাচীন তত্ত্বৰ ওপৰত সন্দেহৰ সৃষ্টি হৈছিল। কিন্তু তাৰ বিপৰীতে সুৰুয বিন্দু কেন্দ্র কৰি গ্রহ নক্ষত্র চন্দ্র তৰা ঘূৰি থকা তত্ত্ব প্রতিষ্ঠিত কৰিবৰ জোঁখাৰে যথেষ্ট পৰিমাণে বিশ্বাস বাঢ়ি উঠা নাছিল।

চন্দ্রৰ ওপৰত যি বৃত্তাকৃতি ছাঁয়া লাহে লাহে বিস্তৃতি লাভ কৰিছিল সেই ছাঁয়া কাৰো নহয় পৃথিবীৰ নিজৰ ছাঁয়া। কাৰণ চন্দ্র আৰু পৃথিবীৰ মাজত অন্ধকাৰৰ সৃষ্টি কৰিব পৰাকৈ কোনো জ্যোতিহীন গ্রহ এটা মাজেদি পাৰ হৈ যাবলৈ নাহে।

খাজা মাইমুন অল ইস্ফিজাবী চাহেবব লগত এই বিষয়ে আলোচনাও কবিছিল ওমবে। বৃদ্ধ গণিতজ্ঞ আচবিত হোৱা নাছিল। চন্দ্র আৰু পৃথিবীব মাজত অন্য কোনো নিষ্প্রভ গ্রহবিশেষব বিচবণ কবা কথাত তেওঁব নিজবো কোনো বিশ্বাস নাছিল। সেইটো চহা লোকব বিশ্বাস। তেনেকুৱা কৃষ্ণকায় চয়তানে জোনাক গিলি পেলায় বুলি কোৱাটো বাজে কথা। আনহাতে আকাশব জ্যোতিষ্কমণ্ডলীব যি কোনো এটাই যদি সেইদবে পৃথিবী আৰু চন্দ্রব মাজেদি গুছি যায় তেন্তে অন্ধকাবব সৃষ্টি হ ব নোৱাবে। ববঞ্চ পৃথিবীত তাপ আৰু গোহব অসহনীয়ভাবে বৃদ্ধি হ বই।

গতিকে সূয্যইযে সকলো গোহবব মূল এই কথা অনিবাযভাবে স্বীকাব কবিব লাগিব। গণিতজ্ঞসকলব মাজত প্রচলিত এই আলোচনাই এতিয়াও কুণ্ঠাব দেওনা অতিক্রম কবিব পবা নাই। বুঢ়া মাইমুন চাহেবে সমস্যাটো অগণন গাণিতিক সমস্যাবোবব এটা বুলি ভাবি'লে চিন্তা কবিবলৈ আবম্ভ কবিলে। গণিতব চচ্চাত মাইমুন চাহেবব নিভুল পথ পবিক্রমাব অভিজ্ঞতা ওমবব আগবে পবা আছিল— সেইবাবে মাইমুনব প্রতি ওমবব গভীব সম্মানবোধ আছিল। কিন্তু জীবনজুবি বিশ্বাস কবি অহা কিছুমান কথা স্বতঃসিদ্ধ বুলি মাইমুন খামুচি ধবি আছিল। গাণিতিক সূত্রব অনুধাবন কবি থাকোতে সেইবোব সলাব লগীয়া হ লেও তাব জোখাবে মানসিক সাহস মাইমুনে গোটাব পবা নাছিল। য ত বাধাগ্রস্ত হয় তাতে তেওঁ অসহায়ব দবে বৈ গৈছিল।

বহু দিন নানা গভীব আলোচনা আৰু পবীক্ষাব পিচত মিচিকিয়াই হাহি ওমবে ক লে—

প্রিয় বন্ধু মাইমুন তেনেহ লে এটাই মাথোন সিদ্ধান্ত হ ব পাবে। সেইটো হৈছে সূয্য চিবন্তন আৰু স্থিব। সয্যক কেন্দ্র কবি আমি ঘবি আছো। আমাব পৃথিবী আৰু চন্দ্র বুধ শুক্র বৃহস্পতি আৰু মঙ্গল। প্রত্যেকে নিজব নিৰ্দ্দিষ্ট পথেদি সূয্যব চাবিওপিনে নিৰ্দ্ধাবিত বেগেবে ঘবি আছে। এই পবিভ্রমন নিৰ্দ্দিষ্ট পথ একে সমতলত কেতিয়াও হ ব নোৱাবে। কাৰণ তেতিয়া বছবব কোনো এক সময়ত এটা এটাকে সবলো গ্রহকে আমি নেদেখা হ লোহেতেন আৰু তাব পিচত এটা এটাকে আটাই বোব আমাব দৃষ্টিগোচব হ লহেতেন। আনহাতে মাহেকত পূণচন্দ্র আমি কিয় এবাবহে দেখো কিয় সি দৈনিক কলা কলাকৈ ক্ষয় হয় আৰু বাঢ়ি

আহে সেইটোৰ কাৰণো মই চিন্তা কৰিছো। মোৰ ধাৰণা অকল সূৰ্য্যৰ চাৰিওফালে পৃথিবী আৰু অন্যান্য গ্ৰহসমূহ ঘৰি থকাই নহয়। এক সূযোদয়ৰ পৰা আৰু এক সূযোদয়ৰ ভিতৰত পৃথিবীয়ে নিজেও এপাক ঘৰে।

ওমৰৰ কথাৰ অভিনৱত্বই মাইমুনক হতবাক আৰু বোমাঞ্চিত কৰি তুলিলে। মাইমুনৰ উশাহ যেন চুটি হৈ গ ল। হাজাৰ হাজাৰ দিন ৰাতিৰ অন্তহীন যোগ-বিয়োগ-পূৰণ-হৰণ ইউক্লিদৰ জ্যামিতিৰ অনুধাৱন আৰু তৃতীয় মাত্ৰাৰ সমীকৰণৰ দুৰ্গম পথেদি আগুৱাই বৃদ্ধ মাইমুনে য ত পথৰা ধ বুলি নিজৰ গতি স্ত ধ কৰিছিল ওমৰে যেন কিবা যাদুৰ বলেৰে সেই বন্ধ দুৱাৰ খুলি দিলে। মাইমুনৰ বুকুখন কপি উঠিল। বন্ধ দুৱাৰখন খোল খোৱাৰ লগে লগে ইমান দিনে চিন্তাৰ অগোচৰ অন্তহীন জ্ঞানলোকৰ উজ্জ্বল আলোকে মাইমনৰ মনৰ চকুত চাত মাৰি ধৰিলে।

কিছুসময় মুখেৰে একো মাতিবই নোৱাৰিলে তেওঁ। ঠিক বুজিব নোৱাৰিলেও ওমৰে যে এক অপৰিহায্য সত্যৰ প্ৰতি নিভুলভাবে আঙুলি-য়াইছে এইবোধ তেওঁৰ মনৰ প চাদভূমিত উদয় হৈছিল। কম্পিত শুষ্কস্বৰে তেওঁ সুধিলে কিন্তু খাজা ওমৰ—তাৰ প্ৰমাণ ?

সৰু ল ৰাই এবিধ ঘৰঘৰি পুতলাৰে খেলা কৰা দেখিছানে মাইমুন ? এটা চকৰিৰ চাৰিওফালে এটা ৰেচমী কাপোৰৰ পটিত বহুত নক্সা থাকে। চকৰীৰ কেন্দ্ৰত জ্বলি থাকে এটুকুৰা মম। ল ৰাটোৱে ৰচিদাল টানি চকৰী ঘৰাই দিলে ছাঁ আৰু পোহৰৰ যাদুখেল প্ৰদৰ্শিত হয়—ইটোৰ পিচত সিটোকৈ নক্সাবোৰ পাৰ হৈ যায়। কি নাম সেই পুতলাটোৰ —?

চৰ্ক-ই ফলক ।

ওঁ চৰ্ক ই ফলক —আকাশ চক্ৰ। এজন সব শক্তিমানে অদৃশ্য হাতেৰে আকাশ চক্ৰ ঘৰাই আছে—সূৰ্য্য তাৰ মমবাতি আৰু ছায়া ছবিবোৰ হ ল এই বিশ্ব জগত চন্দ্ৰ সপ্ত গ্ৰহ। তোমাক আৰু কি প্ৰমাণ লাগে মাইমুন ?"

কিন্তু সেয়া মাথোন কবিতা হ ল খাজা ওমৰ। কিন্তু মোক লাগে প্ৰমাণ ?

সকলো সত্য আৱিষ্কাৰ হয় চিন্তাত। জীৱন্ত হয় কবিতাত আৱেগৰ জিপ পালে—।

কিন্তু সিদ্ধ হয় একমাত্র বৈজ্ঞানিক প্রমাণৰ দ্বাৰা। খাজা ওমৰ আপোনাৰ ৰহস্য উদ্ঘাটন কৰাৰ কিবা আচৰিত শক্তি আছে। কিন্তু প্রমাণৰ একান্ত প্রয়োজন।

মাইমুন ঋজু হৈ বহিল। চকুত নিমাত প্রতিৰোধ।

প্রমাণ ?

তেন্ত চিলাই কৰোতা ওমৰে প্রমাণৰ অনুসন্ধানত গভীৰ চিন্তাত নিমগ্ন হ'ল। পুনৰ তৰাঘৰৰ মজিয়াত কিতাপ কাগজৰ দ'ম বান্ধিলে। শ শ অঙ্ক আৰু চিন্তা। চিন্তাৰ অন্তত অত্যন্ত ক্ষীপ্রভাৱে পুনৰ অঙ্ক। কাগজৰ ওপৰত নানা ধৰণৰ বৃত্ত বলয় ৰেখা। ওমৰৰ সূচিতীক্ষ্ণ মনে অলেখ চিন্তাৰ টুকুৰা গুঠি পেলালে যুক্তিৰ সূতাৰে।

এমাহৰ ওপৰৰ খাটনিৰ পিচত ওমৰে অনমনীয় মাইমুনক পতিয়ন নিয়াব পৰাকৈ গাণিতিক প্রমাণ লিপিবদ্ধ কৰি জ্যোতিষৰ নতুন তথ্য প্রমাণ কৰিলে।

বন্ধ দুৱাৰ মই খুলি দিলো মাইমুন কিন্তু কিছুমান প্রশ্নৰ সমাধান এতিয়াও হোৱা নাই। কিছুমান সৰু-ডাঙৰ খিৰিকী এতিয়াও বন্ধ আছে। সময় আহিলে সেইবোৰো আমি খলিব পাৰিম।

ওমৰৰ নৱলব্ধ তথ্যৰ পাণ্ডুলিপিৰ কাগজবোৰ জুকিয়াই সামৰি সামৰি বান্ধিলে মাইমুনে। তাৰ পিচত গভীৰ মমতাৰে সেইবোৰত এটা চুমা খালে।

কবৰৰ বুকুত সোমোৱাৰ আগতে এটা মানুহে যিমানখিনি কৰাৰ আকাংক্ষা কৰিব পাৰে সেইখিনি মোৰ কৰা হৈ গ'ল বুলি ভাবিছো খাজা ওমৰ।

ওমৰে হাহিলে। বৃদ্ধ বিশ্বাসী মাইমুনলৈ চাই বৰ অনুকম্পা হ'ল ওমৰৰ। ইছলাম জগতৰ সমসাময়িক পণ্ডিতসকলৰ মাজত মাইমুনৰ নাম প্রসিদ্ধ। মাইমুনৰ বহুতো গ্রন্থ সমগ্র দেশতে মাদ্রাছাসমূহত পাঠ্য হিচাবে পঢ়োৱা হয়।

সেইদৰে কিয় কৈছা মাইমুন। আমাৰ কাম আৰম্ভ হৈছে

মাথোন। পৃথিবীত এই নতুন তত্ত্বৰ কথা জানিছো এতিয়ালৈকে একমাত্ৰ তুমি আৰু মই। সেইবোৰ সন্তৰ্পনে অতিপাত গণিতৰ ভাষাত লিখা হৈছে সেইখন। সাধাৰণৰ বোধগম্য হোৱাকৈ সেইখন তুমি সম্পাদনা কৰিবা—সেইটো কৰিবলৈ যাওঁত বাকী থকা ৰহস্যৰ সন্ধেদো পাই যাব পাৰা—

সেই ৰহস্যৰ সঁচাৰ কাঠি
এটা আখৰতো থাকিব পাৰে।
এদাল চুলিৰ ইফাল সিফাল
হ'লেও সত্য পিচলি পৰে।
সৃষ্টিৰ সেই ৰৰ কিতাপৰ
বিধাতাই লিখা নেদেখা লিপি—
কোনে জানে বন্ধু তোমাৰ চকুতে
হয়তোবা ধৰা পৰিব পাৰে।

এমাহৰো ওপৰকাল নিজৰ ৰঙা শিলৰ প্ৰাসাদত ভৰি নিদিয়াকৈয়ে আছিল ওমৰে। এই গোটেই সময়খিনি তৰাৰ ঘৰত কটাই দিলে। বাদশাহৰ কটকী নিজামৰ কটকীয়ে তাতে দেখা কৰি যায়। সাধাৰণতে অলস ওমৰে মেতিয়া কামত ধৰে এনেদৰে চমক লগাই দিয়ে সকলোকে।

কাম নকৰাকৈ থকা অৱস্থাত ওমৰক দেখিলে ধাৰণা হব যেন এই মানুহজনে কোনো কামকে কাহানিও নকৰিব। কিন্তু ওমৰৰ বিপুল কৰ্মশক্তি তেওঁৰ দেহৰ শিৰাই শিৰাই কোষে কোষে নীৰৱে সুপ্ত হৈ থাকে। এটা নতুন বিষয় এটা নতুন চিন্তা নতুন সৃষ্টিৰ ক্ষণিকৰ প্ৰেৰণা পালেই মুহূৰ্ত্ততে সজাগ হৈ উঠে ওমৰে।

অতকালৰ মূৰত ৰঙা প্ৰাসাদৰ বৈঠকখানাৰ গালিচাৰ ওপৰত পৰি ওমৰে গুণগুণাই আছিল এটা সুৰ। বহু বছৰৰ আগতে মৰুপথৰ দাতিৰ এটা বেচিচত অসুখীয়া ওমৰে দুপৰীয়া খেজুৰ গছৰ ছাঁত পৰি থাকোতে এটা কাৰাভানৰ ক্লান্ত পথাচাৰীয়ে গোৱা গান। সেই গানৰ উদাস সুৰৰ স্মৃতিয়ে ওমৰৰ মন উকলাই লৈ যায় কোনোবা দূৰ

দিগন্তলৈ। বঙা প্রাসাদৰ সেই নিঃসঙ্গ আবেলি বহল অলিন্দ পথেদি সোমাই অহা উজ্জ্বল দিনৰ গোহৰ আৰু নীল পৰিষ্কাৰ আকাশৰ দৃশ্যই ওমৰক বিভোৰ কৰি তুলিছিল।

কিন্তু এনেকুৱা নিঃসঙ্গ হৈ থকা নিৰলাৰ মুহূর্ততে ওমৰক পীড়া দিয়ে অতীতে। তৰাৰ ঘৰত নক্ষত্রলোকত মনক যেতিয়া বিচৰণ কৰিবলৈ এৰি দিয়ে জ্যৈমাল্লিক সমীকৰণৰ কঠিন কাষ্যত মনটো যেতিয়া নিবদ্ধ কৰি ৰাখে তেতিয়া ওমৰৰ অন্তৰ স্তব্ধ থাকে। সেই শান্ত নিস্তৰঙ্গ মনত চাকিৰ মোহিনী স্মৃতিয়ে প্রবেশ নকৰে পৰন্তেজ ভাইৰ হাঁহিৰ আনন্দোচ্ছাস কাণত নেবাজে।

এতিয়া এই নিজন আবেলি ওমৰৰ মন গুছি গ'ল এখন নদীৰ পাৰত সেই ডিমকা গছজোপাৰ তললৈ। য'ত নিজহাতে সজাই পৰাই মৰমী চাকিৰ তেওঁ অনন্ত শয়নত শুৱাই দি আহিছিল বুকুৰ ভিতৰখন পাৰ মোচৰ খাই উঠিল।

ওমৰৰ মন বিভ্রান্ত হৈ গ'ল। তেওঁ উঠি বহিল। বৰ পীড়াদায়ক এই স্মৃতি! বৰ বেছি পীড়াদায়ক।

ওমৰে চোৰাহীৰ পৰা ঢালি লয় ৰঙা মদ। পিয়লাৰ দাঁতিলৈকে বুদবুদৰে ভৰি গ'ল। দুচোকমান খাইয়ে পাত্র পাত্র নমাই থ'লে। তাৰ পিচত সৰু মেজখনৰ ওচৰলৈ গৈ লিখিলে —সোৱ ৰণিৰ কোঠাত খেপিয়াই চাই নিজৰ সেই প্রিয় কৰাইটোকে আকৌ এবাৰ—

মে লাল মুজা বস্ত ও চুৰাহি জান অস্ত।
জিগাম অস্ত পিয়ালা ও শৰাবাচ জাম অস্ত॥
আৰ জামে বালাভৰিণ কে জে মায় খানদান অস্ত।
আশক ই অস্ত কে খুন দিলদাৰ ও পিনহান অস্ত॥

লাল চুনী গলালে যি ৰঙ হ'ব সেই ৰঙ আমাৰ তেজৰ। সেই তেজৰ মদিৰাৰে দেহ আমাৰ পূর্ণ। দেহ যেন পানপাত্র। গতিকে এই যে তেজীৰঙা মদিৰাৰ স্ফটিক পিয়লাৰ বুদবুদ সি মোৰ অশ্রুভৰা জীৱনৰ সাক্ষী মাথোন।

এনেতে দুৱাৰত মৃদু কৰাঘাত হ'ল। ওমৰৰ চিন্তাত যতি পৰিল। মাত দিলে — কোন?"

পৰ্দা ঠেলি প্রবেশ কৰিলে চিৰিণে। কুনিশ কৰি ক'লে হুজুৰ মই চিৰিণ।

ওমবে অলপ পব একো নুবুজাব দবে তাইব ফালে চাই ব ল। আজি এমাহে তেওঁ এবাবো চিবিণব কথা ভবা নাছিল। চিবিণে সুন্দবকৈ সাজ-পাব কবিছিল। এটা বগা বেচমব চিলোৱাবব ওপবত দীঘল বঙচুবা কুৰ্ত্তা। মূবত নীলচিয়া বুটাতোলা জবীব ওবণি। ডিঙিত এধাব মণি। দুই কাণ্ডব পবা বুকুব কিছু তললৈকে নমাই লোৱা এডোল কাপোব। তাই সোমাই অহাব লগে লগে বচোৱাব গোলাপ জলব সুবভিমে ভবি পবিল। এই এমাহব ভিতবতে তাই দেখিবলৈ আৰু ডাল হৈছে। ওমবব মনত পবিল যে তেওঁ তাইক ইচ্ছা হ লেই দেখা কবিবলৈ অনুমতি দিছিল। নহ লে ওমবব নিজনতাত হস্ত ক্ষপ কবিবলৈ কাৰো অনুমতি নাই। একমাত্র চুলতান আৰু নিজামব বাৰ্ত্তাবাহীব বাহিবে।

তোব কি খবব চিবিণ ? ওমবে সহজভাবে ক লে বব ধুনীয়া হৈছ দেখিবলৈ। আকৌ কাৰোবাব ওপবত চাবুক ধবিছ নেকি ?

ওমবে হাহিলে। চিবিণ আহিলত অলপ আগব বেদনাব চাপ নোহোৱা হ ল ওমবব মনব পবা। এটা ব্যথাব মুহ ৰ্ত চোবব দবে পলাই গ ল।

চিবিণে খিলখিলাই হাহিলে।

হজুব চাবুক আৰু কাব ওপবত ধবিম। ইয়াত বাঘো নাই বেইমানো নাই।

তোব মানহবোবে ঠিক ঠিক কাম কবিছে তেনেহ লে।

নাই চব কাম বন্ধ কবি দিছো। মই সিহতক এনেয়ে দোষ দিছিলো। সিহতব কাম কবিবব কোনো প্রয়োজন নাই।

কিয় ? ওমবে আচবিত হৈ সুধিলে।

কি দবকাব ? আজি এমাহব ওপব আপুনি ঘবত নাই। বাহাবী গোলাপবোব ডাল ভবি ভবি ফুলিছিল। এনেয়ে মবহি সবি গ'ল। হিন্দুস্থানব চম্পক ফুলব গোন্ধে ফুলনি আমোলমোলাই গৈছিল। কিন্তু কাব কাৰণে ফুল ফুলিব লাগে কাব কাৰণে হাচনাহানাব খুশবু ওলাব লাগে। হজুবতো ঘবত নাই। গভীব অসন্তুষ্টিব সুবত চিবিণে ক লে।

চিবিণব এনেকুবা কথাত ওমব বিস্মিত হ ল তাব লগে লগে মনব মাজত এটা পুলক অনুভব কবিলে। অলপ কৌতুকেবে তাইব ফালে চাই তেওঁ ক লে—

কিন্তু তইতো আছ। তোৰ কাৰণেই বচোৰাৰ গোলাপ জাতিস্কাৰ হৈ ফুলক বাগিছাৰ পুখুৰীত কাশ্মীৰি পদুমে জকমক কৰক চম্পক হাচনাহানাৰ সুগন্ধই চৌদিশ মাতোৱাবা কৰি তোলক। তোৰ জানো সেইবোৰ ভাল নেলাগে?

মই সেইবোৰৰ মোল কি বুজিমনো। ঘৰৰ যিজন মালিক তেৱেই যদি ঘৰত নেথাকে—তেন্তে এইবোৰৰ কি মূল্য?

তেতিয়া হলে মই যেতিয়া ঘৰত নাই ইমান ডাঙৰ ডাঙৰ ঘটনাবোৰ নঘটিলেইহেতেন। এইদৰে গোলাপ নুফুলিলেহেতেন হাচনা হানাই সুগন্ধ বিয়পাই নিদিলেহেতেন। অন্ততঃ মই ঘৰি অহালৈ বাট চাব পাৰিলেহেতেন। তই ক ব নোৱাৰিলি সিহতক কিছুদিন চবুৰ কৰিবলৈ?

চিৰিণৰ মুখখন লাজত ৰঙা পৰিল। তাই হাহিলেও কান্দো কান্দো যেনো হ ল। তল ওঁঠখন দাতেৰে চেপি ধৰি তাই অধোমুখে থিয় হৈ থাকিল। ওমৰক কথাবে তাই বলে নোৱাৰিলে।

ওমৰে হাহি য়ই আছিল।

তেনেহ লে তই জানিলি চিৰিণ যে এই ৰঙা প্রাসাদৰ কোনেও মোলৈ বাট চাই থকা নাই। ফুলে মোলৈ বাট চাই থকা নাই। ফুল নিৰ্দ্দিষ্ট সময়ত ফুলিবই। ফুলক সিহতৰ স্বভাৱমতে ফুলিবলৈ দিবলৈকে বাণানৰ যত্ন ল ব লাগে। গতিকে তই কাম বন্ধ কৰাটো ভাল নহ ল। তইতো ফুল বৰ ভাল পাব।

চিৰিণে ফুল বৰ ভাল পায়। উৰঘান্দৰ কাষৰ পাবত্য অঞ্চলত বছৰৰ বাৰমাহ বনৰীয়া ফুলে পৃথিবী সুন্দৰ কৰি ৰাখে।

ওমৰে আৰু লক্ষ্য কৰিলে যে সাধাৰণ কলিজা বা দাসীৰ ছোৱালী হলেও তাই মনে প্রাণে মুকলিমুৰীয়া প্রকৃতিৰ। চকুত তাইৰ সম্ভ্রম আছে—কোনো সমপণ নাই।

চিৰিণে কলে হজুৰ আজি আপুনি ঘৰতে থাকিবনে?

কিয়?

যদি থাকে মৰিয়ম বিবি আৰু হাবিদা বুঢ়ীক মই কওঁগে যে সুন্দৰকৈ ৰান্ধিব লাগে।

ওমৰৰ আজি বাৰে বাৰে আচৰিত হোৱাৰ দিন। বিশেষ ভাৱে ৰান্ধি কোনোবাই ঘৰত খোৱাৰ কথা কোনেও তেওঁক আজিলৈকে

কোৱা নাই। অলপ নীৰৱে থাকি ওমৰে ক'লে— ঠিক আছে চিৰিণ মই আজি ঘৰত থাকিম। কিন্তু তাৰ আগতে মোক ক—এই লাল মহলত ফুল বাক্ষ যাৰ কাৰণেই নুফুলক তই ইমান সুন্দৰ হৈছ কিয় দেখিবলৈ ?

লাজ আৰু আনন্দই আৰু সুন্দৰ কৰি তুলিলে চিৰিণক। এটা দীঘল কুনিশ কৰি খোজত নাচোনৰ মছৰ হিল্লোল তুলি তাই ওচি গ'ল।

কেইদিন মান পিচৰ কথা। লাল মহলত আবেলি গণ্য-মান্য নাগৰিক আৰু উচ্চপদস্থ আমীৰ ওমৰাহ সকলৰ সমাগম হৈছিল। মহলৰ সন্মুখৰ বহল প্ৰাঙ্গণ সুসজ্জিত তাজাম ঘোৰাৰ বাগী আৰু নক্সাদাৰ জিন লগোৱা অশ্ব আৰু অভ্যাগত সকলৰ ব্যক্তিগত খিদমতগাৰ বিলাকেৰে ভৰি আছিল।

ইছলামৰ বস্তি বুলি খ্যাত স্বনামধন্য অল ঘজালীয়েও মাজে মাজে নিজৰ উপস্থিতিৰে সন্মানিত কৰি তোলে ওমৰৰ বাসভৱন। সেইদিনাও আছিছিল। ঘজালীৰ যশস্যা সেই সময়ৰ ইছলাম জগতত ইমান বৈ বৈ গৈছিল যে পয়গম্বৰ হজৰত মহম্মদ অদ্বিতীয়। কিন্তু দ্বিতীয় কোনোবা এজন হোৱাৰ যোগ্যতা আছিল অল ঘজালীৰ। এই মন্তব্য কৰিছিল সেই সময়ৰ এজন মচহুৰ দাশনিকে।

ওমৰ অতিপাত প্ৰভাৱশালী লোক কাৰণে ওমৰৰ বন্ধুত্ব সকলোৱে হেপাহৰ আছিল। ওমৰৰ সামান্য চুপাৰিশ হলেই চুলতানৰ দপ্তৰবিলাকত আউল লগা গাথি তৎক্ষণাৎ খোল খাই যাব।

বৈঠকখানাত সকলো জমায়েত হৈছিল সেইদিনা। অল ঘজালীক ওমৰে বিশেষভাৱে সমাদৰ কৰি বহুৱাইছিল। ৰাজকবি মুঈজী বহি আছিল। য'ত মুঈজী থাকে তাতে নানা মধুৰ ৰহস্যালাপৰ সোত ব'বই। তেওঁ অনৰ্গলভাৱে কথা কৈ আছিল। লগে লগে হাহিৰ জাউৰি উঠিছিল। মুঈজীৰ কথাত সদায় মৌ বৰষে।

অতিথিসকলৰ মাজত সকলো বিষয়ে আলোচনা চলিছিল। ৰাজ নীতি সমাজনীতি ধৰ্ম অৰ্থনীতি সকলো বিষয়েই প্ৰত্যেকে নিজৰ নিজৰ অভিমত ব্যক্ত কৰিছিল।

এবাৰ ওমৰে বজাৰত ওলোৱা এই নতুন ধৰণৰ চাকি জ্বলোৱা তেলৰ বিষয়ে প্ৰশ্ন কৰিলে। লগে লগে তেওঁ মন কৰিলে যে দুৱাৰৰ নিচেই কাষৰ আসনত বহি থকা জাচুচ বা চোৰাংচোৱাবিলাকৰ প্ৰধান মেহেৰ বাহিৰলৈ যোৱাৰ চলেৰে উঠি গ'ল।

দুষাৰ এষাৰ সাধাৰণ কথাৰে তেলৰ বিষয়ে চমু আলোচনা হ ল। বৰ কামত অহা তেল। দামো সস্তা। গোহৰো ভাল। আমদানী হোৱা তেল। কিহেৰে বনায় কোনেও ক ব নোৱাৰিলে। মানুহবোৰে সচাকৈ একো নেজানে। ওমৰে ভাবিলে। কিন্তু মেহেৰ হঠাতে উঠি গ ল কিয় ?

অভ্যাগত সকলো উঠি যোৱাৰ পিচত অল ঘজালীৰ লগত ওমৰ অকল্পনীয়া হৈ বহিল। দুয়োৰে মাজত ধম নীতিলৈ আলোচনা হৈছিল ওমৰে সুধিলে—

এই যে কিছুমান মানুহৰ মাজত এজন সপ্তম আৰু শেষ নবী আহিব বুলি প্রচাৰ হৈছে এই কথা আপুনি নিশ্চয় জানিছে ?

জানিছো। আজি কিছু বছৰৰ পৰা এই ধৰণৰ প্রচাৰ খুব জোৰেৰে চলিছে। ইহতে কয় যে আমাৰ পয়গম্বৰ হজৰত মহম্মদ ৰচুলৰ পিচতো আৰু এজন আহিব। তেওঁৰ নাম মেহদী। তেওঁ আহি পয় গম্বৰৰ আধৰুৱা কাম সম্পন্ন কৰিব। ই এটা ইছলামৰ ভিতৰুৱা ধমমত। ধমনীতি সদায় সমস্যাজজ্জ বিত আৰু পৰিবর্ত্তনশীল। গতিকে ইয়াত নানা মতবিৰোধ থাকিবই। মানুহে কয় ইছলামৰ ভিতৰতে দুই অধিক সত্তৰটা বিভিন্ন শাখা আছে। ইয়াৰ কিছুমানৰ ভিতৰত মতানৈক্য হয়তো এক আঙুল পৰিমাণো নহ ব। তথাপি প্রত্যেকে নিজৰ চিন্তাৰ স্বতন্ত্রতা ৰাখিবলৈ বদ্ধ পৰিকৰ।

এনেকুৱা কিয় হয় ?

ঘজালীয়ে হাহিলে ধমচিন্তা যেতিয়া অতিমাত্রা ব্যক্তিকেন্দ্রিক হৈ পৰে তেতিয়া তাৰ প্রতি মোহ জন্মে। প্রকৃততে মহিমাময় আল্লাহৰ এই দুনীয়াত নিজৰ বুলি ক বলৈ আমাৰ একোয়েই নাই। আমাৰ সৎ অসৎ আচৰণৰ দ্বাৰাহে আমাৰ পৰিচয় এই কথাতকৈও ধম সম্পর্কে আমাৰ যি ধাৰণা সেইটোৰ শ্রেষ্ঠতা প্রতিপন্ন কৰাহে মুখ্য কম ৰূপে পৰিগণিত হৈ পৰে। তেতিয়া আমি অহংকাৰত লিপ্ত হওঁ আৰু পয়গম্বৰৰ নির্দ্দিষ্ট পথৰ পৰা বিচলিত হওঁ। সন্দেহবাদী বিলাকৰ চিন্তাৰ পৰাই মেহদীৰ আগমনৰ কথা উদ্ভাৱন কৰা হৈছে। সম্প্রতি ই এক নতুন ধমৰ দৰে কোবাল হৈ উঠিছে।

ঘজালীৰ কথা শুনি ওমৰ যেন উৎসাহিত হ ল। ওমৰে অলপ চিন্তা কৰি চাই সুধিলে আপুনি কৈছে ধম সদায় সমস্যাজজ্জ বিত আৰু পৰিবর্ত্তনশীল। কেনে অৰ্থত কৈছে বাৰু ?

ঘজালীয়ে পুনৰায় কলে খাজা ওমৰ ধমৰ কিছুমান মূল সত্য থাক। যেনে সৃষ্টিকৰ্ত্তা এক আৰু অদ্বিতীয় তেওঁ সৰ্বশ্রেষ্ঠ সৰ্বশক্তিমান দাতা আৰু দয়াল যেনে—সত্য অবিচল আৰু অপৰিবৰ্ত্তনীয়; যেনে—খোদাতাল্লাৰ অনুৱৰ্ত্তী ভক্তগণৰ পৰস্পৰৰ লগত ভ্রাতৃত্বৰ সম্পৰ্ক আৰু যেনে—আমি আমাৰ কম অনুযায়ী বোজ কিয়ামতত দণ্ড বা পুৰস্কাৰ প্ৰাপ্ত হওঁ। এই মূল কথাবোৰ চিৰকাল অব্যাহত থাকে। কিন্তু নীতিৰ সালসলনি হব পাৰে। সমাজ যেহেতে পৰিবৰ্ত্তনশীল। যি নীতিৰে সমাজ চলিব লাগিব তা বা পৰিবৰ্ত্তন হব লাগিবই।

আমাৰ পয়গম্বৰে এই পৃথিবীত থকা কালত যি নীতিৰ নিৰ্দ্দেশ দিছিল আৰু অলকুদ কোৰাণত যি সত্য সন্নিবিষ্ট কৰিছিল তাৰ পিচতো মানৱসমাজত বহুতো পৰিবৰ্ত্তন ঘটিছে। তেখেতে দিয়া সকলো আদেশ মানুহে সদায় মানি চলিব লাগিবনে?

ঘজালীৰ কণ্ঠস্বৰ এইবাৰ সন্দিগ্ধ হৈ উঠিল। উলেমাৰ ইমামসকল ওমৰৰ ওপৰত একেবাৰেই সন্তুষ্ট নহয়। কিন্তু দাশনিক ঘজালীয়ে ওমৰৰ প্ৰতি এনে পৰিমাণৰ বিদ্বেষ পোষণ আজিলৈকে কৰা নাই। ওমৰক তেওঁ এক তীক্ষ্ণধী গণিতজ্ঞ বুলি জানে। ওমৰৰ ব্যক্তিগত জীৱন সম্বন্ধে যিখিনি তেওঁ জানে সেইখিনিত অনেক ক্ষেত্ৰত তেওঁৰ সমৰ্থন নাই। এদিন ওমৰে মদৰ পিয়লাত মুখ দিয়া দেখি তেওঁ চিঞৰি উঠিছিল— সেই পাপীয়ত মুখ নিদিবা। কাৰণ সি অভিশপ্ত। মিচিকিয়াই হাহি ওমৰে উত্তৰ দিছিল— মদক নিন্দা নকৰিব। ই বিস্মৃতিৰ সৃষ্টি কৰে। মোৰ জীৱনৰ তিক্ততা ই পাহৰাই ৰাখে।

পবিত্ৰ কোৰাণত সন্নিবিষ্ট সকলো কথাই শেষ কথা। ই সকলো জ্ঞানৰ মূল আৰু তৰ্কাতীত। খাজা ওমৰ সেই বিষয়ে আপোনাৰ যদি সন্দেহ আছে তেন্তে সেয়া চয়তানৰ পথ। আপুনি সন্দেহৰ পথ পৰিত্যাগ কৰি বিশ্বাসৰ পথলৈ ঘূৰি আহক।

ওমৰে লাহে লাহে মূৰ জোকাৰিলে। তাৰ পিচত এটা দুনিয়াহ লাহে লাহে এৰি দিলে। তাৰ পিচত কলে—

হে ইছলামৰ পোহৰ মোৰ তেনে ধৰণৰ সন্দেহ নাই। কিন্তু এটা সন্দেহ মোৰ মাজে মাজে হয় যে যিবিলাক উক্তিৰে আল্লাহৰ বচুলে সত্য প্ৰকাশিত কৰিছে তাৰ যথাযথ ব্যাখ্যা হৈছেনে নাই। তফচীৰকাৰ সকলৰ মাজতো নানা মতবিৰোধ আছে।

মাজে মাজে লালমহলৰ এই গুণী জ্ঞানী অতিথি সকলৰ সমাগমৰ পৰা ওমৰে ৰক্ষা পাবলৈ বিচাৰে। অভিজাত লোকসকলৰ বন্ধা ধৰা কায়দা কানুন আৰু বিদ্বানসকলৰ ক্ষৰধাৰ যুক্তিতৰ্কৰ পৰা ওমৰৰ অঘৰী আত্মাই মাজে মাজে মক্তি পাবলৈ বিচাৰে। জনপদৰ বৈচিত্ৰময় জীৱন ছন্দ আকাশ আৰু মৰুপথৰ—আকষণে তেওঁক ব্যাকুল কৰি তোলে।

খেয়ালী মনৰ ওমৰক সেইদেখি সময়ে সময়ে আচৰিত ছ মবেশত বিভিন্ন ঠাইত দেখা যায়।

এদিন গধলি পৰত ওমৰক দেখা গ ল আৰব সৈনিক এজনৰ বে তে। ৰাজ্ঞ এটা জোলোঙা। ককালত বেকা চুটি তৰোৱাল। বহু সময় নগৰীৰ বজাৰত ঘুৰি পকি গধুলি এটা সৰু মচজিদৰ িসেৰে বন্ধোৱা মজিয়াত এজুম ানুহ দেখি ওমৰ সোমাই গ ল। মগৰীবৰ ামাজ অলপ আগতে শেষ হৈ গৈছে। জমায়েত ভক্তবৃন্দৰ অনেকেই লগে। সেই মানুহবোৰে কিন্তু এজন দৰৱে ৰ চাৰিওফালে গোলাকৃতি হৈ বহিছিল। ওমৰো গৈ মানহবোৰৰ লগতে এপিনে বহিল।

দৰৱেশে তেতিয়া সুললিত কণ্ঠেৰে কোৰাণ শৰীফৰ পবিত্ৰ বাণী আবৃত্তি কৰিছিল আৰ ৰ পিচতে সেইবোৰৰ অথ ব্যাখ্যা কৰিছিল ফাচী ভাষাত। দৰৱে ৰ কথকতা বেচ নিপুন। মানুহবোৰে তন্ময় হৈ শুনিছিল। দৰৱেৰে তেতিয়া চুৰা আৰ ৰহমানৰ তৃতীয় রুকু আবৃত্তি কৰিছিল য ত ইমানদাৰ আৰু পণ্যবানসকলৰ বাবে পাৰলৌকিক াতি িকেতন স্বৰ্গোদ্যানৰ অক্ষয় সখ সম্পদৰ বৰ্ণনা আছে।

এই মনোৰম স্বৰ্গোদ্যানত সুখ সম্পদ উপভোগ আৰু আৰামৰ বিভিন্ন ব্যৱস্থা আছে। আছে সলিমল পানীৰ নিজৰা। তৃপ্তিকৰ পানীয়ৰ নদী। আছে কেচা পৰা সৰুৰৰ বাৰে ৰৰণীয়া ফলৰ গছ। সেই কুঞ্জ বাত পৰা থাকিব কোমল ৰেচমৰ শয্যা। কল্পতৰু বৃক্ষবোৰে স্বৰ্গবাসীসকলে ইচ্ছা কৰিলেই দো খাই আহি যাচি দিবহি ফলৰ সম্ভাৰ

তদুপৰি আছে তাত লাজ ময়া ব্ৰীড়াময়ী সৰ সন্দৰী। সেই খায়ৰাতুন হেচান বা ৰৰমা উত্তমা অপাপবিদ্ধা সুনয়না হুৰীসকল সততেই আনন্দদায়িনী। পৃথিবীৰ কোনো পাপ তাপ কলষ কালিমাই তেওঁলোকক স্পশ কৰিব নোৱাৰে। ইতিপূৰ্বে তেওঁলোকক কোনো

মানৱ বা জিনে স্পৰ্শ কৰা নাই। স্বৰ্গলৈ প্ৰেৰিত পুণ্যবান ইমানদাৰ জনৰ সুখ শান্তি আৰু পৰিতৃপ্তিৰ বাবেই তেওঁলোকৰ সৃষ্টি হৈছে।

তেওঁলোকে সেই মনোৰম স্বৰ্গোদ্যানৰ সুসজ্জিত মণ্ডপবিলাকৰ ভিতৰত অনুপম সুন্দৰ গালিচা আৰু সুৰঞ্জিত মখমলৰ শয্যাত বহি শুই চিৰকাল প্ৰকৃত ইমানদাৰজনৰ আগমনলৈ অপেক্ষা কৰি আছে

শ্ৰোতাসকলৰ শৰীৰ ৰোমাঞ্চিত হৈ উঠিল। সকলোৰে চকু উজ্জ্বল। কণ্ঠ আৱেগবিধুৰ। দুটা এটা চেপা হুমুনিয়াহৰ শব্দ শুনা গ ল।

এটা ত্ৰিশ বত্ৰিশ বছৰীয়া দোকানদাৰে অনুচ্চ স্বৰে কৈ উঠিল— যাৰ হতিমধ্যে কিছু পুণ্য সঞ্চিত হৈছে সি এতিয়াও দুই এদিনৰ বাবে হ লেও স্বৰ্গবাসী হ ব পাৰেনে নোৱাৰে ?

অন্য এটাই তৎক্ষণাৎ ক লে "নিশ্চয় পাৰে। কিন্তু তাৰ বাবে খুব ডাঙৰ পীৰৰ চুপাৰিশ লাগিব।

মানহবোৰৰ মাজত গুণগুণনি উঠিল। যিবোৰৰ সন্দেহ আছিল সেইবোৰ নীৰৱে থাকিল। কিছুমানে মৃদু জোকাৰি অস মতি জনালে।

তাৰ পিচত সন্দেহীসকলৰ মাজৰ পৰা এটা কুণ্ঠিত স্বৰ উঠিল— ইমান ডাঙৰ পীৰ আছে জানো আজিকালি ক'ৰবাত ?

ওমৰে মনে মনে হাহিলে—যদি ক ৰবাত আছে বুলি জানিলেহেতেন এই কুণ্ঠিত প্ৰশ্নৰ মালিকক কোনেও বাধা দি ৰাখিব নোৱাৰিলেহেতেন।

গহীনকৈ দৰৱেশে ক লে "ঈশ্বৰৰ ইচ্ছা হ লে কি নহয় ? এনেকুৱা পীৰ জৰুৰ আছে ক ৰবাত। আমাৰ চকু থাকিলে নিশ্চয় দেখিম।

মানুহৰ জুমটো পাতলিবলে আৰম্ভ কৰিলে। দৰৱেশ কিন্তু বহি থাকিল। সেই দোকানীটো আৰু তাৰ লগৰ স্বৰ্গলোকৰ বতৰা দিওঁতা কেইটাও বহিয়েই থাকিল। সন্দেহী সকলেও বহা ঠাইতে থাকিল। ওমৰো নিজৰ ঠাইতে বহি থাকিল। দৰৱেশে এইবাৰ খুব তীক্ষ্ণভাবে প্ৰত্যেকলৈকে চালে। ওমৰৰ ওপৰতো তাৰ চকু পৰিল। ওমৰ সচেতন হৈ উঠিল। কিন্তু মানুহবোৰৰ কথাকে কাণ পাতি শুনি থকাৰ ভাও জুৰি তালৈ নোচোৱাকৈ থাকিল।

দৰৱেশৰ বোধহয় কোনো সন্দেহ নহ ল। নিতান্ত নিম্নস্বৰত এইবাৰ সি ক বলৈ ধৰিলে—

যদি আমাৰ মনত যিজন আহিব তেওঁৰ প্ৰতি প্ৰকৃততে বিশ্বাস ভয় আৰু ভক্তি থাকে তেন্তে জীৱন আৰু মৃত্যুৰ ৰহস্য যিজনে

ভেদ কৰিছে তেওঁৰ দয়াত দুই এদিন সপ্তাহ দহদিনৰ বাবে স্বগবাস হ ব পাৰে।

ওমৰ সজাগ হৈ উঠিল। কিন্তু বাকীবোৰে সোধাৰ দৰে নিজেও সুধিলে— জীৱন আৰু মৃত্যুৰ গৰাকী বুলি যাৰ কথা ক লা তেওঁক ক ত দেখা পোৱা যাব।

দৰৱেশে ক লে তেওঁকনো বিচাৰিলেই পোৱা যাবনে? তেওঁ নিজে দেখা দিলেহে লগ পাবা। নহলে ক ত পাবা?

ধ্যুৎ! ওমৰ ঘপহকৈ উঠি যাবলৈ ওলাল। সেইদৰেতো মৌলবী চাহেবহতেও কয়। বিচাৰিলে যদি নেপায় তেন্তে তেওঁক বিচাৰি বৰো দৰকাৰ নাই। তেওঁ দেখা দিলে দিব নিদিলে নাই। মই যাওঁ। আচ্ছালামু আলাইকুম।

আলেইকুম আচ্ছালাম। বহিথকা আটাইবোৰ মানুহে ওমৰৰ ফালে কৌতুহলেৰে চালে। কাৰো ফালে নোচোৱাকৈ গম্ভীৰ মুখৰে আৰৱ সৈনিক ঘপ ঘপকৈ খোজ পেলাই আতৰি গ ল।

যত ঠগ জুৱাচুৰি এই বদমাচ দৰৱেশহতৰ। ওমৰে খওত ভোৰভোৱাই গৈ আছিল। কিন্তু এই দোকানীটোৱে এনেকুৱা অদ্ভ ত প্রসঙ্গৰে অৱতাৰণা কিয় কৰিছিল?

ওমৰৰ কাণতো পৰিছিল এটা তেনেকুৱা জনৰৱ। এটা হাচিচ-আচীন ৰে নগৰত উন্মত্ত জনতাই কোবাই কোবাই মাৰি পেলাইছিল। মৰাৰ মুহ ত্তলৈকে সি এটা কথাকে চিঞৰি আছিল বোলে— স্বগলৈ! স্বগলৈ!

কি ধৰণৰ স্বগ সেইখন! হাচিচ মানে ভাং। ভওধাৰ স্বর্গ তেনেহ লে! কিন্তু ধৰ্মৰ নামত এনেকুৱা সাংঘাতিক ভাওনা পতাৰ অথ কি হ ব পাৰে।

আঠত্রিশ

লাহে লাহে এই হাচিচ আচীন বা হাচাচীন বিলাকৰ বেপৰোৱা হত্যাকাণ্ডবোৰ সঘনে হ বলৈ ধৰিলে চেলজুক সাম্ৰাজ্যৰ কেউফালে। বিশেষকৈ দক্ষিণ পচিমৰ নগৰবিলাকত বহুতো আকস্মিক হত্যাকাণ্ড অনুষ্ঠিত হ ল। নগৰ অঞ্চলত সাধাৰণ মানুহৰ মাজত এক নিদা ৰুণ সন্ত্ৰাস আৰম্ভ হ ল। চাওঁত চাওঁতে যিবিলাক মোল্লা মৌলবীয়ে ইমান দিনে ওজস্বী বক্তৃতাৰে স তম নবীৰ আগমনৰ বতৰা মিছা বুলি ৰাজহুৱাভাৱে নিন্দাবাক্য উচ্চাৰণ কৰিছিল তেওঁলাকে হয় একেবাৰে নীৰৱ হ ল নহয় হফ ত বা সপ্তমবাদী বিলাকৰ প্ৰাংসাহে কৰিবলৈ ধৰিলে।

গাৱে ভুঞে এই নতুন ধৰ্মমতৰ অনুগামীসকলে নিজৰ সংগঠন দিনে দিনে শক্তিশালী কৰিবলৈ ধৰিলে। কৰ কাটল তুলিবলৈ আৰম্ভ কৰিলে। ইহতৰ অথ সংগ্ৰহ অভিযানো নতুন ধৰণৰ। যিজন মানুহ ধনী তেওঁৰ ঘৰৰ দুৱাৰমুখত বা ঘৰৰ অভ্যন্তৰত কোনো বাই বাতি এখন চিকচিকীয়া নতুন ডেগাৰ এৰি থৈ যায় লগতে এটা নতুন পাওকটী। অনেক সময়ত সেই পাওকটীত চৌকাৰ গৰম লাগিয়েই থাকে। এই ডেগাৰ আৰু কটী হৈছে সিহ তৰ ডবাইতিৰ প্ৰতীক আৰু আগজাননী। সেই ঘটনাৰ এদিন পিচতে এটা ভিক্ষাৰী আহি দুৱাৰমুখত থিয় হৈ গহস্থক ডোক লাগিছে বুলি কৈ এটা কটী বিচাৰিব। বিচাৰিব কটী। কিন্তু লৈ যাব এমোনা ধনসোন। গহস্থজন তেতিয়া ৰক্ষা পৰে। তাকে নকৰি কোনোবাই যদি জনা জনি কৰি দি অন্যধৰণে ৰক্ষা পাবলৈ যত্ন কৰে তেন্তে অনিবাৰ্য ভাৱে হাচাচীনৰ হাতত তাৰ প্ৰাণনাশ হবই। ঘৰৰ ভিতৰত বা বাহিৰত যি কোনো মুহ ৰ্ত্তত এদিন এই অসীম সাহসী হাচাচীনৰ তীক্ষ্ণধাৰ খঞ্জৰে কলিজা ইপাৰ সিপাৰ কৰি দিব।

উপযুপৰি এনেকুৱা হত্যাকাণ্ড হোৱাৰ ফলত কোনাবাই সেই দৰে মৃত্যু পৰোৱানা পালেও কাৰো আগত প্ৰকাশ নকৰা হ ল। হাতত ধনৰ মোনা লৈ উৎকণ্ঠিত হৈ বাট চাই থকা হ ল যমদূত

যেন ভিক্ষাৰীৰ আগমনলৈ। তেজীয়ান বক্তা আৰু এলেমদাৰসকলেও সেইদৰে পায় এখন ডেগাৰ আৰু সৰু এটুকুৰা কাগজত লিখা এশাৰী বাক্য—নিজৰ জিভা দুপাৰি দাঁতৰ ভিতৰত ৰাখা। যি দুই এজনে সেই সাধুবাক্য অমান্য কৰিছিল তেওঁলোকক ৰাজপথত কোনোবাই বীভৎসভাৱে হত্যা কৰি এৰি থৈ গৈছিল। হত্যাকাৰীয়ে তেওঁলোকৰ জিভা ডিঙি ফালি টানি আধা উলিয়াই থৈ গৈছিল।

গতিকে হাচাচীন বিলাকৰ বিৰুদ্ধে প্ৰতিবাদৰ ক্ষীণ কণ্ঠস্বৰো সম্পূৰ্ণভাৱে নিমাত হৈ গৈছিল।

এইদৰে হত্যাকাণ্ড হওঁতে সদায়ে যে হত্যাকাৰী সাৰি গৈছিল তেনেও নহয়। বহুত ঠাইত হত্যাকাৰী ধৰাও পৰিছিল। কেতিয়াবা ৰাজকীয় সৈন্যাই ধৰি ৰাজদৰ্বাৰ স্থানত সিহতক উগ্ৰ শাস্তি দি তিলে তিলে প্ৰাণদণ্ড দিছিল ঘটনাৰ উঁহ বিচাৰি। বহু ঠাইত জীয়াই জীয়াই চাল খহলিওৱা হৈছিল। কিন্তু কাৰো মুখৰ পৰা কোনো কথাই বাহিৰ কৰিব পৰা নহৈছিল। মৰাৰ সময়লৈকে সেই উন্মাদ হত্যাকাৰী বিলাকে কেৱল উচ্চাৰণ কৰিছিল— স্বৰ্গলৈ স্বৰ্গলৈ! দৰজাখন খোল! —এই বীভৎস বিস্ময়জনক দৃশ্য যিবিলাকে দেখিছিল সিহতৰো অন্তৰাত্মা শুকাই গৈছিল। হফতম বিলাকৰ নামত সকলোৰে বুকু কঁপি উঠে। আনকি ডাঙৰ আমীৰ উজীৰ সকলেও প্ৰাণৰ ভয়ত হফতম বিলাকৰ বিষয়ে কোনো কথাই নেপাতিছিল!

এদাল বিষধৰ সপৰ দৰে মৃত্যুৰ আশঙ্কাই মানুহৰ চিন্তাৰ মাজে মাজে কেৰমেৰাই যেন ঘৰি ফৰিছিল। মানুহে কাৰোবেই বিশ্বাস নকৰিছিল। ঘৰৰ চাকৰ বাকৰ বন্ধু বান্ধৱ পৰিচিত অপৰিচিত লোক ওচৰ চুবুৰীয়া এইবিলাকৰ মাজৰ যি কোনোজনে হাচাচীনৰ মৃত্যুদূত হৈ যিকোনো মুহূৰ্ততে যেন আত্মপ্ৰকাশ কৰিব পাৰে।

চুল্‌তান মালিকশ্বাহ তেতিয়া মাভ নগৰত বাস কৰিছিল। নিজাম উল মুল্ক আছিল বে নগৰত। ওমৰ তেতিয়াও নিচা ৰৰ তত্ত্বাঘৰত গৱেষণা লৈ ব্যস্ত। সময়ৰ চাৰিওফালে পৃথিবীয়ে পৰিভ্ৰমণ কৰা আৰু পৃথিবীয়ে স্বস্থানত এটা সম্যোদয়ৰ পৰা আন এটি

সূর্য্যোদয়ৰ সময়ছোৱাৰ ভিতৰত এবাৰ আৱৰ্ত্তন কৰা এই নতুন তথ্যৰ প্ৰমাণ সংগ্ৰহৰ কাম আৰু তাৰ তথ্যপূণ কিতাপখন প্ৰায় সম্পূণ হৈ আহিছিল। কামত নিমগ্ন ওমৰে অনুভৱেই কৰিব পৰা নাছিল হফ তানীহতৰ উপদ্ৰৱৰ কথা। কিন্তু খাজা মাইমুন অল ইস্ফিজাৰীয়ে বাৰে বাৰে সোৱৰাই আছিল যে উপযুক্ত সময় নহা পৰ্য্যন্ত এই নতুন তথ্যযেন কোনো প্ৰকাৰেই জন সমাজত প্ৰচাৰ কৰিবলৈ যত্ন কৰা নহয়।

ওমৰে হাহে তেনেহ লে কোনো দিনেই প্ৰচাৰ নহ ব মাইমুন। তুমি কোৱামতে উপযুক্ত সময় আৰু কেবাটাও শতাব্দীৰ পিচতো নাহিব পাৰে।

মাইমুন নিমাত হয়। কিন্তু মাইমুনৰ ভয় নুগুছে।

গতিকে কালৰ কঠুৱা হাতে আমাৰ জীৱন সূত্ৰ ছিন্নভিন্ন কৰাৰ আগতে আমি প্ৰচাৰ কৰিবই লাগিব মাইমুন।

কিন্তু পৰিণাম যে ভয়ঙ্কৰ হ ব খাজা ওমৰ।

যদি অদৃশ্য বিধিলিপিত সেই পৰিণাম লিখিয়েই থৈছে তেন্তে তোমাৰ বা মোৰ কাৰণে সি নিলিখা হৈ নেযায়।

ওমৰে নিৰিকাৰ ভাৱে মদৰ চোৰাহী কাষলৈ টানি লৈ সেইদৰে কণ্ঠতে মাইমুনৰ উদ্বিগ্নতা বাঢ়ি যায়। তেওঁৰ ধাৰণা হয়—এই মানুহ টোৱে জানে কি হ ব—তথাপি সাহস কৰে। হে খোদা এই অনিবাৰ্য পৰিণামৰ পৰা ৰক্ষা কৰিবা প্ৰভু। জীৱন বৰ মোহনীয়। মানুহৰ অজ্ঞানতাৰ বেদীত এই অমূল্য জীৱন উৎসৰ্গ কৰাৰ কোনো সাৰ্থকতা নাই।

কিন্তু ইকাণ সিকাণকৈ ওমৰৰ এই নতুন আবিষ্কাৰৰ কথা মাদ্ৰাছাৰ বিদ্বানসকলৰ মাজত ওলাবলৈ ধৰিলে। ভ্ৰুকুঞ্চিত কৰি উলেমাৰ সদস্য সকলে ওমৰৰ বিৰুদ্ধে দুষাৰ এষাৰকৈ বিষো গাৰ কৰিবলৈ ধৰিলে। কিন্তু অতি নিম্ন স্বৰত। এতিয়াও চুলতান মালিকশ্বাহৰ অতি বিশ্বাসৰ পাত্ৰ ওমৰ খায়াম। নিজাম উল মুল্কেক এতিয়াও পূৰ্ণ পয়োভৰেৰে ক্ষমতাৰ বাঘজৰী হাততে লৈ আছে।

লালমহলত সেইদিনা ৰাতি গালিচাত দীঘল দি পৰি মুক্ত তৰাবচা আকাশলৈ চাই ওমৰে ভাবিছিল কি ভাষাৰে ক লে মানুহে নক্ষত্ৰমণ্ডলৰ এই পৰিষ্কাৰ সত্য হৃদয়ঙ্গম কৰিব পাৰিব। কঠিন পাথৰৰ দৰে তৰপে

তৰপে প্ৰাচীন অন্ধবিশ্বাসৰ আৱেষ্টনীৰ মাজত সোমাই নিস্তেজ আৰু স্পন্দহীন হৈ পৰিছে মানুহৰ মন। নতুনৰ জ্যোতি সজ কৰিব নোৱাৰে। বুঢ়ী মানুহৰ মনৰ দৰে কুসংস্কাৰ আৰু আৱেগৰ পিতনি হৈ পৰিছে ধমাল্ধ মানুহৰ চিন্তাজগত। সিহতৰ ঘোলাপৰা চকুত কোনো আগ্ৰহৰ সৃষ্টি নকৰে বৈজ্ঞানিকৰ নবলব্ধ তথ্যই। সিহত বিৰক্ত হয়। সিহঁতৰ খং উঠে।

এজাক বতাহ বলিছিল তেতিয়া। চাদৰ ওপৰৰ পৰা ওপমি থকা ফুলাম লতাবিলাক জোকাৰ খাই খাই দালানৰ বেৰ আৰু স্তম্ভবিলাকৰ গাত জোনাক আৰু ছাঁয়াৰ মোহময় খেলিমেলি সৃষ্টি কৰিছিল। বতাহত ভাঁহি আহিছিল ফুলনিৰ সৌৰভ।

অকস্মাৎ মুক্ত বাতায়ন পথেদি ভাহি আহিল চিৰিণৰ কণ্ঠৰ গান—। মৰুপথৰ কাৰাভানৰ গান।

আলায়া খায়মাগি খায়মা ফিৰোহিল
কে পিচ আহঙ্গ বিৰোণ শোদ যে মনজিল।
সামৰা তম্বু—লৰালৰি কৰি
জীৱনৰ মোচাফিৰ।
নহয় থিতাপি দুদিনৰ এই নীড়
কাৰাভান স উ গল আগবাঢ়ি
পথিকৰ হ ল ভিৰ।

—পৰিচিত পুৰণি গানৰ কলি। চাহাৰৰ পথত ক্ষন্তেক বিশ্ৰাম লভা বাটকৰাক পুনৰ পথলৈ আহবান কৰা প্ৰভাতী গান। চিৰিণৰ মাত বৰ ভাল। ওমৰৰ বৰ ভাল লাগিল। মনৰ পৰা অন্ধকাৰ গুৰুভাৰ আতৰি গ ল।

ওমৰ উঠি বহিল। গুণ গুণকৈ আবৃত্তি কৰিলে পুৰণা এককবাই—

ৰোজে কি গুজিস্তা অস্ত আজো ইয়াদ মাকুন।
ফৰদা কে নে আমদা অস্ত ফৰিয়াদ মাকুন॥
ওজে আমদা ও বৰ গুজিস্তা বুনিয়াদ মিনে।
হালি খুশৰাশ ও উমৰ ববৰাদ মাকুন॥

—অন্তহীন পথতে আছে জীৱনৰ ইঙ্গিত। আছে বৈচিত্ৰ্য। আছে মোহনীয়তা। আছে জীয়াই থকাৰ হেপাহ আৰু মাদকতা কি লাভ হ ব অতীতৰ কথা ভাবি? কি লাভ ভবিষ্যতৰ চিন্তা কৰি? পথ পৰিক্ৰমাৰ

লগে লগে বাগৰি আহে জীৱনৰ মধুৰ মুহূর্তবোৰ। আলিঙ্গন কৰা সেই বৈচিত্ৰময় মুহূর্তৰ সমদলক। সেয়েতো জীৱন।

নিজৰ শয়ন কক্ষৰ পৰা ওলাই তেওঁ চিৰি বগাই খোলা চাঁদলৈ উঠিল। লাল মহলৰ আহল বহল চাঁদ তেতিয়া জোনাকে ৰূপোৱালী কৰি ৰাখিছিল। চিৰিণে তেতিয়াও সুৰৰ মায়াজাল গুঠিয়েই আছিল ইটোৰ পিচত সিটোকৈ গান গাই গাই। চাদৰ একাষে এখন জাজিম পাৰি লৈ শুই শুই চিৰিণে চাই আছিল আকাশলৈ।

জোনাকৰ চৌৱে মায়ালোকৰ সৃষ্টি কৰিছিল। দেহহীন চন্দ্রালোকৰ সীমাহীন সাগৰত অলেখ ছায়াহীন ছায়া। ওপৰত হেজাৰে বিজাৰে তৰা। ওমৰে চিনি পাবলৈ চেষ্টা নকৰিলে আজি তৰাবোৰক। আজি তহত অকল তৰা হৈ থাক।

—ত বী চিৰিণক জোনা ৰত বুৰ গৈ থা দেখি এই সুছন্দ নক্ষত্র সঙ্গীতৰ ৰাতি ওমৰৰ মনত পৰিল শৈল শিখৰৰ খান আৰু বেগমৰ কথা।

ওমৰৰ তৰিৰ ৰিদ শুনি চিৰিণে মুৰ তুলি চালে।

আদাবত খাজাচাহেব। তাই লৰালৰিকৈ থিয় হৈ ওমৰক স্বাগতম জনালে। ওমৰে হাহি তাইক লৈ বহিল গালিচাৰ ওপৰত। নিঃসঙ্কোচে তাই ওমৰৰ ওচৰত বহিল। তায়ো হাহিলে।

তই বৰ ভাল গান গাইছ চিৰিণ। তোৰ গান শুনিবলৈ হ আহিলো।

তাই আকৌ হাহিলে।

কি কৰিম। অকলে থাকি আমনি লাগিলে গান গাই থাকো।

তাৰ পিচতে ওমৰৰ কাষলৈ চাপি আহি সধিলে—

খাজাচাহেব অলপতে বে গৰলৈ যাব বুলি শুনিছো। কিমান দিন হব?

ৰ বতো নোৱাবো। ওমৰে তাইৰ ফালে চাই চাই ভাবিলে। থিয় সুধিছে সেইটো ওমৰে বুজিলে। এই উগ্র স্বভাৱৰ ছোৱালীজনীৰ প্রাণতো পথৰ তৃষ্ণা আছে। তাৰ আঁচা দেহাত শিহৰা জগায় চাহাৰাৰ শুকান বতাহে।

তহ গান গা চিৰিণ। ৰাতি অলপহে হৈছে।

চিৰিণে পুনৰ গান গালে। উৰঘান্দৰ কোনোবা গ্রামাঞ্চলৰ

লোকগীতি। এক ৰাজকুমাৰ আৰু এজনী ৰাজকুমাৰীৰ প্ৰেম কাহিনী। বিচ্ছেদ বিহ্বলা শাহাজাদীৰ অশ্ৰুসিক্ত নয়নৰ বৰ্ণনা। প্ৰিয়তমাৰ সন্ধানত ব্যাকুল শাহাজাদাৰ বিৰহ বেদনা শেহত মিলন

প্ৰিয়তমাৰ ৰূপ বৰ্ণনা- জোনতকৈও ৰূপহী প্ৰিয়তমাৰ মুখত বৰ্ণনা দিওঁতে ওমৰে কৈ উঠিল—

বাহ! বাহ! কি চমৎকাৰ গান গাইছ চিৰিণ—জোনতৰৈ ৰূপহী কিমান কাৰহী হব বাকু?

ওমৰৰ কবিৰ কবিতা মনত পৰিল—গালে-

হাচান ই মেহৰা ত চজিদম বে মিজান একেয়াস্ত।

পাল্লা ই মেহ বাৰ ফলক শোদ উ তু মন্দি বৰ জমিন॥

—তোমাৰ মুখৰ সৌন্দৰ্য আৰু জোনৰ ৰূপৰ বাহাৰ পাল্লাত তুলি ওজন কৰি চালো। তুমি থাকি গলা মোৰ কাষত কিন্তু তোন উঠি গৈ আকাশ পালেগৈ।

পৰিত চিৰিণে হাত চাপৰিয়াই উঠিল।

পায়েৰ! খাজাচাহেব খুশজমজমা বচিয়া পায়েৰ। ইমান ধুনীয়া কথা পাহুহে ভাবিব পাৰে কেনেকৈ?

চাৰিৰ অপৰ সন্দৰ মুখখন ভাহি আহিল ওমৰৰ মনৰ চকুৰ আগলৈ এই পৰৰ কাৰণে। জোনকো চেৰ পেলোৱা ৰূপ আছিল চাকিৰ । এটা সৰু হুমুনিয়াহ ধীৰে ধীৰে এৰি দিলে ওমৰে। তাৰ পিচত কলে যাৰ অন্তৰত প্ৰেম আছে সিয়েই সিমান ধুনীয়া কথা ভাবিব পাৰে।

চিৰিণৰ চকুত তেতিয়া এক স্নিগ্ধ আবেশ! আধা মেলা চকুৰে চাই জোনলৈকে চাই আছিল। ওমৰে হাত মেলি তাইক বুকুলৈ টানি ললে। আলফুলকৈ চুমা খালে তাইৰ চকুত। তাৰ পাচত আকৌ গালে—

এ ভয় বথণ দিলাকে দাৰা সোজি নেশত।

সদ অজ দেহে মেহাৰ এ দিল ফাৰোজি নেশত॥

ৰোজে কে তু বে ইশক বচৰ খায় বুৰুদ।

জায়তাৰ আজ আন ৰোজত ৰা ৰোজে নেশত॥

—প্ৰেম হীন হৃদয় অন্ধকাৰ আৰু ব্যৰ্থ। সিহতৰ বাসনা বন্ধ্যা আৰু আনন্দশূণ্য। প্ৰেমহীন জীৱন যি কটায় বিষাদৰ কালিমা আৰু হাহাকাৰে তাক আৱৰি ৰাখে চিৰদিন।

এ ভয় বৰণ দিলকে —ফুচফুচাই গালে চিৰিণে। তাইৰ উশাহ চুটি আৰু ঘন হ বলৈ ধৰিলে।

খাজা ওমৰ সেইটো মোৰ কবাই—মোৰ। ব্যাকুল ভাৱে তাই দুই বাহুদোলেৰে সাৱটি ধৰি ল ওমৰক— মই জনা নাছিলো মই জনা নাছিলো।

ওমৰৰ হাত দুখন কপিবলৈ ধৰিছিল। গভীৰ ভাৱে তাইক সাৱটি ধৰি এটা চুমা খাই এৰি দিলে ওমৰে।

যা চিৰিণ চিৰাজী লৈ আন। লৈ আনিবি কাপোৰ আৰু গাক। আৰু এটা শায়েৰ শুনাম তোক।

চিৰিণে এক দৌৰ মাৰি তললৈ নামি গ ল আৰু ঘুৰি আহিল। কাপোৰবোৰ থৈ তাই ওমৰৰ কাষত আঠুকাড়ি বহি এপিয়লা মদিৰা ঢালি দিলে। তাইক হাতত ধৰি টানি কাষলৈ চপাই আনিলে ওমৰে। তাৰ পিচত একে সোহাই মদ শেষ কৰি তাইক আকোৱালি ধৰি ক'লে তোৰ কবাইতো শুনিলি চিৰিণ। এইবাৰ শুন মোৰ কবাই—

বৰ ঘেন্ত বা বাদাহ চে জায় সকুনন্ত।
কামা শাৰ দহেন তনক তু বেজিয়ে মনন্ত ॥
মাৰা চু কন্ধ হেবশ মেই শুলগুল দহ।
কী তোবা এ ম্যাই চু জুলফ তু পুৰশ কনন্ত ॥

গোলাপী গালৰ আভা ৰ তোমাৰ
জীৱন মদিৰা উজলি উঠে।
দিয়াহি ভৰাই প্ৰাণৰ পিয়লা
কথাৰ সময় নাইযে মুঠে।
আজি যামিনীৰ মধুৰ বাসনা
কিহেৰে পুৰাৰা প্ৰিয়া!
অলকেৰে ঘেৰা লাহৰী মুখৰ
অধৰ পৰশ দিয়া।

চিৰিণৰ আলিঙ্গনাবদ্ধ দেহলতা থৰ থৰকৈ কপিবলৈ ধৰিছিল তেতিয়া। চাবুক লৈ হিংস্ৰ পশু শাসন কৰা সেই ছোৱালীজনী নিজৰ উত্তাপ সহ্য কৰিব নোৱাৰি উচুপি উঠিল।

তাৰ দুদিনৰ পিচৰ কথা। তৰাৰ ঘৰৰ পৰা ঘোঁৰাৰে লাল-মহললৈ আহি আছিল ওমৰ। তাজী ঘোঁৰাৰ খুৰাৰ শব্দত ধ্বনিত হৈছিল চৌদিশৰ নিজান প্ৰান্তৰ। সন্ধিয়া লাগো লাগো। এনেতে বিপৰীত ফালৰ পৰা অহা আৰু এজন অশ্বাৰোহী দেখা গ'ল। ওমৰে মন নকৰি কাষেদি ঘোঁৰা চলাই পাৰ হৈ যাব খুজিছিল। কিন্তু আগন্তুক অশ্বাৰোহীয়ে বাটৰ কাষলৈ ঘোৰা নি পথালি কৰিলে আৰু ওমৰক ৰ'বলৈ হাতেৰে ইঙ্গিত কৰিলে। অলপ দূৰৰ পৰা অশ্বৰ গতিবেগ কমাই আনি ওমৰ ৰৈ গ'ল। ককালত ৰঙা টঙালি আৰু গাত দীঘল বগা জোব্বা পিন্ধা এজন মানুহ। হাতত কোনো অস্ত্ৰ দেখা নগ'ল।

ঘোঁৰাৰ পৰা ননমাকৈয়ে মানুহজন অলপ কাষ চাপি আহি সম্ভাষণ জনালে—

আচ্ছালামু আলেইকুম। খাজা ওমৰ।

আলেইকুম আচ্ছালাম। তুমি কোন?"

মানুহজনৰ মুখত ঈষৎ ৰঙচুৱা গালভৰ্ত্তি দাৰি আৰু গোঁফ। শিৰোধানৰ দুয়োফালৰ কাপোৰৰ আচল টানি আনি থুতৰিৰ তলত এনেদৰে লগ লগাই ৰাখিছে যে মুখৰ সম্মুখ অংশহে দেখা যায়। ভাবান্তৰহীন চকুৰে ওমৰে আগন্তুকক লক্ষ্য কৰিছিল।

খাজা ওমৰ। আপুনি মোৰ সাক্ষাত বিচাৰিছিল। আগন্তুকে গম্ভীৰ ভাৱে ক'লে।

ওমৰে মনে মনে হাহিলে। নিখুঁট ছদ্মবেশ ধৰিছা বন্ধু কিন্তু তোমাৰ কণ্ঠস্বৰ? আৰু চকুৰ দৃষ্টিত সৌ জিলিকনি? কিন্তু ই কিয় কৈছে যে তাক মই বিচাৰিছিলো। মই তাকতো বিচৰা নাই। ওমৰে ক'লে—

কেতিয়া বিচাৰিছিলো?

আগন্তুকে হাহিলে।

খাজা চাহেব আজি কিছুদিনৰ আগতে এদিন ৰাতি এজন আৰৱ সৈনিকে মোক লগ পাবলৈ বিচাৰিছিল। মই নিজে দেখা নিদিলে লগ নেপাব বুলি ক'লত অসন্তোষ কৰি গুছি আহিছিল। সেই আৰৱ সৈনিকক মই এতিয়া সুধিব খুজিছো মোক কিয় বিচাৰিছিল।

ওমৰে তৎক্ষণাৎ বুজি পালে। এক মুহূর্ত্তও কাল বিলম্ব নকৰাকৈ কৈ উঠিল—

অহ! তেনেহ লে তোমাৰ শিষ্যবোৰৰ দেখিছো একেবাৰে ঈগলৰ চকু। সেইদিনা দৰৱেশৰ কথা শুনি বৰ লোভ লাগিছিল স্বৰ্গৰ পৰা সশৰীৰে এপাক ঘৰি অহাৰ। কিন্তু মই জনা নাছিলো যে জীৱন মৃত্যুৰ ৰহস্য ভেদ কৰোতাজন মোৰ পুৰণা পৰিচিত মানুহ হাচান ইবন চাবাহ।

হাচান ইবন চাবাহৰ চকুহাল বিস্ময়ত এবাৰ পলকৰ বাবে ডাঙৰ হৈ গ ল। কিন্তু পিচ মুহূর্ততে সহজভাৱেই ক লে—

খাজা ওমৰ আজিলৈকে মই আপোনাৰ প্রশংসা কৰিছিলো কিন্তু আজি আপোনাৰ ক্ষমতাত চমকিত হৈছো। জেৰুজালেমত বহুত বছৰ আগতে মই আ পানাৰ লগত কথা পাতিছিলো। কোনো সাধাৰণ শক্তিৰ মানুহে ক্ষন্তেকৰ চিনাকী মানুহৰ কণ্ঠস্বৰ ইমান দিন নিভুল ভাবে মনত ৰাখিব নোৱাৰে।

এইবোৰ কি স্বৰ্গৰ কথা কয় মানুহবিলাকে আৰু কি অথত তুমি জীৱন আৰু মৃত্যুৰ ৰহস্য ভেদ কৰিছা?

অলপ ওচৰ চাপি আহি অন্তৰঙ্গ সুৰত হাচানে ক লে— খাজা ওমৰ এই বিশাল চেলজুক সাম্রাজ্যত কাৰো দয়া আৰু বন্ধুত্ব মই বিচৰা নাই। কিন্তু আপোনাৰ বন্ধুত্ব মই সদায় বিচাৰি আছো। আপোনাক মই সকলো কথা ক ম। আপুনি মোৰ লগত আহিব ন?

একেই ভাবান্তৰ হীন মুখেৰে ওমৰে সুধিলে ক লৈ?

মই য ম নিম ত লৈ। খাজা ওমৰ আপোনাৰ কোনো ভয় নাই। হাচানে শান্তস্বৰে ক লে।

ভয়! ওমৰৰ হাহি উঠি গ ল ভয়তো কৰিলে ইয়াতো কৰিব লাগে। এই মুহূর্ত তা তোমাৰ শস্ত্র অনুচ ৰ মোক বেৰি আছে। অদৰত ঘোৰাৰ খুৰাৰ শব্দ হঠাতে নীৰৱ হোৱা মই শুনিছো। তথাপি কৈছা মই ভয় কৰিছো।

হাচানে এবাৰো পিচলৈ উভটি নেচালে। এই আচৰিত মানুহটোৰ অসামান্য আত্মসংযম—ওমৰে বুজিলে। লগে লগে অশ্ব সঞ্চালনা কৰিবলৈ আৰম্ভ কৰি ওমৰে ক লে ব লা ক লৈ যাব লাগে। তোমাৰ মোলৈ ভয় কৰিবলগীয়া—অন্ততঃ এতিয়ালৈকে –কোনো কাৰণ হোৱা নাই। গতিকে তোমালেও মোৰ ভয় নাই।

ইতিমধ্যে গধুলিৰ এন্ধাৰ নামি আহিছিল। দুটা ধাবমান অশ্বৰ যুগপৎ শব্দত পুনৰ ধ্বনিত হ ল নিজান প্রান্তৰ।

এঘণ্টামান অশ্বচালনা কৰাৰ পিচত হাচান গৈ এটা ডাঙৰ পকী দালানৰ সম্মুখত ৰ'লগৈ। ওমৰক ঘোঁৰাৰ পৰা নামিবলৈ কৈ নিজেও নামিল। দুটা ভৃত্যই ল'ৰি আহি ঘোৰা দুটা আতৰাই নিলে। ভৃত্য দুটাৰ গাতো হাচানৰ অনুৰূপ বগা সাজ।

ঘৰৰ ভিতৰত প্ৰৱেশ কৰিয়েই মজিয়া আৰু বেৰৰ সাজ-সজ্জা দেখি ওমৰে বিস্ময় মানিলে। ওমৰৰ লাল মহলো বিলাস বৈভৱৰ ফালৰ পৰা সাম্ৰাজ্যৰ ভিতৰতে প্ৰথম শ্ৰেণীৰ। ৰাজধানীৰ প্ৰবল প্ৰতাপী আমীৰ সকলৰ অভ্যন্তৰো অনেক দেখিছে ওমৰে। একমাত্ৰ নিজাম উল মুলুকৰ বাসভৱনৰ বাহিৰে বাকী সকলোতে অপাৰ বৈভৱ দেখিছে ওমৰে। কিন্তু হাচানৰ এই ঘৰৰ সম্পদে যেন সকলোকে চেৰাই যাব।

ওমৰক বৈঠকখানাত সমাদৰে বহুৱাই হাচানে এবাৰ হাহিলে।

খাজা ওমৰ আপুনি কিন্তু সুদক্ষ আচোৱাৰ। ইমান সময় ঘোৰা চলোৱাৰ পিচতো আপুনি সতেজ হৈ আছে।

উত্তৰত ওমৰে এ কাৰেই নকলে। হাহিলে মাথোন। এই ঘৰটোৰ সমুদায় ব্যৱস্থা যে সম্পূৰ্ণ অস্থায়ী বৈঠকখানাত বহিয়েই ওমৰে বুজি পাইছিল। মজিয়াৰ গালিচা আচবাব পত্ৰ দুৱাৰ খিৰিকীৰ পৰ্দা সকলোতে নতুন নতুন গন্ধ। আগতে ব্যৱহাৰ হোৱা এপদো সামগ্ৰী ওমৰৰ চকুত পৰা নাছিল।

অলপ পৰ বহাৰ পিচতে পানীয় পৰিবেশন কৰা হ'ল। তাৰ পিচত ওমৰক অলপ বহিবলৈ কৈ হাচান ইবন চাবাহ ভিতৰ সোমাল। ওমৰে কেউফালে এবাৰ চালে। দুৱাৰৰ ওচৰত সশস্ত্ৰ প্ৰহৰী দেখিলে। তেওঁ এবাৰ ভাবিবলৈ সময় পালে।

— এই মানুহটো ছলনাৰে ভৰা। কিন্তু ইয়াৰ পৰিকল্পনাৰ মাজত কৰবাত সি ওমৰকো ধৰি থৈছে। গতিকে এটা নিৰ্দ্দিষ্ট বিন্দু পৰ্য্যন্ত সি ওমৰক সেই পৰিকল্পনাৰ কথা কব। ওমৰৰ পতিক্ৰিয়াৰ ওপৰত নিভৰ কৰিব তাৰ ভবিষ্যতৰ ওমৰ সম্বন্ধীয় কাৰ্য্যপন্থা। —

তেতিয়ালৈকে নিৰাপদ। এতিয়া চোৱা যাওক ইয়াৰ স্বাথ কি। তেওঁ ভাবিলে।

অলপ পাচতে হাচান সোমাই আহি ওমৰক আহ্বান কৰিলে— খাজা ওমৰ ৰাতি বেছি হোৱা নাই। মোৰ ইয়াত এটা সৰু গ্ৰন্থাগাৰ আছে। আপুনি এবাৰ চাবনেকি?

এটা চিত্রিবে উত্তরে ওপব মহলালে উঠি গ'ল। এটা আহল বহল কক্ষব ভিতব সোমাই ওমবে দেখিলে যে চাবিওফালে ঠাকে ঠাকে কিতাপ সজাই খোৱা আছে। বিভিন্ন বিষয়ব কিতাপ—দর্শন বিজ্ঞান সাহিত্য গণিত জ্যোতিষ বাজনীতি ইতিহাস সকলো মবজোব চামবাবে বান্ধোৱা সুদৃশ্য মূল্যবান গ্রন্থ। টেবাকোট্টা ফলিত লিখা। কিছুমান মিচবীয় পেপিবাচত চিত্রাক্ষবেবে লিখা। বহতো তৈল-প্রদীপব উজ্জ্বল পোহবত কক্ষব অভ্যন্তব আলোকিত হৈ আছিল। সক সক মেজত দুজন মানে তেতিয়াও কিবা পঢ়িয়েই আছিল। তেওঁলাক সোমাই যোৱাব লগে লগে মানুহকেইজন সসম্ভ্রমে বুকুত হাত বাখি থিয় হৈ সম্মান জনালে। তাব পিচত অলপ একাষে থৈ থিয় হ'ল। ওমবে লক্ষ্য কবিলে যে এই মানুহকেইজনব গাতো হাচানব ধবণেবে একে সাজ। বগা জোব্বা বঙা কমববন্ধ আৰু বঙা চামবাব পাদুকা।

কিতাপব ঠাকবোবব ফালে চাই ওমবব আগ্রহ হ'ল। বহতো ভাষাব কিতাপ আছে। গ্রীক লেটিন প্রাচীন হিব্রু তুৰ্কী আববী আৰু পাচীতো আছেই। ওমবে সেইবোব চাই ফুবা দেখি হাচানে ক'লে—

আনকি কিছু সংখ্যক সংস্কৃত কিতাপো ইয়াত আছে। মোব ভাইচ বিজ্ঞাকব মাজত সংস্কৃত জনা দুজনমান আছে। কিন্তু সিহতব জ্ঞান সামান্য। কিন্তু বাইজেণ্টাইন ভাইচহতে গ্রীক আৰু লেটিন ভালদবে বুজে।

কিতাপব সংগ্রহ দেখি ওমব আচবিত হৈছিল। কেইখনমান বহুমূল্য কিতাপ ওমবব চকুত পবিল— এখন প্লটিনাচব আনখন আবিষ্টাব কাচব চন্দ্রব কক্ষপথ আৰু গ্রহণব ওপবত লিখা তথ্য। জ্যোতিবিদ্যা আৰু গণিতব কিতাপবোব দেখি ওমবে চিঞবি উঠিল—মই কিন্তু এই কেইখন কিতাপ কাহানিও দেখা নাছিলো। ওমবে কিতাপ দুখন উলিয়াই পৃষ্ঠাবোব লুটিয়াই চালে। ভাষা গ্রীক। ওমবে গ্রীক নেজানে। কিন্তু তাত থকা চিত্রবোবব পবা চন্দ্রগ্রহণ সম্বন্ধে আবিষ্টাবকাচব প্রপাদ্য বিষয় সম্বন্ধে ওমবে সহজেই ধাবণা কবি ল'ব পাবে।

ওমব সেই গ্রন্থসবব মাজত সম্পূণ নিমগ্ন হৈ পবিল। কোন সময়ত হাচান ইবন চাবাহ সেই কোঠাব পবা আতবি গ'ল তেওঁ ধবিবই নোৱাবিলে। ওমবে এবাব পিচফালে ঘবি চাওঁতে দেখিলে হাচান নাই। অন্য এজন আগুৱাই আহিল।

তুমি কোন ?"

খাজাচাহেব মই এজন ডাইচ—প্রচাৰক বুলি ক ব পাৰে। এই সকলোৰোৰ কিতাপ আলেকজেন্দ্রিয়াৰ সেই বিশাল গ্ৰন্থাগাৰৰ। ইতিহাসত লিখা আছে যে বিজয়ী মুছলমান সকলে সেইবোৰেৰে চৌকাৰ জুই জ্বলাইছিল।—তথাপি তাৰ কিছুমান বক্ষা পৰিল। আমাৰ প্ৰভুৱে কিছুমান উদ্ধাৰ কৰি সংৰক্ষণ কৰিছিল।"

ওমৰে চাই চাই গৈ থাকোতে এঠাইত নিজৰ গ্ৰন্থবোৰো দেখিলে। ওমৰৰ এলজেব্রা ত্ৰৈমাত্রিক সমীকৰণৰ ওপৰত ওমৰৰ নতুন বীজগণিত চন্দ্রগ্রহণৰ ওপৰত লিখা আধুনিকতম গবেষণাৰ কিতাপ আৰু ওমৰৰ জ্যোতিবিদ্যাৰ ওপৰত লিখা এটাইকেইখন গ্ৰন্থ। ওমৰৰ ইউক্লিদৰ জ্যামিতিৰ ওপৰত নৱতম টীকা। জগতে ওমৰৰ নতুন কেলেণ্ডাৰ বহুবছৰৰ পিচ'লকে গণনা কৰি প্রস্তুত কৰি ৰখা এখন কিতাপো।

সকলো আছে। মাত্র এখনৰ বাহিৰে।—ওমৰে ভাবিলে। তৰাঘৰত মাইমুনৰ হাতৰাকচত সযতনে সংৰক্ষিত হৈ আছে সেইখন।

তোমালোকৰ এইখন কি বাক ? কোনো বিদ্যালয় নেকি ? ওমৰে সুধিলে।

তাতোকৈও বেছি। ইয়াত আমি সকলো গোড়ামি আৰু ধৰ্মীয় অন্ধবিশ্বাসৰ পৰা মুক্ত পৰিবেশত বিদ্যা চৰ্চ্চা কৰিব পাৰো।

এনেতে পুনৰ হাচান সোমাই আহিল। চকুৰ ইঙ্গিতেৰে বাকী মানুহ কেইজনক তাৰ পৰা যাবলৈ কৈ ওমৰক ক লে —

খাজা ওমৰ মোৰ কেতাবখানা কেনে লাগিল আপোনাৰ ? অৱশ্যে আপোনাক সন্তুষ্ট কৰিব পৰাকৈ যোগ্যতা ই অৰ্জ্জন কৰিব পাৰিছে বুলি মই নেভাবো। ইয়াৰ উপৰি মই যথেষ্ট পৰিমাণে মেপ আৰু অন্যান্য বৈজ্ঞানিক যন্ত্রপাতিও সংগ্রহ কৰিছো। বাক থাকক সেইবোৰ কথা। এতিয়া আপোনাৰ বিশ্রামৰ দৰকাৰ।

নহয় এতিয়া মোক বিশ্রামৰ কোনো প্রয়োজন নাই। ৰাতি বেছি হোৱা নাই। মোক কোৱা এই নির্জন প্রান্তৰত এই মহামূল্য কেতাবখানা কিয় নিমাণ কৰিছা। তোমাৰ এই ডাইচবিলাক কোন ? তুমি প্রচাৰ কৰা নতুন ধৰ্মমত কি ? তাৰ লগতে কোৱা তুমি কোন ?

হাচানে মিচিকিয়াই হাহিলে।

খাজা মই সকলো ক ম বুলিয়েই আপোনাক ইয়ালৈ আনিছো।

এইটো আমাৰ বহুতো গ্ৰন্থাগাৰৰ এটা মাত্ৰ। সাম্ৰাজ্যৰ বহু ঠাইত এনেকুৱা অনেক বিদ্যায়তন আমি গঢ়ি তুলিছো। এইবোৰত সম্পূৰ্ণ মুক্ত পৰিবেশত জ্ঞানৰ চৰ্চ্চা কৰা হয়। সদৰ ই মুনাজ্জিম মুছলমানসকলৰ মাজত জ্ঞানৰ স্পৃহা অতি প্ৰবল। জ্ঞানৰ অন্বেষণৰ বাবে সুদূৰ কেথেইলৈকো যাবলৈ নিৰ্দেশ আছে। তথাপি জ্ঞানপিপাসু মানুহৰ উদ্ভাৱিকা শক্তি আৰু প্ৰেৰণাৰ ওপৰত গুৰুভাৰ শিলৰ দৰে অন্তৰায় হৈ থাকে আমাৰ ধৰ্মান্ধ মানুহবিলাক।

হাচাৰ বাগ্মিতা অতুলনীয়। মাতটো কাঁহতলীয়া। কোনো ৰকমৰ অঙ্গী ভঙ্গী নকৰাকৈ সমান সৰত কথা কয়। ওমৰে নীৰৱে শুনি গ'ল।

খাজা ওমৰ পাচশ বছৰ আগতে মহম্মদ বচুলৰ দিনত বা তাৰ পিচতো আল কো�ৰাণত যি লিপিবদ্ধ হ'ল আদি নবী আদাম বা তেওঁৰ পিচৰ নহৰ দিনত মানৱ জাতিয়ে সিমানখিনি কথা জানিছিলনে?— কেতিয়াও জনা নাছিল। মহাত্মা আদামৰ যুগৰ জ্ঞানৰ জোৱেৰে চলিব নোৱাৰা হৈ পৰা কাৰোইতো পিচৰ কেইজন নবীৰ আমলৰ পৰা হ'ল। হয়নে নহয়? —

ওমৰে মুৰ দুপিয়াই সম্মতিজ্ঞাপন কৰিলে। এইখিনি কথাত মতৰ অমিল একো নাই। ওমৰৰ মনত কিন্তু এটা ভাৱৰ উদয় হ'ল যে এইখিনি কথা মাদ্ৰাছাৰ ধৰ্মসভাত ক'লে নানা আপত্তি শুনা পলহেতেন।

সেই একেই নিয়ম অনুযায়ী আল কো�ৰাণত যিখিনি লিপিবদ্ধ হৈ আছে সেইখিনিয়েই চিৰপৰিবৰ্ত্তনশীল পৃথিবীত মানুহৰ বাবে সদায় যথেষ্ট প্ৰেৰণা যোগাই থাকিব নোৱাৰে। যোৱা পাচশ বছৰত পৃথিবীত মানৱ জাতিৰ অভিজ্ঞতা আৰু জ্ঞান বহুগুণে বৃদ্ধি পাইছে আৰু এইদৰে বৃদ্ধি সদায় হৈয়ে থাকিব। গতিক কোৰাণৰ সকলো কথাই অপৰিবৰ্ত্তনীয় আৰু তৰ্কাতীত বুলি ভাবি থকাটো মুৰ্খামিৰ বাহিৰে কি হব পাৰে।

এইখিনি ওমৰৰ নিজৰা কথা। কু সংস্কাৰ আৰু গোড়ামিৰ মকৰাজালত ধৰ্মপতিসকল এনেধৰণে বান্ধ খাই আছে কোনো নতুন চিন্তাৰ আৱন্তণ সহ্য কৰিব নোৱাৰে। আল ঘজালীৰ দৰে হোৱা কথা বতৰালৈ মনত পৰিল ওমৰৰ।

যেন ওমৰৰ মনৰ ভাব পঢ়িহে মন্তব্য কৰিছে—এনে সুৰত হাচাৰে পুনৰ ক'লে খাজা ওমৰ মালাচগাডৰ যুদ্ধৰ সময়ত আপুনি মালিক

খাহৰ বিষয়ে যি ভবিষ্যতবাণী কৰিছিল তাৰ পিচতে মালিকখাহে আপোনাৰ অনুসন্ধান কৰিবলৈ ধৰিছিল। তেতিয়াৰ পৰা আপোনাৰ সকলো কাম মই প্ৰশংসাৰ দৃষ্টিৰে চাই আহিছো। প্ৰথমতে এই আগ্ৰহ সাধাৰণ কৌতুহলতকৈ হয়তো বেছি নাছিল। কিন্তু তাৰ পিচতে আপোনাৰ নতুন কেলেণ্ডাৰৰ ঘোষণা শুনিলো। আপোনাৰ জ্ঞান গভ ৰচনাবোৰ পঢ়িলো। জ্যোতিবিদ্যা আৰু গণিতত আপোনাৰ গ্ৰন্থ সমূহ পঢ়িলো সাম্ৰাজ্যৰ বিপুল ক্ষমতা ালী পদবীলৈ আপোনাক উন্নতি কৰা দেখিলো। কিন্তু আপুনি উলেমাৰ ধমপতিসকলৰ পৰা উৎসাহ কোনো কালে পোৱা নাই – পাই ছনে ?

কিন্তু ওমৰৰ পৰা কোনো উত্তৰলৈ বাট নেচাই হাচানে পুনৰ সধিল মালাচ াডত ম লিকখাহৰ ৰাজ্য লাভ হ ব বুলি ভবিষ্যতবা ী সঠিককৈ আপুনি বে াকৈ কৰিছিল ?

ওমৰ সতৰ্ক হ ল। এই কথা ঠিব যে হাচানে অকাট্য যুক্তি দাঙি ধৰিছে। কিন্তু এই বু হলিকাময় ব্যক্তিৰ আগত সৰলতা বিপজ্জনব হ ব পাৰে। ও ৰ সেইদেখি লাহে ধীৰে উত্তৰ দিলে—

সেইটো প্ৰশ্নৰ উত্তৰ চিৰকাল অজ্ঞাত হৈয়ে থাকক।

আপোনাৰ যি ই ছা। কিন্তু ময়ো এটা ভবিষ্যদ্বাণী কৰি ছো আপোনাৰ এ াত। খাজা ওমৰ আপোনাৰ এই বহু পৰিশ্ৰমৰ অতুলনীয় কেলেণ্ডাৰ বেছিদি। প্ৰচলিত হৈ নেথাকিব। কাৰণ ক্ষেত্ৰ প্ৰস্তুত নকৰাকৈ আপুনি গুটি সিচিছে।

কি বিষাদময় ভবিষ্যদ্বাণী! ওমৰে হাহিলে।

মোৰ ব ণাৰ যথাৰ্থতা আপুনি নিজেই উপলধি কৰিব পাৰিব।

হাচানৰ তীব্ৰ চকুজুৰিৰ ফালে চাই ওমৰে অনুভৱ কৰিলে ভবিষ্যতৰ বাবে সেই বিষণ্ণ ইঙ্গিত। হাচানৰ কথাৰ যুক্তিযুক্ততা জকৰ আছে। তৰাঘৰৰ কেইজনমান সহকাৰী উস্তাদ আলি বাগ্দাদ নিজামিয়াৰ কেইজনমান গণিতজ্ঞৰ বাহিৰে অন্য কোনেও ওমৰৰ তাৰিখনামাৰ াণিতিব মূল্য সম্বন্ধে বিশেষভাৱে অৱগত নহয়। মালিক খাহো নহয়েই। নিজামো নহয়। পিচ মুহূৰ্ততে ওমৰৰ মনৰ ভাব কিন্তু সলনি হ ল। ল া সৃষ্টিৰ মূলতে থাকে শ্ৰমৰ অপচয়। কিন্তু সৃষ্টিৰ প্ৰচেষ্টা অব্যাহত থাকে। ওমৰৰ কথাত নিজৰ মনৰ ভাৱৰ প্ৰতিধ্বনি হ ল—

"কিন্তু সেইটো এটা জাগতিক নিয়ম।"

হ ব পাৰে। কিন্তু সেই নিয়মৰ বিৰুদ্ধাচৰণ কৰি মই নতুন জগত গঢ়িবলৈ ওলাইছো। খাজা ওমৰ—আপুনি হয়তো ভাবিছে হাচান কোন? হাচান এক অশান্ত আত্মা। এসময়ত ময়ো দৰ্শন বিজ্ঞানৰ ছাত্ৰ আছিলো। কিন্তু যিখন পৃথিবীত ৰজা-মন্ত্ৰী আৰু পুৰোহিতহতে মানুহৰ শৰীৰ আৰু আত্মা গদানত কৰি ৰাখে সেই পৃথিবীত জ্ঞান অৰ্জ্জন কৰি কি হ ব। মই প্ৰতিবাদ কৰিছিলো। প্ৰশ্ন কৰিছিলো। নিজে উপলব্ধি কৰা সত্য নিজৰ মুখৰে সাহসেৰে ব্যক্ত কৰিছিলো। বয়স মোৰ তেতিয়া অলপহে হৈছিল। কাইৰোত সশস্ত্ৰ প্ৰহৰীহঁতে মোৰ পিঠি তাৰ বাবে চাবুকেৰে ৰাওলী কৰিছিল। বজাৰত সকলোৱে দেখাকৈ থিয় কৰাই ধমপতিহঁতে মোৰ গাত থু পেলাবলৈ লগাই দিছিল। মোৰ চকু মোকল খাই গৈছিল। বুজিলো অকল সত্যৰ উপলব্ধিয়েই যথেষ্ট নহয়। সত্যক প্ৰতিষ্ঠা কৰিবলৈ শক্তি লাগে। তাৰ পিচত বহু দেশ ভ্ৰমিলো সন্ধান পালো ইস্মাইলীয় সকলৰ ওচৰত—যাক এই দেশত হফতান বা সপ্তম পন্থী বুলি জনা যায়।

জ্ঞান বৃক্ষৰ গুটি খাই কিন্তু মনটো তিক্ততাৰে ভৰি গ'ল। খাজা ওমৰ—আচলতে কোনো ঈশ্বৰ নাই। পৃথিবীৰ ধম এটাইবোৰ বৰ্ত্তমান বিগত যৌৱনা নাৰীৰ দৰে হৈ পৰিছে। জৰাগ্ৰস্তা আৰু বন্ধ্যা। আবেগ মোহ বদ অভ্যাস আৰু কুসংস্কাৰৰ দ ম। যীশুখ্ৰীষ্টৰ ধম বৰ্ত্তমান গীজ্জাত সংৰক্ষিত পীৰ ফকীৰ আৰু দেবদূত সকলৰ ধাতৱ কিছুমান মূৰ্ত্তি আৰু অৰ্থহীন ধমাচৰণত পৰিণত হৈছে। মানুহক সেইবোৰেৰে প্ৰৱঞ্চনা কৰি পৃথিবীতে জিয়ৎ নৰচনা কৰি সুখভোগ কৰিছে ৰাজৰাণী আৰু পুৰোহিতসকলে। চিহ্ন আৰু ধমৰ প্ৰতীকবোৰে মানুহতকৈ বহুগুণে বেছি প্ৰাধান্য লাভ কৰিছে। জড়বাদী পেগানহতৰ আদিম শিল আৰু গছপূজাৰ দিনতকৈ আমি বেলেগ একো হোৱা নাই। মক্কাৰ লৌহ কঠিন কৃষ্ণ প্ৰস্তৰ এক প্ৰতীকৰ বাহিৰে আজি কি? সেইবাবেই মই কও—ভাঙি পেলোৱা এই মন্দিৰ মচজিদ গীজ্জা। — এইবোৰৰ ধ্বজা বহন কৰি যিবিলাকে ৰজা হৈছে ধমপতি হৈছে সিহঁতো আমাৰ দৰে সাধাৰণ মানুহ— মিছাৰ কৃত্ৰিমতাৰে নিজক ঢাকি কুসংস্কাৰত ডুব গৈ থকা মানুহক সিহঁতে পৰাধীন কৰি ৰাখিছে। পচকি ধৰি আছে মানুহৰ শৰীৰ আৰু মন।

ওমৰে শুনি গৈছিল। তেন্তে এয়েই হাচান ইবন চাহাব। হাচানে

ৰব জৰুৰী কথা কোৱাৰ দৰে ওমৰৰ ফালে হাটলি আহি পুনৰ ক'লে, খাজা ওমৰ আমি ওফোঁৱাই গেলাৰ লাগিব এই ৰাজবংশ আৰু সিংহাসনবিলাক। শাসন কৰাৰ বিশেষ অধিকাৰ লৈ কোনো মানুহে জন্মলাভ কৰাটো জাগতিক নিয়ম নহয়। আপুনি নিজে মালিক ষাহতকৈ বহুবেছি জানী। কিন্তু আপুনি মালিকষাহৰ খেয়ালৰ ওপৰত নিজৰ ভাগ্যৰ চকৰি এৰি দিব লাগিব। মানুহৰ সমাজৰ পৰা এই দাসত্ব বন্ধন—সি শাৰীৰিকেই হওক বা মানসিকেই হওক— আমি চিৰদিনৰ বাবে নোহোৱা কৰিব লাগিব। এতিয়া ৰজাই যদি আমাৰ শৰীৰৰ ওপৰত প্ৰভুত্ব কৰিছে মোল্লা-মৌলবীবিলাকে প্ৰভুত্ব কৰিছে আমাৰ মনৰ ওপৰত। প্ৰশ্নহীন বিশ্বাসৰ যুগ এৰি মানুহে এতিয়া আগ বাঢ়িছে যুক্তিৰ পথত। একমাত্ৰ যুক্তিৰ পথেই হৈছে জীৱনৰ পথ। যুক্তিৰ পথ ধৰি আগুৱালেহে মানুহ এদিন পূৰ্ণ জ্ঞানৰ অধিকাৰী হ ব পাৰিব। আমাৰ এই নতুন মতবাদ এতিয়া অসংখ্য লো'কে গ্ৰহণ কৰিছে। কিন্তু আমাৰ কামৰ এয়া আৰম্ভণিহে। এতিয়াও সাধাৰণ পাচী তুৰ্কী আৰু আৰৰ মুছলমানে কোৰাণৰ বাহিৰে একো চিনি নেপায়।

হাচানৰ চিন্তাৰ অভিনৱত্ব আৰু জ্বলমলনি দেখি ওমৰে বিস্ময় মানিলে পৃথিবীৰ কোনো ঠাইত কোনো যুগতে এইদৰে এতিয়ালৈকে মানুহে ভৰা নাই। ওমৰে সুধিলে—

তুমি যি যুক্তিৰ পথ আৰু পূৰ্ণজ্ঞানৰ কথা কৈছা সাধাৰণ মানুহৰ বাবে সেইটো সম্ভৱ হ ব জানো ? —ইহতেতো কিবা স্বৰ্গৰ কথা কয়।

চিন্তা কৰিব মোৰ ডাইচবিলাকে। প্ৰণালীবদ্ধ ভাবে জগতৰ সকলো জ্ঞানৰ চৰ্চ্চা আমি কৰো। কিন্তু সাধাৰণ মানুহৰ বাবে সেইটো নহয়। সাধাৰণ মানুহৰ ব্যাপক সমৰ্থন নহ লে কেইজনমানে মহাজ্ঞানী হ লেও কোনো পৰিৱৰ্ত্তন আনিব নোৱাৰে। গতিকে সাধাৰণৰ মাজত মই প্ৰচাৰ কৰিছো মেহদীৰ উপকথা। এই অন্ধবিশ্বাস পাৰস্যত বহু আগৰে পৰা আছে।

আৰু তাৰ লগতে হাচীচ। ভাং। ওমৰ হাহিলে।

হাচানৰ দুই চকু এবাৰ ধককৈ জ্বলি উঠিল। কিন্তু শান্তস্বৰেই ক'লে —

শতাব্দীৰ পিচত শতাব্দী ধৰি ৰজা আৰু পুৰোহিতৰ গোলামী কৰাৰ পিচত দাসত্বৰ অনুভূতি বৰ দেৰি প্ৰোথিত হৈছে। তাৰ পৰা

ৰক্ষা পাবলৈ হ'লে উ মাদনা লাগে। খাজা চাহেব সেইটো কোনো নতুন কথাও নহয়। বহুতো ধমত ৰাগীয়াল পানীয় বিধি হিচাবে স্বীকৃত।

হাচান থিয় হ'ল। শ্বেতবসন পৰিহিত হাচানক তৈল প্ৰদীপৰ আলোকত সেই নিজান কক্ষত তেতিয়া কিবা এক অপাৰ্থিব অশৰীৰিৰ দৰে দেখা গৈছিল। ওমৰো থিয় হ'ল।

বহল খিৰিকীৰে তেতিয়া এজাক চেচা বতাহ সোমাই আহিছিল। ৰেচমৰ পদা ফিৰ ফিৰকৈ উৰিছিল। খিৰিকীৰ কাষলৈ গৈ ওমৰে দেখিলে বাহিৰত জোনাক জোনৰ ফালে এবাৰ দৃষ্টি দিয়েই ওমৰে বুজিলে ৰাতি দুপৰ।

খাজা ওমৰ এতিয়াৰৈকে বহুতো বিদ্বান লোকক মই এই ঘৰলৈ আহ্বান কৰি আনিছো। কিন্তু কাৰো আগত ইমান খিনি কথা মই কোৱা নাই।

হাচান ইবন চাহাব শ্বেখ অল জাবাল কোন?

ময়েই। মই বহু নামে জনাজাত। সাধাৰণ মানুহ আৰু মোৰ বিশ্বাসী যোদ্ধা শ্ৰেণী— ফিডাইচবিলাকৰ মাজত মই জীৱন আৰু মৃত্যুৰ গৰাকী বুলি জনাজাত। আমাৰ দুৰ্গবোৰ পবত ীষত নিমাণ কৰা হৈছে বাবে সিহতেই মোক শ্বেখ অল জাবাল বা পবতৰ শ্বেখ বলিও কয়।

ওমৰৰ মনটো কপি উঠিল। অহ সেই শ্বেখ অল—জাবাল— শ্বাহ দিজ পবতৰ যাদুকৰ। এক মহ ৰ্ত্তৰ বাবে ওমৰৰ মনৰ স মুখলৈ ভাহি আহিল ৰেজা খানৰ বিবি নাজমা আৰু হাচিনাৰ মুখবোৰ। কিমান বছৰৰ আগৰ কথা।

ওমৰৰ মনটো কঠুৰা হৈ পৰিল। কিন্তু মুখত কোনো ভাবেই প্ৰকাশ নকৰিলে।

তুমি ডাইচ বিলাকৰ কথা ক'লা। ফিডাইচ বোৰৰ কথাও শুনি লো আৰু?

সাধাৰণ মানুহবোৰেৰে এটা শ্ৰেণী। তাৰোপৰি লাচিক আৰু ৰফিক নামৰ আৰু দুটা শ্ৰেণী আছে। এওঁলোকৰ বাবে মই মেহদীৰ অগ্ৰদূত। একমাত্ৰ ডাইচ শ্ৰে ীয়ে জানে যে মই হাচান-ইবন চাবাহ।

পাচ বিধৰ নাম জানিলো। আৰু?

আৰু কি ?

বাকী দুই শ্ৰেণী। তোমালোৱ হাফতান বা সপ্তমপন্থী নামে অনোজাত। নিচয় সাত শ্ৰেণী হব।

হাচান হাঁহিলে।

আৰিফ নামে আৰু একশ্ৰেণী আছে। তেওঁলোক অনেক অলৌকিক ক্ৰিয়া-কলাপত নিপুণ। তাৰ পিচত মই —।

অলৌকিক কাম্য – মানে ভোজবাজী। স্বাহ দিজৰ পৰত যীষত কি ভোজবাজী চলিছে সেইটো ওমৰে অনুমান কৰিলে। অলপপৰ তৰক লাগি থাকি ওমৰে কলে—

চাবাহৰ পত্ৰ হাচান এতিয়া মোৰ কোৱা তোমাৰ উদ্দেশ্য কি। মানি লো বাৰু চলতান মালিকশাহ এজন ৰক্ত মাংসৰ মানহতকে কলে। নহয়। কিন্তু তেওঁক গুচাই তেওঁৰ ঠাইত কাক পাতিবা ? যিজনৰ পাতিবা তেওঁ কি কৰিব ?

গঢ়িবলৈ হলে প্ৰথমতে ভাঙিলৰ লাগিব খাজা। এই ৰাজতন্ত্ৰ আৰু ধমৰ কুশাসন আতৰাই আমি জ্ঞান আৰু যুক্তিৰ শাসন প্ৰবৰ্ত্তন কৰিব লাগিব। প্লেটাৰ লিখনিত তাৰ ইঙ্গিত পাব। সেই নতুন শাসনত কুসংস্কাৰ আৰু অজ্ঞানতাৰ কোনো স্থান নেথাকিব। দেশৰ মেধাবী প্ৰতিভাধৰ লোকসকলে মানৱ জাতিৰ পথ নিৰ্দ্দেশ কৰিব।

কিহৰ বলেৰে এটা বুসংস্কাৰৰ সলনি অন্য এটা কুসংস্কাৰৰ আমদানি কৰিব ?

অসহিষ্ণু কণ্ঠৰ হাচানে কলে

কিন্তু কি উপায় আছে ? তাৰ বাহিৰ ? সাধাৰণ মানহক সিহতে বুজি পোৱা ভাষাতেই কব লাগিব। দোজখৰ ভয় আৰু বেহেস্তৰ আকৰ্ষণৰ ওপৰতে সাধাৰণ মানহৰ জীৱন আৱৰ্ত্তিত হৈ থকা নাই জানো ? উদ্দশ্যইতো আচল কথা।

ওমৰৰ চকুৱে চকুৱে চাই এইবাৰ হাচানে সধিলে— খাজা ওমৰ মালিক শাহৰ প্ৰিয় পাত্ৰ যিমান দিন হৈ থাকিব সিমান দিনলৈকে এই মোল্লা মৌলবীহত নিমাত থাকিব। তাৰ পিচত ? চেলজুৰ তুৰ্ক সাম্ৰাজ্যত আপোনাৰ দৰে প্ৰতিভাৰ কদৰ বুজা মানুহ নাই। মোৰ লগ লাগক— ততিয়া আপোনাৰ প্ৰতিভাৰে পৃথিবীখন চহকী কৰি যাব পাৰিব। আপোনাক জেৰুজালেমত লগ পোৱাৰ

পিচৰ পৰা মই বহুত উন্নতি কৰিলো— আপুনি কিন্তু একে ঠাইতে থাকিল— যদি আমি দুয়ো একেলগ হওঁ আমি পৃথিবী শাসন কৰিব পাৰিম।

ক্ষণেকৰ বাবে ওমৰৰ মনত চমক লাগিল সেই প্ৰস্তাৱ শুনি। অসাধাৰণ প্ৰস্তাৱ! তাৰ পিচত লাহে লাহে ক'লে— তুমি বৰ বেছি উজ্জ্বল হাচান। তোমাৰ ওচৰত থিৰ হৈ কোনো সিদ্ধান্ত কৰা সম্ভৱ নহয়। মই কিছুদিন সময় লম।'

নিশ্চয়। কিন্তু আৰু কথা নেলাগে। খাজা ওমৰ এতিয়া বিশ্ৰামৰ সময়। আহক।

ঊনচল্লিশ

পিচদিনা ওমৰ সাৰ পাওতে দুপৰীয়া হওঁ হওঁ। বিচনাত উঠি বহি চাৰিওফালে এবাৰ চকু ফুৰাই তেওঁৰ প্ৰথম ধাৰণা হ'ল যে ঘৰখন অস্বাভাবিক ভাবে নীৰৱ। দুৱাৰ খুলি বাহিৰৰ বাৰান্দালৈ ওলাই আহি ওপৰ মহলাৰ এটাইবোৰ ঘৰ চালে। সেই বিৰাট প্ৰস্থাগাৰৰ চিন-মোকাম নাই। ওমৰৰ সপোন যেন লাগিল। ঘৰটো দুমহলীয়া সাধাৰণ দালান ঘৰ।

ওপৰত কাকো নেপাই তেওঁ তলৰ মহলালৈ নামি আহিল। তাতো কেৱল শন্যতাই বিৰাজ কৰিছে। ঘৰৰ ভিতৰত কোনো আচবাব-পত্ৰ দুৱাৰ খিৰিকীৰ পদা একোৱেই নাই। মাত্ৰ বাহিৰৰ প্ৰধান দুৱাৰৰ কাষত ফটা চিটা কাপোৰ পিন্ধা বুঢ়া এটা বহি টোপনিয়াই আছিল। ওমৰে প্ৰথমে আচৰিত বোধ কৰিছিল। কিন্তু এতিয়া বুজিলে যে হাচানে এক ভোজবাজীৰ খেল দেখুৱালে।

ইমান টোপনি কেনেকৈ আহিল তেওঁৰ?

কিবা এটা সন্দেহ কৰি ওমৰ পুনৰ উঠি গৈ তেওঁ শোৱা কোঠা পালেগৈ। এখন চাপৰ মেজত এটা আফতাবাৰ তলিত কিছু পানীয় বাকী আছিল। পৰীক্ষা কৰি চাই দেখিলে যে নাই সি স্বাভাবিক। তাৰ মানে অন্য কিবা উপায়েৰে নিদ্ৰাৰ ঔষধ সেবন কৰোৱা হৈছিল তেওঁক।

ওমৰে মিচিকিয়াই হাহিলে। ঘৰটোত সুদৃশ্য বৈঠক খানাত বহি প্ৰথমেই তেওঁৰ ধাৰণা হৈছিল যে এই সাজসজ্জাবোৰ নিখুঁত হ'লেও অস্থায়ী।

ওমৰে পুনৰ পোছাক পৰিধান কৰিলে। তাৰ পিচত ঘৰ খোজেৰে তললৈ নামি আহি সেই বুঢ়াটোৰ ওচৰত থিয় হৈ মাতিলে। সি চমমক খাই সাৰ পাই ওমৰৰ ফালে চালে।

ইয়াৰ মানুহবোৰ কলৈ গ'ল? ওমৰে সুধিলে। ঘোলাপৰা চকুৰে ওমৰৰ ফালে চাই থাকি সি মুখেৰে এক বিকৃত শব্দ কৰিলে আৰু হাতেৰে দেখুৱাই কিবা বুজাবলৈ যত্ন কৰিলে। ওমৰে বুজিলে যে সি বোবা।

নিখুঁত। কোনো কামতে ত্রুটি নাই হাচানৰ।

বোৱাটোৱে এইবাৰ হাতেৰে ইঙ্গিত কৰি ওমৰৰ নিজৰ পিচে পিচে যাবলৈ কলে। ওমৰ গল—কেইখোজমান যোৱাৰ পিচতে ওমৰে দেখিলে আস্তাবলত ওমৰৰ ঘোৰা বন্ধা আছে। দানা পানী সুন্দৰকৈ খুৱাই অশ্বৰাজক তুষ্ট কৰি থৈছে। পিঠিত জিন বন্ধা আছে। তাৰ পেটী দালত ওজি থোৱা সৰু এটকুৰা চিঠি

আপোনাৰ নিদ্রাৰ ব্যাঘাত নকৰিলো। গোস্তাকি মাজ্জনা কৰ যেন।

চিঠিত কাৰো চহী নাই। ওমৰে কালক্ষয় নকৰি ঘোৰাৰ পিঠিত উঠি চেকুৰ মেলিলে। অলপ দূৰ আহি উভটি চাই দেখিলে সেইটো এটা পৰিত্যক্ত দালান ঘৰ। পৰণা ধৰণৰ। কিছুমান আওপুৰণি গছিয়া ডিমৰু গছেৰে আওৰা। ওচৰত এখন গাওঁ। গাওখনৰ মাজত নোসোমোৱাকৈ বাহিৰে বাহিৰে ঘোৰা চলাই গুছি আহিল ওমৰ।

পিচৰ দুটাহত ওমৰ খায়াম এদিনো বাহিৰ নহল। মহাৰ পৰা। মধৰ সষম ছন্দত চলি থাকে জীৱন। নিজাম উল মুলুকৰ তেতিয়া বেলগৰত। তাতিকে সৰহভাগ বিষয়াও শিচাপৰৰ বাহিৰত। ওমৰৰ বৈঠকখানত কৰ বেছি ভিৰ নাই।

সাৰক্ষৰি সঙ্গিনী এতিয়া চিৰিণ। নাৰীৰ সহজাত আতৰ শক্তিৰ তাই জানে এই অন্তত খেয়ালী মানুহজনক কেতিয়া সঙ্গ দিব লাগে। কেতিয়া অকলে থাকিবলৈ এৰি দিব লাগে। কিন্তু ওমৰক তাই বজি নেপায়। একবাৰেই নেপায়। চৰুৰা টকুৰি কাজত ওমৰ মাজে মাজে ৰুবাই লিখে। ওমৰৰ পৰিষ্কাৰ আখৰৰ চাৰি ফাকি এবে লণ দেখিলেই তাই জুকিয়াই থৈ দিয়ে। এইদৰে গোটাওঁতে বহুত হলণ। ওমৰ যতে লিখে তাতে এৰি যায়। তাইৰ এই আগ্রহ দেখি ওমৰে হাহে।

কি হব এইবোৰ গোটাই? তই তা পঢ়িব নেজান।

যি বাৰে জানে সিহতে দেখিলে কিমান আনন্দ পাব। —তাই নিৰিকাৰ ভাবে উত্তৰ দিয়ে। কিছুমান মুখ মুখেই ৰচি গায় তেওঁ।

হাচান তৎক্ষনাৎ কাগজ কলম যতনাই দিয়ে। পিচত হলেও মাত পেলাই দি লিখাই লয়। সেইদিনা জোনাকত চাদৰ ওপৰত গোৱা দুটা কৱায়ো লিখাই ললে তাই। ওমৰে ভ্ৰু কুঞ্চিত কৰি তাইৰ এই অদ্ভুত নিচা দেখি চিন্তা কৰে কেতিয়াবা। খুশাইৰাত অ কবাৰ কবিতা আবৃত্তি কৰিছে তেওঁ। নিজৰ কৱাই কেতিয়াবা অন্য কবিসকলৰ কবিতাও। বহুবাৰ বাহ বাহ ধ্বনি উঠে শ্রোতাসকলৰ মাজৰ পৰা। কিন্তু সেই বাৰ সংৰক্ষণ কৰাৰ কথা কোনোদিনে ভবা নাই। কবি বুলি নিজক নেভাবেও ওমৰ খায়ামে। হেৰোৱা কৱাইবোৰৰ বাবে ওমৰৰ মাত কোনো আপচোচ নাই।

এতিয়া চিৰিণৰ এই কবিতাৰ নিচা দেখি ওমৰে বৰ কৌতুক বোধ কৰে। নিজেও লিখাৰ পিচত তাইৰ কাৰণে জাৰি থৈ দিয়ে। তাই পঢ়িও শুনায়।

এই কেইদিনা বহুবাৰ হাচান ইবন চাবাহৰ কথা ভাবিছে ওমৰে।

হাচানে এক সম্পূর্ণ নতুন ধৰণৰ সমাজ নিমাণ কৰিবলৈ পৰিকল্পনা কৰিছে। সেয়ে কেৱল যুক্তি আৰু বিজ্ঞানে সমাজৰ গতিপথ নিয়ন্ত্ৰণ কৰিব। সেইটো সম্ভৱ হলহেতেন যদি সংসাৰৰ এটাইবোৰ লোকেই শিক্ষিত আৰু মেধাবী হলহেতেন।

কিন্তু সেইটো নাহাণিও নহয়। খোদাৰ এই বিশাল পৃথিবীত অজ্ঞ আৰু অশিক্ষিত লোকৰ সংখ্যাই বেছি। সেই কাৰণেইতো সংসাৰ ইমান বিচিত্রতাৰ ভ�ৰা। প্লেটাৰ ৰাজনৈতিক দৰ্শনত যি ৰাজাৰ কথা লিখিছে সেইখন অতি প্রিয় বিৰক্তিকৰ ঠাই হব। কিছুমান বৈজ্ঞানিক গোট খাই মানুহৰ মঙ্গলৰ কথা চিন্তা কৰি দিনে ৰাতিয়ে আলোচনা কৰি থাকিব।

তদুপৰি হাচানৰ নিজৰ সম্বন্ধে ধাৰণা অতি উচ্চ। হাচানৰ মতেই হব চণ্ডাল্ত। নিভুল। মালিকশাহ চুলতানে আলপ আৰ্চলানৰ পুত্র অন্য মানুহৰ দৰে দোষে গুণে ভৰা এজন মানুহ। হাচান কিন্তু ঈশ্বৰ। সযত্নে নিৰাচিত কিছু সংখ্যক সহচৰৰ বাহিৰে বাকী সকলোৰে কাৰণে হাচান হৈ থাকিব পাশ্ববিক শক্তিৰ প্রতিভূ। মেলোকে ৰাহ দিজ পৰ্বতৰ শ্বেখ অল জাবাল কামৰীয়া সকলো মানুহৰ বাবে এক যাদুকৰ। হাচান ভুল ত্রুটিৰ উদ্ধত থাকিব। এই যে আত্মস্তুতি ইয়াৰ পৰিণাম কেতিয়াও ভাল হব নোৱাৰে।

তদুপৰি অন্য এটা দিশ আছে। ধৰি লোৱা যাওক যে হাচানে নিজৰ জীৱনকালত ন্যায় আৰু যুক্তিৰ অনুপ্ৰেৰণাৰে শাসন চলাই জনগণৰ বহু হিত কাৰ্য্য সাধন কৰিলেই। কিন্তু হাচানৰ শক্তিও ক্ষয় হ'ব। হাচানো কালৰ সোতত এদিন দুৰ্বল হ'ব। এদিন মৃত্যুয়ে তেওঁকো সামৰি ল'ব। হাচানৰ উত্তৰাধিকাৰীজন তেওঁৰ দৰেই যে প্ৰতিভাশালী হ'ব তাৰ কোনো নিশ্চয়তা নাই। তেতিয়া জ্ঞান বিজ্ঞানৰ সোণৰ সপোন অজ্ঞানতাৰ তিমিৰত নিমগ্ন হ'ব। হয়তো মোল্লা মৌলবীৰ সলনি নতুন এবিধ মানুহে একেই উদ্দেশ্যেৰে নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিব। আৰু কেবাটাও শতিকাৰ ভিতৰতো হাচানৰ চিন্তাধাৰা গ্ৰহণ কৰিব পৰা যোগ্যতা নহ'ব সাধাৰণ মানুহৰ। ইতিহাসৰ সোত নিজস্ব গতিতহে চলে।

তথাপি হাচান এক প্ৰতিভা। দুবাৰ শক্তিৰ অধিকাৰী। ক'ৰবাত হাচানে নিজৰ স্বাক্ষৰ ৰাখি থৈ যাবই। হাচানে অৱলম্বন কৰিছে চাতুৰি। চাতুৰিৰে কোনো মহৎ কাম সম্পন্ন নহয়। এই হাচীচ আৰু হত্যা আৰু স্বৰ্গৰ প্ৰলোভনে হাচানক কিমান দূৰ কিমান দিনলৈ নিব?

নাই ওমৰে হাচানৰ লগ নেলাগে। দুয়োৰে পথ বেলেগ বেলেগ। মালিক স্বাহ মালিক স্বাহ হৈয়ে থাকক। নিজাম নিজাম। সময়তকৈ বহু আগতে আহিছে হাচান জগতলৈ। গতিকে সংঘৰ্ষ অনিবাৰ্য্য। গণিতৰ ছাত্ৰ ওমৰে তাত লিপ্ত হোৱাৰ কোনো হেতু নাই।

অৱশ্যে এটা কথা ঠিক যে হাচানৰ ডাইচবিলাকৰ মাজত ওমৰৰ নতুন তত্ত্ব সমাদৃত হ'লহেতেন। উলেমাৰ ষড়চক্ষুৰ সম্মুখ নোহোৱাকৈ ওমৰে ক'ব পাৰিলহেতেন যে এই পৃথিৱী স্থিৰ হৈ থকা নাই। ঘূৰি আছে সূৰ্য্যৰ চাৰিওফালে।

তথাপি হাচানৰ দৰে মানুহৰ তলত কাম নকৰে ওমৰে। যি পথেৰে যুগ যুগ ধৰি মানৱ সভ্যতা আগ বাঢ়ে— কেতিয়াবা বগুৱা বাই কেতিয়াবা প্ৰচণ্ড বেগেৰে— সেই পথেই ওমৰৰো পথ। জীৱনৰ স্বাভাৱিক পথেই শ্ৰেষ্ঠ পথ।

ইতিহাসৰ খৰস্ৰোতত যদি হেৰাই যাব লাগে সিও ভাল। কিন্তু হাচানৰ পথেৰে নহয়। হত্যা আৰু ছলনা আৰু ঐশ্বৰিকতাৰ অভিনয়েৰে নহয়। ওমৰৰ মনত পৰিল এফাকি কবিতা—। কোনে লিখিছিল?

খাৰুক গুয়াজ খুদা-ই ৰা মন্ অন্দৰ ঘাদৰ আয়াম।
পদ্দা ৰৰ দাস্তা মা পচন্দ নি খুদ নঙ্গি এ-খুদাই॥

— মানুহে কয় তুমি হেনো ঈশ্বৰ। মই তেতিয়া জ্ঞানধন্য অধীৰ হৈ পৰো। ঐশ্বৰিকতাৰে লজ্জা কিয় সহ্য কৰিছা? ৰহস্যৰ আৱৰণ যহাই স্পষ্ট দিৱালোকত থিয় হোৱা।

নাই, কোনো আপচোচ নাই। যি পথেৰে পৰভেজ ভাই গ'ল আবু তাহেৰ চাহেৰ গ'ল চাকি গ'ল সেই পথেৰেই ওহি যাব ওমৰ। স্মৃতিৰ ধুলি লাগি থাকিব সময়ৰ মুখত কিছু দিনলৈ। তাৰ পিচত নিমম উদাসীন দীৰ্ঘাধিকালৰ পৃথিবীৰ বুকুত সকলো লীন হৈ যাব।

সেই ৰাতি আকাশৰ তৰালৈ আঙুলিয়াই ওমৰে চিৰিণক কৈছিল জাননে চিৰিণ সৌযে ৰাশি ৰাশি তৰাবোৰ একে ঠাইতে আমি নেদেখো তাৰ কাৰণ কি?

ওঁহা! তৰাবোৰতো চলি চলি গৈ থাকে।

নেথাকে তৰাবোৰ একে ঠাইতে বৈ থাকে। ঘূৰি আছে আমাৰ পৃথিবীখন।"

ওমৰে ভালদৰে বুজাই দিলে তাইক। তাই কিমান বুজিলে জনা নগল। কিন্তু তাই বিশ্বাস কৰিলে।

নিশ্চয় তেনেকুৱাই হব। আপোনাৰ হিচাব ভুল হব নোৱাৰে। তাই সহজ কিন্তু দৃঢ় ভাৱে ক'লে।

ওমৰ হতাশ হল। বিশ্বাস কৰা আৰু বুজি পোৱাৰ মাজত বহুত পাথক্য। যেহেতু ওমৰে কৈছে সেইকাৰণে তাৰ অন্যথা একো হব নোৱাৰে। সেই বিশ্বাসে প্ৰাণলৈ মধুৰ উত্তাপ আনে। কিন্তু চিন্তাৰ নিঃসঙ্গতা দূৰ কৰিব নোৱাৰে।

চিৰিণ তই এজনী অতি ভাল লগা যুবক ছোৱালী!

চিৰিণে খিল খিলাই হাহিলে।

খাজা মই যদি যুবক, তেন্তে মোক ভাল লাগিব কিয়?"

সেইটো বুজালেও তই নুবুজিবি। তই ইমান বেছি যুবক। ওমৰে তাইক সাবটি ধৰি চুমা খালে। সেই চুমাৰ প্ৰত্যুত্তৰ আহিল চিৰিণৰ আকুল চুমাৰে। ভাইৰ উন্নত বক্ষৰ উষ্ণ কোমল পৰশ লাগিল ওমৰৰ গাত।

সেই মাদকতাত জীৱন্ত হৈ উঠিল ভাল লগা যুবক চিৰিণ।

ৰে নগৰ নিজামৰ বিস্তীণ দপ্তৰখানা। লোক সমাজত এই বিশাল ভৱন দাৰ এল কতাব নামে প্ৰসিদ্ধ।

সেই দাৰ-এল কতাবৰ বৈঠকখানাত বহি নিজাম উল মুল্ককো সুধিছিল ওমৰে একে কথাই। সয্যৰ চাৰিওফালে পৃথিবীৰ বাৰিক প্ৰদক্ষিণ আৰু এক সযোদয়ৰ পৰা অন্য এক সূযোদয়ৰ ভিতৰত পৃথিবীয়ে নিজে স্বস্থানত এবাৰ আৱৰ্ত্তন কৰাৰ গবেষণা লব্ধ তথ্যই ওমৰক স্বপ্নগ্ৰস্ত মানুহৰ দৰে আচ্ছন্ন কৰি ৰাখিছিল।

আই পাদৰ হে পিতৃ আপুনি নিজেই অসামান্য পণ্ডিত। মোৰ এই কথাখিনি নিশ্চয় আপুনি বুজিব।

ওমৰে ব্যাখ্যা কৰি বুজাই দিয়াৰ পিচত হাতৰ কৰম থৈ বৃদ্ধ নিজামে ওমৰৰ ফালে চাই থাকিল।

প্ৰথমতে আচৰিত হৈছিল নিজাম। তাৰ পিচত লাহ লাহ ওমৰৰ প্ৰপাদ্য বিষয় যেতিয়া তেওঁৰ মাত পৰিষ্কাৰ হৈ দেখা দিল তেতিয়া শান্তভাৱে আৰু দুটামান প্ৰশ্ন কৰিলে। ওমৰ ধীৰভাৱে তাৰো উত্তৰ দিলে।

নিজামে লাহে লাহে মূৰ দুপিয়ালে। কোনো কথাতেই মাত্ৰাধিক অনুভূতি পদৰ্শন কৰা নিজামৰ স্বভাৱৰ বাহিৰ।

তাৰ পিচত কলে ওমৰ তোমাৰ আৱিষ্কাৰ যথাথ বুলি ধাৰণা হৈছে। জ্যোতিবিদ্যাৰ ইতিহাসত ইয়াকৈ ডাঙৰ তথ্য কাহানিও আৱিষ্কাৰ হোৱা নাই। নি সন্দেহে তুমি এই যুগৰ সৰ্বশ্ৰেষ্ঠ জ্যোতিবিদ।

তেনেহলে এই কথা জ্যোতিবিদ্যাৰ জগতত এতিয়া প্ৰচাৰ কৰিব পাৰো। ওমৰে উজ্জ্বল মুখেৰে কলে।

বৃদ্ধ নিজাম হাত এখন তুলি ওমৰৰ উচ্চাস দমন কৰিলে। "তোৱাৰ ওমৰ সেইটো হব আত্মহত্যাৰ পথ। ইতিমধ্যে তৰাঘৰৰ বিৰুদ্ধে নানা ধৰণৰ কুৎসা ৰটনা কৰা হৈছে। উলেমাৰ ইমামসকলে এইবাৰ তোমাক ক্ষমা নকৰিব। আনহাত চুলতানো নিজেও তোমাৰ এই জটিল বৈজ্ঞানিক সূত্ৰ কোনোদিনে নবুজিব। তাৰ বাবে তেওঁক দোষো দিব নোৱাৰি।"

তেনেহলে এই আৱিষ্কাৰ কাৰ কামত আহিব? ওমৰৰ মাতত সান্ত্বনা নাই! অপকাৰৰ বদনাতকৈ তীব্ৰ বেদনা নাই।

যি বিলাকে তাৰ মূল্য বুজিব একমাত্ৰ সেইবিলাকৰ কামত

আহিব। সাধাৰণৰ মাজত প্ৰচাৰ কৰিলে বিপদ নিশ্চিত। তুমি বৰ্ত্তমান সেইকথা সযত্নে গোপন কৰি থৈ দিয়া। তাৰ প্ৰকাশৰ পূৰে প্ৰস্তুত কৰি লব লাগিব উপযুক্ত সময়। তেতিয়া মই তোমাক কম।

ওমৰ আশ্বস্ত হল।

তেন্তে সেয়েই হওক। আল্লা হজৰত এতিয়া মোক কওক কি কাৰণে দাৰ এল কতাবলৈ মোক আপুনি আহশা কৰিছিল।

কোনো পাতনি নেমেলাকৈ নিজামে হাচিচ আচিন সংবাদ আৰম্ভ কৰিলে। ৰাজ্যত সম্প্ৰতি চলি থকা ত্ৰাসৰ কথা উল্লেখ কৰি কলে তোমাৰ অনুমান আৰু এটা কথাত সঠিক বুলি জানিব পৰা গৈছে। বজাৰত নতুনকৈ যি তেল ওলাইছে সেই তেল খনিজ। ৰবি দবিস্কাৰ মাজত কোনো এক দ্বীপত সেই খনিজ তেলৰ উৎস আছে। কোনো এক বিশেষ পদ্ধতিৰে সেই তেল ব্যৱহাৰৰ উপযোগী কৰি তোলা হয়। সেই দ্বীপবোৰ ইজিপ্তৰ দখলত। কিন্তু ভো। কৰি আছে হফতান বিলাকে। মই সেই তেলৰ আমদানি বন্ধ কৰিবলৈ হুকুম দিছো। তাৰে হাচানক চহকী কৰা হৈছে মাত্ৰ।

ওমৰে হাচান ইবন চাবাহৰ প্ৰভূত অথাগমৰ এটা উপায় জানিলে। চেলজুক সাম্ৰাজ্যলৈ সেই তেলৰ আমদানি বন্ধ কৰিলেও অন্য দেশলৈ তানি অব্যাহত থাকিব। কিন্তু ইজিপ্ত? ইজিপ্তৰ ইমান সুদৃঢ় কিয় হাচানৰ ওপৰত?

ওমৰৰ মনৰ ভাৱৰ প্ৰতিধ্বনি কৰিয়েই যেন নিজামে কলে মোৰ এটা বিষয় নিশ্চিত ধাৰণা হৈছে। এই হাচান ইবন চাবাহ অকল ধৰ্মদ্রোহী মুলাহিদেই নহয় ই বিদেশী শক্তিৰ সৈতে সংযোগ ৰাখি কাম কৰিছে। ই মূলতে পাৰস্যৰ মানুহো নহয়। ইয়াৰ জন্ম মিছৰত। মিছৰৰ ইস্মাইলীয়াবোৰৰ লগত ইয়াৰ যোগাযোগ আছে। মেহদীৰ প্ৰাচীন লোকবিশ্বাস প্ৰচাৰ কৰাৰ আৰত ইয়াৰ গুৰুতৰ ৰাজনৈতিক উদ্দেশ্য আছে। ইহতক এতিয়াই নিমূল কৰা দৰকাৰ।

নিজামৰ মাতত কঠিনতাৰ ইঙ্গিত।

এখন পকাবন্ধা ৰঙা বহীত আঙুলিৰে টকুৰিয়াই নিজামে কলে—

ইয়াত মই হাচিচ আচিন বিলাকৰ বিষয়ে সকলো তথ্য সংগ্ৰহ কৰি লিপিবদ্ধ কৰি ৰাখিছো। তুমি এই পৃষ্ঠা কেইটা পঢ়া। তাৰ

পাচত তোমাৰ লগত আলোচনা কৰিম। তুমি পছা মানে মই আচৰৰ নামাজ শেষ কৰি লওঁ।

ওমৰে আপলৈ হাউলি হাত পাতি বহীখন ললে। নিজাম এখন পদ্দা ঠেলি ভিতৰ সোমাল।

নিজামে লিখিছে এই মুলাহিদ বা ধর্মদ্রোহীহঁতে লোক সমাজত প্রচাৰ কৰিছে যে মেহদী নামে এজন সপ্তম নবী আহিব আৰু ইছলামৰ সমস্ত আইন আদালত নাকচ কৰিব আৰু ইছলামীয় ৰাষ্ট্রবোৰ ধ্বংস কৰিব। তাৰ পিচত জগতত সপ্তম আৰু শেষ ধমমত প্রতিষ্ঠা কৰি সুখৰ ৰাজ্য স্থাপন কৰিব। জীৱন-মৃত্যুৰ গৰাকী বুলি নিজকে জাহিৰ কৰা কোনো এক চয়তানৰ সহচৰক সিহতে ফিৰিস্তা বলি গণ্য কৰে। এই মুলাহিদ বিলাকে নানা ধৰণৰ তন্ত্র মন্ত্র আৰু ধমীয় ক্রিয়া কাণ্ডৰ অনুষ্ঠান পাতি সাধাৰণ মানুহক বিপথে পৰিচালিত কৰিবলৈ যত্ন কৰে। ইহতে সাধাৰণতে বগা ৰাপোৰ পৰিধান কৰে ।

ইহতৰ প্রধান অস্ত্র হৈছে ও তহত্যাৰ ভয় আৰু স্বর্গৰ প্রলোভন দেখুৱাই নিজৰ উদ্দেশ্য পূর্ণ কৰা। এতিয়ালৈকে ইহতৰ মহাপাপী ঘাতকহতৰ গুপ্ত আক্রমণৰ ফলত বহু নিৰ্দ্দোষী লোকে প্রাণ হেৰুৱাইছে। বহুতো নিখোজ হৈছে। সেই উপায়েৰে সিহতে অথ সংগ্রহ কৰে। ইহতৰ প্রতিপত্তি ইমান বেছি হৈছে যে মহামান্য চুলতানৰ সাম্রাজ্যৰ বহু অঞ্চলত ইহতে সিয়মীয়াকৈ কৰ-কাটল আদায় কৰিবলৈ সক্ষম হৈছে। দেশৰ প্রধান প্রধান নগৰ বিলাকত জনবহুল ঠাইবোৰতে ইহতে দৰৱেশ সদাগৰ দোকানদাৰ ভিক্ষাৰী আদি নানা ভেশত ঘৰি ফুৰে আৰু গোপন আড্ডা পাতি তোলে। ইহতে সদাগৰী কাৰাভান সচল কৰি ৰাখি দেশৰ বিভিন্ন অংশৰ পৰা অথসংগ্রহ কৰিছে ।

ইহতৰ ধমমত বুলিবলৈ একো নাই—কিছুমান নাপাক বা অপবিত্র বিধি ব্যৱস্থাৰে ইহতে বুদ্ধিহীন মানুহক চয়তানৰ পথলৈ টানি লৈ যায়। আমাৰ হজৰত মহম্মদ (দঃ) প্রভুৰে আল্লাহৰ বাণী প্রচাৰ কৰাৰ সময়ত মক্কা শ্বৰীফৰ পৰা ঘিবিলাক দুষ্ট দেৱমূর্ত্তি অপসাৰণ কৰাইছিল সেইবিলাকৰ কিছু সংখ্যক সিহঁতে নিজৰ চয়তানী ধমানুষ্ঠানৰ বিভিন্ন সময়ত গোপনে প্রতিষ্ঠা কৰি পূজা কৰে

আমাৰ আল্লাহৰ ৰচুলে শিকোৱা ধমত কোনো মাদক দ্রব্যৰ

স্থান নাই— কিন্তু এই মুলাহিদবিলাকে উকেত নিচামুক্ত হাচিচ নামৰ এবিধ দ্রব্য সেৱন কৰি অজ্ঞোন্মাদ হৈ যায়। সুৰাৰ লগত এই দ্রব্য সেৱন কৰাই অপ্রকৃতিষ্ঠ কৰি এই মুৰ্খ অজ্ঞানীবোৰৰ দ্বাৰা হাচান নামৰ এই দুৰ্দ্দান্ত মানুহটোৱে অনেক কুকম সমাধা কৰে।

হাচানৰ বিভিন্ন ঠাইত বিভিন্ন নাম। ইয়াক শ্বেখ আল জাবাল বা পৰতৰ পৰাকী বুলিও জনা যায়। স্বাহ দিজ আলাহ মুট আৰু আনকি নিচাপুৰৰ তেৱেই কাষৰীয়া পৰতশ্রেণীৰ কোনো কোনো ঠাইত ইহঁতে দুৰ্গ নিমাণ কৰি সামৰিক শক্তি গ্রহণ কৰিছে।

এতিয়ালৈকে ইহতৰ বিষয়ে সংগৃহীত তথ্যবিলাকৰ ভিতৰত এটা অতি চমকপ্রদ বৰ্ণনা পোৱা গৈছে। এই মুলাহিদবিলাকৰ শ্রেণীবিলাকৰ মাজত এটা আছে যাক সিহতে ফিডাই বুলি কয়। সাধাৰণতে এই শ্রেণীটো সশস্ত্র আৰু সামৰিক শিক্ষাপ্রাপ্ত। এই বিলাকৰ বয়সো কম। সকলো হত্যাকাণ্ড আৰু হিংসাকাৰ্য্য ইহতৰ দ্বাৰা কৰোৱা হয়।

জনা গৈছে যে ইহতৰ দুৰ্গবিলাকৰ ভিতৰতে কোনো নিভৃত স্থানত ইহতে নকল বেহেস্ত নিমাণ কৰিছে।

—ওমৰৰ আগ্রহ দ্বিগুণ হল। এই স্বগৰ কথাৰ বিষয়ে তেওঁ একো অনুমান কৰিব পৰা নাছিল। নিজামে পিচত লিখা কথাবিলাক তেওঁ পঢ়িবলৈ আৰম্ভ কৰিলে।

এই নকল বেহেস্ত বৰ যত্ন কৰি নিমাণ কৰা হয়। প্রাচীন কালত ছাদ্দাদ নামে এজন মহা অহঙ্কাৰী ৰজাই নিজকে মহান সবশক্তিমান আল্লাহৰ সমতুল্য বুলি ঘোষণা কৰি এখন নকল বহেস্ত নিমাণ কৰিবলৈ চেষ্টা কৰা বুলি পুৰাতত্ত্ব কাহিনীত পোৱা যায়। এই অথে সেই দুমতি ৰজাই বহু অথ ব্যয় কৰিছিল। শেহত আল্লাহৰ নিদ্দেশত মহাত্মা এস্রাফিলৰ প্রলয় শিঙাৰ অদ্ধ ফুৎকাৰত সেই পাপ স্বর্গোদ্যান পলকৰ ভিতৰতে ধুলিত পৰিণত হৈছিল বুলিও উল্লেখ আছে। সেই নাপাক ৰজাৰ তদ্রুপ আহিত এই মুলাহিদ বিলাকেও বোলে পৰতৰ মাজৰ ছায়াময় নিজন ঠাইত নানা ফল ফুলৰ গছ লগাই স্বর্গোদ্যান প্রস্তুত কৰিছে। তাত কৃত্রিম সুৰা আৰু পানীৰ নিজৰা তৈয়াৰী কৰিছে। তাৰ ভূমিত সিহতে মূল্যবান ৰেচমী গালিচা পাৰি থয়। এই মায়াপুৰীত ইহতে বহু সংখ্যক সুন্দৰী ছোৱালী মজুত ৰাখে হুৰীৰ অভিনয় কৰিবলৈ। সামাজৰ মুৰ্খ অশিক্ষিত ডেকাবিলাকক ফুচুলাই নি

শেখ আল জাবালৰ সম্মুখত হাজিৰ কৰিলে সি হাচিচ মিহলি আৰক খাবলৈ দিয়ে আৰু অৰ্দ্ধ চেতন অৱস্থাত সিহতক বেচমী সাজ পিন্ধাই সেই স্বৰ্গত থৈ আহে। সেই পাপভূমিত লালসামত্ত হৈ থকাৰ পিচত পুনৰ হাচিচৰ নিচাত বিভোৰ কৰি শেখ আল জাবালৰ সম্মুখলৈ লৈ অনা হয়। সেই অজ্ঞানী কমবয়সীয়া লৰাবোৰৰ মনত তেতিয়া পুৰাৰ সেই স্বৰ্গলৈ উলটি যোৱাৰ বাহিৰে অন্য ধ্যান ধাৰণা একো নেথাকে। তেতিয়া সিহতক নিৰ্দ্দিষ্ট কামৰ ভাৰ দিয়া হয় আৰু কোৱা হয় যে সেই কাম যথাযথ ভাবে পালন কৰিলে মৃত্যুৰ পিচত সিহত সেই স্বৰ্গলৈ প্ৰত্যাৱৰ্ত্তন কৰিব পাৰিব। ইয়াৰ ফলত এই অজ্ঞানী লৰাবোৰ অতি দু সাহসী খুনীত পৰিণত হয়। সিহতক নাম দিয়া হয় ফিডাই। ইহতৰ ব্যক্তিত্ব এনেদৰে ধ্বংশ কৰি পেলোৱা হয় যে কিছুদিনৰ পিচত ইহঁত যন্ত্ৰবৎ হৈ পৰে। এই ফিডাই বিলাৰ সকলো জাতি আৰু ভাষাৰ মানুহৰ মাজৰ পৰা বিচাৰি আনা হয়। গতিকে প্ৰয়োজন হলে যি কোনো ধৰণৰ গুপ্তঘাতক নিয়োগ কৰিব পাৰে।

এই মুলাহিদ বিলাকে ৰাজ্যৰ ভিতৰুৱা অঞ্চলত যিমান প্ৰতিপত্তি বিস্তাৰ কৰিছে তেখেৰণ চাহাৰাৰ তুৰাৰেগ আৰু বেইদুন জাতীয় লোকক প্ৰভাৱান্বিত কৰিব পৰা নাই। ফলত ইহত সঘনে সেইবিলাক জাতিৰ লগত সংঘষত লিত হৰ লগা হৈ যথেষ্ট অসবিধাত পৰিছে।

এই মলাহিদবোৰে সংসাৰৰ পৰা ধমৰ শাসন বিলুপ্ত কৰি ইমানদাৰ সকলৰ বহু ক্ষতি সাধন কৰিছে। বেছি দৰ নিপাবলৈ নৌ পাওঁতেই ইহতক সমূলধে উভালি পেলোৱা দৰকাৰ। মহিমাময় আল্লাই এই অভিশপ্ত চয়তানৰ দোচৰবিলাকক দোজখৰ অন্তত জুইত নিক্ষেপ কৰক।

নিজামে ইয়াৰ উপৰিও আৰু অনেক কথা লিপিবদ্ধ কৰিছে আৰু হাচিচ আচীন বিলাকৰ ক্ৰিয়া কলাপৰ কিছুমান ঘটনাৰ বৃত্তান্ত লিখিছে।

নিজাম পুনৰ আহি বহিলহি। ওমৰে পঢ়ি শেষ কৰিছিল।

ওমৰ মই জানো যে হাচানৰ তোমাক হাত কৰাৰ এটা মতলব আছে। তুমি যে তাৰ লগ নেলাগা সেইটোও মই জানো। কিন্তু তোমাৰ ওচৰত বিমখ হোৱাৰ পিচত সি তোমাৰ অনিষ্ট কৰিবলৈ যত্ন কৰিব পাৰে। গতিকে তমি সাবধানতা অৱলম্বন কৰিবা এই মুহূর্ত্তৰ পৰাই। মিছৰৰ বদখেয়াল খলিফাযে ইয়াৰ পিচত আছে এই বিষয়ে মই নিঃসন্দেহ। তুমি যিমান সোনকালে পাৰা মাভলৈ গৈ

চলতানৰ সৈতে সাক্ষাৎ কৰিবা আৰু এই চক্ৰান্তকাৰী মুলাহিদবোৰৰ বিষয়ে উত্তমৰূপে বুজাই ক'বা। বহিঃ শত্ৰুতকৈও ইহত বেছি ভয়াবহ।

তাৰ পিচদিনাই বে নগৰ গুলবাগ মচজিদৰ প্ৰাঙ্গণত জহৰৰ নামাজৰ অলপ পিচতে উলেমাৰ বিখ্যাত ইমামসকল গোট খাই সমূহীয়াভাবে ফতোৱা জাৰি কৰিলে যে হফতান বা স তমপন্থী বিলাক মুছলমান নহয় মুলাহিদ। গতিকে সিহত ৰাজেৰ অল কোতল—কোতলৰ উপযুক্ত। যি কোনো মুছলমানে নিৰিচাৰে সিহতৰ প্ৰাণ ল'ব পাৰে।

ল'ে লগেই বে নগৰৰ বাটে পথে তাণ্ডৱ হত্যালীলা আৰম্ভ হৈ গ'ল। উ মত্ত জনতাই বিচাৰি বিচাৰি উলিয়াই হফতান বিলাকক হত্যা কৰিবলৈ আৰম্ভ কৰিলে।

চাওঁত চাওঁতে ৰাজ্যৰ দৰে সেই হত্যালীলা সাম্ৰাজ্যৰ অন্য অন্য নগৰলৈও বিয়পি পৰিল। হাজাৰে হাজাৰে লোৰ মৰা পৰিল। নগৰ অঞ্চলৰ গাওঁ ভূ ইলৈও সেই বিপযয়ৰ ঢৌ বাগৰি গ'ল। সাধাৰণ সহজ সৰল মানুহেও মুলাহিদ কোতল কৰি গাজী হোৱাৰ বাবে সচেষ্ট হ'ল।

এই ধ্বংসলীলাত অতীষ্ঠ হৈ ওমৰে ঠায়ে ঠায়ে বাধা দিবলৈ যত্ন কৰিছিল। কিন্তু এসময়ত মেহেৰ আহি ফুচফুচাই কৈ গ'ল খাজা ওমৰ নিজামৰ আদেশ ক্ৰমে এই কাফেৰবোৰ মৰিছে। আপুনি হস্তক্ষেপ কৰিলে উলেমাৰ ক্ৰোধ গৈ আপোনাৰ ওপৰত পৰিব। আপুনি নীৰৱে নিজৰ মহলত সোমাই থকাই বিধেয় হ'ব। মেহেৰক সেই কেইদিন ভয়াবহ ব্যস্ত দেখা গ'ল।

নিৰুপায় ওমৰে বাধ্য হৈ সোমাই থাকিবলগীয়া হ'ল। কিন্তু সেই ৰাতি ওমৰৰ মহলৰ দুৱাৰত কোনোবাই ঢকৈ মাৰি গ'ল এখন চকচকীয়া চেৰাচি। ডেগাৰ। ৰাতিপুৱা দুৱাৰ খুলিয়েই সেইখন দেখি দ্বাৰৰক্ষী সৈন্যটোৱে চিৎকাৰি উঠিল। যেন এডাল বিষাক্ত সাপহে ধৰিছে তেনেকৈ ডেগাৰখন দুই আঙুলিৰে ধৰি ওমৰৰ আগত থৈ সি দুহাতমান পিচত থিয় হ'ল।

খাজা কোনোবাই এইখন ৰাতি দুৱাৰৰ কাষত দলিয়াই গৈছে। কোনে জানে কি বিপদ আছিল।"

ওমৰে দেখিয়েই চিনি পালে। ফিডাইবিলাকৰ হাতৰ অস্ত্ৰ। ওমৰ হাতত লৈ অস্ত্ৰপাত ঘুৰাই পকাই চালে। যথেষ্ট দামী ডেগাৰ। ধাৰিত লৌহফলকৰ ওপৰত কিবা কিবি অচিন চিহ্ন আঁকি থোৱা আছে।

তাৰ মানে হাচানে ওমৰৰ মৃত্যুদণ্ডৰ বায় দিছে।

ওমৰে বুজি পালে যে তেওঁ আহি যে নগৰত নিজামক দেখা কৰাৰ লগে লগে হফতান বিলাকৰ নিপীড়ণ আৰম্ভ হোৱাৰ ফলত ওমৰৰ ওপৰত স্বাভাবিকতে হাচানৰ সন্দেহ হৈছে। এই সংঘটন অনিবাৰ্য।

হাচানৰ সেই সন্দেহ দূৰ কৰিবলৈ আপাততঃ কোনো উপায় নাই। হাচানৰ কোনো অজাত হত্যাকাৰীয়ে ওমৰৰ প্ৰাণ নাশৰ চেষ্টা কৰিবই।

কেৱল হত্যা আৰু ধ্বংস। নতুন ঈশ্বৰে হত্যাৰে আত্মপ্ৰকাশ কৰিবলৈ বিচাৰে। পুৰণা ঈশ্বৰৰ নামত হত্যাৰে তাৰ প্ৰত্যুত্তৰ দিয়া হয়।

চাহাৰাৰ বুকুত আপোনমনে উমলি ফুৰা ৰেজাখানৰ পত্নী তাজিক ওমৰো সেই হত্যাৰ বলি হয়। এতিয়া জ্যোতিবিদ্যাৰ ছাত্ৰ ওমৰো সেই বাবেই মৰিব লগা হয়।

ডেগাৰখন হাতত লৈ ওমৰ ভিতৰ সোমাল। পহৰাদাৰ সৈন্যটোৰ কপালেদি তেতিয়া বিন্দু বিন্দু ঘাম বিৰিঙিছিল। বহিদ দুৱাৰত ধৰি থকা থকাকৈ কপিবলৈ ধৰিছিল। ওমৰ নিৰিকাৰ। কিন্তু ভিতৰি ভিতৰি ওমৰৰ অন্তৰত গুমৰি উঠিছিল এক দুৰাৰ ক্ৰোধ।

হাচানে চেলজুক সাম্ৰাজ্যৰ পৰা মালিকশ্বাহক আতৰাই নিজে শাসন কৰিব লাগিব—তাৰ বাবে মৰিব লাগিব হাজাৰ হাজাৰ নিৰ্দ্দোষী মানুহ। হাচানে মালিক শ্বাহক আতৰাই তেওঁৰ ঠাইত কাক বহুৱাই পৃথিবী শাসন কৰিব তাৰ উত্তৰ দিব পৰা নাছিল।

কিছুদিনৰ পিচত মুলাহিদ নিধনৰ উৎসাহ কিছু প্ৰশমিত হ'ল। ক্ষতবিক্ষত যে নগৰীয়ে যুদ্ধক্লান্ত বাঘিনীৰ দৰে নিজৰ ক্ষতস্থান চেলেকিবলৈ ধৰিছিল। এদিন পুৱা পূৱদিশ গাখীৰবুলীয়া হ'বলৈ ধৰোতেই ওমৰে মাভনগৰলৈ যাত্ৰা কৰিলে। কাৰণ তাৰ আগদিনা সজিয়া চুলতানৰ জৰুৰী তলব আহিছিল।

যে'ৰ পৰা মাভ নগৰলৈ তাজী ঘোৰাৰ খোজেৰে সাতদিনৰ পথ। ওমৰে যাত্ৰা আৰম্ভ কৰাৰ দুদিন পিচত কিন্তু অন্য এক বাদশাহী ফৰ্মান লৈ দূত আহি যে পালেহি। চাই থাকোতে থা কাতে বনজুইৰ

দৰে সেই সংবাদ নগৰীত বিয়পি পৰিল। স্তম্ভিত হতবাক নগৰবাসীয়ে শুনিলে যে সম্রাটে নিজাম উল মুল্কৰ হাতৰ পৰা বিশাল চেলজুক সাম্রাজ্যৰ শাসনভাৰ নিজৰ হাতলৈ নিছে। নিজামৰ বিশাল ভূ সম্পত্তি আৰু অন্যান্য খিতাপ আগৰ দৰেই থাকিব। কিন্তু তেওঁৰ হাতত কোনোধৰণৰ ৰাজকীয় ক্ষমতাই নেথাকিব। প্ৰায় অৰ্দ্ধশতাব্দী জুৰি সুনিপুণ দক্ষতাৰে সাম্রাজ্য শাসন কৰা বৃদ্ধ নিজাম উল মুল্ক সাম্রাজ্যৰ নিমাতা। বে নগৰৰ নেলাগে সাম্রাজ্যৰ সকলো ঠাইৰ মানুহ উপজি পুৰাৰ পৰা শুনি আহিছে নিজামৰ নাম। দাৰ-এল কেতাবৰ প্ৰাস্ত দপ্তৰত বহি যি মহাশক্তিমান নিজামে বিধাতাৰ অখণ্ডনীয় নিয়মৰ দৰে আইন কানুন ৰচনা কৰি সাম্রাজ্য নিয়ন্ত্ৰণ কৰিছিল যাৰ আঙ্গুলি সংকেতত দেশ বিদেশৰ ৰজা আৰু ৰাজত্ব উফৰি পৰিছিল সেই নিজামক সম্রাটে অতি গুৰুত্বাৰোপে মাত্ৰ জনালে যে তেখেত অতি বৃদ্ধ হৈছে। গোটেই জীৱন জুৰি তেখেতে যি দক্ষতাৰে সাম্রাজ্যৰ প্ৰধান উজীৰৰ দায়িত্ব বহন কৰিলে তাৰ বা চেলজুক তুৰ্ক ৰাজবংশৰ বিগত সম্রাট আল্প আৰ্চলানৰ দৰে মালিকশ্বাহ নিজেও কৃতজ্ঞ। সম্রাটে বৃদ্ধ নিজামক সৰ্বশক্তিমান আল্লাহৰ প্ৰাথনাত নিজকে সম্পূৰ্ণভাৱে নিয়োগ কৰিবলৈ অৱসৰ দিছে আৰু তেখেতৰ সকলো দায়িত্ব নিজে গ্ৰহণ কৰিছে। বিছমিল্লাহিৰ ৰহমানিৰ ৰহিম। পৰম কৰুণাময় সৰ্বদাতা ঈশ্বৰৰ নামত।

নিজৰ ৰাজ্যক বিশ্বাস কৰিব নোখোজা নগৰবাসীয়ে এদিন দেখিলে যে বৃদ্ধ নিজামে হাতত মালাগুটি লৈ গুলবাগ মছজিদত জুম্মাৰ নামাজ পঢ়িছে আৰু তেহত গুলটি লৈছে ঘোৰাৰ বাগীত উঠি নিজৰ বাসভৱনলৈ হাঁদ তৰ খানালৈ বহয়।

মাও নগৰত সোমায়েই ওমৰেও শুনিলে সেই বিষাদ ওমৰ বা বিস্ময়ৰ পাৰ নোহোৱা হল। কাৰণ নিজাম উল মুল্ক দেশত এটা জীৱন্ত উপাখ্যানৰ দৰে হৈ পৰিছিল। সেইটো এটা পদবী নহয় এজন ব্যক্তিও নহয় সেই চিৰ পৰিচিত নামেই বুজাইছিল এক বিশাল প্ৰভাৱ ক্ষমতা আৰু ৰাজহুৱা জীৱনৰ সৰ্বদিশ প্ৰসাৰী এক অনুষ্ঠানক। পৰিৱৰ্ত্তটো মানি লবলৈ সকলোৰে লগতে ওমৰকো বহুত সময় লাগিল। ওমৰৰ মনৰ সহানুভূতিৰ তন্ত্ৰীত আঘাত লাগিল। নিজামৰ সকলো কথা সকলো সময়তে যে সমৰ্থন কৰিছিল ওমৰ তেনে নহয়।

কিন্তু জানিছিল যে নিজাম একান্তভাৱে নিভৰ কৰিব পৰা মানুহ। বিচক্ষণ লোক বুলিলে নিজামতকৈ ভাল পটন্তৰ আৰু কতো নাই।

কিন্তু কেনেকৈ এই ধৰণৰ আচৰিত ঘটনা সম্ভৱ হল? নানা ধৰণৰ জনৰৱ শুনা গল। কোনোবাই হেনো মালিক শ্বাহলৈ এখন বেনামী চিঠি লিখিলে যে নিজামে চেলজুক সাম্ৰাজ্যৰ সম্ৰাটতকৈও বেছি ক্ষমতা আহৰণ কৰিছে। কায়াতকৈ ছায়াহে বেছি শক্তিশালী হৈ পৰিছে। আকৌ শুনা গল নিজামে আনকি নিজৰ নাতিৰ নাতি বিলাককো বিভিন্ন প্ৰদেশৰ শাসনকৰ্ত্তা পাতিছে আৰু সৈন্যবাহিনীতো ঠাই দিছে। নিজামৰ মতলব বৰ বেয়া বুলি ধাৰণা কৰিবৰ যথেষ্ট থল আছে। নিজামৰ পত্ৰবিশাক বিভিন্ন দায়িত্বশীল পদবীত বাহাল হৈ ইমান বেয়াদৰ আৰু দু সাহসী হৈ পৰিছিল যে সিহতে মালিকশ্বাহৰ দ্বিতীয় পুত্ৰ মহম্মদক বিদ্ৰোহ কৰিবলৈ উগনি দিছিল। তদুপৰি মালিকশ্বাহৰ প্ৰিয় বিদুষক জাফৰক প্ৰকাশ্য দিবালোকত নিৰ্দ্দয়ভাৱে হত্যা কৰিছে। ওমৰে মালিকশ্বাহৰ লগত সাক্ষাৎ কৰোতে চুলতানে আগৰ দৰেই আনন্দ প্ৰকাশ কৰিলে।

কিছুদিন তুমি মোৰ লগত থাকা। যি কোনো কথাত তামাক মোৰ প্ৰয়োজন হব পাৰে।

নিজামৰ অনুপস্থিতিত ওমৰৰ ওপৰত মালিকশ্বাহে বেছিকৈ নিভৰ কৰা হল। মালিকশ্বাহৰ দৃঢ় ধাৰণা আছিল যে ওমৰ খোদাতাল্লাৰ বিশেষ অনুগ্ৰহ প্ৰাপ্ত মানুহ। গতিকে ওমৰে কিবা কৰিলে তাৰ ফল শুভ হবলৈ বাধ্য।

মালিকশ্বাহে আগৰ দৰেই মৃগয়া আৰু যুদ্ধচৰ্চ্চাত দিন অতিবাহিত কৰিবলৈ ধৰিলে। জীৱনৰ বেছি ভাগ সময় তেওঁ ঘোৰাৰ পিঠিত কটাই দিছে। বুৰা গধুলি সৈন্য চাউনী পৰিদৰ্শন সামৰিক বিষয়া সকলেৰে আলোচনা। দিনত দৰবাৰত ৰাজকাৰ্য্য। অন্তহীন ভ্ৰমণ আৰু মৃগয়া। মাজে মাজে শিৰলে বহি কো�ৰাণ শৰীফ পাঠ কৰে। মালিকশ্বাহৰ ঈশ্বৰ চিন্তা সৰল আৰু গাঢ়।

মালিকশ্বাহৰ ৰাজকীয় ধৰণ কৰণ ওমৰে মন হৈ কেতিয়াবা চাই থাকে। সিচাপৰৰ তৰাঘৰত প্ৰথম দেখা পোৱাৰ দিনৰ পৰাই এই সিংহ পুৰুষ চুলতান ওমৰ প্ৰশংসাৰ পাত্ৰ। তেওঁৰ শক্তিশালী বাহুৰ অব্যৰ্থ লক্ষ্যৰ দৰে তেওঁৰ বিজয়ী ধনুৰ অব্যৰ্থ সন্ধানৰ দৰে

মালিকশ্বাহৰ প্ৰত্যেক কথা আৰু কাম নিশ্চিত আৰু দ্বাথহীন। এটাইতকৈ সুন্দৰ হয় মালিকশ্বাহৰ ৰণসজ্জা। ৰূষস্কন্ধ মালিকশ্বাহৰ দীঘল গ্ৰীবাৰ ওপৰত তেজগোৰা ধুনীয়া মুখ লৌহ হেন দৃঢ় মাংসপেশীয়ে আবৰা দেহৰ লাস্যময় চলন ভঙ্গী। মালিক শ্বাহৰ যুদ্ধ যাত্ৰা দেখিলে ওমৰৰ মনত পৰি যায় কবিৰ কবিতাত লিখা সেই কথা ফাকি—যুদ্ধৰ দিনত যেতিয়া তুমি আৰোহণ কৰা তোমাৰ বিশ্ববিজয়ী অশ্বৰ পৃষ্ঠত যেতিয়া তুমি প্ৰলয় তুফানৰ মাজত ক্ৰুদ্ধ ভাগ্যবিধাতাৰ দৰে অৱতীৰ্ণ হোৱা সমৰক্ষেত্ৰত

ৰোজে কোশিশ চু যেৰে ৰা
আৰে অা কদৰ পয়কৰে কাদা পায়গাৰ।

চল্লিশ

জীৱন চলিবলৈ ধৰিলে আকৌ পূৰণা ছন্দত। নিজামৰ পদচ্যুতিৰ দৰে অসামান্য ঘটনাও এদিন তল পৰি গ ল। ৰে নগৰৰ তেওঁৰ প্ৰকাণ্ড হাউলিত অৱসৰ জীৱন কটাবলৈ ধৰিলে অশীতিপৰ বৃদ্ধ নিজামে। পাচ ৰাকত নামাজ জুম্মাবাৰৰ দিনা গুলবাগ মচজিদত প্ৰাথনা আৰু নিভৃতে গ্ৰন্থ অধ্যয়ন আছিল নিজামৰ কাযসূচী। কোনো ৰৰ ৰৰ আমিৰৰ সমাৱেশ নহয় তেওঁৰ ঘৰৰ সম্মুখত। সকলোৱে ধৰি লৈছিল যে নিজামক সম্ৰাটে যেতিয়া পদচ্যুত কৰিছে তেওঁৰ লগত সকলো ধৰণৰ যোগাযোগ বিচ্ছিন্ন কৰাই জানীৰ কাম। অৱাৱতে চুলতানৰ সন্দেহৰ পাত্ৰ হৈ কোনো লাভ নাই।

একমাত্ৰ ওমৰ গৈ আছিল নিজামৰ ঘৰলৈ। মন গ লেই যায়। তাকে দেখি ৰহ ত কোৱাকুই কৰিছিল যে ওমৰৰ চপাৰি ৰ জৰীয়তে পনৰ গাদীলৈ আহিবলৈ চেষ্টা কৰিছে নিজামে। নিজামে কিন্তু এষাৰ কথাও কোৱা নাছিল ওমৰক। ৰৰঞ্চ এদিন সধিছিল ওমৰ তুমি মোৰ ওচৰলৈ অহা জা ো বিবেচনাৰ কাম হৈছে। জানোচা চুলতানে সন্দেহ কৰে?

আল্লা হজৰত মইতো সামান্য গণিতৰ ছাত্ৰ। মোৰ তা ৰাজ নৈতিক পদৱীও নহয়। মোক কি সন্দেহ কৰিব?

নিজামে হাহিলে।

তুমি চলতা ৰ সদৰ ই ম ্যাজিম দৰৱাৰৰ প্ৰভাৱশালী বিষয়া। তুমি কৈছা ৰমি ৰাজনৈতিক মানুহ নহয়। আস্মানৰ তৰাৰ গতিবিধি সকলো বুজিলা ওমৰ খায়াম কিন্তু পৃথিৱীৰ ৰীতি নীতি তোমাৰ আয়ত্ব নহ ল।

নিজামে গভীৰ মমতাৰে ওমৰৰ ফালে চাই আছিল। সেই দ ষ্টি দেখি ওমৰে ৰৰ ি সঙ্গ ৰোধ কৰিলে। ৰাটৰ পৰা ৰুটলি আনি নিজামে ওমৰক তৰাৰ ঘৰত সুমাই দিছিল এদিন। বিদ্যোৎসাহী সুপণ্ডিত নিজাম আছিল ওমৰৰ পৰম নিভৰ। এতিয়া ৰিক্ত নিজামক দেখি ওমৰৰ ৰৰ নিঃসঙ্গ যেন লা ি নিজকে। তেওঁৰ নতুন গৱেষণা লব্ধ

তথ্যৰ কথা চিন্তা কৰিলে ওমৰে। নিজাম ক্ষমতাত থকা হ'লে এদিন কিবা এটা ব্যৱস্থা কৰিলেহেতেন নি চয়।

নিজামৰ তীক্ষ্ণ দৃষ্টিৰ আগত সুচল নোপোৱা কিছুমান শাসনকৰ্ত্তাই সাম্ৰাজ্যৰ চকে-কোনে বিদ্রোহৰ জুই জ্বলাবলৈ চেষ্টা কৰিছিল তেওঁৰ পদচ্যুতিৰ কিছুদিন পিচতে। কিন্তু বাচ্চায়ে খেৰ মালিকখাহক সঠিক ভাবে হিচাব কৰিব পৰা নাছিল বোধহয় বিদ্রোহীহতে। ৰণৰ দামামা বাজি উঠিল পুনৰ কিছুদিনৰ বাবে। চাহাৰাৰ চাইমুমলুৰ দৰে ঘূৰি বতাহৰ দৰে এটা মাত্ৰ প্ৰচণ্ড আক্ৰমণত বিদ্রোহীবোৰ নিশ্ছিন্ন কৰি দিছিল মালিকখাহে। বহু বিদ্রোহীৰ ছিন্ন মুণ্ড বশাফলকৰ ওপৰত তুলি বিজয়ী খাহী সৈন্যবাহিনী আকৌ উলটি আহিছিল।

কিন্তু মুন্নাহিদ নিধন পৰৰ পিচতো কুখ্যাত হাচাচিন বিলাকৰ দুষ্কাৰ্য্য ক্ৰমাৎ বাঢ়িবলৈহে আৰম্ভ কৰিছিল। ইহতৰ প্ৰভাৱ ইমান বাঢ়ি গ'ল যে দেৰ অনেক ঠাইত ৰাজপথত বাটকৰা মানুহৰ পৰা বিস্তীণ মৰুপথ আৰু গিৰিপথেদি যাতায়ত কৰা বেপৰী কাৰাভানবিলাকৰ পৰা ইচ্ছামতে কৰ সংগ্ৰহ কৰিছিল। এইদৰে কৰ সংগ্ৰহ কৰোতে হাচাচিন বিলাকৰ লগত কুহিস্তানৰ তাজিক আৰবসকলৰ এখন দুযোৰ ৰণ লাগিল। মুক্ত চাহাৰৰ তপত বুকুত জিঘাংসা জাগি উঠিল। তাজিক হতৰ লগত যোগ দিলে চাহাৰাৰ প্ৰায় এটাইবোৰ বেদুইন জনজাতীয় ফৈদে। এই শই হাচাচিনৰ শ্বেত বস্ত্ৰ পৰিহিত মৃতদেহ চাহাৰাৰ কজলা বালিৰ ঢৌৰ মাজত সিচৰতি হৈ পৰিল।

সংবাদ অহাৰ লগে লগে এইবাৰ মালিকখাহৰো ভ্ৰু কোচ খালে। ইমানদিনে হাচাচিন বিলাকৰ ওপৰত তেওঁ কোনো গুৰুত্ব দিয়াই নাছিল। ভাবিছিল যে হাচান ইবন চাবাহ কোনো এক বদবখত ইমাম। নতুনকৈ ইছলামৰ কিবা ব্যাখ্যা কৰি গুৰুগিৰি কৰি ফুৰিছে। সাধাৰণতেই ইছলাম ধৰ্মত বহু পন্থা আছে— সিমানবোৰৰ খবৰ ৰাখিবলৈ তেওঁৰ সময় নাই। আনকি ৰাজ্যজুৰি হোৱা নানা খুন খাৰাবিৰ সংবাদেও হাচান সম্বন্ধে তেওঁক সচেতন কৰি তুলিব পৰা নাছিল। এইবোৰ সাধাৰণ অপৰাধমূলক ঘটনা বুলিয়েই তেওঁৰ ধাৰণা হৈছিল।

তাজিক আৰবৰ এই জাগৰণে কিন্তু তেওঁক সজাগ কৰি তুলিলে। যুদ্ধপ্ৰিয় মালিক খাহৰ সৈন্য বাহিনীত বহু দেশ আৰু জাতিৰ সৈন্য আছে। তাৰ ভিতৰত বহুতো মৰুভূমিৰ জনজাতীয় সৈন্য আছে।

এই সৈন্যবোৰৰ নিজনতাপ্ৰিয় আৰু লোকসমাগমৰ প্ৰতি বিমুখ স্বভাব তওঁৰ চকুত পৰিছিল। পোহ নমনা প্ৰকৃতিৰ আৰু যুদ্ধত অগ্ৰগণী এই মানুহবোৰ তেওঁৰ বৰ মৰমৰ আছিল। নিজৰ নিজৰ খেলবোৰৰ ভিতৰতে দুখন এখন খণ্ডযুদ্ধ কদাচিৎ কৰাৰ বাহিৰে বা দুটা এটা বেপাৰী কাৰাভান লট কৰাৰ বাহিৰে অন্য কোনো গুৰুতৰ অভিযোগ এই জাতিবোৰৰ বিষয়ে কাহানিও তেওঁ শুনা নাছিল।

বেদুইনবিলাকৰ এই ৰণসজ্জাই হাচাচিনবিলাকৰ লগতে মৰুভূমিৰ বাণিজ্যপথ প্ৰায় বন্ধ কৰি দিলে। সন্ত্ৰস্ত কাৰাভানবিলাক নোযোৱা হ'ল। উলৰ লগত বগৰী পোৰাদি হাচাচিনবিলাকৰ ওপৰত প্ৰতিশোধ লবলৈ গৈ কিজানি বেদুইনহতে কাৰাভানবোৰ লট কৰে এই ভয়ত সকলোৱে বেলেগ পথ বিচাৰিবলৈ ধৰিলে। তাৰ প্ৰতিক্ৰিয়া হ'ল দেশৰ বজাৰত। বিপনি সমূহত অনেক দ্ৰব্যৰ অভাব ঘটিল। বস্তুৰ দাম বাঢ়ি গ'ল।

চিন্তামুক্ত হৈ মালিকশ্বাহে ওমৰক মাতি পঠালে।

কোৱাচোন এতিয়া কি কৰা যায়?"

জাহাপনা আপোনাৰ দয়াৰ দৃষ্টি মোৰ ওপৰত পৰাৰ আগতে ঘুৰি পকি ফুৰোতে মই এবাৰ কুহিস্তান পাইছিলোঁ। তাজিকসকলক মই ভালদৰেই জানো। কোনোকালে বাদশ্বাহক অমান্য কৰাৰ কথা তেওঁলোকে নেভাবে। আপুনি মাতি পঠালে তেওঁলোক আহিব। দেশৰ সাধাৰণ প্ৰজা হিচাবে তেওঁলোকৰ তকলিফৰ কথাও আপুনি নিশ্চয় শুনিব।

বাদশ্বাহ বৰ খুচী হ'ল। তেওঁৰ নিজৰো বিশ্বাস আছিল যে সেই সৰলচিতীয়া মানহবোৰ দুৰ্দ্ধষ হলেও অত্যাচাৰী নহয়। এতিয়া ওমৰে কৈ দিলত তেওঁ নিশ্চিন্ত হ'ল। তেও লগে লগে এজন চিপহ চালাৰ পঠাই দিলে কুহিস্তানলৈ। পাচজন তাজিক চৰ্দাৰ আহ্বান কৰিব লাগে ইস্পাহানলৈ। কাৰণ চলতান পিচদিনাই ইস্পাহানলৈ যাত্ৰা কৰা কথা। ওমৰো ওলাল কাৰণ বহুদিনৰ মূৰত তাজিক ভাইহতক দেখা পাবলৈ তেওঁৰ হেপাহ জাগিছিল।

সম্ৰাট ইস্পাহানলৈ যাত্ৰা কৰাৰ এদিন পিচতে ৰে নগৰত সেই ঐতিহাসিক শোকাবহ ঘটনা ঘটিল। জুম্মাবাৰৰ দিনা ৰে নগৰৰ প্ৰসিদ্ধ গুলৰা। মচজিদত নামাজ সমাপন কৰি ঘৰলৈ যাবলৈ

ঘোৰাগাড়ীত উঠিব খোজোতেই বৃদ্ধ নিজামক এটা হাচাচিনে চৰিবে খুচি হত্যা কৰিলে। মচজিদত সমবেত মানুহৰ জুমৰ পৰা হঠাৎ দৌৰি আহি আততায়ীয়ে নিজামৰ পিঠিত উপৰাউপৰিকৈ কেবাবাৰো চুৰি মাৰিলে। পৰম কৰুণাময় আল্লাহৰ পবিত্ৰ নাম উচ্চাৰণ কৰি কৰি ভূ লুণ্ঠিত হ'ল মহান নিজাম উল-মুল্ক। ৰক্ষীবিলাকে আততায়ীক লগে লগেই হত্যা কৰিলে।

বিজুলী সঞ্চাৰে ঘোৰাৰ ডাক গ'ল চলতাৰ ওচৰলৈ। স্তব্ধ হতবাক চলতানে কিছুপৰ থৰ লাগি চাই থাকিল। তাৰ পিচত কোনো বাক্যব্যয় নকৰি ঘোঁৰাৰ মুখ ঘৰালে ৰে নগৰলৈ।

স্তব্ধ হতবাক হৈ পৰিল ওমৰো। এক অৱৰুদ্ধ আক্ৰোশত গুমৰি গুমৰি উঠিল ওমৰৰ অন্তৰ।

মালিকশ্বাহে যথাযোগ্য সন্মান দেখুৱালে নিজামক। নিজামৰ সমাধিৰ সময়ত নিজে উপস্থিত থাকিল। সমুহীয়া প্ৰাথনাত নিজেও যোগ দিলে। তেওঁ অন্তৰৰ পৰা নিজামৰ মৃত্যুত শোক প্ৰকাশ কৰিলে।

নিজামৰ মৃত্যুৰ লগে লগে ওমৰৰ বাবে আৰু এখন দৰ্বাৰ চিৰদিনৰ বাবে বন্ধ হৈ গ'ল। ওমৰে হেৰুৱালে এজন বন্ধু এজন দাৰ্শনিক আৰু পথ প্ৰদৰ্শক। এই পৃথিবীত অনেক মানহ লগ পোৱা যায়—কিন্তু এনেকুৱা এজন মানুহ কাি চৎহে লগ পোৱা যায় যাক একেলগে ভাল পাব পাৰি শ্ৰদ্ধা কৰিব পাৰি আৰু যাৰ ওপৰত নিভৰ কৰিব পৰা যায়।

এতিয়া সময় আহিল—ওমৰে ভাবিলে—হাচাচক প্ৰতিৰোধ কৰাৰ। যিমানেই অভিজাত্য নেথাকক হাচাচৰ কোনো অধিকাৰ নাই মানুহৰ পুৰণি পৃথিবীখন এনেকৈ কলঙ্কিত কৰি পেলাবৰ।

মুক্তিৰ যেনেকুৱা মায়াজালেই ৰচনা নকৰক আচলতে হাচাচে কোনো মহৎ অনুপ্ৰেৰণাৰে এই হত্যাৰ বিভীষিকা আৰম্ভ কৰা নাই। নিজামৰ শেষকৃত্য সম্পন্ন হোৱাৰ দিনাই ওমৰ মালিকশ্বাহৰ ওচৰ পালেগৈ। এইকেইদিন সম্ৰাটে কাৰো সাক্ষাত্ কৰিবলৈ দিয়া নাছিল।

ইতিমধ্যে ওমৰৰ পৰামশ মতেই মালিকশ্বাহে হাচাচিনবিলাকৰ ওপৰত নিজামৰ হাতেলিখা টোকাবহীখন পঢ়ি চাইছিল। ওমৰ গৈ

কুনিশ কৰাৰ লগ লগে চুলতানে ক'লে— ওমৰ এই হাচান ইবন চাবাহ ওৰফে শেখ-অল জাবাল প্ৰকৃততে মিচৰৰ বদৰখত খলিফাৰ দালাল। ইয়াৰ ধৰ্মমত সম্পূৰ্ণ ভুৱা। নিজাম বাহাদুৰে ঠিক কামেই কৰিছিল। হয়তো স্বাহাজাদা মহম্মদক বিদ্রোহ কৰিবলৈ উৎগনি দিয়াটোও এই হাচানৰে কাৰচাজি আছিল। তুমি কোৱা ইয়াৰ বিষয়ে আৰু কি জানা।

ওমৰে সকলো কথা বিবৰি কলে। হাচানৰ প্ৰতি কোনো অনুকম্পা ওমৰৰ মনত নাই। তাজিকবিলাকৰ শেখ অল জাবালৰ লগত হোৱা শত্ৰুতাৰ মূল কাৰণো ক'লে। স্বাহ দিজ পৰ্বতত আলামুটত আৰু ইস্পাহানৰ ওচৰৰ গিৰিদেশত নিচাপুৰৰ কাষৰীয়া গিৰিদেশত হাচানে দুৰ্গ সাজি সশস্ত্ৰ হৈছে বুলিও ক'লে।

'হু—সশস্ত্ৰ। ওমৰ হাচান যদি বাহিৰলৈ ওলাই আছিলহেতেন তেন্তে তাক মই কুকুৰ লগাই খুৱালোহেতেন। কিন্তু যি শুনিছো সি বোলে বহুত যাদু জানে। গায়েৰ হৈ যায় দৰকাৰ হলে।

যাদু! ওমৰৰ মুখত ওপাই গল সেইবোৰ অৱশ্যে সি ব্যৱহাৰ কৰিব পাৰে সাধাৰণ মানুহক ছলনা কৰিবৰ কাৰণে।

লগে লগে মালিকশ্বাহে যোগ সকাহ পালে। ঠিকেই এই কথা তেওঁ আগতে ভবা নাছিল কিয়! তেওঁৰ মন তৎক্ষণাৎ লঘু হৈ পৰিল।

ঠিক কৈছা ওমৰ। যি নেজানে তাৰ বাবে তাৰ যাদু অনিষ্টকৰ হব পাৰে—কিন্তু তোমাক সি কি কৰিব। গতিকে এই কথা স্থিৰ হল যে হাচাচিন বিলাকক দমন কৰিবলৈ মই যি সৈন্য বাহিনী পঠাম তাৰ লগত তুমি যাবা। তাজিকচন্দাৰ কেইজন আহিলে তুমি উপস্থিত থাকিবা আৰু এই হাচানক পৰাপক্ষত বধ নকৰি বন্দী কৰিবা।

ইস্পাহানত উপস্থিত হলহি সম্ৰাট। তেতিয়া তাজিক চন্দাৰহতৰ দেখাদেখি নাই। হয়তো যুদ্ধ সংকুল চাহাৰাৰ বুকুত তাজিকহতৰ হদিশ উলিৱাই এটা সমস্যা হৈছে চিপহ চালাৰৰ।

চুলতানৰ আদেশত ইস্পাহানৰ কাষৰীয়া অনুচ্চ গিৰিশ্ৰেণী আৰু কাষৰীয়া বনাঞ্চল চলাথ কৰা হল হাচাচিনবিলাকৰ গোপন ঘাটি বিচাৰি। অনেক বিচৰাৰ মুৰত এদল মানুহ ধৰা পৰিল। কিন্তু কোনো দুৰ্গ নেপালে। সিহঁত কিয় তাত ঘুৰি ফুৰিছিল তাৰ কোনো

সঙ্গত কারণ সিহঁতে দেখুরাব নোৱাৰিলে। মানুহবোৰ বিভিন্ন ঠাইৰ মানুহ। সিহঁত হাচাচিন প্রকৃততে হয়নে নহয় সিদ্ধান্ত কৰিবলৈ ওমৰক কিছু সময় লাগিছিল। চুলতানে কিন্তু সিহতক দেখিয়েই প্রাণদণ্ডৰ আদেশ দিলে—মুক্ত জনপথত সকলোৰে সম্মুখত।

সকলো সন্দেহৰ ওৰ পৰিল যেতিয়া তীৰন্দাজ শত সৈন্যই তীক্ষ্ণ শৰ ধনুত জুৰি সংকেতলৈ বাট চাইছিল। অকস্মাৎ আসন্ন মৃত্যুৰ সম্মুখত সেই বন্দীবিলাকৰ এটাই চিৎকাৰি উঠিল হে বিশ্বাসী সকল আমাৰ সময় আছিল। দৰজান্নাৎ বাক্ তাম—স্বৰ্গলৈ স্বাগলৈ। মুহূৰ্ততে সমস্বৰে এটাইৰে কণ্ঠৰ পৰা ধ্বনি উঠিল—দৰজান্নাৎ বাক্ তাম।

কথাটো শুনি এটা তিক্ত হাহি মাৰি চুলতানে কৈ উঠিছিল—হতভগাহত। পৃথিবীখন দোজখ বনাই সিহঁত যাব স্বৰ্গলৈ।

চলতানে মিছৰৰ খলিফালৈ সতর্ক কৰি দি চিঠি পঠালে — হাচাচিন বিদ্রোহৰ লগত মিছৰৰ যোগাযোগ আছে বুলি যথেষ্ট প্রমাণ পোৱা গৈছে। অবিলম্বে এইবোৰ চাতুৰি বন্ধ কৰিব লাগ নহলে যুদ্ধ অনিবার্য।

তেনেকৈ বাগদাদৰ খলিফালৈও এটা অনুবোধ জনোৱা হল যে ইছলামৰ পৰম শত্রু এই ইবলিচৰ বাচ্চাবিলাকক যেন ধ্বংস কৰা হয়।

ইস্পাহানৰ ৰাজকীয় আলহীঘৰৰ বৈঠকখানাত চৰাইৰ পাখিৰ দৰে নৰম পালিচাৰ ওপৰত আৰাম কৰি বহি আছিল পাঁচজন বিশিষ্ট আলহী। মেহমান খানাৰ বিষয়াৰ সততে চকু আছিল যাতে তেওঁলোকৰ কোনো অসুবিধা নহয়। মেহমান খানাৰ তোৰণত সশস্ত্র প্রহৰী। অকল তোৰণতে নহয় চৌহদৰ ভিতৰে বাহিৰে সতর্ক প্রহৰী মোতায়েন কৰা হৈছে। এজন পালি সেনাপতি তাৰ বাবে বেলেগে নিযুক্ত হৈছে। মেহমানখানাৰ বিষয়া ফাউলাদ খান এনেয়ে খুব হচিয়াৰ মানুহ। এতিয়া চলতানৰ খাচ দপ্তৰৰ পৰা অহা এইবোৰ নিৰ্দেশ দেখি আৰু হচিয়াৰ হল। মাত্র বুজি পোৱা নাছিল যে এই অত্যন্ত সাধাৰণ দর্শন আৰৰ কেইজনৰ প্রতি ইমান যত্ন কৰা হৈছে কিয়? দুজন অলপ বয়সীয়া বাকী তিনিজনতো একেবাৰে লৰা মানুহ। ডাঠ চেলাউৰি শেন চৰাইৰ চকুৰ দৰে তীক্ষ্ণ চকু সামান্য হনু ওলোৱা মুখ আৰু জোঙা নাক। দুটা এটা শব্দৰ বাহিৰে নিজৰ ভিতৰতো কোনো কথা বতৰা হোৱা নাছিল তেওঁলোকৰ।

কিন্তু যেতিয়া দেখিলে যে খোদ সদৰ ই মুনাজ্জিম চাহেব নিজে আহি তোৰণৰ কাষত নামিল আৰু সৈন্য এটাক ঘোৰাৰ লেকাম চমজাই দি পোনেই বৈঠকখানালৈ খোজ ল'লে তেতিয়া ফাউলাদখান বৰ আচৰিত হ'ল। ইমান ডাঙৰ ৰাজপুৰুষ কোনোদিনা মেহমান খানাত ভৰি দিয়া নাই। খোদ চলতানৰ অনুমতি বিনা কোনো বিষয়াই ৰাজকীয় মেহমানক দেখা কৰিব নোৱাৰে।

ওমৰ গৈ বৈঠকখানাৰ দুৱাৰ মুখত থিয় হোৱাৰ পিচত ফাউলাদখানে আলহীসকলক জাননী দিলে ৰজাৰ সদৰ ই মুনাজ্জিম নিজে আহিছে দেখা কৰিবলৈ।

আলহী কেইজনে ইজনে সিজনৰ মুখলৈ চালে। তাৰ পিচত সধিলে কোন সদৰ ই মুনাজ্জিমৰ কথা কৈছাগৈ?

প্ৰশকৰ্ত্তাৰ অজ্ঞতাক পেটে পেটে কৰুণা কৰি ফাউলাদ খানে ঘোষণা কৰিলে সুবে ইৰাণ ৰ তুৰাণৰ একছত্ৰ বাদশাহ মালিকশাহৰ খাচ সদৰ ই মুনাজ্জিম হুজ্জতুল হক খাজা ওমৰ বেণ ইব্ৰাহীম অল খায়াম।

বিচমিল্লাহ। বুলি এজনা জাপ মাৰি থিয় হ'ল। ফাউলাদখানৰ ঠেলি আতৰাই পদ্দা গুচাই দুৱাৰ মখত থিয় হৈ থকা ওমৰৰ ওচৰ পালেহি। বাকীকেইজনো লগে লগই ওলাই আহিল।

"ছবিৰ আহমেদ! ওচমান! মই ওমৰ। ওমৰে কলে।

আৰে আৰে ওমৰ। ছবিৰ আহমেদ আৰু ওচমানে একেলগে সাবটি ধৰিলে ওমৰক। কমবয়সীয়া তিনিজনে হয় আৰু বিস্ময়েৰে চাই ৰ'ল।

সেই আলিঙ্গন আৰু কোলাকুলিৰ যেন শেষ নহয়। অবাক ফাউলাদ খানৰ চকুৰ আগত যেন ভেল্কী বাজীহে হ'ল। ইমান সময়ে মখৰ মাত নোলোৱা মানুহবোৰ হঠাৎ সৰহ সবাক হৈ পৰিল।

ছবিৰ আহমেদ আৰু ওচমানে আকোৱালি ধৰি আনি বহুৱালেহি ওমৰক।

কোন আছে মোৰ আম্মা বিবি নাজমা? ঈশ্বৰে বেজা খান চাহেবক কুশলে ৰাখিছেনে? আৰু মোৰ ভনী হাচিনাৰ কি খবৰ?

দৰাজ গলাৰ হাহিত নীৰৱ বৈঠকখানা খলক লাগিল।

ওমৰৰ লগত আগৰে চিনাকি বুলি শুনি ৰৰ ভাল পালে মালিক শ্বাহে। নানা ধৰণৰ বহুমূলীয়া উপহাৰেৰে ওপচাই দিলে। লগে লগে চাহাৰাৰ বাণিজ্যগথৰোৰ যাতে আগৰ দৰে সম্পূণ মুক্ত আৰু নিৰাপদ হয় তাৰ বাবে যত্ন লবলৈ নিদ্দেশ দিলে। লগতে ক'লে হাচাচিন বিলাকৰ যিমান ঘাটি আছে সকলো ধ্বংস কৰিবলৈ চুলতানে যে দৃঢ়প্রতিজ্ঞ এই কথাও জনালে। ছবিৰ আহমেদ আৰু ওচমানহতে বাদশাহৰ এই আদেশত আনন্দ প্রকাশ কৰিলে আৰু বেদুইনী কায়দাত কেউজনে একেলগে হাত ধৰাধৰি কৰি থিয় হৈ সম্রাটক অভিবাদন জনালে।

অবিলম্বে বে আৰু ইস্পাহানৰ পৰা একে সময়তে চুলতানৰ বিপুল সৈন্যবাহিনী ৰাওনা হ'ল। তাৰ আগে আগে নগৰৰ বাহিৰত বৈ থকা তাজিক যো ধাসকলক লগত লৈ পুনৰ কুহিস্তানলৈ গুছি গ'ল ছবিৰ আহমেদ আৰু অন্য চন্দাৰ কেইজন।

দ্রুতগামী উট বোজাই কৰি ওমৰে পঠালে বিবিধ উপহাৰৰ বস্তু বিবি নাজমালৈ হাচিনালৈ ৰেজা খান চাহেবলৈ। কিযে নিদিব। বজাৰ যেন উদ কৰি তুলি দি পঠাব ওমৰে। দিয়াত ইমান পৰিতৃপ্তি ওমৰে কতকাল অনুভৱ কৰা নাই।

ছবিৰ আহমেদে হাহি মাৰি সুধিলে গোটেই ইস্পাহানৰ বজাৰকে কিনি পেলাবানেকি ওমৰ ভাই?

মাচাল্লাহ! মোৰ সিমান শক্তি আছে জানো। কিন্তু পৰা হ'লে ছবিৰ—মই তামাম দুনীয়াৰ দৌলত আৰ্ম্মা আৰু হাচিনাৰ হাতত দি দিলোহেতেন।

তেতিয়াতো অন্য মানুহৰ বাবে একোৱেই নেথাকিব ওমৰ। ওচমানে ক'লে।

সেই চিন্তা নকৰিবা ওচমান। বিবি নাজমা থাকিলে জগতৰ এটায়ে পাব আৰু হাচিনাই হাহিলে সকলোৱেই হাহিব।

একে সময়তে শ্বাহ দিজ আৰু আলামুট নামৰ দুই ঠাইত দুটা দুজ্জয় দুর্গ দৃঢ় ভাবে অৱৰোধ কৰা হ'ল। শ্বাহ দিজ পৰতৰ মাজত যে এনেকুৱা এটা দুর্গ আছিল সেই কথা কোনেও গম পোৱা নাছিল। শ্বাহ দিজৰ কাষৰীয়া বিস্তীণ এলকা জুৰি যিমান গ্রামাঞ্চল আছে

সকলোবোৰ শেখ অল জাবাল ওৰফে হাচান ইবন চাবাহৰ তলতীয়া। চেলজুক সাম্রাজ্যৰ মাজ মজিয়াত এনেদৰে এটাযে চোৰাং ৰাজত্ব চলি আছিল সেইকথা জানিব পাৰি চিপহ চালাৰ আৰু ফৌজী আমিৰ কেইজনে বিস্ময় প্ৰকাশ কৰিলে।

চাৰিও ফালৰ পৰা তাজিক আৰু আন আন বেদুইন জনজাতীয় সৈন্যই মৃত্যুৰ জাল পাতি হাচাচিন বিলাকৰ পথ ৰুদ্ধ কৰি ৰাখিছিল। আনহাতে শ্ৰেণীবদ্ধ ভাৱে আগবাঢ়ি খাহদিজ পৰ্বতৰ বনাঞ্চল অতিক্ৰম কৰি মূল দুৰ্গ প্ৰাকাৰ অৱৰোধ কৰিলে সৈন্যবাহিনীয়ে। এই দুৰ্গ ইমান দৃঢ় ভাৱে নিৰ্মিত যে ক্ষেপণাস্ত্ৰ বিলাক প্ৰয়োগ কৰিও কোনো ফল লাভ কৰা নাছিল।

একচল্লিশ

দুর্গ প্রাকাৰৰ গাথনিত কেনিও অকনো খুত নাই। বিৰাট বিৰাট শিলৰ চটা এনেকুৱা কৌশলেৰে গথা হৈছে যে এটা পকৰাৰ প্ৰৱেশৰো ছিদ্ৰ নাই। ঠায়ে ঠায়ে একো অংশত দুৰ্গৰ প্ৰাচীৰৰ কাম কৰিছে পৰ্বতৰ থিয় কঠিন শৈল গাত্ৰই। হাচানক মনে মনে তাৰিফ কৰিলে ওমৰে। হাচানৰ ভাইচৰিলাকৰ মাজত অনেক প্ৰতিভাশালী কাৰিকৰ আছে সেইবিষয়ে সন্দেহ নাই। সেই সু উচ্চ প্ৰাচীৰৰ চাৰিওফালে বহুবাৰ ঘুৰি ঘুৰিও দুগৰ দুৱাৰ কোনফালে সেইটোকে উলিয়াব নোৱাৰিলে ওমৰে। অথচ প্ৰাচীৰৰ ওচৰ পালেই ওপৰৰ পৰা জাউৰিয়ে জাউৰিয়ে তীৰ বৰষা নিক্ষেপ কৰে। দুগৰ প্ৰাচীৰৰ কাষতে পাহাৰৰ মাজত গভীৰ কন্দৰ সৃষ্টি কৰি বৈ আহিছে ময়েজনদী।

ওমৰ চিন্তিত হ'ল। দুগৰ প্ৰাচীৰৰ ওপৰত জাকে জাকে বগা কাপোৰ পিন্ধা ফিডাইচ। মৌৰ বাঁহৰ দৰে দুগৰ ভিতৰত হাজাৰ হাজাৰ মানুহৰ ব্যস্ততা বাহিৰৰ পৰাই অনুভৱ কৰিব পাৰি। কিন্তু ইহতৰ প্ৰৱেশ পথ কত? বাৰম্বাৰ চেষ্টা কৰিও দুৰ্গৰ ওপৰলৈ জখলা বা জৰীৰ মৈ দি উঠা সম্ভৱ নহ'ল।

নিশ্চয় ইহতৰ কেনিবা গোপন প্ৰৱেশ পথ আছে। হয়তো কোনো-পিনে সুৰঙ্গ আছে। যদি আছেও সি ইমান বেছি সুৰক্ষিত হ'ব যে সেইপিনৰ পৰা আক্ৰমণ সম্ভৱ নহ'ব। অন্যহাতে গোপন সুৰঙ্গ পথ প্ৰয়োজন হ'লে উৰাই দিবলৈও নিশ্চয় ব্যৱস্থা আছে।

লাহে লাহে সৈন্যবোৰৰ মাজতো বিয়পিবলৈ ধৰিলে সাধাৰণ মানুহৰ অন্ধবিশ্বাস যে শেখ আল জাবাল এক মহাশক্তিমান যাদুকৰ। সি যুদ্ধ কৰে জিন ভুতৰ সহায়ত। মাজৰাতি আকাশৰ বুকুত দুগ প্ৰাচীৰৰ ওপৰৰ পৰা ভমক ভমককৈ ৰঙা নীলা হালধীয়া ৰঙৰ জুই ওলাই থকাও দেখিলে এটায়ে। ওমৰে বুজিলে যে সেই জুইৰ খেলাও হাচানৰ এক চাতুৰি।

এদিন পুৱা ময়েজ নদীৰ ধাৰে ধাৰে উজাই গৈ ওমৰ সেই ঠাইত থিয় হ'লগৈ য'ত নদীয়ে দুয়ো পাৰে গভীৰ কন্দৰৰ সৃষ্টি কৰিছে।

মানুহৰ পিঠিৰ দৰে খিয় দুয়ো পাৰৰ গৰা। সেই গৰা ঠাইত ইমান ওখ যে সূৰ্য্যৰ পোহৰ নপৰে নদীৰ পানীত। বাওফালৰ গৰাৰ পৰা ত্ৰিশ হাতৰো কম দূৰত দুগৰ সেইদিশৰ প্ৰাচীৰ।

ময়েজ নদীৰ ধাৰে ধাৰে ওমৰ বহু দৰ আগুৱাই গ'ল আৰু ভটিয়াই আহিল। লগৰ সৈন্যবোৰে একো বুজিব পৰা নাছিল। ওমৰে কিন্তু লক্ষ্য কৰিলে যে অন্য কোনো ঠাইতে ময়েজ নদীয়ে ইমান গভীৰ কন্দৰৰ সৃষ্টি কৰা নাই। সেই ঠাইত কিন্তু পাহাৰটো দ্বিখণ্ডিত কৰি পেলাইছে। পুনৰ আহি সেই কন্দৰৰ তলিত নদীৰ অগভীৰ পানীত খিয় হৈ তীক্ষ্ণ দৃষ্টিৰে দুয়ো পাৰৰ মসৃণ পৃষ্ঠলৈ চকু ফুৰালে। দুয়োফালে অতি মসৃণ শৈলগাত্ৰত নদীবক্ষৰ লগত সমান্তৰাল দীঘলীয়া আঁক। তৰপে তৰপে বিভিন্ন গঠনৰ শিল আৰু মাটিৰ চিহ্ন নিভুল হৈ থাকি গৈছে পাহাৰৰ গাত। বহুত সময় তন্ন তন্ন কৈ নিৰীক্ষণ কৰাৰ পিচত ওমৰে দেখা পালে বিশ হাত মান ওপৰত এটা কজলা বহল ৰেখা। ওমৰৰ মন সেই ঠাইত নিবদ্ধ হ'ল। তেওঁ তেতিয়াই এদাল মৈ অনালে আৰু দুটামানক উঠি গৈ সেই কজলা দাগটোৰ ওচৰত খান্দিবলৈ লগাই দিলে। প্ৰথমতে সাধাৰণ মাটি ওলাল কিন্তু অলপ দৰ্কে খন্দাৰ পিচতে ওলাল বগা চনকা শিল।

ওমৰে উৎকণ্ঠাৰে বাট চাই আছিল। সেই বগা বগা চকমাটিৰ দৰে শিলবোৰ উফৰি আহি যত যত নদীৰ পানীত পৰিল তালৈ অতি মনোযোগেৰে চাই থাকিল ওমৰে। কিছুপৰৰ পিচত বুৰবুৰণি উঠি গাখীৰৰ দৰে বগা হৈ পৰিল ঠায়ে ঠায়ে নদীৰ পানী। ওমৰৰ চকু উজ্জ্বল হৈ উঠিল। চণশিল!

লৰালৰিকৈ তেওঁ শিবিৰলৈ উলটি আহিল। চিপহ চালাৰ আৰু আমীৰ কেইজনৰ লগত মন্ত্ৰণা কৰি সদল বলে আহি নদীৰ পৰাত যত খান্দিছিল তাত এখন আহল বহল মঞ্চ সাজিলে। পিচত মানুহ লগাই দিলে খানিবলৈ। কিছুপৰ খন্দাৰ পিচতে তেওঁ নিশ্চিন্ত হ'ল যে সেইটো চণশিলৰ পাহাৰ। চণশিলৰ এক বৃহৎ শিৰা নিভুলভাবে নামি গৈছে পাহাৰৰ অভ্যন্তৰলৈ। এই চণশিলৰ পাহাৰ ধ্বংস কৰি ময়েজনদীয়ে পাহাৰ দ্বিখণ্ডিত কৰিছিল।

দুৰ্গৰ সেই দিশত কামকৰা মানুহবোৰৰ সুৰক্ষাৰ ব্যৱস্থা হ'ল। সেইপিনে দুৰ্গৰ প্ৰাচীৰৰ ওপৰত মানুহ দেখা পালেই তীৰেৰে আক্ৰমণ

কৰিবলৈ তীৰন্দাজ সৈন্য সৰ্ত্তম কৰি ৰখা হ'ল। আহল বহল আৰু বহত মঞ্চ তৈয়াৰী কৰিলে একেসময়তে শই শই মানুহ লগাই দিয়া হ'ল খান্দিবলৈ। চাওতে চাঁওতে এক প্ৰকাণ্ড সুৰঙই প্ৰাচীৰৰ তলেৰে অকাই পকাই নামি গ'ল একেবাৰে দুৰ্গৰ মাজলৈকে। যিমানে ভিতৰলৈ সোমোৱা হ'ল সিমানেই বেছি উত্তম আৰু নিভেজাল চুণশিল পোৱা গ'ল।

প্ৰত্যেক দিনা দুৰ্গৰ চাৰিওফালে ঘুৰি ঘুৰি কাগজৰ ওপৰত যন্ত্ৰ-পাতিৰে নানা ছবি আকি হিচাব কৰি ওমৰে নিৰ্দ্দেশ দি থাকে কেনি যাব লাগিব সেই সুৰঙ। অৱশেষত যত সুৰঙ যে কৰিলেগৈ তাত কৰিলে এক বৃহৎ গহ্বৰ। শই শই মানুহে দিনে নিশাই কাম কৰি পোন্ধৰ দিনত এই কাম শেষ কৰিলে। ওমৰে হিচাব কৰি ক'লে যে সুৰঙটোৰ শেষত থকা সেই বৃহদাকাৰ গহ্বৰৰ চালৰ পৰা দুৰে মজিয়ালৈকে ত্ৰিশ পয়ত্ৰি হাতৰ বেছি নহব।

কাম কৰা মানুহ বা বনুৱাবিলাকে ওমৰৰ উদ্দেশ্য কি বুজিব পৰা নাছিল। সকলোৱে ভাবিছিল সুৰঙেৰে ওমৰে দুৰ্গৰ ভিতৰত প্ৰৱেশ কৰাৰ চেষ্টা কৰিব।

কাম শেষ হোৱাৰ পিচত ওমৰে চিপহ চালাৰ কেইজনেৰে সৈতে গৈ হাতত জোৰ লৈ নিজে সুৰঙ পৰিদৰ্শন কৰি আহিল গৈ। তাৰ পিচত সকলোকে অবাক কৰি দি ডাঠ কাঠৰ তক্তাৰে সুৰঙৰ মুখ এনে ধৰণে বন্ধ কৰালে যাতে সেইপিনে বতাহো নোসোমায়। ওমৰৰ এই কামবোৰ লৰাৰ ধেমালিৰ দৰে দেখা গৈছিল। মুখেৰে একো নকলেও খোদ চিপহ চালাৰে নিজেও অবিশ্বাসৰ ভঙ্গী কৰিছিল দুটা এটা।

এইবাৰ ওমৰে সুৰঙ মখৰ পৰা অলপ নামনিত ডাঙৰ ডাঙৰ দুজাৰী কাঠৰ খুটা পুতিলে নদীৰ বুকুত। দুইশাৰী খুটাৰ মাজত প্ৰথমে ডাঙৰ ডাঙৰ শিল পেলাই দি তাৰ পিচত বান্ধ দিলে দুই পাৰে ওখ পাৰৰ সমান কৰি। নাতিবৃহৎ ময়েজ নদীৰ গতি স্তব্ধ হৈ গ'ল। বান্ধৰ নামনিত নদী শুকাই গ'ল।

কিন্তু বান্ধৰ ঊৰ্দ্ধত চাওঁতে চাওঁতে নদীয়ে ক্ৰুদ্ধমূৰ্ত্তি ধাৰণ কৰিলে। নদীৰ পানী ওফন্দি আহি এটা সময়ত সুৰঙমুখ বুৰাই পেলালে। বান্ধৰ ওপৰেদি পানী বাগৰিবলৈ ধৰিলে। মন্ত্ৰমুগ্ধৰ দৰে চাই থকা সৈন্যবোৰক ওমৰে সাজু ৰাখিলে দুগৰ ভিতৰৰ পৰা

সম্ভাব্য আকস্মিক আক্রমণৰ বাবে। বিস্মিত কিছুমান ফিডাইচক প্রাচীৰৰ ওপৰত ভুমুকা ভুমুকি কৰি থকা দেখা গ'ল।

সকলো আয়োজন সম্পূর্ণ কৰি ওমৰে দামামা বজাই দুগৰ উদ্দেশ্যে ঘোষণা কৰিলে শ্বেত পতাকা তুলি হাচান ইবন চাবাহ বা তেওঁৰ প্রতিনিধি যেয়েই আছা কালিলে সযোদয়ৰ আগে আগে আত্ম সমৰ্পণ কৰা। নহলে ধ্বংসৰ বাবে সাজু হোৱা। যদি আত্মসমৰ্পণ নকৰা কালিলৈৰ সযোদয়েই তোমালোকৰ জীৱনৰ শেষ সযোদয়।

উত্তৰত আহিল এজাউৰি কাঁড় আৰু জ্বলন্ত উত্তলা তেলৰ অগ্নিবৃষ্টি।

বেচ! আমি উত্তৰ পালো। ওমৰে ক'লে।

অশ্বাৰোহী সৈন্য বাহিনীয়ে দুই মাইললৈকে সমগ্র অঞ্চল তহল দিবলৈ ধৰিলে। বেদুইন যুজাৰু বিলাকে শেন দৃষ্টিৰে চাৰিওফালে লক্ষ্য ৰাখিবলৈ ধৰিলে। এদাল কাড়ত এটুকুৰা কাগজ বান্ধি দুগলৈ নিক্ষেপ কৰা হ'ল।

এতিয়াও দুগ ত্যাগ কৰা। কাৰণ কোনো শক্তিয়েই—এক মাত্র আল্লাহৰ বাহিৰে— তোমালোকক এতিয়া ৰক্ষা কৰিব নোৱাৰে।

মাজৰাতি সৈন্যবোৰে ৰচী টানি সুৰঙ্গ মুখৰ কাঠৰ ঢাকনি খুলি দিলে। ভীষণ শব্দ কৰি নদীৰ ওফন্দি উঠা পানী সুৰঙ্গ পথেদি গহৰৰৰ অভ্যন্তৰলৈ নামি গ'ল। হাতে হাতে জোৰ লগাই চাৰিওফালে পোহৰ কৰি পেলোৱা হ'ল। সকলোৱে শ্বাসৰুদ্ধ কৰি বাট চাবলৈ ধৰিলে।

প্রথম উষাৰ প্রথম পোহৰে পৃথিবীলৈ সিচি দিলে ধৰলী ৰৱণ। এটা এটাকৈ জোৰবিলাক নুমাই পেলোৱা হ'ল। এনেতে ভৰিৰ তলৰ পৃথিবী কপিবলৈ ধৰিলে মৃদু ভাৱে। দগৰ কাষৰ পৰা সৈন্য বোৰক অপসাৰণ কৰা হ'ল কিছু দূৰলৈ।

ইয়া আল্লাহ!

বিচমিল্লাহ!

মাচাল্লাহ!

বিস্ময় আৰু ভয়ত নানা ধ্বনি উঠিল মানুহবোৰৰ মাজৰ পৰা। ভূ কম্পন ক্রমাৎ প্রবল হৈ আহিবলৈ ধৰিলে। দুগৰ ভিতৰৰ পৰাও চিঞৰ বাখৰ উঠিল। পাহাৰৰ গভদেশৰ পৰা এটা অদ্ভুত ভয়াবহ গুমগুমনি শব্দ হ'বলৈ ধৰিলে। কিছুমান বাদশাহী সৈন্যয়ো ভয়ত কঁপিবলৈ ধৰিলে। দুগৰ ভিতৰৰ পৰা অমানুষিক আৰ্তস্বৰ ভাহি

আছিল। লৰা ধপৰাৰ শব্দ শুনা গ'ল।

মমান্তিক উৎকণ্ঠাৰ মাজত সকলোৱে আৰু দুঘণ্টা বাট চালে। তু-কম্পন ইমান তীব্ৰ হ'ল যে মানুহ থিয় হৈ থাকিব নোৱাৰা হ'ল। সৈন্য বাহিনী আৰু পিছুৱাই দিয়া হ'ল।

সেইদিনা সুকযে ৰক্তচক্ষু মেলি পৰ্বতৰ শীৰ্ষত আৰোহণ কৰাৰ লগে লগে ভয়ঙ্কৰ শব্দ কৰি প্ৰথম বিস্ফোৰণৰ শব্দ উঠিল। হৰ মুৰ কৰি দগৰ এখন প্ৰাচীৰ খণ্ড বিখণ্ড হৈ উফৰি পৰিল। ধুলি ধোৱাৰে দুগৰ ওপৰৰ আকাশ ঢাকি পেলালে। থিয় হৈ থকা দেৱালবোৰৰ ওপৰৰ পৰা পাগলৰ দৰে ফিডাইচ বিলাকে জপিয়াই পৰিবলৈ ধৰিলে। এনেতে পুনৰ এটা বিস্ফোৰণ।

দুপৰীয়াৰ আগে আগে ধুলি নোহোৱা হ'ল। কিন্তু ধোৱা ওলা য়েই আছিল। দুগ তেতিয়া এক ধ্বংসস্তূপত পৰিণত হৈছে। আতঙ্কত অৰ্দ্ধোন্মাদ কিছুমান মানুহ বন্দী হ'ল। কতো কিন্তু কোনো তিৰোতা মানুহ থকাৰ চিন পোৱা নগ'ল। চৌপাশৰ বনভূমি চলাথ কৰি বিচাৰিও কতো দ্বিতীয় সুৰঙ্গ পথৰ উমান পোৱা নগ'ল। এই দুগটোলৈ গোপন প্ৰবেশ পথ কেনি আছিল সি সাথৰ হৈয়ে ৰ'ল। কিন্তু এটা কথাত ওমৰ নিশ্চিন্ত আছিল যে হাচান সেই দুগত নাছিল। অন্য মানুহৰ জীৱনৰ প্ৰতি যিমানেই অশ্ৰদ্ধা নেথাকক হাচানৰ— নিজৰ জীৱনক লৈ ইমান হেতালি নেথেলে। কিন্তু শ্বেখ-আল জাবাল বুলি যি উপকথা হাচানে সযত্নে গঢ়ি তুলিছিল সি কিছুদিনলৈ নিস্তব্ধ হৈ গ'ল।

সেইদিনা আবেলিয়েই তাজিক ৰণুৱাহতে ওমৰক সম্বৰ্দ্ধনা জনালে। ৰেজাখান চাহেব মৰুভূমি শাসন কৰাত ব্যস্ত। ওমৰৰ সৈতে দেখা নহ'ল। কিছুসংখ্যক সৈন্য এজন সেনাপতিৰ তলত তাত এৰি থৈ ওমৰে সেইদিনাই ৰে নগৰ অভিমুখে যাত্ৰা কৰিলে। পঞ্জপালৰ দৰে জাকে জাকে বেদইন লোক দুগৰ ধ্বংসলীলাৰ মাজত পিয়াপি দি ফুৰিবলৈ ধৰিলে লটৰ আশাত।

মালিকশ্বাহ পুনৰ যাত্ৰাৰ বাবে সাজু হৈছিল লগত তেওঁৰ বিজয়ী তাৰ্তাৰ বাহিনী লৈ। চমৰখন্দৰ সীমান্তত চীনা সম্ৰাটৰ লগত সীমালৈ

বিবাদ আৰম্ভ হৈছিল। বে নগৰত সেই যাত্ৰাৰ খদমদম লাগিছিল।

ওমৰৰ মুখত খাহদিজৰ বতৰা শুনি সম্ৰাটে আনন্দ প্ৰকাশ কৰিলে। ইতিমধ্যে বে' নগৰত সাধাৰণ মানুহৰ মাজত জনৰব প্ৰচাৰ হৈছিল যে কুহিস্তানৰ যাদুকৰক সদৰ ই মুনাজ্জিমে নিজৰ অধিক শক্তিশালী যাদুৰে ধ্বংস কৰিলে। নহলে অস্ত্ৰে শস্ত্ৰে নিবিদ্ধা নকটা জিন ভূতৰ লগত যুদ্ধ কৰিব পাৰেনেকি কোনোবাই। সম্ৰাটৰ চকুতো একে ধৰণৰ বিশ্বাসৰ আভাস দেখিলে ওমৰে। প্ৰভূত পুৰস্কাৰ দিলে ওমৰক তেওঁ। আলামুটৰ হাচাচিন দুগ অৱৰোধ কৰা আমীৰ জনলৈ জৰুৰী সংবাদ পঠালে দুগ দখল নকৰালৈকে যেন বিশ্ৰাম লোৱা নহয়।

সেই সময়তে আকাশত এটা ধোজাল তৰা ওলাল। এই ধুমকেতু কেবাদিনো ধৰি আকাশৰ দক্ষিণ পশ্চিমকোণৰ পৰা উত্তৰ পূব কোণলৈ যাবলৈ ধৰিলে। তাৰ মকৰাজালৰ দৰে পাতল পুচ্ছ দেশৰ মাজেদি ম্লান হৈ দেখা দিলে চুহাইল নক্ষত্ৰ। এই চুহাইল নক্ষত্ৰ সৌভাগ্যৰ পৰিচায়ক বুলি ইৰাণত ধৰা হয়। গ্ৰীক নাম কেনোপাচ।

ভীত মালিকশ্বাহে লৰালৰিকৈ ওমৰক মাতি পঠালে।

এয়া বিপদৰ আগজাননী। গম্ভীৰভাবে ওমৰে ক'লে।

বিপদ? কি বিপদ হ'ব পাৰে? মালিকশ্বাহে সুধিলে।

ই সূচাইছে ৰাষ্ট্ৰৰ বিপৰ্যয়। গতিকে তাৰ প্ৰভাৱৰ পৰা আপুনি বা মই কোনো সম্পূৰ্ণৰে হাত সাৰিব নোৱাৰো। —ওমৰে পুনৰ ক'লে। সাধাৰণ জ্যোতিষে যি কয় সেইটোকে ওমৰ কৈছিল। কিন্তু তাৰ প্ৰেৰণা আছিছিল অন্তৰৰ অন্তস্থলিৰ পৰা কোনো সংজ্ঞাৰে বৰ্ণনা কৰিব নোৱাৰা ষষ্ঠ ইন্দ্ৰিয়ানুভূতিৰ পৰা। ওমৰৰ মাটো গধুৰ হৈ পৰিছিল।

তেনেহলে আমি আল্লাহক প্ৰাৰ্থনা কৰিব পাৰো মাত্ৰ। দো ৰোজ শুজৰ কদান অজ মগ চাজা নিস্ত। ৰোজকে কাজা বশদ ৰোজকে কাজা নিস্ত। দুই ধৰণৰ দিনত আমি ভয় কৰিব নেলাগে ওমৰ। যিদিনা আমাৰ ললাটত মৃত্যু লিখা আছে আৰু সিদিনা লিখা নাই।

চুলতানৰ গম্ভীৰ মুখত এতিয়া শংকাৰ লেশমাত্ৰ নাই। বৰঞ্চ এটা স্মিত হাঁহিৰ ক্ষীণ ৰেশহে মুখত লাগি আছিল। আগলৈ হাউলি

সোণৰ কাঁহীৰ পৰা দুখোপা মদত জুবুৰিয়াই থোৱা আঙুৰ তুলি ল'লে মালিকগ্ৰাহে। এখোপা ওমৰক দি নিজেও এটা দুটাকৈ খাবলৈ ধৰিলে। এয়া অসামান্য ৰাজ অনুগ্ৰহৰ চিন।

আলিজা। আপুনি অনুমতি দিলে মই এতিয়া পুনৰ নিচাপুৰলৈ যাব খোজো। অনেক কাম পৰি আছে।

পুনৰ আস্মানত উঠিবা? আচ্ছা যোৱা। চমৰখন্দৰ পৰা ময়ো নিচাপুৰলৈ যাব পাৰো।

ওমৰৰ মনত তৰাঘৰৰ হেপাহ জাগিছিল। সম্ৰাটৰ সম্মুখত আঠুঁ লৈ মূৰ দোৱালে ওমৰে। ৰাৰ পিচত থিয় হৈ বুকুত হাত থৈ ক'লে।

আপোনাৰ যাত্ৰা শুভ হওক। ৰ আমানে খুদা।

ৰ খুদা সপুদমৎ। অস্ফুট স্বৰে মালিকগ্ৰাহে ক'লে। ওমৰক খোদাৰ হাতত চোপদ কৰিলে তেওঁ।

পিচদিনাই ওমৰে নিচাপুৰ অভিমুখে ৰাওনা হ'ল।

কিবা এটা বুজিব নোৱাৰা উৎকণ্ঠাই ওমৰৰ মন অশান্ত কৰি তুলিছিল। পনৰ সেই খোৰাচাণী ৰাজপথ। ওমৰৰ জন্মস্থান নিচাপৰ। সম্যৰ দেশ খোৰাচান। হাজাৰ স্মৃতিয়ে ভৰা নিচাপৰৰ হাত ৰাউল সদায় অনুভৱ কৰে ওমৰে মনৰ মাজত। খোৰাচানৰ উন্মুক্ত প্ৰান্তৰে বছৰৰ বেলেগ বেলেগ ঋতুত বেলেগ বেলেগ ৰূপত দেখা দি আচ্ছন্ন কৰি ৰাখে মন আৰু তত কৰি ৰাখে হৃদয়।

কিন্তু ওমৰৰ মনৰ অনুভূতিয়ে তাতোকৈও অন্তৰঙ্গ আৰু পীড়াদায়ক এক আবেগৰ সৃষ্টি কৰিছিল এইবাৰ। যেন কিবা এটা জৰুৰী কাম বাকী থাকি গ'ল যেন বেছি সময় নাই। এই যুক্তিহীন কাৰণহীন উদ্বিগ্নতাৰ উৎস ক'ত বুজি নেপালে ওমৰে।

নিজামৰ অবিহনে ওমৰকে সম্ৰাটৰ পিচত ৰাজক্ষমতাৰ প্ৰতিভূ ধুলি ভাবে এতিয়া সকলোৱে। সকলো ঠাইতে ওমৰক সম্ভাষণ জনাবলৈ ৰাজপুৰুষ আৰু নাগৰিকসকলে বিস্তৰ আয়োজন কৰিছিল। সকলোৱে

উৎফুল্লমুখবোৰ দেখিও ওমৰৰ মনৰ পৰা সেই খুচখুচনি যোৱা নাছিল।

নিচাপুৰত সোমাই তেওঁ প্ৰথমেই গ'ল তৰা ঘৰলৈ। লগে লগে জানিব পাৰিলে সেইদৰে উণ্ডল থুণ্ডল লাগি থকাৰ কাৰণ কি।— মাইমুন চাহেবৰ হাতবাকচৰ পৰা ওমৰৰ নৱ লব্ধ তথ্যৰ কিতাপখন কোনোবাই চুৰি কৰি নি নগৰত সদৰি কৰি দিলে। লগে লগে উলেমাৰ পণ্ডিত সকলে এক গোট হৈ ওমৰৰ বিৰুদ্ধে এক শক্তিশালী ধৰ্মীয় প্ৰতিৰোধ গঢ়ি তুলিছে। তৰাঘৰৰ কমচাৰী আৰু উস্তাদ সকল ৰাজ পথলৈ ওলোৱাই বিপদজনক হৈ পৰিছে। তৰাঘৰৰ সম্মুখত সশস্ত্ৰ সৈন্যই পহৰা দি আছে। ওমৰৰ লালমহলৰ বাহেও প্ৰহৰী মোতায়েন হৈছে। এই খবৰ মেহেৰে আহি ওমৰক জনালে।

এই ধৰ্মীয় প্ৰতিৰোধ গঢ়ি তুলিছে স্বয়ং আল ঘজালীয়ে। এদল মানুহে পথে ঘাটে ফুচফুচাই প্ৰচাৰ কৰি ফুৰিছে যে তৰাৰ ঘৰ এক চয়তানৰ আড্ডাৰ বাহিৰে একো নহয়। ইহতে কোৰাণ বিৰোধী নিয়মে জিনৰ সহায়ত যাদুৰ চৰ্চা কৰিছে। ইছলাম বিৰোধী নতুন নতুন মত প্ৰকাশ কৰিছে চন্দ্ৰ সূৰ্য্যৰ বিষয়ে। এইবোৰ পাপৰ ফলত দেশৰ অমঙ্গল হ'বলৈ বাধ্য।

—এক অতি হতাশ ভীতিগ্ৰস্ত নিৰুদ্যম মাইমুনে ওমৰৰ আগত বিবৰি ক'লে কেনেকৈ চুৰি হ'ল।

দুজন মানুহ আহিছিল সেইদিনা আবেলি। কথা বতৰাত জানিলো আলিম মানুহ। মোৰ লগত বহুসময় আলোচনা কৰিলে। মই কিন্তু এই নতুন কিতাপখনৰ বিষয়ে কোনো কথা আলোচনা কৰা নাছিলো। আপোনাৰ প্ৰকাশিত কিতাপবোৰৰ ওপৰতহে কথা হৈছিল।

দুজন মানুহ? কেনেকুৱা বাক দেখিবলৈ? ওমৰে সহজ ভাৱেই সুধিলে। মাইমুনে মনত পেলাই পেলাই বৰ্ণনা দিলে।

হাচান ইবন চাবাহৰ মানুহ। ওমৰে ক'লে।

কি! মাইমুনৰ চকু যেন কপালত উঠিল।

সেইবোৰলৈ কাণ নকৰি ওমৰে তেতিয়াই চিৰাজী আনিবলৈ ক'লে। কিছুসময় নীৰৱে এঢোক এঢোককৈ মদ খালে। তাৰ পিচত ক'লে—

সেইবোৰ ভাবি আৰু লাভ নাই মাইমুন। হফ্‌তম বিলাকৰ ইমাম হাচান-ইবন চাবাহৰ লগত মোৰ শত্রুতা হৈছে। মোক হাচাচিনৰ

হতুৱাই গুপ্তহত্যা কৰিবলৈকে এবাৰ সিদ্ধান্ত কৰিছিল বোধহয়। পিচত কিবা ভাবি মোক অন্য প্ৰকাৰে অন্যায় কৰিব খুজিছে। তোমাৰ কোনো কচুৰ হোৱা নাই কিন্তু এতিয়া তুমি পাৰিবা জানো?

মাইমুনে একো বুজিব নোৱাৰি আকৌ সুধিলে কি?

ওঁহো তুমি নোৱাৰিবা। তোমাৰ চিৰ সজাগ মন উৎকাৰ বেগেৰে ধাবিত হব পাৰে বন্ধ মাইমুন। কিন্তু তোমাৰ হাত বান্ধ-ক্যাই মৰ্ছৰ কৰি পেলাইছে। ইল্‌ফিজাৰীক মাতা—।

তৰুণ পণ্ডিত ইল্‌ফিজাৰী চৌখিন মানুহ। চুমা লগোৱা চকুত যৌৱনৰ তিৰবিৰণি। পৰিষ্কাৰ চুৰিদাৰ কুৰ্তা আৰু চিলোৱাৰত গোলাপজলৰ খুশবু। ওমৰে হাহিলে—

বহা ইল্‌ফিজাৰী এখন বহী লোৱা আৰু লিখি যোৱা। মাইমুন তুমি শুনি যাবা। মই যদি কৈ যাওঁত ভুল হয় তেন্তে মনত পেলাই দিবা।

তাৰ পিচত ওমৰে প্ৰথম পৃষ্ঠাৰ পৰাই কৈ গ'ল হেজাৰো কিতাপ খনৰ সমুদায় লিখনি। এটা শব্দও কতো থাকি নগ'ল। মাজে মাজে মাইমুনে দেখুৱাই দিলে কত কিমান ঠাই এৰিব লাগিব কাগজৰ পিঠিত পিচত চিন্তাবোৰ আঁকি দিবৰ কাৰণে। বিৰতিহীন ভাবে ওমৰে কৈ গ'ল। লিখনি চলিল অবিৰাম।

তৰাঘৰত পুনৰ সেই অমানুষিক পৰিশ্ৰমৰ তিনিদিন অতিবাহিত হ'ল। তাৰ উপৰি আৰু এবেলা। চতুৰ্থ দিনা আবেলি আচৰৰ নামাজৰ আগে আগে এক ক্লান্ত ইল্‌ফিজাৰীয়ে লিখনি নমাই থৈ কলে—

লিখা শেষ হ'ল খাজা ওমৰ।

ইনচাল্লাহ! খাজা ওমৰ ঈশ্বৰে আপোনাক তীক্ষ্ণ স্মৃতিশক্তিৰ অধিকাৰী কৰিছে। মাইমুনে কলে।

সেই পৰিমাণে দুখ আৰু বেদনাবোধ গৰাকী কৰিছে মাইমুন।" ওমৰে কলে। তাৰ পিচত ইল্‌ফিজাৰীৰ ফালে চাই সুধিলে শেষ হ'ল লিখা?

হয় খাজা ওমৰ।

তোমাক বহুত কষ্ট দিলো ইল্‌ফিজাৰী। ওমৰে শকত বহীখন হাতত তুলি এবাৰ খৰ খৰকৈ পাতবোৰ লুটিয়াই চালে। তাৰ পিচত শেষত লিখিলে তামাম শোধ—সমাপ্ত। তলত লিখিলে — গ্ৰন্থকাৰ ওমৰ বেন ইব্ৰাহীম। অলপ বৈ আকৌ লিখিলে অল খায়াম।

বিষাল্লিশ

চাৰিদিনৰ মুৰত পুনৰ ৰাজপথলৈ ওলাল ওমৰ। লাহে লাহে ঘোৰাৰে লালমহলৰ ফাললৈ গৈ থাকোতে ওমৰে লক্ষ্য কৰিলে যে মানুহবোৰ তেওঁক দেখিলে নীৰৱ হৈ যায়। হাতৰ কাম বন্ধ কৰি দজীখানাৰ পৰা কমাৰশালৰ পৰা দোকানৰ পৰা সোণাৰীৰ দোকানৰ পৰা এটায়ে নীৰৱে ওমৰলৈ এবাৰ চাই থাকে। এজাক মাদ্ৰাছাৰ ছাত্ৰ জুম বান্ধি ঘৰলৈ উলটিছিল। ওমৰ ওচৰ চাপিলত হাত দাঙি এটায়ে অভিবাদন জনালে কিন্তু কথা বতৰা বন্ধ কৰি নিজম পৰিল।

তিক্ত হাহি মাৰি ওমৰে ভাবিলে হাচানৰ কাড় ঠিক লক্ষ্যতেই লাগিছে। মাত্ৰ চোৰা যাওক ই কিমান দূৰ বিস্তাৰিছে। গণিতৰ ছাত্ৰ ওমৰ আৰু সপোন বিলাসী হাচান। হাচানে নিজকে কয় সত্য সন্ধানী বুলি কিন্তু অৱলম্বন কৰে চাতুৰী আৰু ৰক্তপাত। সেই পথ ওমৰে ঘৃণা কৰে। ওমৰৰ পথ অবাধিত আলোকৰ পথ। মই সৰ্বশক্তিমান আল্লাহৰ ওচৰলৈ কোনো নীচতাৰ লজ্জাত অধোমুখ হৈ যাব নোখোজো। সেই গ্লানিৰ পৰা মোক ৰক্ষা কৰিবা। হে খোদা বাকী তোমাৰ সকলো দণ্ড মৰ পাতি লবলৈ সাজু আছো।

লালমহলৰ তোৰণেদি প্ৰৱেশ কৰোতেই ওমৰৰ কাণত পৰিল ওচৰৰ কোনো মচজিদৰ ওখ মিনাৰৰ পৰা মুয়েজ্জিনৰ প্ৰাৰ্থনাৰ বাবে মিঠা আহ ান— নগৰীবৰ নামাজৰ আজান। আজি বহুদিন নামাজ পঢ়া নাই তেওঁ। উজ্জ্বল আলোকিত বৈঠক খানত প্ৰবেশ কৰি অলপ বৈ আকৌ ওলাই আহিল। বাৰান্দাৰে ঘৰি গোটেই লালমহল এবাৰ চালে। সকলোপিনে পৰিপাটি দেখি নিজকে নিজে ক লে— তাৰমানে চিৰিণ এতিয়াও আছে।

ওপৰ মহলৰ এটা কক্ষত চিৰিণে তেতিয়া বগা কাপোৰ পিন্ধি নামাজ পঢ়ি আছিল। কোঠাটোত এদাল মমৰ ক্ষীণ পোহৰ। কিব লাৰ ফালে মুখ কৰি আঠু কাঢ়ি বহাৰ পৰা থিয় হৈ পুনৰ আঠু কাঢ়িছিল চিৰিণে।

ওমৰৰ বৰ ভাল লাগিল। সেইমুহূৰ্ততে চিৰিণক সৰগৰ কোনোবা

যেন লাগিছিল। ওমবে দুবাবব কামব পবাই অলপ সময় চালে। তাব পিচত পুনব লাহে লাহে আহি বৈঠকখানাত সোমাল।

কি কবা যাব ওমবে খুব দকৈ চিন্তা কবিলে। নিজামে কৈছিল সেইটো নিশ্চিত আত্মহত্যাব পথ।

হাচানে সেই পথকে ওমবব বাবে খুলি দিছে। এতিয়া সেই পথ ধবি আগুবাবই লাগিব। অন্য পথ নাই। যদি আছেও সেয়া হ'ব অবমাননাব পথ অসত্যব পথ।

কোনোবাই কিতাপখন নিচাপুব মাদ্রাছাব মাজ মজিয়াত এবি থৈ গৈছিল। লগে লগে তাব বিষয়বস্তু সকলোবে মুখে মুখে হৈ গ'ল। উলেমা ভয়ানক অসন্তুষ্ট। আনকি অলপতে আকাশত দেখা দিয়া ধুমকেতুব লগত কিতাপ খনব সম্বন্ধ আবিষ্কাব কবিছে কিতাপখনব কিছুমান অন্ধবিশ্বাসী মতলবী মানুহে। এই পাপাক বা অপবিত্র কিতাপখন লিখাব বাবেই হেনো আকাশত নেজাল তবা ওলাইছে। জোন বলি তবা আল্লাহব মহিমাব প্রকাশ। সেই জোন বেলি তবাক লৈ এনকুবা বিকৃত ব্যাখ্যা হ'লে যি পবিমাণব গুনাহ হয় তাব ফলত স সাবব সকলো ইমানদাবব অমঙ্গল হ'বলৈ বাধ্য। হাচানব মানুহে নিজেই এইবোব কথা মানুহব মাজত প্রচাব কবি ফুবিছে।

হাচানব উদ্দেশ্য স্পষ্ট। ওমবক হাত কবিবলৈ বা সম্পূর্ণৰূপে বিধ্বস্ত কবিবলৈ শেষ অস্ত্র প্রয়োগ কবিছে। হত্যাতো সহজেই কবিব পাবে। কিন্তু হাত কবাব আশা বোধহয় এতিয়াও সম্পূর্ণৰূপে ত্যাগ কবিব পবা নাই।

কিন্তু হাচানব এই কাম এটা নিমিত্ত মাত্র। হাচানে প্রচাব নকবিলেও ওমবে এদিন নিশ্চয় নিজেই প্রচাব কবিব লাগিলহেতেন নিজব এই আবিষ্কাবব বিষয়ে। নিজামে কোৱা এই অ আত্মহত্যাব পথত স্বইচ্ছাই এদিন খোজ দিব লাগিলহেতেন।

জ্ঞান বৃক্ষত নিষিদ্ধ ফল যি খাইছে সংসাব তাব বাবে সেন্দুবীয়া আলি হ'ব নোৱাবে। দুখ কষ্ট অপমান মৃত্যুভয় তাব চিবসঙ্গী।

ওমবে সিদ্ধান্ত কবিলে। বাহিবত কোনো ভাব প্রকাশ নকবিলেও দুদমনীয় আবেগত ওমবব অন্তব গুমবি উঠিছিল। যদি প্রয়োজন হয় ওমব ধ্বংস হৈ যাব। কিন্তু বিচাবক পাতি যাব এই বিপুলা পৃথিবী আৰু নিৰবধিকালক। হাচানক নহয়। উলেমাকো নহয়।

ওমৰে মাইমুন আৰু ইস্ফিজাৰীক চেলজুক সাম্ৰাজ্যৰ অন্তভুক্ত সকলো দেশৰ প্ৰসিদ্ধ গণিতজ্ঞ আৰু জ্যোতিৰিদসকলৰ এখন তালিকা প্ৰস্তুত কৰিবলৈ ক'লে। দেশত বিভিন্ন ঠাইত যিমান মাদ্ৰাছা আছে মোক্তাৰ আছে সেইবিলাকৰ লগত যুক্ত যিমান গণিত আৰু জ্যোতি বিদ্যাৰ উস্তাদ আছে সকলোৰে নাম সেই তালিকাত সন্নিবিষ্ট হ'ব লাগিব। বাগ্দাদ আৰু উৰঘান্দৰ নিজামিয়া মাদ্ৰাছাৰ পণ্ডিতসকল ওমৰৰ লগত ব্যক্তিগত ভাবে পৰিচিত আছিল। সকলোৰে নাম তেওঁ নিজেই কৈ গ'ল। তাৰোপৰি মৰুপথৰ দাতিৰ প্ৰবীণ উস্তাদ আলিৰ নাম ক'লে। সকিয়াই দিলে যে নিচাপুৰ কিডাক ৰে এলেপ্পো ইস্পাহান বোখাৰা দামাস্কচ বচোৰা ঘজনী চিৰাজ চমৰকন্দ বালখ বদখচান —কোনো ঠাইৰে কোনো গণিতজ্ঞ বাদ পৰিব নেলাগিব। কাম কষ্টসাধ্য কিন্তু নিয়াৰি হ'ব লাগিব। লগতে কৈ দিলে এই কাম অতি সংগোপনে হোৱাই বাঞ্ছনীয়। মাইমুন আৰু ইস্ফিজাৰীৰ খুব কৌতুহল জাগিছিল। কিন্তু ওমৰৰ অতীব গম্ভীৰ মুখ দেখি একো সুধিবলৈ সাহস নকৰিলে।

লালমহললৈ আহি ওমৰে আৰু বহুত পৰ ভাবিলে। তাৰ পিচত দুটা বিশ্বাসী অনুচৰক মাতি আনি এখন চিঠি দিলে।

তহত কুদ্দিস্তানলৈ যাব লাগে।

হুজুৰ কুদ্দিস্তান। চোক গিলি মানুহদুটাই ক'লে তালৈ গ'লেতো শুনিছো পদান'লৈ কোনো ঘৰি আহিবলৈ নেপায়।

"ভুল শুনিছ। তহত নিৰিঘ্নে ঘুৰি আহিব পাৰিবি। এই চিঠিখন লৈ যাবি কুদ্দিস্তানৰ মোকামা নামৰ ঠাইলৈ। এখন সৰু নগৰ মোকামা। মোকামাৰ শেখ আবদাল্লা হোচেন কায়ম খান চাহেবক এই চিঠি দিবি।

দহদিনৰ ভিতৰতে এদিন আ'বলি আবদাল্লাক দেখা গ'ল লাল মহলৰ দুৱাৰ মুখত। ওমৰে ওলাই আহি সাদৰ অভ্যৰ্থনা কৰিলে পুৰণা বন্ধুক। বহুদিনৰ মুৰত ওমৰক আকৌ প্ৰফুল্ল দেখা গ'ল। লালমহলৰ বৈঠকখানাত আকৌ অন্তৰংগৰ হাহিৰ ঢৌ বাগৰি গ'ল।

চিৰিণে দুয়োৰে আলপৈচান ধৰিলে। বহুদিনৰ মুৰত ওমৰে যাৰ সঙ্গ পাই ইমান আনন্দিত হ'ব পাৰে সেই মেহমান জনলৈ তাইৰ এনেয়ে সদয় ভাব হ'ল। তেতিয়া শীতৰ অন্ত হৈছিল যদিও বাগিচাত

বগা বগা তচ বী গোলাপ ফুল তেতিয়াও চেৰ ফুলি আছিল। এটা কুকিত তাৰ কিছুমান ফুল আনি কাষত থৈ গ'লহি চিৰিণে। কোঠাটো আমোলমোলাই গ ল সুগন্ধৰে।

জিৰণিৰ শেষত আবদাল্লাই ওমৰক সুধিলে খাজা ওমৰ এতিয়া কওক কিয় এই গৰীবক স্মৰণ কৰা হৈছিল।

ওমৰে সকলো কথা ক লে। হাচানৰ কথা কওঁতে আৰু মাহ দিজৰ যুদ্ধৰ কথা কওঁত আবদাল্লাই আবেগতে ওমৰৰ দুগালে দুটা চুমাই খাই পেলালে।

এতিয়া চোৱা আবদাল্লা মই মোৰ এই নতুন জ্যোতিবিদ্যাৰ তথ্যৰ কথা দেশৰ সকলো পণ্ডিতৰ আগত ব্যক্ত কৰিব খোজো। মই ভাবি চাইছো যে নক্ষত্ৰ বিজ্ঞানৰ এইবোৰ কথা সাধাৰণ মানুহে বুজি নেপাব বা বুজি পালেও নিজৰ অন্ধবিশ্বাসৰ গুনে গ্ৰহণ নকৰিব। গতিকে তৰাৰ ভাষা যি বুজি পায় তেনেকুৱা গণিত আৰু জ্যোতিবিদ্যাৰ বিশেষজ্ঞ সকলক্ষহে এই কথা জনাব খুজিছো। তাৰ বাবেহে তোমাক মাতিছো। কাৰণ এই কামত বিপদ আছে।

একো নুবুজি আবদাল্লাই ওমৰৰ ফালে চাই থাকিল।

খাজা মৰ ও আপুনি কৈছে পৃথিৱী সূৰ্যৰ চাৰিওফালে ঘৰি আছে। সেই কথা মই মানি লৈছো। কাৰণ নিতান্ত বুৰক নহ লে যি কোনোৱে বুজিব যে আপুনি এই মোল্লা মৌলবীহততকৈ এইবোৰ কথা চেৰ বেছি জানে। তাৰোপৰি পৃথিবীয়েই ঘৰক বা সূৰ্যই ঘূৰক তাত আবদাল্লাৰ কি আহে যায়। মই কি কৰিব লাগে কওক।

ওমৰে হাহিলে আবদাল্লাৰ কথা শুনি। আবদাল্লাৰ যি কথা বেদুইনবিলাকৰো সেই একে কথা। দৰ্শন বিজ্ঞানৰ জটিল সূত্ৰৰ প্ৰতি একো আগ্ৰহ নাই।

তাকে কওঁ বুলিতো তোমাক মাতিছো। এতিয়া এইযে আলিম সকলক মই মাতিম মোৰ মেহমান হৈ আহিব যেতিয়া তেওঁলোকৰ জান মানৰ জিম্মেদাৰ মই হ মনে নহম?

আলবৎ হব।

এতিয়া নিচাপুৰত মোল্লা মৌলবীসকল মোৰ ওপৰত ক্ষুব্ধ। সাধাৰণ মানুহৰ মাজত তেওঁলোকে মোৰ বিষয়ে বহুত অপপ্ৰচাৰ কৰিছে। আনহাতে আছে হাচান। মোক বিপদত পেলাবলৈ গৈ

হাচাচিনবিলাকে যদি মেহমানসকলৰ ওপৰত হাঞ্জৰাণি আৰম্ভ কৰে তেতিয়া মোৰ বাবে বৰ অপমানৰ কথা হ ব। গতিকে মই ভাবিছো এই আলিমসকলৰ মজলিচ মোকামাত পতা যাওক।

আবদাল্লাৰ মুখত মুগপৎ হৰ্ষ আৰু বিস্ময় প্ৰকাশ পালে।

খাজা ওমৰ ইমান সৌভাগ্য মোৰ হ বনে? ইটো মোৰ বাবে বিৰাট সম্মানৰ কথা।

বেগী উটৰ খোজেৰে মোকামালৈ পাচদিনৰ পথ। কিন্তু তাজী ঘোৰাৰে তিনিদিনত পাৰ পাৰি। ওমৰে মোকামালৈ কেবাবাৰো অহা যোৱা কৰিলে।

ওমৰৰ দপ্তৰী মোহৰ মৰা সাদৰ নিমন্ত্ৰণৰ চিঠি গ ল দেশৰ সকলো বিদ্বানীলৈ। মাইমুন আৰু ইস্ফিজাৰীৰ সযত্ন প্ৰস্তুত তালিকাৰ পৰা কোনো বাদ নপৰিল। প্ৰত্যেকৰ ওচৰলৈ ওমৰৰ চিঠি এটি উপহাৰৰ সামগ্ৰী আৰু যাৰ প্ৰয়োজন হয় তেওঁৰ বাবে বাটৰ খৰচ লৈ বেলেগে বেলেগ কটকী গ ল সকলো ফালে। জ্ঞানৰ চৰ্চ্চাতে জীৱন উৎসগ কৰা ইছলাম জগতৰ সেই বিশ্ববিখ্যাত পণ্ডিতসকলে ওমৰৰ উদ্যোগক সমাদৰ জনালে। নিচাপুৰৰ পৰা নিজৰ লগতে ল লে তৰাঘৰৰ সহকৰ্মীসকলৰ বাদেও তিনিজন ডাঙৰ পণ্ডিত মৌলানা জৈনুদ্দিন চৈয়দ আবদি আৰু চামচুদ্দিন কিৰমানীক।

এমাহৰ মূৰত মজলিচ আৰম্ভ হ ল। আবদাল্লাই প্ৰভূত আয়োজন কৰিছিল। সমস্ত কুদিশ লোকে সদীঘ গিৰিপথত সতৰ্ক পহৰা দিছিল। কোনো চিন্তা নাই।

ওমৰে নিজৰ বক্তব্য সময়মতে মুকলি ক'ৰিলে। নানা যন্ত্ৰপাতিৰ সহায়ত বুজাই ব্যাখ্যা কৰি দিলে কি কাৰণে তেওঁ সেই সিদ্ধান্তত উপনীত হৈছে।

তেওঁ কথা কৈ থাকোতে সকলো নিজম পৰিল।

সত্য সত্যই। এদাল চুলিৰ পাথক্য থাকিলেও সত্য সত্য হ'ব

নোৱাৰে। হে জ্ঞানৰ বস্তিসদৃশ আলিমসকল আপোনালোকে নিজে মোৰ এই তথ্য পৰীক্ষা কৰি চাওক। আপোনালোকৰ এই বিষয়ৰ ওপৰত যি কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ মই যত্ন কৰিম। যদি মোৰ কথা সঠিক নহয় বুলি কোনোবাই প্ৰমাণ কৰিব পাৰে মই এতিয়াই এই মুহূৰ্ত্তে সেইজনৰ শিষ্যত্ব গ্ৰহণ কৰিম।

কিছুসময়ৰ অবাক নীৰৱতাৰ পিচত জাউৰিয়ে জাউৰিয়ে প্ৰশ্ন আহিল। এটাইবোৰ প্ৰশ্ন যে বুদ্ধিদীপ্ত আছিল এনে নহয় সৰহ ভাগেই অগভীৰ আৰু বিৰক্তিকৰ। ওমৰে কিন্তু ধৈৰ্য্য সহকাৰে প্ৰত্যেক প্ৰশ্নৰে উত্তৰ দিলে। একোটা গুণগুণনি উঠি নিমাত হৈ যায় তাৰ পিচত কোনোবা এজনে প্ৰশ্ন কৰে। আকৌ এটা গুণগুণনি আকৌ এটা প্ৰশ্ন। এসময়ত গুণগুণনি আৰু প্ৰশ্ন দুয়োটাই শেষ হ'ল।

ওমৰে তেতিয়া সুধিলে আমি সকলোৱে জানো যে আল্লাহ আহাদ আল্লাহ এজন আৰু আল্লাহ অচ চামাদ আল্লাহ অনন্ত। আল্লাহৰ মহিমাৰ অন্ত নাই। আমাৰ এই নতুন তথ্যই ঈশ্বৰৰ অসীমতা আৰু ব্যাপকতাৰ বোধকে তীব্ৰ কৰি তুলিব মাথোন সকলো ইমান-দাৰৰ মাজত।

কিন্তু এক নিৰা ওমৰে নিদাৰুণ তিক্ততাৰে উপলব্ধি কৰিলে যে সমজুৱা কোনোৱেই ওমৰৰ কথাত হয়ভৰ নিদিলে। কেইজনমানে অলপ উচপিচ কৰিছিল। দটা এটা কথা ফুচফুচাই পাতিছিলো। কিন্তু চাৰিওফালে মৌলানাসকলৰ গম্ভীৰ মুখ দেখি তেওঁলোকো নীৰৱ হৈ গ'ল। সভাই কোনো সিদ্ধান্ত গ্ৰহণ নকৰিলে। বৰঞ্চ বিষয়ান্তৰলৈ গৈ অন্য আলোচনা আৰম্ভ কৰিলে। সভা পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচী অনুযায়ী তিনি দিন ধৰি চলিল।

অসহিষ্ণু হৈ ওমৰে এটা সময়ত আহি নিজৰ থকা ঠাই পালেহি। মাইমুনক তেওঁ ক'লে এইটো কি কথা মাইমুন? মই প্ৰতিজনৰ সকলৰ সকলো কথাৰ উত্তৰ দিছো। মোৰ দৃঢ় বিশ্বাস প্ৰত্যেক জনেই মোৰ সম্পাদ্য বিষয় সুন্দৰকৈ বুজি পাইছে। সাম্ৰাজ্যৰ সকলো গুণীজন ইয়াত উপস্থিত আছে। এওঁলোকে তথাপি মোৰ কথা মানি লোৱা নাই। স্থিতপ্ৰজ্ঞ মাইমুনৰ চকুত গভীৰ অন্তভেদী দৃষ্টি। নিজৰ দাড়িত হাত বুলাই খুব লাহে লাহে তেওঁ ক'লে খাজা ওমৰ আলিমসক লৰ কোনো দোষ নাই। আপুনি নিজে সদৰ ই মুনাজ্জিম। খোদ

খাছানখাছৰ কৰুণা আপোনাৰ ওপৰত সদায় বৰ্ষিত হৈ আছে। আপুনি নিজে কিমান খিনি সাৱধানতা লৱ লগা হৈছে। এখেত সকলৰ কোনোজনে যদি আপোনাৰ কথাত প্ৰকাশ্য স্বীকৃতি দিয়ে তেন্তে তাৰ সাংঘাতিক মূল্য দিব লগা হৱ পাৰে। প্ৰাণতকৈ প্ৰিয় একো নাই খাজা।

ওমৰে মৰ জোকাৰিলে।

সেইটো নহয় মাইমুন। মই গোটেই সাম্ৰাজ্যৰ সকলো বিত্তা নীকে একেলগ কৰিছিলো। সকলোকে মোৰ কথাত প্ৰত্যয় নিয়াবলৈ চেষ্টা কৰিছিলো। কিন্তু ? যদি আমি সকলোৱে একমুখে এই সত্যক স্বীকৃতি দিলোহেতেন তেন্তে উলেমাৰ এই অহেতুক শাসনৰ আমি মুখামুখি হৱ পাৰিলোহেতেন। আমাৰ বহুকণ্ঠে একে কথাই ক'লে কোনেও আমাক নাকচ কৰিব নোৱাৰিলেহেতেন।

মাইমুনে বেজাৰেৰে হাহিলে।

গোস্তাকি মাফ কৰিব খাজা ওমৰ। অনুভতিৰে বিচাৰ কৰিব লগীয়া কথা নহয় এইটো। আমি শতমুখে ক'লেও স্তব্ধ হৈ যাম। কাৰণ ধমপ্ৰাণ জনসাধাৰণ উলেমাৰ পিছতহে আছে। উলেমাই জন সাধাৰণৰ ভাষাত কথা কয়। আমি কৈ আছো আমাৰ জ্যোতিৰিদ্যা আৰু গণিতৰ দোৱানত। আপুনি বহু শতাব্দী আগতেই পৃথিবীলৈ আহি গ'ল খাজা ওমৰ!

মজলিচ শেষ হোৱাৰ দিনা ওমৰে প্ৰত্যেকজন অতিথিকে বিদায় দিলে সমাদৰেৰে। আবদাল্লাই প্ৰত্যেকজনকে একোটি উপহাৰ সহ লগত সশস্ত্ৰ ৰক্ষী দি কুদ্দিস্তানৰ সীমান্ত পাৰ কৰাই দিলে। প্ৰবীণ উস্তাদসকলে ওমৰৰ লগত কোলাকুলি কৰি বিদায় ল'লে।

আপোনালোকৰ যাত্ৰা শুভ হওক হে মান্যবন্ত অতিথিসকল। ৱ আমানে খুদা।

খোদা হাফেজ খাজা ওমৰ। আপানাৰ জয় হওক। ৱ খুদা সপদমৎ।

তেওঁলোকেও চোপৰ্দ কৰিলে ওমৰক। পৰম কৰুণাময় ঈশ্বৰৰ ওচৰত।

পিচদিনাই ওমৰেও বিদায় ল'লে আবদাল্লাৰ পৰা। ওমৰে আনন্দ মনেৰেই বিদায় লৈছিল যদিও বন্ধুৰ অন্তদৃষ্টিৰে আবদাল্লাই

বুজিব পাৰিছিল যে ওমৰৰ মনত শান্তি নাই। মজলিচৰ উদ্দেশ্যও সফল নহ'ল। ঈষৎ বিষণ্ণ মনেৰে আবদাল্লাই বিদায় দিলে কিন্তু লগতে ক'লে মই অতি সোনকালে গৈ আছো খাজা ওমৰ। লাল-মহলৰ তচবী-ওলাল ফুলৰ গন্ধ নাকত লাগি আছে। এতিয়া কি ফুল ফুলিছে বাৰু?

ওমৰৰ মনত তেতিয়া ফুলৰ চিন্তা নাছিল। কি ফুল ফুলিছে বাৰু—? ওমৰেও মনে মনে ভাবিলে। চিৰিণ আছে যেতিয়া ফুল ফুলিবই। লালমহলৰ ফুলনিৰ মাজে মাজে ৰঙীন কাপোৰ পিন্ধি ঘুৰি ঘুৰি চিৰিণে ফুলৰ যত্ন লোৱা ওমৰে নিজেই দেখিছে। এতিয়া শীতৰ শেষ— এতিয়া ফুলিব নাগিচ কেৰাবা নিলুফাৰ গুল ই-হিয়া আৰু ৰতনমালা নামে এক হালধীয়া ভাৰতীয় ফুল।

বন্ধু তোমাৰ আগমনে সদায় আনন্দ আনিব। তোমাক সদায় স্বাগতম। ওমৰে ক'লে।

পুনৰ লালমহল। হয় ঢেৰ ফুল ফুলিছে।

চিৰিণে আগৰ দৰেই যত্ন লৈছে ফুলৰ। সযত্ন পালিত কোমল দুৰবিৰ ঘাহনিত চৰি ফুৰিছে মাখনৰ দৰে কোমল বগা ৰঙৰ পোহনীয়া শহা। জাকি মাৰি উৰি ফুৰিছে ৰং বিৰঙৰ পখিলা। তথাপি ওমৰৰ শান্তি নাই।

কি হ'ব তেনে হ'লে? ওমৰ জানো হেৰাই যাব। মানুহৰ বিস্মতিৰ অতল গহ্বৰত বিলীন হৈ যাব ওমৰৰ আবিষ্কৃত সত্য।

ইপিনে নিচাপুৰত ক্ৰুদ্ধ গুঞ্জন উঠিল মানুহৰ মাজত। যি নিচাপুৰ মাদ্ৰাছাৰ কোনো বৈঠকেই সম্পূৰ্ণ নহৈছিল ওমৰৰ অবিহনে— সেই নিচাপুৰ মাদ্ৰাছা ধৰ্মপতিসকলৰ দখলত এতিয়া। বজাৰৰ মাজেৰে ওমৰ পাৰ হৈ যাওঁতে মানুহৰ অস্পষ্ট উক্তি কেতিয়াবা কাণত পৰে।

সেয়া খায়াম গৈছে কাফেৰ কাফেৰহঁতৰ লগ লাগি যাদুৰ

খেলাদেখুৱাইছে কিছুমান কথাইয়ে লিখিছে— একেবাৰে পাপ কথাৰে ভৰা।

ওমৰৰ হাহি উঠিছিল। পাপৰ কথা। পুণ্যৰ হিচাব!

এদিন নিবিড় নিশা ওমৰে চিৰিণক কলে চিৰিণ তইতো সদায় নামাজ পঢ়। তই বাৰু পাপ কৰিছনে কেতিয়াবা? নে সদায় পুণ্যই কৰিছ?

উমুক্ত বুকুৰে ওমৰৰ বাহুসংলগ্ন হৈ শুই থকা চিৰিণৰ কোনো ভাবান্তৰ দেখা নগল। ওমৰৰ বুকুৰ মাজত মুৰটো গুজি দি তাই নিৰুদ্বেগ চিত্তে কলে হয়তো কৰিছো পাপ। পাপ মানুহৰ হয়েই। পুণ্যৰ কথা ক'ব নোৱাৰো। মই সাধাৰণ ছোৱালী মই সেইবোৰ কি বুজোনো?

এয়া তই যে মোৰ লগত শুই আছ। তইতো মোৰ দাসী বান্দীও নহয়, তোৰ ওপৰত মোৰ কোনো অধিকাৰো নাই। তই নিজৰ খুচীতে মোৰ ওচৰত ধৰা দিছ। ইয়াৰ বাবে কিয়ামতৰ দিনা বিচাৰত তইতো দোজখলৈ যাব লাগিব।

এন্ধাৰতে তাই খিলখিলাই হাহি উঠিল। ওমৰে বাট চালে তাইৰ উত্তৰলৈ।

খাজা দোজখ আৰু বেলেগে কি আছে মই নেজানো। কিন্তু মই ক্ৰীতদাসীৰ ছোৱালী। মই এই দুনিয়াতে বহুত দোজখ দেখিছো। ক্ৰীতদাসীৰ মহলত কুকুৰতকৈও অধম আচৰণ কৰি দিনৰ পোহৰত বেহেস্তৰ কথা কোৱা মানুহ দেখিছো। মহান আল্লাহে সেইবিলাক নৰকৰ কীটকো সহ্য কৰিছে। মই মখ অজ্ঞান ছোৱালী। আপুনি মোৰ বহু আব্দাৰ ৰক্ষা কৰিছে। গতিকে আপোনাৰ ওচৰত নিজকে বিলাই দিছো। পাপৰ হিচাপ মই নকৰো। তাৰোপৰি—

ওমৰে এন্ধাৰতে আচৰিত হৈ তাইৰ কথা শুনি আছিল। গালিচাৰ ওপৰত নি চল হৈ পৰি থাকি তেওঁ চিন্তা কৰিলে তাইৰ কথাবোৰ। তাইৰ মনত কোনো জটিলতা নাই। ভাৰৰ ঋজুৰেখ গতি।

তাৰোপৰি কি চিৰিণ?

তাৰোপৰি মহান আল্লাহ ইমান ডাঙৰ আৰু অসীম আৰু

মই তাৰ তুলনাত ইমান বেছি ক্ষুদ্ৰ যে মই এটা গুড়ি পকৱাৰ দৰেও নহয়। গুড়ি পকৱাই মজিয়াত পৰিথকা মঁহদা গুড়ি খাই থাকোঁতে কোনটো পকৱাই কেইটা দানা বেছি খাইছে তাৰ হিচাব আমি কৰো জানো ? সেইদৰে আমাৰ সকলো পাপৰ হিচাব মহান আল্লাই নকৰে।

চিৰিণৰ কথা শুনি ওমৰৰ মনত বিচিত্ৰ অনুভতিৰ জোৱাৰ উঠিল। বিস্ময়কৰ অতীত সেই অনুভতি! ওমৰৰ ঘটনা বহুল জীৱনৰ বহু জাৰ পৰা হোৱা বহু অভিজ্ঞতাৰ মাজতো পাপ পুণ্যৰ এনে বিশ্লেষণ তেও কাৰো পৰা শুনা নাই।

আকৌ এবাৰ হাহি উঠিল চিৰিণে। ওমৰে সুধিলে কি হ'ল চিৰিণ ?

গোস্তাকি মাফ হয় খাজা। বিদ্বান মানুহক লৈ এই এটা মুস্কিল। অন্তত অন্তত সময়ত খুব টান টান কথাবোৰ ভাবিবলৈ আৰম্ভ কৰে আৰু অদৰ্কাৰী প্ৰশ্ন কৰে।

তাই ওমৰৰ এটা হাত টানি নি নিজৰ বুকুত তুলি লৈ সাবটি ধৰিলে।

লাহে লাহে ভাগ্যৰ চকৰি ঘুৰিবলৈ ধৰিলে। যিবিলাকে জন্মৰ পুৰাৰে ভাগ্যৰ ছা জুইৰ পোহৰৰ পিচে পিচে খেদি ফুৰি জীৱন সম্পূৰ্ণ কৰিলে ধুমুহাৰ স মুখত মমবাতিৰ ক্ষীণ শিখাৰ দৰে কালৰ ফুৎকাৰত সিহত নুমাই বিস্মৃতিৰ সোতত ভাহি গ'ল। অশেষ যতন কৰি সোণৰ ধানেৰে যি ভড়াল ভৰালে সেইজন আৰু দুইহাতে উৰুৱাই নিঃস্ব হৈ যিজন ধোৱাখুলীয়া মৰিল সেইজনো। আকৌ আহিল মানুহ নামৰ অন্য বিভুমান কীট-পতঙ্গ সিহতৰ সঙ্গতিহীন চিত্ৰৰ বাখৰেৰে সীমাহীন জীৱন পথত সসীম কল্লোলৰ সৃষ্টি কৰি।

বাৰে বাৰে এই মাটিতেই লাভ লোকচানৰ সকলো খেলা লয়

পায়। তথাপি জীবন-মেলাত দৰাদৰি চলে চলে বেপাৰ চলে গোৱা-নোপোৱাৰ খেলা।

মনৰ সকলো দুৰ্ব্বলতা জোকাৰি পেলাই ওমৰ তেতিয়া নতুন কামত ব্যস্ত হৈছিল। ওমৰে ইউক্লিদৰ জ্যামিতিৰ নতুন সম্পাদনা আৰু টিকা ৰচনা কৰা কামত ব্যস্ত হৈছিল। দিনে ৰাতিয়ে তৰাৰ ঘৰৰ পৰা তেওঁ নুঠেই। ঠিক তেনে সময়তে এদিন খবৰ আহিল যে চুলতান মালিকশ্বাহ স্বৰ্গী হ'ল। চমৰকন্দৰ পৰা বিজয়ী সৈন্যদল লগত লৈ বদখ্‌চান হৈ নিচাপুৰ অভিমুখে যাত্ৰা কৰি আহি থাকোতে শিবিৰত মালিকশ্বাহৰ মৃত্যু হ'ল। মৃগয়াপ্ৰিয় ৰজাই মৃগয়া কৰি থাকোতেই সাংঘাতিক ধৰণে অসুস্থ হৈ পৰে। হেকিম চাহেবসকলে বহুত দাৰাই দিলে। হাতৰ শিৰ ফালি বহু তেজ বাহিৰ কৰি দিলে। তথাপি ৰজাৰ জীবন ৰক্ষা নপৰিল। কোনো উত্তৰাধিকাৰীৰ নামো কৈ নগ'ল।

মালিকশ্বাহৰ মৃত্যুৰ সংবাদ লৈ চোৱাৰী কষ্টকী সাম্ৰাজ্যৰ সকলো নগৰলৈ গুছি গ'ল। নিচাপুৰকে আদি কৰি সকলো ঠাইৰে ৰজাৰবোৰ বন্ধ ৰখা হ'ল। মচজিদে মচজিদে জমায়েত হৈ বিগত বাদশ্বাহৰ বাবে শোকাকুল প্ৰজাগণে পৰম কৰুণাময় আল্লাহৰ ওচৰত প্ৰাৰ্থনা কৰিলে।

লগে লগে আৰম্ভ হৈ গ'ল সিংহাসনৰ উত্তৰাধিকাৰ লৈ গৃহযুদ্ধ। মালিকশ্বাহৰ জেষ্ঠপুত্ৰ বৰকিয়াৰুখে নিজকে সম্ৰাট বুলি ঘোষণা কৰি সিংহাসনত বহিল। তেওঁক সমৰ্থন কৰিলে বিগত নিজাম উল মুল্কৰ প্ৰভাৱশালী পুত্ৰ আৰু পৌত্ৰসকলে। আনহাতে মহম্মদ নামৰ মালিক শ্বাহৰ অন্য এক ৰাজকুমাৰে বাগদাদৰ খলিফাৰ সমৰ্থনত বৰকিয়াৰুখৰ বিৰুদ্ধে থিয় হ'ল।

আলামুটৰ হাচাচিন দুৰ্গ অৱৰোধ কৰি ইমানদিন বিফলকাম হৈ থকা আমীৰজনে লৰালৰিকৈ অৱৰোধ উঠাই সসৈন্যে সেই গৃহযুদ্ধত বৰকিয়াৰুখৰ পক্ষ সমৰ্থন কৰিবলৈ গ'ল। হাচান ইবন-চাবাহ ইজিপ্ত পালেগৈ। তাত তেওঁৰ ইস্মাইলীয় সতীৰ্থসকলৰ লগত আলোচনা কৰি পুনৰ দুগুণ উৎসাহেৰে হাচাচিনৰ ৰক্তাক্ত ৰাজনীতিৰ মায়াজাল বিয়পাবলৈ ধৰিলে। যত বিশৃঙ্খলা আৰু বিভ্ৰান্তি—তাতেই হাচানৰ লাভ। সাম্ৰাজ্যৰ চাৰিওফালে মেহদীৰ আশু আগমনৰ শুভবাৰ্ত্তা

বহন কৰি আছি গ'ল তেওঁৰ ছদ্মবেশী প্ৰচাৰক ফকিহ দৰবেশৰ দল। গোটেই দেশতে উলেমাই সমৰ্থন কৰিলে ৰুবকিয়াৰুখক। কাৰণ ইমান দিন স্বতন্ত্ৰ হৈ থকাৰ পিচত ইৰাণ আৰু তুৰস্কৰ উলেমাই বাগদাদৰ খলিফাৰ ধৰ্মীয় আধিপত্য কামনা কৰা নাছিল।

এই ৰাষ্ট্ৰবিপ্লৱৰ দিনত ইৰাণৰ আমীৰ ওমৰাহ সকলে সুবিধা চাই চাই নিজৰ নিজৰ পক্ষ বাচি ললে। কবি সাহিত্যিক সকলে এবাৰ মহম্মদৰ ফালে এবাৰ ৰবকিয়াৰুখৰ প্ৰতি প্ৰশংসাগীতি ৰচনা কৰিবলৈ ধৰিলে। ৰাজকবি মুঈজীয়ে অদ্বিতীয় সাংসাৰিক দূৰদৃষ্টি দেখুৱাই এন এটি কবিতা লিখিলে যিটোৰে উভয় পক্ষকে স্তুতি কৰা হয়। কিন্তু মেহত ৰবকিয়াৰুখৰ জয়লাভৰ আশা হোৱা দেখি মুকলি ভাৱে তেওঁৰ প্ৰশংসা কৰিবলৈ ধৰিলে।

নগৰবিলাকৰ দুৱাৰবিলাক ৰাতি বন্ধ ৰখাৰ নিয়ম কৰা হ'ল। বৃহৎ বাণিজ্যিক কাৰাভানবিলাক মাজপথৰ পৰা উভটি আহি নগৰৰ সুৰক্ষিত দুৰ্গৰ মাজত আশ্ৰয় ললে। কিবা এটা চয় নি চয় নোহোৱা পযন্ত কাৰাভান বাহিৰ নহয়।

চাওঁতে চাওঁতে বাচ্চায়ে মেৰ চুলতান জালালুদ্দিন মালিকশ্বাহ এটি স্মৃতিত পৰিণত হ'ল।

পাহৰিব নোৱাৰিলে একমাত্ৰ ওমৰে। এমাহলৈকে তেওঁ শোকৰ বগা পোচাক পৰিধান কৰি থাকিল মালিকশ্বাহৰ স্মৃতিত। মৃত্যুৰ সময়ত মালিকশ্বাহৰ বয়স আছিল মাত্ৰ উনচল্লিচ। নিজৰ সমস্ত কমজীৱন ওমৰে সম্ৰাটৰ ছাঁৰ দৰে থাকি অতিবাহিত কৰিছিল। এতিয়া মালিকশ্বাহ গ'লগৈ। গ'লগৈ সেই পথেৰে যি পথেৰে গ'লে কোনো আৰু উলটি নাহে। যি পথেৰে গ'ল পৰভেজ ভাই আবু তাহেৰ চাহেৰ চাকি আৰু নিজাম।

বেদনাতুৰ ওমৰৰ চকুপানী মন মৰুভূমিৰ নিঃসঙ্গতাৰ মাজত হেৰাই গ'ল।

শ্বাহানশ্বাহ মালিকশ্বাহক চিৰকাল ওমৰে দেখি আহিছে ৰাজশক্তি আৰু পয়োভৰৰ পোহৰৰ ছটাৰ মাজত। কিন্তু চুলতানে তেওঁক অপৰিসীম স্নেহৰ চকুৰে চাইছিল। ওমৰৰ আগত খুলি ধৰিছিল নিজৰ মন। আজি মৃত্যুয়ে নিৰলঙ্কাৰ কৰি পেলোৱা মালিকশ্বাহক

পৰম আত্মীয় যেন বোধ হ'ল ওমৰৰ। আৰু এটা কৰাই তেওঁ লিখিলে—

প্ৰিয়জন মোৰ মিলি সকলোটি
পাতিছিলো মোহন জীৱন মেলা।
এচোক মদিৰা খায়েই হৰিষে
সামৰে সৱেও নিজৰ খেলা।
ক্ষন্তেক শুনিয়ে জীৱনৰ গীতি
জনে জনে ধৰে কালৰ হাত।
মোৰ বাবে মাথো মোৰ বাবে হেৰা
হোৱা নাই শেষ জীৱন নাট।

তিষাল্লিশ

বহুদিনলৈকে সকলো একেই থাকিল। লালমহলৰ ফুলনিত অজস্র ফুল ফুলিল আৰু মৰহি গ'ল। সেউজীয়া দ্রাক্ষাকুঞ্জৰ মাজে মাজে গান গাই গ'ল বুলবুলি চৰায়ে। কোহ কামেল পৰতৰ সিপাৰে বহু মৰুসূয উদয় হ'ল আৰু অস্ত গ'ল।

মাডনগৰীৰ পিতৃ পিতামহৰ ৰাজসিংহাসনত কায়েম হৈ ৰহিল নতুন বাদশাহ ৰবকিয়াৰখ। ৰাষ্ট্ৰৰ জীৱনলৈ আহিল নিৰাপত্তাৰ ভাব। নিচাপুৰৰ টাকিন দৰৰাজাৰে পুনৰ ওলাই গ'ল বৃহৎ বাণিজ্যিক কাৰাভান-বিলাক। উটৰ ডিঙিত ওলোমাই দিয়া পিতলৰ ঘণ্টাবোৰৰ ক্লং ক্লং শব্দই পুনৰ ভঙ্গ কৰিবলৈ ধৰিলে মৰুপ্রান্তৰৰ মৌনতা।

তৰাৰ ঘৰত বহি ইউক্লিদৰ জ্যামিতিৰ সম্পাদনা সমাপ্ত কৰিলে ওমৰে। নীৰৱ সাধকৰ দৰে উদ্যমহীন উত্তেজনাহীন জীৱন কটাবলৈ ধৰিলে ওমৰে। লালমহলৰ বৈঠকখানাত নতুন নতুন ৰুবাই লিখা বহু টুকুৰা কাগজ আকৌ গোটালে চিৰিণে।

ৰবকিয়াৰুখ সিংহাসনত বহাৰ কিছুদিন পিচতে হাচাচিনবিলাকে তেওঁক হত্যা কৰিবলৈ লোৱা এটা প্রচেষ্টা ব্যর্থ হ'ল। ধৰ্মভীৰু ৰবকিয়াৰুখৰ জীৱন ৰক্ষাৰ বাবে ধন্যবাদ জনাই ৰাজহৱা প্রার্থনা কৰা হ'ল প্রত্যেক মচজিদত। এক কৃতজ্ঞ ৰজাই উলেমাৰ প্রাধান্য স্বীকাৰ কৰি লৈ পুনৰ ধৰ্মৰ শাসন প্রতিষ্ঠা কৰিলে। দেশৰ সকলো বিষয়তে প্রাচীন ধৰ্মীয় অনুশাসন পুনৰ প্রৱর্ত্তনৰ উছাহ আহিল।

তেনে এটি দিনতে এদিন মেহৰে আনিলে এক দু সংবাদ। চুলতান ৰবকিয়াৰুখে ওমৰৰ জালালিয়ান সৌৰ কেলেণ্ডাৰ বাতিল কৰি প্রাচীন চান্দ্র চন অনুক্রম পনৰ প্রৱর্ত্তন কৰিছে। হাতৰ কলম থৈ দি হেলান দি বহিল ওমৰ খায়াম। মূৰত টানকৈ আঘাত পোৱা মানুহৰ দৰে কিছু সময় একো চিন্তাই কৰিব নোৱাৰিলে ওমৰে। তেওঁৰ কেলেণ্ডাৰ বাতিল হ'ল।

সেই মাহৰ পৰাই ৰাজকোষৰ পৰা সদৰ ই-মুনাজ্জিমৰ বেতন বন্ধ কৰা হ'ল। দুজনমান বন্ধুৱে উপদেশ দিলে নতুন সম্ৰাটৰ ওচৰত এখন দৰ্খাস্ত দিবলৈ। ওমৰে দৃঢ়ভাৱে মূৰ জোকাৰিলে। নেলাগে যথেষ্ট হৈছে। দীৰ্ঘায়ু হওক ৰবকিয়াকখ। মই মালিকশাহৰ লগত অশ্বচালনা কৰিছো হাজাৰ হাজাৰ মাইল। নিজামৰ সৈতে একেলগে ৰাষ্ট্ৰচিন্তা কৰিছো। মোৰ এতিয়া কাৰো ওচৰত কোনো পাওনা নাই।

ওমৰে বুজিলে উলেমাৰ উদ্যত খড়্গ উত্তোলিত হৈছে তেওঁৰ বিৰুদ্ধে। নিচাপুৰৰ মাদ্ৰাছাত ইয়াৰ ভিতৰতে এখন সভা হৈ গ'ল। তাৰে তলৰ কৰি অনা হ'ল মৌলানা জৈনদ্দিন চৈয়দ আবদি আৰু চামচদ্দিন কিৰমানীক। প্ৰত্যেকে ক'লে কি আলাচনা হৈছিল কুদ্দিস্তানৰ মজলিচত। সেইদিনাই ফতোৱা জাৰি কৰা হ'ল যে সাম্ৰাজ্যৰ কোনো মাদ্ৰাছা আৰু মোস্তাবতে এতিয়াৰ পৰা ওমৰ খায়ামৰ কোনো পাঠ্যপুথি নচলিব। ওমৰে হাহিলে।

লালমহললৈ উলটি আহি পনৰ সুৰাৰ পিয়লা লৈ বহি গ'ল ওমৰ। এতিয়া বাকী থাকিল একমাত্ৰ এই বুদবুদ ভৰা পিয়লা। ই নঠগে। ওই থাকোতে মদৰ চোৰাহীটো হাতেৰে মেৰাই ধৰি তাৰ শীতল নিবিড়তা অনুভৱ কৰে কেতিয়াবা।

আ'কৌ বহুদিনৰ মূৰত ওমৰক দেখা গ'ল সেই পৰতৰ পাদ দেশত যত বাহ আছে খান আৰু বেগমৰ। এই দীৰ্ঘদিনৰ ৰাষ্ট্ৰ বিপ্লৱৰ মাজত ওমৰে বহুদিন সেইমুৰা হ'বলৈ সুযোগ পোৱা নাই।

আজি পৰা আকৌ আহিছে ওমৰ ঈগল বন্ধৰ ওচৰলৈ। বহু কালৰ আগতে আবু তাহেৰ চাহেবে কোৱা এষাৰ কথা মনত পৰিল ওমৰৰ। তেতিয়াও আবু তাহেৰে কৈছিল তোমাৰ স্বভাৱ মই জানো ওমৰ। মাটিৰ পৃথিবীত আশ্ৰয় নেপালে তোমাৰ মনে আকাশলৈ উৰা মাৰে।

সকলো আভৰণ খুলি থৈ সাধাৰণ আৱৰৰ বগা জেলাবা পিন্ধি কাজৰ মোনাত খান আৰু বেগমৰ বাবে ভেবাৰ মাংসৰ টুকুৰা আৰু নিজৰ বাবে কণী লৈ ওমৰ আহি খিয় হৈছিল পাহাৰৰ ওৰিত।

বাবে বাবে আহি জুমুৰি দি ধৰে পৰভেজ আৰু চাকিৰ স্মৃতিয়ে সেই গহজোপাৰ ছায়াগভীৰ পাতৰ মাজত স উত্তা চাকি। ওমৰে সচকিত হৈ চকু মোহাৰিলে। — নহয় সেয়া পাতৰ ঘন ছাঁয়াৰ মাজত ৰ দৰ লকাভাকু মাত্ৰ। —ওমৰে পাহাৰলৈ উঠিব'ল ধৰিলে। চিৰ পৰিচিত শিলবিলাকে যেন বাঙময় নীৰৱতাৰে আহবান জনালে সিহঁতৰ পুৰণি বন্ধুক। নিভুল খোজেৰে খৰকৈ ওমৰ ওপৰলৈ উঠি গ ল। সেই ল ৰালি কালৰে পৰা কতদিন এই পথেৰে উঠিছে নামিছে ওমৰ খায়াম। কতদিন নিভৃত শৈল শিখৰত খান আৰু বেগমৰ নিবিড় বন্ধুত্ব উম লৈ কটাই দিছে প্ৰহৰৰ পিচত প্ৰহৰ।

অৱশেষত সেই বিশেষ শিলৰ খোৱোঙ পালেগৈ। ওমৰৰ মন উল্লসিত হৈ উঠিল। ওমৰে গৈ বহি ল লেগে আগৰ দৰে চেপেটা সেই শিলৰ ওপৰত পৰতৰ গাত আউজি। লগে লগে এক আ চয্য নীৰৱতা অনুভৱ কৰিলে তেওঁ। সেই নীৰৱতাৰ অনুভূতি ইন্দ্ৰিয়াতীত কোনো উপলব্ধিৰ ফলত জাৰকালি ৰাতিৰ কুৱাশীৰ দৰে কৃষ্ণপক্ষৰ জোন এফাল ডবি যোৱাৰ পিচৰ এন্ধাৰৰ দৰে লাহে লাহে আহি ওমৰৰ মনৰ ওপৰত স্থিতি ল লেহি। এক ভীত সচকিত বিষণ্ণ ওমৰে চাৰিওফালে তন্ন তন্নকৈ চাই জানিব পাৰিলে যে খান আৰু বেগম তাত নাই।

নাই। খান আৰু বেগম বহু দিনৰ আগতে সেই ঠাইৰ পৰা ওছি গৈছে। নাই তাত ওমৰৰ চিৰ পৰিচিত সিহতৰ গাৰ সেই আকাশ আৰু সমুদ্ৰৰ গন্ধ সিহতে শোৱা ঠাইৰ সেই স্নিগ্ধ সেমেকা সজীৱতা। শিলৰ মসৃন পিঠিত জমা হৈ আছে মিহি ধলিৰ চামনি।

পৰি আছে কিছুমান সৰু সৰু ৰং হেৰুৱা কলা পৰা পাখি। তাৰে এখামোচ তুলি লৈ চকুৰ আগলৈ আনি জুমি জুমি অন্ধৰ দৰে পিটিকি পিটিকি চাবলৈ ধৰিলে ওমৰে। এইটো খানৰ এইটো বেগমৰ

স্মৃতিৰ সুৰঙ্গ পথেৰে উল্কাৰ বেগেৰে ওছি গ'ল ওমৰৰ মন। মনৰ চকুৰ পদাত ছায়াছবিৰ দৰে ভাঁহি গ ল বহু চিত্ৰ বহু ব্যক্তি বহু প্ৰিয় পৰিজন। সেয়া এটা শিল বাগৰি পৰিল হৰ মূৰ কৰি

বতাহত সাও সাঁও কৰি শব্দ তুলি উৰি গ'ল খান আৰু বেগম
শুনা গ'ল সিহতৰ চুটি চুটি কৰ্কশ কণ্ঠস্বৰ লাহি শৰীৰৰ পৰভেজৰ
গভীৰ কণ্ঠ শুনা গ'ল তু কিস্তী—তুমি কোন?

কপালৰ ঘাম পাগুৰীৰ আগেৰে মোহাৰি ক্ষীণস্বৰে
দুৰ্ব্বল ভাৱে উঁমৰে ক'লে মই ওমৰ পৰভেজ! ইব্রাহীমৰ পুত্ৰ
ওমৰ!

ওমৰে থিয় হৈ কান্ধৰ পৰা মোনাটো লৈ খুলিলে। তাৰ পিচত মাংসৰ
টুকুৰাবোৰ এটকুৰা এটুকুৰাকৈ তলৰ পৰতৰ কুশুওলৈ দলিয়াই দিলে।
তাৰ পিচত দলিয়াই দিলে নিজৰ বাবে অনা কণীৰ টকুৰা এটা
এটাকৈ।

বৰ কষ্টেৰে প্ৰায় বণ্ডৰা বাই অহাৰ দৰে ওমৰ নামি আহি ক্লান্ত
ভাৱে এচটা লিত আউজি জিৰণি ল'লে। নিদাৰুণ তৃষ্ণাত তেওঁৰ
অন্তকণ্ঠ যেন শুকাই গৈছিল।

পুনৰ আহি লালমহল পাই দেখিলে বৈঠকখানাত বহি আছে
আবদাল্লা। ওচৰত চিৰিণ।

চিৰিণ এপিয়লা মদ। শুষ্ক কণ্ঠেৰে ওমৰে ক'লে।

আবদাল্লাই চাই আছিল।

খাজা ওমৰ অকলে অকলে ক'লৈ গৈছিল আপুনি?

সৌ পৰতলৈ। য'ত আছিল খান আৰু বেগম।

আবদাল্লাই চিৰিণৰ ফালে চালে। কোনেও খান আৰু বেগমৰ
কথা নেজানিছিল।

কোন খান আৰু বেগম? লগ পালে? আবদাল্লাই সুধিলে।

দুটা ঈগল! ওমৰে ক'লে সিহত নাই। গ'লগৈ।

আবদাল্লা আৰু চিৰিণে কোনা কথা নাকৈ মনে মনে থাকিল।
গালিচাৰ ওপৰত চকু মুদি পৰি বিৰবিৰকৈ ওমৰে গালে—

মনৰ ডেউকা মেলি বহু দূৰ ভ্ৰমি
বিচাৰিলো আকাশৰ সীমা।
বন্ধ দুৱাৰ খুলি লটিয়ালো পুথিখন
মানুহৰ ভাগ্যলিপি থকা।

দেখিছো কোনোৱে নাই শুনিবলৈ
জীৱনৰ অজান বতৰা।
উলটিম অকলেই এৰি এটিমাথো
নিৰুপায় ব্যথ হুমুনিয়া।

কিছুসময়ৰ পিচত ক্লান্ত ওমৰৰ টোপনি আহিল। সৰু লৰাৰ দৰে লালকাল দি ওমৰ শুইছিল। চিৰিণক ওমৰক নজগাবলৈ কৈ আবদাল্লাই বাহিৰলৈ ওলাই আহি নিজৰ বেগী আৰৰ অশ্বৰ পিঠিত জাপ মাৰি উঠিল। তাৰ পিচত নগৰ প্ৰাচীৰ পাৰ হৈ তীব্ৰবেগে যাবলৈ ধৰিলে অন্তহীন মৰুপথেৰে।

আৰু এক পক্ষ নীৰৱে পাৰ হৈ গ'ল। তাৰ মাজতে এদিন এজন৷ ৰাজপৰুষ আহি ৰাজকীয় ফৰমান শুনাই গ'ল ওমৰক। লালমহলৰ প্ৰধান চিৰিৰ মূৰত থিয় হৈ ওমৰে শুনিলে সেই আদেশ— এতিয়াৰ পৰা তৰাৰ ঘৰত ওমৰৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। তৰাৰ ঘৰত নতুন মুনাজ্জিম নিয়োগ কৰা হৈছে। বিষয়াজনক ওমৰে চিনি পালে। থৰ লাগি ৰাজাদেশ শুনাৰ পিচত ওমৰে সুধিলে—

কিন্তু মোৰ কিতাপবোৰ? বহুত কাগজ পত্ৰ আছে তাত মোৰ। সেইবোৰৰ কি হ'ব ইমদাদ খান?"

তলমূৰ কৰি ইমদাদ খানে উত্তৰ দিলে সেইবোৰ নিচাপৰৰ উলেমাৰ জিম্মাত ৰখা হৈছে। তেওঁলাকে সেইবোৰ ৰাজেয়াপ্ত কৰিব বুলি জনা গৈছে। তেওঁ ওমৰক অভিবাদন জনাই ওছি গ'ল।

ইমদাদ খানৰ ঘোৰাৰ খুড়াৰ শব্দ নশুনা হোৱালৈকে দুৱাৰৰ কাঠত ধৰি ওমৰ থিয় হৈ থাকিল। তাৰ পিচত উলটি চাই দেখিলে কাষত চিৰিণ থিয় হৈ আছে। তাইৰ চকুত পানী। ওমৰে হাহিলে। ওমৰৰ সেই অপূৰ্ব সুন্দৰ হাহি—যি হাহি দেখি মুগ্ধ হৈছিল চাকি। আঁকোৱালি ধৰিছিল পৰভেজে।

"আহ চিৰিণ। তোক আৰু এটা কথাই দিম। মোৰ কথাই।

বৈঠকখানাত এখন কাগজ লৈ ওমৰে লিখিলে—

খায়ামে চিলালে বিচিত্ৰ বসন
জানৰ সুতাৰে ফুলাম কৰি।

আজি তাৰ শেষ পাজেহি ওচৰ
কালৰ খড়ুগ আহিছে নামি ॥
ন্যায় অন্যায় নকৰা বিচাৰ
লাভা লাভ তাৰ একোৱে নাই।
কালৰ দালালে নীলাম ডাকিছে
—থাকিলে মূল্য থাকক বাকী ॥

অৱশেষত সেই অৱশ্যম্ভাৱী দিনটো আহিল।

লালমহলৰ মানুহবিলাকে আচৰিত হৈ সেইদিনা পৱা এদল সশস্ত্ৰ ৰক্ষী আহি প্ৰধান তোৰণৰ সম্মুখত শাৰী পাতি ৰোৱাহি দেখিলে। তাৰ অলপ পিচতে এজন মাজ বয়সীয়া দহীয়া মানুহ আহি চোতালত থিয় হৈ ঘৰৰ মালিকক লগ পাবলৈ বিচাৰিলে। ওমৰ আহি দুৱাৰমুখত থিয় হোৱাৰ লগে লগে দুবাৰ মান গলহেকাৰি মাৰি গলা চাফা কৰি লৈ উচ্চৈস্বৰে ঘোষণা কৰিলে যে আজি জহৰৰ নামাজৰ পিচতে মাদ্ৰাছাৰ দেৱানত মৌলানাসকল জমায়েত হ ব। তালৈকে ওমৰ খায়াম যাব লাগে।

ওমৰে মন কৰিলে যে মানহজনে তেওঁৰ নাম কওঁতে কোনো উপাধি বা মান্যাৰ্থক শব্দ ব্যৱহাৰ কৰা নাহিল। মাত্ৰ কহিল—ইব্ৰাহীমৰ পুত্ৰ ওমৰ অল খায়াম। কথাখিনি কৈ মানুহজন গুছি গৈছিল। ৰক্ষীৰ দল কিন্তু ৰৈ থাকিল ওমৰ নোযোৱালৈকে।

হতভম্ব চাকৰ বাকৰবিলাকে ঠায়ে ঠায়ে শঙ্কাকুল হৈ ঝুম বান্ধিছিল। সশস্ত্ৰ ৰক্ষীদল দেখিয়েই এটায়ে বুজি পাইছিল এইদৰে মাতি পঠোৱাৰ অৰ্থ কি।

নিজৰ কোঠাত সোমাই এচোক এচোককৈ মদ খাইছিল ওমৰে। এনেতে নিঃশব্দে সোমাই আহি বেৰত আউজি থিয় হ লহি তন্বীদেহী চিৰিণ। তাই নীৰৱে চাই আছিল ওমৰলৈ। এবাৰ ওমৰৰ তাইৰ ওপৰত চকু পৰিল। পনৰ সেই অপূৰ্ব সুন্দৰ মিচিকিয়া হাঁহিৰে ওমৰৰ ক্লিষ্ট শ্ৰান্ত মুখমণ্ডল উদ্ভাসিত হৈ উঠিল।

চিৰিণ! ওমৰে তাইক মাতিলে।

খাজা ওমৰ! চিৰিণৰ চকু শুকান। কণ্ঠ অস্বাভাৱিক ধৰণে গাঢ় আৰু গম্ভীৰ।

"মই আৰু খাজা ওমৰ নহয় চিৰিণ। মই ওমৰ বেন ইব্রাহীম। তথু চিনাই কৰোতা ওমৰ।

খাজা ওমৰ! চিৰিণে পুনৰ জোৰ দি ক'লে আপুনি মাদ্রাছালৈ যাব নেলাগে। তেওঁলোকৰ মতলব ভাল নহয়।

সেইটো কেনেকৈ হ'ব পাৰে চিৰিণ। মই যদি নেযাওঁ সিহঁতে ভাবিব মই সচাকৈয়ে দোষী গতিকে ভয় কৰিছো। এনেয়েতো সিহঁতে মই চয়তানৰ পথত খোজ কাঢ়িছো বুলি কৈ ফুৰিছে। যি পথেৰে দোজখলৈ যায় দুভগীয়া মানুহ।

আৰু তেওঁলোক যাব ক'লৈ?—বেহেস্তলৈ?

কিজানি। নিৰুত্তাপ কণ্ঠে ওমৰে ক'লে। তাৰ পিচত হাতেৰে ওপৰলৈ দেখুৱাই পুনৰ ক'লে সউ আস্মান আৰু এই জমিনৰ মাজত দোজখ মানুহে ইয়াতে ৰচনা কৰে চিৰিণ। কিন্তু বেহেস্তৰ ঠিকনা মই নেজানো।

সেই বেহেস্তলৈ মই নেযাওঁ খাজা। তিক্তস্বৰে চিৰিণে কৈ উঠিল।

ওমৰ গ'ল।

নিচাপুৰ মাদ্রাছাৰ বহল প্রাঙ্গণ সেইদিনা মানুহেৰে ভৰি পৰিছিল। ওমৰ যাবলৈ ধৰোতে জুম পাতি পাতি থিয় হৈ থকা কৌতুহলী জনতাই নীৰৱে বাট এৰি দিলে। বৃহৎ দালানৰোৱৰ বাৰান্দাৰে দেৱান বা সভা কক্ষৰ ফালে আওৰাই গৈ থাকোতে সৰু বৰ কোঠাৰোৱৰ ভিতৰৰ পৰা বহু পৰিচিত লোকে ওমৰৰ ফালে চাবলৈ ধৰিলে। তেওঁ গৈ সভাগৃহত প্রৱেশ কৰিলেগৈ।

ওমৰৰ চিৰ পৰিচিত সেই দেৱান।

এই দেৱানলৈকে বহুবাৰ আহিছে ওমৰ। আহিছে ছাত্র হৈ থাকোতে আহিছে সদৰ-ই মুনাজ্জিম হিচাবে। বহুবাৰ এই দেৱানতে বিদগ্ধ শ্রোতামণ্ডলীৰ আগত বক্তৃতা দিছে।

আজি সেই দেৱানতে বেৰৰ দাতিয়ে দাঁতিয়ে শাৰী শাৰী হৈ বহিছে নগৰীৰ বিদ্বানসকল। জ্ঞান বিজ্ঞান সকলো বিভাগৰ উস্তাদ সকল। বহিছে উলেমাৰ মৌলানা ইমাম সকল। আইনৰ খটিয়ান লৈ বহিছে মুফটিচাহেব। মূৰত বগা পাগুৰীৰে কাজীচাহেবসকল বহিছে মাজত।

ওমৰে বুজিলে মুকলি বিচাৰ হব তেওঁৰ। তেওঁ চাৰিওফালে এবাৰ চকু ফুৰালে। বহুতকে তেওঁ চিনি পায়। কিন্তু সকলোৱে এনে ভাব দেখুৱাইছে যেন তেওঁ কাৰো পৰিচিত নহয়। এফালে বহি আছিল আল ঘজালী। ওমৰৰ চকুৰে চকুৰে পৰিলত ঘজালীয়েও অন্যফালে মুখ ঘুৰালে। সেই সিদিনালৈকে লালমহল আৰু তৰাৰ ঘৰত এইবোৰ মানুহেই ওমৰৰ সমাদৰ পাই ধন্য হৈছিল। আজি মালিকশ্বাহ জীৱিত থকা হলে এওঁলোকে সাহস নকৰিলেহেতেন ওমৰক এইদৰে তলব কৰিবলৈ। আজি সকলোৰে চকুত ওমৰৰ প্ৰতি অবিমিশ্ৰ শত্ৰুতা। কোনো অনুকম্পা নাই।

কাজীসকলৰ সমুখৰ নিৰ্দ্দিষ্ট স্থানত ওমৰ আঠকাডি বহিল। এটাইতকৈ বৃদ্ধ শুভ্ৰকেশ কাজীজনে উচ্চাৰণ কৰিলে— বিচমিল্লাহিৰ ৰহমানিৰ ৰহিম। পৰম ক্ষমাশীল কৰুণাময় আল্লাৰ নামত।

বিচাৰ আৰম্ভ হল দেৱানৰ বাহিৰে ভিতৰে সকলো নিজম পৰিল। এজন মোল্লাই এখন কাগজৰ পৰা ওমৰৰ বিৰুধে লিখিত অভিযোগবোৰ পঢ়ি গল।

ওমৰ বেন ইব্ৰাহীম। এসময়ৰ আমাৰ বিগত চুলতানৰ প্ৰধান মুনাজ্জিম। ঈশ্বৰে মহান চলতানৰ আত্মাক শান্তি দিয়ক।

এসময়ৰ বুলি কওঁতে ওমৰে ভাবিলে মালিকশ্বাহৰ ইন্তেকাল হোৱা কিমান দিন হল বাক?— পাচমাহৰ অলপ বেছি। তাৰ ভিতৰতে বাচ্চায়ে শ্বেৰ বুৰঞ্জী হৈ গল। মোল্লাই পঢ়ি গল।

ওমৰৰ বিৰুদ্ধে অভিযোগ বহুত। তেওঁ লিখা সকলো গ্ৰন্থ ইতিমধ্যে নিষিধ বুলি ঘোষণা কৰা হৈছে। কাৰণ আলিম সকলৰ সমাজে সেই কিতাপবোৰ ধমবিৰোধী বুলি উপলব্ধি কৰাৰ পিচত সেইবোৰ এদিনো চলি থাকিবলৈ দিব নোৱাৰি। এই ওমৰ খায়ামে সেই কিতাপবোৰ লিখিছিল কাফেৰ গ্ৰীক আৰু বাইজেণ্টাইন ৰোমান বিলাকৰ পৰা পোৱা শিক্ষা মতে। ই দেখাদেখি ধমদ্ৰোহ।

"দ্বিতীয় অভিযোগ হ'ল এই যে ওমৰ তেওঁৰ চয়তানী যাদুৰ বলেৰে প্ৰয়াত নিজাম উল মুল্ক আৰু চুলতান উভয়ৰে সমথন লাভ কৰিছিল। তাৰ দ্বাৰাই সুপ্ৰাচীন ইছলামী চান্দ্ৰ চন-অনুক্ৰম বাতিল কৰি নিজৰ কাফেৰ সৌৰ কেলেণ্ডাৰ চৰকাৰী ভাৱে প্ৰতিষ্ঠা কৰিছিল। ই ইছলামৰ পবিত্ৰ ৰীতি আৰু পৰম্পৰাৰ বিৰুদ্ধে দ্ৰোহৰ বাহিৰে অন্য কি হ ব পাৰে? গতিকে ওমৰ এক মুৰ্তাহিদ!

অন্য এক অভিযোগ হ'ল ওমৰে প্ৰয়াত নিজাম উল মুল্কৰ পৰা কৌশলেৰে গোৰস্থানৰ দাতিত তৰা ঘৰ নিমাণ কৰালে। যাৰ একমাত্ৰ উদ্দেশ্য হ ল কুমন্ত্ৰৰ সহায়ত গোৰস্থানৰ জিন-পৰীবিলাকৰ লগত যোগাযোগ ৰখা। ই দুযোৰ ইছলাম বিৰোধী কথা। ওমৰৰ ধমদ্ৰোহৰ আৰু এটা শেহতীয়া উদাহৰণ হৈছে তেওঁৰ সেই সৰ্বনশীয়া কিতাপখন যিখন আমাৰ সকলোৱে দেখিছে আৰু বহুতে পঢ়িছেও উক্ত কিতাপত ইছলামৰ বিশ্বাস আৰু ৰীতিৰ বিৰুধে গৈ ওমৰে লিখিছে যে পৃথিবী সযৰ চাৰিওফালে সদায় ঘুৰি আছে আৰু স্বস্থানতো দৈনিক এবাৰ আৱৰ্তন কৰিছে। এইবোৰ কথাকে জনাবলৈ তেওঁ এবাৰ দেশৰ আলিমসকলক মাতি নি এখন সভা পাতিছিল। সৌভাগ্যৰ বিষয় তেওঁৰ এনেকুৱা নাপাক্ বিধৰ্মী কথাত কোনো পতিয়ন নগ ল।

ওমৰৰ বিৰুদ্ধে শেহ অভিযোগ হৈছে যে মাজে মাজে তেওঁ কিছুমান ৰুবাই লিখিছিল। এইবোৰ এতিয়া বহুজনৰ মাজত প্ৰচাৰিত হৈছে। সেইবোৰৰ প্ৰায় সকলোতে অপবিত্ৰ পাপৰ কথাৰে গুণগান কৰা হৈছে। ওমৰ যে এক মুলাহিদ সেই বিষয়ে বিন্দুমাত্ৰ সন্দেহৰো অৱকাশ নাই। তেওঁৰ গ্ৰন্থ নিষিদ্ধ হৈছে। কেলেণ্ডাৰ বাতিল হৈছে। তৰাঘৰ জব্দ কৰা হৈছে। এতিয়া এই অধামিক মুলাহিদৰ শাস্তি হ ব লাগে যাতে ভবিষ্যতলৈ এটা উদাহৰণ থাকি যায়। হ'লে চয়তানৰ পথ প্ৰশস্ত কৰা হ ব মাত্ৰ।

মোল্লা ৰহিল। সভাস্থলিত এক গুঞ্জন উঠিল। ওমৰৰ ওঠৰ কাষেদি ঈষৎ এক মিচিকিয়া হাঁহি বিৰিণ্ডিল। মুলাহিদ! মুলাহিদ হাচান ইৱন চাবাহ আৰু মুলাহিদ ওমৰ খায়াম! যাদুকৰ শেখ অল জাবাল আৰু যাদুকৰ ওমৰ! নাপাক! কাফেৰ! শব্দবোৰ দ্ৰুত গতিৰে ওমৰৰ মনৰ কোষ্ঠ প্ৰকোষ্ঠৰ বেৰত খুন্দা খাবলৈ ধৰিলে। আজি তাৰ শেষ পালেহি ওচৰ ফালৰ খড়্গ আহিছে

নামি । — ন্যায় অন্যায় নকৰা বিচাৰ লাভালাভ তাৰ একোৱেই নাই । কালৰ দালানে নীলাম ডাকিছে— থাকিলে মল্য থাকক বাকী ! থাকিলে মূল্য থাকক বাকী !

আঠু কাড়ি থকাৰ পৰা ওমৰ লাহে লাহে থিয় হ ল । ওমৰৰ মনত এতিয়া আৰু কোনো দ্বিধা নাই । সভা পুনৰ নিস্তব্ধ হ ল ।

"তুমি কিবা ক বা ওমৰ খায়াম ?

হয় । মোৰ সৌৰ কেলেণ্ডাৰ বহুবছৰৰ পৰীক্ষা কৰি লাভ কৰা জ্যোতিষ আৰু গণিতৰ সিদ্ধান্ত সমহৰ ওপৰত প্রতিষ্ঠিত । সাম্রাজ্যৰ ভিতৰত আৰু বাহিৰতো সি সৰজন সমাদত হৈছে । গণিত আৰু জ্যোতিবিদ্যাৰ জ্ঞান থকা যি কোনো লোকে সেইটো বুজিব । চন্দ্র আৰু সূয দুয়োটা আল্লাহৰ সৃষ্টি । চান্দ্র মাহ অনুক্রম গ্রহণ যোগ্য হ ব যদি পাৰে সূযমতে গণনা কৰিলেই গ্রহ ণীয় নহবৰ কোনো কাৰণ নাই । মোৰ আগতে কোনো গ্রীক পণ্ডিতে কোৱা কথাৰ লগত মোৰ হিচাব মিলি গ লেই মই কাফেৰ হৈ গ লো নেকি ? তদুপৰি সত্য আৰু জ্ঞানৰ কোনো দেশ ধমভেদ নাই । ইছলামৰ নিদ্দেশ আছে যে জ্ঞান অজ্জ নৰ বাবে চীন দেশলৈও যাব পাৰি । চীনৰ অমুছলমান লোকৰ পৰা জ্ঞান অজন কৰাত বাধা থাকিলে সেই নিদ্দেশ দিয়া নেথাকিলহেতেন ।

সভাস্থলিত এক ক্রুদ্ধ গুঞ্জন উঠিল । তালৈ কাণ নকৰি ধীৰ স্থিৰ নিষ্কম্প স্বৰত ওমৰে আকৌ কৈ গ ল মই গোৰস্থানৰ প্রেতা ত্মাৰ লগত যোগাযোগ কৰো বুলি যি অভিযোগ তোলা হৈছে সিও স্রেফ বাজে কথা । পৃথিবীত কোনো যাদু-মন্ত্র নাই । সকলো যাদুৰ মালিক একমাত্র সবশক্তিমান আল্লাহ । নাৰীৰ গভৰ পৰা জন্ম লাভ কৰা কোনো ইনচানে যাদু মন্ত্রৰ ৰবাই কৰিব নোৱাৰে ।

এটা চুকৰ পৰা এক ক্রু ধ প্রশ্ন আহিল তেনেহ লে স্বেখ আল জাবালৰ দৰে যাদুকৰক কেনেকৈ পৰাস্ত কৰিছিলা ।

ওমৰে এটা তাচ্ছিল্যৰ হাহি মাৰিলে সেইটো প্রশ্নৰ মালিক ইমান মুখ আৰু অন্ধ বিশ্বাসী যে তাৰ উত্তৰ দিবলৈ মোৰ কোনো স্পৃহা নাই ।

সভাস্থলিত চিঞৰ বাখৰ হলস্থ ুল লাগিল । প্রধান কাজী থিয় হৈ হাত দাঙি পুনৰ সকলোকে সংযত কৰিলে । তাৰ পিচত ওমৰৰ ফালে চাই সধিলে তোমাৰ আৰু কিবা ক ব লগা আছে খায়াম ?

হয় আছে। নিৰিকাৰ ভাৱে ওমৰে ক'লে। চাৰিওপিনে খণ্ডত ৰঙা পৰা মুখবোৰ দেখিও তেওঁ অকনো ভীত নহ'ল। তেওঁ কৈ গ'ল আপোনালোকে মোৰ কেলেণ্ডাৰ বাতিল কৰিছে। মোৰ নথি পত্ৰ আৰু কিতাপসহ তৰাঘৰ জ্বলা কৰিছে। মোৰ কিতাপৰ প্ৰচলন বন্ধ কৰিছে ইমানখিনি কৰাৰ পিছত এটা মাত্ৰ কাম আপোনালোকে কৰিব পাৰে— মোৰ জীৱনৰ সূত্ৰ খিখণ্ডিত কৰিব পাৰে।

গতিকে মানুহে মাত্ৰ জীয়াই থকা সময় খিনিতহে কথা ক'ব পাৰে মোৰ নতুন কিতাপখনৰ প্ৰপাদ্য বিষয় মই দেশৰ আলিমসকলৰ মুকলি সভাত উত্থাপন কৰিছিলো। মই মুকলিভাৱে ঘোষণা কৰিছিলো যে কোনোবাই গণিত আৰু জ্যোতিবিদ্যাৰ যুক্তিৰে যদি মোৰ তথ্য ভুল বুলি প্ৰমাণ কৰিব পাৰে তেন্তে মই তেওঁৰ শিষ্যত্ব স্বীকাৰ কৰিম।

কিন্তু সেই চিৰন্তন সত্য তৰ্কাতীত সিদ্ধান্তৰ ওপৰত প্ৰতিষ্ঠিত। পৃথিবী সূযৰ চাৰিওফালে সৃষ্টিৰ পাতনিৰ পৰাই ঘূৰি আছে—তেনেকৈ ঘৰিছে স্বস্থানতো দিনো এবাৰ

উত্তেজনাত সভাঘৰত যেন বিস্ফোৰণ হ'ব এতিয়া। ওমৰে কেউফালে আকৌ এবাৰ চকু ঘৰাই আনিলে। তাৰ পাচত আকৌ ক'বলৈ ধৰিলে মোক কোৱা হৈছে এই কথা হেনো কোৱাণ বিৰোধী। পবিত্ৰ কো�ৰাণত ইয়াৰ বিৰুদ্ধে কোনো কথাই লিখা নাই। কোৰাণৰ ভুল ব্যাখ্যা কৰা হৈছে মাত্ৰ।

এজন কাজীয়ে তেতিয়া ওমৰক সতক কৰি দিলে সংযত হৈ কথা কোৱা ভাল হ'ব ওমৰ খায়াম। ইয়াতমৌলানা সকল আছে হাফেজ সকল আছে ইছলামৰ চবুদ বা সাক্ষী নামে খ্যাত স্বয়ং ইমাম অল ঘজালী আছে। ইয়াত সেইদৰে কোৱা চখত বেয়াদবি।

তা তাকৈও ডাঙৰ বেয়াদবি হৈছে সেইবোৰৰ যি'বাবে ভাবে যে কোৰাণ স্বৰীফ সিহতৰ জায়গীৰ মিৰোৱে ভাবে পয়গম্বৰে স্বমুখে ব্যক্ত কৰাৰ পিচতো সিহতে খুচীমত ব্যাখ্যা কৰিবলৈ কিছু অথ গোপনে থাকি গ'ল। তীব্ৰভাৱে ওমৰে ক'লে।

শেষত মই মোৰ ৰুবাইবোৰৰ কথালৈ আহো।

সভাষদ সকলৰ মুখ গম্ভীৰ। আহত সম্মানবোধৰ ক্ষোভ প্ৰকাশ পাইছিল সকলোৰে চকুত। কিন্তু দুৱাৰ মুখৰ পৰা সভাগৃহৰ মাজলৈকে ভিৰ কৰি থকা সাধাৰণ জনতাৰ চকুত উচপিচনি প্ৰকাশ পাবলৈ ধৰিলে।

ওমৰৰ সেই কৰাই বোৰ বহুতেই ভাল পাইছিল গোপনে গোপনে।

ওমৰে ক'লে মই কবি হিচাবে কোনোদিনে কোনো আকাঙ্খা কৰা নাই। কবিছিলো গণিতৰ ছাত্ৰ হিচাবে। গণিতজ্ঞ ওমৰক আপোনা-লোকে নামজুৰ কবিছে। পাপৰ কোনো জয়গান মোৰ কবিতাত মই কৰা নাই—। মই লিখিছিলো

গৰ গহৰে তাহতে তাৎ নক্ষত্তাম হৰ গিজ্।
গৰ দ গুনাহ আজ চেহৰে নেৰফতম হৰ গিজ॥
বা ইন হামা নোমিদ নীম অস কৰ মাৎ।
জানক খে ইয়াকেৰা দো নগুফতম হৰ গিজ।
যদি গথা নাই তোমাৰ সেৱাত মুকুতাৰ সাতসৰী।
কোনোদিন প্ৰভু মুখৰ পৰা মচানাই পাপধুলি॥
গতিকে তোমাৰ কৰুণা লাভত হোৱা নাই আশাহীন।
একৰ বাহিৰে তুমি দুই বুলি কোৱা নাই কোনোদিন॥

—সমবেত জনতাৰ মাজৰ পৰা এক কদ্ধশ্বাস বাহিৰ হৈ যোৱাৰ দীৰ্ঘ হুমুনিয়াহ উঠিল।

কিন্তু তৎক্ষনাৎ ঠিয় হ'ল এজন মধ্যবয়সীয়া পক্কেৰা মৌলানা। ওমৰৰ প্ৰতি এই নিমাত সমৰ্থনৰ ইঙ্গিত তেও সহিব পৰা নাছিল। মাননীয় ইমাম সকল তম্বু চিলাই কৰোতা ওমৰে যিটো কৰাই আবৃত্তি কবিছে তেওঁ লিখা এটাইবোৰ কৰাই কিন্তু তেনে নিদ্দোষ নহয়। আপোনালোকে যদি অনুমতি দিয়ে তেন্তে মই তেওঁ লিখা কিছুমান কৰাই এই বিচাৰ চ ৰাত গাই শুনাব পাৰো। প্ৰমাণ হিচাবেহে গাম ন হলে এনেকুৱা গুনাহযুক্ত বাক্য মই উচ্চাৰণ নকৰিলোহেতেন।

তেওঁক অনুমতি দিয়া হ'ল। পৰম অশ্ৰদ্ধাৰে কৰুণ বেসুৰাভাবে তেওঁ গাই গ ল কিছুমান কৰাই ,

ওমৰ মনত স্মৃতিৰ তৰঙ্গ উঠিল কালি কি কৰিবা আজিয়েই দিয়া কোনে জানো বাক কালি কি হব। হাজাৰ বছৰ বিয়পা হয়তো অতীতে সামৰি ল ব। ধৰা তুলি লোৱা সুৰাৰ পিয়লা হাহিৰ লহৰ তোলাহি আহি কচী এটুকুৰা, সুৰাৰ পিয়লা প্ৰাণ প্ৰিয়া মোৰ কাষত তুমি। সৰগ বতৰা কেলেই লাগিছে

—ওমৰৰ ওঠেদি হাহি বিৰিণ্ডিল। যদি চাকি কাষত থাকে সৰগৰ চিন্তা কিয় কৰিব তেওঁ । মৌলবীয়ে গাই গ ল মশতে ম্যায়

বেদাৰ গৰদদ্ নিমে সাল্। মশ্‌তে চাকি বোজে মহম্মৰ বামদাদ। সুৰাৰ বাগীয়ে এৰা দিয়ে বাতি শেষ হ লে—কিন্তু সুৰা গুৰিবেশন কৰা গাজকজনীৰ বাগীয়ে এৰা নিদিয়ে মহা বিচাৰৰ দিনলৈকে

ওমৰে শুনি গৈছিল চাকিয়ে বৰ ভাল পাইছিল সেই কবিতা ফাকি।

এনেতে মৌলবীয়ে গালে গম্ভীৰ স্বৰেৰে গজ্জিলে সাগৰে নাই নাই ক তো আলোক পথ। অন্ধ নিয়তিৰ অন্ধ বিশ্বাসত চলে মানৱৰ জীৱন ৰ থ পাপৰ ছাঁয়াটি ঘৰি দিনে বাতি আবৰি ধৰিছে মৰত ভূমি। মানুহে তোমাক ক্ষমিছে দেৱতা মানুহকো দেৱ ক্ষমিৰা তুমি।

আচৰিত হৈ ওমৰে কৈ উঠিল মইতো সেইটো লিখা নাই।

এটাই কেইজন কাজীয়ে একেলগে গজ্জ ন কৰি উঠিল বদ ৰখত।

ওমৰে অলপ পৰ থমকি ৰ ল। কিৰা এটা ক্ষন্তেক চিন্তা কৰিলে। দেখিলে যে ইমাম আলঘজালী নিঃশব্দে উঠি কাষৰ দুৰাৰ খনেদি দিৱানৰ পৰা প্ৰস্থান কৰিলে। ওমৰে সকলো বুজিলে। মনৰ ভিতৰত আবেগৰ ৰুদ্ধ দুৰাৰ এখন যেন হঠাৎ খোল খাই গ ল। তেও ক লে সেইটো কৱাই মই লিখা নাই। কিন্তু আজি এই বিচাৰৰ ক্ষণৰ উপযুক্ত অন্য এক কৱাই মোৰ মনলৈ আহিছে। সেইটো হৈছে—

যদি উঠি বহো কবৰ বুকুত
মহাবিচাৰৰ দিনা
হেপাহৰ বিত এপদ দুপদ
যদি বিচাৰিলে দিয়া
থোৱা যেন মোৰ নিচেই কাষতে
চিৰাজীৱে ভৰা কলসী।
আৰু উঁঠত মধুৰ হাহিৰে বোলোৱা
বুলবুলি এক ৰূপহী।

মুখ বন্ধ কৰা। বেয়াদবিৰ সীমা চেৰাই গৈছা তুমি। সকলো সমজুৱাই একেলগে চিঞৰি উঠিল। এনেতে বাহিৰত ঘোৰাৰ খুৰাৰ শব্দ আৰু অস্ত্ৰ শস্ত্ৰৰ ঝণঝণনি শুনা গ ল। বাহিৰত ৰৈ থকা মানুহবোৰ পলাবলৈ ধৰিলে। লৰা ধপৰা চিঞৰ বাখৰ শুনা গ ল। সভাঘৰৰ ভিতৰতো জনতাৰ মাজত চাঞ্চল্যৰ সৃষ্টি হ ল।

প্রধান কাজীয়ে ঠিয় হৈ হাত তুলিলত সভাঘৰ আকৌ নীৰৱ হ'ল। 'মই তোমাক তিনিবাৰ সুধিম। যদি তুমি তোমাৰ পৃথিবীয়ে সূযক প্রদক্ষিণ কৰাৰ অধামিক উক্তি ভুল বুলি এই সভাত স্বীকাৰ কৰা তেন্তে তোমাৰ প্রতি কাজীসকল অলপ কোমল হ ব পাৰে। কোৱা তুমি ভুল বুলি স্বীকাৰ কৰানে?

নকৰো! ওমৰে নিষ্কম্প ভাৱে ক লে।

তুমি আল্লাহৰ দ্বাৰাই অভিশপ্ত। এতিয়াও কোৱা নহ লে ৰক্ষা ন হব তোমাৰ—তুমি তোমাৰ কথা ভুল বুলি স্বীকাৰ কৰিছানে?"

নাই কৰা। ওমৰে পুনৰ দৃঢ়কণ্ঠে উচ্চৈস্বৰে ক লে।

এনেতে সভাকক্ষৰ প্রধান দুৱাৰ মুখৰ পৰা বজ্রগম্ভীৰ কণ্ঠে কোনোবাই ওমৰৰ কথাৰ প্রতিধ্বনি কৰিলে মা একৰাৰতু! নাই কৰা! সচকিত হৈ এটায়ে দুৱাৰৰ ফালে মখ ঘৰাই চাই দেখিলে সভাকক্ষৰ প্রৱেশ পথ অৱৰোধ কৰি থিয় হৈ আছে অসংখ্য ভীষণমূৰ্ত্তি তাজিক ৰণুৱা। পকোৱা লোহা এ কাফালৰ দৰে কঠিন দেহৰ দীৰ্ঘাকৃতি তাজিকৰ দল।

এহাতে তাৰাৰ জাঘনল নামৰ দুমুখীয়া যুদ্ধৰ কুঠাৰ আৰু আনহাতে খোলা তৰোৱাল লৈ দঢ় পদক্ষেপে সোমাই আহিল ছবিৰ আহমেদ ওচমান আৰু আচগৰ। লগে লগে অস খ্য তাজিক। খোলা ত ৰাৱালৰ পাতল কজলা তীখাৰ চিকমিকনি তুলি। আকৌ ক লে ছবিৰ আহমেদে পুনৰ কৈ দিয়া ওমৰ নাই কৰা। ইহতে কাণ চাফা কৰি লৈ শুনি লওক।

এয়া উলেমাৰ আদালত ছবিৰ।

কোনো কথা জানিবৰ দৰকাৰ নাই ওমৰ। তুমি তাজিক। কোনো বদ তৰিকী মোল্লাৰ কাম নহয় তোমাৰ বিচাৰ কৰা। আবদাল্লা খানে এঘ টা আগতে খবৰ দিব পৰা হ লেই ইহতে তোমাক লালমহলৰ পৰা আনিবই নোৱাৰিলেহেতেন। এই—বাহিৰ হ তহত—নহ লে কাৰো মুৰ নেথাকিব। যা ভাগ!

সন্ত্রস্ত সভাষদৰ দল ঠেলাহেচা কৰি বাহিৰ হৈ গ ল। জনতা আগতেই উধাও হৈছিল।

দুৱাৰমুখত আবদাল্লা খানে সাৱটি ধৰিলে ওমৰক।

আবদাল্লাৰ আদেশত লালমহল খালি কৰি আগেয়েই ৰাওনা হৈছিল এদল তাজিক যোদ্ধা। লগত গুছি গৈছিল চিন্নিগ। তাইৰ হাতত কাপোৰেৰে মেৰিয়া এটা টোপোলা। ওমৰৰ কৰাই লিখা কাগজখোৰ।

ম্ৰিয়মান ওমৰে এবাৰো উলটি নেচালে। নেচালে তৰাৰ ঘৰলৈ সদায় অহাযোৱা কৰা সেই চিৰ পৰিচিত বাটটোলৈ। নেচালে জুমা মচজিদৰ গগন ভেদী মিনাৰলৈ পট পটকৈ বাদশাহী নিচান উৰি থকা চুলতানী দপ্তৰখানালৈ। নেচালে চৌক উল কাজাজৰ সেই নীৰৱ ফলবাগানলৈ চাকি আৰু পৰভেজৰ স্মৃতি বিজৰিত নিচাপুৰৰ কোনো বস্তুলৈ। স্বপ্নলোকত খোজ কঢ়া মানুহৰ দৰে এপিনে আবদাল্লা আৰু এপিনে ছবিৰ আহমেদৰ মাজত নিজৰ অশ্ব চালনা কৰিছিল যন্ত্ৰ চালিতৰ দৰে। চকু চাহাৰাৰ দৰে শুকান। বুকুত চাহাৰাৰ নিষ্ঠুৰ দহন। ওমৰৰ দলিত বিধ্বস্ত মনত সকলো অনুভূতি সকলো আবেগ স্তব্ধ হৈ গৈছিল।

সন্মুখত শই শই তাজিক চোৱাৰী। অসংখ্য তাজিক বেদুইন যোদ্ধা আহিছে পিচতো। ৰাজপথ জনশূণ্য। সকলো দোলান দোকান বজাৰ বন্ধ। সন্ত্ৰস্ত নগৰবাসী পলাল।

অগণিত অশ্বখুৰৰ খুৰতাল আৰু হ্ৰেষাৰৱেৰে পৃথিবী কঁপাই বিজয়োল্লাসৰ ধ্বনিৰে চৌদিশ নিনাদিত কৰি মৰুভূমিৰ বা মাৰলিৰ দৰে অহা ভয়ঙ্কৰ তাজিক বাহিনী তেনেদৰেই বাহিৰ হৈ গ ল টাকিন দৰৱাজাৰে। পিচফালে ধুলিৰে ধৰণী ঢাকি থৈ গ ল। সেই ৰা-মাৰলিয়ে আলফুল কৰি তুলি লৈ গ ল ওমৰক।

কিছুপৰ পূৰ্ণোদ্যমে ঘোৰা চ'লাৰাৰ পিচতে নিচাপুৰৰ নিকটস্থ ৰেচিচত অপেক্ষা কৰি থকা মূল তাজিক বাহিনী দৃষ্টিগোচৰ হ ল। লগে লগে হাজাৰ হাজাৰ তৰোৱাল ওপৰলৈ তুলি ছবিৰ আহমেদৰ দলে চাদিয়ানাৰ হা হা হা-হা শব্দেৰে আকাশ মুখৰিত কৰিলে। দামামাৰ উদ্দাম আৱাজ ভাহি আহিল সিফালৰ পৰাও।

যুথবদ্ধ হৈ শাৰী শাৰীকৈ অশ্বপৃষ্ঠত আৰোহণ কৰি থকা তাজিকহতে ওচমান ছবিৰ আচগৰহতৰ লগত ওমৰক দেখি আল্লাহু আকবৰ ধ্বনিৰে পৰমেশ্বৰক ধন্যবাদ জনালে। খেজুৰ গছৰ ছাঁয়াত বগা কাপোৰ পিন্ধি অকলশৰীয়া এক দুৰ্গৰ দৰে থিয় হৈ আছিল বিশালদেহী

শেখ বেজা খান। চুলি পকিছে। কিন্তু চেনেহ নিজবি পৰা চকুহালৰ ওপৰত কপাল এতিয়াও উন্নত দেহ এতিয়াও ঋজু। কামত ছিল হৈ আছে বিবি নাজমা। কৰুণাময়ী বিবি নাজমা।

ঘোঁৰাৰ পৰা নামি ওমৰে ধীৰ মন্থৰ খোজেৰে আগবাঢ়িল। ওচমান ছবিৰ আচগৰ আৰু আবদাল্লা খান গল নিচেই কাষে কাষে। বেজা খানে নিজৰ বহল বুকুত সুমাই লৈ আলিঙ্গন কৰিলে ওমৰক। চকুত পানী আৰু মুখত হাহিৰে বিহ্বল ভাবে ৰৈ থকা নাজমাৰ সম্মুখত আঠু কাঢ়ি তেওঁৰ দুই আঠু দুহাতেৰে সাৱটি তলমুৰ কৰি মৌন হৈ থাকিল ওমৰ। ওমৰৰ মুৰত হাত বুলাই নাজমাই বিৰ বিৰকৈ কৈ আছিল এৱনে চহৰে! এৱনে চহৰে! মোৰ পুত্ৰ! মোৰ সোনাই! বহুপৰ তেনেকৈ থকাৰ পিচত কৰবাৰ পৰা উৰি অহাদি আহি কাষ চাপিলহি হাচিনা। লগত তাইৰ শিশুপুত্ৰ নৱছৱীয়া আফতাব।

ওমৰৰ ওচৰতে আঠ কাঢ়ি তেওঁৰ গাত ধৰি মাতিলে হাচিনাই— ওমৰ ভাইজান।

ওমৰে মুৰ তুলি চালে। তেওঁৰ চকুত তেতিয়া অবিৰল অশ্রুধাৰা। পৰভেজৰ মৃত্যুত কন্দা নাছিল যি ওমৰে চাকিৰ মৃত্যুত যাৰ চকু আছিল চাহাৰাৰ দৰে শুকান জনম জুৰি কান্দিব নজনা ঘাটমাউৰা ওমৰৰ চকুৰ পানীয়ে সকলোকে কন্দুৱালে সেইদিনা। কান্দিলে হাচিনাই কান্দিলে চিৰিণে চকুৰ পানী মুচিলে দুদ্ধষ যোদ্ধা আবদাল্লাই ছবিৰ আহমেদ আৰু ওচমানে।

সেই পবিত্র চকুৰ পানীয়ে অন্তৰৰ সমস্ত গ্লানি ধুই লৈ গল। লগ্ন মিলিল নতুন জীৱনৰ।

পুনৰ যাত্রা আৰম্ভ হল ওমৰৰ।

তামাম শোধ